


দক্ষিণপাট সত্ৰৰ ইষ্ট দেৱতা মহাপ্ৰভু ৺শ্ৰীশ্ৰী যাদৱৰাই

দক্ষিণপাট সত্ৰ

শ্ৰীবেণুধৰ শৰ্ম্মা



DAKHINPAT SATTRA :—

A HISTORICAL ACCOUNT OF THE DAKHINPAT SATTRA—ONE OF THE FOUR PRINCIPAL MONASTIC RELIGIOUS INSTITUTION OF ASSAM, FOUNDED BY SREE SREE VANAMALI DEVA GOSWAMI, ERSTWHILE SPIRITUAL HEAD OF THE BAIKUNTHAPUR SATTRA, KOCH BEHAR, AT THE INSTANCE OF HIS DEVOTED DISCIPLE MAHARAJA JAYADHWAJA SINGHA SWARGADEV IN SAKABDA 1584 I.E. 1662 A.D.

AUTHOR :—
BENUDHAR SHARMA,
REHABARI, GAUHATI 8,
ASAM

গ্ৰন্থকাৰ :—
শ্ৰীবেণুধৰ শৰ্ম্মা
গুৱাহাটী ৮

PUBLISHERS :—
ASAM JYOTI,
GAUHATI, ASAM.

প্ৰকাশক :—
অসম জ্যোতি
গুৱাহাটী ৮

PRICE :—
Rs 25/-

মূল্য :—
২৫৲ টকা

PRINTED BY :—
A. K CHATTERJEE, JNANODAYA PRESS, 17, HAYAT KHAN LANE, CALCUTTA-9

মুদ্ৰক :—
অৰুণকুমাৰ চট্টোপাধ্যায়,
জ্ঞানোদয় প্ৰেছ,
১৭, হায়াৎ খাঁ লেন, কলিকতা ৯

অৰ্পণ

চতুৰ্দ্দশ জনা দক্ষিণপাট-
সত্ৰাধিকাৰ শ্ৰীশ্ৰী ৺ হৰিদেৱ
গোস্বামী অন্তৰ্যামী গুৰু-
ঈশ্বৰৰ পুণ্য স্মৃতি-উদ্দেশে
"দক্ষিণপাট সত্ৰ" খনি অৰ্পণ
কৰা হল। অনুগত সেৱক

গুৱাহাটী-
বিজয়া দশমী-
১৮৮৮ শকে।

শ্ৰীবেণুধৰ শৰ্ম্মা



কিঞ্চিৎ আগকথা

অনাদি অনন্ত কালৰপৰাই এক প্ৰকাৰে নহয় এক প্ৰকাৰে, মানব-সমাজে পৰমেশ্বৰৰ অস্তিত্ব বিশ্বাস কৰি আহিছে। তথাকথিত সভ্যতাৰ গতিত পৰি, কিছুমানে হে ঈশ্বৰৰ সত্তা বা আধ্যাত্মিকতা বিশ্বাস নকৰি নাস্তিকবাদৰ প্ৰশ্ৰয় লৈছে। বৈজ্ঞানিকবো ভালেমানেই নিৰীশ্বৰবাদী। আস্তিকৰ মানত ঈশ্বৰ স্বয়ম্ভূ, জ্যোতিৰ্ম্ময়, অবিনশ্বৰ আৰু জগৎস্ৰষ্টা। ভগৱন্তৰ সত্তা আছে, পৰিধি নাই। সেই নিমিত্তে ঈশ্বৰ সৰ্ব্বব্যাপী। নাস্তিকৰ বিশ্বাস---জড় পদাৰ্থৰ সংযোগ-সহযোগ, ক্ৰিয়া-প্ৰক্ৰিয়া হলেই আস্তিকে বিশ্বাস কৰা সেই জগৎস্ৰষ্টা ঈশ্বৰৰ মহিমা প্ৰকট হয়। ঈশ্বৰ বুলি আৰু বেলেগ এজন স্ৰষ্টা নাই।

ৰ্টিাঙৰি অকলে এবিধ জড় পদাৰ্থ, সংঘৰ্ষ হলেই তাৰপৰা জুই ওলায়। বৈজ্ঞানিকে বা নিৰীশ্বৰবাদীয়ে পদাৰ্থটিৰ অস্তিত্ব বিশ্বাস কৰে, তাৰ ভিতৰত নিহিত থকা দাহিকা শক্তিটোক ঈশ্বৰদত্ত বুলি বিশ্বাস কৰিব নোখোজে, কয়, সংঘৰ্ষ হলেই, জুই ওলাবই। কিন্তু ঈশ্বৰমনাসকলে সেই নিহিত শক্তিটিকেই ঈশ্বৰৰ সত্তা বুলি বিশ্বাস কৰে। নাস্তিকে হেজাৰবাৰ নকওক, জগৎস্ৰষ্টা এজন নাই বুলি, তথাপি ৰসস্বাদযুক্ত কুঁহিয়াৰ এডালে কে দিব আছে বুলি। কিয় নো তেনেডাল গছ বৈজ্ঞানিকে সৃষ্টি কৰি দিব নোৱাৰে। গতিকে, এজন বিশ্বৰথীনকৰ থকাটো স্বতঃসিদ্ধ কথা। পৰিধিবিহীন হলেও সেই জনৰ নিমিত্তে মাত্ৰ ৰূপ বা আকাৰ আছে বুলি ধৰি লব লাগিব। সেই হে আমাৰ শাস্ত্ৰসমূহে পৰমেশ্বৰৰ অস্তিত্ব আৰু সাকাৰত্বৰ কথা প্ৰাচীন কালৰপৰাই স্বীকাৰ কৰি আহিছে। আমিও সেইদেখি,

"প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন" বুলি তাকেই কৰি আহিছোঁহঁক। মাথোঁ,

> "নানা শাস্ত্ৰসবে কৰৈ মতিভেদ
> নুবুজি তত্ত্ব তোমাৰ
> তাকে তত্ত্ব মানি মূঢ় যত প্ৰাণী
> বোলে ব্ৰহ্ম নিৰাকাৰ"--অনাদিপাতন।

ইতিহাসে চুকি পোৱা বহুকালৰ আগৰেপৰা ঈশ্বৰক বিশ্বাস কৰা যিটি ধৰ্ম্ম ভূ-ভাগত আপোনাআপুনি উদ্ভৱ হল সেইটিয়েই সনাতন ধৰ্ম্ম। বৌদ্ধ-খৃষ্টান-ইস্লাম ধৰ্ম্ম ওলোৱাৰ আগৰে এই ধৰ্ম্ম। পশ্চিম ভাৰতৰ সিন্ধু নদৰপৰা আৰম্ভ কৰি সমস্ত হিমালয়পাদদেশ আৰু কন্যাকুমাৰীলৈকে এতিয়াও জুৰি আছে ই হিন্দু নাম লৈ।

হিন্দু শব্দৰ উৎপত্তি সিন্ধুৰপৰা। গ্ৰীক বিলাকে ভাৰতবৰ্ষ জয় কৰিবলৈ আহি সিন্ধু নদৰ উপত্যকাত উপনীত হৈ, সিন্ধুক আমাৰ দৰে উচ্চাৰণ কৰিব নোৱাৰি সটোৰ বিকৃত উচ্চাৰণ কৰি হিন্দু কৰি পেলালে। অভিযানকাৰীসকলৰ মুখত পৰি হিন্দু নামটো বৰকৈ প্ৰচলন হল। গ্ৰীকৰ লগত ঘনিষ্ঠতা বাঢ়ি অহাত হিন্দু নামটোৱে সিন্ধুপৰীয়া সকলো মানুহৰ গাতে শিপাবলৈ ধৰিলে। পাচত অহা বিদেশী আক্ৰমণকাৰীবিলাকেও সটোৰ আচল উচ্চাৰণ ফুটাব নোৱাৰি সিন্ধু নদৰ পূৱ ফালৰ সমস্ত লোককে হিন্দু বুলিবলৈ ধৰিলে। হিন্দু বুলি কওঁতে-কওঁতে দেশখনৰ নামো হিন্দুস্থান হৈ গল। আগৰ ভাৰতবৰ্ষ নাম লোপ পালে। নদৰ ভৌগোলিক নাম সিন্ধুৱেই অৱশেষত জাতিধৰ্ম্ম পৰিচায়ক হিন্দু নামত পৰিণত হলগৈ। বিদেশী শাসনৰ প্ৰভাৱত পৰি সনাতন নামটোতো হৰলুকী মায়া লাগিল।

ভাৰতৰ সনাতন ধৰ্ম্ম বা বৈদিক ধৰ্ম্মটোক বিদেশীয়ে হে যে দিলে, সেই কথা অলপ তং কৰিলেই ফটফটীয়াকৈ ওলাই পৰে। কিয় নো আমাৰ কোনো প্ৰাচীন শাস্ত্ৰতে হিন্দু-ধৰ্ম্ম বুলি এটা ধৰ্ম্মৰ নাম পোৱা নাযায়। পোৱা যায়—সনাতন বা বৈদিক ধৰ্ম্ম বুলি হে। সনাতনেই হওক বা বৈদিকেই হওক পৰজন্মবিশ্বাসী ধৰ্ম্ম আচৰণকাৰীসকলেই হিন্দু বুলি পৰিগণিত হল। এনে বিশ্বাসৰ অনুৱৰ্ত্তীসকলেই একালত পৃথিৱী ভৰি আছিল। ক্ৰমাৎ তাৰ সীমা সঙ্কোচ হৈ, কেৱল ভাৰতবৰ্ষত হে বিৰাট স্তূপ এটা হৈ হিন্দু নামে পৰিচিত হৈ আছে।

হিন্দু ধৰ্ম্মাৱলম্বীয়ে কৰাৰ দৰেই অতীজতে সুদূৰ ইওৰোপৰ চুইডেনতো ত্ৰিমূৰ্ত্তিৰ উপাসা কৰা হৈছিল। ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰত আমি ভগৱন্তৰ ত্ৰিমূৰ্ত্তি যিৰূপে মানসা কৰোঁহঁক, চুইডেনবাসীয়েও সেই ত্ৰিমূৰ্ত্তিকে অডিন (Odin), থৰ (Thor), ফ্ৰিয়া (Freya) নাম দি সেই কিজনকে "প্ৰকৃতিপুৰুষনিয়ন্তা মাধৱ জ্ঞান" কৰি দেৱতাৰূপে পূজা কৰিছিল। আমাৰ তাম্ৰেশ্বৰী বা কেঁচাইখাতী গোসানীৰ আগত বলিদিয়াদৰে সিবিলাকেও উপচাল (Upsal) মন্দিৰত ৰাজকোঁৱৰসকলক বলি দিছিল। ইয়াৰ দ্বাৰাই প্ৰমাণ হয় যে ভাৰতত হিন্দু আখ্যা পোৱা ধৰ্ম্মত যিবিলাক পূজাপদ্ধতি আৰু বলি-বাহনৰ ব্যৱস্থা আছে, সেইবিলাক পাৱত গজা নহয়, নাইবা কালৰ তুলনাত অনাচাৰ-ব্যাভিচাৰো নহয়, আমাৰে (মানুহৰে) পূৰ্ব্ব পুৰুষসকলৰ প্ৰথা সেইবোৰ। কল্পে-কল্পে—যুগে-যুগে সভ্যতা-সংস্কৃতি-অভিজ্ঞতাৰদ্বাৰাই পৰিশোধিত- পৰিমাৰ্জ্জিত হৈ-হৈ বৰ্ত্তমান অৱস্থা পাইছেহি।

মূল কথাৰ আঁত নিছিঙাকৈয়ো এই খিনিতে কৈ থওঁ যে আমাৰ ৰুদ্ৰ দেৱতায়েই চুইডেনৰ "থৰ"। সেই ৰুদ্ৰৰে ভাৰতবৰ্ষত সহস্ৰ নাম। তাৰে এটা হল সদাশিৱ। ইটালী-ইৰাণ-আৰৱৰ মাটিৰ তলতো এই শিৱৰ লিঙ্গ আবিষ্কৃত হৈছিল। সেইবোৰ দেশত, শিৱলিংগ বা শিৱমূৰ্ত্তি হয়, মাটিৰ তলত পোত খালে, নহয় কবৰাত জাহ গল। আমাৰ ভাৰতত কিন্তু থাকি গল -যি এতিয়াও হয় "সত্য-সুন্দৰ-শিৱ"ৰ প্ৰতিমূৰ্ত্তিৰূপে আৰাধ্য হৈ আছে, নহয় শৌৰ্য্য-বীৰ্য্য-শক্তিৰ আধাৰ স্বৰূপে পূজিত হৈ আছে। অসমত বুঢ়াবাথৌ,[১] বুঢ়াবুঢ়ী থান,[২] গিৱা-গিবাচি বা পিশবাডেমাং --এইবিলাক নো কি?[৩] সেই শিৱৰেই একোটা-একোটা থলুৱা নাম। এইবিলাকৰ উপাসকো পুৰণি হিন্দুৰ গণ্ডীৰ ভিতৰতেই পৰে; কৌলিক মতে অন্ত্যজ বা সীমাৰ বাহিৰত থাকিলেও ধৰ্ম্মবিশ্বাসত সম্পূৰ্ণ অন্তৰ্ব্বৰ্ত্তী। ক্ৰমপৰিবৰ্দ্ধিত আৰু ক্ৰমোন্নতিত আধ্যাত্মিক চিন্তা-গৱেষণা হোৱাৰ ফলত ঈশ্বৰ-প্ৰাপ্তিৰ ভক্তিপথ সুকীয়া-সুকীয়া হৈ কেৱল পালনকৰ্ত্তা বিষ্ণু দেৱতাৰ প্ৰাধান্য বাঢ়িলতো, শিৱ বা সদাশিৱ বিষ্ণুৰেসৈতে অভিন্ন হৈয়ে থাকিল।

"গুণে নাম যত বিষ্ণু শিৱৰ
তাক ভিন্ন বুদ্ধি কৰে যত নৰ
নামৰ সিও মহা অপৰাধী
নৰকত পৰে দেৱে নৰাধি।"
কীৰ্ত্তন।

গ্ৰীচ দেশৰ দেৱ-দেৱীৰ মূৰ্ত্তি, জাভা-বৰ্ণীয়-বলি দ্বীপৰ প্ৰতিমা আৰু পৰ্ব্বতে-পাযন্ডে আবিস্কৃত মূৰ্ত্তিৰ আকৃতিবিলাকৰপৰা প্ৰতীতি হয় যে সকলোৱেই ভগৱন্তক সাকাৰৰূপে ধাৰণা বা উপাসনা কৰিছিল অন্ততঃ আকৃতিমূলক এটি বাস্তৱ মাধ্যম তৈয়াৰ কৰি লৈছিল। সেই পদ্ধতি ভাৰতপৰা অন্তৰ্হিত হোৱা নাই; বিধৰ্ম্মীৰ চক্ৰ-উপচক্ৰ, অত্যাচাৰ-উৎপীড়ন আৰু আশা-প্ৰলোভন অতিক্ৰম কৰি এতিয়াও মূৰ দাঙি আছে।

নকৈ নোৱাৰি যে ধৰ্ম্ম সম্বন্ধে ভাৰতীয় চিন্তাৰ দাৰ্শনিক ক্ৰমবিকাশ সঁচাকৈয়ে অভূতপূৰ্ব্ব। জগৎস্ৰষ্টাৰ কাষ চাপিবলৈ ভাৰতীয় মনীষীসকলে কৰ্ম্মযোগ-ভক্তিযোগ-জ্ঞানযোগ আদি অনেক জটিলতকৈও জটিল ভক্তিমাৰ্গ উদ্ভাৱন কৰিলে। স্তৰে-স্তৰে উদ্ভাৱিত মাৰ্গত অধিৰোহন কৰি যিসকল উধাই গল আৰু নোৱাৰাসকলৰ যি পৰি থাকিল —এই উভয় দলৰ ভিতৰত ক্ৰমানুযায়ী শৈৱ, গাণপত্য, শাক্ত, বৈষ্ণৱ প্ৰভৃতি বিবিধ পন্থ আৰু পন্থৰ বিবিধ শাখাপ্ৰশাখা সৃষ্টি হবলৈ ধৰিলে। বলবন্ত কালৰ প্ৰভাৱে বহিৰাক্ৰমণকে আদি কৰি এশ-এটা অপায়-অমংগল অ নি মিলোৱাত প্ৰাচীন ধৰ্ম্মৰ ভেটিত মাৰঘাত পৰিল। ধ্বংসৰ মুখৰপৰা সৱৰাই আনি সনাতন ধৰ্ম্মটোক কিবা প্ৰকাৰে জীয়াই ৰাখিবলৈ শকাব্দৰ চতুৰ্দ্দশ-পঞ্চদশ শতিকাত, অলপ অগাপিচাকৈ, সদৌ ভাৰততে এচাম ধৰ্ম্মবীৰ-ধৰ্ম্মগুৰুৰ আবিৰ্ভাৱ হল। সেইসকলৰ ভিতৰত ৰামানন্দ, তুকাৰাম, কবিৰ, গুৰু নানক, হৰিব্যাস, চৈতন্যদেৱ, তুলসীদাসেই প্ৰধান। আমাৰ অসমতো

(১) বৰোসকলৰ দেৱতা; (২) চতুৰীয়া-ৰবাহীৰ; (৩) দেউৰী চুতীয়াৰ উপাস্য দেৱতা।

সেই সময়তে শ্ৰীমন্ত শংকৰ, ধৰ্ম্মাচাৰ্য্য দেৱ দামোদৰ, শ্ৰীমাধৱদেৱ আৰু শ্ৰীহৰিদেৱৰ আবিৰ্ভাৱ। এই যুগৰ ধৰ্ম্মাচাৰ্য্য আৰু মহাপুৰুষসকলে নানান্ তন্ত্ৰ, ভাগৱত, পুৰাণাদি বৈধ্য শাস্ত্ৰ অধ্যয়ন কৰি বুজাবলৈ ধৰিলে যে হৰিভক্তি-পথ যিমানেই কি সুকীয়া সুকীয়া নহওক, সকলোৱেই মূলতে এক—সকলোৰে গুৰি সেই সত্য সনাতন ধৰ্ম্মই। ইয়াক কোনেও ভেদ ভাব কৰিব নাপায়।

"একে অগ্নিৰে বহুত নাম
একে সুৱৰ্ণৰে বহুত কাম।
একে ঈশ্বৰৰ বহু মূৰ্ত্তি হয়
জীৱৰ কৃপায়ে হোৱে উদয়।
বাস্তৱতে এক, ভিন্ন নোহয়
অজ্ঞানীসকলে ভেদ মানয়।
ইহাক যিটো ভেদ বুদ্ধি কৰে
অৱশ্যে, তামসত সিটো পৰে"

—সন্ত চৰিত।

ভাবগ্ৰাহী জনাৰ্দ্দনৰ সৰ্ব্বব্যাপকতা আৰু সাকাৰত্ব অস্বীকাৰ নকৰিও যি ভক্তিমাৰ্গই বিষ্ণু-বৈষ্ণৱক সকলোতকৈ শ্ৰেষ্ঠ স্থান দিছে সেই মাৰ্গৰে ধৰণী হল শ্ৰীমদ্ভাগৱতৰ বিশুদ্ধ ধৰ্ম্ম যাক সাধাৰণতে ভাগৱতী ধৰ্ম্ম বোলা হয়। "সৰ্ব্ব গুণাকৰ শ্ৰীমন্ত শংকৰ", ধৰ্ম্মাচাৰ্য্য শ্ৰীদামোদৰ, "বঢ়াৰ পো" শ্ৰীমাধৱে ধৰ্ম্মবুৰঞ্জীৰ এই পুনৰুত্থান যুগটোত "সন্ধ্যা, ললিতা-কান্তাৰ দৰে ত্ৰিধাৰা ভক্তিৰ সোঁত বোৱাই অসমত ভক্তিৰ বশিষ্ঠাশ্ৰমৰ স্নিগ্ধতা আৰু সৌন্দৰ্য্য বিস্তাৰ কৰিলে।* "শ্ৰীশ্ৰীদামোদৰ দেৱ চৰিতত" সেই হে নীলকণ্ঠ দাসেও এই বুলি কৈ দামোদৰদেৱক সেৱা জনাইছে ঃ -

"শংকৰ-মাধৱ দামোদৰ একে কায়
তিনিও মূৰ্ত্তিৰ একো ভিন পৰ নাই।
একৈক স্মৰণে হোক তিনিৰো স্মৰণ
তিনি ৰূপে দামোদৰ চৰণে শৰণ।"

এই দামোদৰৰে ধৰ্ম্মৱৰ্ত্তিধাৰী দক্ষিণপাট সত্ৰ।

শংকৰদেৱ-দামোদৰদেৱ দুয়ো পূৰ্ব্বতে একে ঠাই নগাৱঁতে আবিৰ্ভাৱ হোৱা। শংকৰতকৈ দামোদৰ ডেড়কুৰিমান বছৰৰ সৰু। ক্ৰমক্ৰমে, দামোদৰ শংকৰৰ ইমান প্ৰিয়-পাত্ৰ হৈ উঠিল গৈ যে শংকৰদেৱে দামোদৰদেৱক ঐকান্তিক ভাগৱতপৰায়ণ দেখি অন্তিম কালত এই বুলি ভবিষ্যদ্বাণী কৰিলেঃ—

"দামোদৰময় হুইবে সমস্ত জগত
বহু ব্ৰাহ্মণ কৃষ্ণত হুইবেক ভকত।
লভিবা আন-আন উপদেশ পাই
সত্ৰ পাতি ভক্তি প্ৰৱৰ্ত্তাবা ঠাই-ঠাই।"

—ভূষণদ্বিজ প্ৰণীত 'শংকৰ চৰিত।"

প্ৰভু দামোদৰৰ আধ্যাত্মিক মহিমাৰ কথা ৰাজনীতিবিদ, ভক্তপ্ৰধান মণিৰাম বৰ ভণ্ডাৰ বৰুৱাই এই দৰে বৰ্ণাইছে ঃ—

"গোসাঁই দামোদৰৰ গুণ মহিমাৰ প্ৰবলতা
দেখিয়া অনেক কথাতে প্ৰত্যক্ষ সাধকতা,
অপুত্ৰেৰ পুত্ৰ প্ৰাপ্ত হওয়া ইত্যাদি মাহাত্ম্যতে
অনেক লোক শৰণাপন্ন হৈয়া শিষ্য হয়।"

—"বুৰঞ্জী বিবেকৰত্ন"

*শৰৎচন্দ্ৰ গোস্বামী।

১১০ বছৰ মানৱী জীৱন ধৰি বেহাৰৰ মধুপুৰত থকা বৈকুণ্ঠপুৰ সদৃশ ভিতৰুৱা ঢাপ সত্ৰ দামোদৰপুৰ ধামত বহাগ মহীয়া শুক্লা প্ৰতিপদ তিথিত শ্ৰীশ্ৰীদেৱ দামোদৰে মৰ্ত্ত্য-লীলা সম্বৰণ কৰে। প্ৰভুৰ ধৰ্ম্ম নিৰ্ম্মালি পাই পাটবাউসীত শ্ৰীভট্টদেৱে, লুইতৰ দক্ষিণে গড়েমাৰাত শ্ৰীসন্তদেৱে, উত্তৰৰ বহনপুৰত শ্ৰীভগৱানদেৱে, পাতিদৰঙৰ লোচত শ্ৰীঅৰ্জ্জুনদেৱে, পূৰদেশে খুদীযাত শ্ৰীগোপাল মিশ্ৰই আৰু পালোৱাত শ্ৰীমনোহৰ দেৱে সত্ৰ পাতি ব্ৰহ্মসংহিতিমতে ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰে। এইবিলাক সত্ৰ কামৰূপত। উজনিৰ সৌমাৰ খণ্ডত ধৰ্ম্মপ্ৰকাশৰ অনুজ্ঞা লাভ কৰিলে শ্ৰীবংশীগোপাল দেৱে। প্ৰভু দেৱগোপালৰ শেহতীয়া স্থিতি হলগৈ কুৰুৱাবাহী সত্ৰত। তাতে থাকি প্ৰভুৱে সৌমাৰ খণ্ডত প্ৰায ৪৫ খন সত্ৰ পাতি দামোদৰ-প্ৰৱৰ্ত্তিত ভাগৱতী ধৰ্ম্মৰ পৰিসৰ বহলালে।

বৈকুণ্ঠ-প্ৰয়াণ হোবাৰ আগতে প্ৰভু দামোদৰে সকলো ভকতকে চপাই প্ৰভুৰ প্ৰিয় শিষ্য শ্ৰীবলৰাম দেৱক নিৰ্ম্মালি দি নিজা ভিতৰুৱা-ঢাপ সত্ৰৰে ধৰ্ম্মাধিকাৰী পাতে। তেওঁ-অন্তৰ্হিত হলত, বৈকুণ্ঠগামীজনাৰ অনুজ্ঞা মতেই শ্ৰীপৰমানন্দ দেৱ যথানিয়মে সত্ৰৰ অধিকাৰ হয়। বলৰামদেৱ ধৰ্ম্মাধিকাৰী হোবাৰ বছৰ চাৰেকৰ মূৰত "সৰ্ব্বগুণান্বিত লাবণ্য মূৰ্ত্তি" বনমালীদেৱ সৌমাৰৰপৰা গৈ দামোদৰপুৰ ধামত উপনীত হয়। বনমালী প্ৰভু বংশীগোপালৰ "প্ৰিয়তম অনুপাম" বুলি বলৰামৰ আগৰেপৰা জনা আছিল আৰু বনমালী যে "নপঢ়িয়া শাস্ত্ৰ হোৱে গুৰু" আৰু তেওঁৰ যে "বাৰ স্কন্ধ ভাগৱত কণ্ঠাগত" সেই কথাও জনা আছিল। সেই গুণে, পৰম আপ্যায়িত হৈ বলৰামদেৱে বনমালীকে নিতৌ বিয়লি বেলা ভাগৱত ব্যাখ্যা কৰিবলৈ নিযুক্ত কৰিলে। ইতিমধ্যে বলৰামদেৱ স্বৰ্গী হল।

তাৰ পিচত, কোচবেহাৰৰ প্ৰাণনাৰায়ণ ৰজাই দামোদৰপুৰৰে অন্তৰ্গত বৈকুণ্ঠপুৰত সত্ৰ কৰাই দিয়ালে। বলৰামে পাতি থৈ যোৱা দামোদৰপুৰৰ অধিকাৰ প্ৰভু পৰমানন্দদেৱ আৰু ভাগৱত-কৰ্ত্তা বনমালীদেৱ বিশেষ কাৰণত সেই সত্ৰলৈকে গুচি আহিল। গুচি আহিল যদিও, সম্বন্ধ অবিচ্ছিন্নাই থাকিল। তাতে কিছুদিন থকাৰ পিচত, প্ৰভু পৰমানন্দই বনমালী দেৱৰ শিৰত ধৰ্ম্মমালা অৰ্পণ কৰি ইহলোকৰপৰা বিদায় ললে। বৈকুণ্ঠপুৰতে (মধুপুৰতে) প্ৰভু বনমালীদেৱে ভালেমান বছৰ সত্ৰাধিকাৰ হৈ ধৰ্ম্ম মাহাত্ম্য প্ৰকাশ কৰি আছে এনেতে সৌমাৰেশ্বৰ জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ আহ্বানত কলিয়া-বৰৰ জখলাবন্ধালৈকে প্ৰভু আহে আৰু তাতে এখনি দিব্য সত্ৰ পাতে। তাৰপৰা গৈ প্ৰভুৱে শিৱসাগৰৰ ভটীয়াপাৰৰ পানী নোলোৱা পুখুৰীৰ পানী উলিয়াই সকলোকে বিস্ময় মনায়। "পুষ্কৰ্ণীৰ জল নিষ্কাশনত" প্ৰভুৰ অলৌকিক বাক্‌সিদ্ধতা আৰু অদ্ভুত ঐশ্বৰিক শক্তি দেখি পাত্ৰমন্ত্ৰী—ডাঙৰীয়া-বিষয়া সমন্বিতে জয়ধ্বজ সিংহই বনমালী গোসাইতে সৰ্ব্বস্ব সমৰ্পণ কৰিলে।

"মোৰ ৰাজ্যভাৰ যত সম্পত্তি আছয়
তোমাৰ চৰণে দিলোঁ বুলিলো নিশ্চয়।"

—শ্ৰীশ্ৰীবনমালী চৰিত, ৰমাকান্ত দ্বিজ।

ৰাজাজ্ঞা আৰু বনমালীদেৱৰ ইচ্ছানুসৰি ১৫৮৪ শকত দক্ষিণপাট নামে ঐতিহ্য-পূৰ্ণ বিতোপন ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰা হল। ঠাই-নামৰ অনুসৰিয়েই সত্ৰৰ নামো দক্ষিণপাট বুলিয়েই প্ৰজ্বলিত হৈ থাকিল। সত্ৰ স্থাপিত হোৱা দিনৰপৰাই প্ৰভু দেৱ দামোদৰে জলাই থৈ যোৱা ধৰ্ম্মৰ্বত্তি গছি একেবাহে সেই দক্ষিণপাটতে আজিকোপতি জ্বলি আছে আৰু দৈনিক ৰজা-ৰাজ্যৰ কুশল-মঙ্গলাৰ্থে বিষ্ণুদেৱতাৰ পূজাসেৱা, সামাজিক নীতি-সদাচাৰ-সংহতি, নাম-কীৰ্ত্তন আৰু অপৰিহাৰ্য্য সত্ৰীয়া কৃত্য শ্ৰৱণ-ভজন - দীক্ষামন্ত্ৰদান—প্ৰভৃতি কৰ্ম্ম ক্ৰমানুগত সুসংৰক্ষণ আৰু সুসম্পাদিত হৈ আহিছে। সেইবিলাকৰ উপৰিও, দেৱ দামোদৰ, দেৱ বলৰাম, দেৱ পৰমানন্দ সমন্বিতে বৈকুণ্ঠগামী গুৰুসকলৰ বাৎসৰিক শ্ৰাদ্ধ উৎসৱাদিও নিৰ্দ্দিষ্ট কালত নিয়মমতে পালন কৰা হয়। এইৰূপে ধৰ্ম্মাচৰণ আৰু ধৰ্ম্মোপদেশ বিতৰণ কৰি দামোদৰদেৱৰ দিনৰপৰা চলি অহা গুৰুসকলৰ পৰম্পৰা ৰক্ষা কৰি সত্ৰীয়া ধৰ্ম্মানুষ্ঠানৰ সম্প্ৰদা-সঙ্কীৰ্ত্তি সমুজ্জ্বল কৰি থকা হৈছে।

[এঘাৰ]

এতিয়ালৈকে পোন্ধৰজনা ধৰ্ম্মপালক গোস্বামীয়েই দক্ষিণপাটৰ ধৰ্ম্মগাদীত ক্ৰমান্বয়ে অধিকাৰৰূপে অধিষ্ঠিত হৈ আহিছে—১। ৺বনমালীদেৱ, ২। ৰামদেৱ, ৩। ৺কৃষ্ণদেৱ, ৪। ৺আত্মাদেৱ; ৫। ৺কামদেৱ, ৬। ৺সহদেৱ; ৭। ৺বলিভদ্ৰদেৱ, ৮। ৺বিষ্ণুদেৱ, ৯। ৺বিভুদেৱ, ১০। ৺বাসুদেৱ; ১১। ৺শুভদেৱ, ১২। ৺নৱদেৱ, ১৩। ৺নাৰায়ণদেৱ, ১৪। ৺হৰিদেৱ ১৫। আৰু বৰ্ত্তমান অধিকাৰ শ্ৰীশ্ৰীৰমানন্দদেৱ।

এই বুৰঞ্জীত ওপৰ চৈধ্যজনাৰ আধ্যাত্মিক মহিমা আৰু সত্ৰৰ পৌৰাণিক ইতিবৃত্তই স্বাভাৱিকতে বহুল পৰিমাণে ঠাই অধিকাৰ কৰিছে। এই কথা শতবাৰ স্বীকাৰ কৰিব লাগিব যে সকলো কথাৰ আঁতিগুৰি মাৰি সত্ৰ এখনৰ—বিশেষকৈ ৰজাসত্ৰ এখনৰ—বুৰঞ্জী এখন লেখা শাস্ত্ৰজ্ঞানহীন এই নিগনিকনৰ পক্ষে কেতিয়াও সম্ভৱ নহয়। তথাপি, চলাজনা প্ৰভু শ্ৰীশ্ৰী৺হৰিদেৱ অধিকাৰ গোস্বামী গুৰু ঈশ্বৰৰ অক্ষয় আশীৰ্ব্বাদ লভি আৰু বৰ্ত্তমান অধিকাৰ গোস্বামী প্ৰভু ঈশ্বৰৰ অফুৰন্ত আশ্বাস-উদগণি পাই, পাৱ-নমস্কাৰ কৰিয়েই এৰি নিদি, বলেনোৱৰা দক্ষিণপাট সত্ৰৰ বুৰঞ্জীখন লেখি ধৰ্ম্মপ্ৰাণ বুৰঞ্জী-পিপাসুসকলৰ আগলৈ সসম্ভ্ৰমে আগ বঢ়ালোঁ

ইয়াত অপাৰ ভুল-ভ্ৰান্তি ৰৈ যোৱাটো একো অস্বাভাৱিক নহয়। কিবা আসোঁৱাহ ওলালে সহৃদয় পাঠকসকলে নিজ কৰুণা গুণে মাৰ্জ্জনা কৰে যেন আৰু যেন আসোঁৱাহবিলাকৰ প্ৰতি আঙুলিয়াই দিয়ে। ইয়াকে ভাৰসা কৰিলোঁ।

গুৱাহাটী
১৪ কাতি, ১৮৮৯ শক

স্বীকৃতি

১। **শ্ৰীশ্ৰীবনমালী দেৱ-চৰিত ঃ—**

(ক) ৺ৰমাকান্ত দ্বিজ প্ৰণীত, ৺শৰৎচন্দ্ৰ গোস্বামীৰ দ্বাৰাই অসম-সাহিত্য-সভাৰ হৈ প্ৰকাশিত।

(খ) দক্ষিণপাট সত্ৰৰ গ্ৰন্থাগাৰত সংৰক্ষিত পুথি।

২। **শ্ৰীশ্ৰীদেৱ দামোদৰৰ চৰিত্ৰ ঃ—**

৺নীলকণ্ঠ দাস কৃত আৰু, অসম-সাহিত্য-সভাৰ দ্বাৰাই ৺শৰৎচন্দ্ৰ গোস্বামীদেৱৰ পাতনিৰেসৈতে প্ৰকাশিত।

৩। **দ্ৰাবিড পুৰাণ ঃ—**

অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত সংৰক্ষিত পুথি।

৪। **বণিয়া কাকতীৰ বংশাৱলী ঃ—**

৺কেশৱকান্ত বৰুৱাৰদ্বাৰাই প্ৰকাশিত।

৫। **অসম বুৰঞ্জী পুথি ঃ**

(ক) শ্ৰীনাথ দুৱৰা বৰবৰুৱাই লেখা,

(খ) ৺ৰবীন্দ্ৰনাথ ভট্টাচাৰ্যই বেঙেনাআটী সত্ৰৰপৰা অনা বুৰঞ্জীৰ অনুলিপি।

(গ) বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰাই প্ৰকাশিত বুৰঞ্জী [illegible]।

(ঘ) নানান্ ঠাইৰপৰা সংগৃহীত।

৬। **দক্ষিণপাট সত্ৰ ঃ—**

৺বলোৰাম দ্বিজ আৰু ৺সিন্ধুৰাম কাকতীৰদ্বাৰাই লিখিত।

৭। **গুৰুলীলা ঃ—**

ৰামৰায় ভণিত আৰু পাটবাউসী সত্ৰাধিকাৰ ৰামদেৱ গোস্বামীৰ দ্বাৰাই প্ৰকাশিত।

৮। **শ্ৰীশ্ৰী৺বংশীগোপাল দেৱৰ চৰিত ঃ—**

শ্ৰীশ্ৰী ৺দত্তদেৱ গোস্বামী বিৰচিত।

৯। **দি কোচবিহাৰ ষ্টেট ঃ—**

হৰেন্দ্ৰনাৰায়ণ চৌধুৰী, বি-এল, ১৯০৩।

১০। **এন্ একাউণ্ট অব আসাম ঃ—**

জন পিটাৰ ৱেড।

১১। **ডিষ্ট্ৰিক্ট গেজেটীয়েৰ ঃ—শিৱসাগৰ ঃ—**

বি চি এলেন।

১২। **সমিধানৰ সমিধান, "বাঁহী", ষষ্ঠবছৰ ৯ম সংখ্যা ঃ—**

৺হিতেশ্বৰ বৰবৰুৱা

১৩। **পাইয়নীয়েৰ, ইলাহাবাদ ঃ—**

১৪। **হৰকান্ত সদৰামিনৰ আত্মজীৱনী ঃ—**

শ্ৰীযুত কুমুদচন্দ্ৰ বৰদলৈৰদ্বাৰা সম্পাদিত।

১৫। **সমসাময়িক কাকত, দলিল আদি**

১৬। **পণ্ডিত শ্ৰীযুত প্ৰিয়নাথ দেৱ শৰ্ম্মা ব্যাকৰণতীৰ্থ, দক্ষিণপাট সত্ৰ।**

সূচী-পত্ৰ

পৰিশিষ্ট

(ক)

(খ)

(গ)

(ঘ)

(ঙ)

চিত্ৰ-সূচী



আরতি



দক্ষিণপাট সত্ৰৰ বহিৰ্দৃশ্য

প্ৰথম খণ্ড

প্ৰথম পটল

সত্ৰৰ বৰ্ত্তমান অৱস্থিতি

প্ৰবেশ-[illegible]

যোৰহাটৰপৰা উত্তৰলৈ ৮ মাইল বাট গৈ নিমাতীঘাট পোৱাৰ আগতে (১৮৭৪ শকত) কঁকিলা-দলঙৰ ওপৰত যেই থিয় হব, সেই দেখিব -[illegible] চকু-[illegible] [illegible] ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ পাৰে মাজুলীৰ মাজত কিবা এটি জিলমিলাই আছে। সেই [illegible]জিলমিল-নিয়েই [illegible] [illegible] মাইল বহল পানী আৰু বালি [illegible] মৃগতৃষ্ণা ভেদ কৰি [illegible] চকু জলক্-[illegible] লগাইছে। সেইটি [illegible] দক্ষিণ-পাট সত্ৰৰ মহাপ্ৰভু শ্ৰীশ্ৰী [illegible] মন্দিৰৰ জিলিঙনি। [illegible] [illegible] থাকোতে [illegible] [illegible] ঘৰে [illegible] এখাঁ [illegible] সম্প্ৰদায়ৰ লোকেই [illegible] খিলঞ্জি অধিবাসী। [illegible] সত্ৰৰ [illegible] [illegible] সেনাইত ৰূপে থাকি সেই [illegible] ভূমিতে উপ[illegible] [illegible] মাত্ৰ [illegible]লাবাদি অ[illegible] [illegible] বালিত বগৰা[illegible] [illegible] নিশ্চিত মনে [illegible] পাৰি আ[illegible] [illegible] পশ্চিমে সত্ৰৰ দক্ষিণগড় পাব। তাৰপৰা [illegible] সত্ৰৰ [illegible] পদূলি। পদূলি-মুখতে সত্ৰৰ [illegible] [illegible]পৰা [illegible] [illegible] গলেই [illegible] সেই কৰাপাটৰ ভিতৰতে সত্ৰৰ [illegible]বিহাটী। [illegible] পোৱালৈকে [illegible] হলে [illegible] ওপৰেদি পানী বাগৰে আৰু [illegible]-আলিহেন পদূলিটো [illegible] [illegible] পেলায়। মথাউৰি হৈছে যদিও, [illegible] পাটিৰ আলি ভাঙিবলৈ বাটনী [illegible] [illegible] [illegible] বালি ভাৰসা কৈ [illegible] আগন্তুক [illegible] [illegible]। [illegible] যত আছে সেই খিনি [illegible] সীমাৰ [illegible] পোৱাৰ আগতে সত্ৰলৈ সোমোৱা বাটটোৰ সোঁহাতে অৰ্থাৎ [illegible] [illegible] [illegible] সমুখতে পছিমলৈ বাটটোৰ [illegible] বৰগছ এজোপা। [illegible] সেই [illegible], উত্তৰলৈ শ্ৰীশ্ৰী নৱদেৱ গোস্বামী, শ্ৰীশ্ৰী নাৰায়ণদেৱ গোস্বামী আৰু শ্ৰীশ্ৰী [illegible]দেৱ গোস্বামী অধিকাৰ প্ৰভু তিনি গৰাকীৰ সমাধি-মন্দিৰ। সমাধিৰ সন্মুখতে এজুপি অৰ্জ্জুন গছ।[1] অৰ্জ্জুন জোপাৰ

তিনি গৰাকী প্ৰভুৰ সমাধিমন্দিৰ।

(১) 'নৱদেৱ গোস্বামী প্ৰভুৰ সমাধি-মুখত [illegible] অৰ্জ্জুন জোপা চাই, দক্ষিণপাট সত্ৰৰ আদি শিষ্য শ্ৰীৰামৰায় চলিহাৰ সন্ততি কবি শ্ৰীকমলেশ্বৰ চলিহাই [illegible] কবিতাটি লেখি "গুণ গুণ" কৰি প্ৰভুৰ গুণ-কীৰ্ত্তন কৰিছে :—

বহুদিনৰ অতিথি আহিছা
চিনি পাইছা নে মোক?
বাট-চ'ৰাটিতে কিয় নো ৰহিছা
পাইছা নে কিবা শোক?
হৃদয়-ৰোগত অৰ্জ্জুন গছ
জানা তুমি জানো অশোক কৰচ
ঔষধ তোমাৰ অন্তৰ বিৰচ
ৰব ধন্বন্তৰী ৰূপে
তোমাৰ চিনাকি মোৰ নাই বাকী
চিনালে তোমাৰ শোকে।
আজি মোৰ সেই পৰিচয় নাই
নুমাল তীৰ্থৰ চাকি
তোমাৰো নুমাল দীপালিৰ ঘাই
নিজ-তেল দিছা বাকি
জ্বলিব তোমাৰ নিজৰ শলিতা

জ্বলিব, জ্বলিব, নাই ভয় মিতা
মোৰ বাবে জ্বলে আকাশী সবিতা
কুৰুবো কান্দোন শুনি।
মৌন আন ঘৰ যত নিৰন্তৰ
নুমুৰা অতীত শুনি।
বাজ ৰুৱা পাট উজ্জ্বল পৰিচয়,
নতুন চাকিটি লই
পোহৰ কণিকা মোক জানো দিছা?
দয়া পৰৱশ হই।
আজি দপ্দপীয়া নামপ্ৰসংগত
নাই নাই তুমি ভকত-সংগত
মহাপুৰুষৰ মহা ৰচনত
তথাপিও যোগ দিলা,
মোৰ ফুল ফলে ডাবৰীয়া হ'লে
নেদেখে আকাশ লীলা।



সত্ৰৰ ভিতৰ-দৃশ্য

বৰ ভঁড়াল আৰু চাউলৰ ভঁড়াল। তালৈ সোমোৱা সমান্তৰাল ভাবে দুটা [illegible] আছে। [illegible] পোহাৰে মেলিছে ঘাই বাটটোৰপৰা। সেই দুটা বাটৰ দাঁতিও জোপোহা-জোপোহ [illegible] কঁঠালৰ গছ আৰু বনৰীয়া গেত-ফুলতৰা। ১৭৯১ শকত বাধা চাপৰিৰপৰা ([illegible] দক্ষিণে থকা [illegible]পুৰৰ মাজৰ চাপৰিৰ) এই ঠাইলৈ সত্ৰ তুলি আনোতে পশ্চিম হাটীৰ [illegible] সম্পূৰ্ণ আছিল। আন এখন সত্ৰলৈ ভকত [illegible] দিয়াত সেই হাটীৰ এতিয়া [illegible] মাত্ৰ আছে; তথাপি, তিনিহাটীৰ ভৰ্ণ বহাবেই গবৈষ্ণৱ সত্ৰখন জমাল হৈ আছে।

হাটীটোহঁতৰ বহাবোৰ ওধৰপৰা মূৰলৈকে লগালগি। সেই গুণে, প্ৰত্যেকৰে [illegible] একেটা। পিৰালিৰ ঘৰ আৰু থকা ঘৰ [illegible] চালৰ নহয়; পিৰালিৰ ওপৰত ভাগে [illegible] আগছালি বা আওলা। নিজৰ নিজৰ [illegible] পিৰালি [illegible] নিতৌ মচিকাচি [illegible] লাগে। পিৰালিয়েই অহাযোৱাও কৰিব লাগে। এনেয়ে বে [illegible] নাই, [illegible] ছাটি-জাপি এবো নালোৱাকৈয়ে এটা হাটীৰ মূৰৰপৰা তৃতীয়টো হাটীৰ মূৰলৈকে নিতি [illegible] হেলাৰঙে যাব পাৰি। ভকতৰ হাটীয়েই গড়ৰ দৰে সত্ৰখন আৱৰি ৰাখিছে। প্ৰত্যেক ভকতৰ বহাৰ আগে-আগে চোতালৰ মূৰত [illegible] শেজে-শেজে বাৰকৰীয়া ফল [illegible] বেল-ডমনা, আম-কঁঠাল আৰু ছেলেকোন বাঁহকৈ একো ডুখৰি শাকনি। ঠাই [illegible] তথাপি, পাচ ফালে জলকীয়া-বেঙেনা, [illegible]-পণ্ডালাও আদি নিৰামুহীয়া শাক-পাচলিৰ একো খনি তলী। ভকত সকলৰ দৈনিক লাগি [illegible] বস্তু বেহানি যেনে থাৰ-খেৰ, বেঁত-বাঁহ, খৰাহি-গাচি [illegible] দুৱাৰ [illegible] থোৱা হয়। বাৰিষাৰ নিমিত্তে [illegible] কৰিবলৈ নাও দুখনিও পাচফালে [illegible] থোৱা থাকে। সেৱা-শৰণীয়া, আলহী-অতিথি আহিলে থকা-খোৱাৰো [illegible] আছে। [illegible] খোৱাপৰা বা [illegible] পূৰ্বে, বজাই উচৰ্গা [illegible] ভকতসকলৰ সকলো বস্তু যোগাইছিল অৰ্থাৎ মাছ থাৰ আনি দিয়া, [illegible] দিয়া, বজাব-সমাৰ কৰি দিয়া, গাখীৰ-পানী আদি সকলো ব্যৱহাৰীয় বস্তুৰ যোগান ধৰিছিল। [illegible] কাম কৰিব থোৱা সভাতাৰ [illegible] পাবি আৰু চকুমূদি দেখিলেও [illegible] থাকিলে পাই যোগনীয়া পাইকৰ বংশধৰবিলাকৰ সেৱা-শুশ্ৰূষা, ভাৰভক্তি-টেটি আহিল। [illegible] তিনিপাট গুলোৱাত [illegible] ঘৰে ঘৰে বাটে খনিবৰ পাবলৈ যোৱাত আটায়ে খেৰৰ সলনি থকা ঘৰটোহঁত টিনপাতেৰে ছোৱাই লৈছে। [illegible] প্ৰভুৰ থাকনি [illegible] খেৰৰ হৈ আছে।

হাটীৰ পাচফালে সত্ৰৰ ভিতৰ পৰে। হাটীবপৰা গড়লৈকে [illegible] পথাৰ। সত্ৰ সত্ৰই

তাৰ মাজে-মাজে আৰু [illegible] পাচতে এজাৰ, [illegible] বেঁত আদি বনৰীয়া গছৰ [illegible] পাচটোৰ [illegible] বাহিৰেও, প্ৰায়েই তমোল-পাণ [illegible] আছে। মানিমুনি, ভেদাইলতা [illegible] পিৰালিকুৰৰী, [illegible] দৰবৰ শাক ঘৰ-নিবন্তৰে থাকে। [illegible] শৌচাচাৰ কৰা মৰংগ [illegible] শৌচাগাৰ না [illegible] প্ৰায়েই [illegible] সমাধা কৰা হয়। শৌচৰ পিচত স্নান অপৰিহাৰ্য্য। [illegible] আধুনিক আহিলা-পাতিৰে ঘৰবিলাক সজা [illegible] শোভা [illegible] দিছে। তথাপি, সত্ৰীয়া সংস্কৃতিৰ প্ৰাচীন নিদৰ্শন দক্ষিণপাটত [illegible] আছে। সত্ৰ সত্ৰই। ভিতৰ-বাহিৰ সকলোতে প্ৰাচীনপ্ৰথা অনুসৰণ কৰি [illegible] সত্ৰৰ ঐতিহ্য অটুট থাকে আৰু পৰিবৰ্ত্তনশীল সমাজৰ নিমিত্তে এটা উৎসুকতাৰ বস্তু হয়।

নামঘৰলৈ সোমাওতেই বাঙলী চৰা পায়; তাৰ উত্তৰফালে দৌলোৎসৱ কৰা ওখভেটি বা দৌল, নাইবা ফল্গুৎসৱৰ মণ্ডপ। ইয়াতে কাতিমহীয়া আকাশবন্তিও দিয়া হয়। **দৌলৰ** দক্ষিণ পশ্চিমেই বৰভঁড়াললৈ যোৱা বাট। নামঘৰৰ পূৱ মূৰত যি মণিকূট আছে তাৰ মণ্ডপত দক্ষিণপাট সত্ৰৰ উপাস্য ইষ্ট দেৱতা মহাপ্ৰভু শ্ৰীশ্ৰী যাদৱৰাইৰ পূজাসেৱা প্ৰত্যহ চলি আছে। নামঘৰতো সেইদৰে পুৱে-পৰে দ্বাদশ প্ৰসঙ্গৰ নামকীৰ্ত্তন আৰু শ্ৰীমদ্ভাগৱৰ পাঠ-ব্যাখ্যা হৈ আছে। মূৰ্ত্তি-শালগ্ৰাম সমন্বিতে যাদৱৰাইৰ অৰ্চ্চন-বন্দন আৰু নামঘৰৰ হৰিনাম কীৰ্ত্তন আৰু ভাগৱত পাঠে সত্ৰৰ চৌপাশে অনুক্ষণ পবিত্ৰ পৰিবেশৰ বা-বতাহ বোৱাই আছে। নামঘৰ-মণিকূট।

নামঘৰ আৰু উত্তৰ হাটীৰ মাজতে এজোৰ পুখুৰী; উত্তৰ হাটীৰপৰা পোনাই ওলোৱা-সোমোৱা কৰিবলৈ পুখুৰী জোৰৰ মাজেদিয়েই এটি, আৰু পশ্চিম পাৰৰ ওপৰেদি এটি বাট আছে। তাতো কেই জোপা মান বুঢ়া আমে চন্দ্ৰমলা আইদেৱৰ দানৰ গুণ বুকুত সামৰি আলি-পুখুৰী আবৃত কৈ থৈছে আৰু মহাপ্ৰভুৰ ফালে হাউলি-হাউলি জগতৰ মঙ্গলৰ হেতু মৌনী

প্ৰাৰ্থনা জনাই আছে। সেই দৃশ্য দেখি, ধৰ্ম্মপ্ৰাণ হিন্দুৰ হে নেলাগে, অহিন্দুসকলো গম্ভীৰ পৰিবেশত তন্ময় হয়।


সত্ৰৰ চাৰিউ ফালে চাৰিটা গড়। গড়ৰ পয়ৰাত, ছালত আৰু ওপৰত পাতল হাবি, মজা-মজিকৈ একো জোপা কোটীকলীয়া প্ৰকাণ্ড-প্ৰকাণ্ড মহীৰুহে হেজাৰবিজাৰ চৰাই-চিৰিকতিক আশ্ৰয় দি আছে। গড়ৰ বাহিৰে থকা বিল, দোবা হোলা আৰু এৰাসুঁতি বেত, জলচৰ পক্ষীয়ে আৰু বামত বামচৰ পক্ষীয়ে পাখি সৰাল দিছে। সত্ৰৰ চৌহদ্দৰ ভিতৰত প্ৰাণী হিংসা নিষেধ। সেই হেতুকেই কলিকলীয়া হিংসাকুৰীয়া ব্যাধৰ মাৰণাস্ত্ৰৰ হাত সাৰি এইবোৰ পক্ষীয়েই সত্ৰৰ নিৰ্জ্জন ঠাইত আশ্ৰয় লৈছেহি আৰু বাৰেওতিকাল নিৰ্ভয়-নিসংশয় মনেৰে অবজু ভাষাৰে যাদৱৰাই মহাপ্ৰভুক বন্দনা-প্ৰাৰ্থনা কৰি পক্ষিশাৱকৰ বংশ বৃদ্ধি কৰি আছে।[১]

---

[১] কেউফালে ধ্বংসৰ যি হে তাণ্ডৱলীলা আৰম্ভ হৈছে, এই পক্ষীসমূহ দেখা হে নেলাগে, ইহঁতৰ নামকে শুনিবলৈ পোৱা নহব। সেই গুণে, সত্ৰত বাহৰান্ধি থকা পানী বামৰ চৰাই কিছুমানৰ নাম ইয়াতে টুকি থোৱা হল।

পানীত চৰা:—পানীহাঁহ, পানীকাউৰী, দেওবাঙ্গহাঁহ, দৈকলা, মণিয়ৰী, কণামুচৰি, কাম চৰাই, আজান, বৰবগ, জিকৈ, কয়, কণুৰা, বৰটোকোলা, তেলীয়া-সাৰেং, ধনেশ, পাকৈঢোৰা, শামুকভঙা, বগলী, সৰালি, কালিঘুঁকি, ডাউক, ধিতৰুজ, ভীমৰাজ, কোঢ়া, গঙ্গাচিলনী (ব্ৰহ্মপুত্ৰৰ বালিত চৰে) প্ৰভৃতি।

বামত চৰা:—ডাঁৰিক, দেওডাঁৰিক, বালিমাহী, হাইঠা, পঘুমা, কপৌ (কটীয়া কপৌ, শেত কপৌ, হাৰুৱা কপৌ), উকহ, হয়কলি, ভাটৌ (গালপোৰা, গলমণিকা, চন্দনা, মদনা, বা-ৰঙা), কুকুহা, মইনা, মৰুচৰাই, চিলনী, বৰহুদু, ফেঁচু, কোকলোঙা, কৃষ্ণ, সহদেৱ, কুকুৰা, শগুন, সখিয়তী, কেতেকী; ভদৰকলী, কুলি, শেন, ফেঁচা, হেঁটুলুকা, বাদুলি, টিপচী, বটা চৰাই, মাটিমইনা, কাণকুৰিকা, ঘনচিৰীকা, শালিকা, ঢুতীয়া শালিকা, ৰঙাটুনী, ফেঁচুলুকা, নাকৰ খেচখেচী, পাতিকাউৰী, আৰু ঢোৱা কাউৰী—এইবোৰেই প্ৰধান।



বাঙলী চ'ৰা　　　নামঘৰ　　　মণিকূট



ভিতৰৰ আন এটি দৃশ্য

দ্বিতীয় পটল

"দক্ষিণপাট" নামৰ বিশেষত্ব

"দক্ষিণপাট"—এই নামটো অতি প্ৰাচীন ভাবত যুদ্ধৰ দিনবে। শকাব্দৰ ত্ৰয়োদশ-চতুৰ্দ্দশ শতিকালৈকে ইয়াব অন্তবালত ভালেমান ঐতিহাসিক ঘটনাব উদ্ভব অবসান হোৱা দেখিবলৈ পোৱা যায়। প্ৰাচীন যুগত দক্ষিণপাটব নাম আছিল দক্ষিণপাটক। দক্ষিণপাটক বুলিলে লৌহিত্যৰ দক্ষিণপাবে থকা এটা বন্দৰ বা বাণিজ্যব কেন্দ্ৰ ঠাইকে বুজায়—এনে ব্যাখ্যাকে কবে সংস্কৃতজ্ঞসকলে। সংস্কৃত ভাষাত এই অৰ্থ হলেও. অসমীয়া ভাষাত তাব অৰ্থ সুকীয়া। অসমীয়াত পাট শব্দই বাজপাট বা বজাব সিংহাসন নাইবা অৱস্থানুসবি বজা থকা ঠাই বুজায়। পাটব সৈতে কটো লগ লাগি বাজধানীব ক্ষুদ্ৰতব ৰূপ বাণিজ্যকেন্দ্ৰ হোৱাটো একো অস্বাভাৱিক নহয়। সেই দেখি. দক্ষিণপাটকক বাণিজ্যকেন্দ্ৰ বুলিলেও বজাব বাজধানীকেই যে নুবুজাব. এনে নহয়।

"দ্ৰাবিৰ পুৰাণ" আৰু "কলিযুগব ধৰ্ম্ম নিৰ্ণয় সাৰ সংগ্ৰহ"ত লেখিছে, পাণ্ডুপুত্ৰ অৰ্জ্জুনে তীৰ্থ ভ্ৰমণ কবিবলৈ আহি ভাবত, পূৰ দিশত এগৰাকী গান্ধৰ্ব্বী বিয়া কবায়। তেওঁবে এটি পুত্ৰ হল, নাম বভ্ৰুবাহন। 'এওঁ মণিপুৰ নামে নগব কবি চাবিউ দিশব বজাক জিনি মহাশক্তিমন্ত বাজা হেল। এতিয়ালৈ সেই নগবকে ঘুগুয়া গব বোলে। তেওঁবে পুত্ৰ চন্দ্ৰহাস। এই চন্দ্ৰহাসেই বজা হৈ তাবপৰা আহি দক্ষিণত পাট কবিলেহি। তেতিয়াবে পৰা দক্ষিণপাট বোলে। তেতিয়া দিহিঙো মেবাবিলৈ গৈ লৌহিত পবিছিল। চন্দ্ৰহাসৰ পুত্ৰ উত্তবধ্বজ বজা হল।' তেওঁবে পুতেক বিক্ৰমধ্বজ বজাব দিনত লৌহিতে দক্ষিণপাটব বাজধানী থকা ঠাই ডোখৰ খহাই নিলে. কিন্তু ঠাইব নামটো দক্ষিণপাটেই থাকি গল।

পূৰ্ব্বে দক্ষিণপাটব অৱস্থিতি আছিল লুইত বা লৌহিত্য. বুঢ়ী দিহিং আৰু বাশিষ্ঠী গঙ্গা বা দিখৌ এই তিনিখন স্ৰোতস্বিনীব সঙ্গম স্থলত। দিখৌকে এসময়ত কলঙ্ক বা কলং বোলাও হৈছিল।[৩] এই ঠাইবপৰা যেনিযে ইচ্ছা তেনিয়ে যাব পবাত আয়াযাতৰ বৰ সুচল আছিল। বজাব নাও নাওবাব থলী আৰু বেহেবুবা নাবব জিবণীয়া ঠাই হোৱা বাবে ঠাই ডোখৰ নৈপৰীয়া ডাঙৰ নগৰ এখনৰ সদৃশেই আছিল।

শকাব্দৰ আনুমানিক দশম শতিকাত বত্নপুৰ বা বতনপুৰ নাম দিওঁতা বুলি কথিত বত্নপাল বৰ্ম্মাই ভাৰদ্বাজ গোত্ৰীয় ব্ৰাহ্মণ কামদেবক যি ব্ৰহ্মোত্তৰ ভূমি দান কবিছিল সেই ভূমিদানৰ ফলিত দক্ষিণপাট নামৰ উল্লেখ আছে। লাখুটীয়া বা লাংখুটিজান. কলঙা-দন্ডী আদি নামৰ মবিসুঁতী বা ঠাই এতিয়াও এই অঞ্চলত আছে. নথকা বোৰকো নৈয়ে খহাই নিলে বুলি শুনিবলৈ পোৱা যায়। সদিয়া বা শদিয়াখন ধৰ্ম্মপাল বজাব বাজ্যব অন্তৰ্গত আছিল বুলি অসমৰ বুৰঞ্জীত লিখা আছে। এইজন বজাবেই মহাবাহু ব্ৰাহ্মণক দিয়া ব্ৰহ্মোত্তৰ তাম্ৰশাসনতো দক্ষিণপাটব কথা আছে। ব্ৰহ্মপুত্ৰ বংশীয় বজাৰ সন্তান আবিমত্তৰ তথাকথিত পিতৃদেৱতাক প্ৰতাপপুৰীয়া বা বামচন্দ্ৰ নাইবা মায়ামত্ত বজাব উত্তৰপৰীয়া পাট (উত্তৰপাটক) আছিল বিশ্বনাথৰ উত্তৰে গন্ডকী নৈৰ পাবত আৰু দক্ষিণ পৰীয়া পাট আছিল (দক্ষিণপাটক) লুইতৰ

(১) "ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে হাবুঙৰপৰা পূবলৈ নৰোৱা। নৰোৱা আৰু গাগল-ডুবিৰ মাজতে মণিপুৰ। ই দীঘে ৮ মাইল আৰু পথালিয়ে ছ মাইলমান হব। আগৰ কালত, জগৰীয়া মানুহবোৰক ইয়ালৈকে মেলা হৈছিল।।' --১৮০০ চনত লেখা ডাঃ জন পিটাৰ বেডৰ অসম বুৰঞ্জী।

(২) উত্তৰ লক্ষ্মীপুৰৰ ধেমাজিত। ইয়াত এটি দোল আছে। মানুহৰ মুখত পৰি ঘুগুয়া গুচি 'গুঘূহা' হল। "ভ্ৰমৰ" কাকতৰ ৩য় বছৰত শ্ৰীজগতচন্দ্ৰ বৰাই "গুৰু ঘূৰাৰপৰা ঘুগুহা" হৈছে বুলি কৰা অনুমান বুৰঞ্জীসম্মত নহয—কেৱল অনুমান হে।

(৩) দিখৌৰ নাম কলং হোৱাৰ কাৰণ দুটা পোৱা যায়। এটা অসম-বুৰঞ্জীত আৰু ইটো মনোহৰদত্ত ভূঞাৰ "বাৰেভূঞা বুৰঞ্জীত"। দুয়োটাই প্ৰবাদ। বশিষ্ঠ মুনিয়ে শাপ দি দিখৌক কলঙ্কিত কৰিলে। সেই বাবেই নাম হল "দৈ কলং"। দৈকলঙীয়া গাৰেই তাৰ সাক্ষী। শিৱসাগৰ-পুখুৰী থকা ঠাইত যিসকল গোহাঁই আছিল, সেইসকলক কলংচুপৰীয়া গোহাঁঞি বোলা হৈছিল।

'বাৰেভূঞা বুৰঞ্জী' মতে আবিমত্তৰ পিতৃবধী কলঙ্ক নিমিত্তেই কলং হল। দিখৌ আৰু কলং যে একেখনেই আছিল সেইকথা আনন্দচন্দ্ৰ আগৰৱালাই প্ৰমাণ কৰি গৈছে।

পাৰৰ ৰতনপুৰত। আজি যিখন ঠাই মাজুলী নামে জনাজাত তাৰ ৰজা ভদ্ৰসেনক পৰাস্ত কৰি চুতীয়া ৰজা স্বৰ্ণগিৰী পালে পুৰণি ৰত্নপুৰ নামকে ৰাখে। ইয়াৰেই বাৰভূঞাসকলৰ ৰঙ্গা নামৰ কোনোবা এজন ৰজায়ো ৰাজপাট খাইছিল। চন্দ্ৰহাসে পতা দক্ষিণপাট এই মাজুলীৰ অন্তৰ্গত ৰতনপুৰতে আছিল*। বৰ্ত্তমান ব্ৰহ্মপুত্ৰ মাজুলীৰ দক্ষিণে বৈছে। দক্ষিণ ফালে হনা লবৰ ২০০ বছৰমান হে হৈছে। স্বৰ্গী ৰজাসকলৰ ৰাজত্বকালত পুৰণি ৰতনপুৰৰ অৱশিষ্ট ভূমিখণ্ড (ঘাইখণ্ড তলগল) চাপৰিৰ দৰে দক্ষিণকূলৰ লগত সংলগ্ন আছিল। দিহিঙৰ সোঁতাইদি ব্ৰহ্মপুত্ৰ ভাগি অহাত ৰতনপুৰ এটা মাজুলীত পৰিণত হল।

যি ডোখৰ ঠাইক পুৰণি কালত দক্ষিণপাট বোলা হৈছিল, তাৰ সমীপতে প্ৰতাপ সিংহ স্বৰ্গদেৱে বাঙলী বাহৰ পাতিছিল বুলিও এটি জনশ্ৰুতি আছে।

জয়ধ্বজসিংহ স্বৰ্গদেৱে ঈশশক্তিসম্পন্ন প্ৰভু বনমালী দেৱক অসমত স্থাপনৰ অৰ্থে সত্ৰোপযোগী স্থানৰ অন্বেষণ কৰালত দূতসবে চতুৰ্দিশে চাই আহি

"নামত দক্ষিণপাট বুলি সবে কহে
উত্তৰত মহা নদী ব্ৰহ্মপুত্ৰ বহে"

বুলি ৰত্নপুৰৰ পটভূমিত স্থিত ঐতিহাসিক ঐতিহ্যেৰে পৰিপুষ্ট এইখন দক্ষিণপাটক নিৰ্দ্দিষ্ট কৰি আঙুলীয়ালে আৰু তাতেই ১৫৮৭ শকত মহাৰাজৰ আনুকূল্যত শ্ৰীশ্ৰীবনমালী দেৱৰ দ্বাৰাই দক্ষিণপাট-সত্ৰৰ আধাৰশিলা প্ৰতিষ্ঠিত হল।

তাৰ পিছত প্ৰাকৃতিক দুৰ্যোগ আৰু ৰাজনৈতিক অথন্তৰত পৰি কেইবা ঠাইলৈও সত্ৰ স্থানান্তৰিত কৰিব লগীয়া হয়। কিন্তু ৰাজেশ্বৰ সিংহ প্ৰদত্ত দেৱোত্তৰৰ ভিতৰত বৰগোহাঁই পৰীয়া চন্দ্ৰমেলা আইদেৱে যি মাটি যাদৱৰায়ৰ উদ্দেশে উচৰ্গা দিছিল সেই ঠাইতেই ১৭৯১ শকৰপৰা বৰ্ত্তমান সত্ৰ বহি আছে। ইয়াৰ সীমা ঃ পূবে দীঘলা নৈ নাওশালি আৰু বুঢ়াগোহাঞৰ খনা জান, উত্তৰে ৰাৱণাপাৰৰ ব্ৰাহ্মণৰ মাটি আৰু বৰবিলা দক্ষিণে ব্ৰহ্মপুত্ৰ।[১]

(১) ১৭৯১ শকৰ আগেয়ে ৰাধা চাপৰিত যেতিয়া সত্ৰ থাকে, তেতিয়া ইয়াৰ সীমা আছিল [illegible] দিহিঙৰ পাৰে-পাৰে (তেতিয়া ব্ৰহ্মপুত্ৰ যোৱা নাছিল)। দীঘলীপাটি দীঘে ৪ ক্ৰোশ বহলে আঠ ক্ৰোশ। ইয়াৰ ভিতৰত আছিল চামগুৰীৰ গাওঁ, দীঘলী গাওঁ, বেবাগী গাওঁ আৰু কুমাৰ গাওঁ।" —একাউণ্ট অব আসাম [illegible]।

তৃতীয় পটল

সত্ৰৰ বৈশিষ্ট্য

১। সত্ৰ সমূহৰ বাজিতা খোৱা।

"যি ঠাইৰ মাহাত্ম্য পবিত্ৰভাৱে পৰিপূৰ্ণ, যাৰ চৌপাশে থকা প্ৰাকৃতিক সৌন্দৰ্য্যই ত্ৰিতাপ-ক্লিষ্ট প্ৰাণতো শান্তিৰ সুধা বৰিষণ কৰে, যাৰ গহন বনৰ নিজ্জনতাই ঋষি-মুনিৰ আশ্ৰমলৈ মনত পেলাই দিয়ে, য'ত শৌচ-সংযম, নীতি-নিষ্ঠা, দয়া-দাক্ষিণ্য বিধিবৎ পাল কৰা হয়, য'ত ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি নিয়মানুবৰ্ত্তিতাৰ শাসন-অনুশাসন কঠোৰভাৱে উদ্যাপন কৰা হয় য'ত মৈত্ৰী-মিলনৰ সদ্ভাৱেই সততে বিদ্যমান, য'ত বেদপাঠ-ভাগৱত পাঠ শাস্ত্ৰচৰ্চ্চা আৰু নৱবিধ-ভক্তিসম্বলিত হৰিনাম-কীৰ্ত্তনৰ দ্বাৰাই অন্তৰ্য্যামী পৰমেশ্বৰৰ অলৌকিকতো আলোড়ন কৰি থকা হয়," সেই ঠাইত যি অনুষ্ঠানেই নেথাকক, সেয়ে সত্ৰ। এনে অৰ্থে কথিত ভাষাত পূৰ্ব্বে সত্ৰৰ বা শব্দ বোলা হৈছিল। শ্ৰীমদ্ভাগৱত, কাব্যকল্পদ্ৰুম আৰু কবিৰত্ন শ্ৰীশ্ৰী[illegible] দেৱৰ মতে সত্ৰৰ যি নিৰ্ব্বন্ধ সেই নিৰ্ব্বন্ধ অনুসাৰেই সৰ্ব্বগুণান্বিত প্ৰভু বনমালী দেৱৰ দ্বাৰাই ১৫৮৪ শকত দক্ষিণপাটত সত্ৰ সংস্থাপিত হয়। এনেদৰে দক্ষিণপাট ঐতিহ্য মাহাত্ম্যৰে পৰিপুষ্ট [illegible] ন্যূনাধিকৰূপে উপৰিউক্ত সত্ৰ পৰ্য্যায়ৰ [illegible]ৰাশি সংযোজিত হ'ল, দক্ষিণপাটৰ লগত সত্ৰ শব্দ [illegible] খাপ খাই পৰিল।*

বেহাৰৰ দামোদৰী সত্ৰৰ লগত পোনপটীয়া সম্বন্ধ।

প্ৰভু দেৱ দামোদৰৰ দ্বাৰাই প্ৰবৰ্ত্তিত নিৰ্ম্মল [illegible] ধৰ্ম্মৰে অনুগামী দামোদৰী সত্ৰ। [illegible] দুই মাইল [illegible] লক্ষ্মীনাৰায়ণ [illegible] দেৱ দামোদৰৰ নিমিত্তে পূৰ্ব্বে মহাৰাজ [illegible] এটি হৰিমন্দিৰ নিৰ্ম্মাণ কৰোৱায়। [illegible] চৌপাশে [illegible] আৰু [illegible] ওপৰত চাৰি হাতী আৰু বাহিৰতো অসংখ্য হাটী সজাই দিয়ে। এনেকৈ হৰিমন্দিৰ স্থাপন কৰোৱাই [illegible] সদৃশ যিখন ধৰ্ম্মপুৰী নিৰ্ম্মাণ কৰোৱা হ'ল, তাৰে নাম প্ৰখ্যাত হ'ল দামোদৰপুৰ ধাম। প্ৰাণনাৰায়ণ ৰজাই সেই দামোদৰ পাটৰ অধিকাৰী বনমালী দেৱৰ নিমিত্তে বৈকুণ্ঠপুৰ নাম দি [illegible] এখন সত্ৰ পতাই দিছিল। [illegible] আছিল। [illegible] আৰু অধিকাৰ [illegible] আছিল। দেৱ দামোদৰৰ পাচত [illegible] হৈছিল। মেধা অৰ্থাৎ ধাৰণাশক্তি আৰু [illegible] সম্ভৱ ভেলা-মধুপুৰ সত্ৰৰ বৰভকত [illegible] হৈছিল। [illegible] যি কি নহওক, প্ৰাণনাৰায়ণৰ দিনত [illegible] বৈকুণ্ঠপুৰত [illegible] অধিকাৰ হৈ থাকিছিল। [illegible] আহি [illegible] দক্ষিণপাটত [illegible] বৈকুণ্ঠপুৰৰ [illegible] কৰাইছিল যদিও পাচত দক্ষিণপাট [illegible] নাম [illegible] কিন্তু [illegible] নাম দিছিল বৈকুণ্ঠপুৰ হে। সেই [illegible] দক্ষিণপাটৰ মাজ [illegible] দামোদৰী সত্ৰ বৈকুণ্ঠপুৰৰ লগত অঙ্গাঙ্গি [illegible] লাগি থকা।

---

* "সতত সৌন্দৰ্য্যাদিৰ প্ৰাই, জ্ঞান প্ৰবৰ্ত্তন হৰিকথা শ্ৰবণ ভাগৱত আখ্যান, সকলো ব্ৰাহ্মণ বৈষ্ণৱৰ নিবাস, কাৰণ সত্ৰ বোলে।" —সৎ সম্প্ৰদায়।

"সদাচৰন্তি সৰ্ব্বমন কেৱলা ভগৱৎ প্ৰিয়া
নৱধা ভগৱদ্ভক্তিঃ প্ৰত্যহম্ যত্ৰ বৰ্ত্ততে
তং সৰ্ব্বম্ উত্তমম্ ক্ষেত্ৰম্ বৈষ্ণৱা সত্ৰ বদিন্তম্
তত্ৰস্থ ভক্তিঃ সৰ্ব্বে হৰিনাম পৰায়ণাঃ।"

—কবিৰত্ন ভট্টদেৱ

(১) আগেয়ে ইয়াৰ নাম আছিল বিবিধনাথী বা বিষ্ণুনাথ, নাইবা বাজ্জনবাৰী—বৃন্দদেৱৰ "দামোদৰ চৰিত" আৰু শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰু সম্পাদিত "কথা গুৰুচৰিত"।

(২) মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰস্থাপিত থান ভেলা বা মধুপুৰৰ অধিকাৰী জনক বৰভকত বোলা হৈছিল। মধুপুৰধামৰ মণিকূটৰ বৰ দুৱাৰত অসংখ্য দেৱতাৰ মূৰ্ত্তি আছিল। সেই মূৰ্ত্তিৰ ওপৰত একো প্ৰাধান্য নিদি বৰভকতসকলে ভাগৱত পাঠত হে বেছি প্ৰাধান্য দিছিল। বৈকুণ্ঠপুৰত হলে, ভাগৱত-পাঠৰ উপৰিও বৈদিক আৰু ভাগৱতমতে বিষ্ণুদেৱতাৰ পূজা অৰ্চ্চনা কৰা হৈছিল। ভকত-মেধিৰ এইটিয়েই পাৰ্থক্য"—"কোচবেহাৰ ষ্টেট"—হৰেন্দ্ৰনাৰায়ণ চৌধুৰী।

(৩) "পৰে কলাবৰীয়া জদু ব্ৰাহ্মণৰ পুত্ৰ বনমালীএ তেহো দেৱ গোপালৰ শিষ্য হুয়া কুৰুবাবাসীত আছিল। দেৱৰ বিয়োগে বলোদেৱৰ সত্ৰে গৈলা। কতো কাল তান সংগে আছিল। পৰে তাংক সত্ৰ দিয়া

৩। সত্ৰৰ সৌন্দৰ্য্য।

বৰ্ত্তমান সত্ৰৰ চৌহদৰ দৃশ্য ধুনীয়া আৰু মনোৰঞ্জ[illegible] যে [illegible] জ্ঞানান্বেষী ইংৰাজ একোজনেও সত্ৰৰ সৌন্দৰ্য্যবোধ আৰু বিতোপন পাৰিবেশৰ [illegible] শলাগ [illegible]।

৪। উদাৰ আতিথ্য।

স্বৰ্গদেৱ কমলেশ্বৰ সিংহ এবাৰ মাজুলীলৈ গৈছিল। সত্ৰসমূহত সেৱা [illegible]। [illegible] সত্ৰৰ কেনেকুৱা আদৰ-সম্ভাষা পালে তাৰ ইতিবৃত্ত [illegible] দি বৰবৰুৱা শ্ৰীনাথ দুৱৰাই [illegible] . . আৰু স্বৰ্গদেৱৰ লগত যোৱা সকলো [illegible] (দক্ষিণপাট সত্ৰত) প্ৰধান[illegible] জলপান [illegible]। আউনীআটী সত্ৰতকৈ দক্ষিণপাটত খৰান-খুৰান বং-ঢং সকলো [illegible]।' যুগধৰ্ম্ম অনুসাৰে সেই উদাৰ আতিথ্য [illegible] হ্ৰাস হোৱা নাই।

৫। মূৰ্ত্তিৰ অধিষ্ঠিত মহাৰাজৰ পূজিত যাদৱৰায় মূৰ্ত্তি আৰু দেৱ দামোদৰৰ সালগ্ৰাম খনিও দক্ষিণপাটতেই।

যিখন মূৰ্ত্তিক উপাসা কৰি যুধিষ্ঠিৰ মহাৰাজে [illegible] যজ্ঞ [illegible], সেই [illegible] 'শ্ৰীশ্ৰীযাদৱৰাই মহাপ্ৰভুৰ মূৰ্ত্তিখনেই দক্ষিণপাটত [illegible] পূজিত হৈ আছে। দেৱ দামোদৰৰ উপাস্য সালগ্ৰাম খনিও [illegible] সদা-সৰ্ব্বদা পূজা আচ্চনাৰে [illegible] হৈ আছে। সেই কাৰণে [illegible] দামোদৰী সত্ৰ সমূহৰ ভিতৰত দক্ষিণপাট সত্ৰ বিশেষলৈ বিশেষ [illegible] কলে বঢ়াই কোৱা নহয়। সত্ৰৰ [illegible] সত্ৰীয়া সম্পদৰ [illegible] হৈছিল আৰু [illegible] নিয়মবো ব্যতিক্ৰম ঘটিছিল। [illegible] সেৱক-শৰণীয়া [illegible] সাহায্যত পূৰ্ব্বৰ নীতি নিয়ম অনুসৰি [illegible] অহাত [illegible] হৈছে।

৬। লৌকিক [illegible] পদ্ধতি, [illegible] আৰু ভাগৱত [illegible]

[illegible] (শ্ৰীশ্ৰীদেৱ দামোদৰ) [illegible] সত্ৰসমূহত দক্ষিণপাটীয়া [illegible] দেখা যায়।

(১) যাদৱৰায়ৰ [illegible] লৌকিক [illegible] আৰু সিদ্ধ [illegible] দিয়া হয়। [illegible] [illegible] ইত্যাদি তিথি [illegible] এই [illegible] অৰ্থাৎ গাখীৰ, [illegible] কাফুৰিয়া [illegible] দিয়া হয়। [illegible] পূজা-[illegible] পৰমান্ন, নৈবেদ্যৰ নিৱেদন [illegible] দিয়া হয়।

(২) সত্ৰৰ [illegible] অধিকাৰ [illegible] পাঠ [illegible]।

(৩) শ্ৰী[illegible] [illegible] [illegible] [illegible] নহয়। [illegible] নকৰালৈ [illegible]।

৭। দীক্ষামন্ত্ৰ দিয়াৰ প্ৰণালী। জীৱহিংসা বিহীন নিগম পন্থ।

[illegible] প্ৰাধান্য [illegible] যায়। [illegible] একাদশ স্কন্ধৰ [illegible] অধ্যায়ত শ্ৰীকৃষ্ণ[illegible] [illegible] আৰু মিশ্ৰ এই তিনি প্ৰকাৰ পাতৰ উপদেশ দিছে। ইয়াৰ [illegible] এক [illegible] যি কোনো প্ৰকাৰেৰে ভগৱানক উপাসনা কৰিলে ভগৱান [illegible] এই শ্ৰীমদ্ভাগৱতৰ "নিমি-জায়ন্ত-সম্বাদত" ভগৱদ্ধৰ্ম্মবক্তা [illegible] বিধিৰেই ভগৱান বিষ্ণুক আৰ্চ্চনা কৰিবলৈ উপদেশ দিছে। শ্ৰীমদ্ভাগৱতৰ [illegible] দেৱ দামোদৰে পুৰাণোক্ত আৰু তন্ত্ৰ-শাস্ত্ৰোক্ত বৈষ্ণৱ মাৰ্গেৰে [illegible] দীক্ষা [illegible] প্ৰণালী প্ৰণয়ন কৰি গৈছে আৰু

বলোদেৱ দেহা ছাড়িলা। দেৱ বনমালি দক্ষিণপাট সত্ৰ [illegible]। চক্ৰধ্বজ ৰজা সেৱক। এতেকে দেৱ দামোদৰৰ সত্ৰ দক্ষিণপাট জানিবা"—"সন্ত সম্প্ৰদায় [illegible] গোবিন্দ দাস।

(১) "দক্ষিণপাটৰ ভিতৰখন গড়সমূৰ সত্ৰতকৈও চকুত লগা। সকলো সত্ৰতেই কৰাপাট আছে। দক্ষিণপাটৰ কৰাপাট এটি [illegible] ভিতৰলৈ সোমাই গলেই চাৰিচকীয়া বহল চোতাল এখনৰ দৃশ্য এটি চকুত পৰেহি—অক্সফৰ্ড কলেজৰ চতুষ্কোণীয়া চোঁতাল খনিক [illegible] ইস সজাই থোৱা হৈছে। কিন্তু অক্সফৰ্ডৰ দৰে ইয়াৰ চোঁতালত ঘাঁহনি নাই আছে—পানীৰে উপচি থকা একোটা একোটা সৰোবৰৰ হেন প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰী। পুখুৰী পাৰতে নিয়াগোম নিয়াগোম জোপোহা গছ। সেই গছৰ ছাঁয়েই পুখুৰী পানীত টলবলাই আছে"—শিৱসাগৰ ডিষ্ট্ৰিক্ট গেজেটীয়ৰ [illegible] ডি এলেন।

প্ৰায়বিলাক দামোদৰী সত্ৰতে সেই প্ৰথা অৱলম্বন কৰিও অহা হৈছে। দক্ষিণপাট সত্ৰত দামোদৰ-প্ৰদৰ্শিত দীক্ষা মাৰ্গই অদ্যাবধি মুখ্যভাৱে প্ৰাধান্য লাভ কৰি আহিছে আৰু সেই মতে [illegible] লোকে দীক্ষা দি থকাও হৈছে। তথাপি, "বৈষ্ণৱঃ সৰ্ব্ব মন্ত্ৰানামুপদেষ্টা ন সংশয়ঃ"—সনৎকুমাৰ সংহিতাৰ এই মত অনুযায়ী সত্ৰই শৈৱ, শাক্ত, গাণপত্য আদি মাৰ্গৰ লোকে মন্ত্ৰ ল'বলৈ ইচ্ছা কৰি আহিলে, সিবিলাকৰ [illegible]প্ৰথা ৰক্ষা কৰি জীৱহিংসাশূন্য বৈষ্ণৱ পদ্ধতিৰে [illegible] বা তন্ত্ৰোক্তমতে শৈৱ-শাক্ত-গাণপত্য আদিৰ মন্ত্ৰও দিয়ে।"

জীৱহিংসাবিহীন বৈষ্ণৱ মাৰ্গেৰেই প্ৰভু দামোদৰে কোচ ৰজা লক্ষ্মীনাৰায়ণক দীক্ষা দিছিল। প্ৰভু বনমালীদেৱেও এই প্ৰণালীৰেই জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ (লৰা ৰজা) স্বৰ্গদেৱ কেইজনক দীক্ষামন্ত্ৰ শুনাইছিল বা দান কৰিছি[illegible]।

"ভগৱান শিৱই [illegible] তন্ত্ৰশাস্ত্ৰ ৰচনা কৰিছিল। সেই তন্ত্ৰবিলাক[illegible] নিগম অৰ্থাৎ নিবৃত্তি মাৰ্গৰ পথ [illegible] সন্নিবেশ কৰি আগম অৰ্থাৎ প্ৰবৃত্তি মাৰ্গৰ পথসমূহ সংখ্যাধিক্য-ভাৱে [illegible] হেতু তন্ত্ৰশাস্ত্ৰসমূহক আগম শাস্ত্ৰ বুলি কোৱা হয়। পূৰ্বোক্ত দীক্ষা দানৰ [illegible], দক্ষিণপাট[illegible] [illegible] দানৰ প্ৰথা চলি আহিছে সেই প্ৰথাই হল-[illegible] ভগৱান শিৱই তন্ত্ৰশাস্ত্ৰ[illegible] জীৱহিংসা[illegible]বিহীন পবিত্ৰ নিগম পথ।

[illegible] স্বৰ্গদেৱে [illegible] গোসাঁইৰ শৰণ লৈ দীক্ষামন্ত্ৰ গ্ৰহণ কৰে। তেওঁৰ ৰৱ-[illegible] আউনীআটী সত্ৰৰ [illegible] আছিল; স্বামীয়েকৰ অনুগামিনী হৈ [illegible]" [illegible] উক্ত গোস্বামীৰ দীক্ষিত হয়। বিষয়াসকলৰো বহুতে [illegible] গোসাঁইৰ মন্ত্ৰ [illegible]। কিন্তু শিৱ[illegible] ইচ্ছুকসকলক দীক্ষা দি তেওঁ ঠাই[illegible] শৰণীয়া হবলৈ নোযোৱাকৈ [illegible] ধৰ্মাধিকাৰ [illegible]। সেই হে ঐতিহাসিক পণ্ডিত [illegible] আৰু দিহিং সত্ৰৰ [illegible] লেখিছে, "অসমৰ পুৰণি সত্ৰ এখনে (দক্ষিণপাটে) [illegible] ধৰ্মবিলাকৈ [illegible] ফালৰপৰা অসমৰ [illegible] উপকাৰ কৰিলে। [illegible] তেওঁলোকে এনে নীতি অৱলম্বন নকৰা [illegible] ধৰ্মগুৰুৰ [illegible]।"

হিন্দুধৰ্ম্ম গ্ৰহণ কৰা বাবেই [illegible] পতন হল বুলি বহুতে মন্তব্য প্ৰকাশ কৰে। [illegible] সময়ত অসমৰ গৌৰৱ ৰবিৰ [illegible] ভাৰতত চোৰফলীয়া হৈ জিলিকি পৰে [illegible] সময়ত মোগল-পাঠানৰ [illegible] চূৰ্ণ-বিচূৰ্ণ হৈ যায় সেই সময়ত অসম-ৰাজ-[illegible] গুৰু-গোসাঁইসকলৰ প্ৰভাৱতহে প্ৰবলভাৱে প্ৰসাৰিত হৈ আছিল। [illegible] চক্ৰধ্বজ সিংহৰ [illegible] অনুপ্ৰেৰণা-[illegible] স্বৰ্গদেৱ [illegible] আছিল [illegible] বনমালীদেৱৰে [illegible] পাচত [illegible] আমোলত শৰাইঘাটৰ [illegible] পৰে [illegible] হিন্দু ধৰ্ম্মাচাৰ্য্য বনমালী গোসাঁইৰ পৰা শৰণভজন আৰু দীক্ষামন্ত্ৰ লোৱা। [illegible] প্ৰায়েই [illegible] দীক্ষা লোৱা, নহয়, নিত্য বা কাল-[illegible] হিন্দু-[illegible] ধৰ্ম্ম গ্ৰহণ কৰা বাবেই আহোম-ৰাজত্ব ধ্বংস হল বুলি [illegible] বনমালীৰ [illegible] তেওঁ [illegible] দক্ষিণ-পটীয়া ধৰ্ম্মাচাৰ্য্যৰ [illegible] দীক্ষা [illegible] চক্ৰধ্বজ আৰু তেওঁৰ পৰৱৰ্ত্তী উদয়াদিত্য সিংহৰ ৰাজত্ব শেষ হোৱা দিনলৈকে।

[Margin notes: ৮। জাতীয়ত্ব ৰক্ষা কৰি আমাৰ ধৰ্ম্মগুৰুৰ আধিপত্য ৰখা। ৯। দীক্ষা মাহাত্ম্য।]

* "মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত"—"বাহী"—[illegible]।

* পূৰ্ব্বে জয়ধ্বজৰ[illegible] স্বয়ঙে আপোন বাইজ্য কৰাৰনিমিত্তে একজন সিধ লোকৰ আশ্ৰয় হোৱাৰ ইচায়ে বেহাৰ হৈতে ঈশ্বৰ বনমালী দেউ গোসাঁইক [illegible] অনন্ত মহাত্মা দেখি সিস্য হুই ভক্তি কৰিলে। ঈশ্বৰ বনমালী দেৱৰ আশীৰ্ব্বাদে ৰণ জই হুই [illegible] ৰাজা হল। সেই কালিন ঈশ্বৰ বনমালীদেৱে হিন্দু শাস্ত্ৰানুসাৰে ৰাজসভা নিৰুপন্ন কৰিলে [illegible] আৰু মৃত্যুকালত সকলো ফুকন বড়ুৱাই সোধাত ৰাজা কহিলে জে ঈশ্বৰ বনমালী গোসাঁঞি জাকে দিলে তাৱে ৰাজালবা। সেইজনৰ প্ৰসাদত হে মঞো ৰাজভোগ কৰিলোঁ" —"সন্তসম্প্ৰদায় নিৰ্ণয়"।

(১) লাচিত বৰফুকনো দিহিং নমাটি সত্ৰৰ শিষ্য আছিলঃ—

"এহিমতে দিব্য কাছে চলি যায় আগেপাচে
অসংখ্য পদাতি গণে চলে অতি ৰঙ্গমনে
শৰণে পশিল জানি লাচিত ফুকন জ্ঞানী"

(২) অৱশ্যে গকুলপুৰী সন্ন্যাসীৰ পন্থ অৱলম্বন কৰাৰ পাচত সুকীয়া সুকীয়া সংহতি হোৱাত

১০। ৰজাসত্ৰ।

স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত স্থাপিত কুৰুৱাবাহী সত্ৰ। প্ৰভু শ্ৰীশ্ৰীনিৰঞ্জনদেৱত শৰণ লৈ মহাৰাজ জয়ধ্বজ সিংহই আউনীআটী সত্ৰ পাতে। দক্ষিণপাট সত্ৰও জয়ধ্বজ সিংহ দ্বাৰাই স্থাপিত। মহাৰাজ ৰুদ্ৰসিংহই আউনীআটীত শৰণ লৈ সত্ৰসমূহৰ শ্ৰেণী বিভাগ কৰে। তেওঁৰ দিনতেই আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী—এই চাৰিখন সত্ৰক ৰাজসত্ৰ নাম দি সকলো এটকা মহন্তকৈ উচ্চাসন দিয়া হয়। সেই অৱধি দক্ষিণপাট সত্ৰও ৰজাসত্ৰৰূপে গণ্য হৈ আহিছে।[১]

১১। কোচ-আহোম-কচাৰী—এইতিনিউ বংশৰ ৰজাৰে ৰাজগুৰু সত্ৰ।

কোচবেহাৰৰ মহাৰজা প্ৰাণনাৰায়ণ আছিল বনমালীদেৱৰ প্ৰথম ৰজা-শিষ্য।[২] মহাৰাজ লক্ষ্মীনাৰায়ণৰ পুতেকে বনমালী দেৱতে শৰণ লৈ বৈকুণ্ঠপুৰ সত্ৰত ভকত হৈয়ে আছিল। দৰঙৰ ৰজা বলিনাৰায়ণৰ পুত্ৰ মহীধৰ নাৰায়ণেও বনমালীৰ সেৱক হৈ গুৱাহাটী ওচৰত সত্ৰ পতাই দিয়ে। দক্ষিণ পাট গোস্বামীযেই দৰঙ্গী বেলতলা দুয়োঘৰ ৰজাৰে ধৰ্ম্মগুৰু। সোমাৰত দক্ষিণপাট সত্ৰৰ প্ৰভুত্ব স্বীকৃত হোৱাৰ আগেয়েই, বেহাৰ-কামৰূপত পুণ্যশ্লোক বনমালীদেৱৰ মহিমা-মাহাত্মাই পাণ্ডিত্য-প্ৰতিভাই গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আছে। বনমালীদেৱৰ ঐশ্বৰিক শক্তি, শান্তসৌম্য মূৰ্ত্তি আৰু বাকসিদ্ধতাত আচৰিত মানিয়েই জয়ধ্বজ সিংহই তেওঁতে আত্মসমৰ্পণ কৰি দীক্ষামন্ত্ৰ গ্ৰহণ কৰে। তেওঁৰ ক্ৰমাগত উত্তৰাধিকাৰী চক্ৰধ্বজ-উদয়াদিত্য-ৰামধ্বজেও প্ৰভুৰ গুৰুত্ব বৰণ কৰিছিল। চুলিকফা বা লৰাৰজা বা ৰত্নধ্বজসিংহ বা কঠালগুটীয়া ৰজায়ো পাত্ৰমন্ত্ৰীসমে বনমালী গুৰুতে শিষ্যত্ব গ্ৰহণ কৰিছিল।[৩]

কচাৰী ৰজা কৃষ্ণচন্দ্ৰয়ো যাদবৰাইৰ মহিমা দেখি আৰু আশীৰ্ব্বাদৰ ফল প্ৰত্যক্ষ গোস্বামীৰ আশীৰ্ব্বাদত হাতে-হাতে পাই দক্ষিণপাটীয় গোস্বামীতে শৰণ লয়, আৰু, তেওঁৰ ৰাজ্যৰ ভিতৰতে দক্ষিণপাট সত্ৰৰ থাপনা এখন পতাই তাৰ ভৰণপোষণাৰ্থে মাটিবাৰী দি ভাগৱতী ধৰ্ম্ম প্ৰচাৰত সহায়তা দান কৰে। কৃষ্ণচন্দ্ৰ ৰজাই পাতিদিয়া সত্ৰ খনেই আজিও নগাঁও জিলাত দক্ষিণ-পাট সত্ৰ নামে প্ৰখ্যাত হৈ আছে। তিনিখন দেশৰ ৰজাক শিষ্যৰূপে নিৰ্ম্মালি দিবলৈ অধিকাৰ লাভ কৰিব পৰাটোতেই দক্ষিণপাটৰ আগত "ৰজাসত্ৰ" বিশেষণটো নিৰ্ব্বিবোধে ৰাজিত্ৰা থাই আছে।

১২। ৰাজনীতিতো সংশ্লিষ্ট।

শিষ্যসকলৰ সদাচাৰ—সত্ উপদেশৰ দ্বাৰাই ধৰ্ম্মপৰায়ণ কৰি সামাজিক শৃঙ্খলা নিয়াৰিকৈ সংৰক্ষণ কৰা আৰু ঐহিক জঞ্জালৰপৰা আঁতৰি ভক্তবৃন্দসমে ৰাজ্যৰ মঙ্গলাৰ্থে অহৰহ ভগৱন্তৰ চৰণত প্ৰাৰ্থনা কৰা—এই দুয়োটা কৰ্ম্মই সকলো সত্ৰৰ মুখ্য কৰ্ম। দক্ষিণপাট সত্ৰই এইবিলাকৰ উপৰিও কোনো-কোনো সময়ত ৰজা নিৰ্ব্বাচন আৰু বিদ্যমান ৰাজ্যঘৰীয়া জটিল সমস্যাৰ আউল ভঙ্গোতো সংশ্লিষ্ট থাকিবলগীয়া হৈছিল।

গৃহস্থী হলেও, সত্ৰৰপৰা ওলাই [illegible] উদাসীন ভকতসকলে ৰাজ্যঘৰীয়া [illegible] ৰাজ্যশাসনৰ চোৰকীও ঘুৰাইছিল। স্বৰ্গী ৰজাসকলেও একালত সেইবিলাক বিষয়াৰ সৰহ ভাগক দক্ষিণপাটৰ ভকতক হে নিযুক্ত কৰিছিল। জয়ধ্বজ সিংহৰ মৃত্যুৰ পিচত চক্ৰধ্বজৰ [illegible] পাতোতে যি খৰিখাল লাগিছিল তাক ভাঙি ডাঙৰীয়াসকলে চক্ৰধ্বজ সিংহক "লেচাঙৰ ঘৰৰ-পৰা আনি" অভিষেক পাতি ৰাজপাটত বহুউৱালৈকে ৰাজ্যশাসনৰ বাঘজৰী ডাল দক্ষিণপটীয়া গোস্বামী বনমালী দেৱেহে ধৰি আছিল। প্ৰতাপসিংহৰ নাতি অৰ্জ্জুন গোহাঞেও ধৰ্ম্মধ্বজ নাম

হিন্দু ধৰ্ম্মৰ যি অৱনতি আৰু শৰণীয়াসকলৰ মাজত যি হিংসা দ্বেষ আৰু অৰিয়াঅৰিৰ সৃষ্টি হল, তাৰ ফলত আহোম ৰাজশক্তি দুৰ্ব্বল হৈ আহিল বুলি কোৱাটো অসমীচীন নহয়। ব শ।

[১] "পূৰ্ব্বে জয়ধ্বজ সিংহ স্বৰ্গদেৱে গাম্পুঘাটত সভাৰ আদ্যান্ত উত্তৰোত্তৰ বহা, নিৰ্ম্মালি দিয়া ব্যৱস্থা কৰি গৈছিল। সেই নিৰ্ব্বন্ধতে শ্ৰীশ্ৰী ৰুদ্ৰসিংহ দেৱে পুনৰ নিৰ্ব্বন্ধ কৰিলে। পূৰ্ব্বত চেৰাই কিছু মহাজন আগপাচ হল। শ্ৰীশ্ৰী জয়ধ্বজ সিংহ দিনৰপৰা ৰাজাও ভকতীয়া হল। জয়ধ্বজ সিংহক অৱধি লৰাৰাজা পৰ্য্যন্ত দক্ষিণপাটৰ শিষ্য"—"বংশাৱলীৰ ৰত্ন" -মণিৰাম বৰ ভণ্ডাৰবৰুৱা।

[২] "মধুপুৰে বনমালী গোসাই মহাৰাজ প্ৰাণনাৰায়ণেৰ মন্ত্ৰদাতা গুৰু ছিলেন"—কোচবিহাৰেৰ ইতিহাস—খান চৌধুৰী আমানুল্লা আহমদ,

[৩] "জয়ধ্বজ ৰজাৰ পাছত চক্ৰধ্বজসিংহ, উদয়াদিত্য সিংহ আৰু ৰামধ্বজসিংহও দক্ষিণপাটৰ শৰণীয়া আছিল বুলি বুৰঞ্জীত উল্লেখ আছে। এওঁলোকৰ পাছত যি চাৰিজনা ৰজা হয় তেওঁলোক সম্ভৱতঃ হিন্দু হবলৈকে নেপালে। লৰাৰজাৰ দিনত দক্ষিণপাট সত্ৰৰ জেউতি চৰে। তেতিয়া "দক্ষিণপটীয়া বাপু" সৰ্ব্বেশ্বৰ্ব্বা আছিল, সেই কাৰণেই দক্ষিণপটীয়া গোসাই কিছুদিন ৰজা হৈছিল বুলিও মানুহে কয়।
—বাহী কণ্ঠভাগ: হিতেশ্বৰ বৰবৰুৱা,

লৈ ৰজা হলত, বুঢ়াগোহাঁইৰ সৈতে যি বিবাদ হৈছিল তাতো বনমালীদেৱৰ মধ্যস্থতা [illegible] নোহোৱাকৈ নহৈছিল। কোচৰজা প্ৰাণনাৰায়ণৰ সৈতে জয়ধ্বজ সিংহৰ যি মনোমালিন্য [illegible] হৈছিল, তাতো প্ৰাণনাৰায়ণৰ হৈ বনমালীদেৱ গা হোৱাত হে সৰ্গদেৱৰ কুষাৰি ভাবে শাম কাটিছে। সেইদৰে চিনি পায়ো সকলোৱে চিনি নোপোৱাৰ ভাও ধৰাত দৰঙ্গী ৰজা সূৰ্য্যনাৰায়ণৰ উত্তৰাধিকাৰিত্ব অপ্ৰমাণিতেই হৈছিল। কিন্তু গোসাঁই বনমালীয়ে "এই জনেই সূৰ্য্যনাৰায়ণ হয়" বুলি কোৱাত কোনেও "নহয়" বুলি কবলৈ সাহ কৰিব নোৱাৰিলে, সূৰ্য্যনাৰায়ণো ৰাজ্য পোৱাৰপৰা বঞ্চিত নহল। এই ৰূপে, অসাধাৰণ আধ্যাত্মিক শক্তিৰ বলত, এজন নহয় দুজন নহয় কেইবাজন ৰজাৰ ওপৰতো সুদীৰ্ঘকাল বনমালীদেৱে যি প্ৰভাৱ প্ৰতিপত্তি বিস্তাৰ কৰিলে তাৰ দ্বাৰাই দক্ষিণপাটৰ মানসম্ভ্ৰম আৰু আকৰ্ষণ আনতকৈ এখোপ চৰা হৈ থাকিল।

১৩। মহাপ্ৰভু শ্ৰীশ্ৰীযাদৱ বাইৰ কৃপা।

গোসাঁই বনমালীৰ দ্বাৰাই ভটীয়াপাৰ পুখুৰীৰ [illegible] নিষ্কাশন, প্ৰভু কামদেৱৰ দ্বাৰাই [illegible] পিশাচ শিষ্যকৰণ, প্ৰভু বিষ্ণুদেৱৰ দ্বাৰাই ৫ তোলাকৈ কাণি-পান আৰু তুলসী-নিৰ্ম্মালিত [illegible] শক্তি প্ৰদৰ্শন, প্ৰভু বাসুদেৱৰ দ্বাৰাই জড়মূৰ্ত্তি জাগ্ৰত কৰণ আৰু নিঃসন্তানক [illegible] প্ৰদান, গুৰু ঈশ্বৰ হৰিদেৱৰ দ্বাৰাই গুৰুবাক্য উপলঙ্ঘন কৰোতাক তৎকালে মিথ্যাবাদিৰ [illegible] ফল উপলব্ধি কৰাওন—এনেবিলাক অদ্ভুত-অদ্ভুত ঘটনাতেই সত্ৰৰ ইষ্টদেৱত যাদৱবাইৰ কৃপাত দক্ষিণপাটীয় ধৰ্ম্মাধিকাৰসকলৰ তেজ-বল আৰু ঐশিক শক্তিৰ মহিমা পৰীক্ষিত হল।

১৪। প্ৰতিষ্ঠাপকৰ বংশক্ৰমিকতা ৰক্ষা।

[illegible] সত্ৰ এখন থকা-লৈকে বনমালীদেৱৰ [illegible] লোকেই [illegible] অধিকাৰী হৈ আহিছে। আজি তিনি শ বছৰ পাৰ হোৱাৰ পিচতো দক্ষিণপাট সত্ৰ [illegible] অধিকাৰ [illegible] সেই বংশৰে পাতিব পৰা হৈছে [illegible] কেবল [illegible] কৃপা [illegible] দেৱৰ গোত্ৰ-ঐতিহ্য [illegible] নোহোৱাকৈ একাদিক্ৰমে ধৰ্ম্মপালকৰ [illegible] দক্ষিণপাটৰ এটি উল্লেখযোগ্য বিশেষত্ব।

১৫। শাস্ত্ৰীয় ব্যৱস্থাৰ বিশুদ্ধতা

[illegible]—এই [illegible] নিউ [illegible] সম্প্ৰীতি আৰু সুশৃঙ্খলত [illegible] আত্মাৰ অবিনাশিত্ব বিশ্বাস [illegible] একোখন [illegible] নিৰ্ভৰ [illegible]। [illegible] পৰকালৰ [illegible] ধৰ্ম্মানুষ্ঠানসমূহে বান্ধি [illegible] আটাইতকৈ [illegible]। এই [illegible] নিত্য [illegible]।

১৬। দক্ষিণপাট সত্ৰসমূহৰ দ্বাৰাই মূল সত্ৰৰ ধৰ্ম্মনীতি সম্প্ৰসাৰণ।

[illegible]

[illegible] হৈছিল, [illegible] যাই সত্ৰৰ আজ্ঞা-[illegible] আৰু ধৰ্ম্মনীতি সম্প্ৰসাৰণ কৰি গোটেইভাবে দক্ষিণপাট [illegible] প্ৰতিপত্তি [illegible] পোষণ কৰিছে।

১৭। সত্ৰৰ আশীৰ্ব্বাদ।

প্ৰত্যেক [illegible] অধিকাৰ গোস্বামীসকলৰ [illegible] কলাত পাৰদৰ্শী হবই লাগিব। শিষ্যৰ [illegible] উন্নতি সত্ৰৰ আশীৰ্ব্বাদ [illegible] সাহিত্য, সঙ্গীত, ৰাজনীতি, বিষয়, বাসনা ইত্যাদি সকলো ক্ষেত্ৰতে [illegible] দক্ষিণপাটৰ শিষ্যই ৰজাঘৰে প্ৰজাঘৰে শীৰ্ষস্থান লাভ কৰিছিল। নকাৰবলৈ, মহাপ্ৰভু যাদৱবাইৰ বৰ আৰু গুৰুসকলৰ আশীৰ্ব্বাদেই হল, "শিষ্যসকল বিদ্যায়-প্ৰতিভায় [illegible] হওক, বিভৱ-বিভূতিৰে সমৃদ্ধশালী হওক; কীৰ্ত্তি-যশস্যাৰে সুমণ্ডিত হওক, ধৰ্ম্ম-ঐতিহ্য-সাহিত্য-সঙ্গীত-ৰাজনীতি আৰু সুকুমাৰ কলাৰ অনুৰক্ত হওক।"

১৮। দামোদৰী সত্ৰসমূহৰ লগত অবিচ্ছিন্ন সম্বন্ধ।

কতীয়া বছৰেৰে পাঁচ শ বছৰ পূৰ হওঁ-হওঁ হলহি, তথাপি, দেৱ দামোদৰৰ দ্বাৰাই যি ধৰ্ম্ম প্ৰচাৰিত হল আৰু যি ধৰ্ম্ম জয়ে-জয়ে প্ৰভু শ্ৰীশ্ৰীবংশীগোপাল দেৱৰ দ্বাৰাই উৰ্জ্জনিত পৰিবাহিত হল সেই ধৰ্ম্মৰ জেউতি আজিও পুণ্যভূমি মাজুলীতে উজলি আছে সেই মাজুলীৰে দক্ষিণপাট সত্ৰই বেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰই সৈতে অঙ্গাঙ্গী ভাবে জড়িত থাকি ভট্টদেৱ, অৰ্জ্জুনদেৱ

সন্তদেৱ, ভগৱানদেৱ প্ৰমুক্ষে দামোদৰভক্ত প্ৰভুসকলৰ সম্বন্ধটো সেইসকলৰ সত্ৰসমাম্বিতে আজিকোপতি অবিচ্ছিন্ন ভাবে ৰক্ষা কৰি আহিছে।

১৯। প্ৰাচীনত্ব ৰক্ষা কৰাত।

বিৱৰ্ত্তমান জগতৰ পাৰিপাশ্বিক আৰু ৰাজনীতিক চাকনৈয়াত পৰি প্ৰাচীনত্বৰ পূৰ্ণকলা নিৰন্ধকৈ ৰখাত হীনডোঢ় যে ঘটা নাই, এনে নহয়। ঘটিছে। সেই বুলি বাহ্যিক আড়ম্বৰ আৰু বিলাসিতাৰ সোঁতত সত্ৰীয়া ঐতিহ্য আৰু কৃষ্টি উটাই দি অকাল বোধনৰ অৱতাৰণা কৰা নাই। মহাৰাজ ৰুদ্ৰসিংহই যি নিৰ্ব্বন্ধ কৰি অসমৰ বিশেষ চাৰিখন পুৰণি প্ৰভাৱশালী সত্ৰক চাৰিসত্ৰীয়া বুলি উচ্চ মৰ্য্যাদাত স্থাপি গল, সেই নিৰ্ব্বন্ধমতেই চলি থাকিবলৈ দক্ষিণপাট সত্ৰই প্ৰয়াসৰ এখুদমানো ত্ৰুটী কৰা নাই।

২০। শ্ৰীমদ্ভাগৱতৰ মূল-মন্ত্ৰদান। "পুণ্যভূমি ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰি জীৱন যেন বিফল নকৰা।"

স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমি ভাৰতবৰ্ষক নিৰন্তৰ সেৱা কৰি থাকিবলৈ শ্ৰীমদ্ভাগৱতৰ যি মহোপদেশ, সেই মহোপদেশৰ অমৃতকে অধিকাৰ গোস্বামীয়ে নিতৌ সত্ৰৰ ভাগৱত প্ৰসঙ্গত মন্দ্ৰ-মন্দ্ৰ স্বৰে বৰ্ষণ কৰি থাকে ঃ—"শুকে কহন্ত, জানা ৰাজা, এই ভাৰতবৰ্ষৰ অনেক নদ-নদী, পৰ্ব্বতসৱ আছে, যাহাতে স্নান কৰি পবিত্ৰ কৰ্ম্মে মনুষ্য হয়। এই বৰিষৰ লোকে সাত্বিক কৰ্ম্ম কৰি স্বৰ্গক যায়; ৰাজসিক কৰ্ম্মে মনুষ্য হয়; তামসিক কৰ্ম্মে নৰকক যায়; হৰি-ভক্তি কৰি মুক্তিক পায়। যদি আমাৰ স্বৰ্গভোগৰ অৱশেষ পুণ্য আছে, তেবে সেই পুণ্যে ভাৰতভূমিত জন্ম হোক। হে সভাসদসৱ, দেখা, দেৱবো প্ৰাৰ্থনী মানুষ শৰীৰ ভাৰতভূমিত পায়া বিফল নকৰা"।[১]

[১] শ্ৰীশ্ৰীভট্টদেৱৰ "কথাভাগৱত"।

দ্বিতীয় খণ্ড

প্ৰথম পটল

সত্ৰীয়া নিয়ম-তন্ত্ৰ আৰু ধৰ্ম্মাচৰণৰ নিৰ্ব্বন্ধ।

সত্ৰৰ ধৰ্ম্মাচাৰ্য্যসকল উদাসীন। ভকত-বৈষ্ণৱসকলো সেই ৰূপেই অবিবাহিত। প্ৰতিষ্ঠাপক পৰাশৰ গোত্ৰীয় প্ৰভু বনমালী দেৱৰ পৰম্পৰা সংৰক্ষণৰ হেতু সুকীয়াকৈ এখনি গৃহস্থী বা গৃহাশ্ৰমী সত্ৰ প্ৰতিষ্ঠা কৰা আছে। সেই খনেই দক্ষিণপাট—সত্ৰাধিকাৰসকলৰ ঘাই ক্ষেত্ৰ বা কঠীয়াতলী। কাৰণ, ইয়াৰপৰাই বনমালীদেৱ-দিন-অৱধি একাদিক্ৰমে ধৰ্ম্মাচাৰ্য্য হৈ আহিছে। গৃহস্থী সত্ৰত জন্মগ্ৰহণ কৰা উপযুক্ত বালক একোজনক কৈশোৰতে আনি সত্ৰত ডেকা গোঁসাই বা সৰু ডেকা গোঁসাই ৰূপে ৰখা হয়। তাতে থাকি তেওঁ বিদ্যাশিক্ষা কৰে আৰু ৰীতিমতে শাস্ত্ৰজ্ঞান লাভ কৰি সত্ৰীয়া নিয়ম আৰু ধৰ্ম্মাচৰণত প্ৰোক্ত হয়। সৰ্ব্বোতোপ্ৰকাৰে উপযুক্ত যেন বিবেচিত হলেই সত্ৰৰ বৈষ্ণৱবৃন্দই তেওঁকে বিধি-অনুযায়ী ডেকা-অধিকাৰী পদত বৰণ কৰে। অধিকাৰৰ অবিহনে এই জনেই সত্ৰাধিকাৰ হয়গৈ। ডেকা-অধিকাৰ বা অধিকাৰী পদত অধিষ্ঠিত হোৱা মাত্ৰেই গৃহস্থী সত্ৰৰ লগত সকলো সম্পৰ্ক পৰিত্যাগ কৰা হয়; আন কি, গৃহস্থী-অভিমুখে দৰ্শনাদি পৰ্যন্ত নিষিদ্ধ হয়। ৰক্ত-সম্বন্ধ থকা হেতু জনন-মৰণাশৌচ মাত্ৰ পালন কৰিব লাগে। সম্বন্ধ নেথাকে যদিও, আশ্ৰমী সত্ৰখনৰ ৰক্ষণাবেক্ষণৰ ভাৰ মূল সত্ৰৰ ওপৰত হে ন্যস্ত থাকে। দক্ষিণপাট সত্ৰ বুলিলে উদাসীন খনক হে বুজায়—গৃহস্থীখন কিন্তু তাৰ ঘাই অঙ্গ। মহাপ্ৰভু যাদৱৰাইৰ প্ৰতিভূস্বৰূপে থাকি সত্ৰীয়া কাৰ্য্য সুসম্পন্ন কৰিবলৈ গৃহস্থীসত্ৰই প্ৰতিনিধি জনা মাত্ৰ অৰ্পণ কৰে। গৃহস্থী, গৃহস্থী হৈয়ে থাকে। অধিকাৰ পতা নিয়ম আৰু সত্ৰ পৰিচালনাতন্ত্ৰ স্বৰ্গদেৱসকলৰ আহিঁয়েই আহিঁ। সেই আহিঁতেই দক্ষিণপাট সত্ৰৰ গৃহস্থী সত্ৰ প্ৰতিষ্ঠিত।

(সুকীয়া গৃহাশ্ৰমী ভাগ।)

অধিকাৰ গোস্বামীয়েই সত্ৰৰ সৰ্ব্বেসৰ্ব্বা—সকলোৰে গৰাকী। ধৰ্ম্মগাদীত বহা মাত্ৰকে গৃহস্থীসত্ৰৰ লগত আৰু সাংসাৰিক সম্পৰ্ক একো নেথাকে। গৰাকীয়ে সন্মতি জনালে হে বৰ-ভকত বা বৰ-মানোৰাই- সৰু-মানোৰাই ভকতসকলে মনোনীত কৰা ডেকা-অধিকাৰ গৰাকী ডেকা-অধিকাৰৰ পাটত বহিব পাৰে। পূৰ্ব্বৰ গৃহস্থী সত্ৰৰ সম্বন্ধ ইয়াত প্ৰযোজ্য নহয়। অধিকাৰে ভকতসকলক সমবেত কৰাই মনোনীত ডেকা অধিকাৰ জনক নিৰ্ম্মালি দি ডেকা-অধিকাৰ পাতে। সত্ৰৰ অধিনায়ক হলেও, সত্ৰ-সম্পৰ্কে কিবা কৰিবলগীয়া হলে, নাইবা গতানুগতিক নিয়ম পৰিৱৰ্ত্তন বা লঙ্ঘন কৰিব লগীয়া হলে, নতুবা আপদত পৰি অযুগুত কিবা কৰিব লগীয়া হলে অধিকাৰে মানৱ ভাগ পাওঁতা বা মানোৰাই ভকতসকলক গোটাই পৰামৰ্শ কৰি হে সেই কাৰ্যত প্ৰবৃত্ত হব পাৰে। অৱশ্যে, অধিকাৰৰ ধীৰ বিচাৰবুদ্ধিদ্বাৰাই উপনীত হোৱা সিদ্ধান্তই অধিক ক্ষেত্ৰত সৰ্বসন্মতিক্ৰমে গৃহীত হয়। সেই হেতুকে, সত্ৰৰ মঙ্গলামঙ্গল আৰু উন্নতি-অৱনতি অধিককৈ নিৰ্ভৰ কৰে অধিকাৰ গোস্বামীৰ ব্যক্তিগত বিচাৰশক্তিৰ ওপৰত। এই ফালৰপৰা চালে, দুৰ্ঘোৰ সংসাৰী আৰু আড়ম্বৰপূৰ্ণ ৰাজনীতিক কৰ্ণধাৰসকলৰ যি দায়িত্ব তাতকৈ আজীৱন উদাসীন হৈ ব্ৰহ্মচৰ্য্যব্ৰত অৱলম্বন কৰি সংসাৰী-বিলাসত অনাসক্ত হৈ আধ্যাত্মিক চিন্তাৰে জগতৰ কল্যাণ কামনা কৰি থকাসকলৰ দায়িত্ব একো গুণে লঘু বুলিব নোৱাৰি। ভাগে-ভাগে বিষয়ববীয়া ভকত কৰ্ম্মকৰ্ত্তা বা কৰ্ম্মচাৰী থাকে যদিও, গৰাকীয়ে সেই এটাইবিলাকৰে তত্ত্বাৱধান নোলোৱাকৈ থাকিব নোৱাৰে। আধ্যাত্মিক চিন্তাৰ লগে-লগে ভৌতিক জগতৰো জেঙা-জঞ্জাল নিয়াৰিকৈ মাৰি যাবলৈ সত্ৰাধিকাৰসকলৰ মেধা-বুদ্ধি বিবেচনা-শক্তি-সামৰ্থ্যৰ কিমান প্ৰয়োজন তাক আমি অল্পমতিয়ে ধাৰণাকে কৰিব নোৱাৰোঁহঁক।

(১। অধিকাৰ গোস্বামী।)

গৰাকীয়ে (অধিকাৰে) "সৰ্ব্বদা প্ৰাতৰুত্থান কৰি প্ৰাতঃস্নানলৈ উঠি, প্ৰাতঃকৃত কৰি, গুৰু ঈশ্বৰক চিন্তি উঠি গৈ, শৌচাচাৰ কৰি বিধিমতে স্নান-সন্ধ্যা কৰি আৰু ইষ্ট পূজা কৰি" দৈনিক আহ্নিক-ক্ৰিয়া সমাপ্ত কৰিব লাগে। তাৰ পিচত, শৰণাৰ্থীক শৰণ-ভজন-দীক্ষা দিয়া হয়। তাৰপৰা আৰ্জাৰি হৈয়েই আলহী অতিথি-অভ্যাগতসকলৰ লগত অলপ সময় বাক্যালাপ কৰি নিৰ্ম্মালি-আশীৰ্ব্বাদ দি বিদায় দিব লাগে। এনেতে, ভাগৱত-পাঠলৈ যাবৰ হয়। তাৰ পিচত, দুপৰীয়া নিজে ৰন্ধন কৰি ভোজন-ব্যৱহাৰ কৰিব লাগে। ভোজন নিৰামিষ।

সদায় নতুন সিদ্ধ পাত্ৰত চাউল-সিজোৱা হয়। ভোজনৰ সময়ত পাঠকে বাহিৰ খোঁটালীত পদ গাই থাকিব লাগে। সেই দৰে দুপৰীয়া অলপ জিৰোৱা কাললৈকে পদ গাই থকাৰ নিয়ম। একাদশী, অমাৱস্যা, সংক্ৰান্তি, পূৰ্ব্বীয় অধিকাৰসকলৰ শ্ৰাদ্ধাদি, জন্মাষ্টমী, ৰাসোৎসৱ, ফাকুৱা, শ্ৰীপঞ্চমী, অম্বুবাচী আৰু অন্যান্য তিথি-উৎসৱত উপবাসে থাকিব লাগে।

জিৰণিব পাচত, সেৱকীয়াসকলেৰে সৈতে আলাপ-আলোচনা কৰা হয়; সেই সকলক বিদায় দিয়েই সত্ৰীয়া কাৰ্য্যৰ ব্যৱস্থা নিৰূপণ কৰা হয়। বিয়লি স্থানীয় ৰাইজৰ বিবাদ বিৰোধ মীমাংসাৰ মেল বহে। মুঠতে, সাগ্ৰাম দিনটো অধিকাৰ প্ৰভুৰ প্ৰকৃত জিৰণি বুলিবলৈ ক্ষণিক মাত্ৰও সময় নাই। ইমান সুৰুঙা নোহোৱা ব্যস্ততাৰ মাজতে সত্ৰাধিকাৰ প্ৰভুৱে দিন অতিবাহিত কৰিব লাগে। বেহাৰৰ দামোদৰী সত্ৰ বৈকুণ্ঠপুৰত থকা পৰমানন্দ গোসাইৰ ধৰ্ম্মপ্ৰাপ্ত শ্ৰীশ্ৰীবনমালীদেৱে দক্ষিণপাট সত্ৰ প্ৰতিষ্ঠা কৰা দিনৰপৰা এই অনুক্ৰমে সত্ৰাধিকাৰসকলৰ দৈনন্দিন কাৰ্য্য সম্পাদিত হৈ আহিছে। ভাবী-অধিকাৰ বুলি যি জনক মনোনীত কৰা হয় বা ডেকা-গোঁসাই নামে অভিহিত কৰা হয় সেই জনাই ডেকা-অধিকাৰ গোস্বামী। ডেকা শব্দই ইয়াত ধুৱা নুবুজায়। অধিকাৰৰ আসন গ্ৰহণ কৰিব পৰা ক্ষমতা নোপোৱালৈকে প্ৰৌঢ় বা বৃদ্ধ হলেও ডেকা-অধিকাৰ জনা পদেন ডোকা-গোসাঞেই। ডেকাৰ পাচতে, সৰুও এগৰাকী থাকে। অধিকাৰ বিহীনে ডেকা এজনৰ শিৰত চলা জনা অধিকাৰে নিৰ্ম্মালি দি সত্ৰৰ সকলো ভাৰ অৰ্পণ কৰি যায়। গৃহস্থী সত্ৰত ডেকা অধিকাৰ হব পৰা উপযুক্ত লোক নেথাকিলে সম্পূৰ্ণ গৃহাশ্ৰমী ৰজাসত্ৰ কুৰুৱাবাহীবপৰা বাছি আনিব পৰা নিয়ম আছে। তাতো যদি নেথাকে, তেন্তে একেপন্থীয়া অন্য সত্ৰৰপৰা আনিব পাৰে।


২। ডেকা-অধিকাৰ গোস্বামী।

অধিকাৰ গোস্বামী আৰু ডেকা-অধিকাৰ গোস্বামী ব্যতিৰেকে যি সকল ভকত-বৈষ্ণৱ আছে, সেই সকলোৱেই উদাসীন। বিষয়-ববীয়াসকলৰ বিষয় আৰু নিৰ্দ্দিষ্ট কৰ্ত্তব্যৰ তালিকা এটি দিয়া হল ঃ—

ক্ৰমিক সংখ্যা	বিষয়	সংখ্যা	নিৰ্দ্দিষ্ট কৰ্ত্তব্য
১।	বৰপূজাৰী	১ জন	মহাপ্ৰভু শ্ৰীশ্ৰীযাদৱৰায়ৰ পূজা কৰোঁতা। মণিকূটৰ ৰিবিলাক মূৰ্ত্তি—সালগ্ৰাম আৰু অন্যান্য বিগ্ৰহ—শিৱলিংগ আছে সেই সকলোৰে তত্বাৱধান বৰপূজাৰীৰ গাত। যাদৱৰায়ক দৈনিক যি সিদ্ধান্ন ভোগ দিব লাগে, সেই ভোগ বৰপূজাৰী ব্যতিৰেকে অন্যে সিদ্ধ কৰিব নোৱাৰে।
২।	পালী পূজাৰী	৩	বৈকুণ্ঠনাথ, বৃন্দাবনচন্দ্ৰ আদি মূৰ্ত্তিসবৰ আৰু সালগ্ৰামৰ পূজা এইসকলে কৰে।
৩।	দেউৰী	৩	পূজা-ভোগৰ উপায়ন-উপচাৰ সংগ্ৰহ কৰোঁতা।
৪।	আঠপৰীয়া	২	মহাপ্ৰভুৰ মন্দিৰত সদায় বন্তি জলাওঁতা।
৫।	ধুপীয়া	২	ধূপ কৰোঁতা।
৬।	মলীয়াৰৰা	১	মালা কৰোঁতা।
৭।	গুৱা ভড়ালী	১	সত্ৰাধিকাৰৰ পূজাৰ সামগ্ৰী যোগাওঁতা।
৮।	মলীয়া	২	মালা-গোথোঁতাৰপৰা পোৱা মালা নি গোসাই ঈশ্বৰক দিওতা।
৯।	ফুল তুলীয়া	৪	পূজাৰ ফুল তোলোতা
১০।	পুৰোহিত	৩	শ্ৰাদ্ধ আৰু অন্যান্য বৈদিক ক্ৰিয়া-কাণ্ড কৰাওঁতা।

ক্ৰমিক সংখ্যা	বিষয়	সংখ্যা	নিৰ্দ্দিষ্ট কৰ্ত্তব্য
১১।	বৰ-আলধৰা	১	সত্ৰৰ সকলো কাৰ্য্যৰ ওপৰত চকু-দিওঁতা।
১২।	হাটীমতা	৪ জন	বৰ-আলধৰাৰ সহযোগী, হাটীৰ তত্ত্বাৱধাৰক; আলহী-দুলহী আহিলে সোধপোচ কৰি গৰাকীক জনাই শুশ্ৰূষা কৰোঁতা।
১৩। ১৪।	বৰ-ভঁড়ালী সৰু-ভঁড়ালী	১ ১	বৰ-ভঁড়ালৰখীয়া আৰু তাৰ তত্ত্বাৱধাৰণ কৰোঁতা। এই বাব থকা কৰ্ম্মকাৰক জনে সত্ৰৰ সকলো অস্থাৱৰ সম্পত্তিৰ হিচাপ ৰাখিব লাগে। আয়-ব্যয়, ধন-সম্পত্তিৰ হিচাপো এওঁৰ হাততেই। ভঁড়ালত জমা থোৱা সামান্য বস্তু এপদ হেৰালেও বা হানি-বিঘিনি হলেও, বৰভঁড়ালী জগৰীয়া হব লাগে। সৰু-ভঁড়ালী এওঁৰ সহকাৰী মাত্ৰ।
১৫।	ভেঁটী ধৰা	৪	শিষ্য-প্ৰশিষ্যই অনা ভেঁটী-ভাৰ গ্ৰহণ কৰি য'ত যেনেকৈ জমা দিব লাগে তাত দিব, নাইবা, ঠাৰে-ঠিকে ভঁড়ালত জমা দিব—এওঁৰ কাম এইটোৱেই।
১৬।	চাউল ভঁড়ালী	১	চাউলৰ ভড়াল-ৰক্ষক আৰু তত্ত্বাবধান কৰোঁতা।
১৭। ১৮।	সৰু ভঁড়ালী ভেঁটী ধৰা	১ ২	চাউল ভড়ালীক সহায় কৰোঁতা। তলতীয়া কৰ্ম্মচাৰী।
১৯।	দুৱৰী		দুৱাপাট আৰু বৰ ভঁড়াল ৰক্ষক।
২০।	বৰ শ্ৰৱণী	৪	কীৰ্ত্তন-ঘৰত কেউ প্ৰসঙ্গৰে কীৰ্ত্তন শুনোতা।
২১।	বৰ ভাগবতী	১	ভাগৱত-পাঠ ৰক্ষা কৰোতা আৰু শাস্ত্ৰ চাই সামাজিক ধৰ্ম্মাচৰণৰ ব্যৱস্থা দিওঁৰা। অধিকাৰ প্ৰভুৱে অথন্তৰত পৰি ভাগবত কব নোৱাৰিলে এই জন বিষয়-ববীযাই সেই কাম কৰিব লাগে।
২২।	দুৱলীয়া ভাগৱতী বা ভাৰী ভাগবতী	৪	পৰিচাৰক আৰু মহাপ্ৰভুবাহক। ফল্‌গুৎসৱ, ৰাসোৎসৱ আদিৰ সাম্বৎসৰিক উৎসৱ আৰু অন্যান্য কাৰ্য্যত সিংহাসনৰপৰা মহাপ্ৰভুক অন্তৰাব লাগিলে এই কেইজনে বহন কৰি নিব লাগে।
২৩।	দুৱলীয়া ভাগবতী বা ভাগৱতী।	৪	ভাগৱত-পাঠত আলপৈচান ধৰোতা।
২৪।	বৰ নামলগোৱা	১	জয়ে-জয়ে নামঘৰত নাম-কীৰ্ত্তন আৰম্ভ কৰোঁতা।
২৫।	সৰু নাম-লগোৱা	২	আবেলি আৰু ৰাতিৰ প্ৰসঙ্গত নাম লগাই দিওঁতা।
২৬।	ৰবাগী নামলগোৱা	১	ভাগৱত পাঠ কৰাৰ পুৰ্ব্বেই কীৰ্ত্তন কৰোঁতা।
২৭।	ঠাইমচা	৪	হৰিমন্দিৰ আৰু নামঘৰ মচোঁতা।

ক্ৰমিক সংখ্যা	বিষয়	সংখ্যা	নিৰ্দ্দিষ্ট কৰ্ত্তব্য
২৮। ২৯।	বৰ পাঠেক সৰু পাঠেক	১ ১	ভাগৱতৰ অন্তত আৰু আন সময়তো পদ পাঠ কৰোঁতা।
৩০।	গায়েন	৩ জোৰা জোৰাত ১২ জনেই কম	সংকীৰ্ত্তন কৰোঁত। ওজাজনক শিৰ-বায়ন বোলা হয়।
৩১।	গায়েন	৩ জোৰা ইযাৰো ১২ জনেই কম।	খোল-বাদ্য আদি বজাওঁতা। ইয়াৰ ওজা জনকো শিৰবায়ন বোলে।
৩২।	নটুৱা	৩ জোৰা জোৰাৰ নিচেই কম ৬ জনকৈ	নাচ কৰোঁতা।
৩৩।	কালিয়া	২ জন	কালি বজাওঁতা।
৩৪।	নাগেৰীযা	১	নাগেৰা বজাওঁতা।
৩৫। ৩৬।	ওজা ওজা-পালী	৩ ৩ জোৰা	বৈতালিক, সংকীৰ্ত্তন কৰোঁতা।
৩৭।	ঢুলীয়া	১ জোৰা	ঢোলবাওঁতা। মহাপ্ৰভুৰ স্নানৰ সময়ত আৰু অন্যান্য পুজা-উৎসৱত ঢুলীয়াই ঢোল বজাব লাগে। ঢোলৰ লগে-লগে বৰ কাঁহ, বৰ দবা, বৰ-তাল আৰু শংখ-ঘণ্টা বজাব লাগে।
৩৮।	বৰ-কাকতী	১ জন	সত্ৰৰ সকলো চিঠি-পত্ৰ, লেখা-পঢ়া কাম কৰোঁতা। আয়-ব্যযৰ হিচাপ আৰু দেৱোত্তৰ ব্ৰহ্মোত্তৰ আৰু অন্যান্য খাত-পাম সকলোৰে তত্ত্বাৱধান লওঁতা। এই গৰাকী বিষয়াৰ ওপৰতেই সত্ৰ পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব অৰ্পিত।
৩৯।	সৰু কাকতী	৬	চিঠি-পত্ৰ সহায কৰোঁতা। চহৰৰ আযব্যয-হিচাপ ৰাখোঁতা। উৎসৱাদিত যা-জোগাৰ কৰোঁতা। চহৰৰ মাটিবাৰী আদিৰ জেঙা-জঞ্জাল ভাঙোঁতা। সেইজন কাকতীযেই ভাগে-ভাগে আৰোপিত কাম সম্পাদন কৰিব লাগে।
৪০। ৪১।	বৰ খাটনীয়াৰ সৰু খাটনীয়াৰ	১ ১	সত্ৰৰ মন্ত্ৰী স্বৰূপ। গোসাইৰ হৈ বজাঘৰীয়া কাৰ্য্য আৰু আদালত সম্পৰ্কীয় কাম সম্পাদন কৰোতা। আজিকালি এইসকলক আমোক্তাৰ বোলা হয। পুৰ্ব্বতে দুজনেই হৈছিল। বৰ্ত্তমান আৱশ্যক অনুসৰি সংখ্যা বৃদ্ধি কৰা হৈছে।
৪২। ৪৩। ৪৪। ৪৫।	বৰ গুৱাকটা সৰু গুৱাকটা আলধৰা গুৱা ভঁৰালী	১ ১ ৪ ১	সত্ৰাধিকাৰৰ ভোজনৰ দ্ৰব্যাদি আয়োজন আৰু যোগাৰ কৰি দিওঁতা। এই কেইজন গোসাইৰ গাতে সৰ্ব্বকালে লাগি থকা বিশ্বস্ত কৰ্ম্মচাৰী।



সাতমান ভগীয়া ভক্তসকল
মাজত ভাগৱত পঢ়ি ৺টঙ্কেশ্বৰ দেৱ শৰ্ম্মা ভাগৱতী



মুখ্য ভক্তবৃন্দ

১। ৺গুণকান্ত শৰ্ম্মা আঠপৰীয়া ২। ৺সোণাৰাম শৰ্ম্মা বৰপূজাৰী ৩। ৺মহেশ্বৰ পালীওজা ৪। ৺কলাই আলধৰা ৫। শ্ৰীৰুদ্ৰনাথ শৰ্ম্মা নামলগোৱা ৬। শ্ৰীধীৰেশ্বৰ শৰ্ম্মা বৰগুৱাকটা ৭। শ্ৰীপ্ৰিয়নাথ শৰ্ম্মা অধ্যাপক ৮। শ্ৰীদীনাৰাম গাখীৰ ভঁৰালী ৯। শ্ৰীযজ্ঞেশ্বৰ বৰকাকতী ১০। ৺লহনাথ পালনমীয়া ১১। ৺সোণাৰাম শইকীয়া ১২। ৺বগাৰাম ওজা ১৩। ৺হীমকান্ত হাটীমতা ১৪। শ্ৰীপূৰ্ণকান্ত ওজা ১৫। ৺হৰিৰাম চাউল ভঁৰালী ১৬। বাণেশ্বৰ বৰ ভঁৰালী ১৭। শ্ৰীদকলৰা পহৰাদাৰী ১৮। শ্ৰীপোৱাল নেওগ ১৯। শ্ৰীভগীৰথ খাওও ২০। শ্ৰীগিৰীধৰ শইকীয়া ২১। শ্ৰীঅকণমান দত্ত ২২। শ্ৰীগোপীৰাম নেওগ ২৩। শ্ৰীবাপচন্দ্ৰ শৰ্ম্মা ২৪। শ্ৰীকালীৰাম ওজা ২৫। শ্ৰীসাগৰ নটুৱা ২৬। শ্ৰীতুলসী দত্ত ২৭। শ্ৰীসোমেশ্বৰ গায়ন ২৮। শ্ৰীশিশুৰাম দত্ত কাকতী ২৯। শ্ৰীকণদেৱ গোস্বামী ৩০। শ্ৰীসোমেশ্বৰ চাউলভৰালী ৩১। শ্ৰীবসন্ত শইকীয়া ৩২। শ্ৰীমদনচন্দ্ৰ হাটীমতা ৩৩। শ্ৰীপোৱাল বৰুৱা ৩৪। শ্ৰীনিধিৰাম টেকেলা ৩৫। শ্ৰীবৈদ্যনাথ সিং ৩৬। শ্ৰীবেণু শৰ্ম্মা (ভকতৰ লৰা) ৩৭। শ্ৰীললিত (ভকতৰ লৰা)

ক্ৰমিক সংখ্যা	বিষয়	সংখ্যা	নিৰ্দ্দিষ্ট কৰ্ত্তব্য
৪৬।	মিঠৈ ভঁড়ালী	২	মিঠৈ কৰোঁতা।
৪৭।	গাখীৰ ভঁড়ালী	১	দৈগাখীৰ—এৰাঁগাখীৰ আৰু ঘিঁউ গোটাই ৰাখোঁতা।
৪৮।	ঘিঁউ ভঁড়ালী	১	
৪৯।	বৰদলৈ	১	জ্যোতিষীয়া পণ্ডিত।
৫০।	পণ্ডিত	১	লৰা-ভকতক সংস্কৃত পঢ়ুৱাওতা আৰু স্তোত্ৰাদি শিকাওঁতা। এইজন সংস্কৃতজ্ঞ আৰু শাস্ত্ৰ-ভাগৱতাদি জনা হব লাগিব। অশাস্ত্ৰীয় কাৰ্য্যৰ প্ৰতিবিধান স্বৰূপে প্ৰায়শ্চিত্তাদিৰ বিধান আৰু অশৌচাদিৰ ব্যৱস্থাপত্ৰ দিওঁতা। এওঁৰ শ্ৰুতি-স্মৃতি আদিৰ সম্যক জ্ঞান থাকিব লাগিব।
৫১।	আমোক্তাৰ	৫	সত্ৰৰ হৈ গোচৰাদি চলোৱা আৰু আদালতাদিত গোসাঁইৰ প্ৰতিনিধি স্বৰূপ সকলো কাৰ্য্য সম্পাদন কৰিবলৈ ক্ষমতা প্ৰাপ্ত কৰ্ম্মচাৰী।
৫২।	বৰা	৩	কৰ্ম্মচাৰীবিলাকক সহায় কৰোঁতা।
৫৩।	চৰ্দ্দাৰ	৩	হজুৰা-বনুৱা সংগ্ৰহ কৰোঁতা।
৫৪।	বাৰিক	৩	চহৰৰ কৰ-পঁচা আদায় কৰোঁতা।
৫৫।	চিপাহী	১	সত্ৰখীয়া।
৫৬।	চন্তৰি	১	বাতি হাটী চাই ফুৰোঁতা।
৫৭।	পাইকান্	৫০	লৰা-ভকতেনৈতে নিৰ্দ্দিষ্ট কাম নথকা ভকতবৃন্দ।

আজিকালি আমিন, মণ্ডল, টেকেলাক সত্ৰৰপৰা সুকীয়াকৈ ভৰণ-পোষণ দি ৰাখিব লগা হৈছে।

ভকতৰ শ্ৰেণী

বৰ মানোৱাই বা সাতমান ভগীয়া বৰ ভকত।

ভকতসকলৰ ভিতৰত চাৰিটা থাপ বা শ্ৰেণী আছে। যেনে ঃ বৰ-মানোৱাই, ভাল-ভকত বা বৰমুৰীয়া ভকত আৰু সাধাৰণ ভকত। বৰ পুজাৰী, বৰ ভাগতী, বৰ-গুৱাকটা, বৰ পাঠক, বৰ নাম লগোৱা, বৰ কাকতী, বৰ আলধৰা, বৰ খাটনীয়াৰ, বৰ ভঁড়ালী আৰু চাউল ভঁড়ালী —এই কেউজনেই মানোৱাই। এখেতসকলে সত্ৰৰ সকলো তিথি-উৎসৱ, সবাহ-ভাৱনা আৰু সত্ৰীয়া মেল-দোৱানত সদায় আগ ভাগ পায়। সেই বাবেই এখেতসকলক বৰ মানোৱাই বোলা হয়। বৰ মানোৱাইসকলেই সত্ৰৰ একমাত্ৰ প্ৰধান আৰু দায়িত্বশীল বিষয়া। সত্ৰাধিকাৰে এখেত-সকলৰ লগত পৰামৰ্শ নকৰাকৈ বা এখেতসকলৰ বিনা-সম্মতিৰে কোনো গুৰুতৰ বিষয়ত নিজে আজ্ঞা-অনুজ্ঞা দিব নোৱাৰে। বৰ-মানোৱাইৰ উপৰিও, এখেতসকল সাতমানভগীয়া বৰ ভকতও। সাতমানভগীয়া ভকতে নামঘৰত চাৰি জপীয়া জপা কঠত বা জাপকঠত বহিবলৈ পায়। তাৰ ভিতৰৰে বৰ ভাগতী, বৰ পুজাৰী আৰু বৰ গুৱাকটাই সদায় ফুলাম কঠতো বহিব পাৰে। বৰ ভকত, সৰু মানোৱাই, পুজাৰী, গুৱাভঁড়ালী গোসাইসকলৰ আলধৰা আৰু গুৱাকটা —এই কেয়ো গৰাকী উদাসীন হবই লাগিব। সত্ৰৰ চাৰিহাটীৰ বাহিৰত বাস কৰা গৃহস্থীসকলৰো কোনো-কোনোৱে সত্ৰত কাম কৰিব পাৰে। কিন্তু, সত্ৰৰ ভিতৰত উদাসীনসকল হে কেৱল বাস কৰিব পাৰে। উদাসীনতকৈ গৃহস্থী কৰ্ম্মচাৰীৰ মান-সম্ভ্ৰম অলপ তল। নিৰ্ম্মালি লওঁতে, সাতমান ভগীয়া ভকতে বৈষ্ণৱক চাউল ভোজনী দিব লাগে।

সৰুমানোৰাই।

পালী-পূজাৰী ৩ জন, দুৱলীয়া ভাগৱতী ২ জন, বৰ শ্ৰৱণী ৪ জন, সৰুনমলগোৱা ২ জন, সৰু পাঠক ২ জন, হাটীমতা ৪ জন, বৰভঁড়ালৰ আৰু গোসাইৰ ভিতৰৰ কাকতী ২ জন, বৰ পুৰোহিত ১ জন, শিৰগায়ন ২ জন, শিৰবায়ন ২ জন, ওজা ২ জন, সৰু থাটনিয়াৰ ১ জন,—এই সকলেই সৰু মানোৰাই —বৰভকতৰতকৈ মানত এখাপ তল; নামঘৰত ৩ জপীয়া কঠত বহে। নিৰ্মালি লৈ সৰু মানোৰাই হবৰ দিনা ভকত সকলে গোসাই আৰু বৈষ্ণৱলৈ অৰিহণাস্বৰূপে ৰূপ ৩, টকা আগ বঢ়াব লাগে। আৰু নিশালৈ নাম গোৱাব লাগে। বৰ-শ্ৰৱণীয়েও বৰ মানোৰাইৰ দৰে ছেও কলপাতত প্ৰসাদ পায়। পদুম পাতৰ দৰে ঘূৰণীয়াকৈ কটা কলপাত খিলাকে ছেও—কলপাত বোলে।

ৰাজমেধি। বৰমেধি। পাথিমেধি। বুজন্দাৰ। ৰাজখোৱা আৰু সত্ৰীয়া গাওঁবুঢ়া।

যাৰ ভাগত যি খাত বা চহৰ পৰে তেওঁ সেই খাত চহৰৰে ৰাজমেধি। তেওঁ নিজা চহৰৰ সকলো শিষ্যেৰেসৈতে ঘনিষ্ঠ সম্পৰ্ক ৰাখিব লাগে; আৰু শিষ্য সত্ৰলৈ গলে ৰাজমেধিয়ে তেওঁৰ তত্ত্বাৱধান লব লাগে। ৰাজমেধিৰ তলত একোজনকৈ বৰমেধি, পাথি মেধি, বুজন্দাৰ, ৰাজখোৱা, সত্ৰীয়া গাওবুঢ়া থাকে। বৰমেধিজনে শিষ্যবিলাকৰ ধৰ্ম্মাচৰণ, সামাজিক নীতি-নিয়ম ৰক্ষণ, গুৰুসকলৰ নিয়মিত তিথিপালন, নিৰ্দ্ধাৰিত সময়ত গুৰু কৰ আদায় কৰণ, প্ৰভৃতি সমাজ ৰক্ষাৰ অনুজ্ঞা পালন কৰিব লাগে। পাঁচনি ৰাজমেধিৰ আজ্ঞাৱহ কৰ্ম্মচাৰী। ৰাজমেধিৰ আদেশ-নিৰ্দ্দেশ ক্ৰমে চহৰত সত্ৰৰ বা-বাৰ্তাৰ ভু-ভা দি ফুৰা আৰু লৈ থকাই সিসকলৰ প্ৰধান কাম। ৰাজমেধিসকলে ২।৩ বছৰৰ অন্তৰে-অন্তৰে চহৰ ফুৰি গুৰুৰ কৰ, ধৰ্ম্মদণ্ড আদি গুৰু ঘৰীয়া প্ৰাপ্য আনিব লাগে। সেই দৰে যাওঁতেই কোনো-কোনো ঠাইত অশৰণীয়াক শৰণ লগায়ো আহিব লাগে। ৰাজমেধিসকলে গাৱঁৰ প্ৰতিনিধি আৰু বিশেষকৈ শিষ্যসকলক আচৰণ কৰিব লগীয়া ধৰ্ম্মোপদেশো দিয়ে।

বৰমুৰীয়া বা ভাল ভকত।

দেউৰী ৩ জন, আঠপৰীয়া ২ জন, মলীয়া বৰা ১ জন, গুৱা-ভঁড়ালী ১ জন, মলীয়া ২ জন, ফুলতুলীয়া ২ জন, সৰু পুৰোহিত ১ জন, আশীৰ্ব্বদীয়া ১ জন, কাকতী ৩ জন, সৰু ভঁড়ালী ২ জন, ভেটীধৰা ৪ জন, ভাৰী-ভাগৱতী ৪ জন, ঠাইমচা ৪ জন, দুহৰীয়া গায়ন, ওজা-কীৰ্ত্তনীয়া, সৰু গুৱাকটা, নটুৱা; নেঘেৰীয়া ২, কালিয়া ২, আলধৰা ৪, গুৱাকটা ১, সৰু জনাৰ গুৱাকটা ১, আলধৰা ১, বৰভকতৰ আলধৰা ১ঃ এই সকলেই বৰমুৰীয়া বা ভাল ভকত। এখেত সকলে সমূহীয়া বস্তুৰ পূৰা ভাগ পায় আৰু নামঘৰত চটীয়া কঠত বহে।

সাধাৰণ ভকত।

সৰু মানোৰাইৰ আলধৰা আৰু ভাল ভকতৰ আলধৰাক সাধাৰণ ভকত বোলে। এওঁ-বিলাকে সমূহীয়া বস্তুৰ আধা ভাগ পায়; নামঘৰত বহিবলৈ চটাই ঢৰা পায়। বনুৱা ভকত-বিলাকেও অৰ্থাৎ সত্ৰত বনবাৰী কৰা ভকতবিলাকে ভঁড়ালৰপৰা সিধা বা ৰোজ একোটাৰ ভাগ পায়।

বনুৱা ভকত। বাজ-ভকত। যোগনীয়া ভকত

ঢুলীয়া, বৰা, বাৰিক—এওঁবিলাক বাজ-ভকত। বাজ-ভকতে ভড়ালৰপৰা সিধাৰ ভাগ নেপায়; বৈষ্ণৱক বাঁটি দিয়া সমূহীয়া বস্তুৰ ভাগ হলে পায়। মহাপ্ৰভু আৰু গৰাকীক নিতৌ চৰু-পাত-খৰি প্ৰভৃতি যোগান দিয়াবিলাকক যোগনীয়া ভকত বোলে। এওঁবিলাকে ৰোজ নেপায়; বাজভকতৰ দৰে সমূহীয়া বস্তুৰ ভাগ পায়; মান একোটাও পায়। যোগনীয়া ভকতে খাজনা নিদিয়াকৈ দেৱোত্তৰ মাটি উপভোগ কৰিবলৈ পায়।

পাইকান ভকত।

সত্ৰৰ সমীপতে, ওচৰে-পাঁজৰে থকা গৃহস্থী ভকতবিলাকক পাইকান ভকত বোলা হয়। এওঁবিলাকে সত্ৰৰ ভঁড়ালৰ ৰোজবাজ একো নেপায়। কিন্তু বিনা খাজনাতে দেৱোত্তৰ মাটি ভোগ দখন কৰিবলৈ পায়।

ভকতৰ উপজীৱ্য আৰু অন্ত্যেষ্টি ক্ৰিয়া

সকলো ভকতে সত্ৰৰ ভঁড়ালৰপৰা অতি নিয়মীয়াকৈ দৈনিক বা মাহেকে-মাহেকে খাদ্য-সম্ভাৰ বা সিধা পায়। চহৰৰ শিষ্যবৰ্গৰপৰা যি দুই-চাৰি পইচা পায়, তাৰে কথমপি জীৱিকা-নিৰ্বাহ কৰিব পাৰে। ভকতসকলৰ নিমিত্তে ধন-ধান আৰ্জ্জন কৰাতকৈ ঈশ্বৰ চিন্তা কৰি পুণ্য আৰ্জ্জন কৰাটো হে শ্ৰেয় আৰু মুখ্য কৰ্ত্তব্য। গতিকে, বাহ্যিক আড়ম্বৰৰ প্ৰয়োজন নাই। মৃত্যুৰ পিচত, ভকতৰ যি ধন-সম্পত্তি পোৱা যায় তাৰে মৃতকৰ অন্ত্যেষ্টি ক্ৰিয়া সম্পন্ন কৰা হয়। তাৰ পাচত, যি অলপ বাহি হৈ থাকে তাকো লগত থকা আলধৰাবিলাকক বঁটাই দিয়া হয়। তাৰো যি অৱশিষ্ট থাকে সি হে মহাপ্ৰভুৰ ভঁড়াললৈ যায়। মৃতকৰ যদি ধন নেথাকে, তেন্তে শ্ৰাদ্ধাদিৰ নিমিত্তে সকলো খৰচ ভঁড়ালৰপৰাই যোগোৱা হয়। আলধৰা জন যদি একে বংশৰে হয়, তেন্তে তেওঁৱেই পিণ্ডাদি দান দি শ্ৰাদ্ধকাৰ্য্য সমাধা কৰিব পাৰে। কোনো নেথাকিলে, স্বজাতীয় যেই-সেই এজনেই কৰে। বৰ-ভকতৰ মৃত্যু হলে, কৰাপাটৰ বাহিৰৰ পৰা তালখোল বজাই নিয়ে। গায়ন-বায়ন আৰু ওজা-কীৰ্ত্তনীয়াসকলৰ ওজা মৰিলে, শিক্ষাৰ্থীবিলাকে কৰাপাটৰ বাজৰপৰা গীত গাই নিয়ে।

বছৰদিয়েকৰ আগলৈকে সাজপাৰৰ বিশেষত্বৰপৰাই ভকতক ভকত বুলি চিনিব পৰা গৈছিল। তেতিয়া সিকলৰ পাহকটা চুলি আছিল, গলধনত পৰা চুলি আৰু চুলিৰ মূৰত সৰুখোপা এটি, তাতে এটি ফুল বা তুলসীপাত। কপালত ফোঁট, গাত ঘাগৰিকটীয়াকৈ লোৱা চেলেং বা খনিয়া কাপোৰ; মাটিসাৰিযোৱা চুৰিয়াৰ থোৰ আৰু কানত গামোচা এখান। চৰ্ম্ম-পাদুকাৰ ব্যৱহাৰ একেবাৰেই নিষিদ্ধ আছিল। মূৰত মাথাবন্ধা বা পাগুৰি থাকিবই লাগিছিল। বিষয়ববীয়া প্ৰতিনিধিসকল চহৰ ফুৰিবলৈ গলে সত্ৰৰ মৰ্যাদা, মান-সম্ভ্ৰম ৰক্ষাৰ নিমিত্তে বস্ত্ৰ অলঙ্কাৰেৰে শৰীৰৰ সকলো অংগ সুশোভিত কৰি ৰাখিব লাগিছিল। বৰ্ত্তমান, ভকত-সকলে পুৰণি আহি পৰিত্যাগ কৰি বিশেষ কামবিনে চহৰীয়াৰদৰেই সাজপাৰ কৰে। অৱশ্যে, নটুৱা, গায়ন-বায়ন আৰু কীৰ্ত্তনীয়াসকলে নিজৰ-নিজৰ কৃত্য কৰা-সময়ত প্ৰাচীন নিয়ম মতেই সাজপাৰ পিন্ধে।

পুৰণি ভকতসকলে চহৰৰপৰা কেও-কিছু নাইকিয়া বা নিচেই দুখীয়া লৰা একোটিক আনি সত্ৰৰ বহাতে ৰাখেহি; আৰু কোনো-কোনো লোকে সত্ৰলৈ একোটি লৰা উছৰ্গি ভকতৰ লগতে থয়হি। যাৰ তত্ত্বাৱধানত সেই লৰা থাকে, তাক সেই ভকত গৰাকীয়ে লেখাপঢ়া শিকাই সত্ৰীয়া আচাৰ-বিচাৰ, নীতি-নিয়ম দেখুৱাই শুনোৱাই সত্ৰীয়া পাগত তুলি ডাঙৰ-দীঘল কৰে। আশ্ৰয়দাতাজনেই লৰাটিৰ সকলো ভৰণ-পোষণ দিয়ে। তেৱেঁই লৰাৰ পিতৃস্বৰূপ হয়। উদাসীন হৈ সত্ৰীয়া জীৱন যাপন কৰিবলৈ ভাল নেপালে বা বিবাহ কৰাই সংসাৰী হবলৈ ইচ্ছা কৰিলে ভকতটিক সত্ৰৰপৰা যাবলৈ অনুমতি দিয়া হয়। কিয নো, হাটীৰ বহাত কোনো সংসাৰী ভকতক থাকিবলৈ দিয়া নহয়। সত্ৰত থকা ভকতৰ দৰেই, সত্ৰৰপৰা ওলাই যোৱা ভকতবিলাকো সনাতন ধৰ্ম্মাচৰণত পৈণত হৈ যায় - অন্ততঃ ধৰ্ম্মৰ প্ৰতি এটি অটল বিশ্বাসে তেওঁবিলাকৰ অন্তৰত সাঁচ এটি বহুৱাই থয়। সেই বাবেই সামাজিক শৃঙ্খলা ৰক্ষা কৰা তেওঁবিলাক একপ্ৰকাৰ আহিস্বৰূপ হৈ থাকে।

ভকতসকলে ইজনে সিজনক সমনীয়া বা সময়ত অলপ হীনডোঢ় হলে সাধাৰণতে "ৰাম" বুলি সম্বোধন কৰে। বয়সত ডাঙৰজনক কমবয়সীয়াজনে "দেউ" বোলে। 'দেউ' দেৱ শব্দৰে ৰূপান্তৰ মাথোন। মানীজনক সম্বোধন কৰোতে উপাধি বা বাবটোৰ লগতে 'দেৱ' শব্দটো প্ৰত্যয়ৰূপে যোগ দি সম্মান দেখুউৱা হয়। যেনে ঃ—প্ৰভুদেৱ, পণ্ডিতদেৱ, বৰকাকতীদেৱ, ভঁড়ালীদেৱ, ওজাদেৱ ইত্যাদি। অধিকাৰ বা ডেকা-অধিকাৰ গোস্বামীৰ আগত কথা কওঁতে, তেখেতসকলৰ সম্মানাৰ্থে সদায় তৃতীয় পুৰুষত কব লাগে। 'মই' পদে অহঙ্কাৰ। সেই গুণে, শিষ্যই গুৰুৰ আগত প্ৰথম পুৰুষ ব্যৱহাৰ কৰা অনুচিত। গুৰুক 'আপুনি' নুবুলি "শ্ৰীচৰণ" বা "প্ৰভু ঈশ্বৰ", নাইবা 'জগন্নাথ, নতুবা "গৰাকী" আদি তৃতীয় পুৰুষত ব্যৱহাৰ কৰা সম্মানসূচক শব্দ ব্যৱহাৰ কৰা বিধেয়। শিষ্যইও নিজৰ কথা উল্লেখ কৰিব হলে "মই" বুলি ন-কৈ "সেৱকে" বা 'দাসে' বুলি কব পায়।

নৃত্য-অভিনয়-ধৰ্ম্মশিক্ষাৰ উপৰিও, ভকতসকলক অমায়িক শিষ্টাচাৰ, মৰমলগোৱা মাতকথা, সজ আচৰণ, ভদ্ৰোচিত আৰু গধুৰ বাক্য-বচন, ধীৰ বিবেচনা —ইত্যাদি গুণৰ অধিকাৰী হবলৈও শিক্ষা দিয়া হয়। ভকতৰ কাম—সেই সত্ৰীয়া আদৰ্শকে নিজা-নিজা চহৰত আৰু কথা-বতৰা পতা জনৰ আগত দেখুৱাই সত্ৰৰ শিক্ষা-উপদেশ প্ৰচাৰ কৰা।

ৰজাদিনত ভকতসকলে অকল ধৰ্ম্ম চৰ্চাতে লাগি থাকিব নেলাগিছিল; দেশত যুদ্ধ-বিগ্ৰহ হলে যুদ্ধ কৰিবলৈও যাব লাগিছিল। বৰভকতসকলৰ কোনো-কোনোক ৰজাঘৰীয়া বিষয় বা বাব দি ৰাজকাৰ্য্যতো নিযুক্ত কৰা হৈছিল। ভকতসকলৰ পৰা বিষয়া বাছি নিয়াত সত্ৰৰ ধৰ্ম্ম ৰক্ষা পৰিছিল। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ দিনত ভকতসকলে ৰাজপক্ষ সমৰ্থন কৰি অকাতৰে প্ৰাণ উৎসৰ্গা কৰিছিল। ৰাজৰোষত পৰি কোনো-কোনো সময়ত জীয়াতু ভুগিব লগীয়া হৈছিল, তথাপি দক্ষিণপাট সত্ৰৰ কোনো ভকতেই কেতিয়াও ৰজাৰ বিৰুদ্ধে থিয় হোৱা নাছিল। পাটত এজন ৰজা থাকোতে, সেই জনক ভাঙি আন এজনক ৰজা পতা আসুৰিক নীতিৰ সম্পূৰ্ণ বিৰোধী আছিল দক্ষিণপাট সত্ৰ। ৰজা আৰু ৰাজ্যৰ মঙ্গল বাঞ্ছা কৰি অৰাজকতাৰ সৃষ্টি হবলৈ নিদিয়াটোয়েই সত্ৰৰ এটা প্ৰধান আৰু মুখ্য ধৰ্ম্ম। সময়ে সময়ে ৰজা-ৰাজগুৰু সলনি হৈছিল যদিও ৰাজানুগত্যৰ সলনি হোৱা নাছিল। সেই দৰে ভকতসকলৰ মান-সম্মানো হ্ৰাস পোৱা নাছিল। সৰ্গদেৱসকলে দি থৈ যোৱা পদ-মৰ্য্যাদাকে বৃটিছ শাসনৰ দিনতো অটুট ৰখা হৈছিল। ৰজাঘৰীয়া বান্ধ্ কটকটীয়া থকা বাবে সমাজৰ মাৰত একো মাৰ্ঘাত পৰিব নোৱাৰিছিল।

ভকতৰ সাজপাৰ আৰু চহৰফুৰা।

ভকত হোৱা নিয়ম।

সম্বোধন প্ৰণালী আৰু শিষ্টাচাৰৰ নিয়ম।

ভকত সকলেই ৰজাঘৰীয়া বিষয়াৰো কঠীয়াতলী।

ভকতসকল স্বাৱলম্বীও।

জীৱন-নিৰ্বাহত ভকতসকল স্বাৱলম্বী। সেই গুণে, হজুৱাবনুৱা কামৰপৰা আৰম্ভ কৰি ৰাজ্যৰ মঙ্গলামঙ্গললৈকে চিন্তা কৰা সামৰ্থ্যৰ অধিকাৰী। জুইশালেই কমাৰ শাল। সংসাৰত প্ৰৱৰ্ত্তি থাকিবলৈ অসীম যত্ন কৰিব লগীয়া হয়। সেই যত্নৰে কিছুমান দেখাক দেখি শিকা আৰু কিছুমান নিজে শিকা। দেখি শিকাতকৈ ঠেকি শিকাৰ মূল্য আৰু কাৰ্য্যকাৰিতা যে অধিক তাক নুই কৰিব নোৱাৰি। ভকতসকল সৰুৰেপৰা সাংসাৰিক জীৱনৰ সুখদুখ, মৰম-অনুভূতি, বুদ্ধি-বিবেচনাৰ পাগত উঠা আৰু পৰস্পৰে ৰোষ বুজা। সেই দেখি, সত্ৰৰ আশ্ৰয়ত থকা পাইকবিলাকক পূৰ্বে ৰজাঘৰীয়া কামত নিঃসন্দেহে নিযুক্ত কৰিব পৰা হৈছিল। ঈৰ্ষালু লোকে কেতিয়াবা-কেতিয়াবা 'সত্ৰৰ ভকতক ধনবস্তু কেলৈ লাগিছে" বুলি ভকতৰ বিৰুদ্ধে বজাত-লগাইছিল যদিও, উদাৰপ্ৰাণ ভকতে সেই কথাত নেলাগি ৰজাক সহায় কৰিবলৈ উৰুলিকৃত হৈ ওলাইছিল। গতিকে, সত্ৰস্থ ভকতসকল ৰাজ্যৰেই কঠীয়া নুবুলি নোৱাৰি।

সত্ৰৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি।

জয়ধ্বজ সিংহৰ দিনৰেপৰা চন্দ্ৰকান্ত সিংহৰ দিনলৈকে স্বৰ্গদেৱসকলৰ আমোলত, ৰজা, ৰজাৰ কুঁৱৰী, ডাঙৰীয়া, ডাঙৰীয়াসকলৰ কোনো কোনো আইচু আৰু ডাঙৰ-ডাঙৰ শিষ্য-বিষয়াসকলৰ কোনো-কোনোৱে পুণ্য আৰ্জ্জনাৰ্থে-উছৰ্গা কৰা স্থাৱৰ-অস্থাৱৰ অভ্যুদয় সম্পত্তিৰ উপৰিও তামৰ ফলি মাৰি, নিষ্কৰকৈ ধৰ্ম্মোত্তৰ, দেৱোত্তৰ, ব্ৰহ্মোত্তৰ ভূমি যাদৱ-ৰাইৰ পূজাসেৱাৰ উদ্দেশে আৰু ধৰ্ম্মপালনৰ অৰ্থে অধিকাৰ গোস্বামীৰ নামত সত্ৰলৈ উছৰ্গা দিছিল। এইবিলাক সম্পত্তিৰ আয়ৰ দ্বাৰাই সত্ৰৰ সকলো ধৰ্ম্ম কাৰ্য্য নিৰ্ভয়-নিশ্চিন্ত মনে আৰু নিৰ্ব্বিবাদে নিয়াৰিকৈ সুসম্পন্ন কৰিব পৰা হৈছিল; দেশস্থ লোক সকলৰো সত্ৰৰ প্ৰতি শ্ৰদ্ধা-ভক্তি নিছিদ্ৰৰূপে অবিৰাম চলি আছিল। ধৰ্ম্মাচৰণ আৰু সমাজ শাসনত সত্ৰাধিকাৰ-সকলৰ ওপৰতে সম্পূৰ্ণ ক্ষমতা ন্যস্ত থকাত আৰু ৰজাঘৰে গুৰু ঘৰৰ সম্পত্তি বা শাসনৰ ওপৰত হস্তক্ষেপ নকৰাত সত্ৰীয়া প্ৰভাৱ আৰু সামাজিক শৃঙ্খলা অব্যাহত হৈ আছিল। গুৰু-সকলৰ প্ৰতি শিষ্যৰ ইমান ভৰ আছিল যে "ৰজাৰ খাজনা, গুৰুৰ কৰ, ইয়াক যি নিদিয়ে সি চাৰি বেদৰ অন্তৰ" বুলি তেওঁবিলাকে নিজেই নিয়ম বান্ধি লৈছিল; আৰু "ৰজাই কাটে, গুৰুৱে শাও দিয়ে" বুলি ৰজা-গুৰু উভয়লৈকে সদায় ত্ৰস্তমান হৈ আছিল। বৃটিছ শাসনতো সত্ৰৰ সম্পত্তিৰ ওপৰত হাত নিদিয়াত সত্ৰৰ প্ৰভাৱ-প্ৰভুত্ব আৰু ঐতিহ্যৰো হীন-ডেঢ়ি হব নোৱাৰিছিল। এই বাবেই, চাৰি শ বছৰৰো ওপৰ কাল সত্ৰীয়া ধৰ্ম্ম-সংস্কৃতি তিষ্ঠি থাকিব পাৰিছে।

দেশাধিকাৰ হৈয়ে ইংৰাজ-শাসকসকলে যেতিয়া দেখিলে যে ৰজা আৰু ধৰ্ম্ম গুৰুৰ পাৰস্পৰিক শাসন-দণ্ডৰ ওপৰতে দেশৰ শান্তি-শৃঙ্খলা প্ৰতিষ্ঠিত, তেতিয়া তেওঁবিলাকে ৰজাদিনত যি মাটি ধৰ্ম্মৰ নামত উৎসৰ্গিত হৈছিল, সেই মাটিকে আকৌ সাক্ষী-প্ৰমাণাদি লৈ আগৰ স্বত্ব মতেই প্ৰত্যৰ্পণ কৰিছিল।

ৰজা-দিনত দৰং-কামৰূপ-নগাওঁ-শিৱসাগৰ আৰু লক্ষীমপুৰ সকলো ঠাইতে—চমুৱাই কবলৈ হলে—গোটেই অসমতে ধৰ্ম্ম প্ৰসাৰাৰ্থে অজস্ৰ নিষ্কৰ মাটি দক্ষিণপাট সত্ৰৰ নামত উৎসৰ্গিত হৈছিল। ফলি-প্ৰমাণাদি দেখুৱাই তেনে মাটি বহুত উদ্ধাৰ কৰা হল। কিন্তু, গুৱাহাটীলৈ গৈ সাক্ষী-প্ৰমাণ উপস্থাপিত কৰিব পৰা দুঃসাধ্য হোৱাত বহু মাটি হেৰাল। তথাপি, শিৱসাগৰ জিলাৰ ভিতৰতে ৯১০০ পুৰামান দেৱোত্তৰ সম্পত্তি পোৱা হল। সেই মাটি দান-পত্ৰত হে আছে, "চৰ জমিনত" সৰহ ভাগেই পানীতলযোৱা, বিল, খাল, ডোবা, এৰাসুঁতি বা বালি চাপৰি। আবাদ কৰিব পৰা মাটি যিখিনি—তাকৰীয়া অলপৰ বাহিৰে—সেই খিনি স্থানীয় ৰায়তেই নামমাত্ৰ খাজনা দি উপভোগ কৰে। সেই খাজনা, ধনৰ সলনি ধানেৰেই অনা হয় আৰু সেই ধান সত্ৰৰ দৈনিক পূজা, তিথি-পাৰ্ব্বন, শ্ৰাদ্ধ-উৎসৱাদিত আৰু ভকত-বৈষ্ণৱসকলৰ ভৰণ-পোষণত খৰচ কৰা হয়। আজিকালি সত্ৰীয়া ভূমিৰ নীতি বছৰে-বছৰে শিথিল আৰু সলনি হৈ অহাত সত্ৰই খাতপামৰ উৎপন্নাদি ক্ৰমান্বয়ে নোপোৱা হৈয়ে আহিছে। তথাপি, যি অলপ পোৱা হয়, তাৰে সেতেই টানিটুনি চলে। শিষ্য শৰণীয়াৰপৰা পোৱা কৰপাটা (লাহে-লাহে সিও টুটি আহিছে) আৰু মাজে সময়ে দান-দক্ষিণা যি পোৱা হয়—সেই সকলোখিনি বৰভঁড়ালত জমা থাকে। সত্ৰৰ আৱশ্যকীয় কৰ্ম্মত খৰচ কৰি যি ধন উদ্বৃত্ত বা ৰাহি হৈ থাকে সেই ধন ৰজা, ৰাইজ দুয়ো ঘৰৰে কল্যাণৰ অৰ্থে ব্যয় কৰা হয়। দেৱোত্তৰ মাটিৰ স্বত্বাধিকাৰী যদিও, সত্ৰই সেই মাটি নিজে সম্পূৰ্ণকৈ ভোগ কৰিবলৈ নেপায়— মাটি নোহোৱা মানুহেই খেতিবাতি কৰি, গছ-গছনি-বেঁত-বাঁহ কাটি, মাছ-কাছ বেচি তাৰ দ্বাৰায়েই জীৱন প্ৰৱৰ্ত্তন কৰে। গড়াবাদী বা আবাদ কৰিব নোৱৰা, নাইবা বান পানীয়ে বুৰোৱা জলাতক

ভক্তবৃন্দ সহিত শ্ৰীশ্ৰীৰমানন্দ দেৱ গোস্বামী, বৰ্ত্তমান সত্ৰাধিকাৰ

শ্ৰীশ্ৰীৰমানন্দ দেৱ গোস্বামী (সোঁ-মাজত), শ্ৰীৰুদ্ৰনাথ শৰ্ম্মা বৰ নামলগোৱা, শ্ৰীযজ্ঞেশ্বৰ বৰ কাকতী, শ্ৰীকনকচন্দ্ৰ শৰ্ম্মা গুৱাকটা, শ্ৰীদুলাল শ্ৰীঅনন্ত, শ্ৰীকণবাপ, শ্ৰীদেবেন, শ্ৰীগিৰীশ, শ্ৰীবুদ্ধীন্দ্ৰ, শ্ৰীসুৰেন্দ্ৰ শৰ্ম্মা গুৱাভৰালী, শ্ৰীৰমেশ শৰ্ম্মা, শ্ৰীলবোদৰ গায়ন, শ্ৰীৰামেশ্বৰ গায়ন, শ্ৰীদণ্ডিৰাম গায়ন, শ্ৰীগোলাপচন্দ্ৰ গায়ন, শ্ৰীভোগেশ্বৰ শৰ্ম্মা, শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা, শ্ৰীটুনিৰাম আলংৰা, শ্ৰীপূৰ্ণকান্ত ওজা, শ্ৰীবিৰণচন্দ্ৰ গায়ন, শ্ৰীদীনাৰাম শুৰণী, শ্ৰীশিশুৰাম দত্ত কাকতী, শ্ৰীকৃষ্ণকান্ত বায়ন, শ্ৰীধনীৰাম গায়ন, শ্ৰীযতীন শৰ্ম্মা, শ্ৰীদণ্ডিৰাম বেপাৰী, শ্ৰীকালিৰাম নাগেৰীয়া, শ্ৰীসাগৰচন্দ্ৰ বায়ন, শ্ৰীবেণু শৰ্ম্মা মিঠেভৰালী, শ্ৰীসৰুনাথ কাকতী, শ্ৰীসোণাৰাম বায়ন, শ্ৰীমোহন সন্ন্যাসী, শ্ৰীবাপীৰাম বৰভৰালী, শ্ৰীৰজনী দত্ত, শ্ৰীধীৰেশ্বৰ শৰ্ম্মা বৰগুৱাকটা, শ্ৰীনন্দনাথ, শ্ৰীসোণাৰাম আলধৰা, শ্ৰীমদনচন্দ্ৰ হাটীমতা, শ্ৰীপীতাম্বৰ দেৱ গোস্বামী, শ্ৰীৰত্নেশ্বৰ শৰ্ম্মা বৰ আলধৰা, শ্ৰীসৰ্ব্বেশ্বৰ পালনমীয়া, শ্ৰীজগতচন্দ্ৰ আলংৰা, শ্ৰীকণৰাম বায়ন, শ্ৰীনগেন্দ্ৰ ওজা, শ্ৰীখগেন্দ্ৰনাথ শৰ্ম্মা পূজাৰী, শ্ৰীদীননাথ ওজা, শ্ৰীঅমূল্য শৰ্ম্মা আঠপৰীয়া, শ্ৰীদূৰ্ল্লভ শইকীয়া, শ্ৰীযতীন শিকাৰু বায়ন, শ্ৰীকলা বুঢ়াভকত, শ্ৰীদুৰ্গা গায়ন, শ্ৰীডম্বৰুধৰ বায়ন, শ্ৰীডিম্বেশ্বৰ আলধৰা, শ্ৰীদেৱকান্ত শৰ্ম্মা, শ্ৰীপৰশুৰাম, শ্ৰীগুণাৰাম ঠাইমচা, শ্ৰীবগাই বায়ন, শ্ৰীযদুনাথ ভেটীধৰা, শ্ৰীকেশৱ শৰ্ম্মা পাঠক, শ্ৰীকামেশ্বৰ শৰ্ম্মা দেউৰী, শ্ৰীভোলাৰাম গায়ন, শ্ৰীসোমেশ্বৰ গায়ন, শ্ৰীসোমেশ্বৰ শৰ্ম্মা মলীয়াবৰা, শ্ৰীবংশীধৰ শিকাৰু বায়ন, শ্ৰীসৰুৰাম শৰ্ম্মা নামলগোৱা, শ্ৰীদেউকণ, শ্ৰীভৱকান্ত, শ্ৰীডম্বৰুধৰ কাকতী, শ্ৰীটঙ্কেশ্বৰ ওজা, শ্ৰীবিপিন, শ্ৰীমাধৱ, শ্ৰীধৰ্ম্মকান্ত শৰ্ম্মা, শ্ৰীদিলীপ



গৃহস্থী সত্ৰৰ অধিকাৰ
শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী (মাজত)

মাটিও সৰ্ব্বসাধাৰণ ৰায়তেই অবাধে ভোগ-উপভোগ কৰি থাকে। প্ৰকৃতপক্ষে কবলৈ হলে, সত্ৰতকৈ ৰায়ত হে সত্ৰৰ মাটিৰ দ্বাৰা উপকৃত হৈছে। সত্ৰই জমিদাৰৰ দৰে শোষণ নীতি চলোৱা নাই। বিদ্যালয়, চিকিৎসালয়, আকস্মিক দুৰ্ঘটনা, বান, দুৰ্ভিক্ষ, ৰাজহুৱা অনুষ্ঠান, দুখীয়া ছাত্ৰক সহায়, খোজনীয়া মগনীয়াক দিয়া—এইবিলাককৈ দান-বৰঙনি দিওঁতে সত্ৰৰ ভঁড়াল প্ৰায় উদং হৈ পৰে। তথাপি অভাৱগ্ৰস্তৰ প্ৰতি সত্ৰ অকুণ্ঠিত সাহায্য আগ বঢ়াবলৈ পৰাঙ্মুখ হোৱা নাই।

দ্বিতীয় পটল

পূজা-সেৱা—নাম-প্ৰসংগ আৰু তিথি-উৎসৱৰ কৃত্য।

ইষ্টদেৱতা পূজা।

মহাপ্ৰভু 'শ্ৰীশ্ৰীযাদৱৰাই দক্ষিণপাট সত্ৰৰ ইষ্টদেৱতা।* নামঘৰৰ পূবে জগমোহনৰ গাতে লগা যিটি মণিকূট তাতে বিৰাট বেদীৰ ওপৰত সিংহাসনৰূঢ় কৰি থোৱা আছে মহাপ্ৰভুৰ শিলা প্ৰতিমা খনি। প্ৰতিমাখনি বনমালী গোসাঁয়ে পুৰুষোত্তম ক্ষেত্ৰৰপৰা অনোৱা। পূৰ্ব্বে, যুধিষ্ঠিৰ মহাৰজাই যেতিয়া ৰাজসূয় যজ্ঞ কৰে, তেতিয়া শ্ৰীকৃষ্ণৰ ইচ্ছা অনুসৰি মহাৰজাই গংগাৰপৰা শিল অনোৱাই মনোহৰ কৃষ্ণমূৰ্ত্তি এখন নিৰ্ম্মাণ কৰোৱায় আৰু ৰাজসূয় যজ্ঞত সেই খনিকে প্ৰতিষ্ঠা কৰি বিধিৱৎ পূজা উপাসনা কৰে। যুধিষ্ঠিৰৰ বংশ লোপ হলত, ব্ৰাহ্মণ-সকলে সেই মূৰ্ত্তি নি পুৰুষোত্তম ক্ষেত্ৰত থলেগৈ। সেই মূৰ্ত্তিকে বেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰৰ-পৰা মানুহ পঠিয়াই প্ৰভু, বনমালীদেৱে সত্ৰত প্ৰতিষ্ঠা কৰে। সেই দিন অৱধি আজি পৰ্য্যন্ত, দক্ষিণপাত্ৰ সত্ৰত সেই প্ৰতিমাই ইষ্ট দেৱতাৰূপে পূজিত হৈ আহিছে।[১]

মহাপ্ৰভুৰ পূজা সেৱা কৰা নিয়ম।

"প্ৰথমে মহাপ্ৰভুক স্নান কৰাই ৰান্ধনি ঘৰত ঢুলীয়াই ঢোল বজায়। দবা, বৰকাঁহ, শঙ্খ, ঘণ্টা ভেৰি, কালিকে আদি কৰি যত বাদ্য আছে সকলো বজায়।" স্নান কৰোৱা হলে সিংহাসনলৈ তুলি বস্ত্ৰ-অলঙ্কাৰ পিন্ধাই সিদ্ধান্ন ভোগ দি দশোপচাৰেৰে পূজা কৰা হয়। দশোপচাৰৰ পূজা দৈনিক। কিন্তু পৰ্ব্বাদিৰ পূজা হলে সিদ্ধান্ন ভোগ দি ষোড়শোপচাৰেৰে পূজা কৰা নিয়ম। কেৱল জন্মাষ্টমী, একাদশী, অম্বুবাচী আৰু উপৰি অধিকাৰসকলৰ শ্ৰাদ্ধ-দিনা সিদ্ধান্ন নিদি গোপাল-পিঠাৰ ভোগ দিয়া হয়। গোপাল-পিঠা আন একো নহয়—ঘিঁউ-চেনি-গাখীৰ আৰু কাফুৰসনা কেঁচা পিঠাগুৰি। ৰাসপূজা, ফাকুৱা পূজাত পৰমান্ন দিয়া হয়, কিন্তু নৈবেদ্যৰ নিবেদন সদায়েই থাকে। সিদ্ধান্ন ভোগ বৰপূজাৰীয়ে নিজে সিদ্ধ কৰিব লাগে। নিতে-নিতে মহাপ্ৰভুৰ আগত গোপাল সহস্ৰনাম পাঠ কৰিব লাগে। 'যাদৱৰাইৰ আগত অখণ্ড প্ৰদীপ এগছি নুমাব নোৱৰাকৈ জ্বলাই থোৱা হয়। অম্বুবাচী বা ষাঁঠত হে

* 'জয়তি যাদৱৰাতুৰু বিক্ৰমঃ
ভুৱনলঙ্ঘিত পাদজ্ঞ বিক্ৰমঃ
হৰতি যস্য বিভো কলি কল্মষং
শ্ৰবণ কীৰ্ত্তনমাশ্ৰয়া স্পদং

১ "কৃষ্ণৰ সম্মতে যুধিষ্ঠিৰৰ আগত
আনিলন্ত শিলাখনি মাগিয়া গঙ্গাত,
বিশ্বকৰ্ম্মা কৰিলন্ত প্ৰতিমা সুন্দৰ
ৰাজসূয়া কৈলা যুধিষ্ঠিৰ নৃপবৰ।
কালক্ৰমে জগন্নাথ ক্ষেত্ৰে আছিলন্ত
তাত হন্তে বনমালীদেৱে আনিলন্ত"

—ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, মায়াখণ্ড—শুকদেৱ গোস্বামী।


"বিত্ত দিয়া ভকতক দিলন্ত পঠাই
প্ৰভুৰ প্ৰাৰ্থনা ভক্তে কহিলন্ত জাই,
তুস্তহুয়া জগন্নাথে মূৰ্ত্তি এক দিলা
দেখি গোসাঞি বনমালী আনন্দিত ভৈ
জাদৱৰায় জে নাম সজল জলদ শ্যাম।"

—শ্ৰীশ্ৰীবনমালীদেৱ চৰিত, ৰমাকান্ত দ্বিজ।

অন্য প্ৰকাৰ ঃ—"বনমালী দেউ শ্ৰীজগন্নাথলৈ গৈ সেৱাপূজা কৰি ধাৰণা ধৰি ব্ৰহ্মদাৰু এক মূৰ্ত্তি অনাৰ নিমিত্তে প্ৰাৰ্থনা কৰিলে। তাহাতে জগন্নাথে স্বপ্ন কৰাই কলে—মই যেনে ব্ৰহ্মদাৰু যাদৱ মূৰ্ত্তিও সেইৰূপ ব্ৰহ্মদাৰু। . . ...কালিলৈ আসনৰপৰা যেই জনাই ওলাই থাকে তেঁৱেই যাদৱৰাই। সেই জনাকে নিবা। পৰদিনা বনমালি দেৱে প্ৰত্যুসে উঠি. আগ বাঢ়ি ওলাই থাকিচোতা যাদৱকে লৈ আহিল"—যাদৱচৰিত্ৰ পটল, সন্তসপ্ৰদায়।



মহাপ্ৰভু বৃন্দাবনচন্দ্ৰ
বাসৰ উৎসৱত বৰপূজাৰী শ্ৰীযুত নিত্যানন্দ দেৱ গোস্বামীয়ে
পূজা কৰিছে।
(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ সৌজন্যত)



মহাপ্ৰভু যাদৱৰাই কৈল্যাণ ৰাই

(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ সৌজন্যত)

মহাপ্ৰভুৰ সকলো পূজা বন্ধ থাকে। সেই কেইদিন ভাগৱতকে থাপনা কৰি পূজা কৰা হয়। এহেলৈ, সকলো সময়তে পূজা চলি থাকে, খতি নহয়। পূজাৰ শেষত, আৰম্ভৰ দৰে দৈনিক সকলো বাদ্য বজোৱা হয়। অস্নানে থকাৰ পিচত, পঞ্চ গব্যেৰে ধুৱাই হে অন্যান্য মূৰ্ত্তি—সালগ্ৰাম পূজা কৰা হয়।

যাদৱৰাইৰ বেদীত মূৰ্ত্তিবিগ্ৰহাদি।

'যাদৱৰাইৰ সোঁৱে-বাঁৱে বেদীৰ সিংহাসনত এইসকল প্ৰতিমা প্ৰজ্জ্বলিত হৈ আছেঃ—বৃন্দাবন চন্দ্ৰ, ভুবনমোহন, বলোভদ্ৰ, কল্যাণ ৰায়, বৈকুণ্ঠনাথ[১], ব্ৰজনাথ, ৰমানাথ, লক্ষ্মীনাথ, অচ্যুতানন্দ, মদনগোপাল, বাসুদেৱ আৰু মাধৱ ৰায়। তদুপৰি, অভ্যন্তৰত বিৰাজিছে—শোভা-ভক্তিৰ প্ৰতীক স্বৰূপ বিবিধ ভঙ্গীৰে শ্ৰীকৃষ্ণৰ অলেখ প্ৰতিমা। লক্ষ্মীনাৰায়ণ, জনাৰ্দ্দন, বাসুদেৱ, ৰঘুনাথ, ৰাইৰাজেশ্বৰ, দধিবামন, সুদৰ্শন, কুণ্ডলিনী, লক্ষ্মীজনাৰ্দ্দন, জাম্বুবৰ্ণ প্ৰভৃতি অনেক নামৰ শতেকাধিক সালগ্ৰাম। পূৰ্ব্বে 'দেৱদামোদৰে পূজা কৰা সালগ্ৰামখনি, ইয়াতে আছে। এই খনিৰ পূজাধিকাৰ কেৱল সত্ৰাধিকাৰৰ হে আছে। এইবিলাকৰ উপৰিও, শিৱলিঙ্গ আৰু মাজে-সময়ে স্বপ্নাদিষ্ট হৈ লাভ কৰা শিৱলিঙ্গও অপাৰ আছে।

"প্ৰথমে সৰ্ব্বদা প্ৰাতঃস্নানলৈ উঠি, প্ৰাতঃকৃত্য কৰি গুৰু ঈশ্বৰক চিন্তি উঠি গৈ শৌচাচাৰ কৰি "বিধিমতে স্নান-সন্ধ্যা আৰু ইষ্ট পূজা কৰি" সত্ৰাধিকাৰে আহ্নিক ক্ৰিয়া সমাপ্ত কৰিব লাগে। প্ৰত্যহ পূজাৰ অৰ্থে বৰপূজাৰী, ৪।৫ জন, পালী পূজাৰী আৰু ফুলতুলীয়াকে আদি কৰি কেবাজনো পূজা-উপচাৰৰ যোগনীয়াৰ থাকে।

মণিকূটত পূজা-সেবা কৰা নিয়ম।

"প্ৰাতসৰ ৪ দণ্ডৰ ভিতৰতে পূজাৰীবিলাকে মহাপ্ৰভুক স্নান কৰাব। শ্ৰীযাদৱক স্নান কৰাই কাপৰ নিপিন্ধাই মানে অন্য পূজাৰী কোনো থাকিব নাপায়। 'মহাপ্ৰভুৰ তিয়নি চেপি পাদোদক মণিকূটৰ ভণ্ডাৰীয়ে পেলাব। ভোগ-পালিয়া দেউৰীয়ে নাম থলেই শ্ৰীযাদৱৰ আগত ঠাই মচি পাত এখন দিব। পাতৰ আগে কোনো যাব নাপায়—যাৱতে শ্ৰীগোসাঁঞিদেৱে সেবা নকৰে মানে। প্ৰসাদ-পালিয়াই প্ৰসাদ দিব। দিনে-নিশাই মণিকূটৰ ভণ্ডাৰী, আঠপৰীয়া দুয়ো পাল বাটি থাকিব। সৰ্ব্বত্ৰে বৰপূজাৰী থাকিব। নিশা পৰত মণিকূটীয়া সকলো থাকিব। 'মহাপ্ৰভুৰ জলপানৰ চিৰা পূজাৰীয়ে ভাজিব। মণিকূটীয়া সকলোৱে উৰাল দিব। গুৰাভণ্ডাৰীয়ে আগদিনা ভণ্ডাৰৰপৰা তামোল-পাণ নিব। পাণৰ সিৰ কাটি তামোল কুন্দাই সোন্দাব। নৈবেদ্যৰ তামোল খনিয়াব; ভোগৰ তামোল থব; পূজাৰীয়ে খনিয়াই থুবিয়াই বটাত দিব। বটা দেউৰীয়ে ধুই দিব। পাল বাটি পূজাৰীয়ে ভাগৰত দিব। দিনৰ পদ দেউৰীয়ে দিব। নিশাৰ পদ আঠপৰীয়াই সামৰিব, দেউৰীয়ে দিব। নিশা পদত ভোগৰ তামোল মণিকূটৰ ভণ্ডাৰীয়ে দিব বৈষ্ণৱক। বৰ পাঠেকৰ তামোলখন খতি নাই। স্নানৰ পূজাৰ জল সোন্দাব। ব্যৱহাৰৰ জল চৌকি আচ্ছাদন দিব। মলিয়া বৰাই শৰাই লৈ যাব। মুখত পাগুৰি বান্ধিহে বন কৰিব। ফুলযোগনীয়াই ফুল শোধাব। পূজাৰীয়ে বাছি লব। ৪ দণ্ড মৰাতে পূজাত বহিব। পৰ মৰাত পূজা সাংগ কৰিব। সন্ধ্যাসেৱালৈ ফুলতুলসী থালতে থৈ আহিব। আৰু সেই পাদোদক নিৰ্ম্মালি-প্ৰসাদ শৰাই এখনত লব। ৪ দণ্ড মৰালৈ আঠপৰীয়াই মণিকূটৰ পিৰালিতে বহিব। ডেৰপৰ মৰালৈকে ভকতক দিব। আৰু মণিকূটৰ ভণ্ডাৰীয়ে মাসে-মাসে বৰ ভণ্ডাৰৰ তেল-ঘিঁউ শলাকানি নি ব্যৱস্থাৰে লগাই দিব। এবং পৰ মৰাতে পূজাৰীয়ে ভোগ সিজাব। ভোগ লগাই এ'টালে বৈষ্ণৱক প্ৰদক্ষিণৰ গতেৰে দিনমান পাল বাটি দিব। মধুপৰ্কৰ গাখীৰবো দিব। আৰু দেউৰীয়ে পালবাটি মাসে মাসে বৰ ভণ্ডাৰৰপৰা লোণ, জালুক, ঘিঁউ আনি শোধন কৰি দিন টিকি টোপোলা বান্ধি থব। সন্ধ্যাসেৱাত তিনি প্ৰদীপ ৩ ধূপ ৪ পূজাৰীৰ ৪ ভাগ নৈবেদ্য সায়াহ্ন সন্ধ্যা কৰি পূজাৰ অন্তত বৰ পূজাৰীয়ে ক্ৰমে আৰতি কৰিব। ৩ পূজাৰীয়ে আৰতি দেখাব, শঙ্খোদকো দিব, নিৰ্ম্মালি দিব, অধিকাৰক বৰপূজাৰীয়ে দিব। অধিকাৰ নগলে গুৱা-ভণ্ডাৰীয়ে নিৰ্ম্মালি প্ৰসাদৰ শৰাই দিব নি পায়। মলিয়া-বৰাই খদা-বানত সজাই ডেকাজনাক দিব নি পায়। শিশিৰ কালত, মহাপ্ৰভুৰ স্নানত তপত জল দিব। গ্ৰীষ্ম কালত চামৰেৰে বিছিব। আৰতিৰ অন্তত মহাপ্ৰভুক সামৰিব। মণিকূটৰ ভণ্ডাৰিয়ে শলা দেখাব, ঠাই মচিব, দেউৰীসকলে তিয়নি, পানী, চৰিয়া, পিৰা, গামোচা দিব। যদি আঠপৰীয়া মণিকূটৰ ভণ্ডাৰী এই দুজনৰ

[১] ইয়াত এই কথা ফাঁকি লেখা আছে :—
"শ্ৰীমৎ চিৰিংকফ্‌কন (চিৰিংফুকন) হৰিচৰণাৰ্ত্তিধাৰ লক্ষ্মীকান্ত পদ কমল মকৰন্দং ঈসৈংমূৰ্ত্তিঃ। আঘণৰ আঠদিন আচন্তে শকাব্দৰে জাতঃ। শক ১৬২১। (ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত প্ৰতিষ্ঠিত)।

এক জন নৰিয়া পৰে তেতিয়া দেউৰী এটাই সেই কাৰ্য্যত পৰ পালি দিব। 'ঘাদৰক অধিকাৰে হে পূজা কৰিব। অন্য ডেকা সকলে কৰিব নাপায়।"

পূজাসেৱা কৰ্ম্মত নিষিদ্ধাচৰণ।

পূজাসেৱা কৰ্ম্মত এইবিলাক কাম নিষিদ্ধ:—১। অস্নানে বিষ্ণুৰ প্ৰতিমা দৰ্শন. ২। বিনা শংখে প্ৰতিমা স্নান কৰোৱা; ৩। অশৌচত প্ৰতিমা স্পৰ্শ কৰা; ৪। ভোজন কৰি পাদোদক শিৰত লোৱা; ৫। বিনা শব্দেৰে পূজা কৰা; ৬। উচ্চাসনত বহি পূজা কৰা. ৭। বিনা নৈবেদ্যেৰে পূজা কৰা; ৮। শীত কালত বিচনীৰে বিচা; ৯। পূজা সময়ত ৰজস্বলা দৰ্শন নিষিদ্ধ. ১০। ঠটা মাটিত শংখ ঘন্টা থোৱা; ১১। পূহ মাহত প্ৰতিমাক চন্দন পিন্ধোৱা; ১২। গ্ৰীষ্মকালত চন্দন-সজল পুষ্পেৰে পূজা কৰা; ১৩। বিনা হোমে যাত্ৰা-মহোৎসৱ কৰা; ১৪। পূজা সাংগ হোৱাৰ পিচত প্ৰতিমাৰ পোনে পিঠি কৰা; ১৫। প্ৰতিমাৰ আগত টহলা; ১৬। গোসাঁই ঘৰত ভোজন কৰা; ১৭। উপবাস নকৰা; ১৮। পাদুকাসহ দেৱতা গৃহ প্ৰবেশ; ১৯। গোসাঁই ঘৰত কম্বল পৰা; ২০। হৰিমন্দিৰত আগেয়ে বাঁওভাৰি পেলোৱা; ২১ হৰিমন্দিৰক উপালম্ভ কৰা; ২২। গোসাঁই ঘৰত বন্ধা-বঢ়া কৰা; ২৩ দেৱতা গৃহত থু-খেকাৰ পেলোৱা; ২৪। গোসাঁই ঘৰৰ খৰিকা টনা; ২৫। প্ৰতিমাৰ আগত লোকৰ কানত উঠা; ২৬। নৈবেদ্য বা প্ৰসাদক সাধাৰণ মাহচাউল বুলি ভবা. ২৭। অচল প্ৰতিমা চলন কৰা. ২৮। নামকীৰ্ত্তনৰ গ্লানি গোৱা; ২৯। বৈষ্ণৱক মানুহ বুলি ভবা. ৩০। সালগ্ৰামক শিলজ্ঞান কৰা; ৩১। বিষ্ণু দেৱতাক অন্য দেৱতাৰ সমান কৰা; ৩২। ফল-প্ৰাপ্তিৰ আশাৰে পৰমেশ্বৰলৈ টোপোলা বন্ধা।

দ্বাদশ প্ৰসংগ।

পূজা-অৰ্চনাৰ লগে-লগে দিনে-নিশাই বাৰ বিধ প্ৰসংগেৰে নামকীৰ্ত্তন কৰা হয়। ইয়াকে নিত্যপ্ৰসংগ বোলে। প্ৰসংগ:—১। জয়ে-জয়ে ভোৰ (ভোট) তালেৰে বহি গোৱা নাম; ২। ৰামতাল-কৰতালেৰে গোৱা বৰাগী নাম. তাকে বৃন্দাবনীয়া নামো বোলে. ৩। ভাগৱত কোৱা ৪। পদপাঠ; ৫। গায়ন-বায়নে গোৱা নাম; ৬। পালনাম; ৭। ভোৰ তালেৰে বহি গোৱা নাম; ৮। বিয়লিৰ ভাগৱত কোৱা; ৯। পদ পাঠ; ১০। সন্ধ্যা ভোৰ তালেৰে বহি গোৱা নাম; ১১। পদ পাঠ. ১২। ওজা-কীৰ্ত্তনীয়াৰ কীৰ্ত্তন।

এই বাৰ প্ৰসংগৰ উপৰিও, ব্ৰহ্মমুহূৰ্ত্ততে বৰঢ়ানাম গোৱা আৰু গধূলি আৰতি কৰা হয়।

ধৰ্ম্মৰক্ষাৰ ব্যৱস্থা।

বৈদিক ধৰ্ম্মৰ কেয়োটি নীতিকে যথাযথ ভাৱে পালন কৰা হয় :—১। বেদ অভ্ৰান্ত; ২। পৰজন্মত বিশ্বাস; ৩। বৈদিক আৰু তান্ত্ৰিক দীক্ষা; ৪। ঋষিবাক্যত বিশ্বাস; ৫। শ্ৰাদ্ধ-তৰ্পণাদি কৰণ; ৬। অশৌচ গ্ৰহণ আৰু প্ৰায়শ্চিত্তাদি শাস্ত্ৰাচাৰ পালন; ৭। মন্ত্ৰৰ শক্তি ৰক্ষা আৰু সংস্কৃত ভাষাৰে সেই মন্ত্ৰ উচ্চাৰণ. ৮। গুৰু-পুৰোহিত স্বীকাৰ ৯। একাদশী আঁউসী, জন্মাষ্টমী আদিত ব্ৰত উপবাসকৰণ; ১০। মূৰ্ত্তি পূজা, শ্ৰৱণ-কীৰ্ত্তন আদি ভক্তিৰ পূজা. ১১। তীৰ্থ দৰ্শন; ১২। স্থান মাহাত্ম্য স্বীকাৰ. ১৩। মালা, তিলক, শিখাদি বাহিক চিহ্ন ধাৰণ; ১৪। বিবাহাদিত সম্বন্ধ বিচাৰ; ১৫। ভক্ষ্যাভক্ষ্যৰ বিচাৰ; ১৬। যাত্ৰাদি সাধাৰণ কাৰ্য্যত কালাকাল বিচাৰ; ১৭। দায় বিচাৰ।

উঠা নাম।

জন্মাষ্টমী, শয়ন-উত্থান-পাৰ্শ্বপৰিৱৰ্ত্তন, বিষুৱ সংক্ৰান্তি, ফাকুৱা আৰু নৱান্নৰ (ন-লগোৱা) দিনা আবেলি নিত্য প্ৰসংগ নকৰি উঠা-নাম গোৱা হয়। নামৰ অন্তত, গায়ন-বায়ন-ওজা গায়। নিশা পদ-ঘোষা গায় (ওজাই পদ দি গাই যোৱাকে পদ ঘোষা বোলে)। ৰাসোৎসৱত আদিজনা দেৱ দামোদৰকে ধৰি অধিকাৰ গুৰুসকলৰ অৰ্থে নিতৌ উঠানাম. নটুৱাৰেসৈতে গায়ন-বায়ন আৰু ওজা গোৱা হয়। ভোজনী বা বৰসবাহ হলে আবেলি অধি-কাৰসকলৰ তিথিৰ দৰে উৎসৱ কৰি ৰাতি উঠা নামো গাব পাৰে। কোনোবাই পাল নামলৈ আগ কৰিলে, নিত্য পালনাম বন্ধ থাকে। সূৰ্য্য উদয় হোৱাৰপৰা অস্ত যোৱালৈকে অৰ্থাৎ উদয়াস্ত পাল নাম গালে নিত্য পাল নামৰ বাহিৰে বাকী প্ৰসংগবিলাক মজামজিকৈ চলিয়েই থাকে। অধিকাৰসকলৰ তিথিত আগ দিনা নিশাৰ প্ৰসংগত পদঘোষা গোৱা হয়। তিথিৰ দিনা নিশা নামৰ শেষত দেৱ দামোদৰকে প্ৰমুখ্য কৰি বৈকুণ্ঠগামী অধিকাৰ সকলৰ নাম স্মৰণ কৰি হৰিধ্বনি. কৰা হয়। তাৰ পাচত, বৰমানোৱাইসকলে তিনি ফ'কীয়া আৰু সৰু মানোৱাই সকলে দুফ'কীয়াকৈ হৰিধ্বনি কৰে।

ভাগৱত পাঠ।

দুপৰীয়া অধিকাৰে নিজেই ভাগৱত কব লাগে, অৰ্থাৎ পাঠ আৰু ব্যাখ্যা কৰিব লাগে। ভাগৱত পাঠ আৰু নাম-প্ৰসংগ কেতিয়াও খতি হব নোৱাৰে। অম্বুবাচীতো নিষিদ্ধ নহয়। বিশেষ অথন্তৰ হলে হে ডেকাজনা বা সৰু ডেকাজনা নাইবা বৰ ভাগতী—এই তিনি জনাৰ এজনাই কয়। ভাগৱত ব্যাখ্যাৰ অন্তত শ্ৰৱণীসকলক দৈনিক নিৰ্ম্মালি প্ৰসাদ দিয়া হয়।



ৰাসলীলা

পুলিন বন ভ্ৰমণৰ নৃত্যৰ অংশ

(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ সৌজন্যত)



ৰাসলীলাত সূত্ৰধাৰৰ নৃত্য ভঙ্গী ; সূত্ৰধাৰ শ্ৰীদীননাথ বৰা

(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ সৌজন্যত)

ভাগৱত কোৰাত শ্ৰৱণী থাকিবই লাগিব। নিশা প্ৰসঙ্গৰপৰা থাকনি বহালৈ আহোঁতে ওজা নাম লগোৱাই চাপৰি বাই-বাই, ঘোষা গাই-গাই অধিকাৰ প্ৰভুক লৈ আহে। অধিকাৰে সকলোকে একোখনি তামোল দি বিদায় দিয়ে। একাদশী তিথিত, চ'ৰাত থিয় হৈ ভোটতালেৰে পদ-ঘোষা এটি গোৱা হয়।

প্ৰভু বনমালী দেৱৰ দিনৰপৰা সাম্প্ৰতিকলৈকে যিসকল অধিকাৰ বৈকুণ্ঠগামী হৈছে সেই সকলোৰে একোদ্দিষ্ট শ্ৰাদ্ধ কৰা হয়। শ্ৰাদ্ধ অনুষ্টুপীয়া হলেও, শ্ৰুতি-স্মৃতি-অনুসাৰি একো এপদ উপচাৰ পূৰ্বে নকৰাকৈ শ্ৰাদ্ধকাৰ্য সম্পন্ন কৰা নহয়।

বৈকুণ্ঠগামী অধিকাৰ সকলৰ একোদ্দিষ্ট শ্ৰাদ্ধ।

অধিকাৰসকলৰ শ্ৰাদ্ধ তিথি ঃ—

ব'হাগৰ	কৃষ্ণা প্ৰতিপদ	তিথিত শ্ৰীশ্ৰী আত্মাদেৱৰ।
	কৃষ্ণা চতুৰ্দ্দশী	,, ,, ,, কৃষ্ণদেৱৰ।
আহাৰৰ	কৃষ্ণা পঞ্চমী	,, ,, ,, বিষ্ণুদেৱৰ।
আহিনৰ	শুক্লা সপ্তমী	,, ,, ,, বনমালীদেৱৰ।
কাতিৰ	শুক্লা একাদশী	,, ,, ,, ৰামদেৱৰ।
	কৃষ্ণা ষষ্ঠী	,, ,, ,, বাসুদেৱৰ।
আঘোণৰ	কৃষ্ণা অষ্টমী	,, ,, ,, কামদেৱৰ।
পুহৰ	শুক্লা অষ্টমী	,, ,, ,, নাৰায়ণদেৱৰ।
মাঘৰ	শুক্লা দ্বিতীয়া	,, ,, ,, শম্ভুদেৱৰ।
	পূৰ্ণিমা	,, ,, ,, ৰন্তিদেৱৰ।
	কৃষ্ণা ত্ৰয়োদশী	,, ,, ,, সহদেৱৰ।
ফাগুনৰ	কৃষ্ণা প্ৰতিপদ	,, ,, ,, হৰিদেৱৰ।
	শুক্লা সপ্তমী	,, ,, ,, বিভুদেৱৰ।
চ'তৰ	কৃষ্ণা একাদশী	,, ,, ,, নৰদেৱৰ।

প্ৰত্যেক বছৰি পুণ্যতিথি শৰৎ পূৰ্ণিমাৰ দিনা বিপুল উৎসাহ আৰু শ্ৰদ্ধাভক্তিসহকাৰে তিনিদিনীয়াকৈ শ্ৰীকৃষ্ণৰ ৰাসলীলা উৎসৱ পালন কৰা হয়। সকলো শ্ৰাদ্ধাদি-তিথি-পাৰ্বণৰ দৰে উৎসৱটিক স্খলন হবলৈ দিয়া নাই। দক্ষিণপাটৰ ৰাসত ৰাধাকৃষ্ণ যুগল মূৰ্ত্তিৰ পূজা হয়।

ৰাসোৎসৱ

"ৰাসোনাম বহু নৰ্ত্তকীযুক্তো নৃত্য বিশেষ ঃ" অৰ্থাৎ বহু নৰ্ত্তকী সম্মিলিত হৈ তাল-মানেৰে গোৱা নৃত্য বিশেষেই ৰাস—এইটিয়েই শাস্ত্ৰসৰে দিয়া ৰাসৰ চমু তাৎপৰ্য্য। ওপৰে ওপৰে চালে হে ৰাসৰ লক্ষণ এইটিকে বুলি কব পাৰি। কিন্তু, আধ্যাত্মিক ভাবেৰে চালে—বেদৰ মতে ইয়াৰ তাৎপৰ্য্য সুকীয়া। এই মতে, "ৰসো বৈ স" অৰ্থাৎ শ্ৰীকৃষ্ণ ৰসময়; "ৰসং ইদং ৰাসঃ" অৰ্থাৎ যত ৰসময় কৃষ্ণদেৱৰ লীলা নৃত্য শাস্ত্ৰীয় ভাবভঙ্গীৰে নৰ্ত্তকীসকলে ভক্তি-ভাৱত তন্ময় হৈ তাল মানেৰে কীৰ্ত্তন কৰে সেয়েই প্ৰকৃত ৰাস।

"শ্ৰীমদ্ভাগৱতত ৰাস বৰ্ণনা কৰোতে "গোপী মণ্ডল মধ্যগঃ" ইত্যাদিৰে সামান্য গোপী শব্দ হে ব্যৱহাৰ কৰিছে। ইয়াত যিটি গুপ্ত ৰহস্য আছে তাক "প্ৰকৃতি খণ্ডই" স্পষ্টকৈ বৰ্ণনা কৰিছে। ৰহস্যটি হল—ৰাধা দেৱীয়েই ৰাসত ৰাসেশ্বৰী, বৃন্দাবনত বৃন্দা, গোলোকত কৃষ্ণ-প্ৰিয়া, শতশৃঙ্গত সতী, চন্দ্ৰবনত চন্দ্ৰাৱতী, নিকুঞ্জবনত ভদ্ৰা, কৃষ্ণসৰোবৰত কৃষ্ণা, কাম্যবনত কাম্যা, পদ্মবনত পদ্মা, চম্পক বনত চম্পা" ইত্যাদি নাম লৈ শ্ৰীকৃষ্ণদেৱেৰেসৈতে হৃদয়বল্লভা হৈ বিৰাজ কৰি হ্লাদিনী শক্তিৰূপে বিবিধ প্ৰকাৰে বিহাৰ কৰিছে। সেই কাৰণে, ৰাসোৎসৱত শ্ৰীকৃষ্ণৰ সেই যুগল মূৰ্ত্তিকে পূজা কৰা হয়। কিন্তু ৰাসৰ নাটত ভাগৱতৰ লৌকিক অৰ্থানু-সৰি শ্ৰীকৃষ্ণ-গোপীৰ দৃশ্যত ৰাধাক ৰাধা বুলি দেখুউৱা নাই—দেখুৱাইছে গোপী বুলি হে। ৰাস ক্ৰীড়াৰ ঠাই বৃন্দাবন। বৃন্দাবন বিনে ৰাসলীলা অসম্পূৰ্ণ আৰু দূষণীয়ও। গতিকে, নাটৰ নিৰ্দেশ মতে ৰাসৰ আগতে বৃন্দাবনো ৰচনা কৰি লোৱা হয়।

তিনিদিনীয়া উৎসৱৰ ক্ৰম এই ঃ—প্ৰথম দিনা অধিবাস; দ্বিতীয় দিনা ৰাস আৰু তৃতীয় দিনা ইন্দ্ৰাভিষেক।

"অধিবাসৰ দিনা দেৱৰ্ষি নাৰদে কেনেকৈ অমৃত সাগৰত বুৰ মাৰি শিৱৰ অনুগ্ৰহত ৰাসোৎসৱ দেখিবলৈ পাইছিল, সেই ইতিবৃত্তবিলাক ধুৰা পদেৰে নাটত ৰচিত আছে আৰু সেই

মতেই গোৱা হয়। ৰাসৰ দিনা ওপৰত কৈ অহামতেই গোপীসকলৰ লগত শ্ৰীকৃষ্ণই বৃন্দাবনত কৰা কেলি-ক্ৰীড়াৰ বিলাপ-বিননি সমন্বিতে নৃত্য গীতেসৈতে পূৰ্ণ অভিনয়। সেই দিনা পূৰ্ণব্ৰহ্মৰূপী শ্ৰীকৃষ্ণদেৱৰ পূজাৰ উপৰিও শ্ৰীকৃষ্ণৰ অৰ্জ্জুন-ভঞ্জন, শকট-ভঞ্জন, পূতনা-শোষণ আদি যিবিলাক লীলা নাটত সন্নিৱিষ্ট আছে, সেইবিলাক শাস্ত্ৰমতে যি সময়ত সংঘটিত হৈছিল সেই সময় মতে সেই লীলাত সহযোগ থকা ভক্ত-পাৰ্ষদসকলৰ পূজাও হয়।

"শ্ৰীকৃষ্ণদেৱৰ ৰাসক্ৰীড়া নিত্যস্থান গোলোকত নিত্যে হয়। শ্ৰীকৃষ্ণদেৱে ধৰ্ম্ম সংস্থাপন কৰিবৰ হেতু মৰ্ত্ত্যলৈ যেতিয়া আহিব খোজে, তেতিয়া কৃষ্ণপ্ৰিয়া আদ্যাশক্তি ৰাধিকাও তেওঁৰ লগতে আহিবলৈ ওলায় আৰু ভক্ত পাৰ্ষদ সমন্বিতে নিজৰ ক্ৰীড়াস্থলী গোবৰ্দ্ধন পৰ্ব্বত, বৃন্দাবন প্ৰভৃতি এটাইবোৰ বস্তু লগতে লৈ আহিবলৈ শ্ৰীকৃষ্ণক প্ৰাৰ্থনা জনায়। লীলাময় শ্ৰীকৃষ্ণই ৰাধাৰ অভিলাষ পূৰ্ণ কৰিবৰ নিমিত্তে সকলোকে পৃথিবীলৈ আহিবলৈ অনুমতি দিয়ে। সেই অনুসৰিয়েই সেইবিলাক সকলোৱে পৃথিবীত জন্ম গ্ৰহণ কৰিলেহি। লগে-লগে পূৰ্ণময় পূৰ্ণ কৃষ্ণৰ লীলাও পৃথিবীত গোলোকৰ দৰেই হবলৈ ধৰিলে আৰু পৰম ভাগ্যৱতী পৃথিবী দেৱীও শ্ৰীকৃষ্ণদেৱৰ ধ্বজ-বজ্ৰ-যৱ-অঙ্কুশ-পদ্মেৰে সুশোভিত পদাঙ্ক বুকুত লৈ ধন্যা হৈ পৰিল। এনে লীলাময় ভগৱন্ত শ্ৰীকৃষ্ণদেৱৰ নানান্ লীলাৰে পটভূমি হল এই ৰাস। "ই যদিও বা গোপীকৃষ্ণৰে নৃত্য, তথাপি মানৱ-জীৱন সাৰ্থক কৰাৰ একমাত্ৰ মূল সম্ভাৰ হল কৃষ্ণপ্ৰেম। সেই প্ৰেম যাতে সকলোৰে অন্তৰত পৰিস্ফুট হয় তাৰ বাবেই দক্ষিণপাটৰ ত্ৰয়োদশ সত্ৰাধিকাৰ নাট্যকাৰ শ্ৰীশ্ৰী 'ৰাসুদেৱ গোস্বামী প্ৰভুৱে মূল লীলা ৰাসৰ লগত শ্ৰীকৃষ্ণদেৱৰ জন্মৰপৰা অৰিষ্টাসুৰ বধ পৰ্য্যন্ত শ্ৰীকৃষ্ণদেৱৰ অভূতপূৰ্ব্ব অলৌকিক মনোহৰ লীলাসমূহ সন্নিৱিষ্ট কৰি নাটখনৰ সৌষ্ঠৱ আৰু জনপ্ৰিয়তা বৃদ্ধি কৰি গল।"*

ৰাসত, "বৰ্ষে-বৰ্ষে গায়ন-বায়ন মিলি গীতসৱ গায়
সুমধুৰ স্বৰ শুনি মন মোহ যায়"।

ইয়াকে চাবলৈ দক্ষিণপাট সত্ৰত বছৰি-বছৰি হেজাৰ-বিজাৰ দৰ্শকৰ সমাগম হয়। সেই দৰ্শক-সকলক তিনিও দিনে সত্ৰৰ ভঁড়ালৰপৰা ভোজন জলপানৰব্যৱস্থাৰাই শুশ্ৰূষা কৰা হয় আৰু থাকিবলৈ বাহৰো সজাই থোৱা হয়।

ফাকুৱা বা ফল্গুৎসৱ।

স্কন্দ পুৰাণৰ বিধিমতে ফাগুনৰ শুক্লা চতুৰ্দ্দশী তিথিৰপৰা তিনি দিনীয়াকৈ ফল্গুৎসৱ বা দৌলোৎসৱ, নাইবা ফাকুৱা পূজা পতা হয়।[১] প্ৰথম দিনা আৱতিৰ পিচত মহাপ্ৰভুক মেষদাহ-ঘৰলৈ নি যথানিয়মে পূজা হোম আৰু মেষ পূজা কৰি বিধিৱৎ মেষৰ লোম দাহ কৰা হয়। মেষ পূজাৰ শেষত, মেষ গৃহত অগ্নি সংযোগ কৰি মেষদাহ কৰা নহয়। সেই লোম দাহ কৰা অগ্নিৰ চৌপাশে প্ৰদক্ষিণ কৰাই মহাপ্ৰভুক সুসজ্জিত দোল-মণ্ডপলৈ অনা হয়। মেষ গৃহত মহাপ্ৰভু পূজা কৰি থকা কালত ওজা, কীৰ্ত্তনীয়া আৰু গায়ন-বায়নে গীত বাদ্য কৰে আৰু নটুৱাও নাচে। দোলমণ্ডপৰ ভিতৰত সৰ্ব্বতোভদ্ৰ মণ্ডলৰ ওপৰত সজাই ৰখা দোলাসনত মহাপ্ৰভু স্থাপন কৰি বিধিমতে অধিবাস কৰা হয়। পাচ দিনা ৰাতিপুৱা মহা-প্ৰভুক মহাস্নান কৰাই পূৰ্ব্বোক্তমতে ফাকুৱাৰ পূজা আৰু হোম কৰে। পূজাৰ অন্তত প্ৰভুক দোলন কৰি ফল্গু (ফাকু) দান কৰা হয়। এই দোলটিৰ নাম দেৱদোলন।

এই দৰে পূৰ্ণিমা প্ৰতিপদৰ দোমোজাতে এটি দোলন হয়। ইয়াৰ নাম ৰাজ দোলন। প্ৰতি দোলনতে শঙ্খঘন্টা, দবা-বৰকাঁহ আদি নানাবিধ বাদ্য বজাব লাগে আৰু নামলগোৱাসকলে ভোৰতাল বজাই ঘোষা গাব লাগে। ওজাকীৰ্ত্তনীয়াসকলে কীৰ্ত্তন গায়। গায়ন-বায়নে নটুৱাই গীত বাদ্য কৰে। দোলনৰ শেহত নামঘৰত তিথিমহোৎসৱৰ দৰে উঠা নাম, গায়ন-বায়ন আৰু ওজা গায়। সেই দিনা দিনে নিশাই অৱসৰ মতে গায়ন-বায়ন, ওজাকীৰ্ত্তনীয়া সকলো মিলি ফাকু খেলে। তাৰ পাচ দিনা আগ দিনাৰ দৰে পূজা-অৰ্চ্চনা কৰি দোলন এটি কৰা হয়। ইয়াকে মনুষ্য দোলন বোলে। সেই দিনাও কিছু সময় ফল্গুৎসৱৰ গীত গোৱা হয়; পাচত,

---

* শ্ৰীশ্ৰীৰমানন্দ দেৱ সত্ৰাধিকাৰ গোস্বামী প্ৰভু।

[১] "সত্য শিৱ সুন্দৰৰ প্ৰতীক পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰ প্ৰাণ হিন্দোলেই দোলযাত্ৰা। "ফাগুনে মাসি কৰ্ত্তব্যং দোলাৰোহণ মুত্তমম্ যত্ৰ ক্ৰীড়তে, গোবিন্দো লোকানুগ্ৰহনায় বৈ"—সকলো কাম এৰি দোলৰ দিনা (ফাকুৱাৰ দিনা) উৎসৱ কৰা। কিয় নো, দোলাত থকা বিষ্ণুক দেখিলে ত্ৰিজগতৰে উৎসৱ হয়"—অধ্যাপক ৰজনীকান্ত দেৱশৰ্ম্মা এম,এ।



মহাৰাসৰ নৃত্য-অংশ

(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ সৌজন্যত)



মহাৰাসৰ নৃত্য-অংশ

(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ সৌজন্যত)

দৌলমণ্ডপৰপৰা মহাপ্ৰভুক নমাই আনি গীতবাদ্যেৰে গাৱেঁ গাৱেঁ সমদলে মহাপ্ৰভুক ফুৰোৱা হয়; ফুৰাবলৈ নিওঁতে হাতীৰ ওপৰত তুলি নিয়া হয়। সন্ধিয়াৰ আগে-আগে আকৌ মহাপ্ৰভুক গোসাঁই ঈশ্বৰৰ বৰ চৰাৰ ভিতৰ পোৱাবহি লাগে। সেইখিনি পোৱা মাত্ৰকে বাদ্যবন্দনা আৰু নটুৱাৰ নৃত্য আৰম্ভ হয়। ঢুলীয়াই হাত কৰি মালিতা গায়। তাৰপৰা মহাপ্ৰভুক নি নাম-ঘৰৰ বৰদুৱাৰৰ মুখ পোৱাৰ লগে-লগে লক্ষ্মীৰ পক্ষৰ লোকসকলে ভিতৰৰপৰা আৰু ভগৱন্ত পক্ষৰ লোকসকলৰ লগত বাদানুবাদ কৰে। সেই বাদানুবাদৰ মীমাংসা হোৱাৰ পিচত মহাপ্ৰভুক স্বমন্দিৰত প্ৰবেশ কৰাই আৱতি বন্দনাৰে ফল্গুৎসৱৰ সামৰণি পেলোৱা হয়।*

"গায়নীয়া-কীৰ্ত্তনীয়াই ৰথ বান্ধিব, ফাকুৱাৰ দৰে সকলো কৰিব। ফল্গুৎসৱৰ সেই নিৰ্ব্বন্ধ। বৰ কাঁহ বৰঘন্টা আনি দিব, তাতে দুটা উঠি বজাই যাব।" ৰথযাত্ৰা।

"জন্মাষ্টমীত গোসাই ওপজালৈকে সকলো ব্ৰতে থাকিব পায়। নথকাৰ পাঁচ টকা ৰূপ দণ্ড। প্ৰসঙ্গ ৰাখিব, উঠি নাম গাব। ঠাই মচাই বৰ ভণ্ডাৰৰ পৰা নি পিঠাগুৰি, গাখীৰ, গুৰ, কলা, তামোল-পাণ নাটৰ আগত চৰুৰে নি দিব পায়। বৰপূজাৰীয়ে পূজা কৰিব। সেই জন্মকালত বাদ্যভণ্ড সকলো বজাব। পৰ দিনা বোকা ভাৱনা কৰিব। ঠাইমচাই বোকা দিব। তিনি পৰ মাৰি দুডাঁৰ গলে নাম ডাকিব। সেই দিনা বিয়ালি প্ৰসঙ্গ নাই। সেই বোকাৰ ওপৰে নাম গাই থাকি স্নান কৰিবলৈ যাব। নামেৰে ছেদ নহব। পুনচ আহি গোসাঁই-চৰাতে কিছু নাম গাব। অধিকাৰেও কিছু দক্ষিণা দিব। অধিকাৰক আশীৰ্ব্বাদ কৰি ঘৰা-ঘৰি যাব। সেই বোকাৰ মৃত্তিকা বাটি ঠাইমচাই মণিকূটৰ ভণ্ডাৰীৰ হাতত দিব।" জন্মাষ্টমী।

"লক্ষ্মীপূজা হলে, গোসাঞিৰ তত পূজা পাতিব; প্ৰধানৰূপে ভেঁটি পাতিব; দুহতীয়া বহল এক বেগেত ওখ, চাৰিচুকে কলাপুলি পুতিব; ওপৰে চন্দ্ৰতাপ তৰিব; কৰ্ম্মীজনায়ে মণ্ডল দিব। চাই দণ্ড বেলি থকাতে কৰ্ম্মী ব্ৰাহ্মণে আহি পৰিচাৰেকৰ হতুৱাই এই সকলো বিলাক কৰোৱাবহি আৰু পূজাৰ উপযুক্ত যি যি বিলাক দ্ৰব্য লাগে সকলো বিলাক কৰাবহি। গোসাঞিৰ বহা সাৰিমচি আলধৰাহঁতে চৰাৰ মুৰৰপৰা পূজাৰ ঠাইলৈকে আলিয়না দিব, পৰাত ভোগঘৰৰ মুৰৰ পৰাই দিব। সন্ধ্যা কালতে দুৱাৰ মুখত, দুগছ শলা দিব; ভৰালী খোটালিত ভণ্ডাৰী আলধৰাই পুৱালৈকে শলা ৰাখিব। গধূলি চাইডাঁৰ মাৰিলেই "ঠাই সৰাই" গোসাঞিৰ ফালৰ আলি, চাউল ভণ্ডাৰৰ আলি, বৰ ভণ্ডাৰৰ আলি সাৰি মচি ভালকৈ দিব। ব্ৰাহ্মণ এটিয়ে বৰ ভণ্ডাৰত পূজা এভাগ কৰিব। ভণ্ডাৰী ভেঁটীধৰাহঁতে ভণ্ডাৰ সাৰি মচি ভালকৈ দিব। বৰ ভণ্ডাৰে আলিত আলিয়না দিব। ভঁড়ালৰ ভিতৰলৈকে আলিয়না দিব। দুৱাৰ মুখত কলাপুলি পুতিব, দুগছ মলা দিব, ভঁৰালৰ ভিতৰত পুৱালৈকে শলা এগছ থাকিব। গুড়ৰ ভণ্ডাৰ, সৰিয়হৰ ভণ্ডাৰ, ইযাতো একো ভাগী নৈবেদ্য এগছি শলা দিব। ধান ভঁড়াল—চাউল ভণ্ডাৰৰ আগ মচিব। ভৰালী ভেঁটীধৰাহঁতে ই ভঁৰালৰপৰা সি ভঁৰাললৈকে আলিয়না দি জাতিস্কাৰ কৰিব। বৰভণ্ডাৰ পূজাকৰা জনেই এক ভাগ নৈবেদ্য, এক গছি ঘৃত প্ৰদীপ, ধূপ দুই ইয়াক দি তিনি আঞ্জলি পুষ্পাঞ্জলি কৰিব। চাউল ভণ্ডাৰী, বৰ আলধৰা—এই সকলে প্ৰাৰ্থনাকৈ সেৱা কৰিব। সেই দৰে, দুই ধান ভঁড়ালতো কৰিব। লক্ষ্মীপূজা।

* ফাকুৱাত কোনে কি কৰিব লাগে :—"মাঘ মাসত বৰ আলধৰাই হালধি অনাই দিব পায়। বৰ-ভণ্ডাৰত ৰংদাৰীয়ে সিজাব, গায়নীয়াই বাকলি গুচাই চকলিয়াই দিব। এহেলৈ ৰংদাৰীয়ে শুকাই তৈয়াৰ কৰিব। পুনচ গায়ন-কীৰ্ত্তনীয়াই খুন্দিব; ৰংদাৰীয়ে শৰাইত মলাৰে সজাই দোলনলৈ নি দিব। ছেও কাপোৰেৰে সেকিব। মেষদাহ কৰিবলৈ বৰপূজাৰী ব্ৰতে থাকিব। মণিকূটৰ ভণ্ডাৰীয়ে চন্দ্ৰতাপ, চামৰ, দণ্ডাদি তৈয়াৰ কৈ দিব। দৰ্যীহঁতেও তৈয়াৰকৈ সি দিব। গায়ন-কীৰ্ত্তনীয়াই বাকি মগৰ পুতিব। আসনো আনিব। বনুৱা ভকতে দ'ল অ'তাব; জাল-চন্দ্ৰতাপ আনিব। ঠাই-মচাই কলাপুলি, কুঁহিয়াৰ সৰামলা আনিব। ভেটিও বান্ধিব। বাজহটীয়া বৰাই মেষদাহৰ ঘৰ কৰিব। জোৰ দিব, ছাগো আনি দিব, বাটো অ'তাব। আৰু মেষদাহৰ দিনা বৰআলধৰাই জাক জাক দণ্ডাদি ভাৰী দিয়ে, পাচে মহাপ্ৰভু ফুৰোৱাতো সেই সকলে হে লব। মেষদাহৰ দিনা অধিবাস হোম ঘৰতে কৰিব। পৰ দিনা নাম থোৱাতে মহাপ্ৰভুক দৌলত তুলিব নি। প্ৰথমৰ দিনা উঠি নাম গাব। ফাকুৱাত বৰপূজাৰীৰ খতি নাই। বাৰীচোৱাই দবা লব। সৰু পূজাৰীয়ে পাল বাটি কৰিব। মহাপ্ৰভু ফুৰাওঁতে চাৰিহাটীৰ ভকতে সেৱা কৰিব। সকলোৱে দক্ষিণা দিব। পাচে ৰাওলাঘৰৰ মুৰলৈ নি, দুৱাৰ মাৰি জেবাব দিব। ঠাই মচাই আলিয়না দি অগ্নিগড় বান্ধিব। এজনা পূজাৰীয়ে নৈবেদ সহিতে লক্ষ্মীকো আনি মহাপ্ৰভু আগবঢ়াই নিৰ্বাহ, আলিয়ানৰ ওপৰে। 'মহাপ্ৰভু লব লাগিলে যাত্ৰাকালত ভাগৱতীয়ে লব আগ ফালে; দেউৰী পৰিচাৰকে লব পাচ ফালে, ভাগৱতীয়ে মণ্ডল দিব।"—সন্ত নিৰ্ণয়।

চাউল ভণ্ডাৰত পুৰালৈকে শলা এগছ থাকিব। 'গোসাঞিৰ ত'ত সেইদিনা গায়ন-বায়ন গাব।" *

বিষুৱ সংক্ৰান্তিত। কাতি বিহু। মাঘ বিহু। চ'তৰ বিহু।

আহিনৰ সংক্ৰান্তিৰপৰা কাতিবিহু আৰম্ভ হয়। সেই দিনা সম্পূৰ্ণৰূপে মহাপ্ৰভুৰ পূজাসেৱা কৰি নতুন ভেটিত তুলসী ৰুই তুলসীৰ ওচৰত আকাশবন্তি লগোৱা হয়। সেই ঠাইতে গধূলি গধূলি নামপ্ৰসঙ্গও কৰিব লাগে। *

মাঘৰ বিহুত বা উত্তৰায়ণ সংক্ৰান্তিত তিল হোম, তিলদান হয়। প্ৰত্যেক বিহুতে ষোড়শোপচাৰেৰে 'যাদৱৰাইক পূজা কৰিব লাগে। মানুহবিহুৰ দিনা বস্ত্ৰাদিৰে সেৱতীয়াৰ সেৱা গ্ৰহণ কৰা নিয়ম। কাতি বিহু, মাঘ বিহু, চ'তৰ বিহু—কেউতাতে মহাপ্ৰভুৰ আগত চিৰা পিঠাৰে ভোগ দিব লাগে। সিদ্ধান্ন ভোগ দিয়া নহয়। ডেকা-অধিকাৰ—সৰু অধিকাৰ সমন্বিতে সমূহ বৈষ্ণৱবৃন্দই নামঘৰলৈ গৈ, গাইপতি অধিকাৰ প্ৰভুক মূৰমালা দি সেৱা কৰে। অৱশ্যে, ইয়াৰ অলপ তাৰতম্য আছে। ডেকা-অধিকাৰ, সৰু অধিকাৰ আৰু বৰ-মানোৱাই-সৰু মানোৱাইসকলে অঙ্গমালাও অৰ্থাৎ কণ্ঠৰপৰা ভৰিলৈকে পৰা মালাও দিব লাগে। সেই অনুক্ৰমেই ভকত সকলেও এজোৰ-এজোৰ মূৰমালা দি ডেকা, সৰু দুয়োজনাক সেৱা কৰে। ইয়াত অঙ্গমালা নাই। কিয় নো, অধিকাৰে হে অঙ্গমালা পিন্ধিব পায়। গোসাইসকলেও নিৰ্ম্মালিস্বৰূপে তাৰে মূৰমালা একোধাৰ ভকতসকলক দিয়ে। ভকতৰ বাহিৰে আনে মালা দি সেৱা কৰা নিয়ম নাই। ধনবিত দি সেৱা কৰাৰ হে নিয়ম।

নৱান্ন।

বৰআলধৰাই নৱান্নৰ দ্ৰব্য সকলো খাতৰপৰা অনাব। সকলো গৃহস্থী লোকে মণিকূটত নৱান্নৰ দ্ৰব্য আগ দিনাই শোধাব। 'দেৱৰ বাবৰ দ্ৰব্যবস্তু বৰআলধৰাই আগদিনাই দেউৰী-পূজাৰীৰ হাতত শোধাব। সকলো মণিকূটীয়াই নৱান্ন পাতি দিব। ভোজনীৰ মাহ চাউল পৰিচাৰকে আনি পাতি দিব। দেউসকলৰ বাবেও একোখন কাঁহী আনি দিব। ভোজনী উৎসৰ্গি গৈ 'গোসাঞিদেৱে ভোগ ঘৰতে নৱান্ন ভক্ষণ কৰিব। তালৈকে শৰাধৰ ভাগখোৱা সকলোটি চাপিব। বংশৰ ভিতৰৰো ডেকাসকল চাপিব। চাউল ভণ্ডাৰীয়ে মলা নি দিব। সকলোৰে সহিতে নৱান্ন ভক্ষণ কৰিব। সেই দিনা উঠা নাম গাব। সকলো বৈষ্ণৱক নৱান্নৰ প্ৰসাদ বাটি দি দিব।

আশীৰ্ব্বাদ

নিতৌ প্ৰসঙ্গ-চৰ্চ্চাৰ পাচত, প্ৰত্যেক প্ৰসঙ্গৰ সামৰণিত ৰজা, গুৰু আৰু বাইজক আশীৰ্ব্বাদ দিয়া হয়। তিথি-মহোৎসৱৰ শেষত গায়ন-বায়ন-নটুৱা সকলে ৰ আশীৰ্ব্বাদ পায়। অধিকাৰেও সিবিলাকক নিৰ্ম্মালি একো পাত আৰু কটা তামোল একোখন দিয়ে। ভাগৱতৰ আশীৰ্ব্বাদ অধিকাৰে নিজেই দিয়ে। আন প্ৰসঙ্গৰ আশীৰ্ব্বাদত আশীৰ্ব্বদীয়াই দিয়ে। কোনোবাই নাম বা ভাগৱতৰ অন্তত এফেৰি অবিহণা দি সুকীয়াকৈ সেৱা জনাই আশীৰ্ব্বাদ লোৱাৰো নিয়ম আছে। পদ-ঘোষা আৰু উঠা-নামৰ আশীৰ্ব্বাদ দিওঁতে সকলোৱে তাল বজায় আৰু হৰিধ্বনি কৰে—"জয় ৰাম বোল" বুলি লেহেতীয়া সুৰেৰে অধিকাৰক আশীৰ্ব্বাদ দিওঁতে দৰা কোবাব লাগে।

আশীৰ্ব্বাদৰ আৰ্হি।

১। অধিকাৰৰ প্ৰতি :—

নিত্য নামৰ পিচত গুৰু সকলক দিয়া আশীৰ্ব্বাদৰ আৰ্হি :— গোসাই ঈশ্বৰৰ সমন্ধি মহাপ্ৰভু 'শ্ৰীশ্ৰীযাদৱৰাইৰ চৰণত প্ৰাৰ্থনা কৰা হৈছে—শুদ্ধে-অশুদ্ধে, যথাৰত ৰূপে, পৰম মঙ্গলময় শ্ৰীহৰিৰ নাম কীৰ্ত্তন কৰা হৈছে। ইয়াতে অনেক অপৰাধ হব পাৰে। সৰ্ব্বাপৰাধ মাৰ্জনা কৰি, নিছিদ্ৰৰূপে নাম কিয়েযাৰ গ্ৰহণ কৰিবলৈ ঈশ্বৰ পুৰুষৰ প্ৰতি কৃপাদৃষ্টি নিৰীক্ষণ কৰিব। 'যাদৱদেৱৰ সুকৃপাৰ দ্বাৰাই ঈশ্বৰ পুৰুষৰ আয়ুস বৃদ্ধি কৰি অভীষ্ট সিদ্ধি কৰি, আধ্যাত্মিক, আধিভৌতিক, আধিদৈবিক—এই ত্ৰিতাপৰ ভাগী নকৰি ইষ্টদেৱতাৰ

* কাৰ্ত্তিকত আকাহৱঁতি বৰআলধৰাই বনুৱা ভকতৰ হতুৱাই তৈয়াৰ কৰাব। কুমাৰে টেকেলি দিব। ঠাইমচাই তুলসী ৰুব। মণিকূটীয়াই শলা লগাব। শলাৰ আগৰ সভাৰ নৈবেদ দেউৰীয়ে আনি দিব। পোনৰ দিনা আকাহ বঁতি তোলাত গায়ন ওজা নামলগোৱা, এই সকলে গাব। ঢুলীয়াই ঢোল বজাব। নমাব দিনাও সকলোৱো গাব। দীপান্বিতাৰ দিনা ভুৰ বান্ধিব, ঠাই মচাই জোৰ দিব; হাটিমতাই পুৰোহিত-পূজাৰীয়ে দীপ দান কৰিব। ঠাই মচাই লগত গৈ ব্যৱস্থাকৈ দিব। 'গোসাঞি দেৱৰ আগফাল পাচ ফালৰ জোৰ আলধৰাহ'তে দিব। মুখৰাত্ৰিৰ লক্ষ্মী-পূজা কোজাগৰৰ দৰেই কৰিব।"—সন্ত নিৰ্ণয়।



নটুৱাৰ এটি দৃশ্য
(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠিৰ সৌজন্যত)



গায়নৰ এটি অংশ

(শ্ৰীচন্দ্ৰধৰ ত্ৰিপাঠীৰ সৌজন্যত)

চৰণত সপ্ৰেম ভক্তি বিৱৰ্দ্ধন কৰি, ভাগৱন্ধৰ্ম্ম প্ৰদান আৰু প্ৰচাৰ কৰিবলৈকো সৰ্ব্ব সমৰ্থবান কৰি, বৈষ্ণৱবৃন্দক প্ৰতিপালন কৰিবলৈকো শক্তিমন্ত কৰি নিৰ্ব্বিঘ্নে ঈশ্বৰ পুৰুষক কুশলে ৰক্ষা কৰিব লাগে—মহাপ্ৰভুৰ চৰণত এই প্ৰাৰ্থনা।

"জয় ৰাম বোল, জয় হৰি বোল।"

২। ডেকা অধিকাৰৰ প্ৰতি :—

ডেকা অধিকাৰ গোস্বামীৰ প্ৰতিও প্ৰভু যাদৱদেৱ সুপ্ৰসন্ন হৈ কৃপাদৃষ্টি নিৰীক্ষণ কৰিব। সেই যাদৱদেৱক কৃপাৰ দ্বাৰাই তেখেতৰ আয়ুস বৃদ্ধি কৰি অভীষ্ট সিদ্ধি কৰি সকলো দুৰৈতে নিবৰ্ত্তমান কৰি ইষ্টদেৱতাৰ চৰণত সপ্ৰেম ভক্তি বিৱৰ্দ্ধন কৰি, ঈশ্বৰ পুৰুষতে অনুগত চিত্ত কৰাই, বৈষ্ণৱ সঙ্গতে তেখেতক নিৰাপদে ৰক্ষা কৰিব লাগে। এয়ে মহাপ্ৰভুৰ চৰণত প্ৰাৰ্থনা।

"জয় ৰাম বোল, জয় হৰি বোল।"

৩। বৈষ্ণৱবৃন্দৰ প্ৰতি :—

বৈষ্ণৱবৃন্দৰ প্ৰতিও প্ৰভু যাদৱদেৱ সন্তুষ্ট হৈ কৃপাদৃষ্টি নিৰীক্ষণ কৰিব। সেই যাদৱ-সুকৃপাৰ দ্বাৰা আৰু গুৰু দেৱৰো সুদৃষ্টিৰ দ্বাৰাই সমূহ বৈষ্ণৱ সকলো অনিষ্ট নিবৰ্ত্তমান কৰি আয়ুস বৃদ্ধি কৰি অভীষ্ট সিদ্ধি কৰি গ্ৰহাদি দোষকো দুৰৈতে নিবৃত্তি কৰি পিত্ৰাদি সকলকো মুক্তিভাগী কৰি, ঈশ্বৰ দেৱতাৰ চৰণত সপ্ৰেম ভক্তি বিৱৰ্দ্ধন কৰি; যাৰ যি সেৱা সেই সেৱাতো নিপুণ কৰি পৰস্পৰে প্ৰীতি নিবন্ধন কৰি, শ্ৰৱণ কীৰ্ত্তনাদি কৰিব পৰা সমৰ্থবান কৰি, ত্ৰিতাপৰ ভাগী নকৰি গুৰুদেৱৰ সুকৃপা বৰ্ষণ কৰি, শ্ৰৱণ কীৰ্ত্তণ কৰাৰো ফলভাগী কৰি সকলোকে প্ৰভু যাদৱৰায়ে নিৰাপদে ৰক্ষা কৰিব লাগে। এয়ে মহাপুৰুষৰ চৰণত প্ৰাৰ্থনা।

"জয় ৰাম বোল জয় হৰি বোল"

৪। ৰাজ্যৰ অৰ্থে :—

বিশ্বৱাসী প্ৰজা আৰু যাদৱৰাইৰ গ্ৰামী নাগৰী শিষ্য-শৰণীয়া সকলোৱে সমন্বিধ মহাপ্ৰভু শ্ৰীশ্ৰী যাদৱৰায়ৰ চৰণত প্ৰাৰ্থনা কৰা হৈছে :—পৰমেশ্বৰ যাদৱদেৱ সুপ্ৰসন্ন হৈ কৃপাদৃষ্টি নিৰীক্ষণ কৰিব। সেই যাদৱদেৱৰ সুকৃপাৰ দ্বাৰাই সকলোৱে আয়ুস বৃদ্ধি কৰি, অভীষ্ট সিদ্ধি কৰি, একো বিপদৰ ভাগী নকৰি, গ্ৰহাদি দোষকো দুৰৈতে নিবাকৰণ কৰি, ধন-ধান্য, গো-মহিষ প্ৰভু-ভাৰ্য্যাদি সমন্বিতে অধিকাধিক বৃদ্ধি কৰি সুখশান্তি যুক্ত কৰাই আৰু ৰাজ-কৰ্মীসকলকো ৰাজকাৰ্যত জয়যুক্ত কৰাই বিশ্বৱাসী প্ৰজা সমূহক মহাপ্ৰভু যাদৱৰায়ে সৰ্ব্বতো-ভাবে সুমঙ্গলে ৰাখক।

"জয় ৰাম বোল জয় হৰি বোল"

৫। গুৰুদেৱসকলৰ তিৰোভাৱ তিথিত :—

গুৰুদেৱসকলৰ তিৰোভাৱ-তিথিত।

ভাল দেৱসকল প্ৰাৰ্থনা কৰিব লাগে :—আজি বৈকুণ্ঠগামী (অমুক) গুৰুদেৱৰ তিৰোভাৱ মহোৎসৱৰ বাবে শ্ৰাদ্ধ-পিণ্ডাদি প্ৰদান কৰিছে। তদুপলক্ষে শ্ৰীশ্ৰী যাদৱ ৰাইৰ পৰম মঙ্গলময় নাম একেষাৰ কীৰ্ত্তন কৰা হৈছে। এৱং গায়ন-বায়ন, নৃত্য গীতাদি মাঙ্গলিক কাৰ্য্যও কৰা হৈছে। এই সকলো কৰ্ম্মৰ দ্বাৰা গুৰুদেৱ অক্ষয়ৰূপে তৃপ্তিক লভ্যমান হৈ প্ৰভু গোলোক নাথৰ পাৰিষদাদি তনুপ্ৰাপ্ত হৈ ৰহিব। তৈতে থাকি ঈশ্বৰ পুৰুষৰ প্ৰতি কৃপা নিৰীক্ষণ কৰিব। গুৰুদেৱৰ সুকৃপা দ্বাৰা ঈশ্বৰ পুৰুষৰ আয়ুবৃদ্ধি কৰি বৈষ্ণৱবৃন্দক প্ৰতিপালন কৰিবলৈ সমৰ্থবান কৰিব লাগে, এই প্ৰাৰ্থনা।

পুনশ্চ, পূৰ্ব্বীয় গুৰুদেৱ সকলৰ সম্বন্ধিও প্ৰাৰ্থনা কৰা হৈছে। এজনাৰ মহোৎসৱ হৈছে, এনে নহয়। এজনা গুৰুদেৱৰ মহোৎসৱ হলেই সকলো গুৰুদেৱৰেই মহোৎসৱ হয়—যি হেতু দশ প্ৰচেতাসদৃশ স্বধৰ্ম্মা, এই নিমিত্তে অপৰ গুৰুদেৱসকলৰ গোলক নাথৰ গুণানু-কীৰ্ত্তনৰ দ্বাৰা অক্ষয় ৰূপে তৃপ্তিক লভ্যমান হৈ বিষ্ণুৰ পাৰিষদী অনুপ্ৰাপ্ত হৈ ভজনানন্দেৰে আনন্দিত হৈ ৰহিব। তৈত থাকি ঈশ্বৰ পুৰুষৰ প্ৰতি কৃপা দৃষ্টি নিৰীক্ষণ কৰি বৈষ্ণৱ-সকলক প্ৰতিপালন কৰিবলৈ শক্তিবৃদ্ধি প্ৰদান কৰিব লাগে—এই যে যাদৱৰায়ৰ চৰণত প্ৰাৰ্থনা।

"জয় ৰাম বোল জয় হৰি বোল"

তৃতীয় পটল

সত্ৰৰ বিস্তৃত; শাখা-সত্ৰ

মাজুলীত থকা মূল সত্ৰৰ দ্বাৰাই স্থাপিত আৰু পৰিচালিত সত্ৰৰ শাখা একোখন অসমৰ প্ৰায় সকলো ঠাইতে আছে। সেই সত্ৰবিলাকৰ বাৎসৰিক উৎসৱাদিৰ খৰচ বহন আৰু সকলো ধৰ্ম্মকৃত্য নিয়ন্ত্ৰণ কৰা হয় মূল সত্ৰৰ দ্বাৰা। শিষ্যসকলক শৰণ দিয়া, স্থানীয় ৰাইজৰ মাজত নৈতিক শিক্ষা আৰু বেদাচাৰ প্ৰচলন কৰা, সনাতন ভাগৱতী ধৰ্ম্মাচৰণ শাসন-অনুশাসন কৰা —এই বিলাকেই শাখাসত্ৰবিলাকৰ কাম। এহেলৈ, সেই সত্ৰসমূহৰ অন্তৰ্গত খাত-পাম, দল-দেৱালয়, নামঘৰ, মঠ-মন্দিৰ, ৰজাৰ কৰ আৰু দেৱোত্তৰ-ব্ৰহ্মোত্তৰ মাটি আদিৰ সকলো তত্ত্বাৱধান আৰু দায়িত্ববহনৰ গৰাকী মূলসত্ৰয়েই।

*১। শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ।

২। গৃহস্থী দক্ষিণপাট সত্ৰ।

১। দক্ষিণপাট —মূল।

২। দক্ষিণপাট (গৃহস্থী)। মাজুলী।

৩। মুৰ্চিদাবাদ সত্ৰ। মুৰ্চিদাবাদ।

শ্ৰীশ্ৰী'বনমালীদেৱ শ্ৰীক্ষেত্ৰৰপৰা উভতি আহোঁতে গঙ্গাৰ তীৰত এই খন সত্ৰ পাতি, তাতে ৰাধা গোপীনাথ বিগ্ৰহ স্থাপন কৰি আহে। সেই সত্ৰ প্ৰতিপালন কৰি বিগ্ৰহৰ পূজাদি কাৰ্য্য চলাই থাকিবৰ নিমিত্তে এজন ব্ৰাহ্মণ নিযুক্ত কৰে। কিছু দিনৰ পিচত, সত্ৰৰ অৱস্থা শোচনীয় হোৱাত বিগ্ৰহ খনি নি তাৰ সমীপতে থকা "ৰামচা বাবাজীৰ" আখৰাত শোধাই দিয়া হয়। কিন্তু তাৰ পূজা সেৱাৰ নিমিত্তে মূল সত্ৰই অদ্য পৰিমিত খৰচাদি পঠিয়াই থাকে। পশ্চিম বঙ্গৰ জীয়াগঞ্জ ডাক ঘৰৰ অন্তৰ্গত এই সত্ৰ।

৪। মাজদিয়া সত্ৰ। কামৰূপ।

নামনি অসমৰ শিষ্য-শৰণীয়া সকলৰ সন্তোষাৰ্থে 'বনমালীদেৱ গোসাঞে নলবাৰীৰপৰা এমাইলমান আঁতৰত থকা মাজদিয়া গাবঁত এখনি সত্ৰ পাতে তাতে এজন মেধি নিযুক্ত কৰি তেওঁকে অঞ্চলীয়াও পাতি থৈ আহে। সত্ৰখন যদিও বনমালীদেৱেই পতা, বনমালীদেৱৰ সত্ৰৰ লগত বৰ্ত্তমান একো সম্পৰ্ক নাই। দক্ষিণ পাট শব্দ নামটোৱে হে মাথোন দক্ষিণপাটৰ পুৰণি সমন্ধটো ৰক্ষা কৰি থৈছে।

৫। টকোবাৰী সত্ৰ গুৱাহাটী।

প্ৰভু বনমালীদেৱ কোচবেহাৰৰপৰা আহি লাখটকীয়াত অৱস্থান কৰোতে বুঢ়া ৰজাৰ পুতেকে ভেলাই দূৰৱাৰ হতুৱাই এই সত্ৰ পতায়। ইয়াৰ অৱস্থিতি বৰ্ত্তমান গুৱাহাটী নগৰৰ দক্ষিণ-পশ্চিমে। কোচ ৰজাৰ মহীধৰ নাৰায়ণে (দৰঙ্গী ফৈদ) পোন প্ৰথমেই সত্ৰখন উত্তৰ গুৱাহাটীৰ পৰীক্ষিত নগৰৰ ওচৰত পতাই লৈছিল। তাৰ পিছত দক্ষিণপাৰলৈ আহিল। দেশ বিভ্ৰাটৰ সময়ত, উগ্ৰতাৰা, ভৰলুমুখ আদি কেইবা ঠাইলৈও লৰাই নিয়াৰ পাচত এতিয়া য'ত সত্ৰ আছে সেই ঠাইতে কেপ্টেইন জেন্‌কিন্‌ছ কমিছনাৰে কিছুমাটি নিষ্পিখেৰাজকৈ দিয়ে'। ইয়াত স্থাপিত মূৰ্ত্তি ৰাধাকৃষ্ণ। বেলতলা মৌজাৰ বোন্দা খাতৰ লাখেৰাজ মাটিৰ আয়ৰ দ্বাৰায়েই ইয়াৰ পূজা সেৱা চলোৱা আৰু তিথি-মহোৎসৱ পতাৰ সৰহ ভাগ খৰচ বহন কৰা হয়।

৬। 'দেৱৰ সত্ৰ। নগাওঁ।

জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ আজ্ঞা অনুসৰি বণিয়া কাকতীৰ নৃসিংহ, খাউণ্ডৰ যদু আৰু কায়স্থ খাউণ্ড এজন আৰু নাওবৈচা ফুকন গঙ্গাৰৱে প্ৰভু 'বনমালীদেৱ গোসাঁঞক আনি পোনেই, এতিয়া য'ত সত্ৰ আছে তাতে ৰাখেহি। সেই ঠাইতে প্ৰভুৱে সত্ৰও পাতে। অসম-ৰজাৰ ৰাজ্যত বনমালীদেৱে পতা এইখনেই প্ৰথম থান। ইয়াত জয়ে-জয়ে নৃসিংহ আৰু বাসুদেৱ মূৰ্ত্তি প্ৰতিষ্ঠা কৰা হৈছিল। পাচত, নৃসিংহ মূৰ্ত্তিৰ বেদী সুকীয়া কৰা হল। প্ৰভুৰ নিজা নামেই সত্ৰখন স্থাপন কৰা বাবে সত্ৰৰ নাম ৰজাই "দেৱৰ সত্ৰ" দিলে আৰু বহুত মাটিবৃত্তি উচৰ্গা কৰি সত্ৰৰ মৰ্যাদা বৃদ্ধি কৰিলে। জয়ধ্বজৰ পাচত মহাৰাজ ৰুদ্ৰসিংহয়ো পূজাসেৱা, নাম কীৰ্ত্তন আৰু বেদাচাৰবিহিত ক্ৰিয়াকাণ্ডৰ প্ৰসাৰাৰ্থে ৰজাবাহৰ নামে এখনি খাত সত্ৰলৈ উৎসৰ্গা কৰি দিয়ে। ১৮৫৩ চনত, কেপ্টেইন বটলাৰ চাহাবে তাৰে বহুত মাটি কাটিকুটি তেতিয়াৰ সত্ৰাধিকাৰ 'বাসুদেৱ গোস্বামীৰ নামত ২১৬ বিঘা মাটি মাত্ৰ ৰাখেগৈ।

* দক্ষিণপাটৰ দৌল :—"স্বৰ্গদেৱ প্ৰমত্তসিংহই ১৬৭২ শকত দক্ষিণপাট সত্ৰত দৌল বন্ধাই দিয়ে :—বেঢ় ১২০ হাত, ওখৰপৰা খুৰাপাট মুধলৈ ১৫ হাত, চুকে ৯ হাত, বাৰে ডাঠে ৭ হাত, মুধৰপৰা ঘটলৈ ২৭ হাত, তাৰেপৰা চুলালৈ ১৩ হাত, গহবৰৰপৰা তলে ১৭ হাত, ওখ শূন্য ৩৭ হাত" (এতিয়া এই দৌল নাই)। চিৰিংফুকনৰ বুৰঞ্জী—শ্ৰীভুবন চন্দ্ৰ সন্দিকৈ সম্পাদিত।




ফুলবাৰী ব্ৰহ্মচাৰী সত্ৰাধিকাৰ শ্ৰীশ্ৰীগোপালচন্দ্ৰ দেৱ গোস্বামী



শ্ৰীশিশুৰাম দত্ত বৰ কাকতী



শ্ৰীযজ্ঞেশ্বৰ বৰ কাকতী



শ্ৰীসৰুৰাম কাকতী

'দেৰসত্ৰৰ দোল।

১৬৮৬ শকত, খামচেঙ্গা দ'লবন্ধা ৰাজমন্ত্ৰীৰ আদেশত কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই বাসুদেৱ দোল বন্ধাই দিয়ে আৰু বৰবৰুৱাৰ আত্মীয় চটায়লীয়া বৰগোহাঁই ৰাজমন্ত্ৰীয়ে নৃসিংহ দেৱালয় আৰু শিলৰ মঠ কৰাই দিয়ে। সত্ৰৰ মাজত দোল আৰু চৌপাশে জুৰীয়া গড আৰু গছগছনিৰে ঢাক খাই থকাত সত্ৰখন এতিয়াও গহীন আশ্ৰম যেন হৈ আছে।

'দেৰৰ সত্ৰৰ নৃসিংহ মূৰ্ত্তি জনা জাগ্ৰত বুলি ওচৰ-সমীপৰ মানুহৰ বিশ্বাস আছে। এতিয়াও কাৰোবাৰ ঘৰত কিবা এটা বিঘিনি হলেই বা সঁচা-মিছা প্ৰমাণ কৰিব লাগিলেই, নাইবা বাঞ্ছা সিদ্ধি হবলৈকে নৃসিংহ মূৰ্ত্তিলৈ আগভাগ কৰি পূজাপাটল কৰিলেই আপদ-বিপদৰ হাত সাৰে অৰু মনৰ বাঞ্ছাও সিদ্ধি হয়।

সত্ৰৰ মাটিতে কলিয়াবৰ হাইস্কুল-প্ৰাঙ্গন।

৭। মথুৰাপুৰ সত্ৰ; নগাওঁ

"নগাওঁ জিলাৰ ভিতৰতে মথুৰাপুৰ এখন অন্যতম সত্ৰ। এই সত্ৰও জয়ধ্বজ সিংহ মহাৰজাই বনমালী দেৱক পতাই দিয়ায়।" আজিকালি ইয়াত বিগ্ৰহ এখনেসৈতে নামঘৰ-মণিকূট মাত্ৰ আছে। ব্ৰাহ্মণ পূজাৰী এজনৰ দ্বাৰাই মহাপ্ৰভুৰ স্নানপূজাদি চলাই থকা হয়।

৮। কলাবাৰীসত্ৰ। দৰং।

শ্ৰীশ্ৰী ' বনমালী দেৱৰ জন্মস্থান কলাবাৰীত প্ৰভুৱে নিজে এই সত্ৰ স্থাপন কৰে। চুলিকফা বা লৰা ৰজা (চক্ৰধ্বজ সিংহ) ৰজা হোৱাৰ পাচৰপৰা হে ইয়াৰ জেউতি চৰে আৰু কেউঁপিনে বনমালী দেৱৰ অলৌকিক মাহাত্ম্য ঘোষিত হয়। সত্ৰখনৰ প্ৰতি চক্ৰধ্বজ সিংহৰ অনুগ্ৰহ আৰু পৃষ্ঠপোষকতাও লেখত লব লগীয়া। চক্ৰধ্বজে মূল সত্ৰত বৈকুণ্ঠনাথ মূৰ্ত্তি স্থাপন কৰাই দিয়াৰ পিচত বনমালীদেৱৰ ইচ্ছাক্ৰমে কলাবাৰীত চতুৰ্ভুজ বাসুদেৱ মূৰ্ত্তি প্ৰতিষ্ঠা কৰায় আৰু সেই মূৰ্ত্তিৰ পূজা সেৱা চলি থাকিবৰ নিমিত্তে ভূমি আৰু পাইক-সেৱাইত উৎসৰ্গা কৰে। কলাবাৰী সত্ৰখন বৰ বিতোপনকৈ পতা। চাৰিউপিনে যুৰীয়া ঢাপ, সোঁমাজতে মন্দিৰ (দোল) আৰু পুখুৰী। মন্দিৰৰ চৌপাশে ভকতসকলৰ হাটীও আছিল। পাৰতে দোল এটি ভাগি পৰি আছে। সেইটিকে লৰাৰজাই নিৰ্ম্মাণ কৰাইছিল বুলি কিম্বদন্তী চলি আছে।

এইখন সত্ৰতো, ১৬৮০ শকত ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ তত্ত্বাৱধানত এটি দোল নিৰ্ম্মাণ কৰায়। দৰং জিলাৰ ভিতৰত এইটিয়েই ডাঙৰ দোল। দলৰ ভেঁটি ১৮ হাত, ওখ ৪২ হাত, পেট অৰ্থাৎ মাজ ডোখৰ ১৯ হাত, খুৰাপাটৰপৰা ওপৰলৈ ১০ হাত। বাৰে ডাঠ তিনি হাত। ইটাবোৰ চেপেটা আৰু চিকচিকীয়া। দোলটিয়েই বনমালী দেৱৰ নাম স্মৰণীয়কৈ থৈছে।

ইয়াৰ সীমাঃ পূবে বিৰাজান পশ্চিমে বিলতীয়া পথাৰ, উত্তৰে বিলতীয়া বাউলী, দক্ষিণে খাৰৈ—সীমাৰ ভিতৰৰ মাটিকালি ঃ- ২৯৯ পুৰা, ২ কঠা, ৫ লোচা।

কলাবাৰী সত্ৰৰ আধ্যাত্মিক প্ৰভাৱ ঃ

> ঢোল বায় কত ?—ৰতনপুৰত।
> খোলবায় কত ? ৰতনপুৰত।
> কাউৰীয়ে কলকলায়
> হেঁটুলুকাই তাল বায়
> বান্দৰী নচুবায় —কলাবাৰী গোসাঁই ঘৰত।

৯। গোপালপুৰ সত্ৰ।

বৈকুণ্ঠপুৰ বা মূল দক্ষিণপাট সত্ৰত প্ৰায়ে পানীৰ উপদ্ৰৱ হৈছিল। ৰজাৰ ইচ্ছামতে তালৈ অহাযোৱা কৰা অসুবিধা হয়। সেই দেখি, চক্ৰধ্বজ সিংহই গোপালপুৰতো এখন সত্ৰ পতাই দিয়ায়। 'বনমালী দেৱে ইয়াতে প্ৰায়েই ৰথযাত্ৰা উৎসৱ পালন কৰিছিল। ইও চাৰি-হাটী চাৰি ঢাপেৰে আবৃত। সত্ৰৰ উপাস্য বিগ্ৰহজনাৰ নাম বংশীবদন বা গোপাল। গোপালৰ নামানুসাৰেই সত্ৰৰ নাম গোপালপুৰ। ইয়াতো ৰাজপ্ৰদত্ত দেৱোত্তৰ মাটি আছে।

১০। বালিপৰা সত্ৰ, উত্তৰ দৰং।

বাসুদেৱ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি বালিপৰীয়া ৰাইজৰ মাজত ভাগৱতী ধৰ্ম্ম বিলাবৰ অৰ্থে শ্ৰীশ্ৰী ' কামদেৱ গোসাঞে বালিপৰাত সত্ৰ পাতে আৰু ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দেৱোত্তৰ ভূমি দান কৰি সত্ৰৰ অৱস্থা গপগপীয়া কৰে। সেই ভূমিৰ উৎপন্নৰপৰাই সত্ৰ প্ৰতিপালিত হয়।

১১। দিপোটা: উত্তৰ দৰং।

এই খন সত্ৰ লক্ষ্মী সিংহ সৰ্গদেৱৰ দিনত শ্ৰীশ্ৰী ' সহদেৱ গোসাঞে পাতে। ইয়াত চতুৰ্ভুজ বাসুদেৱ মূৰ্ত্তি আছে। ' বাসুদেৱ পূজা সেৱাৰ নিমিত্তে লক্ষ্মী সিংহ ৰজাই ভালে-মান মাটি আৰু পাইক দান কৰে। তেজপুৰৰপৰা উত্তৰে ৫ মাইল দূৰৈত এই সত্ৰ অৱস্থিত।

১২। দক্ষিণপাট বা কচাৰী সত্ৰ; নগাওঁ।

কচাৰী ৰজা কৃষ্ণচন্দ্ৰই শ্ৰীশ্ৰী ৺বিষ্ণুদেৱ গোস্বামীক গুৰু ভজি, দীক্ষা মন্ত্ৰ লৈ কলঙৰ পাৰত এই খনি সত্ৰ বহুৱায়। কচাৰী ৰজাৰ দ্বাৰাই প্ৰতিষ্ঠিত গুণে সদৌৱে ইয়াক কচাৰী সত্ৰ বোলে। খুঁটাকান, বামুণী, ভেবভেৰী আৰু চৰাইহাগী—এই কেউখন খাত কচাৰী ৰজায়েই দিয়া। এই বিলাকৰ উৎপন্নৰ দ্বাৰাই সত্ৰ প্ৰতিপালিত হয়। আজিকালি কচাৰী সত্ৰ নাম নাই—দক্ষিণপাট সত্ৰ বুলি হে প্ৰখ্যাত।

১৩। জাঁতকৰা সত্ৰ মাজুলী। শাকবাৰী।


জাঁতকৰা, শাকবাৰী, তামোলবাৰী প্ৰভৃতি ভালেমান সত্ৰ ৺বনমালী দেৱে প্ৰবাস খাটোঁতেই স্থাপিত হৈছিল। দিখৌ ব্ৰহমপুত্ৰই খহাই নিয়াত সেইবিলাকৰ চিন-চাব নাইকিয়া হল। জাঁতকৰা সত্ৰখন প্ৰভু শ্ৰীশ্ৰী ৺বংশী গোপাল দেৱ থকা জ'টীয়াবাঙৰ ওচৰতে আছিল। ৺দেৱ-সত্ৰৰ পৰা গোসাঁঞি বনমালীয়ে পোনেই এই ঠাইলৈকে বাসস্থান লৰায়।

১৪। শদিয়াৰ সত্ৰ।

চিংফৌ-খাম্‌তি আৰু শদিয়াত থকা অন্যান্য লোকৰ সদগতিৰ অৰ্থে প্ৰভু ৺কামদেৱে শদিয়া চহৰত এই সত্ৰ পাতিছিল। সত্ৰৰ নামত ৰজাই উছৰ্গা বহুত দেৱোত্তৰ মাটিও আছিল। চাৰিগৰ মাৰি, গড়ৰ মণিকূট-নামঘৰ সজোৱা হৈছিল। ৺কামদেৱ গোসাঁইৰ দিনৰপৰাই দক্ষিণ-পাটীয় গোসাঁঞি বা গোসাঁঞিৰ প্ৰতিনিধি গৈ এতিয়াও পৰ্ব্বতীয়া বাসীন্দাসকলক শৰণ-ভজন দিয়েগৈ; দক্ষিণপাট সত্ৰৰ লগত পৰ্ব্বতীয়াসকলৰ গুৰু-শিষ্য সম্বন্ধ অতিশয় কটকটীয়া। শদিয়ালৈ সত্ৰৰপৰা কোনো নগলে এতিয়াও খাম্‌তিবিলাক আহি মাজুলীতে সাষ্টাঙ্গে প্ৰণাম কৰি শৰণ লৈ যায়হি।

উল্লিখিত শাখাসত্ৰসমূহৰ উপৰিও দক্ষিণপাট সত্ৰই নিৰ্ম্মালি দি পতা সত্ৰও খনদিয়েক আছে। দক্ষিণপাটীয় অধিকাৰ গোস্বামীয়েই ৺মহীধৰ দেৱ গোস্বামীক নিৰ্ম্মালি দি পতা সত্ৰ নাৰায়ণপুৰৰ ফুলবাৰী বা ব্ৰহ্মচাৰী সত্ৰ। ইয়াৰ বাহিৰেও নিৰ্ম্মালি পোৱা সত্ৰ ঔগুৰিখন এতিয়াও চলি আছে।







তৃতীয় খণ্ড

প্ৰথম পটল

(১)

মহাভাগৱত শ্ৰীশ্ৰী°বনমালীদেৱ

১৪৯৮—১৬০৫ শকাব্দ

পূৰ্ব্বপুৰুষ।

কানাকুব্জাগত বেদজ্ঞ দ্বিজবৰ সদ্‌গঙ্গাদত্তৰ পৰাশৰ গোত্ৰসম্ভূত প্ৰভু শ্ৰীশ্ৰী° বনমালীদেৱ। যথাক্ৰমে সদ্গঙ্গাদত্তৰ বীৰদত্ত, সোমদত্ত, আদি পুত্ৰ-পৌত্ৰাদি জন্ম গ্ৰহণ কৰাৰ পিচত, নিষ্ঠাবান সন্ত দশৰথৰ জন্ম হয়। লৌহিত্যৰ উত্তৰকূলে "শৎস্যো-মৎস্যো অনুপাম, কম্ভাবাৰী নামে গ্ৰামত" অৰ্থাৎ বৰ্ত্তমান দৰং জিলাৰ কলাবাৰী অঞ্চলত সেই দশৰথে বহু ঠাই ভ্ৰমি-ভ্ৰমি বাসস্থান বাছি লয়হি। দশৰথৰ দুই পুত্ৰ, প্ৰথম বনাইদেৱ, দ্বিতীয় যদুদেৱ। যদুদেৱৰ দুগৰাকী ভাৰ্য্যা। প্ৰথমা গৰাকী গভীৰ জ্ঞান-বি[illegible]ত-পাৰ্গত আৰু ভাৰতী উপাধিধাৰী মহীন্দ্ৰ কন্দলিৰ কন্যা মাধৱীপ্ৰিয়া। বুঢ়াবজা প্ৰতাপসিংহ স্বৰ্গদেৱে মহীন্দ্ৰক কটকী পাতি বিদেশলৈও পঠিয়াইছিল।

যদুদেৱ-মাধৱীপ্ৰিয়াহঁতে ১৪৯৮ শকত মাঘমহীয়া মূলানক্ষত্ৰযুক্ত বুধবাৰ এটাৰ ব্ৰহ্ম মুহূৰ্ত্তত বনমালীদেৱ কম্ভাবাৰীত ভূমিষ্ঠ হয়। জন্মৰ পিচত, জাতকৰ্ম্মাদি সমাপন কৰাই দৈৱজ্ঞ ব্ৰাহ্মণৰ হতুৱাই সোৱৰ্ণী কৰাওঁতে 'দেৱৰ নামৰ আদ্যাক্ষৰটো শ বহিল। কিন্তু ব আদ্যাক্ষৰযুক্ত বনমালী নামটো হে সকলোৰে মাজত প্ৰখ্যাত হৈ থাকিল।

লৰাকালতে প্ৰতিমা-প্ৰীতি।

যি মুলা বাঢ়িব, দুপতীয়াতেই চিন। বনমালী যে আগলৈ সুবিমল ধৰ্ম্মৰ জেউতি চৰাওঁতা আৰু আধ্যাত্মিক-প্ৰতীক হ'বগৈ, সেই চিন লৰাকলীয়া আচৰণতে প্ৰকাশ পাইছিল। ধৰ্ম্মবিশ্বাস, নিষ্ঠা আৰু সংযম °দেৱৰ লগতেই যেন লাগি আহিছিল। মাকে মৰমতে কিবা এটি খাবলৈ দিলে বনমালীয়ে স্নান নকৰাকৈ সেই বস্তু মুখতে নিদিয়ে। মাটিৰে প্ৰতিমা সাজি সেই প্ৰতিমাৰ আগত ভোগ-প্ৰসাদ অৰ্পণ কৰি হে ভোজনলৈ যায়।

ৰত্নাৱলী শ্ৰৱণ।

যদুদেৱৰ ঘৰত মুকুন্দ নামে শুদ্ধাচাৰী নৈষ্ঠিক ব্ৰাহ্মণ এজনে সদায় ৰত্নাৱলী পুথি খনি পাঠ কৰিছিল। পাঠৰ সময়ত বালক বনমালীয়ে একান্ত মনে পুথিপঢ়া শুনি থাকে আৰু পাঠ শেষ হলেই থুনুকথানাক মাতেৰে শুনা কথাখিনি সকলোৰে আগত মাতি শুনায়হি। শুনি, সকলোৰে আচৰিত মানে।

শ্ৰীশ্ৰী° বংশীগোপাল দেৱ।

সেই সময়ত 'জটীয়াবাঙৰ ওচৰত, কলাবাৰীৰ দক্ষিণে অলপ আঁতৰলৈ আধুলীয়া গাৱঁত শাণ্ডিল্য গোত্ৰৰ হৰিবৰ আচাৰ্য্যৰ নাতি এগৰাকী আছিল। সেই হৰিবৰ পূৰ্ব্বে ব্যাঘ্ৰাপিণ্ড [illegible]ৰপৰা অহা। তেওঁৰ নাতিয়েকে প্ৰত্যহ নৱধা ভগৱদ্ভক্তি আচৰি ধৰ্ম্ম বিতৰণ কৰিছিল। সেই জনৰ আজ্ঞা শিৰত লৈয়ে পৰৱৰ্ত্তী কালত ৪৫ জন মেধিয়ে ৪৫ খন ধৰ্ম্মাশ্ৰম পাতি উজনি অসম খনৰ এছোৱা হৰিনামৰ ধ্বনিৰে মুখৰিত কৰাই হৰিনামৰ বস বোৱায় আৰু খেলিমেলি হৈ থকা বাৰবেৰেজেয়ী মানুহবিলাকক এক পংক্তিলৈ আনি সমাজ-বান্ধনীত এক ৰৈ পেলায়। এই জনা ধৰ্ম্ম গুৰুৰেই আছিল প্ৰভু °দেৱ দামোদৰৰ একান্ত অনুবৰ্ত্তী বৈষ্ণৱাচাৰ্য্য প্ৰভু শ্ৰীশ্ৰী বংশীগোপালদেৱ। 'গোপালৰ তাত নিতৌ ভাগৱত পাঠ হয় আৰু এই সকল ভক্তয়েই দৈনিক সেই ভাগৱত পাঠত বহে—ৰামদেৱ, কন্দলী, মিশ্ৰদেৱ, যদুমনি দাস, কামদেৱ, কৃষ্ণৰাম, লোমা বনমালীকে মুখ্য কৰি মোহন, মুকুন্দ, কৃষ্ণচৰণ, কৰুণা, নিত্যানন্দ, মধুহৰি, নিৰঞ্জনদেৱ প্ৰভৃতি অনেক।

বংশীগোপাল বা দেৱগোপালৰ আশ্ৰমত।

এই ঠাইতেই সম্ভৱতঃ সোৱাণিত মুকুন্দদেৱে বনমালীৰ অদ্ভুত স্মৰণ শক্তিৰ কথা বংশী গোপাল দেৱক জনালেগৈ, বোলে, "মাধৱীপ্ৰিয়াৰ নুমলীয়া পুতেক বনমালীৰ আচৰিত স্মৃতিশক্তি দেখি তবধ মানিছোঁ। আমি ভাগৱত পাঠ কৰি থাকোতে, লৰাটিয়ে সকলো কথা শুনি থাকেহি আৰু ভাগৱত সামৰিলেই শুনা শ্লোকবিলাক তদ্ৰূপ পুনৰাবৃত্তি কৰেহি। এনে অদ্ভুত মেধাশক্তিসম্পন্ন, অমায়িক, শ্ৰুতিধৰ লৰা কতো দেখা নাই।" দেৱ গোপালে

শ্ৰুতিধৰী শক্তি প্ৰকাশ।

ছবছৰীয়া বনমালীক মতাই অনাই চালত, দেখিলে শুনা কথা সম্পূৰ্ণ সঁচা—তিল-তৰ্জ্জুৰ অলপো হেৰফেৰ নাই। গোপালৰ তাত মিশ্ৰদেৱে ভাগৱত ব্যাখ্যা কৰে। বনমালীয়ে শুনি

থাকে। পাঠ শেষ হলেই বনমালীয়ে আথৰ এটিও ভুল নোহোৱাকৈ সেই পাঠ মুখে-মুখে গাই দিয়েহি। দেৱৰ স্মৃতিশক্তি দেখি পশুৰাম-হৰিচৰণ আদি দেৱগোপালৰ ভক্তই

"মনত বোলন্ত সবে, কিনো অদ্ভুত
নতু দেখি নতু শুনি বালক ইমত।
ছয় বৎসৰৰ শিশু কহে ভাগৱত
ইহান হৃদয়ে হৰি ভৈলন্ত বেকত।"

দেৱগোপালে বনমালীক লগত ৰাখিবলৈ মন কৰি মাকক লৰাটি খুজিলে। মাকৰ তেওঁয়ো সেইটিয়েই মাথোন একোটি সন্তান, কোন সতে লগৰপৰা এৰুৱাই পঠিয়ায়? তথাপি ধৰ্ম্মশীল পুৰুষ জনাৰ ইচ্ছাৰ প্ৰতিকূলে যাব নোৱাৰি মাকে গোপালৰ হাততে লৰাটিক সমৰ্পি দিলে। গোপালে শিশু বনমালীক আনি ছোটবনমালী নাম দি আতোলতোলকৈ লগতে ৰাখিলে।* বনমালী যে দেৱতুল্য পুৰুষ তাৰ চিন দেৱগোপালে দেৱৰ কথায়-বতৰায়, আচৰণে-বিচৰণে প্ৰমাণ পাই আছিল। আশ্ৰমবাসী ভক্তসকলৰ ভিতৰত অন্যতম পুৰুষ শ্ৰীশ্ৰী নিৰঞ্জনদেৱৰ প্ৰভু অ উনীআটীয় সত্ৰৰ ধৰ্ম্ম গাদীৰ প্ৰথম অধিকাৰী হোৱাৰ ভালেমান বছৰৰ পাচত, যি গৰাকী সাগ্নিক সত্যব্ৰত ব্ৰাহ্মণ সেই সত্ৰৰেই ধৰ্ম্মগুৰু হৈছিল সেই গৰাকী প্ৰভু শ্ৰীশ্ৰী দত্তদেৱৰ গোসাই ঈশ্বৰে বনমালীদেৱৰ অলৌকিক তেজস্বিতাৰ বিষয়ে এই বুলি লিপিবদ্ধ কৰিছে:-

"বনমালী সামান্য পুৰুষ নহয়। কোনো এজন যোগভ্ৰষ্ট পুৰুষ আহি হে জন্ম ধৰিছিল। পূৰ্ব্ব জন্মৰ সংস্কাৰৰ ফলত হে এই বিদ্যা আৰু বুদ্ধি। এওঁ যে মহা তেজস্বী মহন্ত হবগৈ বাল্যকালতে চিনি পৰা হৈছিল।"

নামঘৰত ভাগৱত শুনা আৰু নামকীৰ্ত্তনত বহি নামগোৱা কৰ্ম্মই আছিল প্ৰথমতে বনমালীৰ নিৰ্দ্দিষ্ট কৰ্ত্তব্য। বংশীগোপালেই বনমালীক লগুণ দি ভাগৱত শাস্ত্ৰত ব্যুৎপত্তি লাভ কৰোৱায়। গোপালৰ লগতে থাকি সন্ধ্যাপূজা, শাস্ত্ৰ অধ্যয়ন, ঈশ্বৰৰ গুণ কীৰ্ত্তন-বন্দন-ধ্যান —নিবেদন আদি সৰ্ব্বপ্ৰকাৰ ভক্তিৰ সাধনা কৰি বনমালী এগৰাকী সাধক পুৰুষ হৈ উঠিলগৈ।

ৰজাৰদ্বাৰাই বৈষ্ণৱ নিৰ্য্যাতন।

এনেতে, সৌমাৰ পৃষ্ঠত বৈষ্ণৱ-নিৰ্য্যাতনৰ ধুমুহা বলিবলৈ ধৰিলে। তেতিয়া সৌমাৰাধিপতি আছিল চুচেংফা বা বুদ্ধি স্বৰ্গনাৰায়ণ বা বুঢ়া ৰজা। এওঁকে প্ৰতাপ সিংহও বুলিছিল। চুডাংফা বা বামুণী কোঁৱৰৰ দিনৰপৰাই ৰজাৰ কাৰেঙৰ কোনো অংশত সালগ্ৰামৰ পূজা সেৱা চলিছিল যদিও কোনো এজন সৌমাৰেশ্বৰে তেতিয়ালৈকে প্ৰকাশ্যে হিন্দু ধৰ্ম্ম গ্ৰহণ কৰা নাছিল। সেই বুলি হিন্দু ধৰ্ম্মৰ প্ৰতি শ্ৰদ্ধা-ভক্তি নজনোৱাকৈ থকা নাছিল। প্ৰতাপ সিংহই দিখৌপাৰ, দেৰৰ গাওঁ আৰু বিশ্বনাথত একোটিকৈ মহেশ্বৰৰ দৌল নিৰ্ম্মাণ কৰাইছিল। ১৫০২ শকত নাগশংকৰতো চুচেনফাই এটি দৌল সজাইছিল। কোচবেহাৰৰ পৰা সোন্দৰ বা সুন্দৰ গোহাঁই ঘৰ্ষি অহাৰ পিচত, ৰজাঘৰীয়া আদেশক্ৰমেই নামদাঙৰ পাৰৰ ভটীয়াপাৰত মৃন্ময় মুৰ্ত্তি সাজি দশভূজা গোসানীৰো পূজা পতা হৈছিল। তথাপি, তেওঁৰ দিনতেই বৈষ্ণৱ-নিৰ্য্যাতন আৰম্ভ হল।

নিৰ্য্যাতনৰ কাৰণ।

এই সময়ত লুইতৰ উত্তৰপাৰ বাৰভূঞা ৰাজ্যৰ অন্তৰ্গত আছিল। তাত কেঁচাইখাতী গোসানী আৰু চণ্ডিকা দেৱীৰ পূজা পাতল প্ৰবল ভাবে চলি আছিল। বংশীগোপাল দেৱে ঠায়ে-ঠায়ে ধৰ্ম্মৰ হাট পাতি গোসাইঘৰ-নামঘৰ পাতিবলৈ ধৰাত বিস্তৰ লোকে শৰণ-ভজন লৈ প্ৰভুৰ আশ্ৰয়তে থাকিবলৈ লয়। ইতিমধ্যে, ৰজাই সোন্দৰ গোহাঁইক মৰক বুলি ফন্দীৰে কচাৰী ৰণলৈ পঠায়। তাতে ১৫২৪ শকত তেওঁৰ মৃত্যু হয়। মৃত্যুৰ বাৰ্তাৰ আহি নৌ পাওঁতেই টুটকীয়াই লগালে বোলে, ৰজাই যাক মৰাবলৈ বিচাৰি ফুৰিছে, তাক দেখোন কচাৰী ৰণলৈ যাবলৈ নিদি বংশীগোপালে আশ্ৰমত লুকুৱাই ৰাখিছে। সেই দৰেই অন্যান্য বৈষ্ণৱ মহন্তসকলৰ কথাও ৰজাৰ কাণত পিন্ধোৱা হল। সেই আপাহতে ৰজাৰ ধাৰণা হল যে বৈষ্ণৱসকলে ঠায়ে-ঠায়ে থান-সত্ৰ ধৰ্ম্মাশ্ৰম পাতি ৰাজৰোষত পৰা মানুহবোৰক হে আশ্ৰয় দিছে।

* বংশী গোপালৰ সত্ৰত ভালেমান শ্ৰৱণী ভকত আছিল :—

"বনমালী, বিপ্ৰ জয় হৰি, নিৰঞ্জন
লোমা বনমালী ৰামচৰণ দেউৰী"

ইয়াৰ ভিতৰৰে লোমাজনৰপৰা পৃথকাবলৈকে নে, চুটি-চাপৰ দেখিয়েই বংশী গোপালদেৱে মাধৱপ্ৰিয়াৰ পুতেকক চোটবনমালী নাম দিছিল, কব নোৱাৰি' পাচৰটোতকৈ আগৰটো হে যুক্তিসিদ্ধ যেন লাগে। বেঃ শঃ।

[illegible]

গুৰু
প্ৰভুবনমালি
ধ্বজৰাজা
ব্ৰাহ্মণ

[illegible]

ব্ৰাহ্মণ
বৈকুণ্ঠনাথ
দেৱবনমালি
গুৰু

মত্ত ॥ হরিদাতেরাগেঁ থাকে । প্রনাজনতনপাকে ॥ ১৮৩ ॥ সমদবাক্যবিধি । প্রেমমত্তেনমিদ্ধি ॥ নমোনমো
জগন্নাথ । চরনতথেমাদাথ ॥ ১৮৪ ॥ নদোরুদিরাকথাদি । কবাক্যপাত্রতম্রাদি ॥ জাদরাকাঠিতধবি । বোল
মাবেহবিহবি ॥ ১৮৫ ॥ ০ ॥ দোলাও ॥ জগধুজনাদ শ্রপস্বন্যাদ হরিতজমহাদাতি । তারপাকেধুতপর

বী
২৩

।ইনতুবাবি মরনকতত্তিবিনা ॥ ॥ দদস্তেবাহিনা ধ্রুত্র
বেরেগমা প্রনিপাতদুস্তেনন্ত । মাদিবাকনাধি কাবি
নত্তমন: গোনাথিবনমালি মত্ত ॥ প্রাণনাথবারণ :
বাজাবনিকারন: দেবক্রুমাদিতেন । দাক্রনুবতাধী: জানে
নক্ষিনাদ: বক্তইকাতাগ্রানেন ॥ ১৮[illegible] ॥ হরিকথাস্নুনি: তো
মাঝিবোনতু: ইথানতমথাকিতে । জকতবস্থাথ: বোনাইন

রুক্মঙ্গরাজা

প্রাননাথানরাজা নর্ম্মদী

৩। ॥ চক্ষুবকটাক্ষতা ॥ নাসোয়নতিলফুল । ইন্দুবিরুফলতন ॥ ১৭৯ ॥ কপালেতিলকজাল । কৌস্তুভম্র
কানেগনে ॥ বামঅঙ্গনক[illegible] । মাঝেমাতেবশিধবি ॥ ১৭৩ ॥ হাদোহাসাকরেমুখ । দেখিনেগুচয়দুখ ॥
নিম্নতিনিবথাজলে । দোনাদোলেবকস্থলে ॥ ১৭ ॥ জিহ্বকরুক্রুকষ্টি । জানেতাতপিতধাষ্টি ॥ কুতর্ভকবিয়াধ
রাকে । জেননইবাবকারে ॥ ১৭৪ ॥ পদতনদেখি বঙ্গী । জাতহস্তো
তনগঙ্গা ॥ কতিষ্ঠানস্রবপাতি । জেনচন্দ্রমাবকাতি ॥ জেনঘজাদরবা
র । দেখিমনমোহজাই ॥ হেনয়প্রবুতিরদেখি । ন জাইচক্ষুতাক্ষীদেখি
॥ ১৮০ ॥ ধুষ্টিপাতকিবাস্বর্গী । জাক্ষীতাস্থাকেবাগে ॥ পক্ষিপায়েযদত্ত ৮
মকনেমমস্থিযক্ত ॥ ১[illegible] ॥ কুলঘমক্রিকপাই । মানকবিসানাই ॥ গোনাথ
বনমালিজানি । দুতিজগন্নাথমানি ॥ [illegible] ॥ মহাপজাকবারত্তু । প্রভুবনমালি

প্রভাবি

শ্রীজাদবরায়

সন্দেহতে, প্ৰতাপসিংহই বংশীগোপালৰ সত্ৰখন বন্ডভন্ড কৰি পেলালে। উলুৰ লগতে বগৰীও পোৰা খালে।*

গুৰু বধত অমংগলৰ সৃষ্টি।

ভকতসকল দিহাদিহি ভাগিল। বনমালীদেৱো আন্তৰি গল। দেৱগোপালো যতে ৰাতি-ততে-কাতি হৈ পথে-প্ৰবাসে ভ্ৰমি ফুৰিবলৈ ধৰিলে। বৈষ্ণৱসকলৰ দুৰ্গতিৰ লগে-লগে ৰাজাজুৰি মহৎ অমংগলে দেখা দিলে। ব্ৰহ্ম উৎপীড়ন আৰু ভকত-বৈষ্ণৱক অত্যাচাৰ কৰি ধৰ্ম্মৰ গ্লানি কৰা বাবে সাত দিন সাত ৰাতি একে লেথাৰিয়ে ভূমিকম্প হৈ মাটি ফাটি মাছ-বালি ওলাবলৈ ধৰিলে। ১৫২৯ শকত মুকুন্দ বাপুক (এওঁকে উৰীয়া মৌনী নিত্যানন্দী মুকুন্দও বোলে) মৰোৱাৰ পাচতে "ৰাপুৰ গাৰপৰা তেজৰ সলনি গাখীৰ ওলাল। হালধীয়া বৰষুণ দিবলৈ ধৰিলে।"[৩] ধৰ্ম্মগুৰুসকলক অত্যাচাৰ কৰাৰ ফল চকুৰ আগতে দেখিবলৈ পাই ৰজাপ্ৰজা সকলোৰে মন সশঙ্কিত হল।

"সেই বেলা বংশী গোপাল দেৱ লোহিত্যৰ কাষে হাবিত পলাই আছিল। তাতে গোবিন্দ ঠাকুৰে মগনীয়া ব্ৰাহ্মণৰূপে ভিক্ষা খুজিবাক গৈল। পাচে পন্থত দেখে নাই। পাচে বংশী গোপাল নিশ্চয় কৰিবাতে না পাৰি শঙ্কিত ভৈল। পাচে সেই নিশাত গোবিন্দ ঠাকুৰে স্বপ্ন দেখাই বোলে, বংশী গোপাল ভিক্ষুৰূপে মই দিনত গৈছিলোঁ। তঞিও আৰ ভয় নকৰিবি। পাচে সেই নিশা ৰাজাকো (সদাশিৱৰূপে) স্বপ্ন দেখাই বোলে মোৰ গোপালক দুখ দিয়স যদি, তোক নেৰিম। এই স্বপ্ন ৰাজা দেখি প্ৰাতে সে উঠি বোলে হিন্দুৰ দেৱ গোপাল কামত কৈত আছে, নিৰ্ভয় দি বিচাৰি আন। পাচে নিভয় দি লোহিত্যৰ পাৰৰ পৰা আনিলে। পাচে বংশী গোপালক বালিৰপৰা তুলি আনি সত্ৰত থাপিলে। পাচে স্বৰ্গৰাজাও বংশী গোপালৰ ঠাই শৰণ লৈ ভকতীয়া হল।"[১]

বনমালীৰ অশ্বক্লান্ত গমন।

ৰজাই মঠ-মন্ডপ পতাই, গোপালদেৱত শৰণ লোৱাৰ পাচত, দেশ সুস্থিৰ হল। সত্ৰৰো সকলো কাৰ্য্য নিয়মিত ভাবে চলিবলৈ ধৰিলে। বনমালীদেৱ ও সত্ৰতে কিছুমান দিন অৱস্থান কৰি আছিল। তাৰ পিচত, অশ্বক্লান্তলৈ গল। অশ্বক্লান্তত [৪]দেৱে এনে ভাৱে শাস্ত্ৰাদি পাঠ-ব্যাখ্যা কৰিবলৈ ধৰিলে যে অশ্বক্লান্ত এখনি শাস্ত্ৰ বা সত্ৰত পৰিণত হল। বনমালীৰ ভাগৱত ব্যাখ্যা শুনি বিস্তৰ লোক ভাগৱত-ভক্ত হল। বন্দৰ বৰফুকনৰ দেউতাক লানমাখৰু চেতীয় ফুকনে তাতে বনমালীতে শৰণ লয়। স্বৰ্গদেৱৰ আপ্ত লোক উত্তৰপৰীয়া-ভেলাই পাচনিয়ে মুকুন্দপুৰৰ ওচৰতে এখনি সত্ৰ কৰাই দিয়ে। দৰঙী ৰজা বলিনাৰায়ণ বা ধৰ্ম্মনাৰায়ণৰ পুত্ৰ মহীন্দ্ৰনাৰায়ণে ভাগৱত শ্ৰৱণ কৰি বনমালীদেৱৰ পদধূলিকে শিৰত লৈ একান্ত ভক্ত হয়। সোমাৰত থাকোতেই বলিনাৰায়ণৰ সৈতে বনমালীৰ সোহাৰ্দ্দ্যভাৱ জন্মিছিল। সেই প্ৰভাৱতে প্ৰভুৱে দৰং ৰাজ্যৰূপৰ ভালেমান ঠাইত ধৰ্ম্মৰ খুঁটি পুতিবলৈ সুযোগ লাভ কৰে। দেৱ দামোদৰৰ একান্ত সেৱক সংতদেৱ আৰু অৰ্জুন দেৱেও বনমালী দেৱক ধৰ্ম্মপ্ৰসাৰ কাৰ্য্যত সহায় কৰিছিল। এই ৰূপে ৰাজ্যৰূপ দৰঙত ধৰ্ম্মৰ জেউতি প্ৰকাশ কৰি প্ৰভু বনমালী দেৱ বেহাৰত থকা বলৰাম দেৱৰ সত্ৰলৈ যায়।

---

[২] "বালিগাৱঁৰ গোবিন্দপুৰৰ গাৱঁত থকা ১০০ মান ছাত্ৰ-টোলৰ অধ্যাপক উৰীয়া মুকুন্দৰাম মিশ্ৰ গোসায়ে নিত্যানন্দী মতে চলি বৈদিক আচাৰ-পদ্ধতি পৰিত্যাগ কৰি নামগুণ গাই লগুণ দিয়নি বিয়াবাৰু কৰাই ফুৰিছে বুলি শালিকী বৰা আৰু কেকাই নেওগে ৰজাক লগালত ৰজাই মুকুন্দক মহিমা দেখুৱাওক বুলি বন্দীকৈ থলে। একো মহিমা দেখুৱাব নোৱৰাত ১৫২৯ শকত শিৰ এওঁক ছেদন কৰা হল।"

—কথাগুৰু চৰিত।

[৩] "নিত্যানন্দ সাধু বুলি মুকুন্দ আছিলা। স্বৰ্গৰাজা ধৰি নিয়া তাহাঙ্ক কাটিলা"

—কৃষ্ণাচাৰ্য্যৰ সন্ত চৰিত।

[৩] অসম-বুৰঞ্জী।

[৪] "পেনপেনী কাইথৰ "বৰ ভকত" শ্ৰীকৃষ্ণৰো প্ৰাণনাশ কৰিবলৈ ধৰাত শ্ৰীকৃষ্ণ পলাই ফুৰিব লগীয়া হয়। পলাই ফুৰোতে ঔৰাৰ গাতত ভৰি সোমালত সৰাই ফুটিলে। তাৰ বিষতেই বৰ ভকতৰ মৃত্যু হল। মাস ৮, ১৫২৯।"

অসম বুৰঞ্জী।

[৫] কুৰুৱাৰী চোঙৰ মহন্ত বৌচুঙীয়া কেশৱ বিপ্ৰৰো আশ্ৰয় লটিঘটি হয়।

—হৰিনাৰায়ণ দত্ত বৰুৱা সংগৃহীত "চৰিত পুথি।"

* "দুগ্ধৰূপ শৰীৰৰ ৰুধিৰ শ্ৰাবিলা
সাতদিন ভূমিকম্প কম্পিবাক লৈলা।"

—কৃষ্ণাচাৰ্য্যৰ "সন্ত চৰিত।"

১। সৎ সম্প্ৰদায় কথা।

বেহাৰ যাত্ৰা।

তাত কেইবছৰমান আছে, এনেতে শুনিলে উজনিত প্ৰভু বংশী গোপালদেৱে ১১৪ বছৰীয়া মানৱলীলা সম্বৰি স্বৰ্গপ্ৰয়াণ কৰিছে। এই বাৰ্ত্তা পাই বনমালীদেৱ কুৰুৱাহীলৈ প্ৰত্যাৱৰ্ত্তন কৰিলে। কুৰুৱাবাহীৰ অধিকাৰিত্ব বাবে যিবোৰ আউল লাগিছিল সেইবোৰ নিৰ্ব্বিবাদে ভগাই গোসাঁই বনমালী পুৰুষোত্তম ক্ষেত্ৰ দৰ্শন কৰিবলৈ ভটীয়াই যায়। তেতিয়া অসম-মোগলৰ মাজত যুদ্ধ চলি থকা দেখি অশ্বক্ৰান্তত কিছুদিন থাকিব লগীয়া হয়। গোসাঁই অহাৰ ভু পাই দৰঙী ৰাইজে অশ্বক্ৰান্ততে সমদলে সেৱা জনায়হি। দৰঙী ৰজাই হাউলীলৈকে নিয়াই অনুক্ষণ প্ৰভুৰ সেৱাকে কৰি আছিল। সেৱক শৰণীয়াও লালী-নিছিগাকৈ আহিয়েই আছিল। প্ৰভুৰ শ্ৰীমন্ত শ্ৰী দেখি আৰু ভাগৱত ব্যাখ্যাত সুললিত কণ্ঠস্বৰ শুনি অনেক অভকতীয়াও ভকত হৈছিল।

তাত দুবছৰমান থাকি প্ৰভু ভটীয়াই যাবলৈ ওলাল। দৰং ৰজাই একোপধেই এৰি নিদিয়ে, তথাপি [illegible] দেৱ গল। গৈ দেৱদামোদৰৰ অভিন্ন আত্মা ভাগৱত-ভট্টাচাৰ্য্য শ্ৰীশ্ৰী [illegible] ভট্টদেৱৰ সং পালেগৈ। ভট্টদেৱে আগৰেপৰা বনমালীৰ বিদ্যা প্ৰতিভা, গুণ-গৰিমা শুনি আছিল। এতিয়া হাততে পাই পৰম সন্তোষ লাভ কৰি বৰ আক্ষেপেৰে জনালে," সম্প্ৰতি পুৰুষোত্তম ক্ষেত্ৰলৈ নগলেও হয় দেখোন। তুমি যেতিয়া নিজেই ভাগৱতময়, তোমাৰ হাতৰ মুঠিতে শ্ৰীশ্ৰী জগন্নাথ ক্ষেত্ৰ। তথাপি, তুমি যে তীৰ্থিক উদ্দেশ্যে আহিলা, যোৱা। কিন্তু বেহাৰৰ দামোদৰ পুৰ ধামত সোমাই যাবা।"

বেহাৰত উপগত।

ভট্টদেৱৰ পৰামৰ্শমতেই বনমালীদেৱ বেহাৰৰ দেৱ দামোদৰসত্ৰ পালেগৈ। দেখিলে, প্ৰভু দামোদৰৰ প্ৰথম ধৰ্ম্মাধিকাৰ শ্ৰীশ্ৰীবলৰামদেৱ আচাৰ্য্যই মধুপুৰত থাকি ভাগৱতী ধৰ্ম্মৰ মধু বিলাই বেহাৰ দেশখন আগৰ দৰেই পবিত্ৰকৈ ৰাখিছে।* বলৰামদেৱে পৰমানন্দে বনমালীক আদৰ-সম্ভাষণ কৰি মধুপুৰৰ অন্তৰঙ্গ স্বৰূপে সংগীকৈ ৰাখিলে আৰু পুৰুষোত্তম ক্ষেত্ৰলৈ যাবলৈ নিদি, বিয়লি বেলাৰ ভাগৱত পাঠ কৰিবলৈ আজ্ঞা কৰিলে। বনমালীয়ে ভাগৱত পাঠ কৰাত "শিলাসৰেও যেন পানী স্ৰৱিছিল আৰু পাঠো যেন মঞ্জৰি গৈছিল।" দেৱে ভাগৱতৰ প্ৰত্যেক পংক্তিকে এনে বিশদভাৱে আৰু স্পষ্ট উচ্চাৰণেৰে হৃদয়গ্ৰাহীকৈ কৈছিল যে দূৰদূৰান্তৰপৰাও পণ্ডিত-মণ্ডলীয়ে ভাগৱত শুনিছিলহি। ৰজাঘৰীয়া চন্দন-চৰাৰ আলোচনা এৰি আহিও মহাৰাজ প্ৰাণনাৰায়ণে ভাগৱতভক্তসকলৰ মাজতে শ্ৰোতা হৈ ৰহিছিলহি আৰু ঘৰলৈ ওভতোতে সদায় স্তুতি-নতি কৰি সেৱা জনাই গৈছিল।

দেৱ দামোদৰৰ সত্ৰ বা দামোদৰপুৰ থান।

বলৰাম বা বলোৰামদেৱৰ পাৰিষদবৃন্দৰ ভিতৰত আছিল এই সকলেই প্ৰধানঃ বলৰামৰ প্ৰিয় শিষ্য বান্ধনি গোসাঁই পৰমানন্দদেৱ ('গুৰুলীলাৰ পৰবানন্দটো ভুল), ভাগৱতকণ্ঠ বনমালীদেৱ, বলৰামৰ আলধৰা কৃষ্ণাই, ভাৰেক গোপীনাথ মহান্তে আৰু পুতেক মনমোহন। এইসকলৰ উপৰিও আছিল পৰমানন্দৰ নাতি পুৰুষোত্তম। বলৰাম দেৱ প্ৰয়াণ হোৱাৰ ১৮ মাহৰ আগতে তেওঁৰ অবিহনে কোনে সত্ৰ চলাব বুলি ভক্তসকলে সোধাত দেৱে কলে, "মোৰ অবিহনে সত্ৰ চলোৱাৰ ভাৰ পূৰ্বেই দেৱ দামোদৰ প্ৰভুৱে পৰমানন্দৰ ওপৰত অৰ্পণ কৰি গৈছে, মই কিমতে তেওঁৰ আজ্ঞা পেলাম। সম্প্ৰতি, পৰমানন্দয়েই বেহাৰৰ সত্ৰ চলাব। এওঁকে প্ৰভু দামোদৰে মেধিও পাতি গৈছে আৰু মইও পাতিলো। মোৰ ভাগৱতকোবা বাবটো বনমালীক দিলো। তেওঁৱেই মোৰ পৰিৱৰ্ত্তে নিতে ভাগৱত পঢ়ি ব্যাখ্যা কৰি শুনাব।" এই প্ৰকাৰেৰে সত্ৰ চলোৱা ব্যৱস্থা দিয়াৰ তিনি দিনৰ পাছত বলৰামদেৱে বনমালীদেৱক অন্তিম শয্যাৰ কাষতে বহুৱাই শৰাইত তুলসীৰ মালা থোৱাই, দেউৰীৰ হতুৱাই চন্দনৰ ফোঁট দিয়াই সকলোকে শুনাই কলে,

---

* ধৰ্ম্মৰ মধু জৰিছিল দেখিয়েই, সম্ভৱতঃ, দামোদৰদেৱ, মাধৱদেৱ আৰু বনমালীদেৱ থকা ঠাইক মধুপুৰ বোলা হৈছিল। মধুপুৰৰ আগৰ নাম আছিল বিৰিণাবাৰী বা বাঙ্গনবাৰী। ইয়াৰ এককলীয়া দ-ঠাইতে মহাৰাজ লক্ষ্মীনাৰায়ণে দামোদৰ দেৱক মহাচাপ মৰাই তৰুৰাচাপ নামে সত্ৰ পতাই দিয়ে। মাধৱ-দেৱ মহাপুৰুষে থকা ঠাই ডোখৰকো মধুপুৰ বোলে। কৃষ্ণমিশ্ৰ ৰচিত "দামোদৰ চৰিতত বিৰিণাবাৰী বুলি আছে আৰু "কথাগুৰু চৰিতত" মধুপুৰৰ এটা সীমাৰে বেঙেনাবাৰী বুলিছে—

"শ্ৰীৰাম আতা কমণ্ডলু পাত লৈ গল।
(বদুলাআতা) ৰাজাৰ বাঙ্গনাবাৰী পাইছেহি।
পাচত তাতে মধুপুৰ হল। তাৰ কাষে
ভিতৰ চাপ বৈদপো বলোৰামবসত্ৰ।"

"এওঁকে (বনমালীদেৱকে) পূজিবাক লাগে শ্ৰোতাসকলৰ।" পুনৰ বনমালীক আৰু ওচৰলৈ চপাই নি আজ্ঞা শুনালে, "তুমিয়েই ভাগৱত ক'বা। মোৰ অধিকাৰ সবে তোমৰাক দিলোঁ।" কথাবো অন্ত পৰিল, বলৰাম দেৱো নয়ন মুদি স্বৰ্গগামী হল। বলৰামৰ শেষ ইচ্ছা-অনুসাৰেয়েই বনমালীদেৱ আগৰ দৰে ভাগৱত বক্তা হৈয়ে থাকিল আৰু দামোদৰপুৰ ধামৰ ভাবী অধিকাৰ মনোনীত হল।

দামোদৰপুৰ ধামৰ অধিকাৰী মনোনীত।

পৰমানন্দ গোসাঁই অধিকাৰীৰ পাচত, বনমালী গোসাঁই অধিকাৰী হবৰ মনোনয়ন পোৱাত দৰঙ্গীৰ কৃষ্ণায়ে অসন্তোষ কৰিলে বোলে বনমালী কেনেকৈ অধিকাৰ হব? পৰমানন্দই তেতিয়া বুজালে, "দেৱ দামোদৰৰ শিষ্য বংশীগোপাল দেৱ আৰু বংশীগোপাল দেৱৰ 'প্ৰিয় অনুপাম' বনমালী দেৱ, আৰু আমিয়েই তেওঁক ধৰ্ম্ম দিছোঁ। এতেকে, প্ৰভু দামোদৰৰ গাদীত বহিবৰ সম্পূৰ্ণ অধিকাৰ আছে আৰু সম্পূৰ্ণ যোগ্যও। তোমালোক কোনেও দ্বন্দবাদ নকৰিবাহঁক।" কৃষ্ণাইৰ স্বত্বই নাই, মদনমোহনৰ যোগ্যতা নাই, গোপীনাথো তথৈবচ। তথাপি জনচাৰেক ভকতেসৈতে গোট খাই এই কেউজনে গাদীৰ নিমিত্তে কচা-আজোৰা লগালে। ভকতৰ মাজত অসূয়া সৃষ্টি হোৱাত সত্ৰৰ কাৰ্য্যতো বেমেজালি ঘটিল। এনে খৰিয়াল লাগি থকা হেতুকে মনত বিচাট লাগি বনমালী দেৱ সত্ৰকে এৰি যাব খুজিলে। কিন্তু দেৱৰ প্ৰপন্ন ভক্ত মহাৰাজ প্ৰাণনাৰায়ণে গুৰুক বেহাৰ নোৰবলৈ সানুনয়ে প্ৰাৰ্থনা কৰিলে, আৰু সেই কন্দলৰপৰা যাতে আঁতৰি থাকি স্বতন্ত্ৰভাবে ধৰ্ম্মাচৰণ কৰি থাকিব পাৰে তাৰ সুচল লগাই নগৰৰপৰা ২ মাইল মান দূৰৈৰ, মৰাতোৰ্ষা নৈৰ পাৰত বাজপাটৰ দক্ষিণ-পশ্চিমে থুৰীয়া ঢাপ মৰাই সুকীয়াকৈ এখন সত্ৰ কৰাই দিলে। দামোদৰপুৰ ধামৰ দৰেই বৈকুণ্ঠপুৰী সদৃশ হোৱাত ইয়াৰ নাম বৈকুণ্ঠপুৰ হল।* পুৰণি সত্ৰ এৰি পৰমানন্দ-বনমালী দুয়ো নতুন সত্ৰলৈ উঠি আহিল। ভালেমান দিনলৈকে উভয় সত্ৰ ইয়াৰপৰাই অভিন্নভাবে পৰিচালিত হৈ আছিল।

বৈকুণ্ঠপুৰ সত্ৰৰ অধিকাৰী।

পৰমানন্দদেৱে ভক্তসকলৰ চপাই উপদেশ দিলে "দেৱ দামোদৰ আৰু দেৱ বলৰামৰ আজ্ঞাকে শিৰত লৈ আমিয়েই ভাগৱতী ধৰ্ম্ম আচৰিলোঁ। আমিয়েই বনমালীদেৱকো ধৰ্ম্ম দিলোঁ। পুৰুষোত্তমকে আদি কৰি সকলো ভক্ত মিলাপ্ৰীতিৰে থাকিবাহঁক। প্ৰভু দামোদৰৰ ধৰ্ম্মবন্তি যেন অহৰ্নিশে জ্বলি থাকে তাকে পৰমেশ্বৰৰ কাষত মিনতি কৰিলোঁ।" ইমানকে কৈ প্ৰভু পৰমানন্দ স্বৰ্গী হল। তেওঁৰে ধৰ্ম্মমালা লৈ প্ৰভু বনমালীদেৱে বৈকুণ্ঠপুৰ সত্ৰতে ধৰ্ম্মাধিকাৰ হৈ ভক্তিধৰ্ম্ম বিস্তাৰ কৰিবলৈ ধৰিলে। তাতে প্ৰভুৱে বৃন্দাবনচন্দ্ৰৰ মনোহৰ মূৰ্ত্তি এখনি স্থাপন কৰে আৰু পূৰ্ব্বে যুধিষ্ঠিৰৰ দিনৰেই পূজিত যাদৱৰাই মূৰ্ত্তিখনিকো জগন্নাথৰপৰা অনাই বৈকুণ্ঠপুৰতে প্ৰতিষ্ঠা কৰে। বৈকুণ্ঠপুৰত এই দৰে মূৰ্ত্তি-ভাগৱত প্ৰতিষ্ঠা কৰি ঐশ্বৰিক মহিমা প্ৰকাশ কৰি আছে

এনেতে, সৌমাৰেশ্বৰ জয়ধ্বজ সিংহ মহাৰাজৰপৰা আকুল আহ্বান আহিল প্ৰভু সৌমাৰলৈ যাব লাগে। কিয়নো সেই বাজ্যত যি উৎপাত-অমঙ্গল হৈছে তাৰ নিবৃত্তিৰ অৰ্থে প্ৰভু যাগ-যজ্ঞত যোগ দি ৰজা-বাজাক আশীৰ্ব্বাদ দিব লাগে। হিন্দুধৰ্ম্ম গ্ৰহণ কৰি গুৰু লোৱাৰ পাচত, মহাৰাজে স্বকৃত পাপ খণ্ডাবলৈ যি আয়োজন কৰিছিল, তাৰ আভাসটি দিলে হে ঈশশক্তিসম্পন্ন প্ৰভু বনমালীদেৱক আমন্ত্ৰণ কৰাৰ তাৎপৰ্য্যটি প্ৰকাশ পাব।

সৌমাৰাধিপতি জয়ধ্বজ সিংহৰ আমন্ত্ৰণ।

১৫৭০ শকত, ৰজা হৈ খহুৰা গোহাঞে জয়ধ্বজ সিংহ নাম লোৱাৰ পাচত পাত্ৰমন্ত্ৰী-সকলৰ পাকচক্ৰত পৰি ৰণচেখামত বাপেকক বধ কৰোৱায়, গোহাঁঞে এজনা আৰু মাহীয়েক এগৰাকীকো মৰায়। তদুপৰি, শিঙৰি ঘৰলৈ খুটা আনিবলৈ যাওঁতে, খুটাৰ গিৰিহঁত হাবুঙীয়া বামুণ এজনে গছ জোপাতে খুটা নিদিওঁ বুলি সাবটি ধৰাত গছেসৈতে গছকটীয়াই বামুণজনক কাটি পেলায়। "১৫৭২ শকৰ বহাগত এক পক্ষৰ ভিতৰতে তিনি বাৰকৈ ভূঁইকঁপ

আমন্ত্ৰণৰ কাৰণ।

* "নৃপতিও তাৰাৰ কন্দল শুনিলন্ত
বৈকুণ্ঠপুৰত সত্ৰ পাতিয়া দিলন্ত।"—ৰামৰায় ভণিত "গুৰুলীলা।"

"DAMODARPUR stands at the right bank of the Mora Torsha, less than 2 miles West of Cooch Behar Maharaj Lakhminarayan established the Dham here for the saint Damodar on a mound of earth which has been raised in the reign of Narnarayan The Shebaits of the Dham are the Medhis of Baikunthapur whose ancestor was a disciple of Damodar"—*Cooch Behar State—Harendranarayan Chowdhury.*

যায়। ১৫৭২ শকৰ ভাদত স্বৰ্গমহাৰজাৰ গড়গাঁৱৰ ঘৰত হুদু পৰিল। তাৰ দুদিনৰ পাচতে বৰঢাক আপুনি বাজিল আৰু সেই ভাদ মাহতে এক পক্ষ কাল দিহিঙৰ পানী ৰঙা হৈ থাকে। এইবোৰৰ উপৰিও, মহাৰাজৰ চন্দ্ৰতাপত কাউৰী পৰিল। দেৱৰগাৰৰ দৌলৰ গোসাঁঞি-আসন আৰু ৰজাৰ গোসাঁঞি থোৱা সিংহাসনত শাঁকিনীসাপ সোমাল।"

কালদোষ, দৈৱদোষ গ্ৰহদোষত দেশৰ দুৰ্দ্দিন উপস্থিত হলে, আকাল-মাৰি-মৰক হলে, অমংগল-অদ্ভুতে দেখা দিলে, যাগ-যজ্ঞ-শান্তি-স্বস্ত্যয়ন, তুলসী দিয়া আৰু বৰ-সবাহাদি ধৰ্ম্মোৎসৱ পাতি সেইবোৰৰ মন্দ ফলৰপৰা নিস্তাৰ পোৱা যায়। এনে বিশ্বাস, বৈদিক ধৰ্ম্মাৱলম্বীসকলৰ ভিতৰত কৌটিকালৰপৰাই চলি আহিছে। দেখাচাৰ কৈ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰা নাছিল যদিও, "তিনটা শিঙেৰে গৰু ওপজাৰ নিচিনা অদ্ভুত হোৱাত" প্ৰতাপসিংহ স্বৰ্গদেৱে ১৫৪৭ শকৰ "লুইতৰ পাৰ হৈ বান্দৰ ভঁড়ালী বামুণ গাৱঁৰ ওচৰত, বাৰুকটা সুঁতিৰ কাষত সোণ-ৰূপ-বস্ত্ৰ-অলংকাৰ, কম্মা, গৰু-মহ বিস্তৰ ব্ৰাহ্মণক দান দি যজ্ঞ কৰিছিল।"

জয়ধ্বজ সিংহৰ এতিয়া অনুতাপ আহিল "বুপা-ককাক মাৰি পিতৃবধী হলোঁ। বামুণ এটাও কঁঠাল গছ সাপটিধৰাত কাটিলোঁ। মই যজ্ঞ কৰি পাপ গুচাওঁ।" এই বুলি, উপৰি-পুৰুষাদেৱেকৰ আদৰ্শকে অনুসৰণ কৰি, লুইতৰ উত্তৰ পাৰে ঢকুৱা চাপৰিত (ডোকাচাপৰিত) কাতি মহীয়া "তুলসী দুই লাখ দিয়াই সাত দিন সাত ৰাতি আউনীআটিৰ বাপু, কুৰুৱা-বাহীৰ বাপু, গড়মূৰৰ বাপু, বেঙেনাআটীৰ মহন্ত, কাটনীপাৰৰ বৰলাআতা" প্ৰমুখে সন্ত-মহন্তসকলক চপাই "বৰ সভা (সবাহ) কৰি সোণৰূপ মাটি দান দিলে। ব্ৰাহ্মণক বস্ত্ৰ-অলঙ্কাৰ, সুৱৰ্ণৰ নৰগুণ দি সালঙ্কৃতা কৰি পাণ্ডগোটা ধেনু দিলে। ৰজত সুবৰ্ণ পূৰ্ণ কৰি দক্ষিণা কৰিলে। আৰু সুধা ধেনু ১০০ দক্ষিণাসহ ব্ৰাহ্মণক দান কৰিলে।" এই মহা যজ্ঞলৈ দৰং-কামৰূপ কোনো ঠাইৰ গুৰু-গোসাঁই, ব্ৰাহ্মণ-মহন্ত, সাধু সজ্জনক নিমন্ত্ৰণ কৰিবলৈ বাকী নাছিল। সকলোকে নিমন্ত্ৰণ কৰা হল, সকলো আহিল ও। কিন্তু, কটকী পঠিয়াই প্ৰাণ নাৰায়ণ ৰজাকো অনুৰোধ কৰি শুদ্ধ-সত্ত্ব সন্ত বনমালীদেৱক আনি মনৰ কামনা পূৰাব নোৱাৰিলে। সেই গৰাকী, সিদ্ধ পুৰুষ নহাত জয়ধ্বজৰ মনত আসৰিস লাগি থাকিল।

বনমালীদেৱৰ জগন্নাথ যাত্ৰা।

জয়ধ্বজৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ বনমালীদেৱৰ ইচ্ছা আছিল। কিন্তু প্ৰাণনাৰায়ণ ৰজাৰ ঐকান্তিক প্ৰাৰ্থনা এৰাব নোৱাৰি হে স্বদেশ সোমাবলৈ আহিব নোৱাৰিলে।

ইতিমধ্যে, দামোদৰ দেৱৰ শিষ্যসৰো ঠানপান হল। বেহাৰৰ ৰাজ্যতো কিছুমান অনাচাৰে দেখা দিলে। বনমালীদেৱৰ আৰু তাত থাকিবলৈ সম্পূৰ্ণকে মন নোযোৱা হল। কেনেকৈ, অতি সোনকালে বৈকুণ্ঠপুৰ এৰিব পাৰি, তাৰ হে কেৱল চিন্তা হল। 'জগন্নাথলৈ যাওঁ' বুলি গোসাঞে ৰজাক বিদায় জনোৱাত, ৰজাই বহুত তুতি প্ৰাৰ্থনা কৰিলে। তথাপি, গোসাইৰ মন নেপালটিল। "ঈশ্বৰৰ কৃপা হলে পুনৰ বেহাৰ দৰ্শন হব পাৰে" বুলি কৈ ৰজাক আশীৰ্ব্বাদ দি ষাঠিজন ভকতেসৈতে প্ৰভু বনমালীদেৱ জগন্নাথমুৰা হল।

পদ্মা-গঙ্গাইদি গৈ দোলোৎসৱৰ সময়ত জগন্নাথ ক্ষেত্ৰ পালেগৈ। দোল প্ৰদক্ষিণ কৰি থাকোতেই প্ৰভুৱে দামোদৰ স্বামী নামেৰে মহাজন এজনৰ সঙ্গ লাভ কৰে। জগন্নাথত সত্ৰ এখন পাতিবলৈও দেৱৰ ইচ্ছা গৈছিল আৰু সেই অৰ্থে মাটি এডুখৰিও কিনা হৈছিল। কিন্তু তাত সত্ৰ হৈ নুঠিল। তথাপি মঠ মন্ডপ কৰালে। কৃষ্ণ-বলোভদ্ৰ-সুভদ্ৰাৰ মূৰ্ত্তি সেৱা কৰি প্ৰভু স্বদেশলৈ উলটিলে। আহোতে বাটত ভাগীৰথীৰ তীৰত ৰামগোবিন্দ ব্ৰাহ্মণক এডোখৰ মাটি কিনি দি তাতে এখনি আখৰা (সত্ৰ) পাতি থৈ আহে। এবছৰৰ মূৰত ঘূৰি আহিল। কিন্তু বেহাৰলৈ আৰু যোৱা নহল। বাজে বাজে ঘিলা-বিজয়পুৰ পালেহি।*

* "জয়ধ্বজ দেৱৰ দিনত দেৱে যদুচৰণৰ আগত বেহাৰত থকা বনমালী গোসাঁইক আহিবলৈ কৈ পঠালে। স্বৰ্গদেৱৰ আজ্ঞা শুনি আহিবৰ মনে প্ৰাণনাৰায়ণ ৰজাত জগন্নাথ দৰশন হবলৈ বিদায় কৰিলে। ৰাজা বোলে "পুনৰ আহিব"। বাপুৱে বোলে। 'আমি স্বতন্ত্ৰ নোহোঁ, ঈশ্বৰ পৰাধীন। কোন ঠাইলৈ নিয়ে নাজানি।" এই বুলি জগন্নাথলৈ গৈ মঠমণ্ডপ কৰি দৰশন হুই ফিৰি আহি বিজয়পুৰত ৰলহি"—অসম বুৰঞ্জী।

* "(অজ্জুনদেৱ) বনমালীদেৱ সমে ভৈল্লা এক থান।
দুইকো দুয়ো অনেক কৰিলা বহু মান॥
প্ৰেমে পুলকিত দুইৰো বাক্য গদ গদ।
চতুৰ্দ্দিশে হৰিধ্বনি কৰে সভাসদ॥

খিলাত উপস্থিত হোৱা শুনি লোচসত্ৰৰ শ্ৰীশ্ৰী অৰ্জ্জুনদেৱ গোস্বামী আৰু খুদীয়া সত্ৰৰ শ্ৰীশ্ৰী লক্ষ্মীপতি গোস্বামীয়ে বনমালীদেৱক আদৰ-সম্ভাষণ জনায় গৈ। জগন্নাথৰ আদেশ অনুসৰি লক্ষ্মীপতিক দেৱে জগন্নাথৰ প্ৰসাদ (পদ্মচোলি) নিৰ্ম্মাল্য আদি দি পৰম সন্তোষ লাভ কৰে।*

দুই গোটা সূৰ্য্য যেন ভৈলা এক ঠাই
পৰম হৰিষে সৰ্ব্বজনে আছে, চাই।"

—অৰ্জ্জুনদেৱৰ চৰিত।

"বনমালী গোসাইকো কৰিলা সাদৰ
পাচে বনমালী জগন্নাথ আজ্ঞা জানি
পদ্মচোলি-ভূষণ-বস্ত্ৰক দিলা আনি
প্ৰসাদ নিৰ্ম্মাল্য আনো দিলা নানামত
দিলা লক্ষ্মীপতি ভৈলা আনন্দ মনত"

লক্ষ্মীপতি চৰিত।

দ্বিতীয় পটল

সোমাৰ আগমন

ভটীয়া পাৰৰ পুখুৰী খনোৱা।

প্ৰভু বনমালীদেৱ জগন্নাথলৈ যোৱা-সময়তে ডোকা চাপৰিত যজ্ঞ সাঙ্গ কৰি জয়ধ্বজ সিংহই লাকুলি ৰাইঙগত (১৫৭৩ শকত) আঘোণ মহীয়া চাৰিং ৰজা, কাণু ৰৰা, চিৰাই বৰাক তিপমীয়া মানুহ এফৈদ, অভয়পুৰীয়াৰ এফৈদ, শদিয়ালৰ এফৈদ মানুহ দি ভটীয়া পাৰত (শিৱসাগৰৰ) দীঘে ১২০০ হাত আৰু পথালিয়ে ১৫৪ হাত পুখুৰী এটা খনোৱায়। ১৫৭৮ শকত আহোম নিয়মে উচৰ্গা কৰায়। কিন্তু পুখুৰীত পানী নৰল। অঠাইকৈ খনালে যদিও পানী ওলায়েই আকৌ শুকাই গল।*

ৰজা-প্ৰজা সকলো বিবুধিত পৰিল। সৎ কৰ্ম্মত কিবা বিঘিনি হৈছে বুলি সকলোৰে মনত সংশয় উপজিল। এনেতে, "পূৰ্ব্বে দৰঙ্গী ৰজাৰ অনা কুৰৱীয়ে ৰজাত কয়, যে আমাৰ গুৰুদেৱ বনমালী পাঁচ বছৰৰপৰা ভাগৱতবক্তা আৰু পণ্ডিত, অতিশয় শ্ৰীমন্ত, তপ্ত কাঞ্চন কান্তি, বয়স হোৱাতো লৰাৰ নিচিনা দেখায় আৰু অতি দেখনীয়াৰ। এই কাৰণে, আপোনাৰ উপযুক্ত গুৰু তেওঁ হলেহে শোভা পায়। সেই কথা শুনি ৰজাই মনে-মনে ভাবে যে বনমালী বাপুক কোনোমতে আনিব লাগে।" । পূৰ্ব্বে ডোকা চাপৰিত যজ্ঞ কৰোতেও দেৱলৈ যথাবিহিত সম্মানপূৰ্ব্বক নিমন্ত্ৰণ কৰি কটকী পঠোৱা হৈছিল। কিন্তু প্ৰাণনাৰায়ণ ৰজাই হকাবধা কৰাত প্ৰভু আহিব নোৱাৰিলে বা প্ৰভুক আনিব নোৱাৰিলে। কুৰৱীৰ কথা শুনি ৰজাই বণিয়া কাকতীৰ নৃসিংহ, যদুচৰণ খাউণ্ড আৰু নাওবৈচা ফুকনৰ গঙ্গাবৰক পঠিয়ালে বিজয়পুৰৰপৰা সমভিব্যৱহাৰেৰে বনমালীদেৱক আমন্ত্ৰণ কৰি আনিবলৈ।* সংঘাতী সকলে প্ৰভুক আনি পোনেই পাণ্ডুনাথত থলেহি। লগত পাৰ্ষদ আহিছিল- পৰমানন্দ, জগজ্জীৱন, যদুৰাম, চক্ৰপাণি, ৰামহৰি, কৰুণা, জয়ৰাম আৰু চিৰাম। পিকচাই বৰফুকনৰ বংশৰ এজনে তাৰপৰা বাদ্যোভণ্ডে, হয়ে হস্তীয়ে সমদলে আনি প্ৰভুক বৰফুকনৰ টোলৰ ওচৰতে লাখটকীয়াত ৰাখিলে।[১] লাখটকীয়াৰপৰা বৰফুকনৰ আদেশত নাওবৈচাফুকনে মহা পয়োভৰেৰে আনি কলিয়াবৰৰ জখলাবন্ধা পোৱালেহি। তাতে আগেয়েই ঠিক কৈ থোৱা সত্ৰত (বাহৰত) সংস্থাপন কৰা হল। সেইখন বাহৰেই অদ্য প্ৰভৃতি দেৱসত্ৰ নাম প্ৰখ্যাত হৈ আছে। তাৰপৰা আকৌ অস্থায়ী ভাবে জাঁতকৰা নামে ঠাইতো বাহৰ কৰা হৈছিল। সেই ঠায়ো পাছত সত্ৰলৈকে পৰিণত হল।

জখলাবন্ধাৰ দেৱসত্ৰ।

ভটীয়াপাৰ পুখুৰীৰ জল নিষ্কাশন আৰু জয়ধ্বজ সিংহৰ গুৰুত্ব বৰণ।

আহোম-নিয়মে উচৰ্গা কৰাত ভটীয়াপাৰৰ যিটো পুখুৰীৰ পানী নোলাইছিল সেইটো পুখুৰীকে হিন্দু-নিয়মে উচৰ্গা কৰি পানী উলিয়াবলৈ ৰাজাজ্ঞাক্ৰমে প্ৰভু বনমালীদেৱক আহ্বান কৰা হল। হিড়িক (শিলিখা বাপু), কাশী আদি পৰিচাৰক ব্ৰাহ্মণক লগত লৈ দেৱ-সত্ৰৰ পৰা প্ৰভু ভটীয়াপাৰৰ পুখুৰী উচৰ্গিবলৈ গল। সন্ত-মহন্ত, ৰজা-প্ৰজা সকলোৰে সাক্ষাতে যথাকল্পিত যাগযজ্ঞ কৰি জলদেৱতাক আহ্বান কৰি পৰমভাগৱত বাক্‌সিদ্ধ পুৰুষ প্ৰভু বনমালীদেৱ পুখুৰীত নমা মাত্ৰকে চাকনৈয়াৰ দৰে নিষ্কুলা জলাশয়ৰ গৰ্ভত পানীয়ে

* এনে এটি প্ৰবাদো আছে যেতিয়া সেই বাৰ পুখুৰী খানোতে খানোতে মাটিখনা মানুহে তলত টো-খুঁটি-ছাই পাবলৈ ধৰিলে আৰু তলৰফালে ঢেঁকীৰ মাত শুনিলে। খানি-খানি ঠাই (মাটি) অন্ত কৰিব নোৱৰা দেখি অঠাই হল।

* বণিয়া কাকতীৰ বংশাৱলী পুথি—কেশৱকান্ত বৰৱা সম্পাদিত।

* "ভটীয়াপাৰৰ পুখুৰী খনাই তাক উৎসৰ্গ কৰিবৰ কাৰণ প্ৰপিতামহ নৃসিংহক (জয়ধ্বজ ৰজাই নি) কলে যে পুখুৰী উৎসৰ্গ কৰাৰ কাৰণ বনমালি বাপুক আনিব পাৰিবানে নোৱাৰা, কব লাগে। প্ৰপিতামহ পাৰিম বোলাত ৰজাই কোঁচৰজা আৰু গোসাঁঞিলৈ নিমন্ত্ৰণ পত্ৰ বৈছাইসৈতে এক চৰা নাও দি বিদায় দিয়ে। প্ৰপিতামহে কোচ ৰজাক জনাই আহি গোসাঁঞিৰ নিমিত্তে কলিয়াবৰত দেৱৰ সত্ৰ কৰিবলৈ আদেশ দিয়ে। :— জাদুৰাম চাংকাকতী লিখিত আৰু কেশৱকান্ত বৰুৱাৰ দ্বাৰাই প্ৰকাশিত "বণিয়া কাকতীৰ বংশাৱলী।"

† "জয়ধ্বজ সিংহ মিশ্ৰ বাপুকে আউনীহাটীয়া গোসাঁঞি নামে খ্যাত কৰিয়া অনেক বৃত্তি দিলেন। আৰো যদুচৰণ খাওন্দ নামক ব্যক্তিকে প্ৰেৰণ কৰিয়া বেহাৰ হইতে বনমালী গোসাঁঞিকে আনাইয়া দক্ষিণপটীয়া গোসাঁঞি নামে খ্যাত কৰিলেন" -"আসাম বুৰঞ্জী"—হলিৰাম ঢেকীয়াল ফুকন

[১] ৰমাকান্ত দ্বিজৰ "শ্ৰীশ্ৰীবনমালীদেৱৰ চৰিত্ৰ" আৰু কন্দৰ্পগুৰুৰ সত্ৰৰ পুথি।

পাক লৈ-লৈ হোহো কৰে আহি পছিমৰ পাৰটো একে হেঁচোকাই ভাঙি লৈ গল*। তেতিয়াৰ পৰা পুখুৰীৰ নাম ৰুদ্ৰসাগৰ হল। বনমালী গোসাঁঞৰ বাক্‌সিদ্ধতাৰ প্ৰত্যক্ষ প্ৰমাণ হাতে-হাতে পাই সকলো স্তম্ভিত হল। পুখুৰী উৎসৰ্গ-কাৰ্য্য সম্পন্ন কৰিয়েই প্ৰভু পূৰ্ব্বৰ সত্ৰলৈ গল। তাৰপৰা জাঁতকৰাত থাকিলগৈ। জাঁতকৰাৰপৰা অনাই জয়ধ্বজ ৰজাই শাকবাৰীত

"মোৰ ৰাজ্যভাৰ যত সম্পত্তি আছয়
তোমাৰ চৰণে দিলোঁ বুলিলোঁ নিশ্চয়।"[১]

বুলি "বনমালী দেৱত গুৰুত্ব বৰণ কৰিলে আৰু প্ৰভুৰ নামে ৩০০ পুৰা মাটি আৰু মানুহ উচৰ্গা দিলে। ৰজাই শৰণ লোৱাৰ লগে-লগে বৰগোহাঁই, বৰপাত্ৰ গোহাঁই, সন্দিকৈ-চেতীয়া প্ৰভৃতি টাইআহোমৰ সম্ভ্ৰান্ত বংশীয় কুঁহুমে সকলোৰেই বনমালীদেৱৰ ওচৰত দীক্ষিত হল। এই দিনাৰপৰাই ৰাজদণ্ড দায়িত্বৰ জেঙা-জঞ্জালো প্ৰভুৰ গাত লাগিলহি। জয়ধ্বজে "হয়হস্তী ছত্ৰদণ্ডে" উচৰ্গা চতুৰ্ভুৰ্জ মূৰ্ত্তিৰে সৈতে সেই শাকবাৰীতে এখনি সত্ৰ পতাই দিয়ে। সত্ৰত ওকতৰ হাটী নামঘৰ মণিকূট সম্পূৰ্ণকৈ নিৰ্ম্মাণ কৰোৱা হৈছিল। সেই বছৰ তাত দৌলোৎসৱ কৰি পাচ বছৰি খৰালি চহৰ ফুৰিবলৈ আহি প্ৰভু গজপুৰত ৰয়হি।

এনেতে, চাতত মীৰজুম্লাই গজপুৰ অধিকাৰ কৰিলেহি। এই বাৰ্তাৰ পাই, গোসাইক উত্তৰলৈ যাবলৈ কৈ ৰজা নিজে পৰ্ব্বতত উঠিলগৈ। গোসাই কিন্তু নলৰিল, গজপুৰতে ৰ কিল। মীৰজুম্লাই গোসাঁইক একো উপদ্ৰৱ কৰা নাছিল। ধৰ্ম্মগুৰু বুলি মান-সৎকাৰ কৰি ভাবে-ভক্তিৰে ৰক্ষা কৰি আছিল। মীৰজুম্লা এবছৰ আছিল। সেই বছৰতে "গাওঁ হোলা হল; সকলোৰে থকবক্ লাগিল। সৰ্ব্বস্বকো এৰি প্ৰজাসব জঙ্ঘলক লাগি" গল। ক্ষুধায়ে তৃষ্ণায়ে জড়া-তাপ-পীড়া মৰি গৈল কতো ঠাই।[২] পানীত হাঁহনচৰা অৱস্থা হৈছিল মানুহৰ অৱস্থা। প্ৰজাৰ বিলৈ দেখি, শোকেতাপে জৰ্জৰিত হোৱাত প্ৰভুৰ আৰু দক্ষিণ পাৰত থাকিবলৈ ইচ্ছা নগল—ডিব্ৰুং পাৰৰ খৰালৈ গুচি গল।* তাত অলপ দিন থকাৰ পাচত প্ৰভু শুকান সুঁতিৰ ওচৰৰ কুমাৰহাটীলৈ (কুমাৰবাৰী) আহিল।

মীৰজুম্লাৰ দ্বাৰা সম্মানিত।

ইতিমধ্যে সন্ধি হলত, মীৰজুম্লাই গড়গাওঁ এৰি নিজৰ দেশলৈ গুচি গল। "দ্বীপ-দ্বীপান্তৰে পলাই-উৰাই" থকা প্ৰজাসবো "পালটি" আহিল। পাত্ৰমন্ত্ৰীসমে ৰজাও পৰ্ব্বতৰ-পৰা নামি আহিল। আহি, নগৰ সোমাই চায় দেখোন, "সোণাপুৰ হেন গড়গাওঁখন তেনেই লণ্ডভণ্ড হল।" "বঙ্গালে বা কি কৰি থৈ গৈছে" বুলি, হুকুহুকু কৰে কান্দি তাত ৰজা নিৰ্ধাক বকতালৈ গল আৰু কুমাৰহাটীৰপৰা বনমালীদেৱক অনাই দেৱৰ হতুৱাই তুলসী-হোম দিয়াই অন্যান্য যজ্ঞ কৰাই গড়গাওঁ নগৰখন শুচি কৰালে। সেই দুৰ্দ্দশাৰ দিনত ৰজাক প্ৰবোধ দিব পৰা বিশ্বস্ত পুণ্যশ্লোক প্ৰভু বনমালী দেৱত বিনে আন কোনো নাছিল। গুৰু ঈশ্বৰৰ শান্ত্বনাবাণী শুনি সৰ্গদেৱ স্বস্থ হৈ প্ৰভুৰ চৰণত নিবেদিলে উত্তম স্থান এখনিত সত্ৰ পাতি শ্ৰীচৰণক সংস্থাপন কৰিবৰ ইচ্ছা আছে। শ্ৰীচৰণে মাত্ৰ স্থান নিৰ্ব্বাচন কৰি দিলেই হয়।

লণ্ডভণ্ড গড়গাওঁ নগৰ পবিত্ৰ কৰণ।

* "ৰাজাৰ প্ৰাৰ্থনা শুনি বনমালী সন্ত
নিৰ্জ্জলা পুষ্কৰিণী তীৰে চলিলা গেলন্ত।
যেতিক্ষণে প্ৰভুদেৱ পুষ্কৰিণী নামিলা
গিৰাগিৰ কাৰ জল সৱ নিৰ্কলিলা।
আশ্চৰ্য্য মানিল সবে ৰাজা প্ৰজাগন
বনমালী দেৱৰ চৰিত্ৰ অগণন।
অদ্যাপি দেখিবাক অতি মনোৰম।"

—শিৱ নাৰায়ণকৃত "দক্ষিণপাট সত্ৰ।"

—ভটীয়াপাৰ-পুখুৰীৰ বিভিন্ন নাম ঃ ভটীয়াপাৰৰ পুখুৰী, অঠাই সাগৰ, পুৰণি পুখুৰী আৰু ৰুদ্ৰ সাগৰ।

[১] শ্ৰীশ্ৰীবনমালীদেৱ—ৰমাকান্ত দ্বিজ ৰচিত।

[২] কৰ্দ্দৈগুৰি সত্ৰৰ পুথি।

* খৰাত থকা গোসাঁই-পুখুৰীয়ে বনমালী গোসাইৰ স্মৃতিটো ৰাখি থৈছে। পুখুৰীটোত তামৰ কোষা-অৰ্ঘা, শঙ্খঘণ্টা, থালকুণ্ড আৰু পিতলৰ গছা বহুত ওলাইছিল। সেইবোৰ ওচৰতে থকা পমুৱা মুছলমান-বিলাকে পাই লৈ গল। বনমালীদেৱৰ পূৰ্ব্ব পুৰুষ খৰা মিশ্ৰই তাত বাস কৰা বাবে ঠাই ডোখৰৰ নাম মানুহৰ মুখত পৰি খৰা-মোচৰ হল। বনমালী গোসাঁইৰ নামে হল গোসাঁই পুখুৰী। বে, শ।

সত্ৰৰ ঠাই নিৰ্ব্বাছন আৰু ভেঁটি প্ৰতিষ্ঠা।

সত্ৰ পাতি ৰজাৰ ইচ্ছা পূৰণ কৰিবৰ অৰ্থে উপযুক্ত ঠাই চাবলৈ কেউফালে দূতচৰ পঠিওৱা হল। সকলোৱে ভালেমান ঠাই চাইচিতি আহি পূৰ্ব্বে যত প্ৰতাপসিংহ স্বৰ্গদেবৰ ৰাঙ্গলী বাহৰ আছিল, তাৰ ওচৰতে অতীজৰেপৰা দক্ষিণপাট বুলি কৈ অহা ঠাইকে অতি শোভনীয় ঠাই বুলি জনালেহি।*

শক ১৫৮৪।

স্বৰ্গদেৱৰো সেই ঠায়েই মনঃপূত হোৱাত অনতিপলমেই সত্ৰৰ ঠাই চোওৱা হল আৰু সত্ৰৰ ভেঁটিও প্ৰতিষ্ঠিত হল। কিন্তু সত্ৰীয়া ভকতৰ বহা, মন্দিৰ মণিকূট নামঘৰ ইত্যাদি আনুষঙ্গিক অংশবিলাক যিমান খৰধৰকৈ যুগুত হব লাগিছিল, নানান্ কাৰণৰ নিমিত্ত সিমান বেগাই কৰিব পৰা নহল।

জয়ধ্বজ সিংহক মৃত্যু মঙ্গল শ্ৰবণ কৰোৱা।

ইপিনে স্বৰ্গদেৱৰো "শৰীৰ বিধাৰণ" হৈ আহিবলৈ ধৰিলে। মুন্দৰ ৰোগ হৈ কলৈকো যাব নোৱাৰা হল। ক্ৰমান্বয়ে ব্যাধি বৰ টান হৈ আহিল। মৃত্যু আসন্ন দেখি, ইহকালৰ পাপ খণ্ডই পৰকালত তৰিবৰ হেতু ৰোগ-শয্যাত কাষলৈকে বনমালী গোসাঁইক নিয়াই "ৰজত সুবৰ্ণ দক্ষিণা দি প্ৰায়শ্চিত্ত হল আৰু সমস্ত ৰাজ্যভাৰ গোসাঁইৰ হাতত অৰ্পণ কৰিলে।"[১] গোসাঁয়ে শিৰত ধৰি মৃত্যুমঙ্গল গোৱাই আশীৰ্ব্বাদ শুনাই ওলাই অহাৰ পিচতেই স্বৰ্গদেৱ শান্তিৰে সিপুৰীলৈ গমন কৰিলে।[২]

চক্ৰধ্বজ সিংহৰ দ্বাৰা সত্ৰ সম্পূৰ্ণ কৰণ।

জয়ধ্বজৰ পাচত, নিলগীয়া ভায়েক চক্ৰধ্বজ সিংহ ৰজা হয়। এওঁ গজপুৰত মহা মহোৎসৱ কৰি বনমালী দেৱৰ শৰণ লয় আৰু দীক্ষা মন্ত্ৰ গ্ৰহণ কৰে। এওঁৰ দিনতে সত্ৰৰ অসমাপ্ত হৈ থকা মন্দিৰ মণিকূট নামঘৰ আদি উৎসৰ্গীকৰণ কাৰ্য্য সম্পূৰ্ণৰূপে সমাধা কৰা হয়। সত্ৰৰ চাৰি পিনে চাৰিটা গড় মৰাই, পুখুৰী খনোৱাই, পুখুৰীৰ চৌপাশে ভকত বৈষ্ণৱৰ দীঘল-দীঘল হাটী সজোৱাই সত্ৰৰ সৌষ্ঠৱ বঢ়োৱা হল। মহাৰাজ জয়ধ্বজৰ দৰেই এওঁ ও আগেয়ে আগ-কৈ থোৱা মতে, পূবে মুদৈ বিল, পশ্চিমে শিঙ্গীয়া বিল, উত্তৰে হাটীপৰা বিল, দক্ষিণে শুকান সুঁতি—এই চাৰি সীমাৰ ভিতৰত ৮০০ পুৰা নিষ্কৰ দেৱোত্তৰ ভূমি আৰু তাকে চাই পাইক বনুৱা মহাপ্ৰভু শ্ৰীশ্ৰীযাদৱৰায়ৰ সেৱাপূজা-অৰ্থে তাম্ৰৰ ফলি মাৰি উৰ্চ্চাৰ্গ দিলে। সেই দিনৰপৰা দক্ষিণপাট সত্ৰৰ পয়োভৰ আৰু মান-সম্মান ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে।

জয়ধ্বজসিংহৰ আদেশানুক্ৰমেই ১৫৮৪ শকৰ মূৰামূৰিত ভেঁটি প্ৰতিষ্ঠা কৰা হল যদিও, চক্ৰধ্বজসিংহৰ দিনত নামটো জিলিকি উঠাত চক্ৰধ্বজসিংহই দক্ষিণপাট সত্ৰ পাতিলে বুলি সৰ্ব্ব-সাধাৰণৰ মাজত প্ৰচাৰ হবলৈ ধৰিলে। প্ৰকৃততে, সত্ৰ পতাৰ গুৰি জয়ধ্বজ সিংহ স্বৰ্গদেৱেই।

বেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰৰ আহিৰ অনুযায়ী সত্ৰৰ নাম প্ৰভুৱে বৈকুণ্ঠপুৰ ৰাখিব খুজিছিল। কিন্তু ঐতিহাশালী দক্ষিণপাট নামে ঠাইত প্ৰতিষ্ঠিত হোৱা বাবে দক্ষিণপাট সত্ৰ নামেই প্ৰজ্জ্বলিত হৈ থাকিল।

* "নামত দখিণপাট বুলি সবে কহে
উত্তৰত মহানদী ব্ৰহ্মপুত্ৰ বহে।
হেন স্থান পায়া ৰাজদূত কৈলা জাই
সুনি ৰাজা বোলে তৈক জায়োক গোসাঁঞ"—ৰমাকান্ত দ্বিজৰ "বনমালী চৰিত"।

[১] "অন্তকালে কৰি নিজ ৰাজ্য অৰ্পণ
মৰ্ত্ত্যলীলা সম্বৰণ কৈলা নৃপধন।"—দক্ষিণপাট সত্ৰ—দ্বিজ বলৰাম।

[১] পাচে মহাৰাজা বনমালী গোসাঁঞিক চাঙ্গলৈকে তুলি নি, "বাপু,, মঁঞি কি নাম লম, এই সময়ত," গোসাঞে বোলে, "মঁঞি যি নাম লওঁ মহাৰাজেও তাকে লব। গোসাঞে মাথাত ধৰি নাম শুনাইছিল। মহাৰাজাও সেই নামকে লৈছিল। ৰাজা কন্ঠাগত হলত, গোসাঁঞি নিলাগ আহিল।—অসম বুৰঞ্জী।

[২] ৰজা স্বৰ্গী হল মুন্দৰ ব্যাধিত। ১৫৮৫ শকৰ কাৰ্ত্তিকৰ ২৫ দিন যাওঁতে, বুধবাৰে: অসম বুৰঞ্জী।

তৃতীয় পটল

কলাবাৰী-সত্ৰ স্থাপন

সত্ৰখন সম্পূৰ্ণ হৈ উঠিলত বনমালীদেৱ পুনৰ হয়গ্ৰীৱ-মাধৱক আদি কৰি কামৰূপৰ পঞ্চতীৰ্থ দৰ্শন কৰিবলৈ যায়। সেই যাত্ৰাৰ নিমিত্তে চক্ৰধ্বজ সিংহই নিজেই সকলো তদাৰক কৰি প্ৰভুক দুখানি বৰনাও দিয়াইছিল। শিষ্যভকতেসৈতে বিপুল সমাৰোহেৰে প্ৰভু ওটোৱাই গৈ অশ্বক্ৰান্ত পায়। তাতে প্ৰভুক আদৰ অভ্যৰ্থনা জনাই আগবঢ়াই নিবলৈ অৰ্জ্জুনদেৱ গোসাঞি সশিষ্যে অপেক্ষা কৰি আছিল। মাধৱ মন্দিৰৰ উত্তৰ পাৰে বৰনদী পাৰত লোচসত্ৰ। অৰ্জ্জুনদেৱ দেৱদামোদৰৰেই শিষ্য। লোচৰ উত্তৰলৈ মুকুন্দপুৰ সত্ৰ। মাধৱ দৰ্শন কৰি আহি বনমালীদেৱে চোচা মদনকুঁৱৰীদি আৰু গোপেশ্বৰ দেৱালয় দৰ্শন কৰে। তাৰপৰা পুষ্পভদ্ৰাইদি লোচ সত্ৰত স্থিত হয়গৈ। অৰ্জ্জুনদেৱৰ লগত আলাপ-আনন্দ কৰি কিছুদিন থকাৰ পিচত দেৱ নিজা সত্ৰলৈ উভতি আহে। সেই ওভতাযাত্ৰাত প্ৰভুৱে বঙাল মাৰিবলৈ যোৱা কলিয়াবৰীয়া নাওবৈচাৰ নাওদুনি নোপোৱা হলে বৰ দুৰৱস্থাত পৰিব লাগিলহেঁতেন। কিন্তু ঈশ্বৰবাইৰ কৃপাত সেই সত্ৰ নিৰ্বিঘ্নে পাৰ হল।

সত্ৰ পাই সৰহ দিন জিৰাবলৈ নৌপাওঁতেই চক্ৰধ্বজ সিংহৰ অন্তকাল পালেহি। ৰজাৰ অন্তিম দিনক দিনে বেয়ালৈ অৱস্থা দেখি মন্ত্ৰীসকলে বৰ-সদাহ পাতি কুৰুৱাবাহীৰ ৰামকৃষ্ণ গোসাঁই আৰু বনমালী গোসাঁইক আমন্ত্ৰণ কৰি অনালে। প্ৰায়শ্চিত্তাদি হৈ মহাৰজাই বনমালীদেৱক কলে, "বাপু, মোৰ মৃত্যু সময়ত যি কৰিব লাগে, তাকে কৰিবা।" পাচে মৃত্যু সময়ত কৰাই দেৱে বোলে "মই যি নাম লওঁ মহাৰাজেও সেই নাম লব।" ৰাজাৰ সদগতি কৰাই প্ৰভু যথাস্থানলৈ গমন কৰিলে।

তদনন্তৰে, কুৰুৱাবাহী সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীৰামকৃষ্ণদেৱ গোস্বামীৰ পৰামৰ্শ অনুসৰি বনমালীদেৱ ভৈৰৱী নদীৰ পাৰত থকা হলেশ্বৰলৈ যায়—সুৱৰ্ণৰ হলেশ্বৰ মূৰ্ত্তি আনিবলৈ। কিন্তু ধুমুহা-বৰষুণ হোৱাত পানীৰ তলৰপৰা মূৰ্ত্তি উলিয়াব পৰা নহল। নিৰুপায় হৈ গোসাঞে তাৰ সলনি আন এখন মূৰ্ত্তিকে গঢ়াবলৈ ইচ্ছা কৰিলে। দক্ষিণপাটলৈ ঘূৰি আহি সেই ইচ্ছা ব্যক্ত কৰাত ৰজামন্ত্ৰী, শিষ্য সেৱক সকলোৱে মুক্ত হস্তে ধন দান কৰে। অলপ দিনৰ ভিতৰতে সেই ধনেৰেই সোণৰ অপৰূপ মূৰ্ত্তি এখনি গঢ়োৱা হল। মূৰ্ত্তিৰ নাম হল ভুবনমোহন। মহা আড়ম্বৰেৰে মহোৎসৱ পাতি মূৰ্ত্তিখনি সত্ৰতে প্ৰতিষ্ঠা কৰা হল।

ভুবনমোহন মূৰ্ত্তি স্থাপন কৰিয়েই দেৱে জন্মভূমি কলাবাৰীত সত্ৰ পাতিবলৈ মনস্থ কৰিলে। ৰজাৰ আদেশত ৰাজ আহিৰে পতা দক্ষিণপাটৰ সত্ৰখন বেহেৰুৱা বৈকুণ্ঠপুৰ সত্ৰৰ মাৰ্হিৰ লগত কিছুমান খণ্ডত অমিল আছিল। কলাবাৰীত নিজৰ মনোমতৰূপ সত্ৰ পাতিবলৈ এইটিয়েই ইচ্ছা কৰাৰ কাৰণ। সেই উদ্দেশ্যে বনমালীদেৱে ভঁড়ালৰপৰা নগদ ৭০০, (সাত শ টকা) ব্যয় কৰি থাৰে নিলৰ উত্তৰে সৰোবৰ হেন বৰ-পুখুৰী এটা খনাই তাৰ তিনিউ পাৰে ভকতৰ হাটী সজোৱালে। সত্ৰৰ চৌমেৰে প্ৰকাণ্ড থাৰৈ খনাই ওপৰ ওখ ঢাপ মৰোৱালে। ঢাপ মুৰীয়া। ঢাপৰ ভিতৰতে নামঘৰ মণিকূট। দক্ষিণপাটৰপৰা অচ্যুতানন্দ ৰায়ৰ মূৰ্ত্তি আনি সেই সত্ৰত প্ৰতিষ্ঠা কৰি মূৰ্ত্তিৰ নামানুসাৰে নাম ৰাখিলে অচ্যুতপুৰ। কিন্তু কলাবাৰী দক্ষিণপাটসত্ৰ নাম হে জলি থাকিল।

ৰামধ্বজ সিংহ স্বৰ্গদেৱে নবোৱা ঠাকুৰতে সকলো ভৰসা কৰিছিল যদিও, ৰাজমহিষীয়ে-গৈহে কলাবাৰীলৈ গৈ অচ্যুতানন্দ ৰাইৰ পাদপদ্মত ৰৌপ্য-সুৱৰ্ণ, কোষা-অৰ্ঘা আৰু সোণৰ ফুল দি বনমালীদেৱৰ শিষ্যত্ব বৰণ কৰে। ইয়াতে গদাধৰ সিংহ মহাৰাজৰ লগত মনোমালিন্যও ঘটে। উদয়াদিত্য সিংহও ইয়াতে ভকত হয়। ১৬০১ শকত কঁঠালগুৰীয়া বা লৰাৰজা দক্ষিণপাটৰ শিষ্য হৈ সত্ৰৰ জেউতি চৰায়, ইয়াতে তেওঁ এটি দৌলো নিৰ্ম্মাণ কৰাই দিয়ে। তেওঁৰ দিনত "ডাঙৰীয়া বিষয়া সনে দক্ষিণপটীয়া ভকত।"

কলাবাৰীৰ মূৰ্ত্তি ভাগৱত আৰু ভকত-বৈষ্ণৱসকলক স্থানে-স্থানে নিযুক্ত কৰি থৈ প্ৰভু আকৌ আগৰ সত্ৰ দক্ষিণপাটলৈ আহিল। অশ্বক্ৰান্ত-বেহাৰত যি ভাবে অনৰ্গল আথৈ ফুটাদি ফুটোৱাকৈ ভাগৱত কৈছিল, সেই ভাৱেই ইয়াতো সদা-সৰ্ব্বদা নিৰ্দ্দিষ্ট পৰত ভাগৱত কোৱা হৈছিল। ক্ৰমান্বয়ে বৃদ্ধ হৈ অহাত শক্তিক্ষীণ আৰু শৰীৰ অৱশ হৈ আহিল। আগেয়ে ভাগৱত

হয়গ্ৰীৱ-মাধৱ দৰ্শন।

চক্ৰধ্বজ সিংহক মন্ত্ৰমঙ্গল শুনোৱা।

হলেশ্বৰ যাত্ৰা।

কলাবাৰী-সত্ৰ।

নাক ৰামদেৱৰ হাতত ধৰ্ম্মগাদী অৰ্পণ আৰু বৈকুণ্ঠ প্ৰয়াণ।

কণ্ঠতে যি অমৃত বৰষিছিল এতিয়া আৰু সেই অমৃতবৰ্ষণ নাই। পাঠৰপৰা শ্ৰৱণত হে মন নিবিষ্ট কৰিব লগীয়া হল। শ্ৰৱণ শক্তি হ্ৰাস হৈ আহিলত, ভক্তসকলে অন্তকাল চমু চাপিল বুলি প্ৰভুৰ চৌপাশে বহি ৰাতিয়ে দিনে উজাগৰে থাকিবলৈ ধৰিলে। শেষ সময়ত প্ৰভুৱে সকলোলৈকে চাই মাত লগালে, "বলৰাম গোসাঁঞিও আৰু পৰমানন্দ গোসাঞে প্ৰভু দেব দামোদৰৰ ধৰ্ম্ম ধৰি আছিল। সেই সকলেই কৃপা কৰি আমাক অনাদি সিদ্ধ ধৰ্ম্ম-ভাগৱত দিলে। এতিয়া আমাৰো নশ্বৰ দেহা এৰিবৰ সময় পাইছোঁহি। আমাৰ ভতিজা ৰামদেৱৰ শিৰতে সেই ধৰ্ম্মমালা অৰ্পণ কৰিলোঁ। তোমালোকে আমাক যেনেকৈ ভাবিছিলা, ৰামদেৱকো তেনেকৈয়ে ভাবিবা"। তাৰ পিচত ৰামদেৱৰ ফালে চাই শেষ বাক্য বুলিলে, "বোপা, ৰামদেৱ, তুমিও ভকত বৈষ্ণৱেৰে মিলিজুলি থাকিবা। বেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰলৈ নাপাহৰিবা। তাকো পালন কৰি থাকিবা।" এই কিষাবি উপদেশ দিয়েই, ৰজা-ৰাজমহিষীক আশীৰ্ব্বাদ দি, ৰামদেৱৰ শিৰত ধৰ্ম্মৰ নিৰ্ম্মালি ধাৰি পিন্ধাই দিলে। চাৰিউফালৰ পৰা হৰিধ্বনি কৰি সকলোৱে নিৰ্ম্মালি দান সমৰ্থন কৰিলে। ওৰে নিশাটো নামগুণ গাই থাকোঁতেই সোঁ জোনে ৰাতি পুৱাল। পিছ দিনা, প্ৰভাততে স্নান কৰি সন্ধ্যা কৰিবলৈ ধৰোঁতেই, উৰ্দ্ধবাহু হৈ প্ৰভুৱে "জয় জয়" বুলি মাতষাৰ দিয়েই বৈকুণ্ঠলৈ গতি কৰিলে। দক্ষিণপাট সত্ৰ গোটেইখন জুঁয় পৰিল। তিথি শুক্লা সপ্তমী, আহিন মাহ, ১৬০৫ শক।

দেশজুৰি শোকৰ উচ্ছ্বাস।

প্ৰাণ্তপঞ্চত্ব প্ৰভুৰ শিৰত দমনা-সালগ্ৰাম থাপি দেবাঙ্গ বসন পৰিধান কৰাই গোটেই চন্দন তুলসীৰ মালা দি ভকতসকলে দবা-শংখ-ঘণ্টা-কালি প্ৰভৃতি নানান বিধ বাদ্য ভণ্ড বজাবলৈ ধৰিলে। ব্ৰাহ্মণসকলৰ বেদমন্ত্ৰ ধ্বনিত আকাশ নিনাদিত হল। ভতিজাৰ ৰামদেৱে অঞ্জলি কৰিলে। তাৰ পিচত, নিষ্প্ৰাণ অথচ সুন্দৰ দেহাটি তুলসীৰ তলত শুৱাই থোৱা হল। তেতিয়াও প্ৰভুৰ কান্তি উজ্জলিয়েই আছিল। ভক্তবৃন্দই চাৰিউফালে মুৰঘুমাই বহি হুকহুকাই কৰে কান্দিবলৈ ধৰিলে। শিষ্য-শৰণীয়াসকল প্ৰভুৰ ইমান স্নেহৰ পাত্ৰ আছিল যে বৈকুণ্ঠ প্ৰয়াণ কৰাৰ লগে-লগেই প্ৰভুৱে ভালেমান শিষ্যভকতক চতুৰ্ভুজ হৈ বিষ্ণুসঙ্গলৈ যোৱা ৰূপত স্বপ্নত দৰ্শন কৰাইছিল। প্ৰভু নিৰ্বাণ হোৱা বাতৰি শুনা মাত্ৰকে চহৰীয়া লোক যেনে আছিল তেনেই সত্ৰৰ ফাল ঢাল ললে। সত্ৰ লোকাৰণ্য হল। সকলোৱেই শোকত আভুৰ। নৃসিংহ সত্ৰৰ সন্তগৰাকীও ভক্তসৱক লগত লৈ সত্ৰ ওলালহি। দ্বিজ ভট্টাচাৰ্য্যও আহিল। প্ৰভুৰ নিৰ্জীৱ দেহাটি খাটত তুলি, ভাগৱতী বাপুসকলে সেই খাট মূৰত তুলি, বাদ্যভাণ্ডেৰে সৈতে, ব্ৰহ্মপুত্ৰৰ বালিত অন্ত্যেষ্টি ক্ৰিয়া কৰিবলৈ লৈ গল। শবটি স্নান কৰাই, শৰীৰত সুগন্ধ চন্দন লিপি, দিব্যবাস মালা পিন্ধাই, পদ্মাসন কৰি বহুৱাই হোম-কাঠৰ চিতাত তোলা হল। বিপ্ৰ-ভট্টাচাৰ্য্যদ্বাৰা বিধিৰতে অন্ত্যেষ্টি ক্ৰিয়াৰ সকলো কৰ্ম্ম সমাপন কৰা হল। হুতাশনে প্ৰভুৰ শৰীৰ দগ্ধ কৰি পেলালে আৰু তাৰ ধোঁৱাৰে পৃথিৱী কামৰূপ ৰাজ্যখন শোকৰ কাৰ্লাৰে ছাটি পেলালে। চিতাভস্ম নি ব্ৰহ্মপুত্ৰত উটাই দিয়া হল। কান্দি-কান্দি ব্যাকুল হৈ সকলোটিয়েই বিষণ্ণ মনেৰে শ্মশানৰপৰা ঘৰলৈ উলটিলে।

'পথতে আসন্ত জৰলে শোকে
হাঁ প্ৰভু এৰি গৈলা মোকে।
এহি বুলি ৰামদেৱে পাচে
ক্ৰন্দন কৰন্ত দুখে।
ভকতৰ শোকে জৰলি গৈল
ক্ৰন্দনৰ বোল উথলিল
হাঁ প্ৰাণ বনমালী মাত্ৰ বোলে মুখে।'

চতুৰ্থ পটল

বনমালীদেৱৰ আধ্যাত্মিক মহিমা

বনমালীদেৱ মহাভাগৱত।

১৪৯৮ শকৰপৰা ১৬০৫ শকলৈকে অসম-বেহাৰৰ ধৰ্ম্ম, সমাজ আৰু ৰাজনীতিৰ বুৰঞ্জীত বিস্তৰ পৰিৱৰ্ত্তন ঘটে। সেইবিলাকৰ বিদ্যমানৰ অন্তৰালত প্ৰভু শ্ৰীশ্ৰী বনমালী দেৱৰ আধ্যাত্মিক শক্তি, বিৰাট ব্যক্তিত্ব, অভূতপূৰ্ব্ব প্ৰতিভা আৰু অলৌকিক বাক্‌সিদ্ধতাৰ প্ৰভাৱ নিহিত দেখা যায়। "যিজন শাস্ত্ৰজ্ঞ, জিতেন্দ্ৰিয়, উৎসাহী মনোজ্ঞ মিতাচাৰী, শুচি, সংযমী, দাতা, সৰ্ব্বজনাশ্ৰয়, স্থিৰ, ধীমান, "যথেচ্ছাৱস্থিত", ক্ষমা, সুশীল, ধৰ্ম্মাচাৰী আৰু দেৱতা-পূজক, সেই জনক বোলা হয় মহাভাগৱত। এনেকুৱা মহাভাগৱতেই আছিল প্ৰভু শ্ৰীশ্ৰী বনমালী দেৱ। তদুপৰি, প্ৰভু আছিল ব্ৰাহ্মণ। ব্ৰহ্মজ্ঞানী হৈ ধৰ্ম্মৰ মৰ্য্যাদা ৰক্ষা কৰাটোৱেই ব্ৰাহ্মণৰ ধৰ্ম্ম। দাই অনাৰ পিচত, পথাৰত যি ধান থাকে, সেই ছেৰাধানকে বুটলি আনি জীৱন নিৰ্ব্বাহ কৰাকে বোলে উঞ্ছশীল বৃত্তি। এনে উঞ্ছশীল বৃত্তিকে অৱলম্বন কৰি প্ৰকৃত ব্ৰাহ্মণ হৈ ১০৭ বছৰীয়া সুদীৰ্ঘ জীৱন এটিৰে ভূ-ভাৰতত অতিবাহিত কৰিলে প্ৰভু বনমালী দেৱে। প্ৰভুৰ জীৱন-লীলাত যিবিলাক ৰাজসিক প্ৰভাৱ আৰু ঐশ্বৰ্য্য বিভূতি অনাহূত-ভাৱে একত্ৰিত হৈছিল, সেইবিলাক কেৱল প্ৰভুৰ আধ্যাত্মিক গুণৰ বলত স্বয়ং চাপ খোৱা হে আকাংক্ষাপূৰ্ব্বক আহৰণ কৰা নহয়।

পঞ্চবৰ্ষতে ঈশশক্তি প্ৰকাশ।

বনমালী যে ঈশ্বৰৰ একাংশ তা পাঁচ বছৰ বয়সতে গম পোৱা যায়। সকলোৱে ভাগৱত পাঠ কৰে আৰু সকলোৱে শুনেও। কিন্তু, পঢ়োতা বা শুনোতা কেইজনে ভাগৱতৰ শ্লোক-খিনি শুনি যোৱাৰ পিচতেই পুনৰাবৃত্তি কৰিব পাৰে? শুনামতেই বনমালীয়ে যে ভাগৱতৰ শ্লোক, ব্যাখ্যা, টীকা-টিপ্পনী আদিলৈকে এবচৰ নোহোৱাকৈ হুবহু আবৃত্তি কৰিব পাৰে তাতে হে সকলো আচৰিত। এনেকুৱা অদ্ভুত শ্ৰুতিধৰী মেধাশক্তিসম্পন্ন হব পাৰে যি জন সেই জন ঈশ্বৰৰ আংশিক প্ৰতিমূৰ্ত্তি নহয় কি?

বিষ্ণুমূৰ্ত্তি দৰ্শন।

খুদীয়া সত্ৰৰ চৰিত-পুথিৰপৰা জনা যায় যে জগন্নাথ ক্ষেত্ৰত খুদীয়া সত্ৰৰ লক্ষ্মীপতি গোসাঞে বনমালী দেৱৰ বিষ্ণুমূৰ্ত্তিৰূপে জগন্নাথেসৈতে আলাপ কৰা দেখিবলৈ পাইছিল—

"আছ বনমালী গোসাই বিষ্ণুমূৰ্ত্তি প্ৰায়
জগন্নাথে আলাপ কৰন্ত সৰ্ব্বদায়।"

জলদেৱতাও আজ্ঞাবহ।

বেহাৰৰপৰা জগন্নাথ ক্ষেত্ৰলৈ যাওঁতে, গোসাইৰ নাওখন পদ্মাগঙ্গাৰ চৰত লাগি ধৰে। গোসাঞে জলদেৱতাক আহ্বান কৰিলত আপোনা-আপুনি পানী ওফন্দি আহিল আৰু চৰত লাগি থকা নাও ওপঙি গল।

দক্ষিণপাটত সত্ৰ পাতোঁতে, শুকান সুঁতি শুকান হৈয়েই আছিল পানী এটুপিৰো সঁচ নাছিল। বনমালীদেৱে হাত থিত দিয়েই ওভোতা বাঁহৰ এচাৰি এডাল পুতি জলদেৱতাক আমন্ত্ৰণ কৰা মাত্ৰকে দোকোলটোকা হৈ পানী বাঢ়ি আহিল। কলাবাৰীত অচ্যুতপুৰ সত্ৰ পাতোঁতে তামোলপাণ এশৰাই আগবঢ়াই আমন্ত্ৰণ কৰাত ব্ৰহ্মপুত্ৰই খুটা কাটল উটুৱাই আনি সত্ৰ পাতিব খোজা ঠাইতে দমাই দিছিলহি।

বাক্‌সিদ্ধতা।

১৫৭৪ শকত, অঠাইকৈ খানি আহোম-নিয়মে উচৰ্গা কৰিও যি ভটীয়াপাৰ পুখুৰীৰ পানী উলিয়াব পৰা নহল বা নবল, সেইটো পুখুৰীকে সংস্কাৰ কৰি পুনৰ বেদশাস্ত্ৰ মতে উৎসৰ্গ জলপ্লাৱিত কৰা বাবে আজিকোপতি ঐতিহাসিক আখ্যানৰূপে শ্ৰুত-বিশ্ৰুত হৈ আছে প্ৰভু বনমালীদেৱৰ অদ্ভুত বাক্‌সিদ্ধতাৰ মহিমা।

প্ৰাণনাৰায়ণ মহাৰাজৰ আৰাধ্য গুৰু।

সৌমাৰেশ্বৰ স্বৰ্গদেৱ জয়ধ্বজসিংহই যেতিয়া পত্ৰ-সন্দেশেসৈতে কটকী পঠিয়াই বেহাৰৰ ৰজা প্ৰাণনাৰায়ণৰ যোগে ডৌকাচাপৰিৰ বংশৱাহলৈ বনমালী গোসাঞিক নিমন্ত্ৰণ কৰে তেতিয়া গোসাঞে আহিবলৈ ইচ্ছা কৰাতো প্ৰাণনাৰায়ণে জয়ধ্বজ ক্ৰুদ্ধ হোৱালৈকো কটাক্ষ নকৰি, গোসাঁইক পঠিয়াবলৈ একোপধেই মান্তি নহল। কিয়? ঈশ্বৰৰ মূৰ্ত্তি প্ৰভু বনমালীদেৱ যে প্ৰাণনাৰায়ণৰ পৰমাৰাধনীয় ধৰ্ম্মগুৰু! গুৰু বিনে প্ৰপন্ন শিষ্যৰ কল্যাণ নাই। পবিত্ৰ ধৰ্ম্মৰ ধ্বজ উড্ডীয়মান হৈ থাকে মানে ৰাজ্যত অশান্তি-অমঙ্গল, কন্দল-বিপ্লৱ, অসূয়া অপ্ৰীতি একোৱেই সতকাই উদ্ভৱ হব নোৱাৰে। গুৰুৱেই যেন সকলো বিপদ-আপদ খণ্ডাৱৰ একমাত্ৰ

গবাকী—এনেটো বিশ্বাস শৰণীয়া ভকতৰ। সেই হে প্ৰতাপী অসম-ৰজাৰ অনুৰোধকো মহন্ত ৰজাই উপেক্ষা কৰিবলৈ অন্তৰত বিষম সাহ বান্ধিব পাৰিছিল।

উন্মাদগ্ৰস্তৰো শান্তিৰ আধাৰ।

বেহাৰৰ লক্ষ্মীনাৰায়ণ ৰজাৰ তৃতীয় পুত্ৰ মহীনাৰায়ণে বীৰনাৰায়ণৰ মৃত্যুৰ পাচত, ৰাজপদ পাবলৈ আশা কৰিছিল। কিন্তু, প্ৰাণনাৰায়ণৰ ন্যায্য দাবী উপস্থাপিত হৈ প্ৰমাণিত হোৱাত সেই আশা পূৰ্ণ নহল। ৰজা হবলৈ নোপোৱা বেজাৰত, ভ্ৰমৰ দৰে দিহিঙে দিপাঙে ভ্ৰমি-ভ্ৰমি প্ৰাণনাৰায়ণৰ বিৰোধাচৰণ কৰিবলৈ ধৰিলে। ধৰা পৰিলত, ৰক্ষা পৰিবৰ একো উপায় নেদেখি কাওবাওকৈ প্ৰাণনাৰায়ণত জনালে, "মোক বৈকুণ্ঠপুৰ সত্ৰত হৰিসেৱা কৰি থাকিবলৈ আজ্ঞা কৰোক। ৰাজাও সেই ৰূপে আজ্ঞা কৰিলত মহীনাৰায়ণে বৈকুণ্ঠপুৰতে হৰিসেৱা কৰি থাকিল। সন্ধ্যা বেলা জপ কৰিছিল।" এই ৰূপেই, মনত ক্ৰোধ লৈ অশান্তিত থকা মহীনাৰায়ণ সুখে শান্তিয়ে অক্ৰোধী হৈ জীৱনৰ বাকী ছোৱা কাল অতিবাহ কৰিব পাৰিলে। বৈকুণ্ঠপুৰ সত্ৰৰ অধিকাৰী আশ্ৰয়দাতা বনমালীদেৱৰ আশ্ৰমত থাকি অমৃতোপম ধৰ্ম্মোপদেশ নোপোৱা হলে মহীনাৰায়ণে জীৱনত কেতিয়াও শান্তি নেপালেহেতেন। অন্য গোসাঁঞিৰ ঠাইতো আশ্ৰয় লৈ মহীনাৰায়ণে হৰিসেৱা কৰি থাকিব পাৰিলেহেতেন, কিন্তু, বনমালী যে ধৰ্ম্মাচাৰী, সৰ্ব্বজনাশ্ৰিত, তাপিত প্ৰাণ জুৰ কৰিব পৰা দেৱতুল্য পুৰুষ! সেই হে উন্মাদগ্ৰস্ত ৰাজপুত্ৰজনে বৈকুণ্ঠপুৰ সত্ৰত থাকি প্ৰাণত শান্তি লাভ কৰিব পাৰিছিল।

যোগসিদ্ধ পুৰুষ।

স্বৰ্গদেৱ জয়ধ্বজ সিংহই গাৰ্হস্থ, ঘাটত যজ্ঞ-বৰ্দ্ধনৰ কৰি 'শ্ৰীশ্ৰীনিৰঞ্জন দেৱত শৰণ লৈ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিলেই, তথাপি আকৌ যে বনমালীদেৱত শৰণে পশি "ৰাজদেহ" সকলো সামৰ্পি দিলে তাৰ কাৰণ কি? কাৰণ প্ৰভু বনমালীদেৱৰ যথেচ্ছাৱস্থিতি ভাৱ, যৌগিক মহিমাই নহয় জানো?

নিৰপেক্ষ ধৰ্ম্মগুৰু।

জয়ধ্বজৰ পিচত, আপোন-বংশহৰ যোগ্য উত্তৰাধিকাৰী নথকাত ডাঙৰীয়া আৰু পাত্ৰ মন্ত্ৰীসকলে বৰজনা চাৰিঙ্গীয়াৰে পাটত বহুৱালে। কিন্তু চিকণ সৰিয়হ প্ৰভৃতি ভালেমান মুখ্য-মুখ্য লোকে সেই মনোনয়নত সম্মতি দিয়া নাছিল। বিনৈগুটিৰ দৰে ৰাজদ্ৰোহীৰে দেশ ভৰি পৰিল।* স্বৰ্গীৰজাৰ উপদেশ ক্ৰমে সকলোৰে চাৰিঙ্গীয়া জনাক সেৱা কৰিলে যদিও, ৰাজ্যাভিষেক কৰি শিঙৰীঘৰত তুলিব পৰা নহল। সেই সময়তে ৰাজ্যত অৰাজকতাৰ আগন্তুকে অলপ দেখা দিবলৈ লৈছিল এনেতে ৰাজ্য ভাৰৰ দায়িত্ব অৰ্পিত হোৱা গোসাঁঞি বনমালীদেৱে মধ্যস্থতা কৰি প্ৰভুৰ সামায়ুৰিৰ প্ৰভাৱে সকলো নিৰ্ম্মূল কৰি পেলালে। সেই হে চাৰিঙ্গীয়া জনক (১৫৮৫ শকৰ কাতিতে ৰজা বুলি ঘোষিত হৈছিল যদিও) শিঙৰী ঘৰত তুলি "১৫৮৬ শকৰ বহাগৰ ২৭ দিন মঙ্গলবাৰ বৃহস্পতিৰ ... ২ দণ্ড আচোতে সিংহাসনত বহুৱাই চাৰিঙ্গীয়াজনাৰ চক্ৰধ্বজ নাম দিব পাৰিলে।"

শিষ্য স্বৰ্গদেৱ-সকল।

চক্ৰধ্বজ সিংহও বনমালীদেৱৰে শিষ্য। তেওঁও জয়ধ্বজৰ দৰেই "বাপ বনমালীৰ হতুৱাই মাত্ৰামঙ্গল কৰোৱাইছিল।" পূৰ্ব্বোক্ত ডাঙৰীয়া হিতেশ্বৰ বৰবৰুৱাই লিখিছে, "এজন যাজক ব্ৰাহ্মণেও ৰজাৰ মাত্ৰামঙ্গল কৰিব পাৰিলেহেতেন। অথচ বনমালীদেৱ আৰু (কুঁৱৰবাহীৰ) ৰামকৃষ্ণ গোসাঁইৰ নিচিনা শীৰ্ষস্থানীয় গোসাঁইক "যাজক" নিয়াইছিল। ইয়াৰ নিশ্চয় কিবা কাৰণ আছিল। চক্ৰধ্বজ ৰজাৰে চাঙত উঠি মাত্ৰামঙ্গল শুনাবলৈ বনমালীদেৱ হে গৈছিল ৰামকৃষ্ণ দেৱ চৰাবৰপৰাই গুচি আহিল।" বৰবৰুৱা ডাঙৰীয়াই উল্লেখ কৰা "কিবা কাৰণ টোৱেই" আছিল বনমালী দেৱৰ সাত্বিক ধৰ্ম্মশীলতা।

* "ডাঙৰীয়াসকল—স্বৰ্গদেৱৰ অভাৱত নো আমি কাক সেৱা কৰিম? জয়ধ্বজ—আগদেৱৰ মুখে শুনিছো চাৰিঙ্গীয়া হেংগাল ধৰা চৰবা ইয়াকেই কিছু আপন বুলি ৰৰটোক আনি ৰজা পাতি লৈ দেশখন ৰক্ষা কৰিবা।"

ডাঃ সূৰ্য্যকুমাৰ ভূঞাৰ উদ্ধৃতি।

"পাচে ৰজাৰ ভাই চাৰিঙ্গীয়া ৰজাক আনি সমালোচন কৰি পাত্ৰমন্ত্ৰীসকলে ৰাজ্যাভিষেক কৰিলে। পাচে ৰাজা বকতাৰপৰা লেচাংগত বাসা নিৰ্ম্মি কতোদিন থাকি ৰাজা চক্ৰধ্বজ নাম ললে।"

ডাঃ সূৰ্য্যকুমাৰ ভূঞা সম্পাদিত "কছাৰী বুৰঞ্জী।"

"এই মানে জয়ধ্বজ ৰজাৰ কথা গত। পাচে ৰজাৰ শহুৰেকৰ পুত্ৰ চিকণ সৰিয়হ। থকবক ৰাজ্য হুলস্থুল কৰে। তিন দিন ৰাজ্য কাক কোনে মোৰে থিতি নাই। বিনৈগুটিয়ে ৰাজ জুৰিলে। দখিন পটিয়া বনমালী বাপুৰ কথাতে চাৰিঙ্গীয়া বৰজনা ৰজা হল। তসা চক্ৰধ্বজ"

—দেওধাই ফুকনৰ বুৰঞ্জী।

* "বাঁহী"-ষষ্ঠভাগ।

চক্ৰধ্বজৰ পাচত হোৱা ৰজা উদয়াদিত্যও দক্ষিণপাটৰে সেৱক আৰু বনমালী গুৰুত শৰণ লোৱা। উদয়াদিত্যৰ দিনত বনমালী দেৱৰ আশ্ৰয়তে থাকি এজন গুৰুৱে ধৰ্ম্ম প্ৰৱৰ্ত্তাইছিল। মূল কথাৰপৰা বেঙাই গলেও বনমালী দেৱৰ পৃষ্ঠপোষকতা থকা গুণে সেই প্ৰৱৰ্ত্তনত কি ঘটিছিল তাৰ এটি চমু বিবৃতি দিয়া হল:

ধৰ্ম্মাবিৰোধী ও প্ৰভুত্বে [illegible]।

উদয়াদিত্য ৰজা হোৱাৰ পিচতে, কামৰূপৰপৰা খেতৰৰ সাধনা জনা পৰমানন্দ নামে এজন বৈৰাগী ব্ৰাহ্মণ আহি কলাবাৰী অচ্যুতপুৰ সত্ৰত আশ্ৰয় লৈ আছিল। আশ্ৰয় দিছিল বনমালীদেৱেই। মাই দিয়েকৰ মুৰত বৈৰাগী বাপুৱে গড়গাঁৱৰ চণ্ডপোবাৰ ওচৰত থকা ওহা বামুণৰ ঘৰত থাকিবলৈ লগাহ। বৈৰাগীৰ আচাৰ-ব্যৱহাৰ ভাল দেখি ওঁহা বামুণেৰ আদৰ-আশ্বাস কৰিছিল। বৈৰাগীয়ে ৰজাৰো মাহাত্ম্য দেখুৱালে। তাতে আচৰিত হৈ ৰজা বৈৰাগীত ভকত হল। দিখৌ পাৰত দক্ষিণপাটৰ শাখাধাৰী সত্ৰৰ কাষতে তেওঁক বাৰী পাতি দিলে। ৰজাক গুৰু হোৱা দেখি, ভালেমান ঠাকুৰীয়া মহন্তৰ শিষ্যাবো ৰজাৰ কথা এবাৰ নোৱাৰি বৈৰাগীৰে মন্ত্ৰ লয়। এজন গুৰুত শৰণ লৈ, আকৌ এজনত শৰণ লোৱাবিলাকক আৰু মোলোৱা বিলাকক ধৰাই-ধৰাই জনাই শৰণ লগোৱা কাৰ্য্য দেখি ঠাকুৰীয়া মহন্তৰ ভকতসকলে হাইঠাগুৰিলৈ নি উদয়াদিত্যক বধ কৰিবলে। উৰহৰ মাং ভগা চাৰিত সৰুৱা-দি বৈৰাগীক থাকিবলৈ ঠাই দিয়া বাবে ওহা বামুণৰ বাপেক-পুতেকক ধৰি আনি পানী দুৱাৰৰ মুখতে কাটি পেলালে আৰু শ দুটা কলাপটৰ ভুৰ সাজি উটুৱাই পঠিয়ালে। ভকতসকলে বনমালী গোসাঁইলৈও চোচা লৈছিল; কিন্তু ঐশ্বৰিক শক্তিসম্পন্ন হোৱা বাবে বৈৰাগীৰ প্ৰধান পৃষ্ঠপোষক ৰাজগুৰু জনাৰ চাপিচাপি কাষ চাপিবলৈকে কাৰো সাহ নহল।

উদয়াদিত্যক মাৰি পুৰেকটিক ৰজা পাতি ষড়যন্ত্ৰকাৰী বিলাকেই ৰামধ্বজক ৰজা পাতে। দল বল যাৰ সেয়ে শাসনৰ বাঘজৰী ডাল ধৰি থকাত, সৰ্ব্বসাধাৰণ ৰাইজৰ স্থিতি-স্থাপকতা নোহোৱা হল। ব্ৰহ্মহত্যা গুৰুহত্যাৰ ফলত, ৰাজ্যত অশান্তি উপদ্ৰৱ আৰু বিধ-বিধ অদ্ভুতে দেখা দিলে। "১৫৯৫ শকৰ ভাদত তেওঁ ৰজা হৈছে আৰু চতলৈ সূৰ্য্যত ত্ৰিশূল্য পৰিছে, শিঙ্গৰী ঘৰ নো-ছাওঁতেই মৌৱে বাহ বান্ধিছে, জল খলকিছে আৰু বাঁহ-গড়াৰপৰা আহোম-বৰুৱাৰ পদুলিলৈকে ৰক্ত উৰিবাইছে বজ্ৰউঠা দোলামাৰি ছিঁগিছে। ১৫৯৬ শকত নামদাঙত চাৰিচক ছয় ঠেঙৰ গৰু উপজিছে। ব্ৰহ্মবধ-ভ্ৰাতৃবধৰ পাপ গুচাবলৈ আৰু অদ্ভুত-অমংগলৰ অশুভ ফল খণ্ডাবলৈ ৰজাই গাপ্পো, ঘাইত ব্ৰাহ্মণ দৈৱজ্ঞৰ হতুৱাই ৭ দিন ৭ ৰাতি ৰবসৰাহ পতালে। এবেৰাহে "ৰক্ষাৱলী" পুঁথি পাঠ কৰ আৰু 'তাম্ৰ তুলসী শালগ্ৰামৰ' অখণ্ড পাজা পতা হৈছিল, আৰু ব্ৰাহ্মণ-সজ্জনৰ আঁজলি ভৰাই সুবৰ্ণ ৰজত দান কৰিছিল।" ৰামধ্বজে এই দৰে হৰিবংশ কৰাই, নবোৱা ঠাকুৰৰ নিমিত্তে সম্বন্ধ ভাৱসা কৰি গড়পুৰুতে সত্ৰ কৰাই দিবলৈ মনতে পাঙিছিল। কিন্তু বনমালী দেৱৰ অদ্ভুত মহিমা শুনি অচ্যুতানন্দৰাইৰ সেৱা কৰি বনমালী দেৱতে শৰণ ললেগৈ।

ৰামধ্বজসিংহও শৰণাপন্ন।

১৫৯৭ শকৰ অন্তত, প্ৰতাপসিংহৰ নাতি অৰ্জ্জুন গোহাঞে ধৰ্ম্মধ্বজ নাম লৈ ৰজা হলত, ৰামবাৰ সেৱক বুঢ়াগোহাঁঞৰ আভৰে মন নিমিলা হল। সত্ৰ দৰ পাত্ৰৰ অধীন আছিল। বুঢ়াগোহাঁঞক মনাও নাছিল, সেই গুণে, বুঢ়াগোহাঁঞে ছলে-বলে ৰজাক মাৰিবলৈ আলচ কৰে। ৰজাদেৱে সিংহ দুৱাৰলৈকে "বনমালী বাপুকে আদি কৰি "বাপুসকলক" কি বোলে বুঢ়াগোহাঁঞকে মোকে প্ৰীতি কৰি দিয়া। তোমালোকৰ বাক্য এৰি দি, বুঢ়াগোহাঁঞক কোনো খান বোলো, ইকালেও কুশল নহব, পৰকালেও নৰকত পৰিম।" এই বুলি বাপুসকলক বুঢ়াগোহাঁঞৰ তালৈ পঠাই দিলে।* ৰজাঘৰীয়া বিবাদ-মীমাংসাৰ মধ্যস্থতা কৰিবলৈ বনমালী গোসাঁইক আগত থৈ ধৰ্ম্মধ্বজে গুৰুবাক্য উলঙ্ঘা নকৰো বুলি শপত খোৱাটোৱেই বুজায় যে ধৰ্ম্মগুৰুসকলৰ ভিতৰত বনমালী গোসাঁয়েই সৰ্ব্বাগ্ৰগণ্য আছিল আৰু গোসাঁইৰ ধৰ্ম্মপৰায়ণতা আৰু সমদৰ্শিতাৰ ওপৰত বিশেষ প্ৰাধান্য আৰোপ কৰা হৈছিল।

ৰজাঘৰীয়া বিবাদ মীমাংসাৰ মধ্যস্থ।

দিহিঙ্গীয়া অৰ্জ্জুন গোহাঞৰ পাচত, পৰ্বতীয়া ৰজা হয়। তেওঁ "হৰালত", ১৬০১ শকত কঠালগুটীয়া চুলিক বা লৰা ৰজা-হৈ চুলিকফা বা লৰাৰজা নাম পায় আৰু হিন্দুমতে ৰত্নধ্বজ নাম লয়। চক্ৰধ্বজ সিংহৰ দিনৰেপৰা দক্ষিণ পাটৰ ভকতসকলেই ৰাজখোৱা, হাজৰীকা, বৰা শইকীয়া আদি সৰহ ভাগ ৰজাঘৰীয়া বিষয় বাব উপভোগ কৰিছিল। অধিকাৰ গোস্বামীৰো শৰণীয়া ভকত আছিল— লানমাখৰু চেতীয়াৰ বন্দৰ বৰফুকন, বৰগোহাই পৰীয়া খোনা,

লৰাৰজাৰ দিনত।

* অসম-বুৰঞ্জী।

পুথাওফুকন, সন্দিকৈৰ বিহপৰুৱা চাৰিঙ্গীয়া ফুকন, হলো ডেকা ফুকন, পিকচাই চেতীয়া, লাপেতিয়া দোমোনা দিহিঙ্গীয়া বৰবৰুৱা—এই সকল প্ৰভৃতি অনেক। "ফুকন-বৰুৱা সবে ভকত, ৰজাও দক্ষিণপটীয়া ভকত।" লৰাৰজাৰ দিনতে দক্ষিণপাত্ৰ সত্ৰৰ "জেউতি চৰে।" এওঁৰ দিনতে বনমালী গোসাঞি এদিন এবেলালৈ ৰজা হৈছিল বুলিও প্ৰবাদ আছে।*

ৰাজসম্মানৰ আধিক্য।

জয়ধ্বজ-চক্ৰধ্বজ-ৰামধ্বজ আৰু লৰাৰজাই বনমালী গোসাইক "সোণৰ চুলা, কেঁকোৰা দোলাও" দিছিল, কিন্তু ৰাজসিক সম্পত্তি বুলি "সাত্ত্বিক প্ৰযুক্ত" হোৱা বাবে নললে।১ এহেলৈ, দক্ষিণপাটত ঐশ্বৰ্য্য-সম্পদৰ সীমা নাছিল। সোণাৰি, কমাৰ, কুমাৰ, বুৰ্ত্তিয়াল মানুহেৰেই সত্ৰ ভৰি আছিল। এজন নহয়, দুজন নহয়, পাঁচ জনকৈ ইন্দ্ৰবংশীয় নৃপতিৰ গুৰু, তাৰ উপৰিও হেজাৰ-বিজাৰ অৰ্থ-পদৱীথকা লোক শিষ্য। এনে স্থলত, দক্ষিণপাটৰ প্ৰচুৰ সম্পত্তি নহৈ কাৰ হ'ব? তাত ঈৰ্ষান্বিত হ'বলগীয়া একো কাৰণ নাই। সত্ৰৰ মান মৰ্য্যাদা ৰক্ষা কৰাটো সত্ৰৰ ধৰ্ম্মাচাৰ্য্যতকৈ শিষ্যসকলৰ হে অলঙ্ঘনীয় কৰ্ত্তব্য। সেই কৰ্ত্তব্য সাধিত হৈছিল দেখিয়েই দক্ষিণপাটৰ ৰাজসম্মান আৰু ঐশ্বৰ্য্যৰ প্ৰচুৰতা।

ৰাজবিদ্ৰোহ গুৰুৰ ধৰ্ম্ম নহয়।

বনমালীদেৱৰ "এক দেহ এক প্ৰাণ," অনুৰক্ত শিষ্য লৰাৰজাক ভাঙিবলৈ দলেবলে যেতিয়া ৰাজপাট অভিলাষী গদাধৰ উজাই আহে, তেতিয়া বনমালী গোসাঁয়ে গুৰু-শিষ্যৰ অভিন্ন সম্বন্ধ দেখুৱাই, আহোম-ৰাজতন্ত্ৰৰো দোহাই দি যি যুক্তি আৰু সাহসেৰে সেই প্ৰচণ্ড অভিযান ভঙ্গ কৰিবলৈ উদ্যত হৈছিল, তাতো প্ৰভুৰ আত্মবিশ্বাস, আত্মবল, ন্যায়পৰায়ণতা আৰু গুৰুত্বৰ অসীম প্ৰভাৱেই ব্যক্ত হয়। লৰাৰজাক খেদি গদাধৰ সিংহ ৰজা হোৱালৈকে গদাধৰৰ পক্ষৰপৰা যিবোৰ অনুৰোধ-উপৰোধ কৰা হৈছিল, সেইবোৰ তন্নতন্নকৈ ফঁহিয়াই চালে গোসাঁই বনমালীৰ কথাত অযৌক্তিকতাৰ লেশমান চিনো দেখিবলৈ পোৱা নাযায়; বৰং "এজন ৰজা থাকোতে আন এজন ৰজা পাতিব নোৱাৰি" ৰাজনীতিৰ সমৰ্থক স্বৰূপে ৰাজানুগত্যৰ চিন হে ফটফটীয়াকৈ ওলাই থকা দেখা যায়। পাটত থকা ৰজাৰ বিৰোধী হোৱাটো যে ধৰ্ম্ম-গুৰুসকলৰ নীতি নহয়, সেইটোও ইয়াতে প্ৰকাশ পায়।

দক্ষিণপটীয়া লৰাৰজাক পৰনতীয়া সেৱক লালুক সোলা বৰফুকনে হাতৰ পুতলাকৈ ৰাখি গদাধৰক মাৰিবলৈ চৰিয়া-চাওডাং মেলি দিছিল। ভয়ত, গদাধৰ ইত-উত পলাই ফুৰিছিল। সেই কালত, তেওঁৰ লগৰীয়া আছিল বৰাটেকেলা শিলপনীয়া নিৰণ আৰু ধেনুচোঁচাৰ ৰামধন লগুৱা দুটা হে। ৰাজগুৰু বনমালীদেৱক মানি কৰাৰ পাৰিলে জানোচা গদাধৰ অনায়াসে ৰজা হব পাৰে, এনে আশা কৰি, গোসাঁইৰ শিষ্য গড়গজ্জা সন্দিকৈ ফুকন আৰু পেলনৰ পুতেক খামৰাক চাৰিঙ্গীয়া ফুকনে গদাধৰক গোসাঞিৰ বাস চাপিবলৈ কলে। কণাবাৰী সত্ৰলৈ গৈ গদাধৰে গোসাঞিক প্ৰাৰ্থীলেগে তেওঁক ৰজা পাতিবলৈ গোসাঞে সন্মতি দিয়ে যেন। পাটত এজন ৰজা থাকোতে সেইজনক হঠাতে ভাঙি আন এজনক পাতিবলৈ যোৱাটো অকল আহোম-ৰাজতন্ত্ৰ বিৰোধীয়েই নহয়, মানৱ ধৰ্ম্মৰো বিৰোধী।২ তাতে আকৌ ভাঙিব খোজা-জন ৰজা হল গোসাঁইৰ প্ৰপন্ন শিষ্য। এপিনে যুক্তি ধৰ্ম্ম আৰু ৰাজতন্ত্ৰৰ অক্ষুণ্ণতা ৰক্ষা, আন পিনে শক্তিশালী অৰুজন দল এটাৰ অযৌক্তিক দাবী—এনে দুই-নাওত-দুই-ভৰি দি প্ৰভুৱে মুখ্যতম শিষ্য লাম্মাখৰু চেতীয়াৰ বন্দৰ বৰফুকনৰ গালৈকে সেই মীমাংসাৰ ভাৰ পেলাই দিলে।

বন্দৰ বৰফুকনৰ লগত মনান্তৰ।

বন্দৰ গদাধৰৰ ভিনীহিয়েক। বায়েকৰ হতুৱাই বা আন প্ৰকাৰে হলেও, গদাধৰে "উপায় মন্ত্ৰণা" কৰি বন্দৰক "বশ্য" কৰি তেওঁৰ ফলীয়া কৰিলে। বান্ধৰ পাৰ, বন্দৰে বৰুৱা-ফুকনাদি সকলো কাবৈৰ লগেৰে উজাই আহি ১৬০৩ শকৰ মানুহ বিহুৰ দিনা নগাবৰ সাঁৱয়হতলীতে গদাধৰক ৰজা পাতি সেৱা কৰিলে। নামনিফৈদীয়া বৰুৱা-ফুকনে এই ৰূপে ৰজা পাতি উজনিৰ পাটত থকা লৰাৰজাক দলিবলৈ সকলোটি লগে-সঙ্গে উজাই আহিল। এই বাৰ্ত্তা শুনি, বনমালীদেৱে আপোনাৰ শিষ্য বন্দৰ বৰফুকনক মতাই নি বৰ দুখেৰে কলে, "তুমি মোৰ

---

১ হিতেশ্বৰ বৰবৰুৱা—"বাঁহী", ৬ষ্ঠ ভাগ।

"গুৰুচৰিত্ৰ বিবেকৰত্ন"—মণিৰাম বৰভণ্ডাৰ বৰুৱা।

২ এনে তন্ত্ৰকে চিঞাই হৰনাথ সেনাপতি ফুকনে মৰাণৰ গুলীৰ আগত থিয় হৈ মৰাণপক্ষ লওঁতা খেদি খোৱা কোঁৱৰ মোহনমালাক কৈছিল, "তোমালক খেদি খোৱা গোহাঁই, আমি কেনেকৈ ৰজা লম? সম্প্ৰতি স্বৰ্গদেউ পাটতে আছে।"

—তুঙ্গখুঙ্গীয়া বুৰঞ্জী।

যেনে শিষ্য, লৰা ৰজাও তেনে শিষ্য। এতেকে তুমি কেতিয়াও ৰজাভঙা কাম নকৰিবা। তোমাক ৰাজস্ব ভিক্ষা কৰিছোঁ। যদি হে ভাঙা শিষ্য জনক তেও প্ৰাণে নেমাৰিবা।" পিচে বৰফুকনে মোৰ অকলৰ কাম নহয় বুলি "দখিণ পটীয়া গোসাইৰ" কথাত ভৰ নিদিলে। মৌনভাৱে হলেও ৰজাভঙা কাৰ্য্যৰ সমৰ্থন কৰিলে। তাতে গোসাঞে প্ৰাণান্তিক বেজাৰ পালে। সেই বেজাৰতে প্ৰভুৰ মুখৰপৰা "বন্দৰৰ বংশত বৰফুকন নহওক" বোলা এটি অভিশাপতুল্য বাক্য ওলাই পৰিল। লৰা ৰজাক ভঙা হল। গুৰুৰ আদেশ মানি বৰফুকনে হস্তক্ষেপ কৰাত সদ্যহতে তেওঁক প্ৰাণে নেমাৰি নামৰূপলৈ নিৰ্ব্বাসন কৰা হল। অৱশ্যে, কিছুদিনৰ পাচত গদাধৰ সিংহই মৰাই পেলালে।

১৫৯৭ শকৰপৰা ১৬০০ শকৰ ফাগুনৰ ১৪ দিন যোৱালৈকে, ৩ বছৰ ৫ মাহ কাল কামৰূপ অধিকাৰ কৰি থকা মণ্ডুৰ খাক খেদি যি বন্দৰ বৰফুকনে দেশখন মোগলমুক্ত কৰিলে, সেই জন বৰফুকনকো যুদ্ধজয়ী হৈ অহাৰ পাচত মহৎ উপকাৰীক অকৃতজ্ঞ খোৰাদি গদাধৰ— অশুগৰে খাই পেলালে অৰ্থাৎ একেবাৰে বধ নকৰি বিষয়ৰপৰা গুচাই ঘৰলৈ খেদিলে। বন্দৰৰ বংশত তেতিয়াৰপৰাই আৰু বৰফুকন নোহোৱা হল। গুৰুৰ অভিশাপ হাতে-হাতে ফলিয়ালে।

ব্ৰহ্মমূৰ্ত্তি বনমালীদেৱৰ অনুৰোধ নাৰাখি অৱমাননা কৰা-বাবেই বন্দৰ বৰফুকন বিষয়চ্যুত হল, নে ৰজাৰ একাচেকা বিবেকহীনতাৰ ফলতেই হল - এই দুয়োটা ঘটনাৰ কাৰ্য্যকাৰণ শিষ্যৰ সম্বন্ধটো আধ্যাত্মিক ভাবে ফঁহিয়াই চালে ন-কৈ নোৱাৰি যে বন্দৰৰ বংশত বৰফুকন পদলুপ্ত হোৱাৰ মূলতে আধ্যাত্মিক শক্তিৰ প্ৰতীক প্ৰভু বনমালীদেৱৰ অন্তৰত আঘাত দিয়াৰেই ফল।

ইস্‌লাম খাঁই বেহাৰ আক্ৰমণ কৰিবলৈ যো-জা কৰাত "ৰজা প্ৰাণনাৰায়ণে ১৫৬০ শকত প্ৰীতিৰ কাৰণে জয়ধ্বজ সিংহলৈ গন্দল চান্দ কটকীৰ হাতত কোলপত্ৰ সন্দেশ দি পঠায়। তাৰ সম্বিধানত আমাৰ ৰজাই বাঁহবৰীয়া কটকী ভৱানন্দৰ হাতত কোলপত্ৰ নিদিয়াকৈ পত্ৰসন্দেশ দিলে। পাচে প্ৰাণনাৰায়ণে কটকী তুলি দৃষ্টি ধৰিলে, বোলে "কোলপত্ৰ নানি খালিপত্ৰ কেমনে আনিলি ?" এই বুলি কাকত ফালি বাঁহবৰীয়া ভৱানন্দ, দিলীহিয়ালৰ অভয় কটকীক গতিয়াই খেদালে উকীল পত্ৰ নিদি। এই কথা সৰ্গদেৱে পাতৰা নাছিল। ১৫৬০ শকত দিয়া চিঠিৰদ্বাৰাই বেহাৰ-অসমৰ মিত্ৰতা স্থাপন নহল, বৰং পেটে-পেটে খং হে বাঢ়িল। ভালেমান বছৰ পাৰ হৈ গল। বনমালীদেৱও বেহাৰৰ মধুপুৰ এৰি সোমাৰ পালেহি। অকৌ বেহাৰত মোগল আক্ৰমণৰ প্ৰয়োজন হল। ফলত, প্ৰাণনাৰায়ণে সৌমাৰেশ্বৰলৈ 'প্ৰীতিৰ কাৰণ' পুনৰ পত্ৰ লিখিব লগীয়া হল।

প্ৰাণনাৰায়ণ-জয়ধ্বজৰ ওপৰত গুৰুত্বৰ অপূৰ্ব্ব প্ৰভাৱ।

আগেয়ে জয়ধ্বজে পূৰ্ব্বৰ কটকী অপমান কৰাৰ কথা সুঁৱৰি কিবা পোটক তোলেই, এনে আশঙ্কা কৰি মনে জানিয়েই এই বাৰ প্ৰাণনাৰায়ণে "আগৰ মধুপুৰতে থকা বনমালীদেৱৰ ভকত ভকতচৰণৰ হাতত চিঠি দি বনমালীদেৱৰ আশ্ৰয় লৈ, সেই চিঠি ৰজাক দিবলৈ কলে। চিঠিত সৰ্গদেৱৰ নামৰ আগত এটা মাথোন শ্ৰী আছিল আৰু তাতউপৰা "আচাম" নাম লেখা হৈছিল। আগৰপৰা ৰজাৰ খং আছিলেই। এতিয়া আকৌ 'শ্ৰীহত' পত্ৰ পাই সেই খং দুগুণে জলিল। সৰ্গদেৱে চিঠি গ্ৰহণ নকৰিলে। ৰাজগুৰু দেৱৰ আশ্ৰয়ত নথকা হলে কটকী ভকতচৰণকো গতিয়াই খেদিলেহেতেন। গুৰুৰ আশ্ৰয়াধীন হোৱা বাবে ভকতচৰণৰ একো দায় নহল। চিঠি হে ফলা হল। প্ৰাণনাৰায়ণৰো গতি বিষম নহল। সামান্য পত্ৰদূষণৰ বাবেই দুই ৰজাৰ মাজত ভীষণ বিবাদৰ সৃষ্টি হলহেতেন যদি উভয় জনা ৰজাই একে গুৰু বনমালীৰে শিষ্য নহলহেতেন।

দৰঙ্গী ৰজা ধৰ্ম্মনাৰায়ণৰ পুত্ৰ মহীন্দ্ৰনাৰায়ণ আৰু নাতিয়েক সূৰ্য্যনাৰায়ণো বনমালীদেৱতে ধৰ্ম্মমন্ত্ৰলোৱা। ধৰ্ম্মনাৰায়ণৰ পুতেক চন্দ্ৰনাৰায়ণ। চন্দ্ৰনাৰায়ণৰ পুতেক সূৰ্য্যনাৰায়ণ আৰু ইন্দ্ৰনাৰায়ণ। দৰং-ৰাজপাটৰ নিমিত্তে দুই ভ্ৰাতৰ কন্দল লগাত, ইন্দ্ৰনাৰায়ণে অসম-ৰজাৰ সহায় লৈ ৰজপদ লাভ কৰে। জ্যেষ্ঠানুক্ৰমে সূৰ্য্যনাৰায়ণ হে ৰজা হব লাগিছিল। কিন্তু বহুত দিন বিদেশত থকাৰপৰা ঘূৰি আহি সিংহাসন দাবী কৰাত কোনেও তেওঁক চিনি পাওঁ বুলি নকলে। অসম-ৰজাৰ ওচৰত সকলো কথা জনালতো সৰ্গদেৱে সূৰ্য্যনাৰায়ণক সূৰ্য্যনাৰায়ণ বুলি স্বীকাৰ নকৰিলে। একো উপায় নাপাই সূৰ্য্যনাৰায়ণে ইন্দ্ৰনাৰায়ণেসৈতে যুদ্ধ দিবলৈকে সম্মত হল। এই বাৰ্ত্তাৰ পাই সৰ্গদেৱেও ৭০০০ মানুহেসৈতে

দৰঙীৰজা, অসম-ৰজা দুয়ো ঘৰতে সমানে প্ৰতিপত্তি-শালী।

সূৰ্য্যনাৰায়ণক ধৰিৰ আনিবলৈ নাওবৈচা ফুকনক পঠালে। ঠিক ফুকনো ওলাই গৈছে, বনমালী গোসাঞেও ৰজাক জনাইছে,—সূৰ্যনাৰায়ণ প্ৰকৃত সূৰ্য্যনাৰায়ণেই, আন কোনো নহয়। গোসাঞে টানি ধৰিলে, "সূৰ্যনাৰায়ণক ধৰিবলৈ মানুহ পঠিয়াব নালাগে, আমিয়েই আনি দিব পৰা হব।" ইতিমধ্যে নাওবৈচা ফুকনে সূৰ্যনাৰায়ণৰ কোঁঠ আক্ৰমণ কৰিবলৈগৈয়ে। বনমালী গোসাঞো গল; গৈ, সকলো কথা বুজাই কোনেও গাত হাত দিব নোৱাৰাকৈ সূৰ্যনাৰায়ণক উলিয়াই লৈ আহিল। নাওবৈচা ফুকন বা তেওঁৰ তলতীয়া কোনো মানুহে "কলৈ বা নিয়ে কেলৈ বা নিয়ে" বুলি সুধিবলৈ সাহ কৰিব নোৱাৰিলে। গুৰুৰ পৰামৰ্শ মতেই সূৰ্য-নাৰায়ণক তেওঁৰ ইচ্ছানুসৰি মঙ্গলদৈৰ পুৱৰ পোনে ৮০টা মানুহেসৈতে স্বাধীন ভাবে থাকিবলৈ দিয়া হল। আপ্তশিষ্য সূৰ্য্যনাৰায়ণক সকলো ৰাধাৰ্ঘিনৰপৰা মুক্ত কৰি নিজে গা-হৈ স্বতন্ত্ৰভাৱে থাকিবলৈ দিওৱাটোতো প্ৰভু বনমালী দেৱৰ ভক্তবাৎসল্য আৰু গুৰুত্ব প্ৰভাৱৰ প্ৰকৃষ্ট নিদৰ্শন। জয়ধ্বজ ৰজা নিৰ্ব্বাক-নিস্পন্দ হৈ থকাটোতো ওলাই পৰে গোসাঞৰ প্ৰতিপত্তি কিমান।

প্ৰভুৰ মহাত্ম্য।

যি কাৰণতেই নহওক, যিখন দেশৰপৰা শ্ৰীমন্ত শঙ্কৰ হেন মহাপুৰুষো বিতাড়িত হৈছিল, সেইখন দেশৰে পৰবৰ্ত্তী ৰজা এজনৰ দ্বাৰায়েই আমন্ত্ৰিত হৈছিল প্ৰভু বনমালীদেৱ। অৱশ্যে আমন্ত্ৰিতেই যে হৈছিল এনে নহয়, পাঁচজনকৈ স্বৰ্গীমহাৰজা প্ৰভুতে দীক্ষিত হৈ প্ৰভুৰ দীক্ষা-মাহাত্ম্যও প্ৰচাৰ কৰিছিল—যাৰ অনুগ্ৰহত প্ৰতিষ্ঠিত আৰু প্ৰতিপালিত হৈ ভাগৱতী ধৰ্মৰ অন্যতম সুদৃঢ় সৌধ দক্ষিণপাট সত্ৰ আজিও দীপ্তিমন্ত হৈ আছে। ইও শ্ৰীশ্ৰীবনমালী দেৱৰেই আধ্যাত্মিক মাহাত্ম্য।

সংস্কৃতজ্ঞ আৰু সাহিত্য সঙ্গীতৰ ৰসজ্ঞও।

প্ৰভু বনমালীদেৱ অকল ধৰ্ম্মাত্মাই নাছিল, সংস্কৃতজ্ঞ পণ্ডিত আৰু সাহিত্য-সঙ্গীতৰ ৰসজ্ঞও আছিল। প্ৰভুৱে সন্তৰ গুণ বৰ্ণাই সংস্কৃত ভাষাত অনুপ্ৰাসযুক্ত বাক্যাবলীৰে এখনি সুবৃহৎ গ্ৰন্থও প্ৰণয়ন কৰিছিল; তাৰ আৰম্ভৰ পদটি পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছে। "ঘোষাৰত্ন" নাম দি সংস্কৃত ভাষাত লেখা ধৰ্ম্মতত্ত্ব কিছুমানো অসমীয়ালৈ ভাঙিছিল। অনুবাদ যদিও, পুথিত মূলৰ উপাদেয় ভাব-সম্পদ সম্পূৰ্ণভাৱে অটুট ৰখা হৈছে। শুদ্ধ ভক্তি-প্ৰবৃত্তি বৰ্দ্ধন কৰিবৰ অৰ্থে প্ৰভুৱে নাটও ৰচনা কৰিছিল। সেই নাটৰ নৃত্য-গীতত নতুন সুৰৰ সঞ্চাৰ দি, নতুন মুদ্ৰা উদ্ভাৱন কৰি সঙ্গীতাচাৰ্য্য উপাধিও লাভ কৰিছিল। নাট-গীতসমূহৰ ভিতৰত "শ্ৰীকৃষ্ণৰ জন্মযাত্ৰা", "ৰাস-প্ৰশংসা" আৰু "অঘাসুৰ বধেই" বিশেষ উল্লেখযোগ্য। পোনৰ দুখন নাট গীতিমূলক। ইয়াতে প্ৰভুৰ সঙ্গীতানুৰাগৰ পৰিচয় পোৱা যায়। শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথি-উপলক্ষে বছৰি "জন্মযাত্ৰা" ভাৱনা কৰা হয়। ৩০০ বছৰৰ পূৰ্ব্বেই আমাৰ ভাৱনাৰ ৰূপ যেনে আছিল সেই ৰূপেই অদ্যাপ্ৰভৃতি সত্ৰত সেই ভাৱনা কৰি থকা হয়। "ঘোষাৰত্ন" পুথিখন মাত্ৰ সম্পূৰ্ণভাৱে এতিয়াও সত্ৰৰ গ্ৰন্থালয়ত সুৰক্ষিত হৈ আছে। বৰ্ত্তমান সত্ৰত ৰাসোৎসৱ উপলক্ষে যি নাটৰ অভিনয় কৰা হয় সেই নাট প্ৰভু ৰাসুদেৱ গোস্বামীয়ে সাময়িক ৰুচিৰ লগত মিলাই লেখিছিল। কিন্তু তাৰ মূলবস্তু বা ভেটি প্ৰভু বনমালী দেৱৰ এই "ৰাস প্ৰশংসাই"।

সাহিত্যৰ মানদণ্ডত শ্ৰীশ্ৰীবনমালী দেৱৰ গ্ৰন্থ কেইখন নিচেই নগণ্য নহয়। কাল-পাত্ৰ-স্থান কেউটাৰ সামঞ্জস্য ৰক্ষা কৰি চালে কব পাৰি যে প্ৰভুৰ ৰচনাসমূহ ভাব-ভাষা আৰু কবিত্বত ভালেমানতকৈ উচ্চ আৰু পাৰলৌকিক তত্ত্ববোধক। সেইবিলাকত বোধ দিয়া হৈছে কৰুণাময় পৰমেশ্বৰে জীৱৰ প্ৰতি সদয় হৈ বেদপুৰাণ সৃষ্টি কৰালে আৰু শাস্ত্ৰ-গুৰু আত্মাৰূপে সেই পৰমেশ্বৰেই আমাৰ অন্তৰত স্থিত দি আছে।

শ্ৰীশ্ৰী বনমালীদেৱৰ

১৪৯৮ শক ঃ—লুইতৰ উত্তৰ পাৰে কভাবাৰী বা কলাবাৰীত আবিৰ্ভাৱ।

১৫০৪ শক ঃ—শ্ৰীশ্ৰীবংশীগোপাল দেৱৰ আশ্ৰমত শিক্ষা আৰু উপবীত গ্ৰহণ।

১৫৩৪ শক ঃ—অশ্বক্ৰান্ত-বেহাৰ-গমন।

১৫৪১ শক ঃ—বেহাৰৰ শ্ৰীশ্ৰীবলোৰাম দেৱৰ লগত।

১৫৯৬ শক ঃ—কুৰুৱাবাহীলৈ প্ৰত্যাগমন।

১৫৫৪ শক ঃ—কুৰুৱাবাহী ত্যাগ আৰু অশ্বক্ৰান্ত-বেহাৰলৈ গমন। শ্ৰীশ্ৰীকবিৰত্ন দেৱৰ লগত সাক্ষাৎ।

১৫৬৫ শক ঃ বৈকুণ্ঠপুৰ সত্ৰৰ অধিকাৰী (ধৰ্ম্মাচাৰ্য্য)। মধুপুৰ, কোচবেহাৰ।

১৫৭৩ শক ঃ পুৰুষোত্তম ক্ষেত্ৰলৈ যাত্ৰা।

১৫৭৪ শক ঃ ঘিলা-বিজয়পুৰত অৱস্থান।

১৫৭৫ শক ঃ কালিয়াবৰত দেৱসত্ৰ স্থাপন, ভটীয়াপাৰৰ পুখুৰী উৎসৰ্গ কৰণ জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ "গুৰুত্ব বৰণ।"

১৫৭৮ শক ঃ জাতকবাত "দিহিসত্ৰ" স্থাপন।

১৫৮০ শক ঃ গড়গাৱঁৰ শাৰদাৰ সত্ৰ স্থাপন।

১৫৮৪ শক ঃ গজপুৰত স্থিতি, খৰালে স্থানান্তৰ, দক্ষিণপাট সত্ৰৰ আধাৰ শিলা স্থাপন।

১৫৮৫ শক ঃ জয়ধ্বজ সিংহক মৃত্যুমংগল শ্ৰৱণ কৰাওন।

১৫৮৫-৮৬ শক ঃ দক্ষিণপাট সত্ৰৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ কৰণ, চক্ৰধ্বজ সিংহ স্বৰ্গদেৱক দীক্ষা মন্ত্ৰদান।

১৫৮৭ শক ঃ—হয়গ্ৰীৱ-মাধৱ দেৱালয় দৰ্শন।

১৫৮৮ শক ঃ অৰ্জ্জুনদেৱৰে সৈতে লোট আৰু মুকুন্দদেৱৰ সত্ৰ দৰ্শন।

১৫৯১ শক ঃ—চক্ৰধ্বজ সিংহক মৃত্যুমংগল শুনোৱা।

১৫৯২ শক ঃ—হলেশ্বৰ যাত্ৰা।

১৫৯৪ শক ঃ কলাবাৰীত অচ্যুতপুৰ সত্ৰ স্থাপন।

১৫৯৫ শক ঃ ৰামধ্বজ সিংহক মন্ত্ৰদান।

১৫৯৭ শক ঃ—ধৰ্ম্মধ্বজ সিংহ আৰু আতন বুঢ়াগোঁহাইৰ বিবাদত মধ্যস্থতা।

১৬০১ শক ঃ ধৰ্ম্মধ্বজ সিংহ আৰু আতন বুঢ়াগোঁহাইৰ বিবাদত মধ্যস্থতা।

১৬০৫ শক ঃ কলাবাৰী ত্যাগ। দক্ষিণপাটলৈ প্ৰত্যাগমন।

১৬০৫ শক ঃ—আহিন মাহৰ শুক্লা পঞ্চমী তিথিত দক্ষিণপাট বা সোমাৰৰ বৈকুণ্ঠপুৰ সত্ৰত বৈকুণ্ঠ প্ৰয়াণ।

পঞ্চম পটল

(২)

শ্ৰীশ্ৰীৰামদেৱ গোস্বামী
১৬০৫—১৬১৫ শক

গদাধৰ সিংহৰ আক্ৰোশত সত্ৰ লণ্ডভণ্ড।

প্ৰভু বনমালীদেৱে বৈকুণ্ঠ প্ৰয়াণ কৰাৰ পাচত, ভাতিজাক ৰামদেৱ দক্ষিণপাট সত্ৰৰ অধিকাৰী হয়। কলাবাৰীৰ অচ্যুতপুৰ সত্ৰৰ ধৰ্ম্মগাদীতে বহি বৈষ্ণৱবৃন্দেৰে সমবেত হৈ মহাপ্ৰভু শ্যাদৰৰাইৰ অৰ্চ্চনা-বন্দনা কৰি থাকিবৰ দহ বছৰমান হৈছিল, এনেতে গদাধৰ সিংহ স্বৰ্গদেৱৰ আক্ৰোশত পৰি প্ৰভুৱে নিকাৰ ভূঞ্জিৱ লগীয়া হয় আৰু সত্ৰৰো বহুত পয়মাল ঘটে।*

ৰাজনিগ্ৰহত পৰাৰ কাৰণ।

ৰাজনিগ্ৰহত পৰা কাৰণ কেইবাটাও। তাৰে প্ৰথমটো হ'ল, বনমালীদেৱে লৰা ৰজাক তাঁহ গদাধৰক পাটত বহুৱাটো নীতিবিৰুদ্ধ বুলি প্ৰতিবাদ কৰা। লালুক সোলাৰ ভয়ত ছদ্মবেশে ফুৰি-ফুৰি গদাধৰ গৈ দক্ষিণপাটৰ ডেকা-অধিকাৰ ৰামদেৱ গোসাঁঞি বহা আসনৰ পাচ ফালে বহি আছিল। গোসাঞে আনকাল মাৰি পঠিয়াৰ দৰে সেই দিনাও তামোলৰ পিক মাৰি পঠিয়ালে। তাত যে মানুহ আছিল, তাঁক বৈই নোৱাৰিলে। পিকৰ ছিটিকনি গৈ গদাধৰৰ কাপোৰত পৰিলগৈ। পলৰীয়া ৰজাই, ৰজা হ'লে, তাৰ প্ৰতিশোধ লম বুলি সেই কাপোৰৰে সামৰি-সুঁতৰি লৈ ফুৰিছিল। এই পিক পৰাটোৱেই দ্বিতীয় কক্ষা। তেতিয়াই তেওঁ লুকাই লুকাই সত্ৰৰ বাজে-ভিতৰে ফুৰি দেখিলে, যে আনবিলাকতকৈ দক্ষিণপাটৰ পয়োভৰ বেছি। সবহ ভাগটি বৰুৱা-ফুকন তাৰপৰাই যায়, আৰু ভকতসকলেও ৰজাঘৰৰ পৰা অধিক সম্মান পায়, গোসাঁই-ভকত সকলোৰে ৰাজ আহি। ভকতৰ নিয়ম-কাৰণ, পূজাপদ্ধতি আন-আন সত্ৰতকৈ বেলেগ। প্ৰতিমা যি আছে, সিও সোণৰ। ঐশ্বৰ্য্য বিভূতিও অপাৰ। এইবোৰেই হ'ল আক্ৰোশৰ তৃতীয় কাৰণ।*

চতুৰ্থটো আক্ৰোশৰ কাৰণ টো হে আটাইতকৈ ডাঙৰ। ইয়াৰ মূলত আছিল এজন বিষয়া যাৰ সুপৰামৰ্শই হওক বা কুপৰামৰ্শই হওক গদাধৰে তাৰ হিতাহিত বিচাৰিব পৰা শক্তি আয়ত্ব কৰিব পৰা নাছিল। এই বিষয়া জনেই এদিন, "মহাৰাজাত গোচৰ দিলেহি, বোলে ভকতৰ ঘৰত ধন কেলৈ লাগিছে? চাউল কঠা হে লাগে। তাকো আকৌ সেৱক—শৰণীয়াই দিয়েই থাকে। স্বৰ্গদেৱৰ আজ্ঞা হ'লে সেই ধন আনি দিব পাৰোঁ।" মহাৰজাই পূৰ্ব্বৰ আক্ৰোশ

* গদাধৰে দক্ষিণপাটত হে যে অত্যাচাৰ কৰিছিল, এনে নহয়, "আউনীআটীৰ গোবিন্দ ঠাকুৰকো পানী পেলাইছিল"। গোসাই মহন্ত আৰু ভকতসকলক নানান্ দুৰ্গতি কৰি বাছ-বিচাৰ নকৰাকৈ যাকে-তাকে শাস্তি দি ৰাজ্যত যি অশান্তিৰ সৃষ্টি কৰিছিল তাক অসমৰ বুৰঞ্জীয়ে এইদৰে কৈছে ঃ—

(* * * ১৬১৫ শকত ভকতক ধৰিলে। তাৰ এই হে কাৰণ ঃ—পূৰ্ব্বে ৰজাদেৱ পলাই ফুৰোঁতে দক্ষিণপাটৰ কলাবাৰী সত্ৰত আছোঁতে ডেকা-গোসাঞেৰে এক দিন বোলাবুলি লাগিল। ডেকা গোসাঞে বঢ়াকৈ বাক্য বুলিলে। সেই কথা মনতে আছিল। আৰু যেতিয়া কলিয়াবৰত ফুকনবোৰে (গদাধৰক) ৰজা পাতিলে, এই কথা শুনি ফুকনবোৰত কৈ ৰজা গুচাবৰ (গদাধৰক) নিমিত্তে কলাবাৰীৰপৰা নাৱে লুইতে ভটীয়াই গৈছে। ৰজাদেৱ উজাই আহি বিশ্বনাথত ৰৈছোঁহি। নাও দেখি ৰজাদেৱে সুধিলে বোলে, "কোন যায়?" বুঢ়া পাটনিয়ে বোলে "নাৱক চাই দক্ষিণপটীয়া ডেকা গোসাঁঞি হেন দেখি।" বোলে, "কৰ দে, মোক আশীৰ্ব্বাদ কৰি যাওক।" মানুহে নাও মেলি গৈ কলত নাহিল। এই এক নিমিত্ত। আৰু বনমালী গোসাঞে সুবৰ্ণৰ মূৰ্ত্তি এখন কৰিলে। এযো কথা মনতে আছিল।" —দক্ষিণপাটৰ শিষ্য শ্ৰীনাথ দুৱৰা বৰবৰুৱাকৃত "অসম-বুৰঞ্জী।"

* ভকত নিৰ্য্যাতন ঃ—ভকতৰ বিচাৰ কৰিলত নগাৰ'ৰ বৰদোৱাৰপৰা মাজুলীলৈকে সৰু-সৰু নামঘৰ বা থান--সত্ৰত ঘৰ পাতি থকা ৩০০০ ভকত ওলাল। সকলোটিকে তোলাই অনাই নিবোক চেউনিত ১২০০, তগাজান চেউনিত ৫০০, গাগলডুবিত ৪০০, ঘিলাধাৰী চেউনিত (উত্তৰ পাৰত) ৯০০—এই তিনি হেজাৰ লোকক দা-কুঠাৰ দি সিসকলৰ ওপৰত ডাক বুলি এটাক হাজৰীকা পাতি ৰাজখোৱা কৰি ৰাজ্য পাতিলে। অকল বৰদোৱা থানতেই ২০০০ ভকত ওলাল। সিসকলাকো ঠানবান্ কৰি কতোক ঘিলাধাৰী-চেউনিত বহুৱালেগৈ। সত্ৰবিলাকৰ মূৰ্ত্তিকো ভাঙিলে।"

—কলিয়াবৰৰ শ্ৰী গজেন্দ্ৰ ফুকনৰ ঘৰত থকা অসম-বুৰঞ্জী।"

পুৰাবৰ অৰ্থে বিষয়াজনৰ উচটনি মতেই চাওডাং চেকেৰাই আৰু আঁচু বুলিয়াক পঠালে, সত্ৰ লুটিবলৈ। সিহঁতে ভকতসকলক বান্ধি সত্ৰ লুটিপুতি ধনবস্তু লৈ আহিল। "সুবৰ্ণৰ মূৰ্ত্তিকো আনি পৰ্ব্বতৰ দলৰ ঘট দিলে। পূৰ্ব্বৰ অপবাধক লে গোসাঁইবো মৰ্য্যাদা নষ্ট কৰিলে।"*

(৩)

শ্ৰীশ্ৰীকৃষ্ণদেৱ গোস্বামী

১৬২৪—১৬৩৫ শক

১৬১৭ শকৰপৰা প্ৰলয়গ্ৰস্ত সত্ৰ-সভাবিলাকৰ ধৰ্ম্ম-ৰাজ্যত পুনৰ সুখ-শান্তি বিৰাজ কৰিবলৈ ধৰে। গদাধৰৰ পুত্ৰ ৰুদ্ৰসিংহ ৰজা হৈ, শিঙ্গৰী ঘৰত উঠি জয়সাগৰৰ পুখুৰী খনাই গোসাঁই-ব্ৰাহ্মণ মহন্তসকলক অনাই যজ্ঞ পাতি পুখুৰী উচৰ্গে, তাৰ পাচত, তাৰ পাৰত ৰংদোল নিৰ্ম্মাণ কৰি শিৱ-দুৰ্গা, গণেশ-সূৰ্য্য, বিষ্ণু-কেশৱৰায় আদিৰ মূৰ্ত্তিবিগ্ৰহ আৰু পুৰাণোক্ত মতে জনাৰ্দ্দন, লক্ষ্মীনাৰায়ণ প্ৰভৃতি সালগ্ৰাম শিলা বিগ্ৰহো প্ৰতিষ্ঠা কৰে। সেই পুখুৰী উচৰ্গা কৰোতে যিজন ব্ৰাহ্মণে যজ্ঞ কৰিছিল তেওঁৰ নাম আছিল বাগীশ ভট্টাচাৰ্য্য। যজ্ঞ সাঙ্গৰ পিচত তেওঁক আৰোহী ভট্টাচাৰ্য্য উপাধি দি সদক্ষিণা প্ৰচুৰ বস্ত্ৰ-অলঙ্কাৰ, উপায়ন বস্তু আৰু ৫০০ পুৰা নিষ্কৰ ব্ৰহ্মোত্তৰ ভূমিৰেসৈতে বলিয়াবৰত সংস্থাপন কৰে।

ৰুদ্ৰসিংহৰ পুখুৰী উচৰ্গা।

পূৰ্ব্বে অশৰণীয়া আছিল যদিও বৰুৱাবজাই ব্ৰাহ্মণ বাহিৰেকে আনক হিন্দুমতে ধৰ্ম্ম-কাৰ্য্য সম্পাদন কৰিবলৈ দিয়া নাছিল। তেওঁৰ দিনত কুৰুৱাবাহী সত্ৰই প্ৰধান আছিল। জয়ধ্বজ সিংহ ভকতীয়া হৈ গাল্পুঘাটত যজ্ঞ কৰি মেধি-মহাজনসকলে নিৰ্ম্মালি দিয়াৰ ক্ৰম এটা লেখা লগাই থৈ গৈছিল। এতিয়া ৰুদ্ৰসিংহই সেইবিলাক নিয়মৰ অলপ-অচৰপ আগ-পাচ কৰি ১৬২৪ শকত এই নিৰ্বন্ধ কৰিলে যে আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী

চাৰিসত্ৰীয়া মৰ্য্যাদা দান।

মূৰ্ত্তি ধ্বংস:—

"আখলৰ যত যত মূৰ্ত্তি পাইলেক
পাপীষ্ঠ সবে নমাই আনিলেক
কতো দাৰুময়, কতো পাথৰৰ
কতো ধাতুময় মূৰ্ত্তি পৰম সুন্দৰ
ধাতুময় সকলক ভাঙিয়া নিলেক
দাৰুময় পাথৰক জলে পেলাইলেক।"
— অনন্ত চৰিত।

গোসাই-ঘৰতো অগ্নিদাহ:—

"কোবামৰা সত্ৰৰ গোসাই-ঘৰতো জোৰ লগাই জুই দিযে। জুযে গোসাঁঞৰ ঘৰৰ টুপটো পুৰি ছাই কৰে।" —হৰিনাৰায়ণ দত্তবৰুৱা

* সন্ত-মহন্তসকলক নানান্ উপদ্ৰৱ কৰিছিল যদিও, গদাধৰ সিংহক হিন্দুধৰ্ম্ম বিৰোধী বুলি কব নোৱাৰি। আন কি, কোনো কোনো কাৰ্য্যলৈ চালে অগুণকাৰী বুলিও কব নোৱাৰি। পলাই ফুৰা কালত যি তেওঁক এফেৰিমানো উপকাৰ কৰিছিল, ৰজা হোৱাত, তাৰে। ৰৰমানুহ পাতিছিল। নিজে অভকতীয়া আছিল। তথাপি, "ব্ৰাহ্মণৰ হাতে বিশ্বনাথত জপ-হোম কৰাই" দল বন্ধাই দিয়াইছিল। উমানন্দত সদাশিৱৰ দৌল নিৰ্ম্মাণ কৰাই ফলি মাৰি দেৱোত্তৰ-ধৰ্ম্মোত্তৰ মাটি দিছিল। বিশ্বনাথতো সেই অনুৰূপে মাটি মানুহ উচৰ্গি দিছিল। গদাধৰে লগত লৈ ফুৰোৱা কাক গোসানীৰ মূৰ্ত্তি হেনো এতিয়াও বিশ্ব-নাথৰ কলিয়া ঠাকুৰৰ ঘৰত আছে। কাত্যায়ণ ভট্টাচাৰ্য্যক তিলে-কুশে উচৰ্গি "এশ ব্ৰাহ্মণৰ আয়ু দিছিল"। কাৰেঙত যি দুৰ্গোৎসৱ পূজা হৈছিল তাত তেওঁ পূজাৰ কেইদিন কাৰেঙত নাথাকি বৰকলা নগৰত থাকিবলৈ লৈছিল। বোকাখাতত কাক-গোসানীৰ দেৱাল পতাই দিয়াইছিল। জখলাবন্ধা গোসাঁইক সত্ৰ কৰাই দিছিল। টঙা বৰদলৈক ৫০০ পুৰা ভূমি দান কৰিছিল। "তিংখাল্গত পুখুৰী খানোতে সেই ঠাইৰ যজ্ঞভূমিত হাল বোৱাই আউনীআটীয়া। বেঙেনাআটীয়া, কাটনীপাৰ সত্ৰৰ মেধি-মহাজন হতুৱাই বৰসবাহ কৰাই পুখুৰীৰ-নাগ নহুৱাইছিল।" এইবোৰ, উপৰিও হিন্দু ধৰ্ম্মৰ সংৰক্ষণ আৰু প্ৰসাৰৰ অনুকূলে যোৱা বিবিধ ধৰ্ম্মালয় বা সৰু-সৰু দেৱাল পতোৱাইছিল। জয়দেৱ চক্ৰৱৰ্ত্তীক ব্ৰহ্মোত্তৰ ভূমিও দিছিল। বে, শ।

—এই চাৰিখন সত্ৰ ৰজাসত্ৰ। ইয়াৰ গোসাইসকল সকলোতকৈ শ্ৰেষ্ঠ আৰু মৰ্য্যাদাত চাৰিউখন সত্ৰ সমান। ৰুদ্ৰসিংহই চকৰধৰা বৰুৱাৰ হতুৱাই জনাই দিলে যে

"বেদকৰ্ম্ম কৰিবাৰ ব্ৰাহ্মণে সে অধিকাৰী"

ৰজাৰ আদেশ—ব্ৰাহ্মণ হে বেদকৰ্ম্মৰ অধিকাৰী।

সেই কাৰণে, "স্বৰ্গদেৱে ১৬২৪ শকৰ জেঠত শূদ্ৰ মেধিসকলক আজ্ঞা কৰিলে বোলে "ব্ৰাহ্মণক শূদ্ৰে শৰণ লগাব পায় যেন একো শাস্ত্ৰৰ বচন পোৱা নাই, এতেকে শৰণ নলগাব। যদি নাই যেন বচন দিব পাৰে, সেই পুথিও আনিব, আপুনিও আহিব, মই বিচাৰ কৰি চাম। নৱোৱা, বৰবেঘৰীয়া, ভবানীপুৰীয়া গোপালৰ নাতি ৰমানন্দ, চেঁচামুখীয়া চতুৰ্ভুজৰ বাহিৰে সকলো মেধিয়ে বোলে, "আমি কিছু নেজানো। মহাৰাজৰ যি আজ্ঞা হৈছে, তাকে কৰিম। শাস্ত্ৰ দেখুৱাম বুলি, দেখুৱাব নোৱৰাসকলক মহাৰাজাই বহুত লঘু-লাঞ্ছনা কৰি ই আজ্ঞা শুনাই দিলে বোলে, "কোনো শূদ্ৰ মেধিয়ে গঞালি ব্ৰাহ্মণকো সত্ৰলৈ অহাযোৱা কৰিব নিদিব।" যিবা ব্ৰাহ্মণ দুজন মৰামৰীয়া সত্ৰত সোমাইছিলগৈ, তেওঁবিলাককো "সৌকাণে কোবাই নাক কাণ কাটিলে আৰু শূদ্ৰসেৱিত ব্ৰাহ্মণক পুনু ব্ৰাহ্মণত শৰণ লগালে।"*

ফুটুকী-চাপৰিৰ সত্ৰ।

এনেকুৱা তীব্ৰ আৰু কঠোৰ ৰাজাজ্ঞা শুনাই দিয়াৰ পিচত, গদাধৰৰ দিনত যতবোৰ ব্ৰাহ্মণ গোসাঁই-মহন্তই অজ্ঞাত বাস কৰিছিল, সেই সকলো চাপিকুচি আহিল আৰু বৈদিক ধৰ্ম্মৰ ভেঁটি বান্ধিলেহি। দক্ষিণপাটৰ সত্ৰাধিকাৰক বিচাৰি নেপাই, দক্ষিণপাট নাম দি ৰজাই ফুটুকী-চাপৰিতে ন-কৈ সত্ৰ এখন কৰাই দিয়ালে, তাতে গড়মূৰ সত্ৰৰপৰাও গোসাঁই এগৰাকী অনাই থাপন কৰিলে। পিচে, এবছৰমানৰ মূৰত, দক্ষিণপাটৰ অধিকাৰ গোস্বামী আপোনা আপুনি আহি ওলালত আকৌ আগৰ দৰেই পূৰ্ণ পযোভৰেৰে ভকতে-কাৰণে, পূজাই-পাৰ্ব্বণে, নামেগুণে সত্ৰ চলিবলৈ ধৰিলে। ফুটুকী চাপৰিত নকৈ পতা সত্ৰখনি গড়মূৰ সত্ৰত জাপি দিয়া হল। তেতিয়াৰপৰা এই সত্ৰৰ নাম সৰু গড়মূৰ সত্ৰ।

দক্ষিণপাট সত্ৰৰ এই গৰাকী অধিকাৰ গোস্বামীৰ নাম শ্ৰীশ্ৰীকৃষ্ণদেৱ 'ৰামদেৱ গোসাঁইৰ জ্যেষ্ঠ পিতৃদেৱেকৰ পুতেক ভায়েক। ১৬২৪ শকৰপৰা ১৬৩৫ শকলৈকে ভোগৰ দিন।

(৪)

শ্ৰীশ্ৰী'আত্মাদেৱ গোস্বামী

১৬৩৫—১৬৪৮ শক

জগতকে আত্মময় দেখোঁতা।

১৬৩৫ শকৰ বহাগ মাহৰ কৃষ্ণা চতুৰ্দ্দশী তিথিত শ্ৰীশ্ৰীকৃষ্ণদেৱ কালপ্ৰাপ্ত হোৱাত, প্ৰভুৰ নিৰ্ম্মালি পাই 'আত্মাদেৱ গোস্বামী অধিকাৰ পদত অধিষ্ঠিত হয়। কৃষ্ণদেৱৰ সকলো পাৰলৌকিক ক্ৰিয়া শাস্ত্ৰীয় মতে আত্মাদেৱেই সমাধা কৰে। প্ৰভু অহৰহ ঈশ্বৰ চিন্তাতেই নিমগ্ন আছিল। কৃষ্ণকথাবিনে তেওঁ আন আলোচনাত এখন্তেকো সময় যাবলৈ নিদিছিল। ভায়েক কামদেৱক সনাতন ধৰ্ম্মৰ নিগূঢ় তত্ত্ব আৰু সত্ৰৰ নিয়ম প্ৰণালীসমূহ বিশদভাৱে বুজাই দি তেওঁকে পৰবৰ্ত্তী অধিকাৰ মনোনীত কৰি ১৬৪৮ শকৰ বহাগ মহীয়া কৃষ্ণা প্ৰতিপদ তিথিত প্ৰভু আত্মাদেৱ পৰলোকলৈ গমন কৰিলে।

প্ৰভুৱে জগতকে আত্মময় দেখিছিল।

(৫)

শ্ৰীশ্ৰী'কামদেৱ গোস্বামী

১৬৪৮—১৬৭৬ শক

ধৰ্ম্মৰাজ্য বিস্তাৰ।

২৮ বছৰ কাল দক্ষিণপাট সত্ৰৰ ধৰ্ম্মাধিকাৰী পদত অধিষ্ঠিত হৈ প্ৰভু কামদেৱ গোস্বামীয়ে সদিয়া, যোৰহাটৰ হোলোঙাপাৰ আৰু দৰং জিলাৰ বালিপৰাত অসংখ্য লোকক ভাগৱতী ধৰ্ম্মত শৰণ লগাই, দেৱ দামোদৰৰ মহিমা শাশ্বত আৰু দক্ষিণপাট সত্ৰৰ প্ৰভাৱ বিস্তাৰিত ভাৱে দৃঢ়তৰ কৰে।

* ডাঃ সূৰ্য্যকুমাৰ ভূঞাৰদ্বাৰাই সম্পাদিত "তুংখুঙীয়া বুৰঞ্জী।"

বালিপৰা-কুৰীয়াপাৰলৈ গমন আৰু বালিপৰাত সত্ৰ স্থাপন।

বজাৰ ডাবি বনত বাস, এনে অৱস্থাৰপৰা মুক্ত হৈ বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰকসকলে এই সময়তে অসম ৰাজ্যৰ বাহিৰে চাৰিওফালে ভাগৱতী ধৰ্ম্মৰ প্ৰতি মন আকৰ্ষণ কৰি আনে। কামদেৱ গোসাঞিও সুসংহত বিশুদ্ধ ভাগৱতী ধৰ্ম্মৰ সোঁত বোৱাবৰ অৰ্থে হিন্দু সমাজৰ ভিতৰত নোসোমোৱা গাইভূঁইবোৰত প্ৰবেশ কৰেগৈ। প্ৰভুৱে পোনেই লুইতৰ উত্তৰ পাৰে থকা বালিপৰা-কুৰীয়াপাৰ আদি ঠাইলৈ গৈ ঠয়ে-ঠায়ে বাহৰ কৰি হৰিনামৰ খলা পাতে। তাতে শৰণৰ ভু নোপোৱা বহুত মানুহে গোসাঁইত শৰণ লৈ ভকত হয়হি। ডফলা চাঙৰ ওচৰত দিনে-নিশায় হৰিনামৰ ধ্বনি শুনি সেই অঞ্চলৰ মুনিহ তিৰুতা জাকেজুমে আহি কামদেৱৰ শৰণীয়া হয়হি। ভকতসকলে যাতে সমূহীয়া ভাবে কৃষ্ণগুণ চৰ্চ্চা কৰিব পাৰে, তাৰ নিমিত্তে প্ৰভুৱে বালিপৰাত সত্ৰ এখনিও পাতি থৈ আহে। অদ্য পৰিমিত সেই সত্ৰ চলি আছে।

নগাৱঁৰ মমপুৰ চাংচকী জাগী আদি ঠাইত সত্ৰ স্থাপন।

বালিপৰাত শৰণ-ভজন দি, গোসাঞি তেজপুৰলৈ আহে। তেজপুৰৰপৰা নগাৱঁত অৱস্থান কৰেহি। তাতে দীঘলদৰী, বহা, চাংচকী, জাগী, নাৰিকলী, দৰকা, কামপুৰ আদি দেৱসত্ৰৰ দক্ষিণ ফালে থকা চহৰ কেইখনি ভ্ৰমণ কৰে। তাৰ চহৰীয়াবিলাকক শৰণ লগাই সেই অঞ্চলত সনাতন বৈদিক ধৰ্ম্মৰ নীতি-কাষ্ঠা, সদাচাৰ, সদ্ব্যৱহাৰ, শিষ্টাচাৰ শিকাই ধৰ্ম্ম-বাজাৰ আয়তন বৃদ্ধি কৰে। চৰাইহাগী, গোমোথা, দীঘলদৰী, এডলীয়া দৰ এইবিলাক ঠাইত নামঘৰ-মণিকূট সজাই নামঘৰে পাতি একোজনা-একোজনা বিষ্ণুমূৰ্ত্তি স্থাপন কৰে। শুচি সংযমী হৈ নামগুণ গাই থাকিবলৈ একোজন একোজন সদাচাৰী ব্ৰাহ্মণ নিযুক্ত কৰি থৈ আহে।

সদিয়া চহৰত শৰণ-ভজনদান আৰু সত্ৰ স্থাপন

নগাঁও চহৰ পবিত্ৰ কৰি সোৱণশিৰী নৈয়েদি উজাই, ঘাটে-পাৰে প্ৰভু সদিয়া চহৰ পায়গৈ। সেই ছোৱা দেশত হৰিনামৰ ধ্বনি বলা নাছিল। কামদেৱ গোসাঁই ঈশ্বৰ থাপে থাপে বহগাঁও-বিলাকত থাকি-থাকি গৈছিল। এনেকৈ খপুৰাকৈ যাওঁতে-যাওঁতে গোসাঞিৰ সঙ্গে লৈছিল তাতে ওচৰৰ ৰাইজ আহি উৰ্বৰা খাই পৰিছিলহি। প্ৰভুৰ লাৱনি শৰীৰ আৰু মোহনী শক্তিত মুগ্ধ হৈ সকলো প্ৰভু প্ৰভুৰ চৰণত ঢলি পৰিছিল। সেই সকলোকে কামদেৱ গোসাঁয়ে হৰি-পৰায়ণ কৰে আৰু ভকতীয়া-অভকতীয়া সকলো গোট খাই নামপ্ৰসঙ্গ কৰি থাকিবলৈ চাৰি গড় দিবাই, নামঘৰ মণিকূট সজাই পুখুৰী খনাই সত্ৰ এখনিও পাতি আহে।

জয়পুৰ আৰু নামচাঙত নগা দোৱনীয়াক শৰণ লগায়।

সদিয়াৰপৰা আহি প্ৰভু কেইমাহমান ডিবৰু নৈৰ পাৰত থাকেহি। তাৰপৰা জয়পুৰ-নামচাঙলৈ গৈ দোৱনীয়া আৰু নগাগাৰত ধৰ্ম্ম প্ৰকাশ কৰেগৈ। তাতো বহুতে শৰণ লৈ ভকতীয়া হয়।

লাহিঙত গুৰু আৰু সেই দেৱতাৰ মাহাত্ম্য প্ৰকাশ।

উজনিৰপৰা উলটি আহি নকচাৰীৰ লাহিঙত বাহৰ কৰেহি। তাতে যাদৱৰাইৰ মাহাত্ম্য প্ৰকাশ হোৱাত ভালেমান "অপুত্ৰকাই" পুত্ৰ লাভ কৰে, চিৰৰুগীয়া ৰোগৰপৰা মুক্ত হয় আৰু নিৰ্ধনীয়েও ধনৰ মুখ দেখে। গুৰু আৰু ইষ্ট দেৱতাৰ মহিমা দেখি আকৰ্ষিত হৈ বিস্তৰ লোক কামদেৱ গোসাঞিৰ শৰণাপন্ন হয়হি। গুৰু জনৰ আশীৰ্ব্বাদত উপকৃত হোৱা লাহিঙীয়া সেৱক-সন্ততিৰ নাতি-সন্ততিয়ে আজিকোপতি প্ৰভু ঈশ্বৰৰ ঐশ্বৰিক মহিমাৰ কথা সাধুকথাৰ দৰে বখানি থাকে। গোসাঁই ঈশ্বৰৰ এই সুদীৰ্ঘ কাল প্ৰবাস খটাৰ ফলত পাঁচছ হেজাৰমান লোক মহাপ্ৰভু যাদৱৰাইৰ সেৱক হৈ দক্ষিণপাট সত্ৰলৈ আহে।

চামোন-পিশাচো ভকত হৈছিল।

মহাভাগৱত বনমালীদেৱৰ দৰেই কামদেৱৰ অলৌকিক সিদ্ধতাৰ বিষয়ে ঠায়ে-ঠায়ে অনেক উপাখ্যান জনশ্ৰুতি প্ৰচলিত হৈ আছে। সদিয়াত থকা প্ৰভুৱে কিছুমান চামোনক শিষ্য কৰাইছিল। সদিয়ালৈ গলে, গোসাঁই বা বাজমেধিয়ে সেই শিষ্যৰ উদ্দেশ্য দিহং-দিপাঙৰ মুখত এচৰু মিঠৈ-নিৰ্ম্মালি আগবঢ়োৱা-নিয়ম অলপলৈকে আছিল। পিশাচ-শিষ্য যে আছিল সেই কথা ২০০ বছৰৰ পিচত ভকত এজনে দেখা স্বপ্নই প্ৰত্যয় মনায়।

পিশাচৰ গুৰু ভক্তি।

গোসাঁই ঈশ্বৰৰ 'ৰুপকলী' নামেৰে এখন নাও আছিল। সেই নাওখন পৰৱৰ্ত্তী অধিকাৰ পূজাপাদ নৱদেৱ গোসাঁই ঈশ্বৰৰ দিনলৈকে আলাই-আথানিকৈ পেলাই থোৱা হৈছিল। সত্ৰত থকা হলিৰাম নামৰ ভকত এজনক পিশাচ শিষ্যই স্বপনত কলেহি বোলে "কামদেৱ গোসাঁই ঈশ্বৰৰ নাওখন কেলৈ এনেকৈ যাতে পায় তাতে আলাই-আথানিকৈ পেলাই থৈছে। বাধা চাপৰিতে কাঠ এডাল লগাই থৈছোঁহি। তাতে বান্ধি থগৈ। আমালৈ মিঠৈ নিৰ্ম্মালিও দিয়ক। আমি কামদেৱ গোসাঁই ঈশ্বৰৰ ভকত।" পাচে, প্ৰত্যয়ে সকলোৱে চায়গৈ দেখোন। হয়, স্বপনত কোৱাদৰে সাঁচাসাঁচিকৈয়ে চাপৰিত কাঠ এডাল লাগি আছে। এই অপূৰ্ব্ব ঘটনাটি নৱদেৱ গোসাঁই ঈশ্বৰ বৈকুণ্ঠপ্ৰাপ্তি হোৱাৰ পাচত হৈছিল।

১৮০৪ শকত, সত্ৰতে উদাসীন হৈ থকা কিৰণচন্দ্ৰ দেৱ গোস্বামী ন-ডেকাদেৱ এবাৰ সদিয়ালৈ গৈছিল। যাওঁতে বাটৰ দিশ হেৰাল। যাব লাগিছিল ব্ৰহ্মপুত্ৰইদি, গল দিপাঙেদি

এবেলাৰ বাট উজাই। নৈপাৰ ও অগাইধনি হাবি। বামলৈ নানামি নাৱতে সকলোটি টেপা লাগি আছে। এনেতে, মাৰ্জানিশা কোনোবাই যেন ৰিঙিয়াই-ৰিঙিয়াই কলেহি, "আপোনাসৱ কলৈ যাবলৈ আহিছে? আৰু-অলপমান গলেই এটি প্ৰাণীও জীয়াই নেথাকে। কাইলৈ ফেঁহুজালি দেওঁতেই ইয়াৰপৰা উভতি যকগৈ। পাৰতে, আলু-কচু, লাওকোমোবাৰ ভাৰ দুখনমান পেলাই থৈছোঁ, লৈ যাব। আমি কামদেৱ গোসাঁই ঈশ্বৰৰ ভকত। আমি থাকোঁ-মানে আপোনাসৱক কোনেও একো কৰিব নোৱাৰে।" পাচ দিনা ৰাতিপুৱা চায়গৈ দেখোন, পাৰত লাও-কোমোৰা, আলু-কচুৰ ভাৰ খনদিয়েক পৰি আছে। দেখি, সকলোৱে আচৰিত মানিছে। তেহে, নেপথ্যে কোৱা মাতকিষাৰৰ মতেই নাও ওভোতাই আনি আকৌ ব্ৰহ্মপুত্ৰইদি বাট ধৰি ন-ডেকাদেৱ সদিয়া ওলাইছেগৈ।

পিশাচ শিষ্যৰ দ্বাৰাই কামদেৱৰ কালিকা প্ৰকাশ।

নকচাৰীৰ হোলোঙাপাৰতো সেই দৰে কামদেৱ গোসাঁঞিত শৰণ লোৱা পিশাচশিষ্য আছিল বুলি ভালেমান প্ৰবাদ চলি আছে। সেইবোৰ শিষ্যৰ বংশ আৰু শিষ্য হেনো এতিয়াও আছে। সেই ঠাইতে দক্ষিণপাটৰ চটাই খাত। তাত বৰ ডাঙৰ বিল এখন আছে। বিলখনকো চটাই-বিল বোলে। বিলত এজন উপদেৱতা বা বথীয়া থাকে। তেওঁ হেনো কামদেৱ গোসাঁঞিৰ ভকত, বাৰিয়া হলে বিলৰপৰা ওলাই মেলেং-কঁকিলা নৈয়েদি গৈ ব্ৰহ্মপুত্ৰৰ পৰা বিললৈ মাছ নিয়ে। কঁকিলাৰ বিষয়াই বাণ দিযে—বাৰেপতি ভাগে। অন্তত, বিষয়াই সমাজিকত দেখিলে সেই উপদেৱতা জনে কৈছেহি, "ময়ে তোৰ বাণ ভাঙো। মই চটাইবিলৰ বুঢ়া-ডাঙৰীয়া। আজিয়েই তই দক্ষিণপাট সত্ৰত মাছ এযোৰ দি সেৱা জনাই আহগৈ। নহলে, তই মাছ ধৰিব নোৱাৰ।" সমাজিকত কোৱামতেই বিষয়াই সত্ৰত মাছ এযোৰ দিবলৈ অংগ কৰিলে। সেই দিনাৰপৰাই বাণ অৰু নভগা হল আৰু বিষয়ায়ো বছৰি একো যোৰকৈ মাছ দি থাকিবলৈ ধৰিলে। এতিয়াও দিয়েই থাকে।

সত্ৰৰ জয়াল আৰু গপগপীয়া পৰিৱেশ।

এই গৰাকী গোসাঁঞিৰ দিনত ভকতৰ সংখ্যাই আছিল ১৫০০। প্ৰভুৰ আধ্যাত্মিক মৌলীত বিস্তৰ লোক মুগ্ধ হৈ সত্ৰৰ শৰণীয়া হৈছিল। দূৰ-দূৰণিৰপৰা অহা পাণ্ডা-সন্ন্যাসীৰ যে কথাই নাই, সত্ৰ দৰ্শন কৰা লোকেৰেই নিতৌ সত্ৰখন ঠাহ খাই আছিল। ভকত-বৈষ্ণৱৰ নাম-কীৰ্ত্তন আৰু দৰ্শকৰ সমাগমত সত্ৰৰ পৰিৱেশ অতি জয়াল হৈ পৰিছিল। ভকতৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি হোৱাত, পুৰণি ভকতৰ পাচফালে একো ডুখৰি চালি কৰি হে ন-ভকতসকল থাকিবলৈ লৈছিল। সেই সময়ত সত্ৰ আছিল, বৰ্ত্তমান সত্ৰৰ দক্ষিণ-পচিমলৈ কুমাৰ গাৱঁৰ দক্ষিণে।

ব্ৰহ্মপুত্ৰই খহালে আগলৈ সত্ৰ পাতিবলৈ ঠাই এডোখৰ লাগিব—এইটো কথা মনে জানিয়েই বৰ গোহাঁই ফৈদৰ চন্দ্ৰমলা নামে গোসাঁই ঈশ্বৰৰে শিষ্যা কুৱঁৰী এগৰাকীয়ে সত্ৰৰ উত্তৰ লুটিয়ে পুৰৰ ফাললৈ— আগলৈ সত্ৰ পাতিব পৰাকৈ ভালেমান মাটি 'যাদৱৰাইৰ নামে উচৰ্গা কৰি থয়। সেই কুৱঁৰী প্ৰদত্ত মাটিতেই বৰ্ত্তমান সত্ৰ অৱস্থিত।

পৰ্ব্বতীয়া গোসাঁই।

প্ৰভু কামদেৱৰ দিনতে, পিতৃৰ আদেশানুক্ৰমে স্বৰ্গদেৱ শিৱসিংহ মহাৰাজে কৃষ্ণানন্দ ভট্টাচাৰ্য্য ন্যায়বাগীশক পৰ্ব্বতীয়া গোসাঁই পাতে আৰু অসমত আগম পন্থা প্ৰবল ভাবে চলায়।*

ফুলেশ্বৰী কুৱৰীয়ে ঠাকুৰীয়া মহাজনসকলক দক্ষিণপাটলৈ পঠিওৱা নাছিল। তাৰ কাৰণ, সম্ভৱতঃ চাৰি সত্ৰীয়া এটকা মহন্তৰ ভিতৰত দক্ষিণপাটেই হে কেৱল আগম-মতে চলা সত্ৰ। সেই গুণে, ৰজাৰ ধৰ্ম্ম আৰু আনুগত্য ৰক্ষা কৰি ভালেমান সম্ভ্ৰান্ত বংশীয় লোকে দক্ষিণ-

*শিৱসিংহক হেঙ্গালাঙ্গত বহুৱাই ডাঙৰীয়াসকলে সেৱা কৰি ৰজা পতাৰ ৯ বছৰমানৰ পিচত, ৰজাৰ ছত্ৰভঙ্গ যোগ পৰিছে বুলি কোৱাত ফুলেশ্বৰী কুৱঁৰী "বৰ-ৰজা" হয়। তাৰ কেইবা বছৰৰো আগতে শিৱসিংহই পৰ্ব্বতীয়া গোসাইত দীক্ষামন্ত্ৰ লয়। ৰজাৰ গুৰু হোৱা বাবে পৰ্ব্বতীয়া গোসাঞে সকলো প্ৰকাৰৰ পৃষ্ঠপোষকতা লাভ কৰে। ডা-ডাঙৰীয়াসকলৰো বহুতেই সেই গোসাঁইতে মন্ত্ৰ লয় আৰু মূৰ্ত্তি সজোৱাই প্ৰায় বিলাকৰ ঘৰতে দুৰ্গা পূজা কৰিবলৈ ধৰে। ৰঘুনন্দন ভট্টাচাৰ্য্য কৃত স্মাৰ্ত্ত বিধিমতে শ্ৰাদ্ধ বিবাহাদিও সম্পন্ন কৰা নিয়ম চলে। ফুলেশ্বৰী কুৱঁৰী আউনীআটী সত্ৰৰে শিষ্যা আছিল যদিও, পৰ্ব্বতীয়া গোসাঁইৰদ্বাৰা আদিষ্টা হৈ দৌল-দেৱালয়ত শিৱ-বিষ্ণুৰ উপাসনাৰ উপৰিও শাক্ত পন্থৰ তন্ত্ৰমতে বলি-বাহন দি দেৱী মন্দিৰ বা দৌলত গোসানী-পূজা-উপাসনা কৰাৰ পদ্ধতি প্ৰচলন কৰিলে। শিৱসিংহ স্বৰ্গ-দেৱেই "আহোমৰ পূৰ্ব্বধাৰাণ গুচাই মৰাক পোৱালে"। বৰ-ৰজাই কামৰূপৰ দৌল-দেৱালয়বিলাকত নিষ্কৰ দেৱলীয়া মাটিবৃত্তি দান কৰি বহুত ব্ৰাহ্মণ-দলৈক ভৰণ পোষণ দিয়াত হিন্দুধৰ্ম্ম ৰক্ষা হৈ থাকিল। —যু. শ।

পাটতে ভাগৱত-সমৰ্থিত শিৰোক্ত তন্ত্ৰমতে দীক্ষা মন্ত্ৰ লৈ ভকতীয়া হৈ থাকিল। দক্ষিণপাটে-আগম-মত চলোৱা সম্পৰ্কে "মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত" আলোচনা কৰোঁতা অসম-বুৰঞ্জী পণ্ডিত ৰায় বাহাদুৰ কনকলাল বৰুৱা ডাঙৰীয়াই এটি অতি যুক্তিমূলক অভিমত দাঙি ধৰিছে। তেখেতে কৈছে, "দামোদৰ দেৱৰ পৰৱৰ্ত্তী সময়ত কোনো-কোনো বৈষ্ণৱ ব্ৰাহ্মণ আচাৰ্য্যই (দক্ষিণপাটলৈকে লক্ষ্য কৰি) তান্ত্ৰিক ধৰ্ম্মত দীক্ষা দিবলৈ আৰম্ভ কৰাৰ (অসমত) বিশেষ কাৰণ আছিল।" কিয় নো, তেখেতৰ মতে যেতিয়া শাক্তিপুৰীয়া ভট্টাচাৰ্য্যই ৰজা আৰু তেওঁৰ অমাত্যবৰ্গক শিষ্য কৰিলে, তেতিয়া এই ব্ৰাহ্মণ আচাৰ্য্যসকলে "শাক্তক শক্তিমন্ত্ৰ আৰু বৈষ্ণৱক বৈষ্ণৱ মন্ত্ৰ দিবলৈ ধৰে। বোধ কৰোঁ, তেনে কৰা বাবেই তেওঁলোক ৰাজানুগ্ৰত বিশেষ মান্যৱন্ত আৰু আঢ্যৱন্ত হৈছিল। বাস্তবিক দেশীয় আৰু জাতীয় ভাবৰপৰা বিবেচনা কৰি চালে তেওঁলোকে এনে নীতি অবলম্বন নকৰা হলে কিজানি আজিকালি আমি অধিক ভাগ গণ্যমান্য অসমীয়া মানুহৰ ওপৰত বিদেশী বঙালী ধৰ্ম্ম গুৰুৰ হে আধিপত্য দেখিলোঁ হেতেন।"*

সত্ৰ স্থাপন হোৱা দিনৰপৰা কেৰাজনো ৰজা-ডাঙৰীয়া আৰু বিষয়াই সত্ৰৰ অৰ্থে ভূমি দান কৰিছিল। সেইবিলাক দেৱোত্তৰ-ব্ৰহ্মোত্তৰ ভূমিৰ কোনো থনৰ ফলি দেশবিভ্ৰাটত কৰবাৰ-ছাৰি কৰবালৈ গল। শিৱসিংহ মহাৰাজে মাটিমানুহ পিয়ল কৰোতে সাক্ষী প্ৰমাণ লৈ সেই হেৰোৱা ফলিত থকা মাটিখিনি নকৈ তামৰ ফলিত লেখোৱাই আগৰ দাতাসকলৰ দান অনু-মোদন কৰে। ৰজাই নিজেও কামৰূপ-দৰঙত বহুত দেৱোত্তৰ মাটি *যাদৱৰাইৰ নামত উচৰ্গা কৰে।

দেৱোত্তৰ ব্ৰহ্মোত্তৰৰ নতুন ফলি দান।

প্ৰমত্তসিংহ স্বৰ্গদেৱে জেঠৈৰীয়েক থামচেঙ্গীয়া দোলবন্ধা বৰ গোহাইৰ হতুৱাই এই জনা গোসাইৰ দিনতে ১৬৭২ শকত দক্ষিণপাটত দোল এটি নিৰ্ম্মাণ কৰাই দিয়ে। সেই দোলটি আছিল বেৰে ১২০ হাত, ওপৰৰপৰা খুৰা পাটৰ মূধলৈ ১৫ হাত, বুকে ৯ হাত, বাবে-ডাঠে ৭ হাত। মুধৰপৰা ঘটলৈ ২৭ হাত। তাৰেপৰা চুলালৈ ১৩ হাত। গহ্বৰৰ তলে ১৭ হাত। ওখ শুন্যেই ৩৭ হাত।"

দক্ষিণ পাটত দোল নিৰ্ম্মাণ।

ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱে প্ৰভুক দিখৌমুখীয়া কাঁড়ীৰ ভাগৰ ১০৪০ পুৰা মাটি *যাদৱৰাই মহাপ্ৰভুৰ পূজাসেৱাৰ অৰ্থে উৎসৰ্গি দিয়ে।

ৰাজেশ্বৰ সিংহৰ ভূমি দান।

২৫ বছৰ ১১ মাহ ধৰ্ম্ম বিলাই, পিশাচকো শিষ্য কৰি ৰজা-প্ৰজা সকলোকে ঈশশক্তিৰ মহিমা দেখুৱাই শ্ৰীশ্ৰী কামদেৱ গোস্বামীয়ে অবিৰত ভক্ত-শিষ্যভক্তবৃন্দক কন্দুৱাই শ্ৰীশ্ৰী *সহদেৱ গোস্বামীক অধিকাৰৰ মালাকাৰণ দি ১৬৭৬ শকৰ অঘোণ মাহত ইহলীলা সম্বৰণ কৰে।

প্ৰভুৰ স্বৰ্গযাত্ৰা।

(৬)

শ্ৰীশ্ৰী*সহদেৱ গোস্বামী

১৬৭৬—১৭০২ শক

আতাআতা *কামদেৱ গোস্বামীৰপৰা ধৰ্ম্মধিকাৰৰ আশীৰ্ব্বাদ নিৰ্ম্মালি পাই শ্ৰীশ্ৰী সহদেৱ গোস্বামীয়ে মহাপ্ৰভু *যাদৱৰাইৰ প্ৰতিভূ স্বৰূপে ১৬৭৬ শকৰ পৰা ১৬৯১ শকলৈকে দক্ষিণ-পাট সত্ৰৰ বৈশিষ্ট্য ৰক্ষা কৰি ভাগৱতী বৈষ্ণৱ ধৰ্ম্মৰ দণ্ড ধৰি থাকে। গোসাঞিদেৱ ইমান তীব্ৰ জ্যোতিৰ্ম্ময় আছিল যে প্ৰভুৰ দৃষ্টি পৰা মাত্ৰকে অপবিত্ৰ বা অসংস্কৃত দ্ৰব্য বা অন্য উপায়ন বস্তু দ্ৰৱীভূত হৈ গৈছিল। প্ৰভুৱে এবাৰ বনগঞা মহন্তৰ নামঘৰত প্ৰবেশ কৰেগৈ। মহন্ত জনাৰ মণিকূটত বস্ত্ৰঅলঙ্কাৰেৰে সুশোভিত বংশীবদন মূৰ্ত্তি এখনি থাপনাত থোৱা আছিল। গোসাঞে মূৰ্ত্তিৰ প্ৰতি মুৰ দোৱাওঁতেই মূৰ্ত্তিখন ফট্ কৰে ফাটি দুফাল হল। থাপনাৰ প্ৰতিমাখনি এনেকৈ আচম্বিতে ঘুণ লগা দেখি বনগঞা গোসাঁই কান্দি-কাটি বাউল হল আৰু বিগ্ৰহজনা নহলে তেওঁৰ কি দুৰ্গতি-লঘুলাঞ্ছনা হব, সহদেৱ গোসাঞিৰ চৰণত

সাগ্নিক ব্ৰহ্মত্বৰ অধিকাৰী।

* "মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত"—"বাঁহী"।

পৰি কাতুৰ্ব্বাদে জনালে। বিগ্ৰহ জনা বিধিমতে প্ৰতিষ্ঠিত হোৱা নাছিল। সেই গুণেই, সদাচাৰী তেজৰন্ত ধৰ্ম্মগুৰুৰ দৃষ্টি পৰা মাত্ৰকে, দুফাল হৈ গল।*

পৰিশোধিত মূৰ্ত্তি হে প্ৰতিষ্ঠা কৰিব পায়।

বিগ্ৰহৰ নামত মূৰ্ত্তি ৰাখিলেই নহয়। তাক শাস্ত্ৰানুমোদিত বিধিমতে সংস্কাৰ কৰি প্ৰতিষ্ঠা কৰিব লাগে। তেহে, মূৰ্ত্তি পৰিশুদ্ধ আৰু জাগ্ৰত হয়। মূৰ্ত্তি-ভাগৰতেই গৰিষ্ঠ সংখ্যক সত্ৰৰ সত-সৰ্ব্বস্ব। বনগঞা গোসাঁই সৰ্ব্বশূন্য দৰিদ্ৰতাত পৰা দেখি, দয়াপৰবশ হৈ গোস্বামী প্ৰভুৱে তেওঁক নকৈ মূৰ্ত্তি এখনি কৰাই দিয়ালে। বনগঞা গোসাঁইৰ মূৰ্ত্তি-ফটা ঘটনাটোৱে সহদেৱ গোস্বামীৰ সাত্বিক ব্ৰহ্মত্বলৈ প্ৰায়েই সোঁৱৰাই আছিল। কালক্ৰমে গোস্বামীৰ জীৱনজ্যোতি ম্লান হৈ আহিল আৰু ভায়েক ৰন্তিদেৱক ধৰ্ম্মগাদী অৰ্পণ কৰি ১৬৯১ শকৰ মাঘ মাহৰ কৃষ্ণা ত্ৰয়োদশী তিথিত প্ৰভুৱে চিৰশান্তি ধামলৈ গতি কৰিলে।

নৰ্মলি গোহাঞিৰ দৌল উৎসৰ্গা।

এই গৰাকী প্ৰভুৰ দিনত, ১৬৮০ শকত দৌলবন্ধাৰ ভায়েক নৰ্মলি গোহাঞে এটি দৌল নিৰ্ম্মাণ কৰাই দিয়ে।

(৭)

শ্ৰীশ্ৰীৰন্তিদেৱগোস্বামী

১৬৯১—১৭০২ শক

টাটীমৰাৰ আশ্চৰ্য্য ঘটনা।

সহদেৱ গোস্বামীৰ পিচত, ১৬৯১ শকত ৰন্তিদেৱ গোস্বামী দক্ষিণপাটৰ ধৰ্ম্মাচাৰ্য্য হয়। প্ৰভুৰ গাত ঐশ্বৰিক শক্তিয়ে আপোনাআপুনি দেখা দিছিল। এবাৰ, গুৱাহাটীলৈ ভটীয়াই যাওঁতে গোসাঁই টাটীমৰাত নিশা বাণিজ লগীয়া হয়। ৰাতিপুৱা শোচাচাৰ কৰিবলৈ যাওঁতে ভকত এজনে ব্ৰহ্মপুত্ৰৰ পাৰত কণী দুটা পাই নাৱলৈকে কঢ়িয়াই লৈ আহিল। হাটীমতাই জনালত গোসাঁয়ে চাই আচৰিত হৈ মাত লগালে, "ভাল কাম কৰিলা! এই কিটা ডাঁহী সাপৰ কণী। সাপ এতিয়া পায়হি হে লাগে। যি হল, হল বাৰু। তোমালোকে নাও কিখন অলপ আঁতৰাই নিয়াহঁক, মই বাৰু ইয়াতে থাকোঁ।" ভকতসকলে গোসাঁইক একোপধ্যেই এৰি যাব নোখোজে। অন্ততঃ, গোসাঁয়ে অভয় দিলে, বোলে, "তোমালোকে এই ঠাইকণ মচি কলাপাত দুডুখৰিতে কণী দুটা থৈ দিয়া।" সেই অনুসৰি বালিতে ঠাইঠুই আতাই কণী দুটা পাত দুখিলত থৈ দিলে। ভকতসকলক অলপ হুঁহকি যাবলৈ কৈ গোসাঁঞি নিজে কণীৰ ওচৰত বহি থাকিল। তামোল এখন খোৱামান পৰতে ডাঁহী সাপ এযোৰে ফাউৎ-কাউৎ কৰে চিঞৰি-চিঞৰি ভকত থকাৰ ফালে চাল লৈ আহিলেই। ভকত ভয়ত ত্ৰাহি-ত্ৰাহি, ৰন্তিদেৱ কিন্তু অচল-অটল। সাপৰ ফালে চাই প্ৰভুৱে মাত লগালে, "সেই ফালে নগৈ এই ফালে হে আহিব লাগে। কোনোবাই নেজানি যদি কিবা ভুগৰ লগাইছে, আমি ভাঙোতা আছো নহয়?" গোসাঁইৰ মিনতি শুনি সাপযোৰে গোসাঁইৰ ফালে চো মাৰিলে আৰু আকাশত অলপ পৰ বনাই থাকি কণী দুটা মুখত লৈ গুচি গল। তেতিয়া হে সকলোৰে মুখলৈ পানী আহিছে। গোসাঁইৰ অদ্ভুত ধৈৰ্য্য আৰু মহিমা দেখি সকলো স্তম্ভিত।

ডাঁহী সাপো বশ।

১৬৮৬ শকত, প্ৰভুৰ ভোগ কালতে সত্ৰৰ নিমিত্তে নৰ্মলি গোহাঞে আৰু এটি মঠ তৈয়াৰ কৰাই দিয়ে।

প্ৰভুৰ কলাবাৰী ত্যাগ।

প্ৰভু ধৰ্ম্ম গাদীত অধিষ্ঠিত হোৱা বছৰেই 'মৰামৰীয়া' বিদ্ৰোহৰ সূত্ৰপাত হয় আৰু সেই বিদ্ৰোহতে আগৰ জনা অধিকাৰ পুৰুষ "মোঞামৰাৰ" অত্যাচাৰত নানান্ লঘু লাঞ্ছনা সহ্য কৰি স্বৰ্গ প্ৰয়াণ কৰে। মহাৰাজ লক্ষ্মীসিংহক ৰবদলতে বন্দী কৰি মৰাণ-মটকৰ ৰজা ৰমানন্দই খুটীয়াপোতালৈ গৈ মাজুলীত থকা ভালেমান সত্ৰ লণ্ডভণ্ড কৰে। চাৰিসত্ৰীয়া সকলৰ ধন ডাঁৰিও লয়। দক্ষিণপাটৰপৰা ৮০০০, আঠ হেজাৰ টকা বলেৰে লৈ সত্ৰখন যেনিবা ৰণ্ডভণ্ড নকৰাকৈ এৰি থৈ আহিল। ১৬৯২ শকত লক্ষ্মীসিংহই মুক্তি লাভ কৰি আদেশ কৰিলে, "বহুলোকৰ মৰাণে পূৰ্ব্বে ধৰ্ম্ম নষ্ট কৰিলে। এতেকে, আউনীআটী দক্ষিণপাটকে মুখ্য কৰি ব্ৰাহ্মণীয়া ঠাকুৰ সকলো প্ৰায়শ্চিত্ত হওক।" সেই অনুসৰি সকলো সত্ৰৰ ভকত-বৈষ্ণৱ শুদ্ধ হল।

---

* বিদ্ৰোহৰ সময়ত, "মোঞামৰা মহাজনে" চাৰিসত্ৰীয়া গোসাঁইসকলক অতি গৰ্হিত ব্যৱহাৰ কৰিছিল। "পাচে শ্ৰীপ্ৰাণহৰিদেৱ গোস্বামী শ্ৰীসহদেৱ গোস্বামী এই দুজনাক যিদিনা অকাৰ্য্য আচৰালে, সেইদিনা মোঞামৰাৰ মহাজনৰ সৰ্ব্বাঙ্গ শুকুতৰ হ'ল।" —"বুৰঞ্জী বিবেকৰত্ন ঃ—মণিৰাম বৰুৱা।

এই 'মৰামৰীয়াই' অশুচি কৰা বাবেই বন্তিদেব গোস্বামীয়ে কলাবাৰী সত্র এবি থৈ আহি পুৰণি বৈকুণ্ঠপুৰ বা দক্ষিণপাটতে বাস কৰিবলৈ লৰ্যাহ।

অনেক চিন্তাভাৱনা আৰু বাজ্যবিপ্লবৰ মাজত থাকিও ১৮ বছৰ কাল ধৰ্ম্মবন্তি জলাই ১৭০২ শকত প্ৰভু বন্তিদেৱ গোস্বামীয়ে সেৱকসকলবপৰা বিদায় লৈ অনন্তধামলৈ প্ৰয়াণ কৰিলে।

(৮)

শ্রীশ্রী*বিষ্ণুদেৱ গোস্বামী
১৭০২—১৭৪২ শক

ঘটনাপূৰ্ণ ভোগকাল।

প্ৰভু বন্তিদেৱ গোস্বামীৰ স্বৰ্গপ্ৰয়াণৰ পাচত, ১৭০২ শকৰ মাঘত শ্রীশ্রী বিষ্ণুদেৱ গোস্বামী দক্ষিণপাট সত্ৰৰ ধৰ্ম্মাধিকাৰ হয়। এই গৰাকী অধিকাৰ প্ৰভুৰ ভোগকাল যিমান দীঘল, ৰাজ্যৰ অবস্থা আৰু ঘটনাও সিমান জটিল আৰু প্ৰচুৰ। গৌৰীনাথ সিংহ, কমলেশ্বৰ সিংহ আৰু চন্দ্ৰকান্ত সিংহ—এই তিনিউজন স্বৰ্গদেৱৰ আমোলত সামাজিক-ৰাজনৈতিক ঘটনাৰ যিবোৰ ধুমুহা-বতাহ বলিছিল সেইবোৰৰ প্ৰায়বোৰেই প্ৰভুক চুই গৈছিল। তথাপি, নত্যপ্ৰসংগ, তিথিমহোৎসৱ আৰু ধৰ্ম্মবিতৰণত একো ব্যাঘাত ঘটা নাছিল।

পুৰশ্চৰণ জপ।

গোসাঁই ঈশ্বৰ ধৰ্ম্ম গাদীত বহাৰ পাচ বছৰি অৰ্থাৎ ১৭০৩ শকৰ কাতি মাহত সৰ্ব্বগ্ৰাস সূৰ্যগ্ৰহণ লাগে। এনেকুৱা গ্ৰহণ হলে, দুমুখীয়া গাই এজনী দান কৰিব পাৰিলে অশেষ পুণ্য অৰ্জ্জন কৰা হয়। কলি যুগত, এই কৰ্ম্মকৰা এক প্ৰকাৰ অসম্ভৱেই। কিয় নো, গ্ৰহণ লাগি থাকোতেই এনেকুৱা এজনী গাই গৰু আনিব লাগিব যি জনীৰ পোৱালিটো জগি যোনীদ্বাৰৰ মুখেদি তাৰ ঠিক মূৰটো ওলাইছে আৰু (আগফালে মাকৰ মুখ আৰু পাচ ফালে, পোৱালিটোৰ মুখ এনেকৈ দুখন মুখ ওলাই থকা গাইজনীকে দুমুখীয়া গাই বোলে) গ্ৰহণ লাগি থাকোতেই এনেকুৱা এজনী গাই গৰু আনি পুৰশ্চৰণ কৰিব লাগিব। সেই পুৰশ্চৰণত এনে গৰু উৎসৰ্গ কৰিবলৈ পোৱাটো ভাগ্য আৰু সাধনাৰ হে ফল। প্ৰভু বিষ্ণুদেৱে এনে অসম্ভৱ পুৰশ্চৰণ জপ কৰিবলৈ মানস কৰাত গ্ৰহণৰ আগ দিনাই গৰু খুটি আৰু হামচৈয়া গাৱঁৰপৰা ৪০০ মান গাভিনী গৰু অনাই পুৰশ্চৰণ কৰিব খোজা ব্ৰহ্মপুত্ৰৰ বালিত গোটাই থোৱা হল। *বিষ্ণুদেৱ গোসাঁয়ে পুৰশ্চৰণ কৰিব আৰু সেই পুৰশ্চৰণত দুমুখীয়া গাই উৎসৰ্গ দান দিব এনে অসম্ভৱ অভূতপূৰ্ব্ব দৃশ্য চাবলৈ গাঁও পৰুৱাৰ দৰে লানি নিছিগাকৈ মানুহ আহি আগদিনাৰ পৰা জুম বান্ধিলেহি।

ঈশ্বৰাংশ বিষ্ণুদেৱ।

পিচ দিনা, সূৰ্যৰ গ্ৰাস কৰোঁ-কৰোঁ হৈছে এনেতে গোসাঁয়ে স্নান-তৰ্পণাদি পূজাসেৱা সকলো আহ্নিক ক্ৰিয়া সমাপন কৰি চৈ-ঘৰতে সাজো-গাৱে সংকল্প লবলৈ বৈ আছে। জগিবলৈ ধৰা গৰু আগত থৈ হে সংকল্প লব পাৰি, নহলে সংকল্পই নহয়। তেতিয়ালৈকে কোনো ফালৰপৰা গৰু অহাৰ সংবাদ নোপোৱাত সকলোৰে মন উগুল-থুগুল লাগি আছিল। ঠিক এনে আতাইতাই বেলিকাতে, গৰাল এটিয়ে সংবাদ দিলেহি বোলে কপিলী গাই এজনী জগোঁ-জগোঁ হৈছে। তৎক্ষণাৎ গাই জনী চৈ ঘৰলৈ অনোৱা হল। গোসাঁয়েও ইফালে তিলকুশ লৈ শ্রীবিষ্ণু সুপ্ৰীতি কামনা কৰি জলত হাত দিছে আৰু জগা পোৱালিটিয়েও সিফালে যোনীদ্বাৰে মুখ উলিয়াইছে। পোৱালিটি মাটিত পৰিবলৈ নৌ-পাওঁতেই প্ৰভুৰ অভিলষিত দানোৎসৰ্গ কৰ্ম্ম হেলাৰঙে সুসম্পন্ন হৈ গল। সকলোৱে দেখি-শুনি বিস্ময় মানিলে। "বিষ্ণুদেৱ গোসাঁই সঁচাকৈয়ে ঈশ্বৰাংশ হয়। এনেয়ে মহাপ্ৰভু 'যাদৱৰায়ৰ প্ৰতিভূ হব পৰা নাই।"

গৌৰীনাথ সিংহৰ শিঙৰীৰ ঘৰ উঠা আৰু প্ৰভুৰ মহিমা।

১৭০৪ শকৰ বহাগ-বিহু-দিনা গৌৰীনাথ সিংহ (লোকনাথ গোহাঁই) শিঙৰীৰ ঘৰত উঠা-দিন। সেই দিনা সোঁ-শৰীৰেৰে উপস্থিত থাকি সকলো সত্ৰৰ গোসাঁয়ে ৰজাক আশীৰ্ব্বাদ দিয়াৰ নিয়ম। ৰজাঘৰীয়া আড়ম্বৰেৰে বৰ সভাৰ ৰভা পাতি গুৰু-গোসাঁইসকল বহিবলৈ আসন-ভূষণ সজাই থোৱা হৈছে। মণ্ডপৰ ভিতৰত গোসাঁই সকল বহিবলৈ দিয়া ঠাইত চাৰিখন আসন (*) সমানে পাৰি থোৱা হৈছিল। দক্ষিণপাটক বাদ দি, চাৰিসত্ৰীয়াৰ ই তিনি খন সত্ৰৰ গোসাঁইলৈ তিনিখন আসন আৰু গৌৰীনাথৰ গুৰু ন-গোসাঁইলৈ বুলি এখন—এই বুলিয়েই সম্ভৱ চাৰিসত্ৰীয়াৰ সমানে বহিবলৈ ন-গোসাঁইলৈও সমানে ঠাই ৰখা হৈছিল। আউনীআটী, গড়মূৰ, কুৰুৱাবাহীৰ গোসাঁইসকল সভালৈ যোৱা অলপ আগ। তিনিউ গৰাকী অধিকাৰ

গোস্বামী বহিব লাগিলে সমানে পাৰি থোৱা আসন ৪ খনৰ এখন খালী হৈ পৰি থাকিব—এই আশঙ্কা কৰি গোসাঁইসকলে দক্ষিণপটীয়া জনা অহালৈ বাট চাই গুণ গঁথা কৰি আছে; এনেতে সুচন্দ গতিৰে * বিষ্ণুদেৱ গোসাই আহি মণ্ডপত প্ৰৱিষ্ট হলহি। গোসাঁই ঈশ্বৰে সম্ভেদ লৈ সেই আসনখন ন-গোসাঁইলৈ থোৱা হৈছে বুলি জানি গোসাঁই গৰ্জ্জি উঠিল আৰু তৎক্ষণাৎ সেই আসন খন তাবপৰা গুচোৱাই পেলোৱালে। গোসাঁইক বাধা দিবৰ কাৰো শক্তি নহল। দক্ষিণ-পটীয়া শিষ্য বুদ্ৰেশ্বৰ বৰপাত্ৰ গোহাঁই ডাঙৰীয়াক পঠিয়াই সকলো কথাৰ ভূ ললত চাৰিসত্ৰীয়া সকলক বহুউৱা নিয়মটো যে পূৰ্ব্বাপৰ বিধি-অনুবন্ধৰ অনুকূল হোৱা নাই, সেই কথা ৰজাৰ হৃদয়ঙ্গম হল। ন-গোসাঁইক সমানে বহিবলৈ নিদিয়াত বিষ্ণুদেৱ গোসাঁইলৈ ৰজাৰ কুমতি অলপ বাঢ়িল।

ন গোসাঁইক চাৰিসত্ৰীয়াৰ সমানে মান-মৰ্য্যাদা দিবলৈ গৌৰীনাথ সিংহই প্ৰাণপণে চেষ্টা কৰিছিল। কিন্তু ঋষিতুল্য পুৰুষ বিষ্ণুদেৱ গোসাঁই সদয় নহলে, সেই সম্মান দিয়া অসম্ভৱ, সেই গুণে, ৰজাই বুধি-চক্ৰান্তেৰে প্ৰভুঈশ্বৰক পঞ্চত্ব পোৱাবলৈকে উদ্যত হল।

আধ্যাত্মিক মাহাত্ম্য।

বিষ্ণুদেৱে অলপ-অলপ দৰৱ অৰ্থাৎ কানি খাইছিল। ৰজাই ভাবিলে, এইটো চেলুকে লৈ, গোসাঁইক 'কানি-পৰীক্ষা' কৰিব লগীয়া হল। "মহিমা দেখাওক" বুলি ৰজাই বুঢ়া গোহাঁইৰ হাতত কানি এপোৱা দি কৈ পঠিয়ালে—তাৰে পাঁচ টকা কানি খাই গোসাঁয়ে নীলকণ্ঠৰ দৰে মহত্ দেখুৱাওক বুলি। গোসাঁয়ে ৫. টকা হে নেলাগে গোটেই পোৱা কানিকে বাটি এটাত মলি কোঁট কৰে গলাধঃকৰণ কৰিলে। কৰি এটাই,-

"যশ্যানু গ্ৰহতো ঘোৰং কালকূটম্ বিষোস্তনম্
প্ৰহ্লাদস্যোদৰেহ জীৰ্যৎস নৃসিংহো গতিৰ্ম্মম।"

বুলি শ্লোকটি মাতি মুখখনি ধুই পেলালে। মুখ ধুই, তামোল এখনি খাই পূৰ্ব্বৰৎ সুস্থ ভাবেই ভাগৱতলৈ গল। কাণ্ড দেখি বুঢ়াগোহাঁই জডমাৰ দিলে, "উঃ কি অদ্ভুত শক্তি' এপোৱা কানিয়েও প্ৰভুক বিতত কৰিব, নোৱাৰিলে।"

গৌৰীনাথ সিংহৰ আক্ৰোশ।

বুঢ়া গোহাঞে গোসাঁইৰ অদ্ভুত মহিমাৰ কথা জনালতো ৰজা প্ৰত্যয় নগল। নগৈ, নিজেই ১৭০৬ শকৰ অশোকাষ্টমী দিনা দক্ষিণপাট সত্ৰলৈ গল। লগত আছিল মোমায়েক সন্দিকৈ ঘৰৰ চোলাধৰা ফুকন। ৰাঙলী বাহৰতে থাকি ৰাজগুৰু ন-গোসাঁইক সেৱা কৰি আনুপূৰ্ব্বিক "দৰ্প অহংকাৰ চূৰ্ণ" কৰিবলৈ তলেতলে পিতল বাতিলে। ইফালে আকৌ দক্ষিণপাটলৈ কোষা-অৰ্ঘা-ভুঙ্গাৰেসৈতে সদক্ষিণা বপ সেণ আগ বঢ়াই সকলো দোষ মৰ্ষণ কৰিবলৈ স্তুতি-প্ৰাৰ্থনাও কৰিলে। কিন্তু, দৈবৰ কি বিষম গতি! সিদ্ধ পুৰুষ দক্ষিণপাট সত্ৰাধিকাৰলৈ হুল পোতাৰ ফল হাতে-হাতে মিলিল। দক্ষিণপাটৰপৰা গৈ ন-গোসাঞিৰ তাত থাকোতেই "হাতীচিঙ্গী মৰাণে বণ উলিয়াইছে" বুলি বতৰা আহিল। চাঁওতে-চাঁওতেই মটকৰ বিদ্ৰোহাগ্নিয়ে কেউফালে দেশ ছাই-ভস্ম কৰিলে। নগৰৰপৰা ৰজাও দেশান্তৰী হল। *

মটকৰ উপদ্ৰৱ।

১৭০৯ শকৰ আঘোণত উত্তৰকূলৰ জাপৰি ভেঁটিৰ দক্ষিণে দণ্ডাবিলৰ কাষতে এবাগুৰিত মটকে চকী পাতি বণ কৰিছিল। তাত ৰজাঘৰীয়া ফৌজৰ এটি মানুহো তম্ভিব নোৱাৰিলে। বৰপাত্ৰ ডাঙৰীয়া সসৈন্যে হুৰ্হাকি আহি লৌহিত্য পাৰ হৈ ২৭ আঘোণৰ দিনা বঙালৰ নাও-শালিত থাকিলহি। তাতে তেওঁ এটি স্বপ্ন দেখিলে। তাৰপৰা দিখৌমুখে পাৰ হৈ পাচ দিনা শ্ৰীশ্ৰীপুৰুষ বিষ্ণুদেৱ গোসাঁঞিত বৰপাত্ৰ গোহাঞে জনালে, :-

বৰপাত্ৰ গোহাঁইৰ স্বপ্নদৰ্শন —বিপদৰ সঙ্কেত।

"পৰহি নিশা স্বপ্নত দেখিলোঁ, ক'লা মানুহ এটাই লোৰৰ টাঙোন এডাল লৈ ৰজাকে আদি কৰি ফুকন ৰাজখোৱা সকলোকে মাৰিবাই খেদি ফুৰিছে। জবা ফুলৰ নিচিনা ৰাঙলী মানুহ এজনীয়ে সিহঁতক মাৰমাৰ বুলি দাঁত কৰচি ফুৰিছে। ক'লা মানুহটিয়ে তেওঁৰ কথা নুশুনে--বঙা জনাৰ কথা হে শুনে। এই বুপে দুই দণ্ডমান মানুহ দুনুহ মাৰি নগৰৰ পুখুৰীপাৰৰপৰা তেওঁক নেখেদোৱা হলেও খেদিবৰ কাৰো শক্তি নাছিল। ব্ৰাহ্মণৰ বুদ্ধিতে

* "খৰালি দক্ষিণপাট সত্ৰ দৰ্শন কৰিবলৈ যাম" বুলি আশ্বাস দি, মনৰ ভাবটো প্ৰশান্ত যেন দেখুৱাই ৰজাই শিঙ্গাৰি-ঘৰ-উঠা উৎসৱটো একো বিপৰ্য্যয় নোহোৱাকৈ সমাধা কৰাই ললে। শিঙ্গাৰি ঘৰত উঠাৰ পিচতেই গড়গাওঁ—ৰংপুৰ নগৰ দুখন এৰাবাৰী হোৱাদি হল। সাত্বিক সিদ্ধ গুৰু এজনা বিতুষ্ট হোৱা বাবেই ৰাজধানীৰ এনে শোচনীয় অৱস্থা হল বুলি সকলোৱে বিশ্বাস কৰিবলৈ ধৰিলে। বে-শ

হে (পৰ্ব্বতীয়া গোসাঁইৰ) এনে খং উঠিল। দেশ ভাগিল।* গোসাঞে শুনি ক্ৰোধভাৰে মাত লগালে বোলে, "ন গোসাঞে থালে; এই দেশ নবয়--উচ্ছন্ন হব। আমি বা মৰোঁ ক'ত?" এই বুলি, 'পুৰুষে আশীৰ্ব্বাদ কৰিলে আৰু দ্ৰব্য বস্তু আহিলাপাতি যতনাই লৈ পাচদিনা দিহিঙে পাৰ হৈ ৰংপুৰলৈ যাত্ৰা কৰিলে। সত্ৰত বিদুৰ আলধৰাক থৈ গল। গোসাঁই ৰংপুৰলৈ যোৱা শুনি ভটীয়া বৰবৰাৰ ঘৰৰ কৃষ্ণৰামে গৃহস্থী সত্ৰৰপৰা প্ৰভুক লৰা-তিৰুতা সমন্বিতে নি তেওঁৰ বৰভড়ালত ৰাখেগৈ। দেশ সুস্থিৰ হলত হে তাৰপৰা আহিছে। গোসাঁয়ে আশীৰ্ব্বাদ স্বৰূপ বৰবৰাক গৰুড় মূৰ্ত্তি এখনি দি আছে। সেই মূৰ্ত্তিয়েই আজিকোপতি বৰবৰাৰ ঘৰত পূজিত হৈ আহিছে। তাতে কিছু বেলা থাকি গৃহস্থী আৰু উদাসীন ভকতসকলক পাৰ কৰাই গোসাঁয়ে কলে, "ডাঙৰীয়া আপোনাৰ পিতৃজনাই কণীবিহৰ পাঁচ মাৰি থব খুজিছিল, কিন্তু দুৰ্বুধীয়া মন্ত্ৰীৰ পৰামৰ্শতে সাপ মাৰি নেগুৰত বিষ ৰাখি থৈ গল। তাৰ ফল এতিয়া পাইছোঁহক। আপুনিয়েই ৰক্ষা কৰোঁতা। আপোনাৰপৰা হে যদি আমি ৰক্ষা পাওঁহক।" ইয়াকে কৈ প্ৰভু বিষ্ণুদেৱ ৰংপুৰলৈ নাগৈ ভাজীৰফলে, পোন ধৰি লাহিওলৈ গল।" *

'পুৰুষ যোৱাৰ পিচত, ৩০ ৩৫টা মান মটক গাঁৱীবোৰ পিৰালিয়েদি আহি বৰ-আলধৰাক "দেউ, এই পোনে ওলাই আহককচোন আমি বঙতী খাতৰপৰা আহিছোঁ, ন-চাউল দুটিমান লগাবলৈ" বুলি মাত দিলে। মাত শুনিয়েই আলধৰাৰ মনতে গাজিলেই- কাল পালেহি। গৈছোঁ বুলি মাত দি তেওঁ পাচ ফালে পলাই যাবলৈ ওলাইছে, এনেতে "চাউল সিধা অনা" আচহুৰা মানুহকিটাই, আলধৰাৰ পিঠিলৈ যাঠী এপাট শালি যোৰকৈ মাৰি পঠিয়ালে। যাঠী পিঠিয়ে সোমাই বুকুৰে ওলাল। আলধৰা সেই পোনেই হামখুৰি খাই পৰিল। হাটীত উস্মিস লগাত মটকহঁতে নামঘৰ মণিকূটত জুই লগাই দিলে আৰু বৰভঁড়াল, চাউলৰ ভঁড়াল, ভকতৰ হাটী-লুটিপুটি ওলাই গল। হাবিৰপৰা ওলাই আহি ভকতসকলে বৰ-আলধৰাৰ দাহাদি কাৰ্য্য সমাপত কৰি গোসাঁইৰ লগ ধৰিলে গৈ।

গোসাইৰে ৰজাৰে বিৰোধ।

ন-গোসাঁঞেক চাৰি সত্ৰীয়াৰ সমানে বহুৱাব নোৱাৰাৰপৰা বিষ্ণুদেৱ গোসাঁঞেলৈ ৰজাৰ খেপ বাঢ়ি যাবলৈ ধৰিলে। নিচেই সামান্য কথা একোটাতে গোসাঁঞেক ক্ষতিগ্ৰস্ত কৰি মনত কষ্ট দিয়েই আছিল। পূৰ্ব্বে চাৰি গাবঁৰ উত্তৰে সত্ৰৰ মহ-খুঁটি এটা আছিল। সেই খুঁটিৰ মাটি জাপৰি ভড়ালী ৰৰুৱাই খাদৰবায়ক উচৰ্গা কৰা। গতিকে সি সত্ৰৰ সম্পত্তি। তথাপি, ৰজাই মাটিখিনি কেমাই সেনাপতিক তামৰ ফলি মাৰি দান কৰিলে আৰু খুঁটিৰ গাঁৱলীয়া ধাতুকক তাৰপৰা মাজুলীলৈ খুঁটি তুলি নিবলৈ আদেশ কৰিলে। মাজুলীলৈ খুঁটি নিয়াত গোসাঞৰ বৰ বিমৰ্ষ হল। তথাপি ৰজাক ওজৰ কৰাত সেই মাটিৰ পৰিবৰ্ত্তে প্ৰভুক হোলোঙাপাৰত মুঠেই ১৫ পুৰা মাটি দিলে।* তেতিয়াৰপৰা ৰজাৰে গোসাইৰে বিৰোধ হল।

* "বুৰঞ্জী বিবেকৰত্ন"—মণিৰাম বৰভণ্ডাৰ বৰুৱা।

" পিচে ১৭১৬ শকৰ মাঘ মাহত গৌৰীনাথ সিংহ সৰ্গদেও পথাৰত শেন মেলিবলৈ চাৰিগাবঁৰ আলিএদি গৈ চাৰি গাবঁৰ উত্তৰ মূৰ পোৱাতে পূৰ্ণানন্দ বুঢ়া গোহাঁঞি ডাঙৰীয়াৰ অনুমতিৰে কেমাই দত্ত ভূঞা সেনাপতিৰ তিনিউ ককায়েক—ভায়েক সৰ্গদেৱৰ মাটি সাধিলত সৰ্গদেৱে দোলা ৰখাই আজ্ঞা কৰিলে বোলে, এই দোলা ৰখাৰ চাৰিউ ফালে বাম ও দ ৩০ ত্ৰিছ পুৰা মাটি কেমাই সেনাপতিক নানকৰ এৰি দিলে। এই বুলি আজ্ঞা কৰি সৰ্গদেৱে চাৰিউ ফাললৈ চোৱাত দক্ষিণপটীয়া গোসাঁঞৰ মহখুটিৰ টিলা খুটিবোৰ দেখি, সেইবোৰ কি বুলি সৰ্গদেৱে সুধিলত বুঢ়াগোহাঁঞি ডাঙৰীয়াই সৰ্গদেৱত জনালে বোলে জাপৰিৰ ভঁড়ালী বৰুৱা অপুত্ৰক হৈ মৃত্যু হোৱাৰ সময়ৰ তেওঁৰ মাটি আদি সকলো দ্ৰব্যবস্তু নিজ গুৰু দক্ষিণপাট সত্ৰলৈ দিলে। এই বুলি ডাঙৰীয়াই জনালত সৰ্গদেৱে সেই খুটিৰ ধাতুক বৰ গুৱালক অনাই তেতিয়াই তাৰপেৰা মহখুটি মাজুলীলৈ নিবলৈ আজ্ঞা কৰি মাজুলীলৈ নিয়ালে। সেই ৩০ পুৰা ৰজাই দিয়া নানকাৰ মাটিৰ চাৰি সীমা পূবে মালিনী পুখুৰীৰ ঔ গছ পচিমে জাবাৰিৰৰবাৰ মৈদাম, উত্তৰে সৰু আলি, দক্ষিণে জাবাৰি বিলৰ সৰু কলি আমগছ। এয়ে সীমা। পিচে সেই শকৰে ফাগুন মাহৰ ১৬ দিন যোৱাত দেওবাৰে সেই ত্ৰিছ পুৰা নান্‌কাৰ মাটিৰ সৰ্গদেএ কেমাই দত্ত ভূঞা সেনাপতিক তামৰ ফলি ১ খন দিলে। পিচে, দক্ষিণপাটৰ বিষ্ণুদেউ গোসাঞে সেই শকৰ পুহ আহত আহি সৰ্গদেৱত ৰজকৈ ওজৰ কৰাত মেলেঙ্গ নদীৰ কোষৰ হোলোঙাপাৰত বাম মাটি ১৫ পুৰা গোসাইক দিয়ালে। তাৰেপৰা ৰজাৰে গোসাইৰে বিৰুধ হল।" :—বাৰেভূঞাৰ বুৰঞ্জী। মনপুৰ দত্ত ভূঞা।

পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দ্বাৰা পুনৰ সত্ৰ নিৰ্ম্মাণ।

'অশিষ্ট ৰজাৰ দেশত থাকিব নেপায়' বুলি বিৰক্তি লাগি প্ৰভুৱে একেবেলিয়েই বেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰাভিমুখে নৌকাযাত্ৰা কৰিলে; ২২ জন মাত্ৰ ভকত লগত দি ডেকাজনাক সত্ৰ ৰখীয়া থৈ গল। পূৰ্ণানন্দ বুঢ়া গোহাঞি ডাঙৰীয়াই ভগা সত্ৰখন নকৈ পাতি দিলে। আগৰ যিবিলাক আপুৰুগীয়া মূল্যবান সঁজুলি মৰাণ-মটকৰ বিদ্ৰোহত নষ্ট পাইছিল, সেইবিলাকো পুৰাই দিলে।

কছাৰী ৰজা কৃষ্ণচন্দ্ৰৰ শৰণ গ্ৰহণ আৰু নগাৱঁৰ দক্ষিণপাট সত্ৰ স্থাপন।

গোসাঁঞি ভটীয়াই গৈ কলিয়াবৰৰ 'দেৰ সত্ৰত দুদিনমান থাকি জিৰণি লৈছেগৈ হে, এনেতে প্ৰভু যোৱাৰ বাতৰি পাই কছাৰী ৰজা কৃষ্ণচন্দ্ৰই বিষ্ণুদেৱ 'পুৰুষক সেৱা জনাবলৈ আহিল। গোসাঁইক গুৰুত্বে বৰণ কৰি কৃষ্ণচন্দ্ৰ সদালাপত নিৰিষ্ট হৈ আছে, এনেতে উৰা বাতৰি আহিল বোলে গৌৰীনাথ সিংহ প্ৰভুৰ চকু কাঢ়িবলৈ উদ্যত হৈছে আৰু সেই পাশৱিক কাৰ্য্য কৰিবলৈ যোৰহাটৰপৰা মানুহো পঠিয়াইছে। কৃষ্ণচন্দ্ৰই বৰমেধি হৰিচৰণ লস্কৰকে মুখ্য কৰি কেবাজনো ভকতক গোসাঁইক চাই থাকিবলৈ আদেশ কৰিলে আৰু নামঘৰ- মণিকূটৰ ৰখীয়া-পৰীয়া নিযুক্ত কৰিলে। সঁচাসঁচিকৈয়ে গৌৰীনাথৰ চাওডাং গৈ গোসাঁইৰ ওচৰত ওলালগৈয়ে। গোসাঁয়ে সিহঁতক খুৱাই-বুৱাই চৌখামে ৰজা-বাইজৰ কুশল-মঙ্গলাদিৰ কথা বতৰা ললে। একে লেথাৰিয়ে কেবাদিনো চান্দি থাকিও ৰজাৰ মানুহ গোসাঁইৰ ওচৰ চাপিব নোৱাৰিলে। কছাৰী ৰজাৰ তীক্ষ্ণ সতৰ্কতাৰ ফলত প্ৰভুৰ একো অনিষ্ট হবলৈ নেপালে। অৱশ্যে, বৈকুণ্ঠপুৰলৈ যোৱাটো স্থগিত থাকিল। পাচে, কৃষ্ণচন্দ্ৰৰ ৰাজ্যতে সত্ৰ এখন পাতি তাতে থাকিল। কছাৰী ৰজায়ো দেৱোত্তৰ-ব্ৰহ্মোত্তৰ মাটি আৰু মানুহ দি সত্ৰখনি দক্ষিণপাটৰ দৰেই পবিত্ৰ ধৰ্ম্মাশ্ৰমত পৰিণত কৰিলে। এই খনেই নগাৱঁৰ দক্ষিণপাট সত্ৰ।

ৰজাক সাহায্যদান।

মটকৰ দৌৰাত্মত গৌৰীনাথ সিংহ গুৱাহাটীলৈ পলাই যোৱাৰ পিচত, যেতিয়া তেওঁ উজাই নগাৱঁলৈ আছে, তেতিয়া তেওঁক ৰবাগী ৰজা আৰু পানীকলীয়া লাহন বৰবৰুৱাই আক্ৰমণ কৰে। স্বৰ্গদেৱে আলি এৰি জলাহৰ বাটে গৈ সেই দক্ষিণপাট সত্ৰ ওলায়গৈ। তাতে সৰুজনা ডেকাগোসাঞে নাওদুনি দি ৰজাক সহায় কৰে। গোসাঞিৰ সহায়ৰ বলত হে ৰজা নিৰ্বিঘিনিয়ে গুৱাহাটীলৈ যাব পাৰিলে।

প্ৰভুৰ ঘাই সত্ৰলৈ প্ৰত্যাবৰ্ত্তন।

১৭২০ শকত অধিকাৰ প্ৰভু কছাৰীসত্ৰৰপৰা (দক্ষিণপাটসত্ৰ) ঘাই সত্ৰলৈ প্ৰত্যাবৰ্ত্তন কৰে। প্ৰভু নথকা অৱস্থাত সত্ৰ আৰু দেশৰ বিলাই বিপত্তি কলাই-পাচিয়ে নধৰা হৈছিল। ৰজাই ধৰ্ম্মত ব্যাঘাত জন্মালেই দেশত যে অমঙ্গলে দেখা দিয়ে ৰজা গৌৰীনাথ সিংহই দক্ষিণ-পাটৰ সত্ৰাধিকাৰ গোস্বামীৰ প্ৰতি কৰা আক্ৰোশমূলক অন্যায় আচৰণেই চাক্ষুস প্ৰমাণ।

স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ গুৰুভক্তি।

১৭১৭ শকত, গৌৰীনাথ সিংহৰ ৰাজপাটত কমলেশ্বৰ সিংহ স্বৰ্গদেৱ বহি আগৰ জনাৰ সম্পূৰ্ণ বিপৰীতে গুৰুভক্তি দেখুৱায়। প্ৰভুৰ প্ৰতি এওঁৰ অচলা ভক্তি আছিল আৰু তেওঁৰ দৰে পাত্ৰমন্ত্ৰী সকলৰো। কমলেশ্বৰ সিংহৰ প্ৰধান-প্ৰধান বিষয়াসকলে দক্ষিণ--পাটতে ভকত হৈ "দক্ষিণ পাটৰ 'যাদৱৰায় মহাপ্ৰভুৰ" গুণ মাহাত্ম্য কীৰ্ত্তন কৰি সকলোতে সদায় কৰে। পূৰ্ণানন্দ বুঢ়াগোহাঁই, দুৰ্গেশ্বৰ বৰপাত্ৰ গোহাঁই, শ্ৰীনাথ দুৱৰা বৰবৰুৱা আৰু আনো ফুকন-ৰাজখোৱাক লগত লৈ ১৭২৬ শক ২৮ চ'ত শুকুৰবাৰৰ দিনা স্বৰ্গদেৱ দক্ষিণপাটৰ 'যাদৱৰায় মহাপ্ৰভুক সেৱা কৰিবলৈ গৈছিল। সেই দিনা 'যাদৱৰাই সেৱা কৰা উপলক্ষে স্বৰ্গদেৱৰ হাতীটোক কিমান তমস্কাৰ-তমস্কাৰ অলঙ্কাৰ পিন্ধাই সংশোভনকৈ নিয়া হৈছিল, তাৰ সুবহুমূ ছবি এটি শ্ৰীনাথ দুৱৰা বৰবৰুৱাই এইদৰে দেখুৱাইছে ঃ—

"সেই দিনা দুৱৰা বৰবৰুৱা তিলক নামে হাতী এটি সমণ্ডিত্ত কৰি দাবিকা দুৱাৰৰ মুখতে স্বৰ্গদেৱক তুলিলে। হাতীক পিন্ধোৱা অলঙ্কাৰৰ লেখা ঃ— দাঁতত সোণৰ মলমা কৰা ৰূপৰ খাৰুৱা ৬ যোৰ বানতৰ মুখ চানি, তাতে ৰূপৰ দাও ৪৯ খান। দাপোণ ৬৬ খান, ৰূপৰ নাললগা শ্বেত চামৰ ৩টা; ৰূপৰ চৈজৰী ১ গছ; ৰূপৰ ৰিকাপী ১ যোৰ; ৰূপৰ চাৰি ঠাইত বন্ধা বানত সিয়া অঙ্কুশ ১ গছ, কাঁহৰ নেপুৰ এযোৰ; চাল ঘুগুৰা ২টা· যোৰ তলচা, ইয়াৰে কিংখাপৰ ভোগেৰে কেপকৰা ১ খান।"

"সমণ্ডিতকৈ" সজাই নিয়া হাতী-অনুৰূপে ৰজাৰ অনুগামী সমদলটোৰ পয়োভৰ চাগৈ আৰু চিৰবিচিত্ৰ হৈছিল। এনে বাছকবনীয়া সমাৰোহেৰে দিতিং পাৰ হৈ কমলেশ্বৰ সিংহই 'যাদৱৰাইক সেৱা কৰিছিলগৈ। সদনীয়া নিয়ম-অনুসৰি "অধিকাৰ প্ৰভুৱে ৰজাক তাম-পিতল ২ সাজ, শৰাইত সজাই দিয়া কাপোৰ ৩ সাজ, ৰূপ ১২ টকা, সোণ ২, টকা দি

মান ধৰিলে। স্বৰ্গদেৱেও সেই দ্ৰব্যসমূহ ওভোতাই দি বঢ়াকৈ সোণ ২, টকা, ৰূপ ৬০, টকা দি গোসাঁইক সেৱা কৰিলে। পূৰ্ণানন্দ বুঢ়াগোহাঁইঞে ডাঙৰীয়াই ৰূপ ১২, টকা, দুৰ্গেশ্বৰ বৰপাত্ৰ ডাঙৰীয়াই ১০, টকা আৰু শ্ৰীনাথ দুৱৰা বৰবৰুৱাই ৮, টকা ৰূপ যোগাই ৰূপে সেৱা-মানিন দিলে। লগত যোৱাসকলেও যি শাও সেইৰূপে দি গোসাঁইক ওলগ জনালে।"

কমলেশ্বৰ সিংহ আৰু পাত্ৰ-মন্ত্ৰী সকলৰ গোসাঁই সেৱা আৰু সেৱা—মানিন।

"সত্ৰৰপৰা আহি সৰ্গদেৱ খাজখোৱাত থাকিলাহি। সেই দিনা সৰ্গদেৱক আৰু লগত যোৱা ডাঙৰীয়া, পাত্ৰমন্ত্ৰী, ফুকন-বৰুৱা আৰু লা-লিগৰা সমন্বিতে সকলোকে সত্ৰৰ ভঁড়ালৰ পৰাই ভোজনৰ দ্ৰব্যবস্তু যোগোৱা হৈছিল।

আউনিআটিতকৈ দক্ষিণপাটত যে আদৰ অভ্যৰ্থনা আৰু অতিথি-সৎকাৰ অলপ বঢ়া আছিল তাকো শ্ৰীনাথ দুৱৰা বৰবৰুৱাই পৰিমাণ পাই লেখি গৈছে,

আউনীআটিতকৈ দক্ষিণপাটৰ খুৰনধুৰন বঢ়া।

"সাজৰ দ্ৰব্য সকলো গোসাঁয়ে দিছিল, আৰু স্বৰ্গদেৱৰ লগত যোৱা সকলো লোক বোৰকো প্ৰধানৰূপে জলপান কৰালে। আউনীআটীতকৈ দক্ষিণপাটত খুৰন-ধুৰন এবং ঢং সকলো বঢ়া।"

প্ৰভু বনমালীৰ দৰেই বিষ্ণুদেৱ গোসাঁয়ো বৰ বাক্যসিদ্ধ পুৰুষ আছিল। গোসাঁঞে মনত যিহকে ভাবিছিল বা যিহকে "হওক" বুলি কৈছিল, সিয়েই তত্তালিকে তদ্ৰূপ ফলিয়াইছিল। সত্ৰত তেলযোগোৱা তেলীয়া-ভকত এজন আছিল। ভকতজনৰ ঘৰ আছিল কামৰূপৰ বামদিয়াত। তেওঁ বৰ ধনী বুলি কোনোবাই উলিয়াই দিলত বৰগোহাঁয়ে তেওঁক ধন ধাৰিলে ধৰিলে। ধন দিব নোৱাৰাত ভকতজনকে বৰগোহাঁঞে সংগোপৰ কাঢ়ি লৈ গল। গোসাঁয়ে অন্তৰত আঘাত পাই বৰগোহাঁইক এই কাম নকৰিবলৈ হাক দিছিল। বৰগোহাঁয়ে কিন্তু গোসাঁইৰ কথা ইকাণে সুমুৱাই সিকাণে উলিয়াই পঠিয়ালে—মুঠেইকৈ নেমানিলে; বৰং কৰ্ম্মাহি মাৰি গোসাঁইৰ আগৰপৰা উচাট মাৰি গুচি হে গল। *পুৰুষে বৰ আক্ষেপ কৰি ভকতসকলৰ আগত কলে, "বৰগোহাঁঞে নো বাৰু দেখিও-নেদেখা-হব পায় নে? *যাদৱৰায়ৰ তেলীয়াটোক কাঢ়ি নিব পায় নে?" প্ৰভুৰ মুখত কথাষাৰ ওলোৱা এমাহ হবলৈকে নেপালে—সিপিনে ঢক ফুটিলেই, বৰ গোহাঁঞৰ বোলে চকু ফুটিল। সেই বাবেই হবলা ১৭২৬ শকত কমলেশ্বৰ সিংহ মাজুলীৰ সত্ৰলৈ যাওঁতে সকলো ডাঙৰীয়া লগত গৈছিল যদিও, "বৰ গোহাঁই ডাঙৰীয়া চকুৰে নেদেখা গা-অভাৱত যাব নোৱাৰিলে।"

প্ৰভুৰ বাক্‌সিদ্ধতা।

১৭৪০ শকত মানে মাজুলীয়ালৰ ঘৰবাৰী লুটিপুটি লণ্ডভণ্ড কৰে। "সত্ৰসভাবিলাকতো যি উপদ্ৰৱ অত্যাচাৰ কৰিলে তাৰ সীমা নাই . সন্ত-সাধু আৰু ব্ৰাহ্মণ সকলো জাতৰ প্ৰজা অনেকক মানে কাটি পেট ফালি ঘৰ ভৰাই জুই লগাই মাৰিলে। নাও লুটি দ্ৰব্যবস্তু তাকো নিলে। যাৰ ভঁড়ালত ধান দেখে তাকো খুটাত আঁৰি থৈ খাৰ নিদি কাটি লৈ যায়। আৰু বামুণ দেখিলে "পোনা" বুলি নাম দি লগুণ ছিঙি থুইৰে কপালৰ ফোঁট মচি, কানত ভাৰ দিয়ে। গাৰ কাপোৰকানি যি পায়, খহাই লৈ যায়, খাৰি এডালি লগা হলেও, চুলি জৰীৰে পাচলৈ হাত কৰি কিলাকুটিৰ ওপৰে মতাবান্ধ দি বুকুত চাৰিটা কিল মাৰি হে "খাৰি লাগে" বুলি কথামাৰকে কব। এই দৰেই মানে নানান উপদ্ৰৱ কৰাত মাজুলীৰ সত্ৰ হে নেলাগে গোটেই দেশখনেই উচ্ছন্ন হল।

গাৰ নোম সিঙাৰোৱা মানৰ অত্যাচাৰ।

সৰ্ব্বসাধাৰণ প্ৰজাৰ যেনেকুৱা বিকল হৈছিল দক্ষিণপাট, কম্ভাৱাৰী (কলাৱাৰী) সত্ৰত থকা ভকত সকলৰো তেনেকুৱা পানীত হাঁহ নচৰা অৱস্থা হৈছিল। নামঘৰৰ ভেটিত মানহঁতে ক্ষুদ্ৰ শৌচ কৰি নামঘৰটো অশুচি কৰি পাচত জুই লগাই পুৰি পেলায়। মণিকূটৰ মূৰ্ত্তিত হাত দিবলৈ নেপালে। সিহঁতৰ পোৱাসুঠনীয়া আচৰণৰপৰা হাত সৰুৱাবলৈকে মূৰ্ত্তি-বিগ্ৰহ সকলোটি আগেয়েই স্থানান্তৰ কৰি থোৱা হৈছিল। ভূলি নামে সত্ৰৰ চৰ্দ্দাৰ এজনে মানৰ লগত যুঁজ কৰোঁতে মানে তেওঁৰ কাণ সৰকাই কাঁড় মাৰি পঠিয়ায়। গোসাঁইৰ বৰআলধৰা জনে খেদি নি পানীত পেলাই ওভোতা কোলেৰে খুচি মানটোক কচি মাৰিলে। বাহিৰত এনেবোৰ যুঁজবাগৰ চলি থাকোতেও *বিষ্ণুদেৱে নিত্যক্ৰিয়াৰ অণুপো ব্যতিক্ৰম কৰা নাছিল, বৰং প্ৰশান্ত মূৰ্ত্তি ধৰি সহস্ৰ বিষ্ণু-নাম জপ কৰাতেই নিমগ্ন আছিল।

তথাপি প্ৰভু অচলঅটল।

*বিষ্ণুদেৱ গোস্বামী যে অকল সত্বগুণীয়েই আছিল এনে নহয়, বৰ ৰসিক আৰু ধেমেলীয়াও আছিল। প্ৰভুৰ ৰসিকতাৰ বিষয়ে গুণাভিৰাম বৰুৱাই লেখিছে।

"১৭৩২ শকৰ ৬ মাঘত চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱ ৰাজপাটত উঠে। ৰজা হবৰ সময়ত, বয়স বৰ কুমলীয়া থকা হেতুকে তেওঁৰ মনত সদায় খুদুৰনি আৰু ভয়-সংশয় নুগুচিছিল।

প্ৰভু অকল সাত্বিকেই নহয়; ৰসিক ও।

সিংহাসনত উঠাৰ পিচতো, তেওঁৰ সেই বিমৰ্ষ মুখ আৰু ভাব তেনেই থাকিল। স্বৰ্গদেৱে নেহাঁহে, কথা ভালকৈ নহয়, মন দি ধেমালিও নকৰে; সদায় চিন্তাযুক্ত। কি চিন্তা কেৰে কব নোৱাৰে। এই নিমিত্তে ৰজাৰ ৰং লগাবলে আৰু তেওঁক বহুৱাবলে বুঢ়াগোহাঁই ডাঙৰীয়াই নানা উপায় চিন্তিছিল। দেখিবলৈ চিকোণ লৰা আৰু ছোৱালী আনি ৰজাৰ লিগিৰা আৰু লিগিৰী সুমাই দিয়া হল। শেন মেলি ৰং দেখুউৱা, বিহুনাচ আৰু নানাবিধ ধেমালি কৰা হৈছিল। কিন্তু ৰজা যি বিমৰ্ষ সেই বিমৰ্ষই। ৰজাৰ সেই বিমৰ্ষ ভাব নুগুচিলত ৰাজমন্ত্ৰী ডাঙৰীয়াই দক্ষিণপাটৰ ৺বিষ্ণুদেৱ অধিকাৰ গোসাঁইক অনাই স্বৰ্গদেৱক ভাগৱত শুনাবলৈ নিযুক্ত কৰি দিলে। গোসাঁই বৰ পণ্ডিত আৰু ৰঙীয়াল আছিল। তেওঁ বৰ যত্নেৰে নানাবিধ ৰহস্য কথা ৰজাক শুনালে। ৰজাৰ তেও হাঁহি নাই। পুথি সামৰিবৰ সময়ত পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়া ৰজাৰ ওচৰলৈ আহি সেৱা কৰিলে। অধিকাৰ গোসাঁয়ে কলে, "ডাঙৰীয়া বাপু, যি কাৰ্য্যে আমাক আনিলে সেই কাৰ্য্য আমাৰ দ্বাৰাই সিদ্ধ নহল। স্বৰ্গদেৱক আমি হঁহুৱাব নোৱাৰিলোঁ। এতেকে, তাহাঁনি খণৰ ৰজাৰ দৰে বুঢ়া বামুণক শূলত হে দিব পাৰিব।" গোসাঁই বৰ গাৰাল আছিল। তেওঁৰ তপিনাও বৰ ডাঙৰ আছিল। যি কথা কেষাৰ কলে, তাকো শেহাই-ফোঁপাই কোৱাৰ দৰে কলে। যি শূলত দিয়াৰ উপমা দিয়া হৈছিল সিও অকাৰণত এজনী গাৰালী তিৰোতাৰ শূলৰ দ্বাৰাই প্ৰাণদণ্ডৰ আজ্ঞা কৰা হৈছিল। গোসাঁয়ে যি ভাৱে কথা কলে তাত আৰু স্বৰ্গদেৱে নেহাঁহি নোৱাৰিলে। ৰজাৰ হাঁহি দেখি মন্ত্ৰী আৰু আন সকলোৰে আনন্দৰ সীমা নোহাৰা হল। সেই দিনাৰ পৰা ৰজাৰ মন পালটি আহিল। ৰজাৰ বিমৰ্ষ ভাব গুচি হৰ্ষভাব জন্মিল।" *

ভাগৱতভট্ট ৰূপে প্ৰসিদ্ধি লাভ।

ৰজাৰ ঈৰ্ষাগ্নি, ৰাজনিগ্ৰহ, মান-মৰাণৰ অত্যাচাৰ, দুৰ্ভিক্ষ-মহামাৰী প্ৰভৃতি সামাজিক-ৰাজনীতিক দুৰ্যোগৰ মুণ্ড ছেদ কৰি তত্ত্বজ্ঞানী প্ৰভু বিষ্ণুদেৱে একাগ্ৰচিত্তে সাহিত্যৰো সাধনা কৰিছিল। দক্ষিণপাটৰ স্বকীয় বৈশিষ্ট্য, দৈনিক অধিকাৰে ভাগৱত পাঠ কৰা। প্ৰভুৱে বাৰও স্কন্ধ ভাগৱত এনে সুমধুৰ, সুশ্ৰাব্য আৰু প্ৰাঞ্জল ভাষাৰে ব্যাখ্যা কৰিছিল যে দেশ দেশান্তৰে প্ৰভুৰ নাম ভাগৱতভট্ট বুলি হে প্ৰসিদ্ধ হৈছিল। তান্ত্ৰিক ক্ৰিয়াপদ্ধতিত ৺বিষ্ণুদেৱৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব পৰা যোগী সেই সময়ত কামৰূপত আৰু-আন-এজন ওলাব পৰা নাছিল। তন্ত্ৰৰ অভ্ৰান্ত বিশ্লেষণ আৰু তান্ত্ৰিক ক্ৰিয়াপদ্ধতিৰ নিৰ্ভুল ক্ৰম সম্বলিত "ক্ৰিয়াযোগ সাৰ পুৰাণ" নামে গ্ৰন্থ এখনি প্ৰভুৱে নিজে প্ৰণয়ন কৰে।

'ক্ৰিয়াযোগ সাৰৰ' প্ৰণেতা।

৪০ বছৰ দক্ষিণপাট সত্ৰৰ ধৰ্ম্মাধিকাৰী হৈ থাকি, যোগ-ধৰ্ম্মৰ মাহাত্ম্য প্ৰকাশ কৰি শ্ৰীশ্ৰী বিষ্ণুদেৱ 'পুৰুষ ১৭৪২ শকৰ অহাৰ মাহৰ কৃষ্ণা পঞ্চমী তিথিত বৈকুণ্ঠ ধামলৈ প্ৰয়াণ কৰে।

"বিষ্ণুদেৱ বৈকুণ্ঠে গল
যোৰ ভূমিকম্পে ধৰণী লৰালে
দানতে গ্ৰহণ হল।"——

এই আষাৰি নামেই "বিষ্ণুদেৱৰ" অলৌকিক আধ্যাত্মিক প্ৰভাৱ চিৰস্মৰণীয়কৈ থৈছে।

(৯)

শ্ৰীশ্ৰী৺বিভুদেৱ গোস্বামী
১৭৪২—১৭৫০ শক

প্ৰভুৰ ঐশিক শক্তি।

শ্ৰীশ্ৰী৺বিষ্ণুদেৱ গোস্বামীৰ স্বৰ্গ প্ৰয়াণৰ পাচত শ্ৰীশ্ৰীবিভুদেৱ গোস্বামীয়ে অধিকাৰ পদ পায়। এই গৰাকী অধিকাৰ মানৱধৰ্ম্মৰ উৎস আছিল বুলি কব পাৰি। বিভুদেৱে সাম্য-সহৃদয়তাৰে পশুপক্ষীকো এনে ভাৱে আকৃষ্ট কৰিছিল যে প্ৰভুৱে গম দিয়া মাত্ৰক সকলোটি প্ৰভুৰ কাষ চাপি আহিছিল; আন কি, জীয়া-ফেঁটীসাপো মন্ত্ৰমুগ্ধ হোৱা দৰে প্ৰভুৰ আগত কেৰমেৰ নকৰাকৈ পৰি থাকিছিল। এদিন শৌচাচাৰ কৰ প্ৰভু শৌচৰ ঘৰৰপৰা ওলাই আহোঁতে মাৰি এডালতে জীয়াই-জীয়াই ফেঁটীসাপ এটা দাঙি অনা দেখি পলীয়া-আলধৰা সকলোৰে চুলিৰ আগে জীৰ গল। প্ৰভুৰ কিন্তু ভু-ভটঙেইনাই। গোসাঁইৰ অদ্ভূত মোহিনী

* "অসমত মান প্ৰবন্ধৰ অতিৰিক্ত" :— "জোনাকী।"—ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা।

শক্তি দেখি সকলো অবাক। সেইদৰে এবাৰ অশোকাষ্টমী তিথিত প্ৰভু ব্ৰহ্মপুত্ৰত স্নান কৰিবলৈ গৈছিল। পানীয়ুৰলিতে গোসাইক আঁৰ কাপোৰ তৰি সুকীয়াকৈ বেৰা এটি কৰি দি ভকতসকল স্নান কৰিবলৈ গল। সিসকল স্নানৰপৰা আহি চায় দেখোন গোসাঁই তাত নাই। ইফালে-সিফালে বিচাৰি চালতো গোসাঁইৰ একো উৰাদিহ পোৱা নগল। আটাই-বিলাকৰে মাজত হুৰাদুৰা লাগিল। আই গৰাকীয়েও কান্দোনত গছৰ পাত সৰুৱালে। ডেড় ঘণ্টা মানৰ মূৰত দেখোন এবুকুৰা পানীৰপৰা মূৰটো উলিয়াই বিষ্ণুদেৱ প্ৰভু পাৰলৈ উঠি আহিছে। আই-মাতৃয়েকে উঁপি-উচুঁপি সোধাত ধীৰ গম্ভীৰভাৱে গোসাঁয়ে কলে, "মই কলৈকো যোৱা নাই; সন্ধ্যাতৰ্পণ হে কৰি আছিলোঁ।" এবুকুৰা পানীৰ তলত কেনেকৈ সন্ধ্যা-আহ্নিক-যোগসাধনা কৰিছিল ভাবি সকলোৰেই তবধ মানিলে।

তুলসী নিৰ্ম্মালিৰ মাহাত্ম্য।

গোসাঁই ঈশ্বৰ দিনদিয়েক নগাৱঁৰ কচাৰী সত্ৰত আছিল গৈ। তাতো ভকতসৰে প্ৰভুৰ মহিমা প্ৰত্যক্ষভাৱে দেখিবলৈ পায়। সত্ৰৰ ওচৰতে মহীৰাম বুলি এটা মানুহ আছিল। হাইজাত পৰি মহীৰামৰ হাঁহিৰাম বোল লৰাটিৰ যাওঁ-যাওঁ অৱস্থা। লৰাও মাথোন একোটি। যাদৱৰাইৰ সেৱক মহীৰামে উপায় নেপাই বিভুদেৱ গোসাইৰ ওচৰলৈ আহি পুতেকৰ প্ৰাণ ভিক্ষা কৰিলে। প্ৰভুৱে দয়াপৰবশ হৈ মহীৰামক তুলসী-চাকি দিলে। সেই তুলসী যাদৱৰায়ৰ চৰণ-পদ্মত অৰ্পণ কৰি প্ৰভুৱে শিৰত পিন্ধি থকা তুলসী। মহীৰামক ইয়াকে কলে, 'এই তুলসী পাতকে ল। ঘৰলৈ গৈ শিলৰ বাটি এটাত তিয়াই থবিগৈ। তাৰে পানী এটোপা-দুটোপাকৈ হাঁহিৰামৰ মুখত দি থাকিবি। তুলসীৰ পানীয়েই হাঁহিৰামক ভাল কৰিব।"

মহীৰামৰ পুত্ৰ হাঁহিৰামৰ প্ৰাণ লাভ।

এই দৰে তুলসী-চাকি দিয়া দেখি ভকতসকলে ইস্-ইস্-আস্-আস্ কৰিবলৈ ধৰিলে। বোলে, 'ভাল কথা হল, প্ৰভুৱে এইবেলা বনমালীদেৱৰ মাহাত্ম্যত মেলান পেলালে হে।' পাচ-দিনা ভাগৱতৰপৰা উঠোতেই মহীৰামে জনালেহি, "দুখানি চৰণৰ আশীৰ্ব্বাদত লৰাটিয়ে অলপ কুৰংকাৰাং কৰিছে।" নৰিয়াক খুৱাবলৈ গোসায়ে প্ৰসাদ এমুঠিকে দি পঠিয়ালে। সেই প্ৰসাদ ভক্ষণ কৰিয়েই হাঁহিৰাম আকৌ আগৰ হাঁহিৰাম হৈ পৰিল। প্ৰভুৰ তুলসীমাহাত্ম্য দেখি গোসাইৰ ওচৰত ভকত হবলৈ শৰণীয়া মানুহ চিৰচিৰাবলৈ ধৰিলে। সিদ্ধ পুৰুষৰ বাক্য যে কেতিয়াও অথলে নেযায়, দক্ষিণপাটৰ অন্যতম ঐতিহ্য ৰক্ষা কৰোঁতা প্ৰভু শ্ৰীশ্ৰীবিভুদেৱ অধিকাৰ গোস্বামীৰ আশীৰ্ব্বাদেই তাৰ জাজ্জ্বল্য প্ৰমাণ। ডেকা অধিকাৰ বাসুদেৱ গোসাঁইৰ শিৰত নিৰ্ম্মালি দি বিভুদেৱ গোস্বামীয়ে ১৭৫০ শকৰ ফাগুনৰ শুক্লা সপ্তমী তিথিত স্বৰ্গাৰোহণ কৰিলে।

ষষ্ঠ পটল

(১০)

শ্ৰীশ্ৰীবাসুদেৱ গোস্বামী

১৭৫০—১৭৯২ শক।

সমকালিক দেশৰ পৰিস্থিতি।

প্ৰভু বিভুদেৱ গোস্বামীৰ অন্তিম কালৰ আশীৰ্ব্বাদ আৰু ধৰ্ম্ম-নিৰ্ম্মালি পাই শ্ৰীশ্ৰীবাসুদেৱ গোস্বামী ধৰ্ম্মাধিকাৰ হয়। অন্তৰ্য্যামী বাসুদেৱ গোস্বামীৰ আধ্যাত্মিক মাহাত্ম্য আৰু শুদ্ধ সদাচাৰৰ প্ৰভাৱতে মান-মৰাণৰ দিনত লণ্ডভণ্ড হোৱা সত্ৰ খনি পূৰ্ব্বৰ পয়োভৰ আৰু মান-মৰ্য্যাদাত দুগুণে জিলিকি উঠে। প্ৰভুৰ ভোগকাল দুকুৰি দুবছৰ। ইমান সুদীৰ্ঘ কালৰ ভিতৰত দেশৰ সামাজিক আৰু সাংস্কৃতিক ৰাজনীতিক পৰিস্থিতি বহুত পৰিৱৰ্ত্তন হয়। এখেত পুৰুষ ডেকাৰ গাদীত থাকোতেই মানে দেশখন উজাৰ কৰে, মানো উচ্ছন্ন হয়, স্বৰ্গদেৱসকলৰ ৰাজ্যতো স্বাধীনতাৰ বেলি মাৰ যায় আৰু বৃটিচ-প্ৰভুত্ব গজগজীয়া হয়। স্বদেশী ৰজাৰদ্বাৰাই নিয়ন্ত্ৰিত ধৰ্ম্মৰাজ্যখনৰ পৃষ্ঠপোষকতা বিদেশী ৰাজতন্ত্ৰৰ অধীনলৈ যায়। ইংৰাজী আদৰ্শৰ প্ৰতি মানুহৰ মন আকৃষ্ট হোৱাত ভালেমান মৰীচিকা-মুগ্ধ শিক্ষিত লোকৰ মন সনাতন ধৰ্ম্মৰ প্ৰতি অনুৰাগহীন হৈ আহিবলৈ ধৰে। অনুৰাগ হে পাতলিছিল, আন্তৰিক শ্ৰদ্ধা-ভক্তিৰ ন্যূনতা হোৱা নাছিল। বিদেশী হলেও, বৃটিছ শাসনে কাৰো ধৰ্ম্মত হস্তক্ষেপ কৰা নাছিল- যদিও খৃষ্টধৰ্ম্ম প্ৰচাৰত চৰকাৰী অনুদান দিয়া হৈছিল। সত্ৰীয়া ধৰ্ম্মকৰ্ম্ম, আচাৰ-পদ্ধতি ৰজাদিনত যেনে আছিল তেনেকৈয়ে থাকিবলৈ দিয়া হৈছিল। চাৰিসত্ৰীয়া বা অন্যান্য সত্ৰৰো মৰ্য্যাদা-প্ৰভুত্ব একোপধেই ক্ষুণ্ণ হবলৈ দিয়া নহৈছিল। গোসাঁই সকলৰ ব্যৱস্থা মতেই সামাজিক ৰীতি-নীতি, আচাৰ-বিচাৰ শাসিত অনুশাসিত হৈ আছিল। প্ৰভুসকলৰ প্ৰভাৱ-প্ৰতিপত্তি হ্ৰাস কৰিবলৈ চৰকাৰেও বিৰুদ্ধ নীতি অৱলম্বন কৰা নাছিল। চৰকাৰ বিদেশী হলেও, সেই চৰকাৰৰ অভয় ছত্ৰ-ছাঁয়াত থাকিয়েই বাসুদেৱ গোসাঞে নিৰ্ব্বিবাদে-নিৰ্ব্বিৰোধে সত্ৰৰ গৌৰৱ আৰু ধৰ্ম্ম-মহিমা প্ৰকাশ কৰি গল।

বাল্যকালতে প্ৰতিমা পূজালৈ আসক্তি।

১৬৯৯ শকৰ ভাদ মহীয়া পূৰ্ণিমা তিথিত বাসুদেৱ গোস্বামীয়ে ৰামেশ্বৰী দেবীৰ গৰ্ভত জন্ম গ্ৰহণ কৰে। পিতৃদেৱেকৰ নাম শ্ৰীদেৱ। বাসুদেৱৰ দুজনা ভায়েক আছিল। বৰজনাৰ নাম বিশ্বদেৱ আৰু সৰু জনাৰ শুকদেৱ। সৰুৰেপৰা বাসুদেৱৰ হৰিনাম গোৱাত ৰৰ ৰতি আছিল। আলতীয়া মাটি এচপৰা পালেই, তাৰে শ্ৰীকৃষ্ণৰ প্ৰতিমা সাজি , টেঙা-টোকোচা, ফুল-তুলসী যি পায় তাকে দি প্ৰতিমা খনিক সেৱা কৰে। সেৱাৰ ঠাই বা মাটি য'তে হওক তাৰ একো বাছবিচাৰ নাই– মাত্ৰ মূৰ্ত্তি সাজি লব পাৰিলেই হল। এই দৰে য'তে-পায়-ত'তে প্ৰতিমা পূজা কৰে দেখি মাকে ডাবি-হুমুকি দিবলৈ ধৰিলে। তথাচ, বাসুদেৱে পূজা কৰিবলৈ নেৰিলে—চোঁতালৰ মাজতে হলেও পূজাৰ আৰম্ভ কৰে। লৰাটি যে সামান্য নহয়, পিতৃদেৱেকৰ বুজিবলৈ বাকী নেথাকিল। মনে জানিয়েই তেওঁ লৰাটি সত্ৰত শোধাই দিলেহি। সত্ৰতে থাকি বালক বাসুদেৱ ৭ বছৰ বয়সতে ব্যাকৰণত পাৰ্গত হয়। সেই বয়সতে ৰজাৰ আগতো সংস্কৃত স্তোত্ৰ মাতি শুনাইছিল। এঘাৰ বছৰ বয়সত উপবীত গ্ৰহণ কৰি, বাৰ বছৰত তান্ত্ৰিক মন্ত্ৰ আৰু তেৰ বছৰত পৌৰাণিক মালামন্ত্ৰ লৈ ১৫ বছৰ বয়সত ডেকা অধিকাৰ হয়। আঠে কুৰি বছৰ ডেকা হৈ থকাৰ মূৰত হে অধিকাৰৰ নিৰ্ম্মালি পায়।

মহাপুৰশ্চৰণৰ আয়োজন।

অধিকাৰ হৈয়ে গোসাঞে মহা পুৰশ্চৰণ কৰিবলৈ আয়োজন কৰে। সেই নিমিত্তে, বৰ-আলধৰাৰ হতুৱাই ব্ৰহ্মপুত্ৰৰ বালিত ঘৰ-দুৱাৰ সজোৱাই পুতেকেসৈতে দেৱগাৱঁৰ সুপণ্ডিত কৃষ্ণ মিশ্ৰ অধ্যাপকক নিমন্ত্ৰণ কৰে। পুৰশ্চৰণৰ সময়ত ভাগে-ভাগে বিষ্ণুনাম, গোপাল-সহস্ৰ নাম, গীতা, গজেন্দ্ৰ স্তৱ পাঠ কৰিবলৈ আৰু শিবাৰ্চ্চনাদি শান্তি-স্বস্ত্যয়ন কৰিবলৈ ডাজী, ৰংপুৰ, যোৰহাট, দেৱৰগাৱঁৰপৰা ব্ৰাহ্মণসকলক আগদিনাই আমন্ত্ৰণ কৰি অনায়। বালিত তিনি ভাগে বিভক্ত কৰি এই ৰূপে বেদী ৰচনা কৰা হল—অন্তৰ্ব্বেদী

পুৰশ্চৰণৰ বেদী ৰচনা।

আৰু ক্ষেত্ৰবেদী। পোনেই কৰ্ম্মচক্ৰ, তাৰ ওপৰত জপ মন্দিৰ, সেয়ে অন্তৰ্ব্বেদী; তাৰে ৰাজখণ্ড বহিৰ্ব্বেদী—য'ত শান্তিস্বস্ত্যয়নৰ ঘৰ—সেয়ে বহিৰ্ব্বেদী, ইয়াতে পূজাৰ সম্ভাৰ আৰু গোসাঁই ঈশ্বৰৰ শয়ন ভোজনৰ ঘৰ। বহিৰ্ব্বেদীৰপৰা এক ক্ৰোশ মান টাটীৰে বেৰি থোৱা মুকলি ঠাই—এয়ে ক্ষেত্ৰবেদী। ক্ষেত্ৰৰ নৈঋত কোণে অলপ নিলগতে প্ৰভুৰ শৌচৰ ঘৰ।

ব্ৰহ্মপুত্ৰৰপৰা চাৰিহাত মান দ পানীৰপৰা বাহিৰ্ব্বেদীৰ টাটীত লগাই থোৱা আৰু-দুখন বেৰা। ক্ষেত্ৰৰ চৌপাশে গড়—তাতে চাৰিখন দুৱাৰ। সেই দুৱাৰেদি অন্ত্যজৰ প্ৰবেশ নিষেধ। এই গড়ৰ ভিতৰতে খোৱাবস্তুৰ ভঁড়াল; নিমন্ত্ৰিত ব্ৰাহ্মণসকলৰ নিমিত্তে অতিথি-ঘৰ, সুকীয়া-সুকীয়া পাগত খোৱা ব্ৰাহ্মণ আৰু সমাগত সকলৰ ভোজন-ঘৰ আৰু নাম-প্ৰসঙ্গ, ভাগৱত-ব্যাখ্যাৰ ৰভা থকা থলা। দহ বাৰ দিনৰ আগৰেপৰা সমলীয়াই হোৰাহোৱে চাউলৰ ভাৰ, তোমে-তোমে টেঙা-টোকোচা-ফলমূলৰ ভাৰ, হেঁতা, পাগমাৰি চৰুমলাৰ ভাৰ আনি আছিল। পূজাৰ অন্যান্য সম্ভাৰো তেনেকৈভাবে অনাই পৰ্ব্বত যেনেকৈ দমাই থোৱা হৈছিল।

পুৰশ্চৰণলৈ তিন দিন থাকোঁতেই গোসাঁই ঈশ্বৰ সত্ৰ এৰি বালিৰ বহালৈ যাবৰ হয়। সেই দিনাই প্ৰভুৱে ক্ষৌৰকৰ্ম্মাদি শেষ কৰি, সোণৰূপ উচৰ্গি প্ৰায়শ্চিত্ত হয় আৰু উপবাসে থাকি হবিষ্যান্ন ভোজন কৰিবলৈ লয়। দুদিন থকাতে স্নানাদি আহ্নিক ক্ৰিয়া শেষ কৰি শুচি হৈ আঁহত গছৰ বাৰ আঙুলী দীঘল দহ ডাল কীলক বা খুটি মন্ত্ৰপূত কৰি সাজো গাৰেই বেদীৰ দহমুৰে মন্ত্ৰ মাতি-মাতি খুটিকডাল এডাল-এডালকৈ পুতি থয়। তাৰ পাচত, তাতে এই অনুক্ৰমে পূজা কৰিবলৈ ধৰে ঃ—ইন্দ্ৰাদি দশ দিক্‌পালৰ পূজা, বেদীৰ মাজত ক্ষেত্ৰ-পাল বাস্তুপুৰুষ আৰু ঈশান দেৱতাৰ পূজা আৰু সৰ্ব্ববিঘ্নবিনাশক গণেশ দেৱতাৰ পূজা। পূজা সাঙ্গ হোৱাৰ পিচত, ক্ষেত্ৰপালাদি দেৱতাৰ উদ্দেশ্যে মাষভক্ত বলি উৎসৰ্গ কৰে। তাৰ পিচত, স্নান-তৰ্পণাদিৰ অন্তত জ্ঞাত-অজ্ঞাত পাপ ক্ষয়ৰ নিমিত্তে এহেজাৰ বাৰ গায়ত্ৰী জপ কৰি সদক্ষিণা বস্ত্ৰ অলঙ্কাৰেৰে ব্ৰাহ্মণৰ সুপ্ৰীতি সাধন কৰে আৰু ব্ৰাহ্মণ সকলৰপৰা জপাৰম্ভৰ অনুজ্ঞা লয়। ঘাই দিনা, ৰাতিপুৱাই আনকালৰ দৰেই নিত্যক্ৰিয়া সমাপন কৰি জপৰ সংকল্প আৰম্ভ কৰে। সংকল্পৰ শেষত ভূতশুদ্ধি, প্ৰাণায়াম আদি শেষ কৰি, পদ্ধতি-অনুযায়ী ইষ্টদেৱতাক সকল জপেৰে আৰাধনা কৰে। সেই আৰাধনা সূৰ্য্যাস্ত হোৱাৰ লগে-লগে হে সমাপ্ত হয়। এই ৰূপে প্ৰত্যহ জপাৰম্ভ কৰাৰ লগে-লগেই প্ৰভুৰ মুখমণ্ডল দিনক দিনে জ্যোতিষ্মান হবলৈ ধৰে।

পুৰশ্চৰণৰ সমাপ্তি।

জপৰ দহ অংশ হোম, হোমৰ দহ অংশ তৰ্পণ, তৰ্পণৰ দহ অংশ অভিষেক, অভিষেকৰ দহ অংশ ব্ৰাহ্মণ-ভোজন। এৱম্বিধক্ৰমে, পঞ্চাঙ্গ পুৰশ্চৰণ শেষ কৰি পাচদিনা গোসাঁয়ে মহতী পূজা, হোম দক্ষিণোৎসৰ্গ কৰি আচাণ্ডাল প্ৰাণীক ভোজন কৰায়। পকা-কেঁচা দুয়োবিধ বস্তুৰেই ব্ৰাহ্মণ-ভোজনৰ সামগ্ৰী আছিল। সকলোকে খুৱাই-ধুৱাই পৰিতৃপ্ত কৰি প্ৰভুৱে বিদায় লয় আৰু বাইজে আকাশ-পাতাল নিনাদিত কৰি জয়ধ্বনি কৰে। ৺বাসুদেৱ গোসাঁয়ে পুৰশ্চৰণ মাত্ৰ এবাৰ হে কৰিছিল। কিন্তু, মাঘী সপ্তমীত বছৰি হেজাৰতকৈও অধিক ব্ৰাহ্মণক সদক্ষিণা ভোজন কৰাইছিল।

বছৰি হেজাৰৰো অধিক ব্ৰাহ্মণক ভোজন।

প্ৰভু ধৰ্ম্মাচাৰ্য্য হৈ থকা কালত যোৰহাটত আছিল ইংৰাজৰ কৰতলীয়া ৰজা পুৰন্দৰ সিংহ মহাৰাজ। সত্ৰৰ ধোবা এটাৰ বাবেই গোসাঁইৰ ৰজাৰেসৈতে বৰ বিবাদ উপস্থিত হয়। বেথাৰাম নামে সত্ৰৰ ধোবা এটা আছিল। তাৰ জীয়েক মুহিলাই পাশোজ গান গাই আৰু পখিলাৰ দৰে নাচি-বাগি ৰজাঘৰত সকলোকে আনন্দ দিছিল। পুৰন্দৰৰ কাৰেঙত সদায় গানৰ 'মজলিছ' বহে। মজলিচৰ ওজা আছিল তামুলীফুকনৰ ঘৰৰ ডেকা এজন। এৰেই সত্ৰৰ-পৰা নাচনিয়াৰ ছোৱালী জনী আনি পোনেই এওঁৰ ঘৰতে থয়হি। ছোৱালীজনীৰ লগতে পৰিয়ালটোও উঠি আহে। গোসাঁইৰ খাটনীয়াৰ সিন্ধুৰাম বৰকাকতীয়ে ৰজাক মানুহ ঘৰ ঘূৰাই দিবলৈ জনোৱাত ৰজাই সেই ঘৰৰ সলনি আন এঘৰকে দিবলৈ গাত ললে, তথাপি সেই ধোবাঘৰ ওলোটাই দিবলৈ মান্তি নহল।

পুৰন্দৰ সিংহৰ লগত বিবাদ।

বৃটিছে দেশ দখল লোৱাৰ পিচত, সত্ৰবিলাকক ৰজাদিনীয়া আৰু মানৰ দিনীয়া প্ৰাপ্য খাজনা আদায় কৰিবলৈ দাবী কৰা হয়। কিন্তু জনাৰ্দ্দন পৰ্ব্বতীয়া বৰুৱাৰ ১৮৩১ চনৰ ৯ এপ্ৰিলৰ হুকুম মতে সেই দাবীৰপৰা নিষ্কৃতি পায়। ডেবিদ্ স্কটৰ দিনত পঞ্চায়তে হে দেবোত্তৰ ধৰ্ম্মোত্তৰ ব্ৰহ্মোত্তৰ মাটি অনুসন্ধান কৰি ৰাজহৰ সুবন্দবস্ত কৰিবৰ লাগিছিল। কিন্তু, ১৮৩৯ চনত উৰ্জান অসম ডোখৰো বৃটিছৰ খাছ দখললৈ আহিলত সেই নিয়ম 'বাতিল' কৰা হল। নতুন প্ৰশাসনীয় বন্দবস্ত মতে কেপ্টেইন এফ্ জেনকিনচ্ অসমৰ কমিছনাৰ নিযুক্ত হল। হৈয়েই, তেওঁ দুৱাৰ সত্ৰলৈ আহি ৺বাসুদেৱ গোসাইৰে সৈতে দেখা-সাক্ষাৎ কৰে। চাহাব উলটি গৈ, গুৱাহাটী পোৱাৰ পিচতে, চিঠি আহিল বোলে স্বৰ্গী ৰজাসকলে সত্ৰক যি স্বত্ব-উপস্বত্ব দি মাটি-বৃত্তি দান কৰিছিল তাৰ নিদৰ্শন তামৰ ফলি বা আজ্ঞাপত্ৰ নাইবা অন্যান্য দলিলপত্ৰ সকলো নি গুৱাহাটীত কমিছনাৰ চাহাবক দেখুৱাবগৈ লাগে। দেখুৱাব নোৱাৰিলে সত্ৰৰ

অসম ৰাজ-প্ৰদত্ত ভূমি বৃত্তিৰ পুনৰ প্ৰাপ্তি।

সকলো ভূমি-সম্পত্তি চৰকাৰৰ হাতলৈ নিয়া হব। মান-মৰাণৰ দিনত, ক'ৰ তামৰ ফলি, ক'ৰ কাকত-পত্ৰ কলৈ গল তাৰ একো নিম্নয় পোৱা নগল। তথাপি, ভোগ-দখলৰ দ্বাৰাই স্বত্বৰ যি কাকতপত্ৰ, আৰু হোৰোৱা ফলি পোৱা হল তাকে দি ভৰাম খাটনীয়াৰক কমিছনাৰ চাহাবৰ কাছাৰীলৈ পঠিওৱা হল। বহু চেষ্টাৰ মূৰত, মুঠেই ৩০০৬ পুৰা ৰজাদিনীয়া দেৱোত্তৰ মাটি পোৱা হল। সৰহ ভাগ মাটি হেৰাল—উদ্ধাৰ কৰিব পৰা নহল। নাই মোমাইতকৈ কণা মোমায়েই ভাল বুলি প্ৰভু মনতাপৰি থাকিল।

ৰামতনু গণ্ড।

ৰামতনু গণ্ড নামে সত্ৰৰ মাটিজোখা আমিন এজন আছিল। তেওঁৰ হতুৱাই চৰ্কাৰে মঞ্জুৰ কৰা মাটি খিনি জোখোৱা হল; কিন্তু যিমান মাটি ওলাব লাগিছিল, সিমান নোলাল। নিষ্পিখেৰাজ লাখেৰাজৰ সীমা বেদখল কৰি যিবিলাক ৰায়তে গোসাঁইৰ মাটি খাইছিল, সেই বিলাকৰ ওপৰত গোসায়ে প্ৰতিবিধানৰ ব্যৱস্থা নললে। আমিন জন বঙালী আছিল যদিও বহুত দিন সত্ৰত থকা বাবে তেনেই অসমীয়া হৈ গল; গন্ধেশ্বৰী নামে অসমীয়া ছোৱালী এজনীক বিয়া কৰাই প্ৰভুৰ শৰণীয়া হৈ, অসমীয়া সমাজতে ভুক্ত হৈ থাকিল।

সহোদৰ ভায়েক বিশ্বদেৱৰ লগত মনান্তৰ।

স্থলাভিষিক্ত হোৱাৰপৰা বঞ্চিত হোৱাত বিশ্বদেৱৰ আদালত আশ্ৰয়।

আপীলত প্ৰভুৰ জয়।

গোসাঞিৰ সহোদৰ ভায়েক বিশ্বদেৱে দাদাকৰ বিনা অনুমতিত দ্বিতীয় বাৰ দাৰ পৰিগ্ৰহণ কৰি কচাৰী সত্ৰত আছিলগৈ। বিশ্বদেৱ স্বত্ববান আছিল যদিও, সত্ৰৰ নিয়ম উলঙ্ঘা কৰা বাবে স্বত্ব লাভৰপৰা বঞ্চিত হল। এই বাবেই এওঁ নগাৱঁৰ কাছাৰীত অধিকাৰৰ বিৰুদ্ধে এটি গোচৰ তৰে। সত্ৰাধিকাৰ প্ৰভু স্বয়ং আদালতত উপস্থিত থাকিব-নলগা চৰ্কাৰী হুকুম আছে। তথাপি, বিশ্বদেৱৰ গোচৰ-সংক্ৰান্তত কিবা এটি সংশয় ছেদ কৰিবৰ নিমিত্তে সৌ-শৰীলেৰে প্ৰভু কাছাৰীত উপস্থিত হবৰ আৱশ্যক হল। সেই কাৰণে, গোসাঁই নগাৱঁলৈ গল। প্ৰভুৰ শুভাগমন উপলক্ষে আমোলাবিলাকে কচাৰী ঘৰৰ দুৱাৰ মুখতে [illegible] কলাপুলি বুইছিল আৰু কচাৰী ঘৰৰ ভিতৰ খোঁটালী এটা জকমককৈ সজাই থৈছিল। কালিয়া, খুলীয়া, গায়নে বায়নেসৈতে সমদলে গোসাই-ঈশ্বৰ কচাৰী মুখ পাওঁতে-নোপাওঁতেই সমূহ প্ৰজাই শৰাই-সফুৰা দি আঠু কাঢ়ি সেৱা কৰিবলৈ ধৰিলে। সেৱকসকলৰ ভক্তি-উৎসাহ-সমাৰোহ দেখি, বিচুত্তী খাই সত্ৰাধিকাৰৰ ইতিবৃত্ত আৰু পৰিচয় লবলৈ চাহাব বাধ্য হল। নগাৱঁৰ আদালতত বিশ্বদেৱ জিকিল। অধিকাৰে গুৱাহাটীত আপীল কৰিবলৈ ভৰাম খাটনীয়াৰক পঠিয়ালে। আপীলত নিম্ন আদালতৰ হুকুম 'নাকচ' হল। গতিকে, বিশ্বদেৱৰ দাবী নৰ্বাজল। প্ৰভুৰ মাক ৰামেশ্বৰী দেৱীক কচাৰীসত্ৰলৈ যাবলৈ অনুমতি দিলে। ভদ্ৰেশ্বৰীৰ লগতে আই ৰামেশ্বৰীও যায়। তেখেতসকল কচাৰীসত্ৰ পোৱাৰ সাত দিন মানৰ আগতে বিশ্বদেৱৰ দ্বিতীয়া পত্নী শুভেশ্বৰী দেৱীৰ মৃত্যু হয়। বাসুদেৱ-বিশ্বদেৱ কাজিয়া লগা ফটা বাঁহ ৭ বছৰৰ মূৰত হে জোৰা খালেগৈ।

'শুকদেৱৰ অধিকাৰী পদ প্ৰত্যাখ্যান।

'বাসুদেৱ গোসাই অধিকাৰ পদত অধিষ্ঠিত হোৱাত শুকদেৱ গোসাঁইক ডেকা অধিকাৰ পতা হয়। বছৰ দিয়েক ডেকা অধিকাৰ হৈ থাকি, অধিকাৰৰ লগত বিবাদ কৰি শুকদেৱ আউনীআটী সত্ৰলৈ গুচি যায়, ১৭৬৯ শকৰ বহাগ বিহুতে। আউনীআটীৰপৰা কলাবাৰী পায়গৈ। অধিকাৰে আনিবলৈ মানুহ পঠোৱাতো তেওঁ নাহিল। শুকদেৱৰ পৰিবৰ্ত্তে শ্ৰীমাধৱদেৱক অধিকাৰ পতা হল। কিন্তু, ইয়াতো ওজৰ ওলাল। মাধৱে ধৰ্ম্মচৰ্চ্চাত লাগি নেথাকি ব্যৱসায়-বাণিজ্যত হাত দিবলৈ ধৰিলে। সেই গুণে, তেওঁক ডেকা অধিকাৰ ভাঙি শুভদেৱক ডেকা পতা হয়। মাধৱে শিৱসাগৰ-গুৱাহাটী ঠাইতে গোচৰ-আপীল কৰিও একো গুণ ধৰাব নোৱাৰিলে।

শুকদেৱ এজন কবি আৰু গ্ৰন্থকাৰ।

অৱশেষত, শুকদেৱ গোস্বামী গুৱাহাটীতে পৰলোকপ্ৰাপ্ত হল। দক্ষিণপাট সত্ৰৰ শ্ৰীশ্ৰী শুকদেৱ গোস্বামী ডেকা অধিকাৰ এগৰাকী সুকবি আৰু সাহিত্যানুৰাগী পুৰুষ আছিল। তেখেতে "শেষ দশম," "ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ মায়াখণ্ড" আৰু ভালেমান ঘোষা-পদ ৰচনা কৰি মহাপ্ৰভু 'শ্ৰীশ্ৰীযাদৱৰায়ৰ একান্ত ভক্ত বুলি পৰিচয় দি থৈ গৈছে।

১৭৬৮ শকৰ সাঁকা-শাঁকিনী সাপ অহা বান পানী।

ৰাধা চাপৰিৰ পৰা বৰ্ত্তমান ঠাইলৈ সত্ৰ স্থানান্তৰ।

১৭৬৮ শকৰ আহাৰ মাহত বৰপানী হৈ সত্ৰখন খহাবলৈ ধৰে। এই পানীটোত গোটেই মাজুলীখন তল যায় আৰু মানুহৰ অৱস্থাও নাজল-নাথল হয়। পানী ইমান ওখকৈ বাঢ়ি আহিছিল যে শিৱসাগৰৰ বৰপুখুৰীটো (শিৱসাগৰ) ও তল গৈছিল। ৰাম বুলিবলৈ ক'তো টিকা এটাও ওলাই থকা নাছিল। নামঘৰ-মণিকূটৰ ভেঁটি এক'কলীয়া পানীৰ তলত হে আছিল। কল গছৰ ভুৰ সাজি তাৰ ওপৰতে মাটিৰ ভেঁটি কৰি মহাপ্ৰভুক স্নান কৰোৱা হৈছিল। পানীটোত হেনো এজোৰ সাঁকা-শাঁকিনী সাপ আহিছিল। পানীৰ হেঁচাত সত্ৰ থকা-ঠাইত

ৰাখিব পৰা নহব যেন ভাবি প্ৰভুৱে ভোট চাই ৰাধা চাপৰিৰপৰা বৰ্ত্তমান থকা ঠাইলৈ সত্ৰ স্থানান্তৰ কৰে।

প্ৰভুৰ গুৱাহাটী তেজপুৰ যাত্ৰা।

১৭৭৮ শকৰ আহিন মহীয়া বিজয়াদশমীৰ দিনা সবৎস খীৰতী গাই জনীদিয়েক লগত লৈ বৰ-আলধৰা, ওজাপালী আদি মুখ্য-মুখ্য ভকত-বৈষ্ণৱসৈতে প্ৰভু ঈশ্বৰ ভাটীৰ চহৰ ভ্ৰমণাৰ্থে সত্ৰৰপৰা নৌকাযাত্ৰা কৰে। নগাৰ'ত বাহৰ সজাবলৈ স'জাতী ভকত দুজনমান আগতে গল। গোসাঁই পায়গৈ মানে, সিসকলে নগাৰ'ত বাহৰ আদি সজাই ঠিক কৈ থৈছে। কলিয়াবৰৰ 'দেৱ সত্ৰতে দুদিনমান জিৰাই প্ৰভু নগাওঁ পালেগৈ। তাতে শৰদীয় ৰাসোৎসৱ পাতি জাগী বাহৰলৈ গমন কৰে। জাগীৰপৰা গুৱাহাটীলৈ যায়। গুৱাহাটীত কমিছনাৰ চাহাব, জুডিচিয়েল কমিছনাৰ চাহাব আদি মুখ্য মুখ্য বিষয়াসকলৰ লগত বাক্যালাপ কৰি বৰ সন্তোষ লাভ কৰে আৰু চাহাবসকলো প্ৰভুৰ সাত্বিকভাৱ প্ৰতি আকৃষ্ট হৈ দক্ষিণপাট সত্ৰৰ ধৰ্ম্মমাহাত্ম্য স্বীকাৰ কৰে।

তেজপুৰত ৰাসোৎসৱ।

দৰঙ্গী ৰজাৰ অভ্যৰ্থনা।

দৰঙ্গী ৰাজফৈদৰ বৰ ৰজা--সৰু ৰজা দুয়ো ঘৰেই দক্ষিণপাটৰ সাতাম পুৰুষীয়া শিষ্য। বাসুদেৱ গোসাঁই গুৱাহাটীলৈ যোৱা গম পাই দুয়ো গৰাকী ৰজা নিজেই গুৱাহাটী পালেগৈ আৰু গোসাই ঈশ্বৰক বৰনদীয়েদি দৰঙ্গলৈ (মঙ্গলদৈলৈ) বৰ সমাৰোহেৰে আগবঢ়াই আনিলে। বাহৰলৈ তুলি নি 'বৌপ্যৱস্ত্ৰ অলঙ্কাৰেৰে' মান ধৰি প্ৰভুৰ আশীৰ্ব্বাদ-নিৰ্ম্মালি লয়। দৰঙ্গতে এমাহ থাকি প্ৰভু তেজপুৰলৈ আহিল। তেজপুৰত থকা ছমাহ হল। এনেতে ৰাসৰ দিনো ওচৰ চাপিলহি। শিষ্য-প্ৰশিষ্য, দাতা-সেৱক সকলোৱে মুক্তহস্তে-মুক্তপ্ৰাণে সহায্য কৰাত তাতে বৰ আড়ম্বৰেৰে ৰাসলীলা মহোৎসৱ সমাপন কৰা হল। এইলৈ স্থানীয় গণ্যমান্য ভদ্ৰলোক সকলৰ উপৰিও মোহনপুৰৰপৰা দৰঙ্গীৰজা দুজনাও দুদিনৰ আগতে আহি গা-লাগি সফলভাৱে উৎসৱ সুসম্পন্ন কৰিবলৈ দিহা-পৰামৰ্শ দিছিল। উৎসৱৰ কেবাদিনা পাচত হে ৰজাসকল স্বস্থানলৈ প্ৰস্থান কৰিছে।

জামুগুৰিত অবিস্মৰণীয় সম্বৰ্দ্ধনা।

তেজপুৰীয়া বাইজৰপৰা যথোচিত আদৰ-অভ্যৰ্থনা লাভ কৰি প্ৰভু ঈশ্বৰ নদুৱাৰৰ জামুগুৰিৰ চতীয়া বিশ্বনাথলৈকে ক্ৰমে-ক্ৰমে উজাই আহে। জামুগুৰিত প্ৰভুৰ আদৰ সম্বৰ্দ্ধনা আটাইতকৈ বিতোপন আৰু আড়ম্বৰপূৰ্ণ হৈছিল। তাৰ ৰাইজে সেৱা জনাবলৈ অহা অগণন অভ্যাগতসকলক সকলো প্ৰকাৰে শুশ্ৰূষা কৰিব পৰাকৈ বাহৰ সাজি দিছিল। সেই ঠাইতে প্ৰভু এমাহ অবস্থান কৰে। সেই এমাহ সত্ৰৰ বাহৰ খন ছেদভেদ নোহোৱা সেৱক শৰণীয়াৰ সমাগমত বৈকুণ্ঠপুৰী যেন হৈছিল।

বিশ্বনাথৰপৰা সত্ৰলৈ প্ৰত্যাবৰ্ত্তন।

তাৰপৰা বিশ্বনাথলৈ আহি, তাত কিছুমান দিন থাকোতেহে জাৰ পালেহি। খৰাং বতৰত নৈৰ পানী শুকাই গল। আবিৰুটি মুখত তৰেই ওলাল। নাওও নচলা হল। কচাৰীসত্ৰত থকা বিশ্বদেৱ গোস্বামীয়ে নাও লগাৰ গম পাই মানুহ-দুনুহ পঠিয়ালে আৰু সেই মানুহে টানি নি প্ৰভুৰ নাও ঘাই সুঁতিত পেলালত হে প্ৰভু ওলাব পৰা হৈছে। এই সাহায্যতেই বহুত দিন কন্দল লাগি থকা ভ্ৰাতৃস্বয়ৰ মিলন হয়। ডেৰ বছৰ কাল গোসাঁই ঈশ্বৰ, চহৰ পৰ্য্যটন কৰি ফল্গুৎসৱ পাতিব পৰা সময়তে সত্ৰ সোমায়হি।

প্ৰপন্ন শিষ্য মণিৰাম দেৱানৰ ফাঁচী।

১৭৭৯ শকৰ মেষদাহৰ দিন'টো অসমৰ নিমিত্তে বৰ বেজাৰৰ দিন। এই দিনাই ৰাজনীতি-কুশলী মণিৰাম বৰভণ্ডাৰ বৰুৱা দেৱানৰ যোৰহাটত ফাঁচী হয়। দেৱানৰ মৃত্যুত দক্ষিণপাট সত্ৰৰ অপূৰণীয় ক্ষতি হল। মণিৰামৰ নিচিনা প্ৰপন্ন শিষ্য এজনক হেৰুৱাই 'বাসুদেৱ গোসাঁই ঈশ্বৰ মুমূৰ্ষ অৱস্থা প্ৰাপ্ত হৈ "যাৰ য'ত মৰণ" বুলি আত্মপ্ৰবোধ মাত্ৰ দিলে।* সেই বছৰি ফাকুৱা উৎসৱটিও অনুষ্টুপীয়াকৈ হে সমাধা কৰা হল।

ভক্ত জাদুৰাম ডেকাবৰুৱা।

অসমীয়া-বঙলা অভিধান ৰচোতা জাদুৰাম ডেকাবৰুৱা বা লেবেলী ডেকা বৰুৱাও আছিল দক্ষিণপাটৰ এগৰাকী মাতংৱৰ শিষ্য। 'যাদৱৰায়ৰ পূজা-সেৱা কাৰ্য্যত সহায় কৰিবলৈ তেওঁ দৈকলা ব্ৰাহ্মণ এঘৰ, গৃহস্থী সত্ৰলৈ লোহেশ্বৰী আৰু নাদুকী নমৰ দুজনী পাট-গাভৰু ছোৱালী আৰু অধিকাৰ প্ৰভুৰ গা-চোৱা ভকতকৈ দৈৱজ্ঞ ব্ৰাহ্মণ এঘৰ সত্ৰৰ অৰ্থে উৎসৰ্গ দিছিল। জাদুৰাম

* দেৱানে কলিকতাৰপৰা আনি জাৰ দুজোপা (ফানুচ বন্তি), ছপা সংস্কৃত দ্বাদশ স্কন্ধ ভাগৱত এখন সাঁচিপতীয়া খিলহৰিবংশ পুথি এখন, ধুপৰ মছলা খুন্দা শিলৰ উৰাল এটা আৰু প্ৰভুৱে পৰিধান কৰিবৰ অৰ্থে বনকৰা পয়জাৰ এযোৰ ইহ-পৰলোকৰ গৰাকী প্ৰভু 'বাসুদেৱ গোস্বামীৰ পাদপদ্মত অৰ্পণ কৰিছিল। সেই বস্তু কেই পদ এতিয়াও সত্ৰত যতনে সংৰক্ষণ কৰি থোৱা আছে। মাত্ৰ পুথিখনি হে উৰ্ৱলি যোৱাত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰলৈ পঠিওৱা হল। ৰ-শ।

বৰুৱা 'যাদৱৰাইৰ পৰম ভক্ত আছিল। এবাৰ তেওঁ সত্ৰলৈ যাওঁতে বাটতে নাও বুৰিল। পিন্ধি থকা চুৰিয়া খনো উটি গল। কিন্তু কি আচৰিত, সত্ৰৰ ঘাটত নামিয়েই তেওঁৰ কাপোৰৰ সংজুলি গোটেইটো ঘাটতে পৰি থকা পালেগৈ।

ভটীয়া বৰবৰাৰ ঘৰ।

গোলাঘাটৰ বিখ্যাত ভটীয়া বৰবৰাৰ ঘৰৰ কৃষ্ণৰামৰ পুতেক চিত্ৰসেন-মায়াৰাম-জুৰণ ফুকন আছিল সেই পৰিয়ালৰ একোটি একোটি উজ্জ্বল ভোটাতৰা। অকৃত্ৰিম ৰাজভক্তিৰ চিন স্বৰূপে চৰ্কাৰৰ ঘৰৰপৰা সেই পৰিয়াল যেনেকৈ খাত-পামৰদ্বাৰা পুৰস্কৃত হৈছিল গুৰু-গোসাঁইৰ প্ৰতি অচল ভক্তিৰে ধৰ্ম্মাচৰণ কৰিও তেনেকৈ তেওঁবিলাকে ইষ্টগুৰু 'যাদৱৰাই মহাপ্ৰভুৰপৰা অবিচ্ছেদে আশীৰ্বাদ লাভ কৰি আছিল। মৃত্যু সময়ত কৃষ্ণৰামে ফুকনে তিন দিন ভোজ পাতি তেওঁৰ সকলো মূল্যবান অস্থাৱৰ সম্পত্তি মহাপ্ৰভুৰ নামত উচৰ্গা কৰি সত্ৰাধিকাৰ প্ৰভুৰ হাতত অৰ্পণ কৰে। প্ৰভু তেতিয়া গোলাঘাটৰ নগাৰালিত বাহৰ কৰি আছিল। সেইবিলাক আপুৰুগীয়া বস্তুৰ ভিতৰত এই কেই বিধেই লেখত লবলগীয়াঃ—সোণৰ কাঁহী, দবা, বৰকাঁহ আৰু অনেক অনেক প্ৰাচীন প্ৰাচীন বস্ত্ৰ আৰু অলঙ্কাৰ।*

সন্দিকৈৰ ভদৰী বৰবৰুৱা।

'বাসুদেৱ গোসাঁই ঈশ্বৰৰ দিনত সন্দিকৈৰ ভদৰী বৰবৰুৱাৰ ঘৰৰ সম্পত্তিয়েই সত্ৰ-ভঁড়াল এফাল ভৰি আছিল। মেলেং-মেচাঘৰ-মাদুৰীৰ সন্দিকৈ-বৰগোহাঁই-বৰপাত্ৰ গোহাঁই-মৰাণ খোৱা গোহাঁই প্ৰভৃতি আহোম-ডাঙৰীয়াসকলৰ দান অলেখ-স্থাৱৰ-অস্থাৱৰ বহুত। বাইলুং ফুকনৰ ঘৰৰপৰাও সোণৰূপৰ অলঙ্কাৰ আহিছিল। মুঠতে, এই গৰাকী অধিকাৰ গোসাঁইৰ দিনত সত্ৰৰ ধন-সম্পত্তি ইমান উভৈনদীকৈ চাপ খাইছিল যে মানুহে "এখেপৰা তলৈকে যাদৱৰাইৰ ঘৰলৈকে" বুলি এটি ডাকৰ বচনকে ৰচনা কৰিছিল। সেই অনুপাতে সত্ৰৰ ভকত আৰু শিষ্যবৰ্গৰ সংখ্যাও উচ্চ শ্ৰেণীৰ ভিতৰত উজনি অসম জুৰি আছিল। দক্ষিণপাটৰ অৰ্থে কামৰূপ-দৰঙৰ বেলতলীয়া ৰজা আৰু দৰঙীয়া ৰজাই যি স্থাৱৰ সম্পত্তি দান কৰিছিল সেই দানৰ ওপৰতে আজিও এখন সত্ৰ বৰ্ত্তি আছে।

বেলতলীয়া দৰঙ্গীয়া ৰজাৰ দান।

আফুখোৱা নিবাৰণী আইন।

১৭৮২ শকৰ আগলৈকে অসমীয়া মানুহে ৰাৰীয়ে-ৰাৰীয়ে আফু খেতি কৰিছিল। আফুৰপৰা কানি হয়। সঞ্চিত গ্ৰহণী থকা মানুহে কানি খালে ৰোগৰ উপশম হয়; কাম-বন কৰিবলৈও উৎসাহ পায়। কিন্তু কানিৰ পৰিমাণে তাৰ তিতামৰা উপকৰণ—এৰা গাখীৰ-ঘিঁউ আদি বলকাৰক বস্তু ব্যৱহাৰ কৰিব লাগে। নকৰিলে কানি বৰবিহ। এই বিহেই অসমীয়া জাতিটোক নপুংসক কৰিলে। সেই কাৰণে, কাৰো বাৰীত আফুখেতি কৰিব নোৱাৰা আইন জাৰি কৰি চৰ্কাৰে অসমৰপৰা আফু খেতি উঠাই দিলে। আন কি, কাৰোবাৰ বাৰীত গহনা গজা আফু-গছ এজোপা থাকিলেও বাৰী গিৰিহঁতে জগৰত পৰিব। আফু খেতি বন্ধ কৰা হল হয়, পিছে চৰ্কাৰে ভাটীৰপৰা কানি আনি কাছাৰী ঘৰত বেচি কানি জুৰাও লোৱা বন্ধ কৰা নহল—চৰ্কাৰে ধন ঘটাৰ উপায় হে উলিয়ালে। মাজুলীত প্ৰায় মানুহেই আফু খেতি কৰিছিল। আইন কৰি খেতিটো বন্ধ কৰা হল যদিও, তাৰ বাইজে ভু পোৱা নাছিল। সত্ৰৰ দেৱোত্তৰ-ব্ৰহ্মোত্তৰ মাটি এনেয়ে পৰিপৰি থাকে। তাতে কিছুমান মানুহে আফুখেতি কৰিছিল, হাবিতলীয়া মাটি কাৰো চকুতো নপৰে। আউনীআটী সত্ৰৰ বিখ্যাত শিষ্য এজনেৰেসৈতে নিকাপন্থীয়া সত্ৰ এখনৰ প্ৰতিপত্তিশালী শিষ্য এজনেৰে নিজা-নিজা ধৰ্ম্মপন্থ লৈ বৰ তৰ্কাতৰ্কি হয়। পাচৰ জন ভকত বুটিছ-চৰকাৰৰ এগৰাকী উচ্চ খাপৰ হাকিম ও। তৰ্কত জিকিব নোৱাৰি নিজে লাজ পাই অন্য প্ৰকাৰে চাৰিসত্ৰীয়াৰ—বিশেষকৈ আউনীআটী-দক্ষিণপাটৰ সত্ৰাধিকাৰ সকলক লঘু-লাঞ্চনা কৰিবলৈ জাল পাতিলে।

আফুখেতি কৰোৱা বুলি অভিযুক্ত।

তেওঁ শিৱসাগৰ জিলাৰ অধিপতি মিঃ স্কণ্ড্ চাহাবক লগালে বোলে আউনীআটী-দক্ষিণপাটৰ গোসাইসকলে জানিশুনি দেৱোত্তৰত আফুখেতি কৰাইছে। সেই কথাতে বৰ চাহাবে নিজে শালমৰা মৌজা ফুৰি চাইচিতি দেখেগৈ—দেৱোত্তৰ মাটিত আফুগছ ফুলি হাঁহি আছে। আফুখেতি কৰা দোষত অভিযুক্ত কৰি চাহাবে অধিকাৰ প্ৰভুলৈ তৎক্ষণাৎ শিৱসাগৰৰ কাছাৰীত হাজিৰ হব লাগে বুলি পৰৱনা পঠিয়ালে। সেইৰূপে আউনীআটীয়া সত্ৰাধিকাৰলৈও গল। দক্ষিণপাটৰ জনা নৌকাযোগে গৈ শিৱসাগৰত উপস্থিত হল। স্কণ্ড চাহাবে আদালতৰ বাহিৰতে জনালেহি, "আপুনি মহাৰাণীৰ আদেশ ভঙ্গ কৰিছে। আপুনি আফুখেতি কৰাইছে মই নিজে চাইআহিছোঁ। এতেকে, আপোনাক ৫০০, নগদ পাঁচ শ টকা অৰ্থদণ্ড কৰা হৈছে"

* অধিকাৰ গোস্বামীয়ে নিৰ্ম্মালিস্বৰূপে কৃষ্ণৰামক গৰুড় মূৰ্ত্তি এটি দিয়ে। সেই মূৰ্ত্তি এতিয়াও গৃহদেৱতাৰূপে বৰবৰা পৰিয়ালৰ গোসাঁইঘৰত বিদ্যমান। —ভটীয়া বৰবৰাৰ বংশাৱলী, গোবীচৰণ বৰবৰা।

"কোনে ক'ত কি কৰিছে, মই কি জানো? দেৱোত্তৰ মাটি পৰি আছে, মই কিবা চাই ফুৰিছোঁ গৈ নে? কোনোবাই কৰিলে, কৰিব পাৰে।"—এই বুলি বাসুদেৱ 'পুৰুষে 'জবাব' দিলে। সত্ৰৰ বৰকাকতী সিন্ধুৰামে কাছাৰী-আগতে সেই দণ্ডৰ টকা ৫০০ পাঁচ শ লেখি-লেখি ঢালি দিলে। পূৰ্ব্বে তৰ্ক লগা শিষ্যজনক বহুত কটু কথা কৈ অসমীয়া হাকিম জনে চাহাবক লগাই শ্ৰীশ্ৰী দত্তদেৱৰ ঈশ্বৰ পুৰুষকো ৫০০ টকা অৰ্থদণ্ড কৰালে। সেই টকাও প্ৰভুৰ শিষ্য মাণিকা দুৱৰা বৰ-কাকতী মৌজাদাৰে সেই ঠাইতে জো-জো কৰে ঢালি দিলে। চাৰিসত্ৰীয়া গুৰু দুজনাক এই দৰে টুটকীয়া-নাবদীয়া কথা লগাই যি জন হাকিমে দণ্ড কৰালে সেইজনক আৰু ৰংপুৰীয়া ভদ্ৰলোকসকলে গৰিহণা দি কুকুৰে-কাউৰে নোখোৱা কৰিলে। সেই ঘটনাৰ অলপ দিনৰ পাচতে হাকিমো শিৱসাগৰ এৰিব লগা হ'ল।

সিন্ধুৰাম বৰকাকতী আৰু মাণিকা দুৱৰা কাকতী।

পুৰন্দৰ সিংহৰ ভগা বিষয়া জনদিয়েকে দক্ষিণপটীয়া গোস্বামীৰ সাত পুৰুষীয়া শিষ্য কেইঘৰমানক গোসাঁইৰ বিৰুদ্ধে উচটাই যোৰহাট অঞ্চলৰ দক্ষিণপটীয়া চহৰ এখন গুৰুদ্ৰোহী কৰি পেলাইছিল। গোসাঁই নিজেই সেই চহৰলৈ গৈ সকলো কথাকে আঁতিগুৰি মাৰি চয়-নিচয় লবৰ নিমিত্তে পূজাসেৱাৰ আৱশ্যকীয় সামগ্ৰীবোৰেসৈতে যোৰহাট পালেগৈ। গোসাঁই অহাৰ বাতৰি পাই-শৰণ-ভজন দিয়াবলৈ শিষ্যসকলৰ মাজত উস্‌মিস্ লাগিল। প্ৰভু স্থিত দিয়াৰ লগে লগেই দক্ষিণপাটত শৰণ নলওঁ বুলি ঠেহ ধৰি থকা বাইজ সুৰসুৰ কৰে আহি প্ৰভুত শৰণ ললেহি। দক্ষিণপাটৰ ব্ৰহ্মসংহিতি মতে, ৫০ বছৰ পাৰ হলেহে শৰণীয়াসকলে দীক্ষামন্ত্ৰ লব লাগে। আগৰেপৰা সত্ৰৰ পুৰণি শিষ্য চোলাধৰা ফুকনৰ পৰিয়ালে দীক্ষা মন্ত্ৰ লৈ আহিছে। ফুকনক মতাই আনোতাই গোসাঁয়ে পূৰ্ব্বীয় সকলৰ দৰেই মন্ত্ৰ লবলৈ সোৰ্‌বাই দিলে। ফুকনে গোসাঁইৰ আগত "কাইলৈ লমহি" বুলি কৈ চক্ৰান্তকাৰীহঁতৰ কথামতে পাচদিনা ঘৈণীয়েকক শৰণ লবলৈ পঠিয়ালে। এই আচৰণবদ্ধাৰা ফুকনৰ গুৰু-অৱমাননা আৰু দীক্ষা-বিৰোধিতা—দুয়োটা গুৰুদ্ৰোহী কথা জলজল-পট-পটকৈ ওলাই পৰিল। গোসাঁয়ে ফুকননীক শৰণ লগাবলৈ নিদিলে। সেই দিনাই ৰাতিলৈ চোলাধৰা ফুকনৰ তেজ বমি আৰম্ভ হ'ল আৰু সিয়েই বনি লৈ সাদিনৰ মূৰত ফুকনক নিজান ঠাই যমপুৰীলৈ লৈ গ'ল। মানুহৰ মাৰ দেখি তিলে বেঁত মেলিলে। গুৰুদ্ৰোহী এজনৰ থিতাতে এনে আওমৰণ হোৱা শুনি শৰণ নোলোৱাকৈ ঠেহ পাতি থকা বা ঠেহ ধৰা থকা এটাইবোৰ গুৰুএৰা অভকতীয়া আহি প্ৰভুৰ চৰণত দীঘল দি পৰি, জগৰ ভঙাই, শৰণ লোৱাই শৰণ, দীক্ষা লোৱাই দীক্ষা লৈ যাদৱৰাইৰ সেৱকীয়া হ'ল। বাসুদেৱ গোসাইৰ মাহাত্ম্য দেখি গুৰুদ্ৰোহীহঁতৰ বুৰবুৰণিবোৰ আপোনাআপুনি মাৰ গ'ল।

অভিশপ্ত চোলাধৰা ফুকনৰ দৈৱিক শাস্তি।

সত্ৰৰ সমীপতে তামোল-নোখোৱা বুলি এটা সম্প্ৰদায় ওলাইছিল। সেই সম্প্ৰদায়ৰ যিজন আতৈ তেওঁৰ আজ্ঞা-অনুসৰি সেই সম্প্ৰদায়ভুক্ত কোনেও মূৰ্ত্তি ভাগৱত তুলসী-ব্ৰাহ্মণ-বেদাচাৰ একোকে নেমানে। শ্ৰাদ্ধবিবাহাদিও বৈদিক মতে নকৰে। আতৈজনে কুক্ৰিয়াও অলপ জানিছিল। তেওঁ বীৰা মেলি মানুহৰ ঘৰত জুই লগোৱাব পাৰিছিল। এদিন আতৈয়ে গোসাঁইৰ আগতে বেদ-ব্ৰাহ্মণ- ঋষি-তুলসীক নিন্দা কৰা দেখি গোসাঁয়ে ভকত লগাই আতৈক তৎকালে সত্ৰৰপৰা উলিয়াই পঠিয়ায়। সেই অপমানৰ পোটক তুলি মহিমা দেখুউৱাৰ অভিপ্ৰায়ে আতৈয়ে গৃহস্থী সত্ৰৰ ঘৰত বীৰা মেলি কেবা দিনো জুই লগাই দেখুৱায়। মানুহে বেৰি-কৰি থাপ দি থাকিও জুই লগোৱা চোৰ ধৰিব নোৱাৰে। শেহন্তত, তামোল-নোখোৱা আতৈৰে এই কাম বুলি সকলোৱে ঠাৱৰ কৰিলে। গোসাঁয়ে ৰামদাস কাকতীৰ হতুৱাই আই-গোসানীৰ ঘৰত কোৱালে বোলে, "তোমালোক ভূত-প্ৰেত, যক্ষ-ৰক্ষ আমি একো নেজানো, এনেকৈ উপদ্ৰৱ কৰি থাকিলে তোমালোক গোসাঁই-ভকত আৰু যাদৱৰাই মহাপ্ৰভুৰ দোহত পৰিবা। এতেকে, ভালে-ভালে ইয়াৰ পৰা গুচি যোৱাহঁক।" কাকতীৰ হাক-বচন শুনি সঁচাসঁচিকৈয়ে সেই-দিনাৰপৰা গৃহস্থী সত্ৰত জুইৰ উৎপাত নাইকিয়া হ'ল। কিন্তু তাৰপৰা আহি সত্ৰৰ গোসাঁই ঈশ্বৰৰ স্নানঘৰ, পূজাঘৰ, ভোজনঘৰ আৰু হাটী কিটাত লাগিলহি।

তামোল নোখোৱা আতৈৰ উৎপাত।

গৃহস্থী সত্ৰত বীৰা মেলি জুই দিয়া।

সত্ৰতে আধাৰ সত্ৰৰ সোমাই নামে গোসাঁইৰ ভাগিনীয়েক এটি আছিল। তেওঁৰ তেতিয়া যজ্ঞোপবীত গ্ৰহণ কৰাৰ বয়স নৌ হয়। তামোল নোখোৱাৰ বীৰাই খলিহা-যখ হৈ সেই লৰাটিৰ গাতে লম্ভিলহি। খলিহাই বিহকে কয়, তাকেই সোমায়ে কৰে। খলিহনা-মাছে খলিহৈ গুৰিয়ে খাবলৈ পালেই খলিহা-যখৰ তৃপ্তি। তামোল-নোখোৱাই যাৰ গাতে লম্ভিবলৈ কয় তাৰ গাতেই ই লম্ভেগৈ। সোমাই গোসাঁইৰ ভাগিনীয়েক, ধৰা পৰিলেও তেওঁক একো নকৰে বুলি ভাবিয়েই তামোল-নোখোৱাই সোমাইৰ গাত সেই খলিহা-যখ বীৰা মেলিছিল। সোমায়ে

গোসাইৰ ভাগিনীয়েক সোমাইৰ গাত খলিহৈ-যখ লম্ভা।

কেবাদিনো গোসাঁইৰ বহাত জুই দি আছে। এদিন এটাইবিলাকে গোট খাই থাপ দি তেওঁক ধৰা পেলালে আৰু সোকাৰে কোবাই ভালকৈ অ'তাই পঠিয়ালে। কোব খাই তেওঁ সৈ কাঢ়িলে, বোলে, মই তামোল-নোখোৱা আতৈয়ে পঠোৱাত হে ইয়ালৈ আহিছিলোঁ। গুৰুবস্তু লোৱা ভকতৰ কাষ চাপিবৰ মোৰ শক্তি নাই। সেই গুণে, লগুণ-নোলোৱা, ভকত নোহোৱা এই কুমাৰ মহন্তটিৰ গাতে লম্ভিলোঁহি।" এইবুলি কলে হে, যোৱাৰ কথা একো নকলে। গোসাঁয়ে আকৌ ছাটচাৰেক লগাই মুখলৈ পানী এছাটি মাৰি পঠিয়ালে। তেতিয়া হে স্বস্থ হৈ আগৰ সোমাই সোমাই হৈ পৰিছে। সেই দিনাৰপৰা আৰু সত্ৰত বীৰাৰ দৌৰাত্ম্য কমিবলৈ ধৰিলে।

তামোলনোখোৱা আতৈৰ মৃত্যু।

তথাপি, মৰিলেও নেবা ধনঞ্জয় বায়ুৰ দৰে বীৰাৰ বায়ুতে ভকতৰ লগ নেৰা হল। এদিন ভকত এজনে পাচ ফালে পুখুৰীত কাঁহী বাটি ধুই আছে, এনেতে দেখিলে, ক'লা কুকুৰ এটাই জিৱাখন লীলিয়াই তেওঁৰ ফালে চোঁচা লৈছে। দেখিয়েই ভকত জনে ত্ৰাহি বিষ্ণু স্মৰি, লৰি আহি গোসাঁইৰ আগত লুটি খাই পৰিলহি। গোসাঁয়ে জানিলে যে সেই কৰ্ম্ম তামোল-নোখোৱাৰ ব্যতিৰেকে আনে কৰা নাই। নিজেই উঠি প্ৰভুৱে চায়গৈ দেখোন, হয়, ক'লা ভলুকা কুকুৰ এটাই জিভা উলিয়াই সা-সাকৈ ফুৰিছে। তৎক্ষণাৎ ভকত দুজনমান লৈ গৈ গোসাঁয়ে মহাপ্ৰভুৰ আগত এসেৰ ঘিঁউৰ বন্তি এগছি লগাই "প্ৰভু ৰাখক" বুলি দীঘল হৈ পৰিলে। তাৰ পাচত, পুথি এখনিৰ পাত এটিকে চিলিঙি কৰি বেল গছৰ খুঁটা এটাত আঁৰি সেই খুঁটাটো দীঘলী-জানৰ পাৰে পুতি থৈ আহিলগৈ। চিলিঙি মৰাৰ লগে-লগে দীঘলী-জানৰ পাৰ ফালে ধনগুলৈৰ দৰে ভামোক কৰে জুই একুৰা ওলাই আকৌ চকু-পচাৰতে নাইকিয়া হল। পাঁচ দিনৰ মূৰত শুনিবলৈ পোৱা গল, বোলে, সচংঘৰতে (সৎসঙ্গ লোৱাঘৰ) তামোল নোখোৱা আতৈজন চকুমুখ মাদি ঠেৰেঙা লাগি মৰি পৰি আছে।

তিনিজনা অধিকাৰৰ ভাগৱতশুনা ভূত।

বিষ্ণুদেব পুৰুষৰ দিনৰপৰা চৰাৰ গাৰিতে আমলখী এজোপাত ভূত এটা বাহ লৈ আছিল। সি তিনি জনা অধিকাৰৰ ভাগৱত-পাঠ শুনি আহিছে। এদিন যোগাই মহন্ত নামে ভকত এজন প্ৰসংগপলা ওলাই যাওঁতে সেই আমলখী জোপাৰ তলতে ক্ষুদ্ৰ-শৌচ কৰিবলৈ বহিল, ইপিনে বিষ্ণুপ্ৰসাদ লৈ যোৱা খৰাহিটো হাততে আছেই। সেই খিনিতে ভূতটোৱে জুৰ লৈ আছিল। তাৰ গাত ক্ষুদ্ৰ শৌচৰ ছিটিকনি পৰাত সি মহন্তক হেঁচা মাৰি ধৰি মাৰে যেন কৰিলে। গোসাঁয়ে সেই ভূতে পোৱা বাতৰিটো পায়েই পুজাৰীজনৰ হতুৱাই যোগাইৰ মূৰত শিখা এটা বন্ধাই দিয়ালে আৰু তেওঁক ওচৰলৈ অনাই ভূতটোৰ খামখা তাৰপৰা আঁতৰি যাবলৈ কলে। তৎমৎ নেপাই মহন্তৰ মুখেদি আঁৰবীয়া মানুহৰ দৰে ফেন এসোপা উলিয়াই মহন্তৰ গাৰপৰা ভূত ওলাই গল।

কৃষ্ণ মলীয়াক ভূতেপোৱা।

সত্ৰৰ নলামুখত চামোন দেবতা এজন আছিল। এদিন ৰাতিপুৱা ফেঁহুজালি দিওঁতেই চেপাৰ মাছ ধৰিবলৈ গৈছিল,—মহাপ্ৰভুৰ মালা-যোগনীয়াৰ কৃষ্ণমালী। মালীক ধৰিলে চামোন দেবতাই। ধৰি নি, বিৱস্ত্ৰকৈ নলামুখৰ জৰি গছ জোপাৰ তলত থকা এজাৰ জোপাতে পাচলৈহাতকৈ বান্ধি থৈছে। হাতী মাউতে দেখি আহি সংবাদ দিয়াত হাটীত হুৱাদুৱা লাগিল। ভকতসকলে চায়গৈ দেখোন, কথা স'চাঃ—লগুণ ছিঙি কোনোবাই কৃষ্ণ বাপুক বান্ধি থৈছে, পিঠিতো ঔটেঙাটোহ'তৰ মান কিলৰ সাঁচ টোবোৰা বান্ধি আছে। সকলোৱে মোকলাই আনি হয় হে শালমৰাৰ বিখ্যাত ভূত খেদোৱা বেজ লম্বাইক আনি জাৰি-ফুকি ডোল-ফণ্টি দিলে, বাপুৰ আৰু কেটকুটেই নহল—যি নিবোকা, নিবোকা হৈয়ে থাকিল। লাভৰ মূৰত লম্বায়ে কৃষ্ণাইৰ কাঠ-চৰ এটা হে খালে।

গোঁসাইৰ বাক্যত ভূত পলোৱা।

বেজৰ লঘু-লাঞ্ছনা হোৱা শুনি পাচ দিনা গোসাঁয়ে কৃষ্ণাইক নিজৰ ওচৰলৈকে নিবলৈ কলে। সেইদিনা গোসাঁইক পূজা ঘৰৰপৰা ওলাই অহা দেখিয়েই কৃষ্ণায়ে মৰ-ভাও জুৰিলে। তথাপি, সেই মৃতপ্ৰায় ঠৰঙা কৃষ্ণাইক দাঙি নি গোসাঁইৰ আগত পেলোৱা হল। প্ৰভু ঈশ্বৰে কোষাঅৰ্ঘা যোৰত পানী লৈ সেই পানীকে তুলসী আৰু শান্তিকুশেৰে কৃষ্ণাইৰ গাত ছটিয়াবলৈ ধৰিলে। লাহে-লাহে মলীয়া বাপুৰ চকু মেল খাই আহিল; চকু কিন্তু পকা-আঙঠা যেন টকটক্ কৰে ৰঙা—চাবই নোৱাৰি। তথাপি, গোসাঁয়ে ডবিয়াই সোধাত কৃষ্ণাইৰ মুখত মাত ওলাল, কলে, "মই চামোন দেবতা। নলাৰ মুখত মোৰ বাহ আছে। তাতে লৰাই-ছোৱালীয়েসৈতে গোটেই মথা থাকোঁ। ময়ে ঘৰৰ গিৰিহঁত। আমি কাকো অপকাৰ নকৰোঁ। পিচে, সিদিনা এই কৃষ্ণায়ে আমাৰ বাহৰ ওচৰতে বৰ-শৌচ কৰিলে। সেই কাৰণে হে ইয়াক ভালকৈ এসেকা দিওঁ বুলিছোঁ।" এই কথাবোৰ কৃষ্ণাইৰ মুখৰপৰাই ওলাইছিল। গোসাঁয়ে "গুচি যা" বুলি আকৌ তুলসী-পানী এছাটি মাৰি দিলত, চ'ৰাৰ কানত থকা বৰ-আম

জোপাৰ ডাল এটা মাৰোক কৰে ভাগি থাকিল; আৰু কৃষ্ণাই বাপুও গিৰিস্ কৰে উঠি বহিল: সেইদিনাৰপৰা নিবোকা চামোন-দেৱতাৰ উৎপাতো নোহোৱা হল।

এই গৰাকীত্তে দক্ষিণপাট সত্ৰত ভূতৰ উপদ্ৰৱ শেষ।

এই দৰেই সত্ৰত, প্ৰায়েই ভূত-পিশাচ, দ'ত-বাক, চামোন-বুঢ়াডাঙৰীয়া প্ৰভৃতি উপদেৱতাৰ উৎপাত হৈয়ে আছিল। সিহ'তৰ কোনো-কোনোটোৱে ভকতক শূই থকাৰপৰা জগাই তুলি লৈ যায়; ভাত-খাওঁতে বাহিৰৰপৰা মাছভাত খোজে। পূব গড়ৰ পোনে মৰিয়া-পিশাচৰ গাওঁ এখনতে আছিল বুলি কয়। শনিবাৰে-মঙ্গলবাৰে সিহ'তে পিতল খুন্দে; পুৰা-গধূলি গাৰ'ত কুমৰধ্বনি কাজিয়া লাগে। এনেবোৰ আচৰিত-আচৰিত ঘটনা সকলোৱে কাণেৰে শুনিবলৈ পাইছিল। বাসুদেৱ গোসাই ঈশ্বৰ অধিকাৰ হবৰপৰা, সেইবোৰ দক্ষিণপাটৰ পোহনীয়া দেও-ভূত কৰবালৈ গুচি গল।

হেৰোৱা বৃন্দাবন চন্দ্ৰ ওলোৱা।

পূৰ্ব্বে ৰজা, ডাঙৰীয়া, বৰগোহাঞি, বৰবৰুৱা আৰু বিষয়াই দিয়া অসংখ্যাত অমূল্য প্ৰতিমা সত্ৰত আছিল। আপদীয়া মানৰ দিনত, ভকতসকলে পাৰেমানে তাৰে কিছুমান পুখুৰীত পেলাই থৈছিল, কোনোবাখন আকো গছৰ গুৰিত নাইবা মাটিত পুতি থৈছিল। যাদবৰাইৰ মূৰ্ত্তি খনি হে কেৱল গোসাঁয়ে বুকুত বান্ধি লৈ ফুৰিছিল। প্ৰভুৱে চহৰ ফুৰি আহি সত্ৰখন নকৈ পাতিলে। আগেয়ে লুকুৱাই পেলাই থৈ যোৱা মূৰ্ত্তিসমূহৰো কিছুমান উদ্ধাৰ কৰা হল। কিছুমানৰ আকো উৱাদিহকে পোৱা নগল। প্ৰভুৰ কি লীলা! কিছু দিনৰ পিচত, সেই-বিলাকৰ হয় একোখন অকস্মাতে ওলাল, নহয় কোনোবাই হঠাতে হেৰা পালে। এই ৰূপেই সকলো মূৰ্ত্তি পোৱা গল। কিন্তু, বৃন্দাবনচন্দ্ৰৰ খন হে বহুত দিন নোলোৱাকৈ আছিল। সেই খনিও, পাচত, দৈৱক্ৰমে ওলাল। বালিয়া নামেৰে সত্ৰত দৰ্জ্জী এজন আছিল। তেওঁ গৰাকী থকা ঘৰৰ পাচ ফালে পুখুৰী এটাত বৰশী বাই থাকোতেই অকস্মাতে বৃন্দাবনচন্দ্ৰৰ মূৰ্ত্তিখনি ওপঙি আহিল।

অৰিষ্টাসুৰ বধ নাট ৰচনা।

ন-মণিকূট, ন-নামঘৰ নিৰ্ম্মাণ কৰাই, ন-পুৰণি সকলো মূৰ্ত্তি বিধিৰৎ স্থাপন কৰি প্ৰভুৱে শৰৎ পূৰ্ণিমাৰ ৰাসোৎসৱত সম্পূৰ্ণ অভিনৱৰূপে অভিনয় কৰাবলৈ সংকল্প কৰে। ১৭৭২ শকত, প্ৰভুৱে নিজে শ্ৰীকৃষ্ণৰ জন্মৰপৰা অৰিষ্টাসুৰ-বধ পৰ্য্যন্ত নাট এখনি ৰচনা কৰি সেই বছৰৰপৰা প্ৰত্যেক বছৰেই ৰাসপূৰ্ণিমাত সেই নাট ভাবনা কৰাইছিল। কিন্তু, নতুন ৰুচি-অভিৰুচিৰে সৈতে খাপ খুৱাবৰ নিমিত্তে নাটখনৰ সংশোধন আৰু পৰিবৰ্দ্ধনৰ আৱশ্যক হল।

ৰাসোৎসৱ পূজাৰ নতুন বিধি।

সেই হেতুকে, প্ৰভু ঈশ্বৰে "বৃহৎ গৌতমী, হৰিবংশ, কৃষ্ণ জন্মখণ্ড, ভাগৱত পুৰাণ আৰু তন্ত্ৰ-শাস্ত্ৰ চাই ৰাসোৎসৱ পূজা-পদ্ধতিৰ বিধি এখন নকৈ ৰচনা কৰিলে। সেই বিধিমতে ৰাসোৎসৱ তিন দিনীয়া হলঃ— অধিবাস, ৰাস আৰু ইন্দ্ৰাভিষেক। "ৰাস-কীৰ্ত্তন" নাম দি ৰাসত গাবলৈ কিছুমান গীতো ৰচনা কৰি নাটৰ অন্তৰ্ভুক্ত কৰিলে। সেই নাটৰ আৰ্হি-অনুসৰিয়েই আজিও সত্ৰত ৰাসোৎৱত সেইবিলাক গীতমাতকে গোৱা হয়। মাজুলীত দক্ষিণপাট সত্ৰৰ ৰাসোৎসৱেই আদি আৰু প্ৰাচীনতম। বুৰঞ্জীৰ অপলাপ নকৰাকৈয়ে অন্যান্যবিলাক অৰ্ব্বাচীন বুলি কব পাৰি।

আৰু ৰাসকীৰ্ত্তন ৰচনা।

দক্ষিণপাটৰ ৰাসেই প্ৰাচীনতম।

প্ৰভুৰ পিতৃদেৱেক "কংসবধ ভাবনাৰ" অংকীয়া নাট এখনি ৰচনা কৰি থোৱা আছিল। এদিন চামগুৰি সত্ৰৰ আতা আহি গোসাঁইৰেসৈতে শিষ্টালাপ কৰি মাঘমহীয়া ভাৱনা এটা পাতিবলৈ স্থিৰ কৰে। সেই মাঘতে, সহদেৱ, আত্মাদেৱ আৰু বন্তিদেৱৰো তিথি। সেই উপলক্ষে ভাৱনা কৰিবলৈ ভাৱৰীয়াবিলাকে তিনি মাহৰ আগৰেপৰা "কংসবধৰ" আখৰা কৰে। নিয়মিত সময়ত, ভাবনা হলত দৰ্শকেৰে সত্ৰ বিৱদিও বাট পাবলৈ নোহোৱা হৈছিল। হাজোৰ-লীয়া গায়ন-বায়নৰ গীতমাত সংযোজিত হোৱাত ভাও বৰ আকৰ্ষণীয় হৈছিল। পৱনতীয়া শিষ্যও ভাবে-ভেটীয়ে চাবলৈ আহিছিল। বাঁহৰ গ'ৰাল মাৰি হে ভাৱনা-চোৱা মানুহক বহা-মেলাৰ সুবিধা দিব পৰা হৈছিল। দৰ্শকক সোধপোচ কৰি নিয়াৰিকৈ বহুউৱা-মেলাৰ ভাৰ আছিল ভটীয়া বৰবৰা জুৰণৰ গাত।

ভাৱৰীয়াৰ কৃতিত্ব।

কৃষ্ণৰাম ওজাই সূত্ৰধাৰীৰ ভাও লৈছিল আৰু শিয়ালমৰা সত্ৰৰ বংশীধৰ ডেকা গোসাঞে কৃষ্ণৰ ভাও লৈ দৰ্শকসকলক নথৈ আনন্দ দিছিল। ৰামকৃষ্ণৰ ভাওলোৱা ভাৱৰীয়া দুজন সভাত প্ৰৱিষ্ট হলতে দৰ্শকসকল গিৰগিৰ কৰে থিয় হয় আৰু গোসাঁই ঈশ্বৰে স্বয়ং আগ বাঢ়ি আহি স্বহস্তে গন্ধপুষ্প দি ভাৱৰীয়া দুজনক অৰ্চ্চনা কৰে। "ভাবনা চাই সকলোৱে ধন্য ধন্য কৰিলে।" চোঘৰীয়া ওজাই ভাৱৰীয়াবিলাকক ভাও অনুসৰি ধুনীয়া-ধুনীয়াকৈ সজাই-পৰাই দিয়াত তেওঁলৈও নিপুণ শিল্পী বুলি ৰাইজে শলাগৰ শৰাই আগবঢ়ালে।

অৰ্জ্জুন গীতা ৰচনা।

প্ৰভুৱে সংস্কৃতৰপৰা অনুবাদ কৰি "অৰ্জ্জুন গীতা" নামে পদ-পয়াৰৰ পুথি এখনিও ৰচনা কৰিছল। সত্ৰৰ অৱস্থিতি অনিশ্চিত হোৱা দেখি, অতি সোনকালেই সত্ৰৰ ঠাই লৰাবৰ প্ৰয়োজন

হল। বৈকুণ্ঠী হবলৈ তিনি মাহ মাত্ৰ আছে, এনেতে প্ৰভুৱে "কামদেৱ গোসাঁইৰ দিনত চন্দ্ৰমলা আইদেওৰপৰা পোৱা মাটিলৈকে সত্ৰখন তোলাই নিয়ালে। তাত পূৰ্ব্বেই সত্ৰৰ নিমিত্তে আহল-বহলকৈ ঠাই আওতাই থোৱাই আছিল। এতিয়া তাতে ভকতসকলে নিজে-নিজেই বৰ-বৰ ভেটি তুলি হাটীবহা সাজিলে আৰু ওখ ভেটিত নামঘৰ-মণিকূট বহুৱালে। চন্দ্ৰমলা আইদেৱে কৰোৱা দোল-পুখুৰীও আছিলেই। ভাল দিনবাৰ চাই, মহোৎসৱ কৰি ১৭৯২ শকত পুৰণি সত্ৰখন তুলি আনি বৰ্ত্তমান থকা ঠাইতে নকৈ পতাহি হল। নতুন সত্ৰ লোৱাৰ অলপ দিনৰ মূৰতে প্ৰভু ঈশ্বৰৰ গা বিধাৰণ হল। বাতপিত্ত প্ৰকোপিত হৈ শৰীৰ অৱশ হৈ আহিল। ভৱলীলা সম্বৰণৰ কাল পাৰিলেহি বুলি শুদ্ধসত্ব ব্ৰাহ্মণৰ স্বপ্নাদ্দিষ্ট হল। বৰ-তামুলী বেজবৰুৱা আৰু সাধি হাজৰীকাই সাধ্যমতে ঔষধাদিৰে বিবিধ প্ৰকাৰে চিকিৎসা কৰিলে, তথাপি প্ৰকোপৰ উপশম নহল। প্ৰভুৰ মনোবল দৃঢ় আৰু আত্মপ্ৰত্যয়ী হোৱাত, অন্তিম কালৰ আগ-মুহূৰ্ত্তলৈকে চিত্তবিকাৰৰ একো লক্ষণ দেখা নগৈছিল। তেওঁয়াও নিজে-নিজেই পূৰ্ব্বৱৎ প্ৰত্যহ ভাগৱত পাঠ কৰি আছিল। বৈকুণ্ঠ গমনৰ সময় চাপিলহি বুলি উমান পাই, ভক্তবৃন্দৰ সাক্ষাতে, শুভদেৱ ডেকা গোসাঞিৰ মূৰত ধৰ্ম্মমালা থাপি, সত্ৰ পালনৰ বিষয়ে উত্তৰাধিকাৰী জনাক যি প্ৰকাৰে উপদেশ দিয়া হয় সেই প্ৰকাৰেই উপদেশ দি, ১৭৯২ শকৰ কাতিমহীয়া কৃষ্ণা ষষ্ঠী তিথি দিনা শ্ৰীশ্ৰীবাসুদেৱ গোসাঁই ঈশ্বৰে স্বৰ্গধামলৈ মহা-প্ৰয়াণ কৰিলে। নবলোকত প্ৰভু বিৰাজ কৰিছিল ৯৩ বছৰ।*

বৰ্ত্তমান ঠাইলৈ সত্ৰ অনা।

প্ৰভুৰ মহাপ্ৰয়াণ।

প্ৰয়াণৰ বাতৰি কেউফালে বিজুলী-সঞ্চাৰে বিয়পি গল। প্ৰভুৰ একান্ত ভক্তসকলক স্বপনতে আগেয়েই দেখা দি আহিছিল। জুৰণ বৰবৰাৰ পুত্ৰ নাৰায়ণ বৰবৰাই তীৰ্থ ভ্ৰমণ কৰি বিদেশত আছিল। প্ৰভুৱে তেওঁক স্বপনতে দেহান্তৰৰ আগ জাননী দিয়াত, তেওঁ (বৰবৰাই) শ্ৰাদ্ধৰ নিমিত্তে ২৫ টকা ৰূপ অৰিহণা স্বৰূপে মণিঅৰ্ডাৰ কৰি পঠিয়াই দিয়ে। সেই টকা যথাসময়ত শ্ৰাদ্ধত লাগিবলৈ পালেহি। স্বপনত নেদেখা হলে, সেই টকা শ্ৰাদ্ধত লাগিবলৈ নেপালেহেতেন। সিদ্ধগুৰু আৰু অকৃত্ৰিম ভক্তৰ প্ৰাণ-সংযোগৰ ভিতৰত যি অভিপ্ৰেতা 'বাসুদেৱ গোসাই আৰু নাৰায়ণ বৰবৰাৰ সমন্ধত তাক প্ৰকৃষ্ট ভাৱে দেখা যায়।

একান্ত ভক্তসকলক প্ৰভুৱে প্ৰয়াণৰ বাতৰি স্বপন যোগে আগতে দিছিল।

ৰজাসত্ৰ চাৰিখনৰ ভিতৰত কোনো এখনৰ সত্ৰাধিকাৰ বৈকুণ্ঠগামী হলেই ই তিনি খনে পাকপাত্ৰ পৰিত্যাগ কৰি অশৌচ পালিব লাগে। সেই বাবেই, আউনীআটি-কুৰুৱাবাহী-গড়মূৰ সত্ৰলৈ আশুশীঘ্ৰে প্ৰভু পৰলোকপ্ৰাপ্তি হোৱা বাৰ্তাৰটি দিয়া হল। অস্থিসঞ্চয়, চতুৰ্থী আদি প্ৰাৰম্ভিক কৃত্য সম্পন্ন কৰি একাদশ দিনা আদ্য শ্ৰাদ্ধৰ আয়োজন কৰা হল। দূৰ-দূৰান্তৰৰপৰা শিষ্য-প্ৰশিষ্য, ভকত-সেৱকীয়া আহি চাউনী ভৰি পৰিলহি। ৰাতিয়ে-দিনে তিনিখন নাৱেৰে পাৰ হৈ অহা মানুহ চিৰাচিৰাই আছিল। গুটীয়া নাৱেৰে পাৰ হোৱা মানুহৰ যে সীমাই নাই। গুড়িপৰুৱা হেন প্ৰজাৰ মাজত শান্তি-শৃঙ্খলা ৰক্ষা কৰিবলৈ জিলাৰ বৰ চাহাব কেম্পবেলে দুজন ডাৱোকা আৰু ১২ জন চিপাহী পঠাই দিছিল।

আদ্য শ্ৰাদ্ধ।

শ্ৰাদ্ধৰ আগ দিনাই গধূলি ৭০০ ভকতেসৈতে আউনীআটী সত্ৰৰ অধিকাৰ পূজ্যপাদ প্ৰভু শ্ৰীশ্ৰীদত্তদেৱ গোসাই ঈশ্বৰ সত্ৰত উপনীত হয়হি। শ্ৰাদ্ধৰ দিনা শ্ৰাদ্ধ আৰু শ্ৰাদ্ধৰ আনুষঙ্গিক ক্ৰিয়াকাৰ্য্য সমাপ্ত কৰাৰ পাচত অভিষেক বা অধিকাৰ পতা উৎসৱ আৰম্ভ হয়।

শ্ৰীশ্ৰী দত্তদেৱ গোস্বামীৰ দ্বাৰা নতুন অধিকাৰৰ অভিষেক উৎসৱ সুসম্পন্ন।

> "পদুলি-পদুলি সৱে পুতিলা তোৰণ
> সুৱৰ্ণৰ দীপঘট সুগন্ধ চন্দন
> দূৰ্ব্বাক্ষত-পঞ্চৰত্ন থৈলা নিৰন্তৰে
> পশিলন্ত শ্ৰীমন্ত দত্তদেৱ প্ৰভু ঘৰে।"

দত্তদেৱ গোসাই ঈশ্বৰে বিধিমতে মহামাৰ্জ্জনাদি শান্তি কৰি সুবৰ্ণ-ৰৌপ্যৰ ঘটত হস্ত স্পৰ্শন কৰে। তাৰ পাচত, স্বৰ্গী হোৱা জনা অধিকাৰৰ মনোনীত স্থলাভিষিক্ত শুভদেৱ গোস্বামীদেৱৰ অঙ্গত অঙ্গমুণ্ডমালা অৰ্পণ কৰি দেৱক দক্ষিণপাট সত্ৰৰ ধৰ্ম্মাচাৰ্য্যৰূপে অভিষিক্ত কৰে।

আউনীআটী-অধিকাৰ গোস্বামীক যথানিয়মে অভিষেক প্ৰাঙ্গনৰপৰা বিদায় দি পাটত

* শ্ৰীমযাদৱদেৱপাদ যুগলং ধ্যায়ামুদামানসে শ্ৰীমদ্দক্ষিণপাট সত্ৰকৰ্ত্তা শ্ৰীবাসুদেৱ সুধীঃ
শাকে নেত্ৰবিলাম্বকাৰসিত গে পক্ষে ষষ্ঠান্তিথৌ—
ত্যক্তা দেহমনশ্বৰং পদমগাযিক্কো ৰ্স্বিৰ্বোকাৰ্ত্তিকে।

আদ্য শ্ৰাদ্ধৰ দক্ষিণা।

তোলা নতুন অধিকাৰ প্ৰভুৱে নিমন্ত্ৰিত-অনিমন্ত্ৰিত ব্ৰাহ্মণসকলক দক্ষিণা দি সম্ভাষা কৰে। ব্ৰাহ্মণজনে পতি ১০৲।১৫৲ টকাতকৈ সৰহ দিয়াৰ কথা আছিল। কিন্তু, গোসাঁয়ে দক্ষিণা দিওঁতে কোনো জনে ১০০৲ টকাকৈও পাইছিল। লগুণ নোলোৱা ব্ৰাহ্মণৰ লৰা একোটিৰ হাততো ৪৲।৫৲ টকাকৈ পৰিছিল। সাঁজ লাগি ভগাৰ পিচত হে দক্ষিণা দিয়া শেষ হয়। তাৰ পিচত, মহন্তসকলক স্বৰ্ণবস্ত্ৰসমে ২০৲।২৫৲।৩০৲ ৰৌপ্যমুদ্ৰা দক্ষিণা দি বিদায় দিয়া হয়। দুৱাৰি-বটীয়াসকলক সিধা দিয়াৰ ব্যৱস্থা কৰি, আউনীআটীয়া অধিকাৰ, ডেকা-অধিকাৰ আৰু সৰু অধিকাৰ গোসাইসকলক বিদায় দিবলৈ ওলাল। দত্তদেৱ পুৰুষক কোষা-অৰ্ঘা এজোৰতে

"ৰৌপ্যমুদ্ৰামান
চল্লিছ প্ৰমাণ
পাদপূৰ্ণ স্বৰ্ণমান।"

দি সেৱা কৰিলে। সোণৰূপবস্ত্ৰ আভৰণেসৈতে ডেকা-সৰু দুয়ো জনা আউনীআটীয়া গোসাইক দক্ষিণা দিয়া হল। গোবিন্দ মহাপ্ৰভুৰ নিমিত্তেও যথাৰহ মুদ্ৰা উৎসৰ্গা কৰা হল। এই প্ৰকাৰেৰেই আউনীআটীয় দেউৰী পূজাৰী, ব্ৰাহ্মণ দৈৱজ্ঞ সকলোকে বিষয় অনুসাৰে দান-দক্ষিণা কৰা হল। তেতিয়া হে অন্ত্যেষ্টিক্ৰিয়া-শ্ৰাদ্ধাদিৰ দক্ষিণা দি প্ৰভু শুভদেৱ গোস্বামীয়ে অৱসৰ লাভ কৰিছে।

সপ্তম পটল

(১১)

শ্ৰীশ্ৰীশম্ভুদেৱ গোস্বামী

১৭৯২—১৮৩৮ শক।

শম্ভুদেৱৰ গোস্বামীৰ জন্ম নগাৰত।

১৭৯২ শকত ডেকা-অধিকাৰ শ্ৰীশ্ৰী শম্ভুদেৱ গোস্বামী ধৰ্ম্মাধিকাৰী পদত অভিষিক্ত হৈ দক্ষিণপাট সত্ৰ পালন কৰিবলৈ ধৰে। প্ৰভুৰ জন্ম ১৭৬৯ শকৰ ভাদ মাহৰ পূৰ্ণিমা তিথিত আৰু জন্ম হয় নগাৰৰ কচাৰী সত্ৰত। পিতৃদেৱেক বিশ্বদেৱ গোস্বামী আৰু মাক শম্ভেশ্বৰী দেৱী। ২৩ বছৰ বয়সত অধিকাৰ হৈ ২৬ বছৰ কাল ধৰ্ম্ম প্ৰৱৰ্ত্তন কৰি প্ৰভু ১৮৩৮ শকত বৈকুণ্ঠ প্ৰাপ্ত হয়।

শম্ভুদেৱৰ গোসাঁইৰ ভাই-ককাই ৫ জনা আছিল। তাৰ ভিতৰত প্ৰভু নিজে দক্ষিণপাটৰ অধিকাৰ, অনুজ নৱদেৱ ডেকা-অধিকাৰ আৰু নাৰায়ণদেৱ সৰু-অধিকাৰ। এই তিনি গৰাকীৰ পাচত ক্ৰমান্বয়ে লোকনাথ আৰু যদুদেৱ—এখেত সকল গৃহী হৈ আছিল। দদাইদেৱেকৰ পুত্ৰ শ্ৰীশ্ৰী কমলদেৱ গোস্বামী আউনীআটি সত্ৰৰ অধিকাৰ হয়।*

প্ৰভু কেবা খনো গ্ৰন্থপ্ৰণেতা।

আগৰ নিয়ম মতেই শম্ভুদেৱ গোসাঁয়েও নিতে দ্বাদশ প্ৰসঙ্গ সমাধা কৰি ধৰ্ম্মাচৰণত লিপ্ত থাকোঁতেই সময় অতিবাহিত হৈছিল। শাস্ত্ৰ চৰ্চ্চা, শাস্ত্ৰানুবাদ, গীতপদ ৰচনা—এই বিলাকত আত্মনিয়োগ কৰিয়েই যাদৱৰায়ৰ মহিমা প্ৰকাশ কৰি আছিল। গোসাঁয়ে সংস্কৃত ভাগৱতৰ দশম স্কন্ধৰ শেষ খণ্ড, একাদশ স্কন্ধ, বেদস্তুতি অসমীয়া পদলৈ ভাঙে। শম্ভুদেৱ প্ৰণীত কেবাখনো নাট আৰু ভালেমান গীতপদ সত্ৰত এতিয়াও চলি আছে। প্ৰভুৱে পৰৱৰ্ত্তী ধৰ্ম্মানুৰাগীসকললৈ যথেষ্ট পাৰমাৰ্থিক বস্তু থৈ গৈছে।

প্ৰভুৰ শিৱসাগৰ যাত্ৰা।

গুৰু আৰু সেৱক-শৰণীয়াৰ পৰম্পৰা ৰক্ষাৰ নিমিত্তে প্ৰভু শিৱসাগৰ চহৰলৈকে পোনেই যাত্ৰা কৰে। শিৱসাগৰীয়া ৰাইজে নিজে বাহৰ সাজি বিপুল উৎসাহ আৰু বিৰাট সমাৰোহেৰে প্ৰভু ঈশ্বৰক অভূতপূৰ্ব্ব সম্বৰ্দ্ধনা জনায়। ৰামদেৱ-প্ৰণীত ৰাসলীলা নাটখনিকে প্ৰভুৱে অলপ সালসলনি কৰি শিৱসাগৰীয়া ৰাইজক পোনেই তাৰ অভিনয় কৰাই দেখুৱায়। সেই অভিনয় বা ভাওনা চাবলৈ স্থানীয় গঞাঁলি ৰাইজ, নগৰীয়া লোক যে ভাগিভূঁহিব আহিছিলেই নে ৰাজমাই আৰু বজাবাৰী চাহবাগিছাৰ মেনেজৰ চাহাব আৰু জিলাৰ ভাৰপ্ৰাপ্ত য়ুৰুপীয় কৰ্ম্মচাৰী সকলো আহিছিল। পাদৰী মৰ চাহাবো আহিছিল। ফাঁচি-দিয়া ধেমেলীয়া দৃশ্য এটি দেখুৱাওঁতে হেমোৰাম নামৰ ভাৱৰীয়া এটিয়ে এনেভাৱে মৰভাও জুৰি দেখুৱাইছিল, যে মানুহে সঁচাকৈয়ে হেমোৰাম মৰিল বুলি ভাবিছিল। ভাওনা চাই থকা য়ুৰুপীয় ডাক্তৰ চাহাব জনে হেমোৰাম মৰিল বুলি, ঘপ কৰে সমজ্যাৰ মাজৰপৰা উঠি গৈ হেমোৰামৰ নাড়ী পৰীক্ষাকে কৰিছিলগৈ। ভাৱৰীয়াবিলাকৰ সাজন-কাচন, ভাও-ভঙ্গী আৰু হেঙ্গুল-হাইতালেৰেকৰা বৰণ সানি মুখহাত বোলোৱা দেখি কোনেও প্ৰশংসা নকৰি নোৱাৰিছিল।

কলাবাৰী-গুৱাহাটী গমন।

বনমালী দেৱৰ দিনৰপৰাই এটা নিৰ্দ্দেশ আছিল যে প্ৰত্যেক জন অধিকাৰেই অন্ততঃ এবাৰ কলাবাৰী সত্ৰলৈ যাব আৰু গোপালপুৰ সত্ৰও চাব। এই অনুসৰি, শম্ভুদেৱ গোস্বামীয়ে শিৱসাগৰৰপৰা ঘূৰি আহি ১৮০৯ শকত কলাবাৰীলৈ গমন কৰে। কলাবাৰীত বাসুদেৱ মূৰ্ত্তি পূজা-সেৱা কৰি ভটীয়াই ন-দুৱাৰ পায়গৈ তাৰপৰা ক্ৰমান্বয়ে তেজপুৰ-মঙ্গলদৈ সোমাই

---

* "১৮০২ শকত ৺ৰ দত্তদেৱ গোস্বামী দক্ষিণপাট সত্ৰৰ নিমন্ত্ৰণ পাই যাওঁতে দক্ষিণপাটৰ আশ্ৰমী সত্ৰৰ ৺ৰ কেশৱ দেৱ গোস্বামীৰ পুত্ৰ শ্ৰীশ্ৰী কমলদেৱ গোস্বামীক নিজে আনি দিয়াত সৰু দেখি তেতিয়া নানি পিতৃয়েকৰ লগতে থৈ আছিল, পাচত শ্ৰীশ্ৰী কমলদেৱ গোস্বামী নিজে আউনীআটি সত্ৰলৈ আহি কিছুদিন থকাত ৺ৰ দত্তদেৱ গোস্বামী প্ৰভুৱে দয়া কৰি গোবিন্দপুৰীয়া নিৰ্ম্মালি দি ৰাখিছিল। . যিজনা প্ৰভুৱে (দত্তদেৱে) ১৭৬০ শকৰ বহাগ মাহৰপৰা ১৮২৬ শকৰ জেঠ মাহলৈকে ৬৬ তিনি কুৰি ছবছৰ অধিকাৰ পদত থাকি দুই লক্ষ পোৱা শিষ্যক পুত্ৰ ৰূপে স্নেহ কৰিছিল, যি মহাপুৰুষ প্ৰাণ প্ৰয়াণৰ একৈশ ঘণ্টাৰ আগতো শিষ্যক ভাগৱতী ধৰ্ম্মৰ কায়া শুদ্ধি শৰণ লগাই অন্তিমৰ ১০ দশ ঘণ্টাৰ পূৰ্ব্বে সত্ৰাস্থিত বৈষ্ণৱ ও জনদিয়েক ভদ্ৰ মহোদয়ৰ সাক্ষাতে ওপৰ দেউ সকলে চলাই যোৱা প্ৰথামতে অকপটে হাস্যমুখে শ্ৰীশ্ৰী কমলদেৱ গোস্বামী প্ৰভুক নিজৰ সাদৰৰ গলৰ মালা পিন্ধাই দি প্ৰভুৱে ৬৬ বছৰ ভোগ কৰা জগত পূজিত আউনীআটি সত্ৰৰ অধিকাৰ পাতিলে। ১৮২৬ শক। —দত্তদেৱ চৰিত। ৰাচাৰাম খাওন্দ।

সেইবিলাক ঠাইত শৰণ-ভজন দি, পুনৰ গুৱাহাটীত উপনীত হয়গৈ।* তাতে 'সোণামুখী' জাহাজত কমিছনাৰ চাহাবক দেখা কৰি সত্ৰৰ দেৱোত্তৰ সম্পত্তি সমূহৰ সুব্যৱস্থা কৰে। কামৰূপৰ পঞ্চতীৰ্থ দৰ্শন কৰি, য'ত যিৰূপে কৰিব লাগে, সেই ৰূপে অৰ্চ্চনা-বন্দনা-দান-দক্ষিণা কৰি প্ৰভু বিমল যশস্যাৰে ভূষিত হয়।

গুৱাহাটীৰ উত্তৰ-দক্ষিণ উভয়পৰীয়া শিষ্য-প্ৰশিষ্য আৰু গণ্যমান্য ভদ্ৰলোকৰ দৈনিক সমাগমত গোসাঁইৰ বাহৰখন নগৰতুল্য হৈ আছিল। হৰিনাম-পৰায়ণ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ সমূহ ৰাইজ প্ৰভুৰ সেৱাতেই লাগি আছিল। এমাহ মান গুৱাহাটীত থাকি প্ৰভু উজনিমুৱা হয়। জাগীলৈকে গুৱাহাটীয়া নাৱৰীয়াই আগ বঢ়াই থৈ যায়। জাগীত শৰণাৰ্থীসকলক ধৰ্ম্ম-নিৰ্ম্মালি দি প্ৰভু দীঘলডাঁৰিৰ কচাৰী সত্ৰলৈ যায়। তাত দক্ষিণপটীয়া গোসাঁইক চাবলৈ ধৰ্ম্মপ্ৰাণ নগঞা ৰাইজৰ সোঁত হে যেন বলিছিল। দৰঙ্গী বজাৰ তৰপৰাও ভকত আহি প্ৰভুক সেৱা জনায়হি। ডবকা, জয়ন্তীয়া, চৰাইহাগী, হাতীচোং, বহা, জাগী, জাগীভকতগাওঁ প্ৰভৃতি ঠাইৰ ৰাইজ সপৰিবজনে আহি শৰণ লোৱাই শৰণ, মন্ত্ৰ লোৱাই মন্ত্ৰ লয়হি। ৰহিয়াল বৰুৱাৰ ঘৰৰ দুয়োজন ভায়েক-ককায়েক গোসাঁইৰ পৰিচৰ্য্যাতে লাগি আছিল। ভীৰিকান্ত মজুমদাৰে সাত দিনলৈকে গোসাইক ৰাখিছিল।

গুৰু ভক্তিত শিষ্যসকলৰ প্ৰতিস্বন্দিতা।

তাত থাকোঁতেই কলং নৈৰ পানী শুকাই তৰ ওলাল। প্ৰভু লৰালৰিকৈ নগাৱঁৰ বাহৰলৈ আহিল। নগাৱঁত ধৰ্ম্মেশ্বৰ ওজা আদি প্ৰধান-প্ৰধান সেৱকসকলে প্ৰভুক অভ্যৰ্থনা দিবলৈ অপেক্ষা কৰিয়েই আছিল। গোসাঁই গৈ পোৱা মাত্ৰকে আদৰণিৰ খদমদম্ লাগিল। গুৰু-ভক্তিৰ ফেৰ মাৰি শিষ্যসকলে প্ৰভুক খাটোলাত তুলি নি নাৱৰপৰা বাহৰ তুলিলেগৈ। গোসাই ঈশ্বৰ তাতে দুদিনমান থাকিল। সেই কেইদিনতে অশৰণীয়া হৈ থকা ভালেমান লোকে শৰণ লয় আৰু দীক্ষামন্ত্ৰ গ্ৰহণ কৰে। নগাৱঁৰপৰা আহি দিনচাৰেক জখলাবন্ধাৰ দেৱ সত্ৰত বিশ্ৰাম কৰে। এই দৰে, ৯ মাহ চহৰ ভ্ৰমণ কৰি ১৮১০ শকৰ আহিন মাহত একো অপায়-অমংগল নোহোৱাকৈ শম্ভুদেৱ গোস্বামী প্ৰভু সত্ৰলৈ উলটি আহিল।

গুৱাহাটীৰ পৰা নগাওঁ।

নগাৱঁৰপৰা দেৱৰ সত্ৰ।

সত্ৰলৈ প্ৰত্যাৱৰ্ত্তন।

শম্ভুদেৱ গোসাই ইমান সাত্বিক আছিল যে সেই ভ্ৰমণকালত, প্ৰভুৱে যেতিয়া যি ঠাই পৰিত্যাগ কৰিছিল, সেই ঠাইৰ কুকুৰেও বাটচি জুৰি কান্দিছিল।

প্ৰভুৰ সাত্বিকতা।

নামনিৰপৰা ঘূৰি আহি প্ৰভু আকৌ উজনি ফালে, যোৰহাট-শিৱসাগৰ-ডিবৰুলৈ যায়। সেইবিলাক ঠাইতো বহুলোকে ধৰ্ম্মশিক্ষা পাই নতুন জীৱন লাভ কৰে। উজনিৰপৰা উভতি আহি সত্ৰত এটি ভাৱনা কৰে। গড়মূৰৰ সত্ৰাধিকাৰ নিজে উপস্থিত থাকি ভাৱনা পৰি-চালনা কৰিছিল।

শম্ভুদেৱ গোসাঁই বৰ সাত্বিক আছিল সঁচা, সেই বুলি ধৰ্ম্মৰ নামত লোকে ভুৱা দিয়া কথাত কেতিয়াও প্ৰত্যয় নগৈছিল। জগন্নাথৰ বিখ্যাত পাণ্ডা ভীমসেন মহাপাত্ৰই অসমৰ পাণ্ডা বুলি অসমীয়া তীৰ্থযাত্ৰীৰপৰা টকাসিকা লৈ যায়। জগন্নাথত তেওঁৰ ভাই-ভাগী বহুত আছিল। ভীমসেনে নিয়া টকাৰ ভাগ তেওঁবিলাকৰ এজনেও নেপায়। আউনীআটি—দক্ষিণ-পাট সত্ৰই পুৰুষোত্তম ক্ষেত্ৰলৈ নিয়মিতৰূপে অৰিহণা বা দান পঠিয়াই থাকে। এবাৰ ভীমসেন আহক গোসাঁইৰ ওচৰলৈ প্ৰশংসা-পত্ৰ বিচাৰি। তেওঁৱেই যে অসমৰ একমাত্ৰ পাণ্ডা এই কথাষাৰ প্ৰশংসাপত্ৰত বিশেষভাৱে উল্লেখ হব লাগে বুলি পাণ্ডাই গোসাঁইক অনুৰোধ কৰিলে। কথাপ্ৰসঙ্গত, আউনীআটীয়া গৰাকীয়ে দিছে বুলিও উনুকিয়ালে। দক্ষিণপাটৰ-পৰাও যদি সেইৰূপ এখন কাকত লব পাৰে, তেন্তে তেওঁৰ উপজীব্যৰ বাট মুকলি হয়—ইয়াকে কৰিবলৈ তেওঁ গোসাঁই ঈশ্বৰক বিশেষভাৱে খাটিছিল। কিন্তু, গোসাঁয়ে ভীমসেনৰ ভিতৰৰ অভিপ্ৰায় বুজিব পাৰি যেগ্যানুৰূপে বাক্যালাপকে নকৰিলে, ভীমসেনৰ আগত 'দত্তদেৱ গোসায়ে হেনো কৈ পঠিয়াইছিল, "উজনিত এটা ফিকা আছে, সেই ফিকাৰ উঠিব পাৰিলে হে তোমাৰ কাগজৰ জয় হব।" এই ফিকা আৰু কি?—শম্ভুদেৱ গোসাইৰপৰা প্ৰশংসাপত্ৰ লোৱাটেই ফিকা। গোসাইৰপৰা অভিলসিত সমিধান নাপাই পাণ্ডাই আউনী-আটি অধিকাৰৰ মন্তব্য সত্য বুলি মানিবলৈ বাধ্য হল। মুঠ কথা, লোকে হেজাৰখন মুখেৰে কলেও, যেতিয়ালৈকে আত্মপ্ৰত্যয় নগৈছিল, তেতিয়ালৈকে প্ৰভুৱে কাৰো কথা বিশ্বাস নকৰিছিল।

উজনি অসমৰ "ফিকা"— শম্ভুদেৱ গোস্বামী।

নামঘৰ-মণিকূট আৰু অন্যান্য গৃহ-মণ্ডপাদি দেখনীয়াৰ কৰিবৰ অৰ্থে প্ৰভুৱে মন মেলি সত্ৰৰ বৰকাকতী সিন্ধুৰামক আঢ্যৱন্ত শিষ্যসকলৰ ওচৰলৈ পঠিয়ায়—নতুনকৈ নিৰ্ম্মাণ কৰিব

* ১৮০৯ শক, ২২ পৌষ ৮—হৰকান্ত সদৰামিনৰ আত্মজীৱনী।

সত্ৰৰ মণিকূট নামঘৰ আদি পুনৰ নিৰ্ম্মাণ।

খোজা সত্ৰৰ নিমিত্তে যাৰ যি সাধ্য সেই মতে অৰ্থ সাহায্য বিচৰাই। প্ৰভুৰ আজ্ঞা শিৰত ভুলি শিৱসাগৰৰ স্বনামধন্য, ধৰ্ম্মপ্ৰাণ, অমায়িক পুৰুষ প্ৰভু বনমালীদেৱৰ অন্তৰঙ্গ ভক্ত শ্ৰীৰামৰায় চলিহাৰ বংশধৰ কালিপ্ৰসাদ চলিহা উকীল ডাঙৰীয়াই জয়ে-জয়ে ৩৫০০, তিনি হেজাৰ পাঁচ শ টকা আগবঢ়াই আজ্ঞা-পত্ৰৰ মান ধৰে। মণিৰাম দেৱানৰ অন্যতম সুযোগ্য পুত্ৰ ধৰ্ম্মানুৰাগী বিবেকী পুৰুষ ডিবুৰুৰ যাদুৰাম বৰুৱা ডাঙৰীয়াই লোৰৰ খুঁটাৰে ভোগ-ঘৰ আৰু মণিকূটটো সজাই দিবলৈ গাত লয়। সেই অনুক্ৰমে, গোলাঘাটৰ ভটীয়া বৰবৰাৰ ঘৰ, সন্দিকৈৰ ভদৰী বৰবৰুৱাৰ ঘৰ, মেচাঘৰৰ হেমধৰ বৰগোহাই ঘৰ, মেলেঙৰ সন্দিকৈ ঘৰ, মৰঙ্গীখোৱা গোহাঁই, নগাওঁ-দৰং-বালিপৰা-নদুৱাৰ চহৰৰ সিৰফুটা দক্ষিণপটীয়া শিষ্যসকলে মুক্তহস্তে দান দিয়াত নামঘৰ-মণিকূট, ভোগঘৰ, ফাকুৱা মণ্ডপ সকলো আধুনিক সঁজুলিৰে নতুনকৈ নিৰ্ম্মিত হল। শুভদিন, শুভক্ষণ চাই হোমাদি কাৰ্য্যৰ ৰজতসুৱৰ্ণ দান কৰি নৰগৃহ উৎসৰ্গাও কৰা হল।

মনৰ কামনা পূৰ্ণ কৰি পূৰ্ব্বৰ দৰেই গোসাঁয়ে নিয়মিত ভাৱে নিত্যকৃত্য কৰি আছে, এনেতে প্ৰভুৰ অন্তৰত এনেকুৱা এটা ভাব উদয় হল, প্ৰভু যেন অচিৰেই পাৰ্থিৱ সংসাৰৰ-পৰা অন্তৰ্দ্ধান হব। এই বিশ্বাসৰ বশৱৰ্ত্তী হৈ প্ৰভুৱে ডেকা অধিকাৰ নৱদেৱ গোস্বামীক সত্ৰৰ সকলো ভাৱ গতাই দিলে। সৰ্ব্বদৰ্শী পুৰুষৰ ধাৰণা অবিলম্বে সত্যত পৰিণত হল। ১৮১৭ শকৰ ভাদ মহীয়া শুক্লা তৃতীয়া তিথিত বৃহস্পতিবাৰে প্ৰভু শুভদেৱ গোস্বামীয়ে ভৱসংসাৰ পৰিত্যাগ কৰি বৈকুণ্ঠ লোকলৈ গমন কৰিলে।*

সোণৰ ৰথত চৰি প্ৰভুৰ বৈকুণ্ঠ গমন।

প্ৰভু যে সোণৰ ৰথত চৰি স্বৰ্গলোকলৈ গমন কৰিছে, এই দৃশ্য প্ৰবাসত থকা সজ ভকতে স্বপ্নতে দেখিবলৈ পাইছিল। কমলা আৰু উমেশচন্দ্ৰ ভূঞা বৰগায়ন—এই দুজন ভকত তেতিয়া লুইতৰ উত্তৰপৰীয়া চহৰত আছিল। শুভদেৱ গোসাঁই যে চলিব, এই কথা তেখেত-সকলৰ স্বপ্নৰো অগোচৰ। এদিন দুয়ো কঠমীয়া গাৱঁলৈ যক। তাতে মোহাৰাম গাওঁবুঢ়াই তেখেতসকলক কলে, "আপোনাসকল শীঘ্ৰে সত্ৰলৈ যক। কালি মই স্বপ্ন দেখিছোঁ—সোণৰ ৰথ এখন আহিছে। ৰথত 'বাসুদেৱ গোসাঁই আহিছে—শুভদেৱ গোসাইক লৈ যাবলৈ।" স্বপ্নৰ বতৰা দিয়াৰ লগে-লগে ডিঠকৰ বতৰা ওলালগৈয়ে—শুভদেৱ গোসাঁইক সঁচাকৈয়ে সোণৰ ৰথত তুলি 'বাসুদেৱ গোসাঁয়ে লৈ গলহি।

'নৱদেৱ গোস্বামীক ধৰ্ম্ম মালা দান।

শ্ৰাদ্ধাদি সকলো কাৰ্য্য প্ৰভু বাসুদেৱৰ আহিৰ্বেই সুচাৰুৰূপে সম্পন্ন কৰা হল। নিমন্ত্ৰিত সকলক অভ্যৰ্থনা কৰা, ব্ৰাহ্মণ-সজ্জনক দক্ষিণা দিয়া, আলহী-অতিথিক ভোজন কৰোৱা—এই এটাইবোৰ কামৰে তত্ত্বাৱধান লৈছিল কালিপ্ৰসাদ চলিহা, লম্বোদৰ দত্ত উকীল, ত্ৰিনয়ন বৰকাকতী উকীল, দেবীচৰণ বৰুৱা, গোপীনাথ বৰদলৈ উকীল প্ৰমুখ্যে নগৰীয়া গণ্যমান্য আমোলা-উকীল সকলে। অভিষেক উৎসৱ কৰি 'দত্তদেৱ গোসাঁই ঈশ্বৰেই ধৰ্ম্মমালা দি ডেকাঅধিকাৰ নৱদেৱ গোস্বামীক ধৰ্ম্মাচৰ্য্যৰ পাটত তোলে।

(১২)

শ্ৰীশ্ৰী'নৱদেৱ গোস্বামী

১৮১৭—১৮৪৭ শক

জন্মকথা।

বৈষ্ণৱতিলক দত্তদেৱ গোস্বামীৰস্বাৰা অভিষিক্ত হৈ শ্ৰীশ্ৰীনৱদেৱ গোস্বামী ১৮১৭ শকত দক্ষিণপাট সত্ৰৰ ধৰ্ম্মাধিকাৰী-গাদীত অধিষ্ঠান কৰে। 'বাসুদেৱ গোসাঞি অধিকাৰ হৈ থকা কালতে প্ৰভুৰ ভ্ৰাতৃ বিশ্বদেৱে ফুলবাৰী সত্ৰাধিকাৰৰ কন্যা ভদ্ৰেশ্বৰী দেৱীক বিবাহ কৰায়। সেই বিবাহৰ পাচতেই অধিকাৰ গোসাঁইৰ অনুমতি নোলোৱাকৈ বিশ্বদেৱে দক্ষিণ-পাটৰপৰা গৈ ন-গোসাইৰ কন্যা শুভেশ্বৰী দেৱীক দ্বিতীয় দাৰা পৰিগ্ৰহণ কৰি কচাৰী সত্ৰত থাকেগৈ: বিশ্বদেৱৰ মাতৃ আই ৰামেশ্বৰী দেৱী আৰু বোৱাৰীয়েক ভদ্ৰেশ্বৰী দেৱী গৃহস্থী সত্ৰতে ভালেমান দিন বাস কৰে। শুভেশ্বৰী দেৱী মৃত্যু হোৱাত বোৱাৰীয়েকেসৈতে ৰামেশ্বৰী

*"শাকে সপ্ত সুধাংশু সিন্ধুৰ বিধৌ শুক্ল দ্বিতীয়া তিথৌ মাৰ্ত্তণ্ডে মকৰং গতে সুৰ গুৰোবাৰে তৃতীয়েহ্নি শ্ৰীমদ্দক্ষিণপাট সত্ৰৎপতি সদ্ধৰ্ম্মনেতা সুধীঃ প্ৰাগাৎ শ্ৰীশুভদেৱ কৃতিমান বিষ্ণে পুৰং-শাশ্বতং।"



শ্রীশ্রীনবদেব দেব গোস্বামী

দেৱী কচাৰী সত্ৰলৈ যায়। তাতে ভদ্ৰেশ্বৰী দেবী-হন্তে ১৭৭৫ শকত নৰদেৱ গোস্বামীৰ জন্ম হয়।

সহজাত ধৰ্মবিশ্বাস।

আই ৰামেশ্বৰী দেবী সাক্ষাৎ বীণাপাণি ভগৱতী স্বৰূপা আছিল। তেওঁৰেই নাতিয়েক-হত'ক নীতি-নিয়ম শিকাই-বুজাই শুদ্ধাচাৰীকৈ ডাঙৰ-দীঘল কৰে। সৰুতে নৰদেৱ ইমান পৰিষ্কাৰ-পৰিচ্ছন্ন আছিল যে শৌচ কৰি নিজে-নিজেই মাটি-পানী লৈ হস্তপদাদি শৰীৰ প্ৰক্ষালন কৰি আধাফুটা মাতেৰেই গঙ্গাস্তোত্ৰ গাইছিল আৰু গোসাই ঘৰলৈ গৈ কপালত চন্দনৰ ফোঁট লৈছিল।

পূজাসেৱাৰ প্ৰতি ধাউতি।

পূৰ্ব্বে যেতিয়া 'বাসুদেৱ গোস্বামী ভাটী চহৰলৈ যায়, আই ৰামেশ্বৰী দেবী আৰু ভায়েকটিয়েসৈতে নৰদেৱক মাজুলীৰ মূলসত্ৰলৈ লৈ আহে। তেতিয়া নৰদেৱ চাৰিবছৰীয়া। সত্ৰ পালতো কচাৰী সত্ৰত কৰা-দৰেই তেওঁ বালসুলভ আচৰণেৰেই নিত্যনৈমিত্তিক স্নানাদি কাৰ্য্য কৰি থাকে। পূজাসেৱাত এনে হে ৰতি যে বাসুদেৱ গোসাঁই পূজাত বহিলে নৰদেৱ ওচৰতে বহি পূজাৰ ক্ৰমবিলাক চাই থাকে আৰু ঘৰত মনে-মনে কিবা এটা বস্তুকে মূৰ্ত্তি-জ্ঞান কৰি ফুল-তুলসী দি পূজাৰ আখৰা কৰে।

শিক্ষাগুৰু শিয়ালমৰা গোসাই।

শিয়ালমৰা সত্ৰৰ কুশদেৱ গোস্বামী সত্ৰৰে ভাগৱতী আছিল। এওঁৰেই নৰদেৱৰ আদি শিক্ষাগুৰু। শুভদেৱ-নৰদেৱ দুয়ো এওঁৰে ছাত্ৰ। শুভদেৱ সৰুৰেপৰা বৰ ·হীন আছিল। নৰদেৱ কিন্তু ভাব বিপৰীত আছিল, পঢ়াশুনাতো অমনোযোগী। কিন্তু অলপমান পঢ়িলেই বা শুনিলেই সকলো কথা মনত থাকি বান্ধি থাকে। গোসাঁইৰ আচৰিত মেধাশক্তি দেখি শিক্ষা-গুৰুৱে ধেমালিতে তলৰ শ্লোকটি ৰচনা কৰি বাসুদেৱ গোসাইক গাই শুনাইছিল ঃ—

> ন পঠতি নৰদেৱঃ সৰ্ব্বদা দুৰ্জ্জন স্থা
> শিষ্যৰিব তৰুণো সো পাঠ কালেহি শাস্ত্ৰম।"

তথাপি, কালত নৰদেৱ গোস্বামী শাস্ত্ৰবিশাৰদ হব পাৰিছিল।

হৰকান্ত সদৰামীনৰ 'হৰিস্মৃতি সুধাঙ্কুৰ" দান।

১৮০৯ শকত 'শুভদেৱ গোস্বামী যেতিয়া গুৱাহাটীলৈ যায় তেতিয়া নৰদেৱ গোসাই ডেকা-অধিকাৰৰূপে প্ৰভুৰ লগতে গৈছিল। নৰদেৱৰ মেধাশক্তি, শাস্ত্ৰব্যুৎপত্তি আৰু ধৰ্ম্মতত্ত্ব জিজ্ঞাসু প্ৰবৃত্তি দেখি কামৰূপীয় পণ্ডিত সমাজ মুগ্ধ হৈছিল। প্ৰভুৰ বাহৰ আছিল উৰ্ব্বসীৰ বালিত। গোসাইক সেবা জনাবলৈ শিষ্য-প্ৰশিষ্যৰ ইমান ডাঠ সমাগম হৈছিল যে জিলাৰ ৰবচাহাব, কমিছনৰ চাহাব পৰ্য্যন্ত সকলোৱে তেতিয়া হে বুজিব পাৰিলে গৱৰ্ণমেণ্টে নো সত্ৰাধিকাৰক কিয় His Holiness 'হিজ হলিনেচ' অৰ্থাৎ পবিত্ৰাশয় ধৰ্ম্মাধিকাৰ বুলি চিঠি-পত্ৰত লেখিব আৰু সম্বোধন কৰিব লাগে। গুৱাহাটীৰ প্ৰতিপত্তিশালী পণ্ডিত আমোলা আৰু ধৰ্ম্মনিষ্ঠ নাগৰিক হৰকান্ত শৰ্ম্মা সদৰামীনে নৰদেৱৰ অদ্ভুত আধ্যাত্মিক শক্তি দেখি "হৰিস্মৃতি সুধাঙ্কুৰ" নামে এখনি পুস্তক সত্ৰলৈকে পঠিয়াই দিয়ে। ডেকা অধিকাৰ হৈ থকা কালতে প্ৰভু নৰদেৱৰ যশমান-পাণ্ডিত্যই প্ৰতিষ্ঠা লাভ কৰে।

শিক্ষাগুৰু ধীৰেশ্বৰ ভট্টাচাৰ্য্য।

'বাসুদেৱ গোসাই চলাৰ পিচত, অসমৰত্ন পণ্ডিত-চূড়ামণি মহামহোপাধ্যায় ধীৰেশ্বৰ ভট্টাচাৰ্য্যই নৰদেৱ গোসাইক দুবছৰ সংস্কৃত পঢ়ুৱায় আৰু সংস্কৃত গ্ৰন্থত নিহিত অনন্ত ৰত্নৰাজিৰ গূঢ়তত্ত্ব বুজিব পৰা সাঁচৰকাঠী দি থৈ যায়। অদ্ভুত স্মৃতিশক্তিসম্পন্ন নৰদেৱে অচিৰতে বৰ্ণমালা, মুগ্ধবোধ আৰু পাণিনিসূত্ৰ মুখস্থ কৰি শ্ৰুতি-স্মৃতি-ন্যায়-বেদ অধ্যয়ন কৰি আৱশ্যকীয় সকলো শাস্ত্ৰতে পাৰ্গত হয়। শিৱসংহিতা, ঘেৰণ্ড সংহিতা অধ্যয়ন কৰি যোগধ্যানৰ মুদ্ৰা-প্ৰাণায়ামৰ বিষয়েও অসম্ভৱৰূপে জ্ঞান আহৰণ কৰিছিল। আন কি, তন্ত্ৰৰ শৱ সাধনাৰ বিষয়েও প্ৰভু সম্পূৰ্ণ জ্ঞাত আছিল। বৈদিক, পৌৰাণিক, তান্ত্ৰিক সকলো বিষয়তে প্ৰভু বিদগ্ধ পণ্ডিত আছিল যদিও, আচৰণত ভাগৱতী পন্থা হে অনুসৰণ কৰিছিল। বেদ-ভাগৱতৰ কঠিন শ্লোকসমূহ পানীকৃত্য কৰি বুজাই দিব পৰা পাণ্ডিত্য দেখি অনাসমীয়া পণ্ডিসকলে প্ৰভুক "পণ্ডিত গোস্বামী" আখ্যাৰে বিভূষিত কৰিছিল।

জীৱৰ প্ৰতি দয়া।

জাঁজীমুখৰ বেপাৰী এটাই পাৰ এখাং বেচিবলৈ আনিছিল। তাৰে এযোৰ পাৰ প্ৰভুৱে হাতে-হাতে ধন দি কিনি উৰুৱাই পঠিয়ায়। তথাপি, সত্ৰৰ প্ৰতি সিহঁতৰ কি মমতা! উৰুৱাই দিয়াৰ পিচতে পাৰযোৰ আকৌ উৰি আহি ভিতৰ কৰাপাটৰ চাউল-ভঁড়ালত বাহ ললেহি। গোসাই এবাৰ ডিবুৰুলৈ যাওঁতে, নাওবন্ধাৰ ওচৰতে কটীয়াৰিয়ে ভেউ মাছ কিছুমান গড়াল মাৰি বান্ধি থৈছিল। গোসাঁই যোৱাৰ আঁটকাল পায়েই মাছবোৰে গড়ালৰ ভিতৰতে জঁপিয়া-বলৈ ধৰিলে। 'প্ৰভুৱে মোকলাই দিয়ক' বুলি যেন সিহঁত গড়ালৰ ভিতৰতে গৰগৰাই কাকুতি

কৰিছিল। অন্তৰ্য্যামী গোসাঁয়ে যথোচিত মূল্য দি মাছখিনি কিনি পানীত মেলাই দিয়ালে। জীৱৰ প্ৰতি প্ৰভুৰ ইমান দয়া আছিল যে বাট্নী পানীত খাবলৈ নেপাই পেটে-ক'কালে লাগি কলমলাই ফুৰা কুকুৰ এজাককো গুৰে-পিঠাগুৰিয়ে সানি খবলৈ বিলাই দিয়াছিল।

আউনীআটিৰ শ্ৰীশ্ৰীদত্তদেৱ ঈশ্বৰ পুৰুষৰ বৈকুণ্ঠপ্ৰয়াণ।

"১৮২৬ শকৰ ১৬ জেঠ দেওবাৰ, ধনিষ্ঠা নক্ষত্ৰ, মাহেন্দ্ৰ যোগ শুভক্ষণত, নামপ্ৰসংগৰ শেহত দিনৰ ১১ এঘাৰ বাজি ১৪ চৌধ মিনিট যোৱাত সজ্ঞানে ইষ্টবস্তু জপ কৰি নৰতনুখানি এৰি আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী প্ৰভু বৈকুণ্ঠধামলৈ প্ৰস্থান কৰিলে।"

দত্তদেৱ গোস্বামীৰ আদ্যশ্ৰাদ্ধ।

২৬ জেঠ বুধবাবে প্ৰভুৰ আদ্যশ্ৰাদ্ধ। ২৫ তাৰিখৰপৰাই প্ৰজাৰ ভীৰ। "ব্ৰহ্মপুত্ৰৰ বালি মানুহেৰে শুকুলা হৈছিল।" সেইদিনা তেও অতি বৰ্চি। সেইদিনাই দিনৰ বাৰ বজাত "শ্ৰীশ্ৰীনৰদেৱ অধিকাৰ গোস্বামী, শ্ৰীশ্ৰীডেকাজনা গোস্বামী বৈষ্ণৱবৃন্দ সহিতে খেল নাৱেৰে গৈ ব্ৰহ্মপুত্ৰৰ পাৰতে আউনীআটী সত্ৰৰপৰা সজাই থোৱা বাহৰৰ গুৰিত নাও বান্ধেগৈ। দিনৰ তিনি বজাত অধিকাৰ প্ৰভু আৰু ডেকাজনা প্ৰভুদুয়ো খাটলাবে গৈ ভিতৰ কৰাপাটত খাটলাৰপৰা নামি বৈষ্ণৱসকলক লগত লৈ 'সংখ্যাতীত প্ৰজাবৃন্দৰ মধ্যাত জিলিকি আউনীআটী সত্ৰৰ ইষ্ট দেৱতা মহাপ্ৰভু গোবিন্দৰ মন্দিৰত প্ৰৱিষ্ট হয়।

পাচত, "আউনীআটী সত্ৰাধিকাৰ গোস্বামী (শ্ৰীশ্ৰী 'কমলদেৱ) প্ৰভুৱে দক্ষিণপাটৰ সত্ৰাধিকাৰ গোস্বামী প্ৰভুক আগবঢ়াই আনি বাঙলী ঘৰ পাৰ কৰাই নামঘৰৰ দুৱাৰ মুখৰপৰা গৃহাভিমুখে যাত্ৰা কৰিলত, দক্ষিণপাটৰ সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে নামঘৰৰ মাজেদি গমন কৰি ঈশ্বৰ মহাপ্ৰভু গোবিন্দৰ মন্দিৰত সোমাই এক দন্ড মানৰ পাচত ওলাই আহি ভিতৰ কৰাপাটৰপৰা খাটলাবে বাহৰলৈ যাত্ৰা কৰিলে।

২৬ তাৰিখৰ দিনা প্ৰজা অলেখ—এটাৰ মূৰত মাৰ মাৰিলে হেজাৰটা মৰাৰ অনুমান হয়। * * *। সেই দিনা বেলা ১১৷৷ মান বজাত দক্ষিণপাট সত্ৰৰ শ্ৰীশ্ৰী অধিকাৰ প্ৰভু ও ডেকাজনা প্ৰভু খাটলাত উঠি সংগত বৈষ্ণৱসকল ও অনেক শিষ্যলোকেসৈতে সভালৈ গমন কৰি কৰাপাটৰ মুখতে খাটলাৰপৰা নামি নিজ বৈষ্ণৱসকলৰ মধ্যত শোভা কৰি ভিতৰ কৰাপাটৰপৰা ভূমি পাৰে আহি সজ্জিত ৰবনামঘৰৰ যজ্ঞ মণ্ডপৰ দক্ষিণ পাৰ্শ্বে বৰ খুঁটাৰ গুৰিত আসনত অধিষ্ঠান হল। ডেকাজনা প্ৰভুও অধিকাৰ প্ৰভুৰ পূৰ্ব্বকাষে নিজাসনত ৰহিল। চাৰিউফালে প্ৰভুৰ সংগৰ নিজ বৈষ্ণৱসকলে বাম পাৰ্শে বেষ্টন কৰি ৰহিল।"

'কমলদেৱ গোস্বামীৰ অভিষেক-উৎসৱত 'নৰদেৱ গোস্বামী।

শ্ৰীশ্ৰী 'কমলদেৱ গোসাঁই ঈশ্বৰক অভিষেক কৰি আউনীআটি সত্ৰৰ ধৰমগাদীত প্ৰতিষ্ঠ কৰিবৰ নিমিত্তে যি আয়োজন কৰা হৈছিল, সেই সকলো "সুপ্ৰতুল হলত 'ৰ আউনীআটী সত্ৰাধিকাৰ গোস্বামী মহাপ্ৰভু, ডেকাজনা গোস্বামীক সংগত লৈ নামঘৰৰ যজ্ঞ মণ্ডপৰ বেদীৰ পশ্চিমত পাৰি থোৱা আসনত পূৰ্ব্বাভিমুখে ৰহিল। পাচত, পত্ৰাসনত ডেকাজন ৰহিল। প্ৰজা সকলো নিজম দিলে। 'ৰ দক্ষিণপাট সত্ৰাধিকাৰ গোস্বামী মহাপ্ৰভু, আউনীআটী গোস্বামী প্ৰভুৰ সম্মুখত কমলাসনত ৰহি সোণৰ ঘটৰ আম ডালিৰে আউনীআটীয় প্ৰভুক বেদমন্ত্ৰেৰে শান্তি কৰিবলৈ ধৰিলে। দক্ষিণপাটৰ ডেকা অধিকাৰ গোস্বামী প্ৰভু পত্ৰাসনত ৰহি শান্তি কৰিবলৈ ধৰিলে।" তাৰ পিচত, আউআটীয় বাগীশ বাপু, বৰদেউৰী, মধুমিশ্ৰ, লেহুৰা পুৰোহিত প্ৰভৃতিয়ে শান্তি কৰি অন্তালত আউনীআটীয়া বৰদেউৰী কমলেশ্বৰ শৰ্ম্মাই সোণৰ শৰাইত মহাপ্ৰভু গোবিন্দৰ মন্দিৰৰপৰা মালা আনি শ্ৰীশ্ৰী কমলদেৱ গোস্বামী মহাপ্ৰভুক আউনী-আটী সত্ৰৰ ধৰমগাদীৰ অধিকাৰৰ নিৰ্ম্মালি দিলে। * * *। 'ৰ দক্ষিণপাট সত্ৰাধিকাৰ গোস্বামী মহা প্ৰভু থিয় হৈ শ্ৰীশ্ৰী কমলদেৱ গোস্বামী মহাপ্ৰভুক গলমালা ও শিৰমালা পিন্ধাই আউনীআটি সত্ৰৰ অধিকাৰ পাতিলে। শ্ৰীশ্ৰী লীলাকান্ত দেৱ গোস্বামীকো সেই দৰেই মালা পিন্ধাই ডেকা অধিকাৰ পাতিলে। 'ৰ দক্ষিণপাট সত্ৰৰ ডেকা অধিকাৰ প্ৰভুৱেও উঠি মালা দিলে।"

তদনন্তৰে, সেই অভিয়েক-উৎসৱত দক্ষিণপাট সত্ৰাধিকাৰ প্ৰভু কেনেকৈ গমন কৰিলে কেনেকৈ প্ৰভুৱে অভিষিক্ত কৰি ধৰ্ম্মশিক্ষা দিলে ইত্যাদি কথা 'বাচাৰাম খাওন্ডে লেখা পুথিৰ-পৰাই পুনৰ উদ্ধৃত কৰি দিয়া হল :—

সমবেত প্ৰজাই শ্ৰীশ্ৰী কমলদেৱ গোস্বামীক আমাৰ ইষ্ট দেৱতা বুলি দণ্ডৱতে পৰি সেৱা কৰাৰ পিচত "দক্ষিণ পাট সত্ৰৰ অধিকাৰ প্ৰভু ও ডেকাজনা প্ৰভু ও আউনীআটী সত্ৰৰ অধিকাৰ প্ৰভু ও ডেকাজনা প্ৰভু 'মহাপ্ৰভু গোবিন্দ মন্দিৰলৈ বৰদেউৰী বাপুক আগত লৈ যাত্ৰা কৰিলে। মন্দিৰৰ ভিতৰত ভাগৱতী ধৰ্ম্ম আলোচনা শিক্ষাদি কৰি ১০ মিনিট মানৰ পাচত নামঘৰলৈ দেউৰী বাপুক আগত লৈ যাত্ৰা কৰিলে। নামঘৰৰ উত্তৰ ফালে আউনীআটি গোস্বামী প্ৰভু ও দক্ষিণ ফালে 'ৰ দক্ষিণপাট সত্ৰাধিকাৰ গোস্বামী প্ৰভু ও ডেকা জনা প্ৰভু নিজ-নিজ আসনত

বহি ১৫ মিনিটমান সভা শুৱলা কৰিছিল। সভা নিজম। সভাত ১০ মিনিটমান বহি চাৰিউ-জনাই আগ-পিচকৈ গজেন্দ্ৰ গমনে ভিতৰ কৰাপাটৰ মুৰলৈকে গৈছিল। সেই গমনত কিনো ঐশ্বৰিক ভাব উদয় হৈছিল, ভাবুক পাঠক, নিজেই ভাবি লব। কৰাপাটৰ মুৰৰপৰা ঈশ্বৰ দক্ষিণপাট সত্ৰাধিকাৰ গোস্বামী মহাপ্ৰভু খাটলাত বহি বাহৰলৈ যাত্ৰা কৰিলে।"

"২৭ জেঠত শ্ৰীশ্ৰী কমলদেৱ গোস্বামীয়ে পুৰা পাৰ্থিৱ শ্ৰাদ্ধ সমাপন কৰি গায়নে-বায়নে কালি আদি বাদ্যভণ্ডেৰে ব্ৰহ্মপুত্ৰৰ জলত পিণ্ড লগালেগৈ। বেলা ১২ বজাত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ গোস্বামীক মহাপুৰুষসকলৰ নিয়ম মতে বিদায় দিবলৈ আয়োজন হল। বৈকুণ্ঠগামী প্ৰভু (৺দত্তদেৱৰ) জীৱন-কালত যেনেকুৱা গাদীত বহিছিল ও যেনেকুৱা বেশভূষা কৰিছিল আৰু যেনেকুৱা ভোজনপাত্ৰ আদিত ভোজন কৰিছিল, যি সঁজুলিৰে পূজা কৰিছিল, ঠিক তেনেকুৱাকৈ ঈশ্বৰ দক্ষিণপটীয়া সত্ৰৰ গোস্বামীক দিয়াৰ প্ৰথা। সেই দৰেই সকলো বস্তু প্ৰস্তুত। গাদী, মগজুমৰা ঢাৰি, মগজুমৰা ফুলাম কাঠ, মগজুমৰা ফুলাম পাটী, চাতিন কাপোৰৰ তুলি-তলিছা, চুলতানী বনাতত বেচেমৰ বনকৰা, চক দিয়া বৰ গাৰু, বেতৰ বিচনী, কাঁহৰ থৰম, ৰূপৰ শৰাই, পাটৰ ধুতী, গুণাৰ বনকৰা খনিয়া, সিংখাপৰ চোলা, ৰূপৰ চুলা দিয়া বৰজাপি, ৰূপৰ চুলাৰ পানীজাপি, তামৰ কোষা-অৰ্ঘা, চন্দনৰ পটা, তামীমালাপাত্ৰ, জাতি চন্দন, কাঁহৰ ঘন্টা, কাঁহৰ কাঁহী, ৰূপৰ সাঁফৰ দিয়া বান-বাটি, ৰূপৰ লোটা, পিতলৰ বেৰা, কাঁহৰ বাটি কাঁহৰ কলহ, কাঁহৰ লোটা, কহৰ চৰিয়া, তামৰ কলহ, কাঁহৰ ভোগজৰা, পিতলৰ কলহ, টৌ, হেঁতা, বাউলি খুঁটি ইত্যাদি।

দক্ষিণপাট সত্ৰাধিকাৰ প্ৰভুক দক্ষিণা দি বিদায় দিবলৈ যাওঁতে যি বিৰাট সমাৰোহেৰে আউনীআটীয় অধিকাৰ গোস্বামী সমদল পাতি গৈছিল সেই অভিনৱ সমাৰোহপূৰ্ণ বিদায় সম্বৰ্দ্ধনা অতি কম পুৰুষৰ ভাগ্যত হে ঘটে:

"দিনৰ ১ বজাত আউনীআটীয় সত্ৰাধিকাৰ গোস্বামী ও ডেকাজনা গোস্বামী যাবলৈ বিচিত্ৰ বেশভূষাৰে দুখানি খাটলা সজ্জিত হল। সাতমানভগীয়া বাপুসকলৰ কাৰণে দহোটি হাতী সুন্দৰকৈ সজোৱা হল। ৫০০ জনমান বৈষ্ণৱে থোৰ ভাঁও পাটৰ চুৰিয়া, পাতৰ চাদৰ, ফুলাম জালিকটা বুকুচোলা পিন্ধি সাজু হল। সেই সকলৰ ভিতৰৰে ৮।৯ বছৰীয়া শিশু বৈষ্ণৱে সেই নিচিনাকৈ বেশভূষা কৰি চিত্ৰ-বিচিত্ৰ পতাকা হাতত লৈ দণ্ডায়মান হল। অনেক সংখ্যাতিত লোক সকলে যাত্ৰামানসে দণ্ডায়মান হল, ভিতৰৰ কৰাপাটৰ মুখত শ্ৰীশ্ৰী সত্ৰাধিকাৰ প্ৰভু (আউনীআটী) নিজ খাটলাত বহিলে। শ্ৰীশ্ৰী ডেকাজনা প্ৰভুও নিজ খাটলাত বহিল। সাত-মান ভগীয়াসকল হস্তীপৃষ্ঠত উঠিল। অধিকাৰ মহাপ্ৰভুৰ খাটলাৰ অগ্ৰত সৰহ ভাগ পতাকা-ধাৰী শিশু বৈষ্ণৱ, তেওঁলোকৰ পাচত যোৰকালি, চতুস্পাৰ্শে খাটলা লেৰা বৈষ্ণৱ, দুই কাষে দুটি বৰজাপি, দণ্ড-ছত্ৰ-শুকুলীচামৰ, প্ৰভুৰ খাটলৰ দহ বেঁও মানৰ আগত পতাকাধাৰী শিশু বৈষ্ণৱ, পাচত, ডেকা জনা প্ৰভুৰ চতুস্পাশে বৈষ্ণৱসকলে মণ্ডলাকাৰে আবৃত কৰি গমন কৰিছিল। সত্ৰৰ পৰা বাহৰলৈ (দক্ষিণপাটৰ) ২॥ মাইল বাট, পথালিয়েও এক মাইল মানলৈ লোকাৰণ্য, বিৰবিও সন্দি পাবলৈ ঠাই নাই—এই সমাৰোহে গৈ ২ বজাত ৺ৰ দক্ষিণপাট গোস্বামীৰ বাহৰ পাই নামঘৰত বহি, ধৰ্ম্মালাপ কৰি সমাদৰে মগ্ন হৈ ওপৰত লেখা সকলো বস্তু অধিকাৰ জনা প্ৰভুক (৺নৰদেৱ গোসাঁই ঈশ্বৰক) পূৰ্ব্বপ্ৰথামতে দিলে; দক্ষিণাৰ সংখ্যা ঃ—সোণৰ মালা, হীৰাপতোৱা দুগদুগী এধাৰ, মোহৰ সোণ ১৲ টকা, নগদ ৪০৲ টকা। শ্ৰীশ্ৰী ডেকা অধিকাৰ গোস্বামীক পাটৰ ধুতী, গুণাকটা খনিয়া, চাতনৰ বুকু চোলা, উত্তম এখনি গামোচা, নগদ ২০৲ টকা, সোণা॥ তোলা দক্ষিণা দিলে। সেই স্থানত দৰ্শনাভিলাষী লোকসকলৰ বহিবলৈ স্থল নাই। সকলো দণ্ডায়মান। মানুহৰ টেপাত প্ৰাণৰ সংশয় হৈছিল। * * ঈশ্বৰ দক্ষিণপাট সত্ৰৰ বিপ্ৰবৈষ্ণৱসকলক ১৫৲ টকাৰ পৰা ২৫৲ টকালৈকে, দুই অনাৰপৰা ছয়-অনালৈকে সোণা দক্ষিণা দি শিষ্টালাপ ও সমাদৰে" সবৈষ্ণৱ প্ৰভু নৰদেৱ গোসাই ঈশ্বৰক বিদায় দিয়ে।"*

আউনীআটিৰ বিৰাট সমাৰোহ।

ইং ১৯১১ চনৰ ১২ ডিচেম্বৰ (১৮৩৩ শকৰ ২৬ আঘোণ, মঙ্গলবাৰ) তাৰিখে শিৱসাগৰ-দৰ্ব্বাৰ ফীল্ডত ৰজা পঞ্চম জৰ্জ্জৰ অভিষেক উপলক্ষে ডাঙৰ সভা-উৎসৱ হয়। নিমন্ত্ৰণ পাই শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভুও ভকত-বৈষ্ণৱৈসৈতে সেই উৎসৱলৈ যায়। সেই দৰেই নিমন্ত্ৰিত হৈ আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰী ৺কমলদেৱ গোস্বামীও গৈছিল। দক্ষিণপাটৰ অধিকাৰ

* ' বাছাৰাম খাওণ্ড প্ৰণীত "শ্ৰীশ্ৰীদত্তদেৱ গোস্বামী।"

দৰ্ব্বাৰত চাৰিসত্ৰীয়াৰ মানৰক্ষা।

প্ৰভু আঘোণৰ ১৭ তাৰিখ দেওবাৰেই অৰ্জ্জুনগুৰিৰ ওচৰতে দিখৌৰ বালিত সজাই থোৱা বাহৰত থিত দিয়েগৈ। তাতে প্ৰভুৰ শীৰ্ষস্থানীয় শিষ্যসকলে বিশেষ ভাৱে সেৱা-সৎকাৰ— আদৰ-অভ্যৰ্থনা জনাই দৰ্ব্বাৰৰ আয়োজন সম্পৰ্কীয় সকলো কথা বিবৰি কয়গৈ। ফণিধৰ চলিহা, কালিপ্ৰসাদ চলিহা, গোৰীচৰণ বৰবৰা, ৰাধিকাপ্ৰসাদ বৰুৱা মৌজাদাৰ, ৰামেশ্বৰ বৰুৱা হেড্‌মাষ্টৰ আৰু বুদ্ধীন্দ্ৰনাথ দিলীহিয়াল ভট্টাচাৰ্য্য হেড্‌ক্লাৰ্কে প্ৰভুৰেসৈতে পৰামৰ্শ কৰি দৰ্বাৰৰ ঠাইত চাৰিসত্ৰীয়া গোসাঁইসকলক ৰাজযোগ্য সম্মানেৰে বহুৱাবলৈ স্থিৰ কৰে। নগৰৰ জনদিয়েক মুখীয়াল ভদ্ৰলোকে 'অক্ষয়কুমাৰ ঘোষ উকীলৰ ঘৰত বিৰলে বহি চাৰিসত্ৰৰ লেখত নপৰা খনদিয়েক সত্ৰৰ অধিকাৰকো চাৰিসত্ৰীয়াৰ সমানে একেশাৰীতে বহিবলৈ দিব লাগে বুলি মীমাংসা কৰে। অৱশেষত, ডেপুটী কমিশ্যনৰ কৰ্ণেল প্লেফেয়াৰে গোসাঁইসকলৰ ৰজাঘৰীয়া মানমৰ্য্যদাৰ কথা ভালকৈ জানিবলৈ পাই, দৰ্ব্বাৰৰ মণ্ডপত ৰাজপ্ৰতিনিধিৰ কাষতে ঘুৰণীয়াকৈ বহিবলৈ আসনৰ দিহা কৰিলে। তেতিয়া হে, দক্ষিণপাট-আউনীআটিৰ দুয়ো গৰাকী প্ৰভু দৰ্ব্বাৰলৈ গৈছে। ৰাজদৰ্ব্বাৰত, চাৰিসত্ৰীয়াৰ মান-সম্ভ্ৰম অলপো লৰচৰ নোহোৱাকৈ ৰাখিবৰ নিমিত্তে নৱদেৱ গোস্বামীয়ে দৃঢ় পন্থা অবলম্বন কৰিছিল। তেনেকুৱা আঁকোৰ গজালিকৈ নধৰা হলে আৰু বংপুৰীয়া শিষ্যবৰ্গৰ দ্বাৰাই প্ৰভুৰ মনোভাৱ সমৰ্থিত নোহোৱা হলে সেই দিনাৰ দৰ্ব্বাৰ-সভাত তলখাপৰ সত্ৰাধিকাৰসকলৰ লগত একেলগে একেশাৰীতে বহিব লাগিলহেতেন আৰু সেয়ে হোৱা হলে ইংৰাজ ৰাজপ্ৰতিনিধিৰ আৰু অন্যান্য সকলক চিৰ চৰিত প্ৰথা ভঙ্গ কৰাৰ বাট দেখুউৱা হলহেতেন। প্ৰভু নৱদেৱ গোসাঁইৰ দৃঢ়তাৰ বাবেই চাৰিসত্ৰীয়াৰ মান অটুট থাকিল।

ফণিধৰ চলিহাৰ গুৰুভক্তি।

শিৱসাগৰত প্ৰভু দুমাহ থাকিল। সেই দুমাহ, সেৱক-দৰ্শক-শৰণীয়াৰ হেঁচাত সত্ৰৰ বাহৰ তোলপাৰ লাগি আছিল, দিখৌৰ বালি ধূলি হৈ গৈছিল। ডাঙৰীয়া ফণিধৰ চলিহাৰ নিচিনা কঠোৰ সময় নিষ্ঠাবান পুৰুষ একো গৰাকীয়েও প্ৰায়েই নিতৌ নাৰেৰে গৈ অৰ্জ্জুন-গুৰিৰ বালিত গোসাঁই-সেৱা কৰিছিল গৈ আৰু শিৱসাগৰৰ চৰ্কাৰী উকীল প্ৰমদাচৰণ চট্টো-পাধ্যায়ক অসমীয়া ৰাজগুৰু দক্ষিণপটীয়া গোসাঁইক দৰ্শন কৰোৱাই আনিছিল। সেই দুমাহ, কালিপ্ৰসাদ চলিহা, হিমকান্ত বৰুৱা নগৰমহল মৌজাদাৰ, ৰাধিকাপ্ৰসাদ বৰুৱাকে মুখ্য কৰি নগৰীয়া শিষ্য প্ৰায় সকলোৰেই সততে সত্ৰৰ বাহৰলৈ অহাযোৱাকৈ আছিল।*

নগাক শৰণ লগোৱা।

অৰ্জ্জুন গুৰিৰ বাহৰতে নগা দুজনমানেও গুৰু ঈশ্বৰৰ ওচৰত শৰণ লয়হি। এই যাত্ৰাৰ এইটিও বিশেষ লেখত লবলগীয়া কথা।

ৰক্ষণশীলতাত কঠোৰতা।

শাস্ত্ৰানুমোদিত ৰীতি-নীতি আৰু ধৰ্ম্মবিশ্বাস অক্ষুণ্ণভাবে ৰক্ষা কৰাত গোসাঁঞি ঈশ্বৰ ইমান কঠোৰ আৰু নিকপকপীয়া আছিল যে সত্ৰৰ কোনো ভকতেই সত্ৰীয়া নিয়ম-কাৰণ-দয়-দস্তুৰৰ অলপো ইফাল-সিফাল কৰিব নোৱাৰিছিল। সদাচাৰ-সজনীতি, সদালাপ, গুৰুভক্তি আদি ভকতৰ যি কৰ্ম্ম তাক চুলিডালমানো হেৰফেৰ নোহোৱাকৈ দিনমান পালন কৰিব লাগিছিল। বিদেশী শিক্ষাৰ মোহে চহৰীয়া-সমাজত প্ৰভাৱ বিস্তাৰ কৰাৰ লগে-লগে ভকত-সকলৰ মাজতো চঞ্চলতাৰ সৃষ্টি হৈছিল। কিন্তু প্ৰভুৱে কাণ্ডাৰীৰূপে সেই চঞ্চল মনৰ ভকতসকলক কঠোৰ শাসনৰদ্বাৰা নীতিপৰায়ণ কৈ ৰাখিছিল। কোনেও ভুৰিমুৰি কৰিব নোৱাৰিছিল। বনমালীদেৱ—কামদেৱ—বিষ্ণুদেৱ—এই তিনি গৰাকী প্ৰভুৰ জুইফাৰিঙটি যেন আধ্যাত্মিক শক্তিৰেই অধিকাৰী আছিল প্ৰভু নৱদেৱ গোস্বামী।

অনাড়ম্বৰতা।

বজাবাজে ৰানৰ দৰে বত্ৰিশ অলঙ্কাৰেৰে সুশোভিত হৈ থকা চাৰিসত্ৰীয়া গোসাঁইসকলৰ পূৰ্ব্বাপৰ প্ৰথা। কিন্তু, নৱদেৱ গোসাঞে গাত কেৱল ধোঁ-ধোঁ কৰে বগা গুণাকটা খনিয়া এখন হে লৈছিল আৰু সেই পৰিচ্ছদেৰেই ৰাজসভা দৰ্ব্বাৰলৈও গৈছিল। ১৯২০ চনত ভাৰতৰ বৰলাট লৰ্ড চেমচ্‌ফৰ্ড যেতিয়া মাজুলীৰ সত্ৰ পৰিদৰ্শন কৰিবলৈ আহে তেতিয়াও প্ৰভুৱে সেই আড়ম্বৰহীন সাজ পাৰেৰেই লাট-দৰ্ব্বাৰত উপবিষ্ট হৈছিল।

* ডাঙৰীয়া ফণিধৰ চলিহাই গোসাঁই ঈশ্বৰক সেৱা কৰোঁতে কি ৰূপে সেৱাৰ দক্ষিণা আগ বঢ়াইছিল, তাকো টুকি থোৱা হল ঃ—আঘোণৰ ২০ তাৰিখে চলিহাই ৫্ টকা ৰূপ দি গোসাঁই-সেৱা কৰে। পৰিয়ালৰ সকলোৰেই মূৰেপতি ২্ টকাকৈ। গোসাঁইৰ ওচৰলৈ আহেপতি তেখেতে ২্ টকাকৈ দিছিলেই। পুহৰ ১ তাৰিখে এইৰূপে দিছিল ঃ—অধিকাৰক ১্, ডেকা জনাক ১্, সৰু ডেকা জনাক ১্, গুৱাকটাক ১্, মহাপ্ৰভু ১্, বৰপুজাৰীক ১্ ঃ—ফণিধৰ চলিহাৰ ডায়েৰী।

১৮৪২ শকত (ইং ১৯২০ চনৰ ৭ নৱেম্বৰ) ভাৰতৰ বৰলাট লৰ্ড চেম্‌চ্‌ফেৰ্ড মাজুলীলৈ আহে, চাৰিসত্ৰীয়া সমন্বিতে মাজুলীৰ গোসাঁই-মহন্তসকলৰ দৰ্শন কৰিবলৈ। কমলাবাৰী ঘাটতে আউনীআটী, দক্ষিণপাট, কুৰুৱাবাহী, গড়মূৰ—এই চাৰিউখন সত্ৰৰ গোসাঁইসকল তাতে সমৱেত হয়। আৰু চাৰিউ একেলগে চহী কৰি বৰলাটক অভিনন্দন-পত্ৰ এখনি দিয়ে। বেঙেনাআটি-সত্ৰাধিকাৰে এখন দিছিল সুকীয়াকৈ। অভিনন্দনৰ উত্তৰত বৰ লাটে এই বুলি সমিধান দিয়েঃ—

বৰলাট লৰ্ড চেমচ্‌ফৰ্ডৰ আগমন।

"এই বাৰেই অসমলৈ অহা মোৰ প্ৰথম আগমন। এই ছেগতে, ঐতিহাসিক মাজুলীলৈ আহি গোসাঁইসকলৰ, ভকত-বৈষ্ণৱ, সেৱকীয়া-শৰণীয়া, শিষ্য-প্ৰশিষ্য-সমন্বিতে যে বৈষ্ণৱ ধৰ্ম্মাচাৰ্য্যসকলক দেখা পালোঁ, এই বাবেই মই আনন্দ অনুভৱ কৰিছোঁ। এতিয়া হে মই প্ৰকৃত পুৰণি আসামৰ অন্তৰত সোমাইছোঁহি আৰু আপোনাসকলৰ ৰাজভক্তিভৰা অভ্যৰ্থনাত সঁচাকৈয়ে মুগ্ধ হৈছোঁ। বৃটিছ শাসক আৰু মাজুলীৰ ধৰ্ম্মগুৰুসকলৰ ভিতৰত যি মিলা-প্ৰীতি আৰু আদৰ-সম্ভাষা দেখিবলৈ পাইছোঁ সেই সদ্ভাৱ আজিৰ নহয়—শ-শ শতাব্দী ধৰি অতীতৰপৰা চলি আহিছে। এতিয়া হে নেলাগে, অতীজৰপৰাই আসামখন ধৰ্ম্মপ্ৰধান দেশ। দুদিনমান হল, চিলেঠৰ ইস্লামধৰ্ম্ম প্ৰচাৰক চাহ জেলালৰ দৰ্গাহ চাবলৈ গৈছিলোঁ। তাত ইস্লামধৰ্ম্মী বিলাকৰ ধৰ্ম্মপৰায়ণতা নিজ চকুৰেই দেখি আহিলোঁ। আজি আকৌ হিন্দুৰ পুণ্য ভূমিত থিয় হৈছোঁহি। ৪৫০ বছৰ মানৰ পূৰ্ব্বেই বৈষ্ণৱ ধৰ্ম্মৰ আন্দোলনে ভাৰতবৰ্ষৰ সদৌটিকে ঢৌৱাই পেলাইছিল। আসামত সেই ঢৌৰ সিটো খুন্দা পৰিছিল, সঁচাকৈয়ে সি বৰ টান আৰু অন্তৰভেদী আছিল। সেই কাৰণে, আসামতেই হে ইমান গভীৰ ভাৱে আন্দোলনটো চলিছিল।

বৰলাটৰ সমিধান।

প্ৰসিদ্ধ ধৰ্ম্মগুৰু শ্ৰীচৈতন্যদেৱৰ পিতৃমাতৃ যেনেকৈ সুৰমা উপত্যকাৰে আছিল আসামৰ শ্ৰীদামোদৰদেৱ আৰু শ্ৰীশঙ্কৰদেৱ—এই দুজনা ধৰ্ম্মগুৰুও ব্ৰহ্মপুত্ৰ উপত্যকাতে জন্ম গ্ৰহণ কৰিছিল। সদৌ ভাৰততে, এই সকল গুৰুৰ শিষ্য লাখবিলাখ আছে। মাজুলীত থকা সত্ৰবিলাক সেই আন্দোলনৰে যাউতিযুগীয়া চিন। মাজুলীৰ গোসাঁইসকলে তাহানিৰেপৰা আজিলৈকে যিবিলাক উপকাৰ সাধি আহিছে, তাক বহলাই বৰ্ণোৱা অসম্ভৱ। উপকাৰ বোলোতে এইবিলাক সদগুণৰ কথাকে কৈছোঁ—দয়া, স্নেহ, সংযম সমতা, ভক্তি, পবিত্ৰতা আৰু মধুৰ যুক্তিবাদ।

মহাৰাজ ৰুদ্ৰসিংহই আউনীআটি গোসাঁইত শৰণ লোৱা ২৫০ বছৰমান হৈছে। তেতিয়াৰপৰা আজিলৈকে আহোমৰাজ আৰু অহোমৰ পিচৰ বৃটিছৰাজৰ লগত গোসাঁইসকলৰ সদ্ভাৱ আৰু স্নেহ-প্ৰীতি একে ভাৱেই চলি আহিছে। ধাৰ্ম্মিক আহোমৰজাসকলে অমঙ্গল-উৎপাত আৰু অন্যান্য বিপদ-বিঘিনিৰ হাত সাৰিবলৈ গোসাঁইসকলক যিৰূপে ৰক্ষাকবচ দিছিল আৰু সেই ৰজাসকলে নিষ্কৰ বা অৰ্দ্ধ নিষ্কৰকৈ যিবোৰ ভূমি-সম্পত্তি দান কৰিছিল, সেই বোৰকে এতিয়াও বৃটিছ-ৰাজে অনুমোদন কৰি চিৰস্থায়ীকৈ ৰাখিছে। তাৰ পৰিবৰ্ত্তে সীমান্তত হোৱা কিবা এটা বিদ্ৰোহ দমাবলৈ যেতিয়াই কিবা এটা অভিযান পঠোৱা হয় তেতিয়াই গোসাঁইসকলে হাতী, মানুহ, নাওদুনি, ৰছদপাতি আদি যুদ্ধৰ যাৱদীয় সমল যোগান ধৰি চৰ্কাৰক সহায় কৰি আহিছে। এইবোৰ অত্যাৱশ্যকীয় বস্তু যোগাৱাৰ উপৰিও সাধু গোসাঁই-সকলে পুৰুষানুক্ৰমে চৰ্কাৰৰ কল্যাণৰ অৰ্থে মনোচিতে আশীৰ্ব্বাদ দি থকাটোও উল্লেখযোগ্য। গোসাঁইসকলে আগৰেপৰা অবিচলিত ৰাজভক্তি আৰু শান্ত নাগৰিকত্ব ৰক্ষা কৰি আহিছে। ধৰ্ম্মগুৰুসকলৰ আৰ্হি-উপদেশৰ বলত হে ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰজাসকল ভাৰতৰ ভিতৰত শান্তিপ্ৰিয়, মৰমিয়াল আৰু প্ৰকৃতিয়েগঢ়া সাধু লোক হব পাৰিছে।

ৰাজনৈতিক পৰিৱৰ্ত্তনত আমাৰ মন এতিয়া উগুল-থুগুল। যুঁজাৰুবিলাকৰ দলগত চিঞৰবাখৰ আৰু উদ্ধত বোল-বচনে আকাশপাতাল খলক লগাইছে। সেইবোৰ খলকনিৰ পৰা আঁতৰি আহি, আজি এই নিজম দেওবৰীয়া আবেলিটো যে সুন্দৰ দৃশ্যৰ মাজত বহি ভকত-বৈষ্ণৱেসৈতে আপোনাসকলৰ নিচিনা ধৰ্ম্মাচাৰ্য্যসকলক দেখা কৰিব পাৰিলোঁ আৰু আপোনাসকলৰ প্ৰতি আমাৰ স্নেহ-শ্ৰদ্ধা পূৰ্ব্বৰদৰেই দৃঢ় হৈ থাকিব বুলি আশ্বাস দিব পাৰিলোঁ, সেই বাবেই মোৰ মানত এই দেখা-সাক্ষাৎ বৰ সুমঙ্গলীয়া আৰু আনন্দদায়ক হৈছে। আগলৈকো যেন আগৰ দৰেই ভাৰতৰ সুখ-শান্তিৰ নিমিত্তে আমি লগে-ভাগে কাম কৰিব

পাৰোঁহক। সকলোটিকে পুনৰ ধন্যবাদ জনাই আপোনাসকল জয়যুক্ত হব বুলি কামনা কৰিলোঁ।" *

ৰাজভক্তি।

ৰাজবিদ্ৰোহিতা—সত্ৰৰ ধৰ্ম্ম নহয়, এই কাৰণেই, মহাত্মা গান্ধীৰ প্ৰৱৰ্ত্তিত অসহযোগ আন্দোলনটো 'নৰদেৱ গোস্বামীয়ে সমূলি ভাল নেপাইছিল। আন কি, আন্দোলনৰ ভিতৰত ভালেমান সংস্কাৰমূলক সৎকাৰ্য্যও সুমাই লোৱা হৈছিল যদিও, বিদ্ৰোহিতা কৰি, চলিথকা শাসনৰ ওৰ পেলাবলৈ যত্ন কৰাটোৱেই তাৰ মূল উদ্দেশ্য হোৱা বাবে প্ৰভুৱে অসহযোগৰ লগত একেবাৰেই অসহযোগ কৰিছিল। চৰ্কাৰক অচল কৰা বা চৰ্কাৰৰ বিৰুদ্ধে যোৱা কোনো কাম বা অনুষ্ঠানতে প্ৰভুৰ সংস্পৰ্শ বা সহানুভূতি নাছিল। অস্পৃশ্য বৰ্জ্জন আন্দোলনৰ যৌক্তিকতা দেখুৱাই সেই সময়ত আন্দোলনকাৰীসকলে যিবোৰ ব্যৱস্থা লৈছিল সেইবোৰৰ বিষয়ে গোসাঁই দুয়োৰ বিৰোধী আছিল। গোসাঁয়ে কৈছিল,— পূৰ্ব্বৰ ঋষিমুনি সকলে কোনোক উচ্চ কোনোক নীচ শ্ৰেণীত ৰখাৰ কাৰণ অলেখ। যাৰ যি স্বভাৱ তাক কেতিয়াও এৰিব নোৱাৰে, "অঙ্গাৰং শত ধৌতেন মলিনত্বং ন মুঞ্চতে।" স্বভাৱ-প্ৰবৃত্তিৰ ওপৰতেই এক্টো জাতি বা জাতৰ সৃষ্টি। সেই ৰূপ নোহোৱা হলে, মানুহ জাতি মাত্ৰৰেই মুখৰ সাঁচ-গঢ় একে হলহেতেন।। নামত এক হলেও, জাতত ফল-ফুল, জীৱ-জন্তু, কেতিয়াও একে নহয়। সকলোকে সম কৰিবলৈ আমাক কেবা পুৰুষো লাগিব। শিক্ষা-সভ্যতাই বাহিৰক মিলনত এক কৰিব পাৰিলেও বিদ্যাবুদ্ধি হিতাহিত বিবেচনা শক্তিৰে সমান হবলৈ বহু বছৰৰ সাধনা লাগিব।

আত্মবিশ্বাসত একনিষ্ঠতা আৰু অসহযোগ আন্দোলনৰ বিৰোধিতা।

কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্যৰ নিমিত্তে অৰ্থ সাহায্য বিচাৰি এবাৰ দলে-বলে দেশভক্ত তৰুণ ৰাম ফুকন আহক গোসাই ঈশ্বৰৰ ওচৰলৈ। বৌবিষ্টৰী বুদ্ধিৰে ফুকন ডাঙৰীয়াই গোসাই ঈশ্বৰেৰেসৈতে নেবোপানীকৈ তৰ্ক কৰি চালে, গোসাই ঈশ্বৰৰ খোপনি একোপধোই লৰাব নোৱাৰিলে। কংগ্ৰেছৰ নামত ফুটা-কড়ি এটাও নিদিওঁ বুলি প্ৰভুৱে খাটাংকৈ কৈ দিলে। অথচ, ফুকনক নিজাকৈ যি লাগে তাকে দিয়া হব বুলি আশ্বাসো দিলে। ফুকনে কিন্তু কংগ্ৰেছৰ নামত নিদিলে নিজৰ নামত টকা এটাও লবলৈ অমান্তি হল। দেশভক্ত ফুকনৰ নিচিনা চতৰ ব্যক্তিত্বশালী পুৰুষো একনিষ্ঠভাৱে সত্যনীতিত চলা প্ৰবল আত্মবিশ্বাসী 'নৰদেৱৰ গোস্বামীৰ আগত পৰাংমুখ হব লগীয়া হৈছিল।

অসৱৰ্ণ বিবাহৰ বিৰোধী।

ৰজনীকান্ত বৰদলৈ আৰু তাৰাপ্ৰসাদ চলিহাক মতাই অনোৱাই প্ৰভুৱে অসহযোগ আন্দোলনৰ বিৰুদ্ধে এখনি পুস্তিকা লেখোৱাই প্ৰচাৰো কৰাইছিল। "অসৱৰ্ণ বিধবা বিবাহো" প্ৰভুৱে সমৰ্থন কৰা নাছিল। তেনেকুৱা বিবাহৰ ফল যে বিষময় তাক প্ৰভুৱে জাজ্জ্বল্যমান প্ৰমাণে সৈতে প্ৰাচীন মতৰ যৌক্তিকতা সাব্যস্ত কৰিছিল।

প্ৰভুৰ মতামতৰ মূল্য স্বীকাৰ।

তৎক্ষণাৎ কানিপ্ৰচলন নিৰ্ম্মূল কৰা-বিষয়ে চৰ্কাৰে মতামত সোধাত, প্ৰভুৱে লৈখিছিল :—কানি নিৰ্ম্মূল কৰিব লাগে সঁচা, তাকে লাহে-লাহে হে উঠাব লাগে। ঘপ কৰে বন্ধ কৰি দিলে গ্ৰহণী ৰোগীবিলাক অকালতে মৰিব।* 'কুলধৰ চলিহাই অতি শীঘ্ৰে অসমৰপৰা কানি উঠাই দিব লাগে বুলি যেতিয়া আসাম-কাউন্সিলত এটা প্ৰস্তাৱ দাঙি ধৰে, গৱৰ্ণমেণ্টৰ চীফ চেক্ৰেটৰী এ ডব্লিউ ব'থামে চলিহা ডাঙৰীয়াৰ প্ৰস্তাৱটো নৱজক বুলি গোসাই ঈশ্বৰৰ সেই মতটোলৈ চলিহাৰ দৃষ্টি পেলায়। ব'থামে গোসাঁইৰ প্ৰভুত্ব আৰু মতৰ মূল্য-সম্পৰ্কে উন্নুকিয়াই-ছিল। —"অসমীয়া বৈষ্ণৱসকলৰ ভিতৰত তিনি ভাগৰ এভাগৰ যিজনা গুৰু সেইজনা পুণ্যাত্মা ধৰ্ম্ম গুৰুৰ কথা মানিম নে, অকল এজন চলিহাৰ কথা মানিম ?"

নামঘৰ নিৰ্ম্মাণত দৈৱিক সহায়।

নটা খোঁটালীৰে বৰ্ত্তমান যিটো নামঘৰ আছে সেইটো আগেয়ে খেৰৰ আছিল। এই গৰাকী প্ৰভুৱে তাক টিনৰ কৰায়। সেই ঘৰ সাজিবলৈ দুই মুনিহে আকোৱালি নোপোৱা, সুকাঠ কেনেকৈ পোৱা হৈছিল সিও এটি সঁচাকথাৰে প্ৰবাদ। ঘৰৰ খুঁটা ক'ত-কেনেকৈ পোৱা হব বুলি ভাবি-চিন্তি থাকোতেই 'যাদৱবায়ে স্বপ্ন কৰালে, বোলে ৰাধাচাপৰিতে (সমুখৰ চাপৰি) ব্ৰহ্মপুত্ৰই উটাই আনি কাঠৰ দ'ম কৰি থৈছে। মানুহ গৈ চায়গৈ দেখোন—স্বপ্নত কোৱামতেই নামঘৰৰ কাঠ আহি ৰাধাচাপৰিত লাগি আছেহি। গোসাঁয়ে সেই কাঠেৰেই চতি-মাৰলী বেৰেটো ফলাই, খুঁটা কটাই নামঘৰটি নিৰ্ম্মাণ কৰোৱালে।

প্ৰভুৰ মহানুভৱতা।

সনাতন হিন্দু ধৰ্ম্মৰ প্ৰতি যাৰ আস্থা নাই, সামাজিক শিষ্টতা ৰক্ষাত যাৰ আচাৰ-বিচাৰ নাই, শান্তিশৃঙ্খলা ভাঙি ফুৰাটো যাৰ গৌৰৱৰ স্থল সেইবিলাকৰ প্ৰতি প্ৰভু সদায়

---

* "পায়নীয়েৰ"—ইলাহাবাদ—২০ ডিচেম্বৰ ১৯২০।

* এনে মতকে পোষণ কৰিছিল বি-এ জগন্নাথ, গুণাভিৰাম বৰুৱা আৰু মাধৱচন্দ্ৰ বৰদলৈয়ে। ৱ, শ।

খড়্গহস্ত। তথাপি, তেনে মানুহৰে ঘৰত যদি কোনোবা সৎ চৰিত্ৰৰ মেধাবী ছাত্ৰ ওলায়, আৰু সেই ছাত্ৰক উচ্চ শিক্ষা দিয়াত অভিভাৱকজন অপাৰগ হয়, তেন্তে সেই ছাত্ৰকো শিক্ষাৰ অৰ্থে ধনবিত দি সহায় কৰাত প্ৰভু একেবাৰেই মুক্তহস্ত। ধনৰ অভাৱত উচ্চ শিক্ষাৰ পৰা বঞ্চিত হৈ থাকিব লগীয়া বহুত লৰাক প্ৰভুৱে মাহে-মাহে কলেজত থকা-পঢ়া সকলো খৰচ দি শিক্ষিত কৰি অনাইছিল। এনেকৈ সাহায্যপোৱা বহুত ছাত্ৰই চৰ্কাৰৰ ঘৰত উচ্চপদবী লাভ কৰি সুখে-স্বচ্ছন্দে জীৱন-নিৰ্ব্বাহ কৰি আছে। প্ৰভু ক্ষমাৰো আছিল আধাৰ। যেয়ে যিমান দোষ নকৰক, প্ৰভুৰ ওচৰত ক্ষমা মাগিলেই সকলো নাশ।

শিষ্যৰ প্ৰতি পুত্ৰ স্নেহ।

শিষ্যসকলৰ প্ৰতি প্ৰভুৰ যি সৰল ভাব আৰু পুত্ৰসম স্নেহ তাক বহুতে সাধুকথাৰ দৰে কৈয়ে থাকে। সেইবিলাক কথা বহলাই নকৈ সাহিত্যানুৰাগী আৰু স্বদেশপ্ৰেমিক দেৱেশ্বৰ চলিহা উকীল ডাঙৰীয়াই যি লেখি গৈছে তাতেই প্ৰভুৰ মহানুভাৱতাৰ গুণ সুন্দৰকৈ প্ৰকাশ পাইছে। চলিহাই বাৰ্তাৰ কাকতত চৰ্কাৰক বিৰূপ সমালোচনা কৰা বাবে চৰ্কাৰী কামৰপৰা বাধ্য হৈ অৱসৰ লব লগীয়াত ওকালতী পঢ়িবলৈ ইচ্ছা কৰে। কিন্তু, হাতত ধন নোহোৱাত মনটো কোঁচ খাই আছিল। গোসাই ঈশ্বৰলৈকে দুৰৱস্থাৰ কথা বৰ্ণাই আগতে এখন চিঠি দি চলিহা গোসাঁইৰ ওচৰলৈ গল। চলিহাই সেৱা জনোৱা মাত্ৰকে, সত্ৰৰ নিয়ম-অনুসৰি খোৱা-বোৱা হলনে বুলি সুধি ওচৰত থকা আলধৰা আৰু ভনদিয়েক ভকতক আঁত ধৰলৈ কৈ চলিহাক কাষলৈ মাতি নি আকৌ লাহে-লাহে সুধিলে, "কলিকতালৈ যে যাম বুলিছা, হাতত জানো পইচা আছে?" চলিহাই 'সেইটোহে অলপ অসুবিধা' বুলি সেমেনাসেমেনিকৈ মাত লগাই থলে। প্ৰভুৱে আকৌ "কিমান লাগিব হে" বুলি সুধিলে। উত্তৰত চলিহাই ৪০০, মান লাগিব বুলি ক'লে। কথাষাৰ জনাই আহি, কলিকতালৈ যাবলৈ আয়োজন কৰিছে, এনেতে টকা আহি পালেহিয়েই। পৰীক্ষাত উত্তীৰ্ণ হৈ অহাৰ পিচত, এদিন চলিহা আকৌ যক গোসাঁইসেৱা কৰিবলৈ। এইবাৰ অন্তৰ্য্যামী গোসায়ে অভ্যন্তৰতে সকলো কথা বুজি কৈ পেলালে, "তোমাক এতিয়া ওকালতী ভৰ্ত্তি হবলৈ ২৫, টকা আৰু বছেৰেকীয়া পট্টাৰ বাবে ২৫, টকা লাগিব নহয়?" এই বুলি, "হেৰ', কাকতী, চলিহাক বূপ ৫০, টকা ভঁড়ালৰপৰা আনি দেহি।" দেৱেশ্বৰ চলিহাই নৱদেৱ গোসাই ঈশ্বৰৰ এই ধাৰ চকুৰ পানীৰে হে মাৰিব পাৰিলে।*

চলিহা ডাঙৰীয়াৰ দৰেই আমাৰ দেশৰ মুখউজ্জ্বল কৰোতা কেবাজনো স্বনাম-প্ৰসিদ্ধ কৃতী সন্তান আছে যি নৱদেৱ গোস্বামীৰ ওচৰত আজীৱন কৃতজ্ঞতা নজনোৱাকৈ নোৱাৰে। তেওঁবিলাক হে নালাগে তেওঁবিলাকৰ সতি-সন্ততিয়েও সেই কৃতজ্ঞতা সুৱঁৰিব লাগিব।

সাহিত্যসভাৰ নৱদেৱ ট্ৰাষ্ট ফণ্ড।

অসম-সাহিত্য-সভাৰ পুঁজি টনকিয়াল কৰিবৰ অৰ্থে পণ্ডিত হেমচন্দ্ৰ গোস্বামী একষ্ট্ৰা-এচিষ্টেণ্ট-কমিছনাৰে যোৰহাটৰ পৰা গৈ সত্ৰতে প্ৰভুক সেৱা কৰেগৈ আৰু সাহিত্য সভাৰ সকলো কথা জনাই প্ৰভুৰ ওচৰত অৰ্থ সাহায্য ভিক্ষা কৰে। জাৰ্ম্মান যুদ্ধত, যুদ্ধ-সাহায্য পুঁজিলৈ ধাৰে দিয়া ৮০০০, টকা জমা আছিল। প্ৰভুৱে সেই টকাকে অম্লান বদনে সাহিত্যভাৰ পুঁজিলৈ এককালীন দান দিলে। তেতিয়া অসম-সাহিত্যসভাৰ প্ৰধান সম্পাদক আছিল শৰৎচন্দ্ৰ গোস্বামী। তেখেতৰ বুদ্ধি-পৰামৰ্শমতে, তাৰে ৫০০০, টকা লৈ "নৱদেৱ ট্ৰাষ্ট ফণ্ড" খোলা হল। সেই ফণ্ডৰ আয়ৰপৰা অসমীয়া পুৰণি পুথি ছপা হৈ থাকিব। আৱশ্যক যেন দেখিলে সংস্কৃত পুথিও প্ৰকাশ কৰিব পাৰিব। পুথিবছা কমিটীত গোসাঁইবন্দবাৰা মনোনীত এজন প্ৰতিনিধি সভ্য থাকিব। টকা পাই সাহিত্য-সভাই স্থিৰ কৰিলে যে সেই পুঁজিৰ বাঢ়িৰপৰা প্ৰকাশ কৰা কিতাপৰ নাম 'নৱদেৱ গ্ৰন্থাৱলী দিয়া হব। এই গ্ৰন্থা-বলীৰ প্ৰথম পুথি নীলকণ্ঠ দাসকৃত "শ্ৰীশ্ৰী দামোদৰ দেৱ চৰিত্ৰ" (১৮৪৯ শক, ১৯২৭ চনত) প্ৰকাশিত হৈ গৈছে। দ্বিতীয় পুথি "শ্ৰীশ্ৰী বনমালীদেৱ চৰিত" (ৰমাকান্ত দ্বিজপ্ৰণীত) পুথি প্ৰকাশ কৰা হল। ইয়াৰ পাচত, "সাত্বত তন্ত্ৰ" নামেৰে বৈষ্ণৱ গ্ৰন্থ ছপা কৰোৱাৰ কথা চলিছে।" প্ৰধান সম্পাদক গোস্বামীদেৱ বিহীন হোৱাৰ পাচত সেই পুঁজিৰ বাঢ়িৰে এতিয়ালৈকে

১। ভাগৱত মিশ্ৰৰ "সাত্বত তন্ত্ৰ,"
২। বলোৰাম দ্বিজৰ "ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ,"
৩। হৰিহৰ বিপ্ৰৰ (?) "লৱকুশৰ যুদ্ধ"।

কোনো-কোনো লোকে দেৱদামোদৰৰ "ধৰ্ম্মপন্থ আৰু চৰিত্ৰত" কলঙ্ক সানিবলৈ হাতীপুঁৰ

* "শ্ৰীশ্ৰী নৱদেৱ গোস্বামী........." দেৱেশ্বৰ চলিহা।

"প্ৰদীপিকা" প্ৰকাশ।

দি লগা দেখি, সেই কলঙ্ক ভঞ্জনৰ উদ্দেশ্যে দেৱদামোদৰৰ ধৰ্ম্মমালা গ্ৰহীতা নৰদেৱ গোস্বামী প্ৰভুৰ অন্তৰত বাড়বাগ্নি জ্বলিবলৈ ধৰিলে। দুই-এজন লব্ধপ্ৰতিষ্ঠ সাহিত্যিকেও যেতিয়া কাকতে-পত্ৰই দামোদৰী পন্থৰ বিকৃত চিত্ৰ এটি দাঙি ধৰিবলৈ উঠি-পৰি লাগিল প্ৰভুৰ প্ৰাণে আৰু সহ্য কৰিব নোৱাৰিলে। একে ভাগৱতী ধৰ্ম্মকে ফাল-ফাল কৰি এমুঠি অসমীয়াৰ ভিতৰত ভেদ ভাব সৃষ্টি কৰাত প্ৰত্যেক দামোদৰীয়াৰ অন্তৰতো বিক্ষোভৰ ভাব সৃষ্টি নোহোৱাকৈ নাছিল। কিন্তু কাঁইটেহে কাঁইট উলিয়াব পাৰে। বাতৰি-কাকতৰ বিদ্বেষমূলক অপপ্ৰচাৰৰ মুখখন বাতৰি-কাকতেহে মাৰিব পাৰে। প্ৰভুৰ ক্ষুব্ধ মনোভাবৰ লগত অগণন শিষ্য-প্ৰশিষ্যৰো মনোভাব মিলি যোৱাত, প্ৰভুৱে অনতিপলমেই শীৰ্ষস্থানীয় শিষ্য জনাদিয়েকক সত্ৰলৈকে মতাই অনাই সেই অপপ্ৰচাৰৰ মুখ বন্ধ কৰাৰ উপায় আলচ কৰিলে। দামোদৰীসকলৰ মুখপত্ৰ হিচাপে আলোচনী কাকত এখন উলিয়াব নোৱাৰিলে দামোদৰী পন্থ আৰু দেৱ দামোদৰৰ বৈশিষ্ট্য বিলুপ্ত হৈ যাব। গতিকেই, গোসাঞে ততালিকে এখন আলোচনী কাকত প্ৰকাশ কৰিবলৈ মনস্থ কৰিলে আৰু কাকতখনৰ "প্ৰদীপিকা" নাম দি দক্ষিণপাটৰ একনিষ্ঠ সেৱক ধৰ্ম্মজ্ঞ পুৰুষ, 'উপন্যাস-সম্ৰাট' ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াক কাকত-সম্পাদনাৰ ভাৰ দিলে। বৰদলৈদেৱৰ নিষ্ঠাপূৰ্ণ সম্পাদনা আৰু কৃতবিদ্য লেখকসকলৰ সহযোগত "প্ৰদীপিকা" প্ৰকাশ হৈ গল। 'প্ৰদীপিকাৰ' দ্বাৰাই ধৰ্ম্মৰ কিবা উন্নতি নাইবা কিবা সংস্কাৰ সাধিত হল নে নহল, সঠিককৈ কব নোৱাৰি যদিও, এইটো হলে নিঃসন্দেহে কব পাৰি যে দেৱদামোদৰৰ প্ৰতি থকা পৰম্পৰা বিশ্বাসভক্তিৰ ওপৰত বাম টাঙোন বহুৱাবলৈ কুচক্ৰীহঁতে যি আন্দোলন চলাবলৈ উপক্ৰম কৰিছিল, সেই আত্মঘাতী আন্দোলন মষিমূৰ হল। 'প্ৰদীপিকা' প্ৰচাৰৰ ফলত, সুসুপ্ত অৱস্থাত থকা ঠাই বোৰতো প্ৰভু দামোদৰৰ নাম ঘোষিত হবলৈ ধৰিলে। নৰদেৱ গোসাই ঈশ্বৰে অকুন্ঠিভাৱে কাকত প্ৰকাশৰ ব্যয়ভাৰ গ্ৰহণ কৰাত হে সেই হেন মহৎ কাৰ্য্য এটি সুসিদ্ধ কৰিব পৰা হল।

ডেকা কালত প্ৰভুৰ শৰীৰ লাহী আৰু ল-নি আছিল। বয়স ভাটী দিয়াৰ লগে-লগে গা-ধৰি নব-লীলাৰ সন্ধিয়া পৰত হে গোটেই শৰীৰ লোধোমা-লুতুমা হৈ পৰিল। অন্তিম কালৰ পূৰ্ব্ব মুহূৰ্ত্তত প্ৰভু ইমান গধুৰ হৈ পৰিছিল যে নিজৰ শৰীৰটিকে দাঙিব নোৱাৰা হৈছিল আৰু ভাগৱতলৈ যাওঁতে খাটলাত উঠি হে যাব পাৰিছিল। সেই বুলি ভাগৱত খাঁত হোৱা নাছিল।

"উদাসীনে হে ধৰ্ম্ম আচৰিব পাৰে।"

এবাৰ চেটেলমেন্ট অফিচাৰ হাৰ্ট চাহাবৰ লগত (ৰায় বাহাদুৰ) ৰাধাকান্ত সন্দিকৈ আৰু ৰজনীকান্ত বৰদলৈ সত্ৰলৈ আহিছিল। দুয়োজন অসমীয়া হাকিম দক্ষিণপাটৰে শিষ্য। ভকতসকলক উদাসীন দেখি চাহাবে সন্দেহ লাগি সুধিলে, "আপোনাসকলে" অতবোৰ ভকতক অবিবাহিতকৈ ৰাখি অন্যায় কৰা নাই নে?" গোসাঁয়ে গম্ভীৰ ভাৱে উত্তৰ দিলে "আমি কাকো গৃহস্থী হবলৈ বাধা দিয়া নাই। আমাৰ বোধেৰে উদাসীন হৈ থাকিলে হে সংযমী হৈ ধৰ্ম্মৰ মাহাত্ম্য প্ৰকাশ কৰিব পাৰে।"

"আচল গোস্বামী"

স্বধৰ্ম্ম-অনুৰক্ত আছিল যদিও প্ৰভুৱে বাইবেল-কোৰাণ পঢ়ি খৃষ্টান-ইস্লাম ধৰ্ম্মৰ মূল তত্ত্বটোহঁত ভালকৈ বুজি লবলৈ সঙ্কোচ নকৰিছিল। কথাবতৰা পতাত প্ৰভু ইমান সংযত আৰু মধুৰক্ষৰী আছিল যে প্ৰভুৰেসৈতে কথা পাতি আহি এজন মৌলবীয়ে কৈছিল, "নৰদেৱ গোস্বামী "আচল গোস্বামী।"

কৰ্জনৰ উপহাৰ।

১৯০০ চনত লৰ্ড কৰ্জ্জন বৰলাট চাহাব আহোতে গোস্বামী প্ৰভুৱে তেওঁক গুৱাহাটীতে লগ ধৰেগৈ। বৰলাটক সাক্ষাৎ কৰোঁতে, নিজৰ নাৱত থাকিয়েই প্ৰভুৱে কথাবতৰা পাতি তুলসীৰ নিৰ্ম্মালি এপাতি লৰ্ড কৰ্জ্জনক দিছিল আৰু লৰ্ড কৰ্জ্জন বৰলাটেও প্ৰভুক ৰূপৰ কোষা-অৰ্ঘা এজোৰ দি ওলগ জনাইছিল।

"কেইজাৰ-ই-হিণ্ড" মেডেল পোৱা।

১৯০১ চনৰ (১৮২৩ শক) ৯ নবেম্বৰ তাৰিখে বৃটিছ গবৰ্ণমেণ্টে প্ৰভুক কেইজাৰ-ই-হিন্দ 'মেডেল' দি প্ৰভুৰ জনহিতৈষী কামৰ শলাগ লয়।

ফুলাৰ আৰু আৰ্ল চাহাবৰ প্ৰণামী।

চাৰ বেম্পফীল্ড ফুলাৰ দুৱলীয়া চাহাবেও সত্ৰ চাবলৈ আহি গোসাই ঈশ্বৰক সোণালী আখৰেৰে ছপা কৰা শ্ৰীমদ্ভাগৱত গীতা এখনি প্ৰণামী স্বৰূপে আগ বঢ়াইছিল। চাৰ আৰ্চডেল আৰ্ল চীফ কমিছনাৰেও সত্ৰ দৰ্শন কৰিবলৈ আহি প্ৰভুক যথানুৰূপ উপঢৌকনেৰে মান ধৰিছিল।

গেইট চাহাবো মুগ্ধ।

অসম-বুৰঞ্জী-লেখক চাৰ এডোৱাৰ্ড গেইটে পণ্ডিত হেমচন্দ্ৰ গোস্বামীলৈ লেখিছিল, "চাৰি বছৰ মই আসামত থাকিলোঁ। তাৰ ভিতৰত তিব্বত আদি ঠায়ো চালোঁগৈ, কিন্তু নৰদেৱৰ দৰে বিজ্ঞ গোসাই এজন কতো লগ নেপালোঁ। তেখেত হিন্দু ধৰ্ম্মাচাৰ্য্য আৰু ব্ৰাহ্মণ;

অথচ শিখ, জৈন, ইস্লাম ধৰ্ম্মৰো সাৰমৰ্ম্ম আয়ত্ত কৰি লোকক বুজায়। তেখেতে বাইবেলৰ যি অৰ্থ কৰিছিল, অতি চমৎকাৰ! তেখেতলৈ মোৰ অশেষ ধন্যবাদ।"

১৮৩৫ শকত, পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ উদ্যোগত সদৌ অসম ধৰ্ম্মসভা এখন স্থাপন কৰিবলৈ চেষ্টা কৰা হৈছিল। সেই বিষয়ে দিহা-পৰামৰ্শ সোধাত দূৰদৰ্শী প্ৰভুৱে গোসাই-মহন্ত-সকলৰ মনোভাবলৈ লক্ষ্য কৰি এই অভিমত প্ৰকাশ কৰিছিলঃ--

অসম-ধৰ্ম্মসভাৰ ওপৰত অভিমত।

"বিশেষ আপুনি ধৰ্ম্মসভাত গোসাই-মহন্তসকলৰ বিষয়ে প্ৰস্তাৱ কৰি যি কাগজ মোচাপীতা কৰি আমালৈ পঠাইছে, আমি সেই কাগজ দেখা হৈছে। সেই কাগজৰ প্ৰণালী ও গঠন ভাল হৈছে। বৰ্ত্তমান তাক লৰচৰ কৰিবৰ ইচ্ছা কৰা নাই। কাৰণ, আপুনি লেখিছেই, এনে এটা মহৎ কামৰ নিমিত্তে হাত দিছে। আমিও সেইবিলাক কাৰ্য্য মহৎ বুলি ভাবিছোঁ। কাল কাৰ্য্যৰ গতিকে, সেই কাৰ্য্যত সকলোবিলাকৰ সহানুভূতি জন্মিব যে সেই আশা দুৰাশা বোধ কৰিছোঁ। কাৰণ, গোসাই মহন্ত সকলৰ ভিতৰত একতা নাই। ইয়াত অনেক ব্যাঘাত আচৰণ কৰিবলৈ চেষ্টা কৰিব যেন হে অনুভৱ।"

"আহোমসকল নিকৃষ্ট নহয়।"

"আহোম বুলিলেই যে নিকৃষ্ট" - এই কথাৰ প্ৰতিবাদ কৰি গোসাই-ঈশ্বৰে ১৮৩৭ শকৰ ১১ চ'তত শ্ৰীলক্ষ্মীনাথ কাকতীৰ হতুৱাই এইখন প্ৰচাৰপত্ৰ প্ৰকাশ কৰোৱাইছিলঃ—

"পূৰ্ব্বীয় বৃদ্ধসকলৰপৰা শুনা-জনা আছে যে ইন্দ্ৰ, চন্দ্ৰ, সূৰ্য্য ও বৃহস্পতি ইত্যাদি দেৱবীৰ্য্যেৰে জন্ম হোৱা আহোমসকল উৎকৃষ্ট জাতি। ইন্দ্ৰ বংশৰ জনাকে স্বৰ্গদেৱ মহাৰাজ বোলে। সেই দেৱবংশীয় আহোম-সকল নামি আহি ৰাজত্ব কৰি অন্য জাতৰ লোককো আহোম উপাধি দি সামান্য কাৰ্য্যত নিযুক্ত কৰি কাৰ্য্য চলাইছিল। সেই দেৱবংশীয় আহোমসকলক পূৰ্ব্বীয় গোসাই মহন্তসকলে নিজ ইষ্টাৰ্চ্চন দেৱতাৰ আগত বহুৱাই তেওঁবিলাকৰ নিমিত্তে অৰ্চ্চনাদি কৰি ব্ৰাহ্মণক যি প্ৰকাৰ দীক্ষা দিয়ে সেই প্ৰকাৰেই দেৱ বংশীয় আহোমসকলকো দীক্ষা দিছিল এতিয়াও সেই প্ৰকাৰেই দি থকা হৈছে। * * আমি দেৱ বংশীয় আহোম-সকলক কেতিয়াও নিকৃষ্ট বুলিব নোৱাৰোঁ।"

মাতৃভাষাৰ প্ৰতি প্ৰেম।

আমাৰ দেশত ১৭৯৬ শকলৈকে ইস্কুল-কাছাৰীত বঙলা ভাষা চলিছিল। সত্ৰতো সেই ভাষাকেই চৰকাৰী চিঠিপত্ৰ আৰু কোনো-কোনো উৎসৱত ব্যৱহাৰ কৰা হৈছিল। বঙলা মিহলি বা বঙলাৰ আহিঁৰেই নাটৰ বচন ৰচনা কৰা হৈছিল। প্ৰভু তেজপুৰলৈ যাওঁতে, প্ৰভুৰ প্ৰিয় শিষ্য ৺দেৱেশ্বৰ চলিহাই ৰবকৈ অনুৰোধ কৰাত, সত্ৰৰ চলি অহা আগৰ আৰু তেতিয়াৰ যাত্ৰা-ভাবনাৰ নাট আৰু নাটৰ গীত-পদবিলাক অসমীয়ালৈ ৰূপান্তৰিত কৰা হল। অসম-সাহিত্য-সভালৈ, পাচত যে এক কালীন দান ৫০০০ টকা দিছিল, সিও প্ৰভুৰ মাতৃভাষাৰ প্ৰতি থকা প্ৰেমৰে এটি নিদৰ্শন।

৺বনমালীদেৱে যি আহিঁত দেৱদামোদৰৰ ধৰ্ম্মবন্তিগছি জলাই থৈ গল, সেই আহিঁৰ অনুকল্পেই এবছৰ অধিক অৰ্দ্ধশতাব্দী কাল প্ৰভু নৰদেৱ গোস্বামীয়ে সেই বন্তিকে নিৰ্ব্বাপিত নোহোৱাকৈ জলাই থাকি, ১৮৪৮ শকৰ চত মহীয়া শুক্লা একাদশী তিথিত নিশা দহ বজাত পৰমব্ৰহ্মত লীন গল।

বৈকুণ্ঠপ্ৰয়াণৰ আগত।

"দক্ষিণপাট সত্ৰৰ অধিকাৰ প্ৰাতঃস্মৰণীয় শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভুৰ বৈকুণ্ঠপ্ৰয়াণ অতি আশ্চৰ্য্যজনক। এই দুৰ্ঘোৰ কলিতো যে নিজৰ মৃত্যুৰ কথা জানোতা লোক আছে বুলি আমি এতিয়া হে জানিব পাৰিলোঁ। প্ৰভুৱে মৃত্যুকালৰ সকলো আয়োজন জীৱিত থাকোতেই কৰি থৈ গৈছে। আৰু-বেলি (১৮৪৭ শকত) ৰাসোৎসৱৰ দিনা আনকালৰ দৰে শিষ্য-প্ৰশিষ্যৰ সেৱা-কাৰণ লৈ নামঘৰত ভাগৱতো কয়। কিন্তু গা বেয়া বুলি নিশাৰ সভালৈ হে নগল। পৰদিনা ৰাতিপুৱাই উঠি প্ৰভুৱে স্নানসন্ধ্যা-পূজা শেষ কৰি মালা লোৱাক মালা, শৰণ লোৱাক শৰণ দি নামঘৰত ভাগৱত শুনা দলে-দলে প্ৰজাক বিদায় দিবলৈ ধৰিলে। তথাপি, নিশা-সভালৈ নোযোৱাৰ দোষত গোসাঁইৰ গা-বেয়া এই শব্দটো গোপন নেথাকি গোটেই অসম বিয়পি পৰিল। খবৰ পোৱা মাত্ৰে দলে-দলে শিষ্য-প্ৰশিষ্যই বুঢ়া গোসাঁইক চাবৰ নিমিত্তে আহিবলৈ ধৰিলে। কোনো এদিন খতি নাইকিয়াত পৰিল। নিতো এশ চাবিকুৰিৰ কম নাই —যেনিবা এই বেলি ৰাসোৎসৱ নুগুচাই হল। ইফালে, গোস্বামী প্ৰভুৰ দেখোন ৰোগব্যাধি একোৱেই নাই। সদায় আনন্দ মন, আগৰ দৰে সন্ধ্যাপূজা, নাম-ভাগৱত ব্যাখ্যা কৰিয়েই আছে, তথাপি মোৰ গা বেয়াৰ একো কথা নজনাবাহঁক বুলি কৈ থাকে। প্ৰভু স্বৰ্গী হোৱাৰ পূৰ্ব্বে, এই কথাৰ অৰ্থ কোনেও পোৱা নাছিল। চলাৰ পাচত হে সকলো কথা বুজা হল। ৰাসৰ দিনা নিশাৰ সভালৈ নগৈ গা-বেয়া শব্দটি দেশত ফুটাই দি গৰমৰ শিষ্যপুত্ৰসকলক চিৰদিনলৈ চাই ললে। সেই সময়ত সত্ৰৰ প্ৰায় ভকত-বৈষ্ণৱ সকলোৱেই উপস্থিত আছিল।

প্ৰভুৱে কাতি মাহতে ভাচনীয়াৰৰ (ক'হাৰৰ) পৰা কৰ্ম্মত দিবলৈ বাচন-বৰ্ত্তন আৰু চাৰিগাৰ'ৰপৰা উন্টি, গামখাৰু, আঙ্গঠী আদি সকলো মাল কৰোৱাই আনি ৰাখিছিল। দাহ কৰিবলৈ ভেটি, থানঘৰৰ খুঁটা-চতি, চিৰী-বাতাম আৰু টিনপাত পৰ্য্যন্ত যতনাই থৈছিল। দাহাদিৰপৰা আদ্যশ্ৰাদ্ধলৈকে কি-কি দ্ৰব্য লাগিব আৰু বিৰাট-গীতা, বিষ্ণু সহস্ৰ-নাম আৰু অযুত তুলসীদানত নো কি কি লাগিব তাৰো ফৰ্দ্দ কৰি থৈ গৈছিল, আন কি, দাহৰ নিমিত্তে আমখৰি পৰ্য্যন্ত প্ৰস্তুত কৰাইছিল।

* * *

ভাবী অধিকাৰক উপদেশ।

১২ চ'তৰ দিনা (১৮৪৮ শক) সন্ধ্যাপূজা শেষ কৰি ৯ বজাত অলপ জ্বৰৰ ভাব যেন পাই শ্ৰীযুত মহেশ্বৰ কবিৰাজক মতাই অনাত, কবিৰাজে থাৰ্ম্মমিটাৰ দিয়াই ৯৯° ডিগ্ৰী গৰম পাই কলে, "বতৰ ডাৱৰ। পূজাসেৱাদি কৰোঁতে শীত লাগি প্ৰভুৰ এই কণ গৰম হৈছে। ইয়াক জ্বৰ বুলি গণ্য কৰিব নোৱাৰি।" প্ৰভুৱে মিচিক কৈ হাঁহি এটি মাৰি "বাৰু" বুলি কবিৰাজক বিদায় দি বৰ্ত্তমান অধিকাৰক (শ্ৰীশ্ৰীনাৰায়ণ দেৱ গোস্বামীক) ক'লে, "তুমি সৰুৰে-পৰা সকলো কথা দেখি আহিছা, তোমাক আৰু অধিক শিক্ষা দিব নেলাগে। কিন্তু আজি-কালি দেশকাল বৰ বেয়া। সেই কাৰণে, নিজে জনা কথাটো কৰিবলৈ হলেও ২।৪ জনৰ মত লবা। শাস্ত্ৰত কৈছে,"

"জ্ঞাত সবোখল্লেকঃ
সন্ধিণেন কাৰ্য্য বস্তুনি",

আৰু বিবেচনা নকৰাকৈ হঠাৎ কোনো কাৰ্য্য কৰিব নাপায়, যি হেতু অবিবেচক লোকে পৰম আপদক পায়। গুণলুব্ধ সম্পদে আপুনি আহি বিবেচক পুৰুষক বৰণ কৰে বুলি শাস্ত্ৰত কথিত আছে:—

"সহসা নবী দধীত ক্ৰিয়ামবিবেকঃ পৰমাস্পদম,
বৃন্ধতেহি বিমৃষ্যকাৰীণাং গুণলুব্ধা স্বয়মেব সম্পদঃ"

ইত্যাদি নানান্ উপদেশ দি বিদায় দিলে। এঘণ্টা মানৰ পিচতে উঠা তাপকণ কমি যোৱা সত্বেও ভোজন নকৰি সামান্য লঘু আহাৰ কৰি থাকিল। পৰ দিনাও, সেই সময়তে জ্বৰ সম্ভৱ হোৱাত পুনৰায় বৰ্ত্তমান অধিকাৰক (শ্ৰীশ্ৰীনাৰায়ণদেৱ গোস্বামীক) মাতি নি কলে, "আজিও মোৰ জ্বৰ সম্ভৱ হৈছে। মই আৰু বেছি দিন নেথাকোঁ। তোমালোকে মিলি সত্ৰ-সভা চলাবাঁহ'ক। আমালৈ দুখবেজাৰ কৰি নেথাকিবাঁহ'ক। মোৰ দৰে প্ৰায় তুমিও বুঢ়া, তাতে তোমাৰ গাও ভাল নহয়। এই নিমিত্তে পিণ্ড কেটইা শ্ৰীমান হৰিদেৱে (সৰু অধিকাৰ) দিব। তুমি আদ্যশ্ৰাদ্ধাদি কাৰ্য্য কৰিবা। আমাৰ পিণ্ডৰ অধিকাৰী হৰিও আছে—ভগৱান মনুৱে "ভ্ৰাতৃপুত্ৰেন পুত্ৰৱান" বুলি কৈছে। হৰিৰ মালামন্ত্ৰাদি সকলো কাৰ্য্য মই শেষ কৰি থৈছোঁ। গতিকে, হৰিয়ে পিণ্ড দিয়াত একো বাধা নাই। আৰু হৰিৰ পঢ়াশুনাৰ বিষয়ে সম্পূৰ্ণ চকু ৰাখিবা। মই পণ্ডিত আৰু ভাগৱতীকো ঢ়াই-ঢ়াই কৈছোঁ।" গোসাই ঈশ্বৰৰ আজিৰ কথা শুনি বৰ্ত্তমান অধিকাৰ স্থিৰে থাকিব নোৱাৰি শোকাশ্ৰুপূৰ্ণ স্বৰেৰে কলে, "মই মাজৰ মানুহ মাজে মাজে সাৰিম বুলি আশা কৰি আছিলোঁ। প্ৰভুৰ কথা শুনি মূৰত স্বৰ্গ ভাগি পৰা যেন পাইছোঁ।" গোসাইৰ কথাৰ সুৰত কান্দিছে বুলি বুজিব পাৰি প্ৰভুৱে কলে, "মই তোমাক আগতে দুখ-বেজাৰ অৰিবলৈ বাধা কৰাতো কিয় বেজাৰ কৰিছা? মই আশীৰ্ব্বাদ কৰিছোঁ, তোমাৰ সৰ্ব্বত্ৰ মঙ্গল হব। এতিয়া তুমি বহালৈ যোৱাঁ "বুলি বিদায় দিলে।

১৪ চ'ত তাৰিখে আনদিনাৰ দৰে স্নান-সন্ধ্যা পূজা শেষ কৰি গৃহাশ্ৰমীজনা গোস্বামীক কলে, "তোমালোকে মোক আজি নেৰিবাঁহ'ক।" এই কথা কৈয়ে শ্ৰীশ্ৰীনাৰায়ণদেৱক অধিকাৰৰ নিৰ্ম্মালি দিব খোজাত বৰ্ত্তমান অধিকাৰে ('নাৰায়ণ দেৱে) কলে, "মই এতিয়াই নিৰ্ম্মালি নলওঁ! লব লগা হলে সময়ত লমগৈ। "প্ৰভুৱে কলে," সময়ত মোৰ কেনে অৱস্থা হয়, নিৰ্ম্মালি দিব পাৰোঁ-কি-নোৱাৰোঁ। "প্ৰভুৱে আশীৰ্ব্বাদ কৰি স্পৰ্শ কৰি থলেই হব। মই ধৰি অনা গোসাঁই নহওঁ। একে গছৰে পাণ। প্ৰভুও বনমালীদেৱৰ নাতি, আমিও বনমালী-দেৱৰ নাতি। এতিয়াই নিৰ্ম্মালি লৈ অধিকাৰ বোলাই প্ৰভুৰ আগত ফুৰিবলৈ মোৰ অন্তৰ আত্মাই নকয়।" এই কথা কোৱাত একো উত্তৰ নিদি মনে-মনে থাকিল।

প্ৰভুৰ মহাপ্ৰয়াণ।

বেলা ৩ মান বজাত গোসাই ঈশ্বৰে কলে, "সকলো ভকতক মই চাই লওঁ। মোকো চক। "প্ৰভুৰ কথা শেষ হোৱা মাত্ৰে আৱালবৃদ্ধ সকলো ভকত আহি প্ৰভুক সেৱা কৰিবলৈ ধৰিলে।

প্ৰভুৱে নিজে ৰচনা কৰা আৰু আন কবিয়ে ৰচনা কৰা শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা আধ্যাত্মিক ভাবৰ গীত গোটাদিয়েক গায়। বাপুসকলে কান্দিবলৈ ধৰিলে। প্ৰভুৱে যাক যি সম্ভাষণ কৰিব লাগে সেই দৰে সম্ভাষণ কৰি আশীৰ্ব্বাদ দি বিদায় দিলে। ৫॥ মান বজাত কবিৰাজ সেৱা কৰিবলৈ যোৱাত কলে, "আপুনি নমতাকৈয়ে আহিছিল। বৰ সন্তোষ পালোঁ। এতিয়া আপোনাক বিদায় দিবলৈ কৈছোঁ।" কবিৰাজে ক'লে, "প্ৰভু ঈশ্বৰ, মই বহুত অপৰাধ কৰিছোঁ। সকলো ক্ষমা কৰিব।" "একো অপৰাধ নাই, আমি আশীৰ্ব্বাদ কৰিছোঁ, আপোনাৰ সৰ্ব্বত্ৰে মঙ্গল হওক।"—এই বুলি কবিৰাজক নিৰ্ম্মালি দি বিদায় দিলে। তেখেত অহাৰ পিচতে এই অধমেও (শ্ৰীযুতপ্ৰিয়নাথ শৰ্ম্মাই) গৈ প্ৰভুৰ শ্ৰীপাদপদ্মত সেৱা কৰাত "কুশল হক" বুলি কেৱল আশীৰ্ব্বাদ হে দিলে, বিশেষ কথা একো নেপাতিলে। মই অনিমেষ নেত্ৰে প্ৰাণ ভৰি সেই শ্ৰীমূৰ্ত্তি চাই আছিলোঁ। আজি মূৰ্ত্তি এক ৰকমৰ, আনখণ দেখা মূৰ্ত্তি নহয়। কঁকালত নতুন পাটৰ চুৰিয়া, গাত ৰেচমৰ ৰামনামী কাপোৰ, সৰ্ব্বাঙ্গে গোপীচন্দন আৰু গঙ্গামৃত্তিকা লিপ্ত, ঠায়ে-ঠায়ে লেখা শঙ্খচক্ৰগদাপদ্মাদিৰে সৈতে বিষ্ণুপদ আৰু কেশৱাদি দ্বাদশ নামে অঙ্গৰ সৌন্দৰ্য্য দ্বিগুণ কৰি তুলিছে। কণ্ঠত তুলসী, আমলখী আৰু ৰুদ্ৰাক্ষৰ মলা, এই দুই চৰণৰ কুশমূলে বিৰাজ কৰিছে। ৰাতি ৮ বজাৰ সময়ত প্ৰভুৱে ক'লে, "বায়ু বিকুৰ্ব্বান হলে ১০।১২ মিনিট সময়লৈ মানুহৰ শ্বাস-প্ৰশ্বাস বন্ধ হৈ থাকি পুনৰ চলিবও পাৰে। তোমালোকে বিহ্বল হৈ হঠাতে দবাঘণ্টা মাৰিবলৈ নিদিবা। এঘণ্টামান অপেক্ষা কৰি দবা-ঘণ্টা বজাবলৈ কৰা। ক্ৰমে ৯ বাজিল। সকলো ভকত থাই-বৈ উঠিল। গোসাঁই প্ৰভুৰো ১০৩° ডিগ্ৰী জ্বৰ হল। ১০ বাজিবলৈ ১৫ মিনিটমান থাকোতে বৰ্ত্তমান অধিকাৰক অধিকাৰৰ নিৰ্ম্মালি দিয়ে। নিৰ্ম্মালি দিয়াৰ ১০ মিনিটমানৰ পাচতে ব্ৰাহ্মণ কেইজনমানে দাঙি আনি প্ৰভুক আগেয়ে ভেটিকৰি থোৱা তুলসী গুৰিত থৈ হৰিধ্বনি কৰিলে। দাঙি আনোতে প্ৰভুৱে "জয় যাদৱৰায়" বুলি চিঞৰ এটা মাৰিলে।

প্ৰয়াণৰ সময়তো প্ৰভু ৰৰগাৱত আঁউজিয়েই আছিল। চকু-মুখ-নাক-কাণ একো বিবৰ্ণ নঘটিল। প্ৰভু চলাৰ আধা ঘন্টাৰ পাচতে বৰদবা-বৰঘন্টা-বৰকাঁহ-বৰতাল-কালি-ঢোল বজাবলৈ ধৰিলে। বৈৰাগী নামলগোৱাসকলে কৰতালেৰে নাম গাবলৈ ধৰিলে। গায়ন-বায়ন, ওজা-কীৰ্ত্তনীয়াই গান-বাজনা কীৰ্ত্তন আৰম্ভ কৰিলে, নটুৱা নাচিবলৈ ধৰিলে। সকলো বাদ্য তুমুল হৈ উঠি দশ দিশ মুখৰিত কৰি তুলিলে। শব্দ শুনা মাত্ৰকে কেউফালৰ পৰা অসংখ্য মানুহ গোট খালে। নিশা চাৰে এঘাৰ বজাত নানা বাদ্য ভণ্ড কৰোই মহাসমাৰোহেৰে চতুৰ্দ্দোলাত তুলি প্ৰভুক দাহ কৰিবলৈ লৈ গল। আম, পদ্ম, সৰল, জাতি চন্দন কাঠেৰে চিতা সাজি বৈদিক মতে প্ৰভুৰ দাহক্ৰিয়া তিনি বজাত সমাধা কৰা হল। ১৮৪৮ শক, ১৪ চ'ত ৰাতি ১০ বজাত (২৫ মাৰ্চ্চ, ১৯২৭ চন) প্ৰভু নৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ হল।*

২৩ চ'তৰ দিনা মহাসমাৰোহেৰে এই অনুক্ৰমে ডেকা অধিকাৰ শ্ৰীশ্ৰীনাৰায়ণদেৱৰ অভিষেক উৎসৱ সুসম্পন্ন কৰা হয়ঃ -

প্ৰভু নাৰায়ণদেৱৰ অভিষেক উৎসৱ।

"আদ্যশ্ৰাদ্ধাদি সমাধা কৰাৰ পাচত নিমন্ত্ৰিত গোসাঁইসকলৰ ভিতৰত গৰমূৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী সত্ৰৰ নামঘৰত সমদলে প্ৰৱেশ কৰে। গোস্বামী প্ৰভুৱে নিজাসত্ৰৰ দতাঁল হাতীত উঠি গৈছিল। দতাঁলটোৰ পাচে পাচে পোৱালী এটিৰে মাখুন্দী হাতী-এজনীও গৈ আছিল। দক্ষিণপাটৰ হাতী তিনিটাও পাশাতেই গৈছিল। লগত গায়ন-বায়ন। এইৰূপে গড়মূৰীয়া গোসাই সমদলে গৈ ভিতৰ কৰাপাটৰ ওচৰতে নামিলেগৈ। সিফালৰপৰা দক্ষিণপাট সত্ৰৰ বৰপূজাৰী আৰু মুখ্য-মুখ্য পূজাৰী ২।৩ গৰাকী আহি প্ৰভুক আদৰি চন্দন পিন্ধাই মালা দি ধূপেৰে আৰতি কৰি নামঘৰলৈলৈ যায়। নামঘৰ পালত, দুৱাৰ মুখৰ পৰা প্ৰভু নাৰায়ণদেৱে গড়মূৰীয়া সত্ৰাধিকাৰক সম্ভাষা কৰি ভিতৰলৈ লৈ যায়।

* সমাধি মন্দিৰৰ লিপিঃ—দ্বিজশ্ৰেষ্ঠ পণ্ডিতপ্ৰবৰ প্ৰাতঃস্মৰণীয় 'শ্ৰীশ্ৰীনৰদেৱ অধিকাৰ পুৰুষস্য সমাধি মন্দিৰম্।

"হৰ মুখ হৰ মৈত্ৰে লব্দ জন্ম শকাব্দে
মুনি বিধু বসু চন্দ্ৰে প্ৰাপ্ত ধৰ্ম্মাধিকাৰঃ
দ্বিজমণি নৰদেৱঃ পালয়ন সত্ৰমেতদ্
গজ যুগ বসু ভূম্যাং প্ৰাগ্ মদ্বিষ্ণু লোকম্"

—শ্ৰীকাণুৰাম দাস, তেজপুৰ।

নামঘৰৰ পূব মূৰে সোঁ-মাজতে অষ্টদল পদ্মেৰে এটি মণ্ডল। সেই মণ্ডলৰ ওপৰত ৰঙা, বগা, হালধীয়া, কলা বৰণীয়া পিঠাগুৰি আদি দি এটি সৰ্ব্বতোভদ্ৰ মণ্ডল কৰা হয়। সেই মণ্ডলৰ চৌপাশে ১০৮ টি গছাত ১০৮ টি মাটি-চাকিত চাকিৰ দীতিয়ে কলপুলি আৰু ১০৮ টা জলপূৰ্ণ ঘট। এই মণ্ডলতে দুপৰীয়া মালা দিয়া হয়। শ্ৰীশ্ৰীনাৰাণদেৱ প্ৰভু সেই মণ্ডলৰ বাওঁ হাতে বহিছিল। বৈদিক মন্ত্ৰ উচ্চাৰণ কৰি ব্ৰাহ্মণসকলেসৈতে একেলগে গৰমূৰীয়া গোস্বামী প্ৰভুৱে শান্তি আশংসা কৰিলে। তাৰ পিচত, যথাৰীতি অধিকাৰী পদত অভিষিক্ত কৰা হল। শংখ-ঘণ্টা দবা-কাঁহ বাজিল। অধিকাৰ প্ৰভুৱে সেৱা জনালে আৰু সমবেত ৰাইজে "ৰাম বোল", "জয় বোল" বুলি হৰিধ্বনি কৰি অভিষেক উৎসৱৰ সামৰণি পেলালে। তাৰ পিচত দুয়ো যাদৱৰায় মন্দিৰত প্ৰৱিষ্ট হলগৈ।

আদ্যশ্ৰাদ্ধোপলক্ষে ৭।৮ হেজাৰ ব্ৰাহ্মণক ভোজন কৰাই দক্ষিণা দিয়া হয়। তাৰো তিনি গুণে শিষ্য-প্ৰশিষ্য। সন্তমহন্তৰো যথেষ্ট সমাগম হৈছিল। সেই সকলোকে জলপান খুউৱা আৰু সকলো প্ৰকাৰে শশ্ৰূষা কৰাৰ ভাৰ লৈছিল ৺কুলধৰ চলিহা, ৺হেৰম্বপ্ৰসাদ বৰুৱা, ৺তাৰা প্ৰসাদ চলিহা, ৺বাপুৰাম মজিন্দাৰ বৰদলৈ, ৺গুৰুচৰণ বৰবৰা, ৺গোপীনাথ বৰদলৈ (যোৰহাট), ৺ৰমাকান্ত বৰকাকতী, ৺ৰজনীকান্ত বৰদলৈ, ৺ভূবনেশ্বৰ বৰঠাকুৰ, শ্ৰীলক্ষ্মীনাথ বৰদলৈ, ৺বিপিনচন্দ্ৰ দত্তকে মুখ্য কৰি নগৰীয়া ভদ্ৰলোকসকলে।*

প্ৰভুৱে যি গীতপদ ৰচনা কৰিছিল পৰিশিষ্টত দিয়া হৈছে।

* শ্ৰীযুত প্ৰিয়নাথ দেৱ শৰ্ম্মা ব্যাকৰণতীৰ্থদেৱৰ চাক্ষুস টোকাৰপৰা।



শ্ৰীশ্ৰীনাৰায়ণদেৱ গোস্বামী
সত্ৰাধিকাৰ

শ্ৰীশ্ৰী'নাৰায়ণদেৱ গোস্বামী

১৮৪৮—১৮৬০ শক

প্ৰভু নৰদেৱ গোস্বামীৰ নিৰ্ম্মালি পাই ডেকা অধিকাৰ শ্ৰীশ্ৰীনাৰায়ণদেৱ গোস্বামী দক্ষিণপাটৰ ত্ৰয়োদশ জনা ধৰ্ম্মাধিকাৰৰ পদত অধিষ্ঠিত হয়।

১৭৭৯ শকৰ ফাগুন মহীয়া কৃষ্ণা ত্ৰয়োদশী তিথিত ভদ্ৰেশ্বৰী দেৱী আইৰ গৰ্ভত নাৰায়ণদেৱৰ জন্ম হয়। শিয়ালমৰীয়া গোসাঁই কামদেৱ মহন্তৰ ওচৰত সিদ্ধিৰস্তু অ-আ-ক-খ শিকি ব্যাকৰণ পৰ্য্যন্ত সংস্কৃত ভাষাৰ প্ৰাৰম্ভিক জ্ঞান অৰ্জ্জন কৰে। চলা জনা অধিকাৰ পুৰুষেই ১১ বছৰ বয়সত প্ৰভুক উপনয়ন দি ভাগৱত-পণ্ডিত কৰে।

বংশ ৰক্ষাৰ অৰ্থে শুভদেৱ গোসায়ে নাৰায়ণদেৱক গৃহাশ্ৰমী হবলৈ অনেক প্ৰকাৰে বুজনি দিছিল। কিন্তু নাৰায়ণদেৱে উদাসীন পন্থাতে থাকি ধৰ্ম্ম আচৰণ কৰাটোকে প্ৰশস্ত বুলি বৈবাহিক সূত্ৰত বান্ধ খাবলৈ ইচ্ছা নকৰিলে। ১৫ বছৰ বয়সত নাৰায়ণদেৱ সৰুডেকা অধিকাৰ হয়। মন কৰা হলে, তেতিয়াই প্ৰভুৱে আমৰণ ব্ৰহ্মচৰ্য্য ব্ৰত কৰা প্ৰতিজ্ঞা ভংগ কৰিব পাৰিলেহেতেন। কিন্তু নকৰিলে। সেই বাবে, ১৭ বছৰ বয়সত অধিকাৰ শুভদেৱ গোসাইত তন্ত্ৰমতে দীক্ষা গ্ৰহণ কৰি মালামন্ত্ৰ লৈ উদাসীন পথকে সাৰটি থাকিল।

এই জনা গোসাঁইৰ নামপ্ৰসংগৰ প্ৰতি ইমান ধাউতি আছিল যে তিথি মহোৎসৱৰ কথাই নাই, নিত্যপ্ৰসংগৰ প্ৰত্যেকটোতেই উপস্থিত থাকি নামতে তন্ময় হৈ আছিল। প্ৰত্যেক প্ৰসংগত নামৰ এজোজন ওজা থাকে। প্ৰভুৱে প্ৰসংগত বহি সেই ওজাবিলাকৰ ভুলটোহঁত সংশোধন কৰি দিয়ে। ওজা নিজেই ওজা যদিও, প্ৰভুৰ শুধৰণি নিৰ্ব্বিবাদে গ্ৰহণ কৰি লৈছিল।

সত্ৰৰ অধিকাৰ হবৰ সময়ত প্ৰভু ৬৯ বছৰ বয়সীয়া। এক প্ৰকাৰ নৱলীলাৰ বেলি তেতিয়াই লহিয়ালেই, হীপনে, বাৰ্দ্ধক্যজড়াজীৰ্ণতায়ো মাজে-মাজে শৰীৰ অৱশ কৰি আনিছিল। তথাপি, সদায়েপৰা সংযমী হৈ থকা বাবেই, ৰুগ্ন শৰীৰ হলেও প্ৰভু নাৰায়ণদেৱ 'যাদৱৰায়ৰ পূজাসেৱাৰপৰা কোনো এদিনেই বিৰত হোৱা নাছিল।

ডেকা অধিকাৰ হৈ থকা কালতে প্ৰভু তীৰ্থ পৰ্য্যটন কৰিবলৈও গৈছিল। গয়াত মাকৰ অস্থিদান, বিষ্ণুপদ, অক্ষয়-বটত পিণ্ডদান আদি গংগাকৃত্য সমাপন কৰি গদাধৰ দৰ্শন—প্ৰেতশিলাত পিণ্ডদান, ব্ৰহ্মভোজন আদি কৰাই প্ৰভু স্বদেশলৈ প্ৰত্যাবৰ্ত্তন কৰে। তীৰ্থৰপৰা উলটি আহোতে গুৱাহাটী, মঙ্গলদৈ, নগাওঁ, বিশ্বনাথ আদি ঠাইত ১০।১৫ দিন থাকি-থাকি শৰণ ভজন দি আহে।*

কোনো কোনো লোকে দেৱভাষা সংস্কৃতৰ বিলুপ্ত সাধন কৰিবলৈ যোৱা দেখি প্ৰভুৰ অন্তৰ শেলে বিন্ধাদি বিন্ধিছিল আৰু সেই অপচেষ্টা নিবাৰণৰ অৰ্থে প্ৰভুৱে বুদ্ধি-পৰামৰ্শ আৰু আৰ্থিক সাহায্য দি সংস্কৃতানুৰাগীসকলক উৎসাহিত কৰিছিল। ৰাজকীয় ভাষা ইংৰাজী নেজানিলে সকলোতে চন্দুৰা পৰি থাকিব লাগে, ইংৰাজী পঢ়িবলৈ চল নোপোৱা বাবে মাজুলীৰ এক অংশ তেনেই অন্ধকাৰত পৰি আছে—এই দুয়োটা অভাৱ উপলব্ধি কৰি প্ৰভু ঈশ্বৰে মাজুলী ৰাইজৰ একনিষ্ঠ সেৱক শ্ৰীযুত বেথাৰাম বৰাৰে আলোচনা কৰি মাজুলী-মেৰাগড়তে এটি হাই স্কুল পতায়। নাৰায়ণদেৱ গোসাঁয়ে পতোৱা দেখি স্কুলটোৰ নাম দিয়া হল "নাৰায়ণদেৱ হাই স্কুল। দক্ষিণপাট মজলীয়া স্কুল, বনগাওঁ আসপতাল, ৰাৰণাপুখুৰী স্কুল প্ৰভৃতি জনহিতকৰ ভালেমান অনুষ্ঠানে আজিও প্ৰভুৰ বদান্যতাৰ স্মৃতি ৰক্ষা কৰি আছে।

নাৰায়ণদেৱৰ হাই স্কুল।

আৰু অন্যান্য জনহিতকৰ অনুষ্ঠান।

'নাৰায়ণদেৱৰ 'ৰাজত্বত' অসমৰ দাঁতি কাষৰীয়া পৰ্ব্বতীয়া ঠাইত অশৰণীয়াক শৰণ দি ভকত কৰি পৰ্ব্বতীয়া লোকক হিন্দুধৰ্ম্মভুক্ত কৰা হয়। শদিয়া অঞ্চলৰ চিংকো-খামতি-

* "অধিকাৰ গোস্বামী ভাটীলৈ গলত, মহাপ্ৰভুৰ বৰপূজাৰী শ্ৰীশ্ৰীনিত্যানন্দ দেৱ গোস্বামীক সবৈষ্ণৱে নামনি অসমত শৰণ ভজনাদি দিবৰ নিমিত্তে প্ৰেৰণ কৰে। গোস্বামীদেৱে গৰ্মিৰিঘাট, বিশ্বনাথ, চতীয়-তেজপুৰ, ধেনুখনা বালি, মঙ্গলদৈৰ মোহনপুৰ-ৰজাহাউলীত কমান্বয়ে থাকি-থাকি অপৰ্য্যাপ্ত লোকক দক্ষিণপাটৰ শিষ্যত্ব গ্ৰহণ কৰায়। তাৰ পিচত, উত্তৰগুৱাহাটীত বাহৰ কৰি থাকোতে, তালৈকে গৈ কামৰূপ জিলাধিপতি মুলান চাহাব আৰু অসম উপত্যকাৰ কমিছনাৰ বেলিটক্তে গোস্বামীদেৱক দেখা কৰি বন্দুক এটি পুৰস্কাৰ দিয়ে। গুৱাহাটীৰপৰা শুৱালকুচি, দক্ষিণ গুৱাহাটী, জাগীৰোদ, গায়নৰ গাওঁ, নাৰিকলী, চাংচকী, চাপৰমুখ, দীঘলডাঁৰি, শালমৰা, কচাৰীসত্ৰ, নগাওঁ নগৰ, পুৰণিগুদাম, কলিয়াবৰ, ধনশিৰীমুখত থাপে থাপে অৱস্থান কৰি শ্ৰীশ্ৰী নিত্যানন্দ গোস্বামীদেৱ ভালেকালে সত্ৰত উপস্থিত হয়হি।

চিংকো খামতি আদিত শ্ৰীশ্ৰী নিত্যানন্দ গোস্বামীৰ ধৰ্ম্মপ্ৰচাৰ।

বিলাকে বহুত দিন সত্ৰীয়া ভকতৰ মুখত হৰিনাম শুনা নাছিল আৰু ভালেমানে শৰণীয়া হবলৈ হাউচ কৈ থকাতো চল পোৱা নাছিল। সেই গুণে, প্ৰভুৱে সত্ৰৰে বৰপুজাৰী আৰু বনমালীদেৱৰবংশসম্ভূত পূজনীয় শ্ৰীযুত নিত্যানন্দ দেৱ গোস্বামীক অধিকাৰী পাতি সিবিলাকক শৰণ লগাবলৈ পঠালে। তালৈ গৈ বৰপুজাৰী গোস্বামীদেৱে সেই আওহতীয়া ঠাইত কেনেকৈ ধৰ্ম্মপ্ৰচাৰ কৰিছিল তাক সেই সময়ৰ কাকতৰপৰা হুবহু তুলি দিয়া হল।

"শদিয়া অঞ্চলত শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ অৱনত শ্ৰেণীৰ বহুত শিষ্য-গাওঁ আছে। শিষ্যবিলাকে সত্ৰৰ ডেকা গোস্বামীৰ শিষ্যত্ব গ্ৰহণ কৰি ভকত হয় অৰ্থাৎ অধিকাৰ পুৰুষৰপৰা শৰণভজন নলৈ সদায় ডেকাজনাৰ দ্বাৰাই চালিত হয়।

* * *

দক্ষিণপাটৰ অধিকাৰ আৰু ডেকা উভয়ে বয়সত বৃদ্ধ। গতিকে, শদিয়া অঞ্চললৈ বহুত দিন কোনো এজন ডেকা-অধিকাৰেই যাব পৰা নাই। দক্ষিণপাট সত্ৰৰ অধিষ্ঠাতা বনমালীদেৱৰ বংশৰ পুৰুষ সকলেই দক্ষিণপাটৰ গোসাঁই। বৰ্ত্তমান শ্ৰীশ্ৰী অধিকাৰ গোস্বামী প্ৰভুৱে শদিয়া অঞ্চললৈ বহুত দিন কোনো ডেকা গোস্বামী যাব পৰা নাই দেখি তেখেসকলৰ বংশৰে সত্ৰৰ যাদৰৰায় মহাপ্ৰভুৰ বৰপূজাৰী শ্ৰীযুক্ত নিত্যানন্দ গোস্বামী দেৱকে সত্ৰৰ ডেকা গোস্বামীৰ ৰীতি অনুসৰি ১৯২৮ চনত শদিয়া অঞ্চললৈ গৈ শিষ্যসকলক শৰণ ভজন আদি দিবলৈ আদেশ কৰে আৰু উক্ত গোস্বামীয়ে সত্ৰৰ জনদিয়েক ভকত বৈষ্ণৱ ভক্ত লগত লৈ জানুৱাৰী মাহত (১৮৪৯ শকৰ মাঘ মাহত) পয়োভৰেৰে যাত্ৰা কৰে। দিন দিয়েকৰ পিচত, ডিব্ৰুগড় পাই

ক্ৰবং মিৰি গাৱঁত।

তাত ৭ দিন মান ডিব্ৰু নৈৰ বালিত বাহৰ পাতি থাকি নগৰৰ বহুত গণ্য মান্য সম্ভ্ৰান্ত ভদ্ৰলোকক ভাগৱত পাঠ, নাম-কীৰ্ত্তন আদি শুনাই তোষিত কৰি ডিব্ৰু নৈয়েদি উজাই গৈ ক্ৰবং মিৰি গাওঁ পাই তাতে বাহৰ পাতি কিছুদিন থাকেগৈ। মিৰি গাৱঁৰ বাহৰত গোস্বামীদেৱে নামকীৰ্ত্তন কৰি থকা দেখি বহুত মিৰিয়ে গোসাইৰ ওচৰ চাপি আহি কথা-বতৰা পাতি কথাত বৰ সন্তোষ পাই গোটেই গাৱেঁ হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিবলৈ প্ৰবল ইচ্ছা দেখুৱায়। গোস্বামী দেৱেও তেওঁবিলাকক ততালিকে শৰণীয়া কৰি হিন্দু ধৰ্ম্মত ভুক্ত কৰে। তাত, তেনেকৈ অকস্মাতে হিন্দু ধৰ্ম্মৰ প্ৰভাৱ বিস্তাৰ হোৱা দেখি, শদিয়ালৈ যাওঁতে যাওঁতে যিমান মিৰি গাওঁ আৰু মটকৰ গাওঁ পায়, সকলোখিনিতে ঠাই বুজি বৈ-বৈ যাবলৈ মনস্থ কৰে।

লাইমেকুৰীত।

ক্ৰবঙৰপৰা উজাই গৈ লাইমেকুৰী পালেগৈ। লাইমেকুৰী ঠাই ডোখৰ কাৱৰাৰৰ ঠাই। তাত মিৰি-গাৱঁৰ বাহিৰে দেছৱালী-কুলী বহুত বসতি কৰি আছে। গোস্বামীদেৱৰ লগত ক্ৰবং গাৱঁত পতা মৌধিজনো গৈছিল। তেওঁৰ সহায়তে লাইমেকুৰীত থকা সমস্ত মিৰি মানুহে গোসাঁইৰ শৰণ ললে আৰু হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিলে। ইয়াত এজনক মৌধি আৰু আন এজনক পাচনি পাতি তেওঁবিলাকক বুজাই-বঢ়াই দি মহিমৰা বিল আৰু তাৰ পিচত দৰ্কাং গাওঁ পাই ছৈখোৱা ঘাটৰ ওচৰত থকা মোছাকি গাৱঁত দিন দিয়েক থাকেগৈ। মোছাকি গাৱঁৰ মিৰিবিলাকক হিন্দু ধৰ্ম্মৰ ভিতৰ কৰি তাতে গোস্বামীদেৱ কেবা দিনো থাকে। এই দৰে ডিব্ৰুগড়ৰপৰা শদিয়ালৈকে যাত্ৰা কৰোঁতে প্ৰায় তিনি শ মান মিৰি মানুহ গোস্বামীদেৱে হিন্দু ধৰ্ম্মত দীক্ষিত কৰি তেওঁবিলাকৰ মাজত হিন্দুৰ আচাৰ ব্যৱহাৰ আৰু নীতি নিয়ম প্ৰচাৰ কৰি নিজকে নিজে ধন্য মানিছিল।

ছৈখোৱাত।

ছৈখোৱাত থাকোতে, গোস্বামীদেৱক শদিয়ালৈ নিবলৈ শদিয়াৰ শিষ্যবৰ্গই শদিয়া টাউনৰ ওচৰত এখন বাহৰ সাজি তাৰ ৰৰমৌধি, পালী মৌধি, গাওঁবুঢ়া আদি মুখীয়ালসকল সমম্বিতে বহুত ৰাইজে আদৰ-সম্ভাষণ জনায়। এনেতে তাৰ মৌজাদাৰৰ ভায়েক এজন আহি শদিয়াৰ পলিটিকেল এজেন্ট চাহাবে কিজানি গোস্বামীদেৱ শদিয়ালৈ যোৱাত বাধা কৰিব যাবলৈ নিদিয়ে তাৰ নিমিত্তে অনুমতি লবলৈ আবেদন কৰিবলৈ কয়হি। গোস্বামীদেৱ ধৰ্ম্ম কাৰ্য্যত শদিয়ালৈ আহিছে, এনে স্থলত অনুমতি লবলৈ একো আৱশ্যকতা নেদেখি সমূহ ৰাইজক জনায় আৰু ছৈখোৱা ঘাটৰপৰা গাযনে বায়নেৰে সমাদৃত হৈ এদিনে শদিয়া বাহৰত উঠেগৈ। বাহৰলৈ যাওঁতে বাটত শদিয়াৰ দুজন চাহাব আহি তেওঁবিলাকে গোস্বামীদেৱৰ ফটগ্ৰাফ লোৱাত কিবা আপত্তি আছেনে কি তাক সুধি ফট' লৈ গুচি গল। কিন্তু যোৱাত একো বাধা দিয়াৰ বা আন একো কথা গোস্বামীক নুসুধিলে। গোস্বামীদেৱে তেতিয়া বুজিলে যে শদিয়াৰ পলিটিকেল এজেন্টে উদ্দেশ্য কি বুজি উঠিছে। গতিকে, মৌজাদাৰৰ কথাত তেখেতে ভয় কৰা অনুচিত আৰু তাতে থকা তেখেতসকলৰ অনুমতি লবৰো একো আৱশ্যক নকৰে।

শদিয়াত প্ৰচাৰ কাৰ্য।

শদিয়াত গোস্বামীদেৱ এমাহতকৈ বেছি দিন আছিল। শ্ৰীশ্ৰী দক্ষিণপাট সত্ৰৰ পূৰ্ব্ব শিষ্যৰ ভিতৰত ন শ মান ডেকাক শৰণীয়া কৰে। ইয়াৰ প্ৰায় ভাগেই সোণোৱাল—শদিয়াৰ বাসিন্দা মানুহ। শদিয়াত গুৰ্খালী চিপাহীও বহুত আছে। এই গুৰ্খালী মানুহো বাহৰলৈ আহি প্ৰায় গোস্বামী দেৱৰ নামকীৰ্ত্তন শুনি থাকে। দিন দিয়েকৰ পিচত, দুজন বুঢ়া গুৰ্খালীয়ে গোস্বামীদেৱক সেৱা কৰি সোধে যে গোৰ্খালী মানুহক তেখেতে সোণোৱাল বিলাকক শৰণ দিয়াৰ দৰে শৰণ দিব নে? গোস্বামীদেৱে সাদৰী কথাৰে উত্তৰ দিয়াত তেওঁবিলাকৰ ১২ ঘৰৰ ১২ জন মুখীয়াল মানুহে শৰণ লয় আৰু তাৰ দুজনক দুটি বাব দি নিৰ্ম্মালি স্বৰূপে ফুলৰ মালা দিয়ে। তাৰ পিচত, তাত নিগাজীকৈ থকা বঙালী, পঞ্জাবী আদিও আহি গোস্বামীদেৱত শৰণ ভজিলে। কৰমগন্ধীয়া বাঙালী ৬ জন, ছিলটীয়া বাঙলী ৩০ জন, কায়স্থ বঙালী ৩ জন, দেছুৱালী ১৫ জন, পঞ্জাবী ৩০ জনে গোস্বামীদেৱত শৰণ ললে।

পৰ্ব্বতীয়া লামা আৰু অঁকা-মিচিমিক শৰণ দান।

পৰ্ব্বতীয়া লামা এজনৰ ঘৈণীয়েকৰ এদিন বৰ টান নৰিয়া হৈছিল। তেওঁ আহি গোস্বামীদেৱক ঘৈণীয়েকৰ বাবে নামঘৰত পূজা দিবলৈ খাটে আৰু পূজাৰ খৰচ স্বৰূপে টকা পাঁচোটি আগবঢ়ায়। গোস্বামীদেৱে পূজাৰ বাবে ৫ টকা নালাগে, দুটকা চাৰি অনাৰেই আঁটিব বুলি কৈ বাকী টকা ফিৰাই দিয়ে। সেই দিনা পূজা দিয়া হল আৰু সৌভাগ্যক্ৰমে লামাজনৰ ঘৈণীয়েকৰ বেমাৰ অলপ কমিল। পিচ দিনা লামাই এই কথা জনাই গোস্বামীদেৱৰ ওচৰত শৰণ লবলৈ ইচ্ছা প্ৰকাশ কৰে। গোস্বামীদেৱে সহাস্য-বদনে লামাক শৰণীয়া কৰি দীক্ষিত কৰি লয়। তেওঁৰ কাৰ্যতে সেইজন লামাৰ লগৰ আৰু ১১ ঘৰৰ ১১ জনা লামা হিন্দু ধৰ্ম্মত দীক্ষিত হল। এইদৰে কেবাঘৰো অঁকা আৰু মিচিমিয়ে গোস্বামীদেৱৰ ওচৰত শৰণ লয়হি।

শদিয়া অঞ্চলত যিখিনি মানুহক এই দৰে হিন্দু ধৰ্ম্মত শৰণ দি আহিল সেই সকলোবিলাকৰ মাজত হিন্দুৰ উদাৰ ধৰ্ম্মনীতি প্ৰচলন কৰা হল। শদিয়াৰপৰা আহিবৰ দিন দিয়েকৰ আগতে তেওঁবিলাকে অস্থায়ী ভাবে যি নামঘৰ সাজি দিছিল তাত সকলোটি নতুন পুৰণি শিষ্যবৰ্গ গোটাই এদিন বিৰাট নামকীৰ্ত্তন পাতি সকলোকে এক লগে গোট খুৱাই নামৰ প্ৰসাদ বিতৰণ কৰি এক শৰণীয়া হৰিভকত কৰি সকলোৰে প্ৰীতি প্ৰীতি সম্মিলনৰ সদ্ভাব স্থাপন কৰি ভবিষ্যতৰ মিলাপ্ৰীতিৰ গুটি সিঁচি সকলোৰে মাজত পৰস্পৰ মিলৰ ভাব স্থাপন কৰি আহি আৰু খেলে-খেলে বৰ মেধি আৰু গাওবুঢ়াক একেলগে আগলৈকো সেইদৰে নামকীৰ্ত্তন কৰিবলৈ আদেশ দি তেওঁবিলাকৰপৰা বিদায় লয়।"

চিংফৌ খামতিত সত্ৰ।

পশুৰাম কুণ্ডৰ ওচৰত থকা খামতি-চিংফৌবিলাকেও গোস্বামীদেৱক সমাদৰি নি হৰিনামৰ অমৃত শ্ৰৱণ কৰে। তাতে দক্ষিণপাটৰ এখনি সত্ৰও পৰ্ব্বৰপৰা ভগাছিগা অৱস্থাত আছে। সেই সত্ৰৰ চৌপাশে থকা পৰ্ব্বতীয়া দোৱনীয়া-অসমীয়াসকলকো শৰণ-ভজন দি গোস্বামীদেৱ সত্ৰলৈ ঘূৰি আহে।"

এইৰূপে অসমৰ পূৱ সীমান্তত ভাগৱতী ধৰ্ম্মৰ বন্তি গছি পুনৰ জলোৱাটোৱেই প্ৰভু নাৰায়ণদেৱ 'পুৰুষৰ ভোগ কালত, দক্ষিণপাটসত্ৰৰ বুৰঞ্জীত উল্লেখ কৰিবলগীয়া এটি বিশেষ অধ্যায়।

সত্ৰৰ ধৰ্ম্মাচাৰ্য্য হৈ শিক্ষা-দীক্ষা, পৰোপকাৰিতা, সমাজবান্ধনী আৰু ধৰ্ম্মপৰায়ণতাৰ প্ৰতি যিভাৱে সততেই তৎপৰ হৈ থাকিব লাগে আৰু কৰ্ম্মবন্দবাবাই যিভাৱে সেই তৎপৰতা আদৰ্শত পৰিণত কৰিব লাগে সেই সকলোখিনি কৰি গল প্ৰভু নাৰায়ণদেৱ গোস্বামীয়ে। কফাশ্ৰিত পীড়াৰন্দবাৰা আক্ৰান্ত হৈ প্ৰভুৱে ডেকা অধিকাৰ শ্ৰীশ্ৰী হৰিদেৱ গোস্বামীক ধৰ্ম্ম-নিৰ্ম্মালি দি ১৮৬০ শকৰ পুহৰ ১০ দিন যাওঁতে, বৃহস্পতিবাৰে শুক্লাষ্টমী তিথিত নিশা ১০ বাজি ৪০ মিনিট যোৱাত (২৯ ডিচেম্বৰ, ১৯৩৮) নশ্বৰ দেহা পৰিত্যাগ কৰি শাশ্বত ধাম বৈকুণ্ঠ পুৰীলৈ গতি কৰিলে। শ্ৰীশ্ৰী নাৰায়ণদেৱ গোস্বামীৰ লোকান্তৰত অসমে এগৰাকী—বলী দানী-মহানুভৱ দেশহিতৈষী ধৰ্ম্মাচাৰ্য্য হেৰুৱালে। সেই হে 'অসমীয়া' কাকতে লেখিছিল :—

"শ্ৰীশ্ৰী নাৰায়ণদেৱ গোস্বামী এগৰাকী উদাৰচিতীয়া দেশহিতৈষী পুৰুষ আছিল আৰু বহু সামাজিক কাৰ্য্যত তেখেতে লেখত লবলগীয়া দান কৰিছিল। প্ৰভুৰ প্ৰয়াণত অসমে এজন বিশিষ্ট ধৰ্ম্মগুৰু হেৰুৱালে।"

পাতিদৰং, অসম সাহিত্যসভা, মেলেং কাঠগাওঁ, কামৰূপ একাডেমী, চাৰিং আদি অসমৰ জনবহুল অনেক ঠাইত ৰাজহুৱা সভা পাতি প্ৰভুৰ গুণ বৰ্ণাই অনেকে অনেক ৰূপে খেদ কৰিছিল।

শ্ৰীশ্ৰী ৺হৰিদেৱ গোস্বামী

১৮৬০-১৮৮৫ শক।

ধৰ্ম্মাধিকাৰী পদত অভিষিক্ত।

১৮৬০ শকৰ পুহৰ ২০ দিন যাওঁতে, দেওবাৰৰ দিনা ৺নাৰায়ণদেৱৰ আদ্যশ্ৰাদ্ধ। শাস্ত্ৰানুযায়ী পূৰ্ব্বৰ নিৰ্ব্বন্ধানুক্ৰমে প্ৰভুৰ পিণ্ডাদি দানৰ সমূহ আনুষ্ঠানিক কাৰ্য্য সম্পাদিত হোৱাৰ পিচত, আউনীআটীয় সত্ৰাধিকাৰ প্ৰভু শ্ৰীশ্ৰী হেমচন্দ্ৰ দেৱ গোস্বামীৰ পৌৰহিত্যত বিৰাট আড়ম্বৰেৰে সেই দিনাই অভিষেক উৎসৱ পাতি ডেকা অধিকাৰ শ্ৰীশ্ৰী হৰিদেৱ গোস্বামীক দক্ষিণপাট সত্ৰৰ ধৰ্ম্মাধিকাৰী পদত অধিষ্ঠিত কৰা হয়। প্ৰভুৰ বয়স তেতিয়া নিচেই কোমল—মুঠেই ২৫ বছৰ ৬ মাহ। দেৱ দামোদৰৰ সপ্তদশ আৰু বনমালী গোসাঁইৰ চতুৰ্দ্দশ উত্তৰাধিকাৰীয় আসনত অভিষিক্ত হোৱা মাত্ৰকে প্ৰভুৰ মুখ মণ্ডলত এনে ভাৱে তপ্ত-সুৱৰ্ণময় সৌন্দৰ্য্য পৰিস্ফুট হবলৈ ধৰিলে যে সেৱকবৃন্দই আশ্চৰ্য মানি "কোনোবা এজন দেৱকুমাৰ হে থিত দিলেহি" বুলি পৰস্পৰ কোৱাকুই কৰিছিল। সঁচাসাঁচিকৈয়ে প্ৰভু হৰিদেৱ আছিল কোনোবা এজন যোগভ্ৰষ্ট দেৱপ্ৰতিম মহাপুৰুষ। সেই দিনাৰপৰা প্ৰভুৰ প্ৰজ্ঞা-প্ৰতিভা, তেজকান্তি, মনোজ্ঞতা আৰু আকৰ্ষণ-শক্তি চন্দ্ৰকলাৰ দৰে দিনক দিনে এনে ভাৱে বাঢ়িবলৈ ধৰিলে যে স্বলোকলৈ গমন কৰাৰ আগ-মুহূৰ্ত্তলৈকে সেই মূৰ্ত্তিয়েই এক বিৰাট আধ্যাত্মিকতাৰ মূৰ্ত্ত প্ৰতীক স্বৰূপে প্ৰজ্জ্বলিত হৈয়ে থাকিল।

প্ৰভুৰ জন্মৰ লগত হৰিবংশ পুথিৰ যুগপৎ সম্পৰ্ক

প্ৰভুৰ ভূলোক-আগমন আৰু নৰলোকীয় নামকৰণ দুয়োটাই যুগপৎ সংঘটন। পিতৃদেৱৰ ৺লোকনাথ দেৱ গোস্বামীৰ প্ৰথমা পত্নী আইমাতৃ ৺ফলকান্তী দেৱীৰ পুত্ৰ-সন্তান নজন্মাত সত্ৰাধিকাৰ প্ৰভু প্ৰাতঃস্মৰণীয় ৺নৱদেৱ গোস্বামীৰ আজ্ঞা অনুসৰি ৺ভূষদা দেৱী আইক বিবাহ কৰায়। এই গৰাকীৰো কন্যা হে উপাজিল, পুত্ৰ নহল। আগলৈ বংশ ৰক্ষা নহব যেন ভাবি আশঙ্কান্বিত হৈ "যাদৱৰায়ে যি কৰে কৰক" বুলি অশান্ত মনক শান্ত্বনা দি আছে, এনেতে হঠাতে বদৰিকাশ্ৰমৰ ব্ৰহ্মচাৰী এগৰাকী সত্ৰত আৱিৰ্ভাৱ হলহি। সাধু গৰাকীৰ উপদেশ-অনুসৰিয়েই ৺লোকনাথ গোস্বামীদেৱে নিতৌ ইষ্টাৰ্চ্চনৰ পিচত "হৰিবংশ" পুথিখন পঢ়ি ব্যাখ্যা কৰিবলৈ ধৰে, আৰু আইমাতৃ দুগৰাকীয়ে ওচৰতে বহি পৰম শ্ৰদ্ধা-ভক্তিৰে পুথি শ্ৰৱণ কৰি থাকে। এইৰূপে কিছুদিন শুনি থকাৰ পাচত "হৰিবংশ" পুথিৰ আধা পৰিল পুথি সামৰিবৰ হল। ইফালে পুথিৰো সামৰণি পৰিছে, সিফালে হৰিদেৱ গোসাঁইও ভূমিষ্ঠ হৈছে, শক ১৮৩৫, সৌৰ শাওন মাহ, বুধবাৰ, কৃষ্ণা পঞ্চমী তিথি। 'হৰিবংশ' পাঠ কৰাৰ ফলতেই জন্ম হোৱা-বাবে পুত্ৰটিৰ নাম থোৱা হল হৰিদেৱ। কিন্তু ৰাশ্যাশ্ৰিত নাম ৰহিল দিবাকৰ। সেই পুথিশ্ৰৱণৰ ফলতেই দ্বিতীয়া পত্নীৰো এটি পুত্ৰ সন্তান জন্ম হৈছিল। কিন্তু নিষ্ঠুৰ কালে অকালতে হৰি নিলে।

শিশুকাল

জাতকৰ্ম্মৰপৰা চূড়াকৰণলৈকে সকলো সংস্কাৰমূলক কাম উপযুক্ত বয়সত নিয়মিত ৰূপে সম্পাদন কৰি, পাঁচ বছৰ বয়সত প্ৰভুৰ বিদ্যাৰম্ভ কৰা হয়। পিতৃদেৱতাকৰ তত্ত্বাৱধানতে থাকি হৰিদেৱে অচিৰেই বৰ্ণমালা পৰিচয় হৈ অঙ্কফলা শেষ কৰে। ছবছৰ বয়স হলত, ৺নৱদেৱ গোসাঁয়ে সত্ৰলৈকে অনাই, ডেকা অধিকাৰ ৺নাৰায়ণদেৱৰ লগত থৈ সত্ৰৰ টোলত পঢ়িবলৈ লগায় আৰু অভিভাৱকৰূপে সকলো কথাতে সুকুমাৰ হৰিদেৱৰ ওপৰত সদায় চকু ৰাখে। নাম মাত্ৰ অধ্যয়ন কৰিয়েই অতি অলপ দিনৰ ভিতৰতে বালক হৰিদেৱে ব্যাকৰণ, স্মৃতি, ভাগৱত, কাব্য আদি সংস্কৃত গ্ৰন্থ সমূহ সমুদায় আয়ত্ত কৰি পেলালে বয়স হৈ অহাৰ লগে-লগে হিন্দী-ইংৰাজী দুয়োটা ভাষাতো আংশিকভাৱে পাৱদৰ্শিতা দেখুৱাৰ পৰা হল।

৺নৱদেৱ গোসাইৰ তত্ত্বাৱধানত

অধিকাৰ পুৰুষৰ যত্ন আৰু ডেকাজনাৰ লালন-পালনত শিশু হৰি সকলোৰে চকুত লগাকৈ ডাঙৰ-দীঘল হৈ আহিল, স্বাভাৱিকতেই ধীৰস্থিৰ প্ৰকৃতিৰ প্ৰভুৱে ভকতবৈষ্ণৱসকলৰ যাৰে-তাৰে লগত হলি-গলিকৈ ফুৰিবলৈ ভাল নাপাইছিল; মহাপ্ৰভুৰ মন্দিৰ, অধিকাৰৰ বহা আৰু পাঠশালাৰ বাহিৰে আৰু কতো ওলাই-সোমাই নুফুৰিছিল। অইন কি, ঘৰলৈ যাবলৈও বৰ হেঁপাহ নাছিল হে। কেতিয়াবা পিতৃদেৱেকৰেসৈতে হে ঘৰলৈ গৈছিল—মাকক চাবলৈ। ভকতসকলৰ বহালৈকো নাযায়—মাতিলে-বুলিলে হে এখন্তেক দেখা দি আহেগৈ। অকল-শৰীয়াকৈ কলৈকো ওলাই যাব নোৱাৰিছিল। কৰবাত ভয়ভ্ৰান্তি পায় বুলি লগত-থাকি আলপৈচান ধৰিবলৈ লগৰো এটি দিয়া হৈছিল। সিয়েই সদায় লগত লাগিয়েই থাকে, শৌচাচাৰ


শ্রীশ্রী ৺হরিদেব দেব

কৰিবলৈ যাওঁতেও লগতে যায়। এনে সাৱধানতাৰ মাজতেই প্ৰভু হৰিদেৱৰ বাল্যকাল অতি-বাহিত হৈছিল।

সোণ হেৰোৱাত সান্নিক জ্বৰ।

প্ৰভুৰ শৰীৰ আজীৱন সুস্থ আৰু মন প্ৰফুল্লময় আছিল। মাত্ৰ, এবাৰ লৰা কালতে এটি নৰিয়া হৈছিল। সেই নৰিয়াৰো আকৌ এটি অপূৰ্ব্বাট কাহিনী আছে। প্ৰভুৱে ডিঙিত সোণৰ মণি এধাৰি পিন্ধি ফুৰিছিল। এদিন জেঠমহীয়া হঠাতে সেই মণিধাৰ ডিঙিৰপৰা নাইকিয়া হল। প্ৰভু তেতিয়া ৯ বছৰীয়া। ইমান কম বয়সীয়া লৰা এটিৰ ডিঙিৰপৰা সোণৰ মণিধাৰ আচম্বিতে নাইকিয়া হোৱাত, কোনে নিলে, কলৈ গল, ক'ত হেৰাল বুলি আটায়ে বুঢ়-বুঢ়া-বাকৈ গুণা-গঁথা কৰিবলৈ ধৰিলে। তাতে আকৌ মণিধাৰ আছিল সোণৰ। আন ধাতুৰ হোৱা হলে বৰ ভাবিব লগীয়া নাছিল। সোণৰ হোৱা-বাবে হে আটাইবে গুণনি-চিন্তনি। কিয় নো, সোণ হেৰাব নাপায়, হেৰালে প্ৰায়শ্চিত্ত হব লাগে; হলেও, বিপদৰ ভয় থাকে। ভকত-কাৰণে বিচাৰি-বিচাৰি গোটেইখন চলাথ কৰিলে, তথাপি কতো আৰু তাৰ শুং-সুত্ৰ নোলাল। সোণ হেৰোৱা বাবে প্ৰায়শ্চিত্ত শান্তি-স্বস্ত্যয়ন কৰ্ম্মাদি কৰোৱা হল যদিও, হেৰোৱা মণিধাৰ নোলাল যি নোলালেই। সোণ হেৰোৱাটো যে অশুভ লক্ষণ, তাৰ চিন মাহ দিয়েকৰ পিচতে, প্ৰকাশ পালে। সোণ হেৰোৱা তিনি মাহ হৈছে, এনেতে ভাদ মহীয়া প্ৰভুৰ অমত্তৰ্ক জ্বৰ উঠিল। তিনি দিন সেই একেটা জ্বৰেই জ্বৰাই আছে—অলপো শাম কৰা নাই। ডাক্তৰ-কবিৰাজ আহি ৯ দিন দৰবজাতি দিও জ্বৰ এৰুৱাব পৰা নাই—উত্তাপো বঢ়া-টুটা নাই। দহ দিনৰ দিনা অধিকাৰ গোস্বামীয়ে নিজৰ নিদান মতে ঔষধ তৈয়াৰ কৰি খুৱালত হে সেই সান্নিক জ্বৰ নিৰাময় হৈছে। সোণ হেৰোৱাৰ ফলতেই যে প্ৰভু জ্বৰক্লিষ্ট হবলগীয়া হৈছিল, সেই কথা আৰু কাৰো বুজিবলৈ বাকী নেথাকিল।

সুকুমাৰ বয়সতে সত্ৰৰ দায়িত্ব—হেঁচা।

নৰদেৱ গোস্বামী বৈকুণ্ঠগামী হবৰ সময়ত হৰিদেৱৰ বয়স হৈছিল ১৩ বছৰ ৯ মাহ মাত্ৰ। সত্ৰীয়া নিয়মমতে বৈকুণ্ঠী হোৱা অধিকাৰ জনাৰ পুত্ৰক দশ পিণ্ডাদি দিব লাগে ডেকা জনাই। নাৰায়ণদেৱ গোস্বামী আছিল ডেকা অধিকাৰ। কিন্তু দেৱৰ শৰীৰ জড়াগ্ৰস্ত হোৱা গতিকে শিশু হৰিদেৱেই সেই কৰ্ম্মখিনি সম্পাদন কৰিব লগীয়া হয়। অৱশ্যে, ওপৰত উনুকিয়াই অহা মতে আদ্যশ্ৰাদ্ধ প্ৰভৃতি সপিণ্ড পৰ্যন্ত শ্ৰাদ্ধ সমূহ ডেকা অধিকাৰ নাৰায়ণদেৱেই কৰিলে।

১৮৫২ শকৰ জেঠ মহীয়া শুক্লাদ্বাদশী তিথিৰ নিশা ৯ বজা সময়ত হৰিদেৱৰ পিতৃদেৱেক বৈকুণ্ঠপ্ৰাপ্ত হয় আৰু ১৮৫৪ শকত আহিন মাহৰ কৃষ্ণাষ্টমী তিথিত খুৰাদেৱেক যদুদেৱ গোস্বামীৰো লোকান্তৰ ঘটে। দুয়ো জনা গোস্বামীৰ পাৰলৌকিক ক্ৰিয়াও ১৯ বছৰীয়া ডেকা গোঁসাই হৰিদেৱৰ দ্বাৰায়েই সম্পাদিত হয়। অধিকাৰ গোস্বামীৰ শৰীৰ ক্ৰমাৎ পৰি অহাত ডেকা অধিকাৰেই সত্ৰৰ সকলো প্ৰশাসনীয় কাৰ্য্য পৰিচালনা কৰিব লাগিছিল। বয়স নিচেই কোমল আছিল যদিও, ডেকা জনায়েই যাদৱৰাইৰ আশীৰ্ব্বাদত সকলোৱে সন্তোষজনক ভাবে সত্ৰৰ যাৱদীয় কাম পৰিপাটিকৈ সুসম্পন্ন কৰিব পাৰিছিল।

পুনঃপৌনিক সন্তাপত

২৪ বছৰ বয়সত প্ৰভুৰ মাতৃবিয়োগ হয়। দশ পিণ্ডলৈকে মাতৃয়েকৰ প্ৰেতাদি ক্ৰিয়া সম্পন্ন কৰি আজৰি হৈছে হে, এনেতে ৪ দিনৰ মূৰত আকৌ অধিকাৰ গোস্বামী শ্ৰীশ্ৰী নাৰায়ণ-দেৱ গোস্বামী বৈকুণ্ঠলৈ চলিল। গভীৰ বিষাদ বিষণ্ণতাত জৰ্জ্জৰিত হৈ প্ৰভুৰ শ্ৰাদ্ধাদি কাৰ্য্য সমাপন কৰিব লগীয়া হল। শ্ৰাদ্ধপিণ্ডদান আদি কৰ্ম্ম শেষ কৰাৰ পাচতেই পূৰ্ব্বাপৰ চলি অহা ৰীতি অনুসৰিয়েই ডেকা অধিকাৰ শ্ৰীশ্ৰী হৰিদেৱক অধিকাৰী পদত অভিষিক্ত কৰা হয়।

অৱকাশশূন্য সত্ৰীয়া কাৰ্য্যৰ সুসম্পাদন

সত্ৰাধিকাৰ হৈ, ২৫ বছৰীয়া প্ৰভু হৰিদেৱ ত্ৰিসন্ধ্যাৰ উপৰিও যাদৱৰাই ইষ্টদেৱতাৰ পূজা-সেৱা-অৰ্চ্চনা-বন্দনা, যাত্ৰা-মহোৎসৱ, নৈতিক নাম-প্ৰসঙ্গ আৰু ভাগৱত কথন, শ্ৰাদ্ধ-শান্তি-স্বস্ত্যয়ন প্ৰভৃতি স্বকীয় আৰু সত্ৰীয়া সকলো কৃত্য স্খলন নোহোৱাকৈ পালন কৰি আছিল। তদুপৰি, বাৰটা মাহৰ তেৰটা পৰ্ব্বৰ দৰে হোম, গীতাপাঠ, বিষ্ণুসহস্ৰনাম পাঠ, তুলসী দান, ব্ৰাহ্মণ ভোজন, বৈষ্ণৱ ভোজন প্ৰভৃতি সৎকৰ্ম্মও কৰাইছিল বা কৰিছিল আৰু চীনা যুদ্ধৰ সময়ত উদয়াস্ত পাল নামো গোওৱাইছিল। শৰণাৰ্থীক শৰণ-ভজন আৰু দীক্ষা-উপদেশ দিয়া, অতিথি-অভ্যাগতেসৈতে আলাপ-আলোচনা কৰা, সত্ৰৰ জেঙা-জঞ্জাল মাৰিবৰ অৰ্থে মুখ্য-মুখ্য ভক্ত-পাৰ্ষদসহিত পৰামৰ্শ কৰা, চিঠি-পত্ৰৰ সমিধান দিয়া, লেখা চিঠি চাইচিতি বঢ়াটুটা সংশোধন কৰা, সামাজিক শৃঙ্খলা ৰক্ষাৰ বিধিব্যৱস্থা নিৰূপণ কৰা, স্থানীয় আৰু চহৰৰ গোচৰ-বিবাদাদি বিচাৰ কৰি সুমীমাংসিত সিদ্ধান্ত দিয়া—এই বিলাকেই আছিল অনুদিনে হৈ থকা প্ৰভুৰ অৱকাশশূন্য দৈনিক সত্ৰীয়া কাৰ্য্যৰ তালিকা।

ইমানতো, প্ৰভুৱে টৌতে খৰ মাৰি শিষ্য-প্ৰশিষ্যৰ বালিচাঁহী ৰূপ বুজবাজ লোৱাৰপৰা

বহিৰ্জগতৰ লগত সম্পৰ্ক

দেশী-বিদেশী ধৰ্ম্মগুৰু-শিক্ষাগুৰু-বৈজ্ঞানিক-ৰাজনীতিক সকলোৰে গজহস্তীৰূপ মতবাদলৈকে ঘনিষ্ঠ সম্পৰ্ক ৰাখিছিল। অকল চকু-কাণেৰেই সম্পক ৰাখিছিল নে? নাই ৰথা। সেইবিলাক শুনি, তন্নতন্নকৈ পঢ়ি, জাগতিক চিন্তা আৰু মনোভাবৰ আৱৰ্ত্তন-বিৱৰ্ত্তন বুজি স্বকীয় সিদ্ধান্ত অনুযায়ী সেইবোৰ অনুধাৱনো কৰিছিল।

অদ্ভুত অধ্যয়ন স্পৃহা।

প্ৰভুৰ অধ্যয়ন স্পৃহা ইমান আছিল যে সন্ধ্যাউপাসনা, ভাগৱত ব্যাখ্যা আৰু ভোজনৰ সময়ব্যতিৰেকে সকলো আৰ্জাৰ পৰত হাতৰপৰা পুথি-কাকতৰ কিবা-এটা-নহয়-কিবা-এটা নুগুচিছিলেই। হিন্দী ভাষাত প্ৰকাশিত "কল্যাণ কল্পতৰু" বোলা হিন্দুধৰ্ম্ম-দৰ্শনৰ একমাত্ৰ পাণ্ডিত্যপূৰ্ণ গৱেষণাৰ অলোচনীখন প্ৰভুৰ নিত্যসহচৰ; সেই কাকতখন প্ৰভুৰ পাৰ্শ্বস্থিত শৰাইত পৰি থাকি প্ৰভুক "জ্ঞানাঞ্জন শলাকাৰে" নিৰৱধি "চক্ষুৰুন্মীলন" কৰিয়েই আছিল। সেই বুলি প্ৰভুৰ হাতত অসমীয়া গ্ৰন্থ-পুথি আৰু আলোচনী-বাৰ্তাৰি-কাকত যে অনাদৃত বা অপঠিত হৈ আছিল, এনে নহয়। অতিথি-অভ্যাগতেসৈতে কথা পাতি থাকোতে, কথাৰ অলপ বিৰাম হলেই, উপৰিষ্ট আসনৰ কাষত থকা শৰাইত আধাপঢ়াকৈ পেলাই থোৱা কাকতখন বা পুথিখন আকৌ ঘনাই-ঘনাই পঢ়ি চাইছিল। অধ্যয়নশীলতাত মহাকালে প্ৰভুৰ ব্ৰহ্মশিখাত হাত বুলাব নোৱাৰিছিল, বৰং প্ৰভুৱে হে যেন কালক চুলিত ধৰি টানিছিল। কথোপকথনত কেতিয়াও কথাৰ আঁত নিছিগিছিল, শিষ্য-শৰণীয়া-সেৱাকৰোতাক এহাতে আশীৰ্ব্বাদ-নিৰ্ম্মালি দি বিদায় দিব আৰু সিহাতে এৰি যোৱা কথা-প্ৰসঙ্গ আকৌ আৰম্ভ কৰিব। এনেকুৱা কাৰ্য্যতৎপৰতাৰেই প্ৰভুৱে "এক হাতে দুই ফল ধৰিব" পাৰিছিল। প্ৰভুৰ কথা অলপ-অলপ; সেয়ে কিন্তু ৰস-যুক্তি আৰু তাৎপৰ্য্যৰ সৰ স্বৰূপ।

সাক্ষাতত অবিস্মৰণীয় ৰেখাপাত।

প্ৰভুৰেসৈতে সাক্ষাৎ হোৱাটো সহজ কথা। কিন্তু সাক্ষাৎ-প্ৰসঙ্গত মুক্তভাৱে ভাব বিনিময় কৰিবলৈ পোৱাটো অতি দুৰ্লভ। সেই দুৰ্লভতা যদি কেনেবাকৈ সুলভতাত পৰিণত হল, তেন্তে সাক্ষাৎকাৰীৰ জীৱন ধন্য। প্ৰভুৰ সেই স্নিগ্ধ হাঁহি, দিব্য জ্যোতি আৰু অমৃতবৰ্ষী সম্মোহনী বাকাৰ মধুৰ স্মৃতিয়ে বাক্যালাপী জনক আমৰণ পুণ্য লোকত যেন বিচৰণ কৰাই লৈ ফুৰিছে—এনে হেন মহিমা আছিল গুৰু ঈশ্বৰ হৰিদেৱ গোস্বামীৰ।

চহৰ ভ্ৰমণ।

১৮৬১ শকৰ মাঘত সত্ৰৰ ভকত বৈষ্ণৱেসৈতে প্ৰভু পোন-প্ৰথম চহৰ ফুৰিবলৈ ওলায়। সেই যাত্ৰাত জাঁজী চহৰেই আছিল গন্তব্য স্থান। জাঁজী অঞ্চলৰ শিষ্য সমূহে সত্ৰৰ আহিৰেই বিবাট বাহৰ সাজি প্ৰভুক অতিশয় আনন্দউৎসৱেৰে অভ্যৰ্থনা জনায়। তাত এমাহ মাত্ৰ থকা হৈছিল। সেই মাহতে ওচন-সমীপৰ সেৱক-শৰণীয়-কৰণীয়া আৰু ধৰ্ম্মানুৰাগী সকলৰ সমাগমত বাহৰখন তীৰ্থস্থান যেন হৈ আছিল। সেই অঞ্চলত সামাজিক মাৰ ভাঙোতা জনাদয়েকৰ

জাঁজী।

উৎপাতত ব্যভিচাৰৰ সৃষ্টি হৈছে বুলি ভালেমানক মতাই অনা হয় আৰু তেওঁবিলাকে আধুনিক মতবাদ অৱলম্বন কৰি কিছুমান অশাস্ত্ৰীয় তৰ্কৰ অৱতাৰণা কৰে। কিন্তু, প্ৰভুৰ যুক্তিবাদৰ প্ৰত্যুক্তি কৰিব নোৱাৰি, বেদবিহিত কৰ্ম্ম নকৰা শাস্ত্ৰউল্লঙ্ঘনকাৰী কেইজন স্বইচ্ছায় অপসৰণ কৰিবলৈ বাধ্য হয়।

লাহিং।


জাঁজীৰপৰা প্ৰভু লাহিং চহৰলৈ যায়। লাহিঙতো বাইজৰ বিপুল সম্বৰ্দ্ধনা। সেই ঠাইত অতীজতে দক্ষিণপাটৰ শিষ্য নাছিলেই। প্ৰভু বাসুদেৱ গোঁসাইৰ দিনত, প্ৰভুৰ আশীৰ্ব্বাদ-নিৰ্ম্মালি লৈ, দীক্ষামন্ত্ৰ গ্ৰহণ কৰি ভালেমান অপুত্ৰকেই পুত্ৰ-ৰত্ন লাভ কৰে। সেই আপাহতে, সেই আউটিত দক্ষিণপাটৰ শিষ্য ক্ৰমাৎ বাঢ়িবলৈ ধৰে। 'যাদৱৰাইৰ কৃপাত বাঢ়ি অহা সেইবিলাকৰ নাতি-পুতি বংশ পৰিয়ালেই হৰিদেৱ 'প্ৰভুক সাক্ষাতে পাই সেৱা-শুশ্ৰূষা কৰি তাত থকা দিন কেইটা পবিত্ৰময় কৰি ৰাখিছিল। ২০ দিন মাত্ৰ তাত প্ৰভুৰ অৱস্থান কৰা হল।

শিৱসাগৰ যাত্ৰা।

সেই ভ্ৰমণৰ প্ৰায় এঘাৰ বছৰৰ মূৰত, ১৮৭২ শকৰ ফাগুন মাহত প্ৰভু ঈশ্বৰ শিৱসাগৰৰ মঠীয়াছিগালৈ যাত্ৰা কৰে। মাদুৰী-মেচাঘৰৰ সৰহ ভাগ বৰগোঁহাই পৰিয়ালেই জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ দিনৰপৰাই দক্ষিণপাটৰ 'যাদৱৰাইৰ সেৱক। সেই শিষ্যপুত্ৰসকলে প্ৰভুক মঠীয়াছিগলৈ নিবলৈ বহুত দিনৰপৰা বৰ আগ্ৰহকৈ আছিল। এতিয়া প্ৰভু অহাৰ বাৰ্তাৰি পাই

আচলৰ পথাৰত

সকলোৱেই উৰুৱি খাই কুঁজীবালিৰ ওচৰৰ বৰাগী বাৰীতে (আচলৰ পথাৰ) বাহৰ সজাই দিয়ে আৰু এমাহমান পৰিচৰ্য্যা কৰি তাতে অৱস্থান কৰোৱায়। ভালেমান অশৰণীয়াক শৰণ-ভজন দি, ৰাইজৰ অকৃত্ৰিম-অক্লান্ত সেৱা-শুশ্ৰূষাত সন্তুষ্ট হৈ প্ৰভু শিৱসাগৰৰ চলিহা-টুপলৈ আহে।



শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী
আউনীআটীয়া সত্ৰাধিকাৰ


শ্ৰীশ্ৰীহৰিদেৱ দেৱ গোস্বামী
অভিষেকৰ দিন।



৺হৰিদেৱ গোস্বামী
(ডেকা) অধিকাৰ



পণ্ডিত শ্ৰীযুক্ত প্ৰিয়নাথ দেৱশৰ্ম্মা
ব্যাকৰণতীৰ্থ



বৰপূজাৰী শ্ৰীশ্ৰীনিত্যানন্দদেৱ গোস্বামী

শিৱসাগৰীয়া ধৰ্ম্মপ্ৰাণ ডেকাসকলে প্ৰভুক শিৱসাগৰলৈ নিবলৈ বৰ অভিলাষ কৰি আছিল। ভক্তৰ বাঞ্ছা পূৰ্ণ কৰিবৰ অৰ্থে প্ৰভু কুঁজীবালিৰপৰা নিৰ্দ্ধাৰিত সময়তকৈ দুদিনমানৰ আগেয়েই শিৱসাগৰলৈ ভটীয়াই আহিল। শিৱসাগৰত পুৰা এমাহ থকা হল। সেই মাহটোত শিষ্য-প্ৰশিষ্য, দৰ্শক-অভ্যাগত আৰু অন্যান্য পুৰুষ-মহিলাৰ হেন্দোলে চলিহা-টুপৰ বালিত থকা দক্ষিণপাট সত্ৰৰ বাহৰখন পবিত্ৰ পৰিৱেশেৰে গপগপীয়াকৈ থৈছিল। 'বিষ্ণুপ্ৰসাদ চলিহা আৰু শ্ৰীযুক্ত পুষ্পধৰ চলিহাই গোসাই ঈশ্বৰৰ ঐতিহ্য ৰক্ষাৰ নিমিত্তে প্ৰাণপৰিশ্ৰমে আৰু তদ্গত মনে সকলো প্ৰকাৰ পৰিচৰ্য্যাৰ তদ্বিৰ কৰি ফুৰিছিল। শ্ৰীযুত সত্যপ্ৰসাদ বৰগোঁহাই, শ্ৰীযুত লীলা কাকতী প্ৰভৃতি সত্ৰৰ একান্ত অনুৰক্ত সকলো বহি থকা নাছিল। তেওঁবিলাকেও সত্ৰৰ গুণ-গৰিমা প্ৰচাৰ কৰি, প্ৰভুৰ আলপৈচান ধৰি প্ৰভু আৰু সত্ৰৰ প্ৰতি ৰাইজৰ মন আকৃষ্ট কৰাই-ছিল। অধ্যক্ষ পদ্মধৰ চলিহা আৰু উপাধ্যক্ষ পৰাগধৰ চলিহাৰ নেতৃত্বত শিৱসাগৰ কলেজৰ ছাত্ৰ সমূহে অভিনন্দন পত্ৰেৰে প্ৰভুক অৰ্ঘ্য প্ৰদান কৰিছিল। 'যাদৱপ্ৰসাদ চলিহাই কৰঙানি বাগিছাৰপৰা আহি প্ৰভুক দৰ্শন কৰিছিলহি। কি আপোন, কি পৰ সকলো ধৰ্ম্মানুৰাগীয়েই বাৰম্বাৰ প্ৰভুক দৰ্শন কৰিবলৈ যায়- এবাৰতে সুদৰ্শন প্ৰভুৰ দৰ্শন লাভত হেঁপাহ নপলায়। সদায় যেন প্ৰভুৰ ওচৰতে বহিয়েই থাকিব--এনেটো ভাব আছিল সিবিলাকৰ। পৰ্ব্বতীয়া গোসাইৰ দ্বাৰা দীক্ষিত 'দুৰ্গাপ্ৰসাদ বৰঠাকুৰ ডাঙৰীয়াই সস্ত্ৰীক ভাগৱতপাঠৰ সময়ত তদগত-চিত্তে অনুক্ষণ ভাগৱত শ্ৰৱণ কৰাত সিসকলৰ মন এনে হে হৈছিল যেন প্ৰভুৰ সান্নিধ্যৰপৰা এখন্তেকো আঁতৰিয়েই নেযাব। এনেকৈয়ে প্ৰভুৰ সম্মোহনী শক্তিত মুগ্ধ হৈছিল, শিৱসাগৰীয়া ৰাইজ।

চলিহা-টুপত।

দিচাঙৰ ৰাইজে প্ৰভুক শিৱসাগৰৰপৰা এছোৱা বাট খাটলাত তুলি বেতবাৰীলৈ নিয়ে। তাতো স্থানীয় ৰাইজে অনুষ্টুপীয়াকৈ বাহৰ সাজি প্ৰভুক সভক্তি আদৰ অভ্যাৰ্থনা জনায়। বেতবাৰীত দক্ষিণপাটৰ এঘৰ আদি শিষ্য কেন্দুগুৰীয়া বৰপাত্ৰ গোহাঁঞি ডাঙৰীয়াৰ বংশধৰ সকলৰ ঘৰ। তাতো শৰণ-ভজন দি এমাহমান থকাৰ পিচত প্ৰভুৰ সত্ৰলৈ প্ৰত্যাগমন হয়। স্থানীয় ৰাইজৰ কেইবাটাও অনুষ্ঠানৰ নিমিত্তে গোসাঁই ঈশ্বৰে যথেষ্ট অৰ্থ-সাহায্য দি আহে।

দিচাং বেতবাৰীত।

সেই সময়তে বৌদ্ধ ভিক্ষুক এজনে বৌদ্ধ ধৰ্ম্ম প্ৰচাৰ কৰি শিৱসাগৰ মহকুমাটো তোল-পাৰ লগাই আছিল। তেওঁৰ বক্তৃতাই বৌদ্ধ ধৰ্ম্ম শ্ৰেষ্ঠ নে, হিন্দুধৰ্ম্ম শ্ৰেষ্ঠ, ইয়াৰ এটা সুসিদ্ধান্ত কৰি দিব নোৱৰাত ৰাইজৰ মনত খেলিমেলি লাগি আছিল। এনেতে, প্ৰভু যোৱা শুনি ধীৰপন্থী বিবেকী সকলে স্থিৰ কৰিলে যে অলপতে দক্ষিণপটীয়া সত্ৰাধিকাৰ প্ৰভু আহিব; গোসাইৰেসৈতে ভিক্ষুৰে তৰ্ক কৰি জিকিব পাৰেনে নোৱাৰে পৰীক্ষা লোৱা হক। অভিপ্ৰায়টো প্ৰভু ঈশ্বৰক জনালত, প্ৰভুৰ অনুজ্ঞামতে প্ৰভুৰেই শিষ্য মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলা-প্ৰসাদ চলিহা ডাঙৰীয়াই সেই ভিক্ষু গৰাকীক গৰাকীৰ আগত ভেটালেহি। ভিক্ষু অহা শুনি বাহৰৰ চাৰিউফালে মানুহো ভিৰ দিলেহি। যথাযোগ্য সম্মানেৰে ভিক্ষুজনক গৰাকীয়ে আসনৰ ওচৰতে বহুৱাই অনেক ঘৰুৱা প্ৰাসঙ্গিক কথা-বতৰা পাতিলে, তাৰ পিচত উলিয়ালে, "বৌদ্ধ-ধৰ্ম্মৰ সমস্বত্ববাদ, নাস্তিকবাদ আৰু শূন্যবাদ প্ৰভৃতি বহু বাদৰ কথা আমাৰ শুনা আছে। আপোনাৰ কোন বাদত প্ৰতিপত্তি আছে ?" ভিক্ষু গৰাকীয়ে প্ৰশ্নসূচক কথাৰ পোনপটীয়া উত্তৰ নিদি তেওঁক কিয় বা মতাইছিল বুলি ঘূৰি প্ৰশ্ন এটি হে উত্থাপন কৰিলে। প্ৰভুৱে তাৰ সমিধানত কলে, "আপুনি হেনো বসাল বক্তৃতা দিব পাৰে। তাক শুনিবৰ নিমিত্তে আপোনাক মতোৱা হৈছিল"। প্ৰভুৰ কথা শুনি ভিক্ষু জনৰ থৰ-থৰ-বৰ-বৰ লাগিল। ভিক্ষু নিস্তব্ধ। সমবেত ৰাইজে "জয় দক্ষিণপাটৰ জয়" বুলি গোঁসাই ঈশ্বৰৰ বিজয় ঘোষণা কৰিলে।

বৌদ্ধ ভিক্ষুৰ পৰাজয় স্বীকাৰ।

শিৱসাগৰীয়া ৰাইজে প্ৰভু শ্ৰীশ্ৰী 'হৰিদেৱ গোস্বামীৰ শাস্ত্ৰজ্ঞান, পাণ্ডিত্য, শাৰীৰিক সৌন্দৰ্য্য আৰু ঈশজ্যোতিসম্পন্ন ব্যক্তিত্বৰ স্মৃতি ইহ জীৱনত আৰু কেতিয়াও মনৰপৰা আঁতৰাব নোৱাৰে।

প্ৰভুৰ সুদৰ্শন মূৰ্ত্তিৰ ইমান প্ৰভাৱ যে এবাৰ কামৰূপৰ ফালৰ এজন বিশিষ্ট লোক গোঁসাইক দৰ্শন কৰিবলৈ আহি, প্ৰভুক কিছুমান সত্ৰৰ গোসাইৰ দৰেই যেতিয়াই-তেতিয়াই দেখা কৰিব পৰা হব আৰু যি ইচ্ছা তাকে কব পৰা হব বুলি ভাবি পোনেই সোমায়েই প্ৰণামী ৰূপ এটকি থাল খনতে পোলাই দিছিলগৈ। বিদায় লবৰ পৰত, তেওঁৰ গাটো কঁপিবলৈ ধৰিলে; ভাবিলে এই গৰাকী গোসাই দেখোন উলামূলা গোসাই নহয়; মাজুলীৰ অন্যান্য গোঁসাইৰ আগত কথাকোৱাদৰে এই জনাৰ আগত কব নোৱাৰি। দৰ্শন কৰিবলৈ সোমাওঁতে তেওঁ যি তুচ্ছ ভাব লৈ সোমাইছিল, ওলাওঁতে সেই ভাব উলটি উচ্চ হৈ গল আৰু ভক্তিভাবত গদগদ

সুদৰ্শন মূৰ্ত্তিৰ প্ৰভাৱ।

হৈ জেপত যি ধন আছিল তাকে দি আঁঠুকাঢ়ি সেৱা কৰি বিদায় লৈ হে মনৰ উগুল-থুগুল মাৰ নিয়াইছে।

শ্ৰীসৌমেন্দ্ৰ ঠাকুৰৰ প্ৰশস্তি।

সেই ৰূপে, কলিকতাৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ কবি, চিত্ৰকৰ আৰু বিপ্লৱী নেতা শ্ৰীযুত সৌমেন্দ্ৰনাথ ঠাকুৰ আহিও প্ৰভুৰ শান্ত-সৌম্য-আধ্যাত্মিক মূৰ্ত্তি দেখি মোহ যায়; আৰু থিতাতে প্ৰভুৰ ৰূপ বৰ্ণাই এটি প্ৰশস্তি কবিতা ৰচনা কৰে। কবিতাটিকে প্ৰভুৰ চৰণত অৰ্পণ কৰি সৌমেন্দ্ৰ ঠাকুৰে শ্ৰদ্ধা-ভক্তিৰ অৰ্ঘ্য নিবেদন কৰিলে।

'গোপীনাথ বৰদলৈৰ গৌৰৱ।

প্ৰভু আধকাৰ হোৱাৰ দুমাহমানৰ পিচতে, তেতিয়াৰ মুখ্যমন্ত্ৰী আৰু দক্ষিণপাটৰে শিষ্য গোপীনাথ বৰদলৈ ডাঙৰীয়া সত্ৰলৈ আহি প্ৰভুৰেসৈতে কথা পাতি আচৰিত হৈ কৈছিল, "প্ৰভু ঈশ্বৰৰ যুক্তিপূৰ্ণ কথা শুনি বৰ সন্তোষ পালোঁ। বিদেশলৈ নোযোৱাকৈয়ে, সভা-সমিতিতো নলগাকৈয়ে প্ৰভুৱে যে একোটা অখণ্ডনীয় যুক্তি দাঙি ধৰে তাতে হে আচৰিত। এতেকে, আমি উপযুক্ত গুৰুৰ শিষ্য বুলি গৌৰৱ অনুভৱ কৰোঁহক।" "প্ৰভুৰ গুণমুগ্ধ বৰদলৈ ডাঙৰীয়া তিনিবাৰ মাজুলীলৈ আহে আৰু তিনিউ বাৰেই সত্ৰত সেৱা কৰি যায়।

শ্ৰীযুত বিষ্ণুৰাম মেধি আদিৰ দৰ্শন।

মাদ্ৰাজৰ ভূতপূৰ্ব্ব ৰাজ্যপাল শ্ৰীযুত বিষ্ণুৰাম মেধি ডাঙৰীয়া, অসমৰ ৰাজ্যপালদ্বয় আকবৰ হাইদৰী আৰু শ্ৰী জয়ৰাম দাস দৌলতৰাম এই তিনিউ গৰাকীয়েই প্ৰভু হৰিদেৱ গোস্বামীৰেসৈতে বিবিধ বিষয়ে আলাপ আলোচনা কৰি বিশেষ ভাবে প্ৰীত হৈ গৈছে। হাই-দৰীয়ে বস্ত্ৰ-আভৰণ এসাজ দি দক্ষিণাসহ প্ৰভুৰ নামখোদিতকৰোৱা ফুলাম শৰাই এখনিৰে প্ৰভুক ওলগ জনায়। শ্ৰীযুত দৌলৎৰামে সস্ত্ৰীক আহি সত্ৰৰ চাৰিহাটী পৰিদৰ্শন কৰি, অসম-ৰজাসকলৰ আহিঁৰে নগদ ১০০০. এহেজাৰ টকা প্ৰণামী আগ বঢ়াই মহাপ্ৰভু শ্ৰীশ্ৰী যাদৱৰাইক সেৱা কৰে আৰু প্ৰভুৰ আশীৰ্ব্বাদ- নিৰ্ম্মালি শিৰত লয়। তেখেতে প্ৰভুৰ ভাগৱত-ব্যাখ্যা শুনি ইয়াকে হে কৈছিল বোলে, 'মনক প্ৰত্যয় নিয়াৱপৰা ভাগৱত--ব্যাখ্যা দক্ষিণপাট-সত্ৰাধিকাৰ শ্ৰীশ্ৰী হৰিদেৱ গোস্বামীৰ বাহিৰে আনেকৰা কতো শুনিবলৈ পোৱা নাই।"

শ্ৰীবিমলাপ্ৰসাদ চলিহাৰ উক্তি।

সত্ৰাধিকাৰৰ আকস্মিক অন্তৰ্দ্ধান হোৱাৰ ১৮ দিনৰ আগতে প্ৰভুৰ প্ৰপন্ন শিষ্য অসমৰ মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলাপ্ৰসাদ চলিহা ডাঙৰীয়াই সত্ৰত এৰাতি থাকি "গুৰুৰ প্ৰত্যয় সঞ্চাৰী বাণী শুনি, কবলৈ বাধ্য হয় যে গুৰু ঈশ্বৰেসৈতে এই দৰে আলোচনা কৰিবলৈ পালে তেখে-তেও অনাসক্তি যোগকেই গ্ৰহণ কৰিব লগাত পৰিব পাৰে।"

আচাৰ্য বিনোবা ভাৱেও স্তব্ধ।

আচাৰ্য্য বিনোবাজীয়ে ভূমিদান বিচাৰি সত্ৰলৈ আহোঁতে প্ৰভুৰ থাকনি ঘৰাতে উভয় জনাৰ ভিতৰত ধৰ্ম্ম সংক্ৰান্ত নানান্ বিষয়ে আলোচনা হয়। প্ৰসঙ্গক্ৰমে প্ৰভুৱে কলে, "আমাৰ ইয়াত শংকৰাচাৰ্য্যৰ ভাষ্য আৰু শ্ৰীধৰ স্বামীদেৱৰ "সুবোধিনী টীকা" অনুসৰি গীতা ব্যাখ্যা কৰা হয়।" বিনোবাজীয়ে পুনৰ যেতিয়া সুধিলে, "শংকৰাচাৰ্য্যৰ ভাষ্য থকাত শ্ৰীধৰস্বামীৰ টীকাৰ আৱশ্যক কি ?" প্ৰভুৱে তেতিয়া মৃদুভাৱে উত্তৰিলে, "শংকৰাচাৰ্য্যই কেৱল অদ্বৈত তত্ত্বক প্ৰতিপাদিত কৰায়। তাত ভক্তিয়ে বিশেষ স্থান পোৱা নাই। শ্ৰীধৰস্বামীৰ টীকাই ভক্তিপ্ৰধান অদ্বৈত তত্ত্বক আবিষ্কাৰ কৰা হেতু লোক সকলৰ পক্ষে ভক্তিপথ অনুসৰণ কৰিবলৈ শ্ৰীধৰ স্বামীৰ টীকাই ৰুচিকৰী হৈ উঠে। মূল গীতাত কৈছে--

ভক্ত্যামামভি জানাতি যাবান্ যশ্চাস্মিতত্ত্বতঃ
ততো মাং তত্ত্বতোজ্ঞাত্বা বিশতে তদনন্তৰম্।

ইত্যাদি। এই হেতু শ্ৰীধৰ স্বামীৰ টীকা অনুযায়ী গীতা-ভাগৱত আমি ব্যাখ্যা কৰোঁ। প্ৰভুৱে বিতংকৈ ভাঙি দিয়া কথা শুনি ভাৱেই তবধ লাগি নকৈ নোৱাৰিলে, "এনে বিদ্বত্তা, ওজস্বিতা আৰু ভাগৱতব্যাখ্যাত পটুতা থকা ধৰ্ম্মগুৰু অতি বিৰল।" তাৰ পিচত মুকলি সভাত ভূদান যজ্ঞলৈ অসমীয়া মহিলা এগৰাকীয়ে অসমীয়া ভাষাৰে বিনোবাজীৰ হৈ মাটি খোজাত প্ৰভুৱে কলে, "দেৱোত্তৰ ভূমি দান-বিক্ৰয়ৰ অযোগ্য। সেই হেতু ভূমিৰ মূল্যকে এহেজাৰ টকা দিয়া হল।"

অন্য দেৱদেৱীৰ পূজাই নিত্য নৈমিত্তিক কাৰ্য্যত ব্যাঘাট নকৰে।

ভালেমান সভা-সমিতিৰপৰা প্ৰায়েই প্ৰশ্ন-প্ৰস্তাৱ আহিছিল, "নিত্যনৈমিত্তিক কৰ্ম্ম কৰি-বলৈ হলে অন্য দেৱদেৱীৰ পূজাৰ্জনিত ভক্তিৰ ব্যাভিচাৰ নঘটিব নে কি ?" তাৰ সমিচাৰত প্ৰভুৱে এই যুক্তি দেখুৱাইছিল ঃ—

"নিত্য নৈমিত্তিক কাম নকৰিলে কৰ্ম্ম নকৰা দোষে পায় আৰু অন্তঃকৰণো শুদ্ধ নহয়। কাম্য কৰ্ম্ম কৰিলে ভোগ-লালসা বাঢ়ি যায়—যি হেতু কামনাৰ অন্ত নাই। নিষিদ্ধ কৰ্ম্ম কৰিলে শাস্ত্ৰৰ অৱমাননা কৰা হেতু দুৰ্দ্দৈৰ জন্মে। এই কাৰণে, তত্ত্বজ্ঞ শাস্ত্ৰকাৰ সকলে

বিষয়-সুখৰ কৰ্ম্ম এৰি নিত্য নৈমিত্তিক কৰ্ম্ম কৰিবলৈ যি উপদেশ দিছে সেই উপদেশ শ্ৰীমন্ত শঙ্কৰে "ভক্তিৰত্নাকৰত" লেখি থৈছে ঃ—

> "মোক্ষাৰ্থী ন প্ৰসজ্জেত কাম্য কৰ্ম্ম নিষেধয়োঃ
> নিত্য নৈমিত্তিকে কুৰ্য্যাৎ প্ৰত্যবায় জিহাষয়া।"

সেই গ্ৰন্থত শঙ্কৰদেৱে ইয়াকো লেখি থৈছে যে বেদবিহিত নিত্যনৈমিত্তিক কৰ্ম্মত অন্য দেৱী-দেৱ পূজাৰ যি বিধান বেদে কৰিছে, গৃহাশ্ৰমী অবিৰক্ত বিষ্ণুভক্তসকলে বেদবিহিত অন্য দেৱতাৰ পূজা বিষ্ণুবুদ্ধিৰে কৰিব।

নতুন মণিকূট নিৰ্ম্মাণ আৰু মহাপ্ৰভুক প্ৰবেশকৰোৱা।

১৮৬৫ শকৰ জেঠ মহীয়া যি প্ৰবল ভূমিকম্প হয়, তাতে যাদৱৰায় মন্দিৰটিৰ কোনো-কোনো অংশ ভগ্ন হয়। ভগা মন্দিৰটিক ভঙাই অনাই নতুনকৈ নিৰ্ম্মাণ কৰিবলৈ ইঞ্জিনীয়েৰ ৰাজমোহন নাথ তত্ত্বভূষণক নক্সা আঁচনি আদি কৰিবলৈ ভাৰ দিয়া হয়। তেওঁৰ আঁচনিমতেই বৰ্ত্তমান থকা মন্দিৰটি নকৈ সজোৱা হয়। মন্দিৰৰ অৰ্থে যোৰহাটৰ চৌনমাৰপৰা ইটা কটিয়াই ব্ৰহ্মপুত্ৰ পাৰকৈ আনিব লগীয়া হৈছিল। এগুণৰ ঠাইত চাৰিগুণ খৰচ কৰাতো ৬।৭ বছৰৰ মূৰত হে মন্দিৰটি সম্পূৰ্ণ হৈ ওলালগৈ আৰু ১৮৭২ শকৰ কাতি মাহত বাদ্যভণ্ড বজাই মহা আড়ম্বৰেৰে মহাপ্ৰভু শ্ৰীশ্ৰীযাদৱৰায়ক সেই মণিকূটত প্ৰবেশ কৰোৱা হ'ল।*

ৰাজমোহন নাথৰ টোকা।

নাথে মণিকূট নিৰ্ম্মাণৰ কাৰ্য্য তদ্বিৰ কৰিবলৈ আহি তেওঁৰ টোকাত সত্ৰাধিকাৰ আৰু সত্ৰৰ বিষয়ে লেখিছে ঃ-

"প্ৰভু ঈশ্বৰ গোটেই দিন শাস্ত্ৰ গ্ৰন্থ অধ্যয়নত ৰত থাকে। অসমৰ চাৰি ঘাই সত্ৰৰ মাজত দক্ষিণপাট একমাত্ৰ সত্ৰ য'ত বনমালী দেৱৰ দিনৰপৰা সত্ৰাধিকাৰে নিজে মূল সংস্কৃত ভাগৱত গ্ৰন্থ পাঠ আৰু ব্যাখ্যা কৰিব লাগে। * * আন সত্ৰত ভাগৱত ব্যাখ্যা কৰা বেতনভোগী ভাগৱতীৰ কৰ্ত্তব্য আৰু শ্ৰোতা তথা শ্ৰৱণীৰ উপস্থিতি ভকতৰ ইচ্ছাধীন।"

বিষ্ণু যজ্ঞাদি কৰণ।

১৮৮৩ শকৰ মাঘ মাহত অষ্ট গ্ৰহৰ সম্মিলন হয়। সেই নিমিত্তে, মহাবিষ্ণু যজ্ঞাদি সৎকাৰ্য্য কৰিবলৈ যি যি ঠাইত আয়োজন কৰা হৈছিল সেই সকলো ঠাইলৈকে প্ৰভুৱে অবাৰিত অৰ্থ সাহায্য দি সেই সুকৰ্ম্মসমূহ সুসম্পন্ন কৰোৱাইছিল আৰু নিজেও ৰাতি উজাগৰে থাকি পূজাহোম কৰিছিল, নামকীৰ্ত্তনো কৰোৱাইছিল।

পূৰ্ব্ববঙ্গৰ উৎপীড়িত হিন্দু সমাজৰ প্ৰতিকাৰৰ ব্যৱস্থা।

১৮৬৮ শকত পূৰ্ব্ববঙ্গত হিন্দু সমাজৰ যি নিঃচিহ্ন হোৱা অৱস্থা হৈছিল আৰু সেই অৱস্থাৰ প্ৰতিকাৰৰ অৰ্থে প্ৰভুৱে অসমত যি ব্যৱস্থা লৈছিল তাক ৰাজমোহন নাথ তত্ত্বভূষণৰ চিঠিৰপৰা এছোৱা তুলি দিয়া হল ঃ--

"১৯৪৬ ইং চনত মই যোৰহাটৰপৰা ছিলেটলৈ বদলী গৈ গলোঁ। সেই বছৰেই মুছলীম-লীগৰ প্ৰৰোচনাত বঙ্গদেশৰ কলিকতা, নোৱাখালি, ঢাকা, ত্ৰিপুৰা আদি ঠাইত হিন্দু নিধন-ধৰ্ষণ আৰু জাত্যান্তৰিত কৰণ-যজ্ঞ আৰম্ভ হল। নোৱাখালিৰপৰা হেজাৰে-বিজাৰে নিৰ্য্যাতিত নৰ-নাৰী—লৰাছোৱালী ছিলেট চহৰত আশ্ৰয় প্ৰাৰ্থী হল। এওঁলোকৰ বাসস্থান আহাৰাদিৰ সুব্যৱস্থা কৰণে স্থানীয় প্ৰতিষ্ঠানৰ লগত মোৰ ঘনিষ্ঠ যোগাযোগ আছিল। চকুৰ আগত দুৰ্দ্দশা দেখিছোঁ, কাণত মৰ্ম্মন্তুদ কাহিনীবোৰ শুনিছোঁ। সেই সময়ত নৱদ্বীপ আদি ঠাইৰ পণ্ডিতসকলে বাতৰি-কাকতৰ যোগে দুটা ব্যৱস্থা-পত্ৰ প্ৰচাৰ কৰিলে যে বলপূৰ্ব্বক ধৰ্ষিত আৰু জাত্যান্তৰিত হিন্দু নৰনাৰীৰ প্ৰায়শ্চিত্ত নকৰাকৈ নিজৰ পূৰ্ব্ব সমাজত ঠাই দিয়া যাব।

সেই সময়তে, ১৬ নৱেম্বৰ তাৰিখে গড়মূৰ, আউনীআটী আৰু দক্ষিণপাটৰ সত্ৰাধিকাৰ প্ৰভু সকললৈ এই বুলি পত্ৰ লেখিলোঁ যে—বৰ্ত্তমান হিন্দু ধৰ্ম্ম আৰু জাতি প্ৰলয়ৰ সম্মুখীন; বঙ্গদেশত আৰম্ভ হৈছে, অসমো বাদ নাযাব পাৰে .. জাতিধৰ্ম্মৰ এনেহেনো বিপৰ্য্যয়ৰ সময়ত অসমৰ ধৰ্ম্মগুৰু সকলেও যথোপযুক্ত কাৰ্যকৰী পন্থা অৱলম্বন কৰা উচিত বুলি মই বিবেচনা কৰোঁ।"

নাথৰ চিঠি পোৱাৰ আগেয়েই প্ৰভুৱে সেই বিষয়ে যি ব্যৱস্থা লব লাগে বুলি ৰাইজলৈ গোহাৰি কৰিছিল, তাকে নাথৰ পত্ৰোত্তৰত প্ৰভুৱে লেখিলে ঃ

"আপোনাৰ পত্ৰ পোৱাৰ আগতে, আমাৰপৰা দুই ৰকমৰ দুটি বাণী সংগ্ৰহ কৰি এটি আউনীআটীয় আদি গোসাঁই-মহন্তসকললৈ, ইটি সম্বাদ পত্ৰত প্ৰকাশ কৰিবলৈ পঠোৱা হৈছে। বাতৰি-কাকতলৈ পঠোৱা অসমীয়া বাণীৰ অনুৰূপ বাণী ইংৰাজীত লিখি ইংৰাজী খবৰ কাগজ সমূহলৈ পঠাবৰ নিমিত্তে শ্ৰীযুত কুলধৰ চলিহাক ভাৰ দিয়া হৈছে। বঙ্গলা ভাষাৰ সম্বাদ পত্ৰলৈ আমাৰ হৈ আপুনি সেই ভাষাত বাণীটি লিখি

* শ্ৰীযাদৱেন্দ্ৰ চৰণাম্বুজ ভক্তিকামঃ শ্ৰীশ্ৰীবিভূষিতঃ। সুধী হৰিদেৱ উৎসৰ্য্য যস্তেন মন্দিৰমচীকৰদচ্যুতস্য নেত্ৰাশ্চ নাগ বসুধা গণিতে শকাব্দে—১৮৭২ শকত শ্ৰীহৰিদেৱ গোস্বামীস্বাৰাই মণিমূট নিৰ্ম্মিতাং।

প্ৰকাশ কৰিবৰ কাৰণ পঠাব পাৰিলে বৰ ভাল পাম। "দৈনিক অসমীয়া" আৰু 'ডেকা অসমলৈ' আমাৰপৰা পঠোৱা হৈছে। .."

প্ৰথম বাণী : অসম--সত্ৰসংঘ আৰু সকলো গোসাঁই মহন্তসকললৈ লিখা :—

অনুন্নত সকলক কীৰ্ত্তন-ঘৰত সুমুৱাৰ আগ্ৰহ।

"বৰ্ত্তমান পৰিস্থিতিলৈ চাই আৰু কলিকতা, নোৱাখালি, চৌমোহানি আদিৰ কাৰ্য্যকলাপ দেখি অনুমান হয়—মনুষ্যহৃদয়ত ভগৱানৰ বিশ্বাস আৰু অন্য ৰকমে হিন্দু ধৰ্ম্মৰ প্ৰতি আস্থা ক্ৰমান্বয়ে আঘাত-প্ৰতিঘাতত ক্ষীণ হৈ যাবলৈ ধৰিছে। প্ৰাচীন সমাজৰ নিয়ম সুন্দৰ আৰু দৃঢ় হলেও পৃথিবীব্যাপী সাম্যবাদৰ ঢৌৱে তাক শিথিল কৰি আনিছে; আৰু ক্ৰমান্বয়ে আমাৰ সমাজৰ কিছু মানুহে তেনে ব্যৱহাৰৰ বন্ধন টান বুলি অনুভৱ কৰিছে, আৰু এনে ব্যৱহাৰৰ বাবেই তেওঁবিলাকে অন্য ধৰ্ম্মৰ ফালে দৃষ্টি কৰিবলৈ আৰম্ভ কৰিছে। এনে অৱস্থাত অনুন্নতসকল আমাৰ কীৰ্ত্তন ঘৰ আদিত সোমোৱাত যি এফেৰি ছিদ্ৰ আছে তাক আমি আপোনাসকলৰ মত সাপেক্ষে গুচাবৰ হল বুলি অনুভৱ কৰোঁ। আৰু হিন্দুধৰ্ম্মৰ আচাৰ-ব্যৱহাৰ প্ৰচলন কৰা আৰু নীতিনিয়ম মানি সজৰূপে চলা আমাৰ ভিতৰত যিসকল লোক আছে, সেইসকলক কীৰ্ত্তন ঘৰলৈ সোমাবলৈ দিয়া যোগ্য বুলি ভাবোঁ। কিন্তু আপোনাসকলৰ নিচিনা ধৰ্ম্মৰ গুৰিয়ালসকলৰ উপদেশ অনুমোদন নহলে এনে কাৰ্য্যত আগ বাঢ়িবলৈ টান। সেই হে, আপোনাসকলৰ বিচাৰ আৰু বিবেচনা এই সন্ধিক্ষণত আগ্ৰহ কৰিছোঁ। আশা কৰোঁ, আপোনাসকলে মত প্ৰকাশ কৰি এটা সুমীমাংসা কৰিবলৈ সহায় কৰিব। আপোনাসকলৰ অভিমত সোনকালে পাবলৈ বাট চাই থাকিলোঁ। কিমধিকমিতি।

দক্ষিণপাট সত্ৰ, শক ১৮৬৮। আঘোণ। (স্বা) শ্ৰীশ্ৰীদক্ষিণপটীয়া সত্ৰাধিকাৰ গোস্বামী।"

দ্বিতীয় বাণী : (বাৰ্তাৰ—কাকতলৈ)।

বাইজৰ প্ৰতি অনুৰোধ

জাত্যান্তৰক পুনৰ গ্ৰহণৰ পৰামৰ্শ।

"কলিকতা, নোৱাখালি আদি ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষত উৎপীড়িত হোৱা লোকসকলৰ কথা কাগজে-পত্ৰে জানিব পাৰি আমি গভীৰ বেদনা অনুভৱ কৰিছোঁ আৰু জোৰ কৰি ধৰ্ম্মান্তৰিত কৰা বাবে মৰ্ম্মান্তিক বেজাৰ পাইছোঁ। বিশদ ৰূপে বিবেচনা কৰি দেখা গৈছে যে এনে বলৰৎ ধৰ্ম্মান্তৰ কৰণত ধৰ্ম্মত্যাগ ঘটিবৰ একো কথাই নহয়। এতেকেতে, সকলো হিন্দুৱে সেইসকলৰ জাতি লুপ্ত পালে বুলি নেভাবি বলেৰে ধৰ্ম্মান্তৰ কৰোৱা হিন্দু নৰনাৰীসকলক পুনৰ হিন্দু সমাজলৈ আনি পূৰ্ব্বৰ সমাজৰ অৱস্থাত স্থাপিত কৰা একান্ত কৰ্ত্তব্য বুলি ভাবে যেন। এই মহান্ পৰীক্ষাত উত্তীৰ্ণ হৈ আহিলে সেইসকলে সমাজত আগতকৈয়ো সমাদৰ পোৱা যোগ্য বুলি বিবেচনা কৰোঁ। এই কথা স্থানীয় হিন্দু সমাজৰ ওপৰত বিশেষকৈ নিৰ্ভৰ কৰে। সেই সকলে হিন্দু ধৰ্ম্মৰ এই সন্ধিক্ষণৰ আৰু মহান্ পৰীক্ষাৰ স্থলত গভীৰৰূপে বিবেচনা কৰি মীমাংসা কৰি লব যেন। বলেৰে জাত্যান্তৰ কৰা লোকসকলক পুনৰ হিন্দু সমাজলৈ আহিবলৈ আমি সাদৰেৰে আৰু সম্মানেৰে আহ্বান কৰোঁ। তেওঁবিলাকৰ স্থান পূৰ্ব্বতকৈ কোনো গুণে হেয় হব নোৱাৰিব।"

ধৰ্ম্মনীতিৰ ব্যৱস্থাপক ৰাইজ হে, প্ৰভু "সাক্ষী গোপাল মাত্ৰ।"

নাথে এই দুয়োখন গোহাৰি পত্ৰ বা বাণী বঙলালৈ অনুবাদ কৰি ছিলেটৰ তিনি খন সাপ্তাহিক আৰু কলিকতাৰ এখন দৈনিক কাকতত প্ৰকাশ কৰায়।

সামাজিক নীতি-নিয়ম বা চিৰাচৰিত প্ৰথাৰ কিবা সালসলনি কৰিবৰ লগীয়া হলে প্ৰভুৱে সদায় কৈছিল :—

> আমি সত্ৰৰ সম্পত্তি আৰু পূৰ্ব্বীয় ধৰ্ম্মাচৰণ ন্যাসৰক্ষী মাথোন। শিষ্য-সেৱক-
> আমি সত্ৰৰ সম্পত্তি আৰু পূৰ্ব্বীয় ধৰ্ম্মাচৰণৰ ন্যাসৰক্ষী আথোন। শিষ্য-সেৱক-সকলে যুগধৰ্ম্ম অনুযায়ী যেতিয়াই যি প্ৰকাৰে সত্ৰৰ পৰিচালনা বিচাৰে, আমি তাৰ বিৰুদ্ধে যাব নোৱাৰোঁ"।

১৮৬৮ শকৰ ১৬ আৰু ১৭ বহাগত মাজুলীৰ বুৰঞ্জী-বিখ্যাত শালমৰাত অসম-সত্ৰ-সংঘৰ প্ৰথম বাৰ্ষিক অধিবেশন বহে। সংঘৰ প্ৰধান সম্পাদক শ্ৰীযুত মোহনচন্দ্ৰ মহন্ত, বি-এল, তৈলপানী সত্ৰাধিকাৰৰ যোগে যিটি বাণী পঠিয়াইছিল, সত্ৰসমূহৰ পৰিণামদৰ্শী প্ৰভুৱে তাত স্পষ্টকৈ লৈখিছিল :—

> "আজি অসম-সত্ৰ-সংঘৰ বাৰ্ষিক সাধাৰণ অধিবেশনত সম্মিলিত হোৱা সন্ত সমূহলৈ আপোনাৰ যোগে এই পত্ৰেৰে আমাৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰা হৈছে। সনাতন হিন্দু ধৰ্ম্ম ৰক্ষণাবেক্ষণ আৰু প্ৰচাৰাৰ্থে অসমৰ সন্ত-মহন্তসকল একত্ৰিত হোৱাত "সংহতি কাৰ্য্যসাধিকা" ভাবি অন্তৰত অতিশয় আশাৰ সঞ্চাৰ হৈছে।
>
> ক্ষুদ্ৰ-ক্ষুদ্ৰ পন্থা বা গণ্ডীৰ ভিতৰত আৱদ্ধ থাকিলেও সক্ৰিয়ভাৱে বৈদিক ধৰ্ম্ম প্ৰসাৰণ কৰা কাৰ্য্যত সৰ্ব্বজনৰ মত কেতিয়াও বিভিন্ন হব নোৱাৰে। বৰ্ত্তমান

দেশৰ পৰিস্থিতি আৰু বিশৃংখল সংহতিলৈ চাই উক্ত কাৰ্য্যত সৰ্ব্বাগ্ৰে সৰ্ব্বতোভাবে হিন্দুধৰ্ম্মৰ হিতৈষী মাত্ৰেই সাধ্যানুসাৰি আত্মনিয়োগ কৰাটো এক মাত্ৰ কৰ্ত্তব্য বুলি বিবেচনা কৰা হৈছে। স্ব স্ব অভিৰুচি অনুসাৰি ব্যক্তিগত বা দলগত ভাবে একোটা ভিত্তিহীন মত গ্ৰহণ কৰি সনাতন হিন্দু ধৰ্ম্মত বহুত বিভ্ৰাট আৰু গ্লানিৰ সৃষ্টি কৰা দেখা গৈছে। এনেবিলাক ধৰ্ম্ম-পৰিপন্থী কাৰ্য্যই প্ৰশ্ৰয় পোৱাটো শোভনীয় নহয়। গতিকে, সেইবিলাক কাৰ্য্যত লিপ্ত নহৈ সত্ৰ সংঘৰ সভ্যসকলে সম্মিলিত ভাবে আলোচনা কৰি সনাতন হিন্দু ধৰ্ম্মৰ পথ নিৰ্ম্মূল, সুদৃঢ় সুশৃঙ্খলিত কৰিব বুলি বাঞ্ছা কৰিলোঁ।

কল্পিত কাৰ্য্যাৱলী নিৰ্ব্বিবাদে সুসম্পন্ন কৰিবলৈ মহাপ্ৰভু যাদৱৰায়ৰ চৰণত প্ৰাৰ্থনা কৰিছোঁ—যেন সকলোৰে অন্তৰত সাম্য, মৈত্ৰী, মিলনৰ ভাব জাগৰিত হৈ উঠে।

"সং গচ্ছধ্বং সংবদধ্বং সংবোমনাংসি জানতাং,
দেৱাভাগং যথাপুৰ্ব্বে সংজানানা উপাসতে।
সমানো মন্ত্ৰঃ সমিতিঃ সমানীসমানং মনঃ সহচিত্ত মেষাং।
সমানং মন্ত্ৰমভি মন্ত্ৰয়েৱঃ সমানেন বোহবিষা জুহোমি।
সমানীৱ আকুতিঃ সমানা হৃদয়া নিবঃ।
সমান মস্তুবো মনোয় থবঃ সুমহাসতি।" —ঋগ্বেদ, দশম মণ্ডলম।

শিৱমস্তু
দক্ষিণপাট সত্ৰ
শক ১৮৬৮।১৬ বহাগ

সভাৰ হিতৈষী
(স্বা) শ্ৰীশ্ৰী দক্ষিণপাটীয় গোস্বামী।"

প্ৰভুৰ আজ্ঞা-অনুজ্ঞা পত্ৰই যথেষ্ট।

প্ৰভুৱে স্বয়ং গাৱেঁ-গাৱেঁ, নামঘৰে-নামঘৰে গৈ সভা পাতি বক্তৃতা দি সমাজ বিপ্লৱৰ অকাল বোধন কৰাটো সমূলিকে ভাল নেপাইছিল। বৰং, কিবা আজ্ঞা-অনুজ্ঞা শুনাব লগীয়া হলে মেধি, বাজমেধি, কাকতী, পাচনিসকলৰদ্বাৰাই শুনেৱাইছিল। পৰাপক্ষত, সত্ৰৰ ঐতিহ্য আৰু মান-মৰ্য্যাদাত অৱজ্ঞাসূচক টোপ এটিকে পৰিবলৈ দিয়া নহৈছিল। প্ৰভুৰ নিজমুখৰ বাণীতকৈ কৰ্ম্মচাৰী আৰু গোহাঁৰি পত্ৰৰ যোগে পঠিওৱা বাণীহে এশ গুণতকৈও অধিক কাৰ্য্যকৰী হৈছিল। কোনো-কোনো সময়ত প্ৰগতিবাদীবিলাকেও দক্ষিণপটীয়া গোসাঞে সামাজিক ধৰ্ম্মকৰ্ম্মাচৰণত কি ব্যৱস্থা দিয়ে তালৈকে সাগ্ৰহে অপেক্ষা কৰিছিল। প্ৰভু ঈশ্বৰ উদাৰ আৰু সংস্কাৰকামী আছিল দেখিযেই দক্ষিণপাটৰ মতামতৰ ওপৰত প্ৰায় সকলোৰে আস্থা আছিল।

বাক্সিদ্ধতাৰ জাজ্জ্বল্য প্ৰমাণ।

বাক্যসিদ্ধ গুৰুজনাই মুক্তকণ্ঠে দিয়া আশীৰ্ব্বাদৰ সুফল যেনেকৈ তেওঁলোকে ফলিয়াইছিল প্ৰভুৰ ব্যথিত অন্তৰৰপৰা ওলোৱা একোষাৰি আক্ষেপৰ বাক্যও তেনেকৈ অভিশাপত পৰিণত হৈছিল। মাজুলীৰে বাৰণা গাৱঁৰ শলিয়া নামে মানুহ এটিয়ে সত্ৰৰ লাখেৰাজ ভূমি চিৰাম চাপৰিৰপৰা বাবিষা কৰৈকাঠ এডাল চুৰ কৰি আনে। বৰ-আলধৰাই চোৰৰ ফুট পাই জনোৱাত গোসাঁই ঈশ্বৰে শলিয়াক মতাই অনাই, যদি সি কাঠ নিছে, সৈ-কাঢ়িবলৈ কলে। সি একোপধোই সৈ নেকাঢ়ে। হয় হে গুৰু ঈশ্বৰে তাক চুক্‌চুকাই-চুক্‌চুকাই বহুত বুজনি দিলে, তথাপি "নাৰ"পৰা "হঁা" নুবুলিলে। হাতে-লোতেৰে ধৰা পৰিও সি সৈ নোলোৱাত গুৰুজনে অন্তৰত বৰ দুখ পাই আক্ষেপেৰে কলে, "তই যদি সঁচাকৈয়ে অনা নাই, একো কথা নাই। যদি হে, আনিছ, সেই কাঠ যতে নি থৈছ, ততে থক।" সিপিনে সি কাঠ নি ধান নিৰুউৱা বিন্ধা, জৱকা বা দলিমৰিয়া কৰিম বুলি বাৰীৰ পাচ ফালে কাৰো চকুত নপৰাকৈ লুকুৱাই থৈছিল। সত্ৰত গোসাঁইৰ আগত মিছা মাতি গৈ, ঘৰ পাই চায়গৈ দেখোন কাঠ ডাল ছিৱাল-ফাট দিলে। কাঠ আৰু একো কামত নেলাগিল। ঈশ্বৰ-মূৰ্ত্তিৰ আগত আসৈ-মতা বাবে শলিয়াই হাতে-হাতে ফল পালে আৰু আগলৈ সি 'তেনে কাম নকৰোঁ' বুলি প্ৰভু ঈশ্বৰৰ চৰণত দণ্ডৱত্ হৈ পৰিলহি।

সত্ৰৰ দেৱোত্তৰ মাটি এডোখৰ ভোগ দখল কৰি থকা মানুহ দুটাৰ ভিতৰত কাজিয়া লাগি থকা বাবে গোসাঁঞি ঈশ্বৰে কাকো হাল বাবলৈ নিদি মাটি ডোখৰ গড়-আবাদীকৈ ৰাখিছিল। কিন্তু, বিবাদীহঁতৰে এটা, কুমাৰ গাৱঁৰ সৰুলৰা কলিতা বুলি, সি মনে মনে তাত হাল বায়গৈ। হাক দি থোৱা মাটিত কিয় বেদখল কৰিছে বুলি সুধিবলৈ তাক মতাই

যেন প্ৰভু তেতিয়ালৈকে সজ্ঞানে আছিল। যেই নিৰ্মালি দিয়া হল, সেই প্ৰভুৰ চকু দুটি জাঁপ খাই গল। 'হৰিবংশ' শ্ৰৱণৰ অলৌকিক দান "হৰিদেৱৰ" অমৰাত্মাটি হৰিয়ে আকৌ হৰিৰ কাষলৈ লৈ গুচি গল। থাকি গল মাথোন পৃথিবীত পাহৰিব নোৱৰা প্ৰভুৰ আধ্যাত্মিক মহিমাৰ অমিয়া-ঝঙ্কাৰ। শক ১৮৮৫, মাহ ফাল্গুন, দিন ১৫, বাৰ শুক্ৰ, তিথি কৃষ্ণা প্ৰতিপদ, সময় প্ৰাতসৰ ৬ বাজি ৫০ মিনিট যাওঁতে। মৰ্ত্ত্যলীলাৰ কাল—৫০ বছৰ ৭ মাহ।

হৰিৰ কাষলৈ হৰিদেৱৰ অন্তৰ্ধান।

প্ৰভুৰ আকস্মিক জীৱনাৱসানৰ লগে-লগেই ভগৱন্তৰ লীলা-অংশ-অৱতাৰী বিৰাট আধ্যাত্মিক শক্তি এটিৰো ধৰাধামহস্তে অসম্ভাব্য ৰূপে অন্তৰ্হিত হল।

"শাকে বাণ হুতাশ দিগ্গজবিধৌ জাতো বুধে শ্ৰাবণে
শূন্যাব্ধাষ্ট সুধাংশু মিশ্ৰিত শকে ধৰ্ম্মাধিকাৰো ভৱন্
বাণষ্টিষ্ট শশাঙ্ক সম্মিত শকে তপস্যে সুধী;
শ্ৰীশ্ৰী মন্ধৰিদেৱ বিপ্ৰ প্ৰৱৰো বৈকুণ্ঠধামাগমৎ
বদন্ যাদৱদেৱেতি মুহুৰ্ম্মুহু-মহামতি;
দক্ষিণপাট সত্ৰ সোব্যাসৃজন্নশ্বৰীস্তনুম।"

ক্ৰন্দনৰ ৰোল।

প্ৰভুক তুলসী গুৰিলৈ নিয়া মাত্ৰক ভকত সকলৰ মাজত ক্ৰন্দনৰ ৰোল উঠিল। গোটেইখন হুৰাদুৰা লাগিল। ৰোলৰ ধ্বনি শুনি হাটীৰ লৰা-বুঢ়া য'ত-যি-আছিল সকলোটি উম্বাউল হৈ তুলসীৰ ওচৰত সমৱেত হলহি। নিশ্বাস নিৰুদ্ধ হোৱাৰ লগে-লগেই দবা-শঙ্খ আদি বাদ্য বজাই প্ৰভুৰ মৰ্ত্ত্যলীলা সম্বৰণ ঘোষণা কৰিব লাগিছিল। জৈৱিক দেহটি বিভোৰ নিদ্ৰাত পৰি থাকোতেও সুস্থ সজীৱ দেহৰ জ্যোতিৰ্ম্ময় কান্তি উজলি থকা-বাবে আটাইৰে মনত এনেকুৱা হে লাগিছিল যেন প্ৰভু এতিয়াই উঠি বহিব। এই দেখিয়েই অনন্ত শয্যাত পৰাৰ পিচতো প্ৰভুৰ বৈকুণ্ঠযাত্ৰা হল বুলি একো গম দিবলৈ নহল।
তেতিয়াও শেষ চিকিৎসা কি হব পাৰে তাকে ভাবিয়েই সকলো নিমগ্ন আছিল। পাচে, কথা বুলিলেই বতাহ। প্ৰভু চলাৰ কথা ঘোষণা নো-কৰোঁতেই প্ৰভু চলিল বুলি গোটেই মাজুলীতে বিজুলী বেগেৰে বিয়পিয়েই গল। কেউফালৰপৰা ভাগি-ভুঁহিৰি প্ৰজা আহিবলৈ ধৰিলে। মটৰেৰে অহা মটৰেৰে, খোজ কাঢ়ি অহাই খোজ কাঢ়ি, হুমুনিয়াহ কাঢ়ি কন্দনামুৱা মুখ খনহ'তে লৈ সত্ৰত গনজ্ খালেহি। কেঁচুৱা মাইকীয়েও কোলাত কেঁচুৱা লৈ "প্ৰভু কলৈ গল ঔ" বুলি হিয়া ধাকুৰিয়াই কান্দিবলৈ ধৰিলে। চাই থাকোতে-থাকোতেই ৪।৫ হেজাৰ মানুহ থুপ খালেহি। প্ৰজাৰ মৰ্ম্মভেদী আৰ্ত্তনাদে মাজুলীৰ আকাশখন সেই দিনা যিভাৱে খলক লগাইছিল, বৰ্ণোৱা অসাধ্য, সুঁৱৰিলেই হিয়াজালী ফাটি যায়।

প্ৰজাৰ বিলাপ।

দাহৰ স্থান।

৯ বজাত বাদ্যভণ্ড বজাই প্ৰভুৰ বিয়োগ-বাৰ্তাবিটি প্ৰকাশ কৰা হল। এতিয়া দাহ কৰা হয় ক'ত?—ইয়াৰ একো এটা মীমাংসা কৰি নোৱাৰি সকলোৱে ভাবি-চিন্তি আছে, এনেতে সমৱেত বাইজে মাত দিলে, বিশেষকৈ কৈৱৰ্ত্ত বাইজে টানি ধৰিলে বোলে, "নবদেৱ 'নাৰায়ণদেৱৰ সমাধি থান য'ত আছে তাৰ ওচৰতেই ভাল হব। তিনিও খন পবিত্ৰ থান'একে ঠাই হব।" কিন্তু সেই ঠাই ইমান দ যে তাত বাৰিষা হাতীও তল যায়। এনে দ ঠাইত কি সাধ্যে ভেটি তোলা হব? এই দৰে দাহৰ ঠাই-নিৰ্ব্বাছনত থেঁৰোগেঁৰো কৰি থকা দেখি বাইজৰপৰা টান মাত আহিল, "নৈ-বালিত কেতিয়াও প্ৰভুৰ থান হব নোৱাৰে। আমাক থান লাগে, প্ৰভুক সেৱা কৰি থাকিবলৈ।" এই বুলি কৈয়েই বাইজে উটাপুটাকৈ লাগি বাহিৰ কবাপাটৰ ওচৰত থকা আগৰ দুজনা প্ৰভুৰ সমাধি-স্থানৰ কাষতে পানীয়ে বুৰাব নোৱৰাকৈ তৎক্ষণাৎ বৰ ভেটি এটি বান্ধি পেলালে।

অন্ত্যেষ্টি ক্ৰিয়া সমাপন।

৯॥ বজাত প্ৰভুৰ নিজীৱ দেহাটি দোলাত তুলি ঢোলে-দগৰে, দবায়-শঙ্খই, গায়নে-বায়নে শ্মশান ভূমিলৈ নি, তাতে স্নানাদি কৰাই নবীন সাজেৰে দেহটি সুসজ্জিত কৰা হল। তেতিয়া প্ৰভুৰ কান্তি বৰ্ণনাতীতৰূপে জিলিকি উঠিছিল। নেদেখা জনে সেই ৰূপ কেতিয়াও কল্পনাতো আনিব নোৱাৰে। ৰাইজৰ অনুৰোধ-অনুসৰি আৰু কাপোৰ দাঙি চিতা প্ৰদক্ষিণ কৰোৱা হয়। সকলোৱে প্ৰভুৰ দিব্য মূৰ্ত্তিটি শেষ বাৰৰ নিমিত্তে চাই লগে আৰু হৰধ্বনি কৰি ঢলি-ঢলি পৰি সেৱা কৰিবলৈ ধৰিলে। কান্দোনত গোটেইখন খলক লাগিল। চন্দন-সৰল-পদ্ম-আম কাঠেৰে নিৰ্ম্মিত চিতাত দবাশঙ্খ বজাই, উৰুলিধ্বনি কৰি গায়ন-বায়নেৰে



৺শ্রীশ্রীহবিদের গোস্বামী (ভাগরত পাঠত)



৺শ্ৰীশ্ৰীহৰিদেৱ গোস্বামী (সাধাৰণ অৱস্থাত)

প্ৰভুৰ দেহাটি চিতাত তুলি দিয়া হল। কেউফালৰপৰা কলহে-কলহে ঘিউৰ আহুতি আৰু পুষ্পাঞ্জলি প্ৰদান কৰা হল। বৰ্ত্তমান অধিকাৰ গোস্বামীয়ে মুখাগ্নি কৰিলে। অগ্নিদেৱতাই কনকনীয়া কাঠৰ চিতাটি নিমিষতে দংশি পেলালে আৰু প্ৰভুৰ সুন্দৰ সুকোমল শৰীৰটি ভস্মত পৰিণত হৈ গল। তাৰ পাচত, পুৰক পিণ্ডৰ কাৰ্য্য সম্পন্ন হলত, শোকাচ্ছন্ন হৈ বৰ্ত্তমান অধিকাৰ প্ৰভুক লগত লৈ, চাৰে বাৰ বজাত ভক্তসকল কান্দিকাটি উৰুঙা সত্ৰত সোমায়গৈ আৰু সমবেত বাইজো চকুৰপানী টুকি-টুকি ঘৰাঘৰি যায়।

এক মান বজাত জনচাৰেক ভকতেসৈতে আউনীআটী সত্ৰৰ ডেকা জনা গোস্বামী প্ৰভু আহি বৰ্ত্তমান অধিকাৰ সমন্বিতে সমূহ ভকত-বৈষ্ণৱৰ আগত বৰ সন্তাপেৰে কলেহি, "ইস্কুলীয়া লৰাৰ মুখে বিনামেঘে বজ্ৰপাত হোৱাৰ বাতৰি পাই লৰালৰিকৈ আহিলোঁহে হয়, অভিলাষ পূৰ্ণ নহল। ভাবিছিলোঁ, দাহ কৰি থাকোঁতেই পামগৈ, সেৱা এটি কৰি নিজকে ধন্য বুলি ভাবিমগৈ। সেয়ে কিন্তু নহল।" এই ৰূপেই কৈ আউনীআটীয়া জনাই সন্তপ্ত ডেকাজনাক অনেক প্ৰবোধ বাক্যেৰে শান্তনা দি শেষত কলে, "এতিয়া আৰু সেই বিষয়ে অনুশোচনা নকৰি পাৰলৌকিক কাৰ্য্যলৈহে চেষ্টিত হব লাগে।" ভাবী অধিকাৰ জনাই এই বুলি আত্মপ্ৰবোধ দিলে ঃ--

"গতং ন স্মৰেৎ, মৃতং ন শোচেৎ" বুলি শাস্ত্ৰে কৈছে। এতেকে, অনুশোচনা কৰাৰ একো লাভ নাই। তথাপি মায়ামুগ্ধ মনক স্থিৰ কৰা সুসাধ্য নহয়। যিমান পাৰোঁ, দমাই ৰাখিছোঁ। এনে দুৰ্দ্দিনত সুচাৰুৰূপে সকাম কৰিব পাৰিম বুলি সৰ্বৈক্ষ আমি আশা কৰিব পৰা নাই। মুতক দেৱতাৰ আশীৰ্ব্বাদ আৰু প্ৰভু যাদৱৰায়ৰ কৰুণাৰ ওপৰত হে নিৰ্ভৰ কৰি আছোঁ।

আউনীআটীয়া জনাই "আমি কিবা সহায় কৰিব লাগিলে, জনালে বৰ সন্তোষ পাম" বুলি নিৰ্ভৰ দিয়াত এখেৰ জনাই সেই আশ্বাসত কৃতজ্ঞ হৈ ইয়াকে মাথোন কলে "সম্প্ৰতি বাৰু আমাৰ ভঁৰালে-সামৰে বিচাৰ কৰি চোৱা যকচোন।" এই ৰূপে কথাবাৰ্ত্তা হৈ সভা ভঙ্গ কৰি দুয়ো জনা গোসাই স্ব স্ব স্থানলৈ প্ৰস্থান কৰিলে।

আউনীআটী সত্ৰৰ ডেকা অধিকাৰ গোস্বামীৰ সমবেদনা।

দক্ষিণপাটৰ অধিকাৰ গোস্বামী বৈকুণ্ঠী হল বুলি শুনা মাত্ৰকে স্থানীয় স্কুল, কলেজ, চৰকাৰী অফিচ আদি ছুটী দিয়া হল। টেলিফোন যোগে মৰ্ম্মভেদী সংবাদটি পাই মুখ্যমন্ত্ৰী শ্ৰীযুত বিমলাপ্ৰসাদ চলিহাই পাচদিনা ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো চৰকাৰী অফিচ-আদালত বন্ধ দিবলৈ নিৰ্দ্দেশ দিলে। গুৱাহাটীৰ "অল ইণ্ডিয়া ৰেডিয়'ৰ দ্বাৰা সেই দিনাই সেই শোকৰ বাৰ্ত্তা প্ৰচাৰিত হল। অসম-বিধান সভাৰ ক্ৰমণিকা মতে কাৰ্য্য চলি থাকোঁতেই প্ৰভুবিহীনৰ বজ্ৰপাততুল্য বাতৰি পাই সভাৰ কাৰ্য্য স্থগিত ৰাখে আৰু সকলো সভা মৰ্ম্মাহত হৈ আধ্যাত্মিকতাৰ প্ৰতীক প্ৰভুৰ অকাল আৰু আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰি মৌনভাৱে থিয় হৈ প্ৰস্তাৱ গ্ৰহণ কৰে। লাহে-লাহে চৌদিশৰপৰা শোকসমবেদনা-জ্ঞাপক চিঠি-পত্ৰ-টেলিগ্ৰাম আৰু ৰাজহুৱা সভাৰ শোকপ্ৰস্তাৱাদি আহিবলৈ ধৰিলে। দুখেৰেজাৰে ম্ৰিয়মান শিষ্য সমূহৰ সোঁত বলিবলৈ ধৰিলে। প্ৰভু আছিল জিতেন্দ্ৰিয় আৰু ভক্তবৎসল। সেই হে, কি অসমীয়া, কি বঙালী, কি মাৰোৱাৰী সকলো ধৰ্ম্মপ্ৰাণ হিন্দুকে প্ৰভুৰ অন্তৰ্দ্ধানে শোকে-দুখে বিহ্বলকৈ পেলাইছিল।

স্কুল-কলেজ অফিচাদি বন্ধ হল।

যোৰহাটৰ "জনম ভূমি" কাকতে প্ৰভুৰ আধ্যাত্মিক জীৱনৰ চমু আভাস এটা দি 'শ্ৰীশ্ৰী হৰিদেৱ গোস্বামী এটি মহাজীৱনৰ" প্ৰতি বিয়োগাত্মক সম্পাদকীয় প্ৰবন্ধেৰে অশ্ৰু-অৰ্ঘ্য অৰ্পণ কৰিলে। সেই অনুৰূপেই "নতুন অসমীয়া" আৰু আন-আন কাকতেও প্ৰভু হানি হোৱাত চমু টোকা একোটিৰে শোক প্ৰকাশ কৰিলে।

বাতৰিকাকতত বিয়োগাত্মক প্ৰবন্ধ।

শোক প্ৰকাশৰ চিঠি জাপ-জাপ। তাৰ ভিতৰৰে অসম-বিধান সভাত গৃহীত হোৱা শোক প্ৰকাশৰ প্ৰস্তাৱ লিখি পঠিৱা খনেই সৰ্ব্বপ্ৰধান। তথাপি, প্ৰতিনিধিমূলক স্বৰূপে তিনিখন চিঠি উদ্ধৃত কৰি দিয়া হল ঃ

"আধ্যাত্মিকতাৰ প্ৰতীক"
— অসম বিধান সভা।

প্ৰথম খন ঃ—

"অসমৰ প্ৰবীণ নেতা, অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি আৰু ভূতপূৰ্ব্ব বিত্ত আৰু শিক্ষা মন্ত্ৰী" শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা ডাঙৰীয়াই দিয়া। তেখেত দক্ষিণপাটৰ শিষ্যও। শৰ্ম্মা ডাঙৰীয়াই লেখিছিল ঃ—

"বিৰাট আধ্যাত্মিক শক্তি অন্তৰ্হিত হল।
—দেৱেশ্বৰ শৰ্ম্মা।

"এটা বিৰাট আধ্যাত্মিক শক্তি আচম্বিতে অন্তৰ্হিত হল। পুণ্যশ্লোক গড়মূৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ বৈকুণ্ঠীৰ পাচতে, অসমৰ সমাজ-জীৱনত এইটোৱেই আটাইতকৈ ডাঙৰ

দুৰ্ঘটনা। সমাজৰ নৈতিক শৃংখলা ৰক্ষা আৰু পুনৰ আধ্যাত্মিক জাগৰণৰ পক্ষে অতি জৰুৰী সময়তে প্ৰকাশ উন্মুখ এই তেজোদ্দীপ্ত আধ্যাত্মিক শক্তিৰ অন্তৰ্ধানত অসমীয়া হিন্দু সমাজৰ অপূৰণীয় ক্ষতি হল।"

দ্বিতীয় খন ঃ

"অপূৰণীয় ক্ষতি হল" —মোহনচন্দ্ৰ মহন্ত।

অসম-সত্ৰ-সংঘৰ প্ৰধান সম্পাদক শ্ৰীযুত মোহন চন্দ্ৰ মহন্ত বি-এল দেৱে প্ৰভুৰ বিয়োগ-বাৰ্তাৰ পোৱা মাত্ৰেই লেখা ঃ –

" অসমৰ এটা অপূৰণীয় ক্ষতি হল।"

তৃতীয় খন ঃ—

"লীলাংশাৱতাৰী পুৰুষ"— —ৰাজমোহন নাথ।

তৃতীয়খন আহিছিল কাচাৰ জিলাৰ হাইলাকান্দী অধিবাসী অসমীয়া সাহিত্যসেবী, গ্ৰন্থকাৰ, যোৰহাট ধলৰ সত্ৰৰ শৰণীয়া শিষ্য, প্ৰত্নতাত্ত্বিক পণ্ডিত, ইঞ্জিনীয়েৰ শ্ৰীৰাজমোহন নাথ তত্ত্বভূষণৰপৰা ঃ—

"আমি বিশ্বাস কৰোঁ, এই ভাৰতভূমিত যুগে-যুগে "দেৱতা মানুষ হয়---মানুষ দেৱতা।" একেই ভাবেই মানৱ আকৌ দানৱ হয়, দানৱ মানৱ। কুৰুক্ষেত্ৰৰ সমৰাঙ্গনত শৰশয্যাশায়ী কুৰুবৃদ্ধ পিতামহ ভীষ্মক শ্ৰীকৃষ্ণই চৰণ ছুই প্ৰণাম কৰোতে ভীষ্মই আপত্তি জনাইছিল। তেতিয়া শ্ৰীকৃষ্ণই ভীষ্মৰ আত্মবিসৰ্জ্জন, পিতৃভক্তি, জিতেন্দ্ৰিয়তা আদি গুণ বৰ্ণাই কৈছিল ঃ—

"বিৰাট গগনস্পৰ্শী মুৰতি যাহাৰ
তাৰ পদতীৰ্থে নাহি প্ৰণমিয়া হায়
নমিব মানৱ আমি চৰণে কাহাৰ?"

তেতিয়া ভীষ্মই উত্তৰ দিছিল ঃ—

মানৱ! মানৱ তুমি! তুমিও মানৱ!
দেৱতাৰ উৰ্দ্ধে তবে মানৱেৰ স্থান
ৰবি-শশী-বালুকণা পাৰাবাৰ কূপ
বল্মীকেৰ স্তূপ তাৰ গিৰি হিমবান"

গীতাত শ্ৰীকৃষ্ণই কৈছে ঃ -

"অৱ জানন্তি মাং মূঢ়া মানুষীং তনুমাশ্ৰিতম্
পৰং ভাবম জানন্তো মম ভূত মহেশ্বৰম।"

মূঢ় জ্ঞানীসকলে বিভ্ৰান্ত চিত্ত হোৱাৰ কাৰণে সৰ্ব্বভূতৰ মহান্ ঈশ্বৰৰূপ মোৰ পৰমতত্ত্ব নাজানি মানৱ-দেহাধাৰী মোক অৱজ্ঞা কৰে। সেই যুগতো মানৱ দেহাধাৰী ভগৱন্তক চিনিব পাৰিছিল---ভীষ্ম আৰু উদ্ধৱে আৰু কিঞ্চিৎ চিনিছিল অৰ্জ্জুনে। বৰ্ত্তমান যুগত, বিজ্ঞানৰ মৃগতৃষ্ণাৰ পমখেদা হিন্দুসংস্কৃতি—বিমুখ যুগৰ--বিশেষকৈ অসম হেন দেশত - নৰদেহা আশ্ৰয় কৈ লীলা কৰা ভগৱন্তক চিনিবলৈ কেই জনে নো যতন কৰে? কিন্তু লোকে চিনোক বা নিচিনোক, অৱজ্ঞা কৰোক বা ভক্তি কৰোক, এই যুগতো পৰম কাৰুণিক মঙ্গলময় ভগৱন্তই জীৱৰ মঙ্গলৰ হকে নানা ভাবে নৱ দেহা আশ্ৰয়কৈ লীলা কৰি নিজ ইচ্ছানুসাৰি যথাসময়ত অন্তৰ্হিত হৈ যায়। দক্ষিণপাট সত্ৰাধিকাৰ শ্ৰীশ্ৰী হৰিদেৱ গোস্বামী প্ৰভু আছিল তেনে বিধ লীলাংশাৱতাৰী পুৰুষ। অসম ভূমিত অৱতীৰ্ণ হোৱা হেতু নীৰৱে লীলাকৈ নীৰৱে অন্তৰ্দ্ধান হল। মোৰ নিচিনা ক্ষুদ্ৰ দু-এজনক মৰমকৈ যি পদাঙ্ক ৰেখা ৰাখি গল, তাকেই স্মৰি এতিয়া চকুলো টুকিছোঁ।"

শ্ৰীশ্ৰী হৰিদেৱ গোস্বামী প্ৰভুৰেসৈতে যি ক্ষন্তেক মাথোন চাক্ষুষ আলাপ কৰিবলৈ পাইছিল তেওঁ যে চিৰ জনমলৈ প্ৰভুক পাহৰিব নোৱাৰিছিলেই নে, প্ৰভু-দৰ্শনৰ স্মৃতিটোও যাউতি-যুগীয়া কৰি থৈ যাবলৈ বিচেষ্টাত প্ৰাণ থোকি-বাথো লাগিছিল।

"শান্তি স্বৰূপ গোস্বামী-কুলভূষণ" —মহাদেৱ গিৰিশম্ভু।

সুদূৰ উত্তৰ ভাৰতৰ অখিল ভাৰতবৰ্ষীয় গোস্বামী মহাসভাৰ হৈ সমাজসেবক "মহাদেৱ গিৰি শম্ভুৱে" শান্তিৰ প্ৰতীক হৰিদেৱ গোস্বামীৰ বিশ্ববিশ্ৰুত অলৌকিক গুণৰাজিত তন্ময় হৈ এইখনি অভিনন্দন পত্ৰেৰে প্ৰভুক সাতসেৰা জনাইছিল ঃ—

শ্ৰীশ্ৰীহৰিদেৱ প্ৰশস্তি


"সন্ত শিৰোমণি, পৰম উদাৰ, শান্তি স্বৰূপ,
গোস্বামীকুলভূষণ "হিজ হলিনেস্" শ্ৰীশ্ৰীহৰিদেৱ
দক্ষিণপাট সত্ৰাধিকাৰ গোস্বামী, যোৰহাট (আসাম)।



৺হবিদের গোস্বামী বাল্যরস্থাত



৺হবিদের গোস্বামী ছাত্রারস্থাত



ডেকা অধিকাৰ শ্ৰীশ্ৰীৰমানন্দ দেৱ গোস্বামী

যোগীকুলকমল দিবাকৰ গুণ আকৰ সো
শমদম পয়োধিযশ জগ মে অনন্ত হৈ।
কলুষ নশাৱনি ছবি ছাকতি মনোজদ্যুতি,
ৰজতি বিভূতি পুতিনখ শিখ পৰ্য্যন্ত হৈ।
দয়া দান ধৰ্ম্মনিতলপটত শৰীৰ সংগ,
অনুপম উদাৰতা তৈ ফাৰত দিগন্ত হৈ।
নৈনন কনোনিকা কে কোৰণ কৰোৰণ দুখ
দেখত, "শম্ভু" ভাজৈ ধন্য হৰিদেৱ জী মহন্ত হৈ।"

হোলোঙাপাৰ, হাতীগড় আৰু চাওখাত মৌজা নিবাসী প্ৰভুৰ আশীষাকাঙ্ক্ষী বাইজৰ হৈ অভিনন্দন পত্ৰ

পৰম পূজ্যপাদ শ্ৰীল শ্ৰীশ্ৰীযুক্ত দক্ষিণপাটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰী হৰিদেৱ দেৱ গোস্বামী প্ৰভুৰ পৰম পাদ-পদ্মেষু।

পৰম পূজনীয় প্ৰভো,

হোলোঙাপৰীয়া বাইজৰ অভিনন্দন।

পৰাধীন ভাৰতৰ অশেষ দুখদৈন্য নানান্ সামাজিক বিভ্ৰাট, উৎকট ৰাজনৈতিক অসুবিধাৰ মাজত হিন্দু জাতিয়ে কাল যাপন কৰিব লগা হৈছে। কোনো কোনোৱে বিদেশী বিজতৰীয়া শিক্ষাত শিক্ষিত হৈ আৰু অনেকেই নিৰক্ষৰতাৰ অন্ধকাৰত আৱদ্ধ হৈ কোনটো সুগম পথ ঠিক কৰিব নোৱাৰি আনৰ প্ৰৰোচনাত পৰি হিন্দু ধৰ্ম্ম ত্যাগ কৰি ইস্লাম-খৃষ্টান আদি ধৰ্ম্মত দীক্ষিত হৈছে। এনে সময়ত প্ৰভুৱে সত্ৰৰপৰা চহৰলৈ ওলাই অহাত আমি আনন্দিত হৈ ভক্তিপ্ৰণত চিত্তে অভিনন্দন জনাইছোঁহঁক।

অসমৰ পবিত্ৰ ভাগৱতী ধৰ্ম্ম প্ৰচাৰক ত্যাগোদীপ্ত ধৰ্ম্মাচাৰ্য্য শ্ৰীশ্ৰী দেৱ দামোদৰৰ সত্ৰ সমূহৰ ভিতৰত সৰ্ব্বপ্ৰধান দক্ষিণপাট সত্ৰ,—যি সত্ৰৰ যোগেদি শ্ৰীশ্ৰী বনমালী দেৱৰ দিনৰেপৰা শিষ্যসকলৰ মাজত ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰি নানান্ জাতীয় অনুষ্ঠানত সহায় কৰি প্ৰত্যেক গৰাকী অধিকাৰ পুৰুষেই অসমৰ ধৰ্ম্ম-গৌৰৱ ৰক্ষা কৰি আহিছে। বিশেষকৈ শ্ৰীশ্ৰী নৱদেৱ গোস্বামী প্ৰভুৱে অসম-সাহিত্য-সভালৈ ৫০০০, টকা দান দি অসমীয়া সাহিত্যৰ উন্নতিকল্পে সহায় কৰাৰ লগে-লগে সংস্কৃত শিক্ষাৰ নিমিত্তেও বিশেষ যত্ন কৰিছিল। মেলেং সংস্কৃত-টোলত যথাসাধ্য আৰ্থিক সহায় কৰাৰ উপৰিও প্ৰভুৱে ধৰ্ম্মাৰ্থ দীপিকাৰ যোগেদি গো জাতিৰ উন্নতিকল্পে প্ৰচাৰ কৰিছিল। বিহাৰ ভূমিকম্প আৰু মাজুলীৰ বানপানী প্ৰপীড়িত সকলক মুকলি হাতেৰে দান দি সাধ্যমতে সহায় কৰিছিল।


বৰ্ত্তমান প্ৰভুৱে যোৰহাট কলেজ-প্ৰমুখ্যে ভালেমান সাৰ্ব্বজনীন অনুষ্ঠানলৈ আৰ্থিক দান দি নিজৰ ধন ভাঙি কানি-নিবাৰণী গোহাৰী প্ৰচাৰৰদ্বাৰা মাদকতা বৰ্জ্জন আন্দোলনত কাৰ্য্যকৰী সহায় কৰি গৃহনিৰ্ম্মিত পুনৰুদ্ধাৰ আৰু স্বদেশী প্ৰচলন আন্দোলনত আন্তৰিক সহানুভূতি দেখুৱাই দেশৰ উন্নতিৰ হকে সৱল চিত্তে প্ৰযত্ন কৰাত দেশবাসীৰ বিশেষ শ্ৰদ্ধা—ভক্তিৰ পাত্ৰ হৈছে। কাকজান হাই স্কুল, নামতীদ'ল হাই স্কুল, মেলেং কাঠগাওঁ মিলন সমিতিৰ প্ৰতিও প্ৰভুৱে যথাসাধ্য আৰ্থিকদান দিছিল। সদৌ বাইজৰ লগতে স্থানীয় অনুষ্ঠান দুটিৰ হৈয়ো প্ৰভুৰ পাদপদ্মত সেৱা জনোৱা হৈছে।

সংস্কৃত শিক্ষাই হৈছে হিন্দুৰ হিন্দুত্ব ৰক্ষা আৰু হিন্দু সংস্কৃতি বিকাশৰ ঘাই প্ৰস্ৰৱণ। এই নিমিত্তেই হবলা, সংস্কৃত ভাষা বাদে কোনো ভাৰতীয় ভাষাকে চৰ্চ্চা কৰিব নোৱাৰি। সম্প্ৰতি সানুনয়ে প্ৰাৰ্থনা এই যে হিন্দুধৰ্ম্ম আৰু সংস্কৃত ভাষা বিস্তাৰৰ অৰ্থে অসমৰ দাঁতি কাষৰীয়া ঠাইবিলাকলৈ যেন প্ৰভুৱে বিশেষ ভাৱে দৃষ্টি ৰাখে।

সামৰণিত সকলো বাইজৰ হৈ পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰোঁহঁক যাতে প্ৰভুৱে মহামুনি শুকদেৱৰ দৰে ভাগৱতী ধৰ্ম্ম প্ৰচাৰপূৰ্ব্বক অনুন্নত জাতি সমূহৰো উন্নতি বিধান

কৰি হিন্দু ধৰ্ম্মৰ সৰ্ব্বাঙ্গীন উন্নতি সাধি হিন্দু জাতিৰ গৌৰৱ কৰিবলৈ সমৰ্থবান হয়। ইতি। ১৮ মাঘ, ১৮৬১ শক। ইং ৩১।১।১৯৪০ চন।

শ্ৰীনবনাৰায়ণ গোস্বামী, মেলেং সংস্কৃত টোল; ডিম্বেশ্বৰ গোস্বামী, মেলেং; শ্ৰীপ্ৰমোদচন্দ্ৰ বৰকটকী, কাকজান; শ্ৰী ৰাধানাথ শৰ্ম্মা বৰুৱা, হাতীগড়; শ্ৰী ধৰ্ম্মেশ্বৰ পূজাৰী, মেলেং; শ্ৰী নাৰায়ণচন্দ্ৰ বৰা, কাঠগাওঁ; শ্ৰী নীলকুমাৰ বৰা, কাঠগাওঁ; শ্ৰী আনন্দচন্দ্ৰ বৰুৱা, মেলেং; শ্ৰী লক্ষেশ্বৰ গোস্বামী; মেলেং; শ্ৰীদত্তদেৱ গোস্বামী, দিহা, শ্ৰী মহেশ্বৰ বৰকটকী, পীৰাকটা; শ্ৰী লক্ষ্মীনাৰায়ণ শৰ্ম্মা, চাওখাত; শ্ৰী মুক্তেশ্বৰ গোবামী, মেলেং; শ্ৰী কুমুদেশ্বৰ বৰা, টীয়ক; শ্ৰী পদ্মেশ্বৰ গোবামী, মেলেং, শ্ৰী কমলচন্দ্ৰ দত্ত, ঢেকীয়াখোৱা; শ্ৰী ভুবনেশ্বৰ বৰা, কাঠগাওঁ; শ্ৰী সুৰেন্দ্ৰনাথ বৰা, লাহদৈগড়; শ্ৰী ভদ্ৰেশ্বৰ বৰদলৈ, চাওখাত।



শ্ৰীশ্ৰীবমানন্দ দেৱ গোস্বামী (ডেকা অধিকাব সাকোঁতে)



শ্রীশ্রীবমানন্দ দেব গোস্বামী
বর্ত্তমান সত্রাধিকাব

শ্ৰীশ্ৰীৰমানন্দদেৱ গোস্বামী

১৮৮৫ শক—

১৮৮৫ শকৰ ২৫ ফাগুনৰ দিনা চলাজনা প্ৰভুৰ আদ্যশ্ৰাদ্ধাদি কাৰ্য্য সুসম্পন্ন হোৱাৰ পিচতে ডেকা অধিকাৰ শ্ৰীশ্ৰীযুক্ত ৰমানন্দদেৱ দেৱ গোস্বামীক নিৰ্ম্মালি দি মহা সমাৰোহেৰে দক্ষিণপাট সত্ৰৰ পঞ্চদশ ধৰ্ম্মাধিকাৰীৰ পদত অভিষিক্ত কৰা হয়। অধিকাৰৰ নিৰ্ম্মালি দিয়ে আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীযুক্ত হেমচন্দ্ৰ দেৱ গোস্বামী আৰু গড়মূৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীযুক্ত কৃষ্ণকান্ত দেৱ গোস্বামী আমন্ত্ৰিত প্ৰভুদ্বয়ে। শৰীৰ বিধাৱণ থকা হেতুকে নিমন্ত্ৰণ পায়ো কুৰুৱাবাহী সত্ৰাধিকাৰ গোস্বামী প্ৰভু আহিব নোৱাৰিলে। তথাপি প্ৰভুৰ প্ৰতিনিধি ৰূপে তদ্‌পুত্ৰদ্বয় শ্ৰীযুক্ত গোপালচন্দ্ৰ দেৱ গোস্বামী আৰু শ্ৰীযুত গোবিন্দচন্দ্ৰ দেৱ গোস্বামী উভয়ে ৩।৪ দিনৰ আগতে আহি অভিষেক উৎসৱত সৰ্ব্বপ্ৰকাৰে সহযোগ কৰেহি।

দুপৰীয়া আদ্যশ্ৰাদ্ধ আৰু শ্ৰাদ্ধৰ আনুষাংগিক কাৰ্য্য প্ৰায় ১১ বাজি যোৱাতেই শেষ হয়। শেষ হোৱাৰ লগে-লগেই পৰ্ম্পাপৰ চলিঅহা চাৰিসত্ৰীয়া নীতি নিয়ম-অনুযায়ী নিৰ্ম্মালি দানৰ কৃত্যখিনি কৰা হয়। নিৰ্ম্মালি দিয়েই আউনীআটী-গড়মূৰৰ প্ৰভুসকল মটৰেৰে স্ব স্ব সত্ৰাভিমুখে প্ৰত্যাবৰ্ত্তন কৰে। আহি পাওঁতেই কৰাপাটৰপৰা যেনেকৈ প্ৰভুসকলক গায়নে-বায়নে আগবঢ়াই আদৰি অনা হৈছিল, যাওঁতেও তেনেকৈ ৰীতি-অনুসৰি গায়ন-বায়নেৰে আগবাঢ়ি গৈ বিদায় দিয়া হৈছিল।

সিপিনে, সত্ৰৰ ভকত আৰু স্থানীয় ৰাইজেৰে গঠিত শুশ্ৰূষা সমিতিৰ তত্ত্বাৱধানত শ্ৰাদ্ধলৈ অহা অপৰ্য্যাপ্ত লোকক সুধি-পুচি সে-জলপান খুৱাই বিদায় দি থকা হৈছে আৰু ইপিনে ভিতৰ কৰাপাটৰ মুখতে বিয়লি ৩ মান বজাৰপৰা ব্ৰাহ্মণ-সজ্জনসকলক দক্ষিণা দিবলৈ আৰম্ভ কৰিছে। নিশা ৯ বাজি গল, তেতিয়া হে প্ৰভু দক্ষিণা দিয়াৰপৰা আজৰি হব পাৰিছে। এনে অব্যবহিত কৰ্ম্মব্যস্ততাত থকা সত্ত্বেও প্ৰভুক অলপ মানো ক্লান্ত হোৱা দেখা নগল।

প্ৰভু শ্ৰীশ্ৰীবনমালী দেৱ-হন্তে প্ৰভু শ্ৰীশ্ৰীহৰিদেৱ পৰ্য্যন্ত যি গছি ধৰ্ম্ম-বন্তি অখণ্ড ভাৱে জ্বলি আহিছে সেই গছি বন্তিৰে জ্বলাই থকাৰ গুৰুত্বকৈও গুৰুভাৰ পৰিছেহি বৰ্ত্তমান অধিকাৰ গোস্বামীৰ গাত। প্ৰভু ঈশ্বৰৰ "ৰাজত্ব কাল" আৰম্ভ হৈছে হে, লিপিবদ্ধ কৰিব লগীয়া কাৰ্য্যাবলীৰ আৰম্ভ কৰিবৰ নৌ হয় এথোন। তথাপি, গাদ্যাৰোহণ কৰিয়েই প্ৰভুৱে সত্ৰৰ দানশীলতা আৰু মহানুভৱতাৰ ঐতিহ্য ৰক্ষা কৰিবলৈ অকুণ্ঠিত ভাৱে আগ বাঢ়ি আছে। জয়ে-জয়ে কোচবেহাৰত থকা বৈকুণ্ঠপুৰ সত্ৰ সংস্কাৰৰ অৰ্থে নগদ ৫০০০, টকা, মাজুলীৰ কমলাবাৰী কলেজৰ নিমিত্তে স্বৰ্গগীজনা প্ৰভুৰ প্ৰতিশ্ৰুত নগদ সাহায্য, ১৮৮৭ শকৰ প্ৰলয়ঙ্কৰী বানপানীত দুৰ্দ্দশাগ্ৰস্ত হোৱা গোহাঁইগঞা ৰাইজলৈ একেলগে ১৫০০, টকা, লাহিং হাই-স্কুললৈ ১৫০০, মাজুলী শালমৰাৰ প্ৰপীড়িতলৈ ৩০০, প্ৰতিৰক্ষা পুঞ্জিলৈ ২০২৫, টকা কলাবাৰীত শিক্ষানুষ্ঠানৰ নিমিত্তে ৪০ বিঘা মাটি—এই বিলাক দানতে পানীৰ চিন ভেটত ওলোৱা-দৰে প্ৰভুৰ উদাৰতা-চিন ওলাই আছে। এইবিলাকৰ উপৰিও, অনুল্লেখনীয়া দান-সাহায্যও লেখত নলব লগীয়া নহয়। চাৰিউফালৰপৰা হেঁচা খাই আয়-উৎপন্নৰ বাট দিনক দিনে সঙ্কুচিত হৈ অহা সত্ত্বেও প্ৰভুৱে যে ইমানকে ৰাইজৰ হিতাৰ্থে আগ বঢ়াব পাৰিছে, সেয়ে বহুত আৰু মহৎ বুলি কব লাগিব।

অধিকাৰ প্ৰভুৰ প্ৰাৰম্ভিক জীৱন-যাত্ৰাৰ দুটিমান মাথোন উল্লেখযোগ্য কেঁকুৰি ইয়াতে সন্নিৱিষ্ট কৰি থোৱা হল :—

১৮৪৮ শকৰ শাওণত জন্মগ্ৰহণ।

১৮৫৯ শকৰ ৩ জেঠত উপবীত গ্ৰহণ।

১৮৬৪ শকৰ ৩ ফাগুনত দীক্ষা গ্ৰহণ।

১৮৭০ শকৰ ৪ আহিনত গয়া-গঙ্গা-কাশী-বৃন্দাবন-পুৰুষোত্তম ক্ষেত্ৰ (জগন্নাথ) প্ৰভৃতি তীৰ্থ দৰ্শন। সঙ্গী ভকত আছিল :—শ্ৰীধীৰেশ্বৰ দেৱশৰ্ম্মা, শ্ৰীৰুদ্ৰনাথ শৰ্ম্মা, শ্ৰীসোণাৰাম শৰ্ম্মা, শ্ৰীগোলাপচন্দ্ৰ গায়েন, শ্ৰীসোণাৰাম বায়েন আৰু শ্ৰীসৰুলৰা বৰা।

প্ৰভু কঠোৰ নিয়মতান্ত্ৰিক আৰু সদায় সত্ৰশিষ্যৰ উন্নতিবিধায়ক চিন্তাত মগ্ন। বাৰাণসীত সংস্কৃত শিক্ষাপ্ৰাপ্ত আৰু তীৰ্থভ্ৰমণৰ দ্বাৰাই অভিজ্ঞতালব্ধ হোৱা বাবে প্ৰভুৰ দৃষ্টিভংগী বহুল আৰু সৰ্ব্বভাৰতীয়। সাহিত্য-সংগীতৰ প্ৰতি অনুৰাগ প্ৰভুৰ জন্মতে লাগি অহা। চুতীয়া সম্মিলনৰ মুখপত্ৰ "ভ্ৰমৰ" আৰু নগাৱঁৰপৰা প্ৰকাশিত "আকাশী গংগা" আদি আলোচনী কাকতত সুচিন্তিত প্ৰবন্ধাদি লেখি সুনাম আৰ্জ্জিছে। সম্প্ৰতি, সকলোৱে বুজিব পৰাকৈ কোমল অসমীয়া গদ্যেৰে শ্ৰীমদ্ভাগৱত খনো লেখি সমাপ্ত কৰিছে। সংগীতত প্ৰভুৰ ইমান ৰাপ যে কোনো-কোনো গীতৰ বোল ফুটাব পৰাকৈ প্ৰভুৱে নিজেই একোটা সুৰবন্ধা বাদ্য-যন্ত্ৰ সাজি উলিয়াইছে। ওজা-পালী, গায়ন-বায়ন, গীতৰ সুৰসঞ্চাৰ আৰু অভিনেতা সকলৰ অংগভংগী-মুদ্ৰাদি নতুন পদ্ধতিৰে পৰিচালনা কৰি প্ৰভুৱে সত্ৰীয়া সংগীত-নৃত্য কলা-কৃষ্টি ক্ৰমান্বয়ে সংস্কৃত কৰি আনিছে।


কিন্তু, গভীৰ পৰিতাপৰ বিষয় যে প্ৰাক্ বৃটিছ আৰু বৃটিছযুগীয়া ৰাজতন্ত্ৰ প্ৰদত্ত পৃষ্ঠপোষকতা, সমাজ-ধৰ্ম্মানুশাসনৰ একচ্ছত্ৰিত্ব আৰু ৰজা-প্ৰজা সকলোৰে হৃদয় উপচিযোৱা বিমল ভক্তিৰ সমন্বয়ত যোৱা তিনি শ বছৰে দক্ষিণপাট সত্ৰৰ যি মহিমাময় বুৰঞ্জী সৃষ্টি হল, সেই বুৰঞ্জীৰ কেইটিমান অধ্যায় নৱলব্ধ স্বাধীনতাৰ আদৰ্শ-প্ৰভাৱত ম্লান পৰি অহা যেন অনুমিত হৈছে। আজি মৰীচিকাময় যান্ত্ৰিক সভ্যতাৰ মহামোহ আৰু মানৱীয় নীতি-সদাচাৰ-ভ্ৰষ্ট অনীশ্বৰবাদিতাৰ বিৰাট প্ৰদৰ্শনীয়ে ৰাজকীয় অনুদ্যোগিতাৰ নলেগলে লাগি আধ্যাত্মিক-পাৰত্ৰিক চিন্তা-গৱেষণা—প্ৰসাৰ-পৰিবৰ্দ্ধনত মাধমাৰ বহুৱাইছে। সিমানেই নহয়, ধৰ্ম্মনৈৰপেক্ষিক শিথিল ৰাষ্ট্ৰতন্ত্ৰই সনাতন বৈদিক ধৰ্ম্মৰ ক্ষেত্ৰ সমূহত একোটা-একোটা অগ্নি-গড় মৰা যেন লাগিছে। এনে উভয়সংকট বিভ্ৰাটৰ মাজত অধিষ্ঠিত হৈছে প্ৰভু শ্ৰীশ্ৰীৰমানন্দ দেৱ গোস্বামী দক্ষিণপাট সত্ৰৰ ধৰ্ম্মগাদীত—ব্ৰহ্মমূৰ্ত্তিৰূপে। সন্মুখত দণ্ডায়মান অগ্নি-গড়ত মহাপ্ৰভু শ্ৰীশ্ৰীযাদৱৰায়ে যেন মেঘপুষ্প বৰ্ষণ কৰক।


জয়তু ' যাদৱৰাই

দক্ষিণপাটীয় সত্ৰাধিকাৰ গোস্বামীসকলৰ ভোগ-তালিকা

ক্ৰমিক সংখ্যা	অধিকাৰ গোস্বামীৰ নাম	পাটত বহা শক	ভোগকাল	স্বৰ্গাৰোহণৰ শক	তিথি
১।	শ্ৰীশ্ৰী ৺বনমালীদেৱ	১৫৮৪	২১ বছৰ	১৬০৫	আহিন, শুক্লা সপ্তমী।
২।	শ্ৰীশ্ৰী ৺ৰামদেৱ	১৬০৫	১০ বছৰ	১৬০৫	কাতি, শুক্লা একাদশী।
৩।	শ্ৰীশ্ৰী ৺কৃষ্ণদেৱ	১৬২৫	১১ বঃ ৭ মাহ	১৬৩৫	বহাগ, কৃষ্ণা চতুৰ্দ্দশী।
৪।	শ্ৰীশ্ৰী ৺আত্মাদেৱ	১৬৩৫	১২ বঃ ১০ মাহ	১৬৪	বহাগ, কৃষ্ণা প্ৰতিপদ।
৫।	শ্ৰীশ্ৰী ৺কামদেৱ	১৬৪৮	২৮ বঃ ১১ মাহ	১৬৭৬	আঘোণ, কৃষ্ণাষ্টমী।
৬।	শ্ৰীশ্ৰী ৺সহদেৱ	১৬৭৬	৮ বঃ ৩ মাহ	১৬৮৪	মাঘ, কৃষ্ণা ত্ৰয়োদশী।
৭।	শ্ৰীশ্ৰী ৺ৰ[illegible]দেৱ	১৬৪৮	১৮ বছৰ	১৭০২	মাঘী পূৰ্ণিমা।
৮।	শ্ৰীশ্ৰী ৺বিষ্ণুদেৱ	১৭০২	৩৯ বঃ ৯ মাহ	১৭৪২	আহাৰ, কৃষ্ণা পঞ্চমী।
৯।	শ্ৰীশ্ৰী ৺বিভুদেৱ	১৭৪২	৭ বঃ ৯ মাহ	১৭৫০	ফাগুন, শুক্লা সপ্তমী।
১০।	শ্ৰীশ্ৰী ৺বাসুদেৱ	১৭৫০	৪২ বঃ ৯ মাহ	১৭৯২	কাতি, কৃষ্ণা ষষ্ঠী।
১১।	শ্ৰীশ্ৰী ৺শুভদেৱ	১৭৯২	২৬ বঃ ৩ মাহ	১৮১৭	৩ মাঘ, শুক্লা দ্বিতীয়া।
১২।	শ্ৰীশ্ৰী ৺নৱদেৱ	১৮১৭	৩১ বঃ ৩ মাহ	১৮৪৮	১৪ চ'ত, কৃষ্ণা একাদশী।
১৩।	শ্ৰীশ্ৰী ৺নাৰায়ণদেৱ	১৮৪৮	১২ বঃ ১০ মাহ	১৮৬০	১৩ পুহ, শুক্লাষ্টমী।
১৪।	শ্ৰীশ্ৰী ৺হৰিদেৱ	১৮৬০	২৫ বঃ ৩ মাহ	১৮৮৫	১৫ ফাগুন, কৃষ্ণা প্ৰতিপদ।
১৫।	শ্ৰীশ্ৰী ৰমানন্দদেৱ	১৮৮৫			ভোগ চলি আছে

শ্ৰীশ্ৰীদক্ষিণপাটীয় গোস্বামীৰ বংশতৰু





টোকা ঃ—অধিকাৰ হোৱাসকলৰ আগত সংখ্যা দিয়া হৈছে।

পৰিশিষ্ট

পৰিশিষ্ট—ক

প্ৰভু দেৱ দামোদৰৰ বন্দনা

(১)

শ্ৰীশ্ৰী দামোদৰায় নমঃ

স্তোত্ৰ

ওঁ গুণত্ৰয়ং সমুদ্ভূতং ব্ৰহ্মাবিষ্ণুশিৱাত্মকম্
মন্ত্ৰাণাং পৰমং বীজমোংকাৰায় নমো নমঃ।

দা। দাকাৰং দামি ভমধ্যে ববন্ধ জননীপুৰো
দাস্য প্ৰদত্ত ভক্তানাং দাকাৰায়ো নমো নমঃ।

মো। ময়ুৰপুচ্ছ গৰ্ভাভং মধুৰস্মিত ভাষণম্
মোহনীয় ৰোপতঃ সান্তং মোকাৰায় নমোনমঃ।

দ দকাৰং দশাভিপূৰ্ণং নৰানাং লক্ষণ যস্য চ
দয়া ধৰ্ম্ম যশোপেতং দকাৰায় নমোনমঃ।

ৰা। ৰাকাৰং ৰাগ হিংসাদি মান পৈশুন্যোবৰ্জ্জিতম্
ৰাম নাম ৰতং সান্তং ৰাকাৰায় নমো নমঃ।

য় যকাৰং যত্তদুৎংঘ্নং যস্য নামানুকীৰ্ত্তনম্
যমলাৰ্জ্জুন হন্তাৰং যকাৰায় নমো নমঃ।

ন নকাৰং নৰৰূপুষং নৱধা ভক্তি ভাবিতম্
নাস্তিত্বং প্ৰতিমাল্লোকে নকাৰায় নমো নমঃ।

মঃ মকাৰং মাতাগ্ৰং সেবাং শিখি চন্দ্ৰান্তকং শুভম
মহাপ ভৰ ভংভাগং মকাৰায় নমো নমঃ

ঃ নাদবিন্দু সমাকীৰ্ণং বিন্দু নাদান্তৰস্থিতং
স্বৰব্যঞ্জন ৰূপং তং বিসৰ্গায় নমো নমঃ।
ইদং দামোদৰ স্তোত্ৰং ত্ৰিসন্ধ্যা যঃ পঠেৎ সদা
স্থিৰ লক্ষ্মী ভবেৎ তস্য মতিৰ্ধৰ্ম্ম চ নিৰ্ম্মল

(২)

বন্দে গুৰুং দামোদৰম্ কলিকলুষদলনম্
ভক্তজন সমাবৃতম্ জন মনোৰঞ্জনম্।

দুৰীত প্ৰণাসনম্ ভবভয়তাৰণম্
দেবদেব পৰাৎপৰম্ যমভয় হৰণম্

ভবদীয় গুণতত্ত্বম্ সুৰমুনিগণগীতম্
বেদবেদাংগ পুৰাণম্ শ্ৰুতিতত্ত্ব প্ৰণিতম্

নিখিল জগত চিন্তনীযম তন্মুখ নিগত নাম
প্ৰভু কৃপাময়ং গুৰুম্ যস্য নিৰ্ম্মল সংগম।

ইদং সৰ্ব্ব গুৰুময়ম্ ব্ৰহ্মাবিষ্ণু শিৱাত্মকম্
নাস্তি গুৰু পৰং চান্যৎ তস্মাৎ সংপূজয়েদ গুৰুম।

নাশয়ন্ কলিকল্মষম্ নয় ভৱাব্ধি পাৰম্
নাহং জানে কৃপাময় ত্বাং বিনা ইহ সংসাৰম্

কৰ্ত্তা হৰ্ত্তা চ সৰ্ব্বজ্ঞো মোক্ষ প্ৰধান কাৰণম্
সাক্ষী ভোক্তা পৰমাত্মা বন্দে শ্ৰীদামোদৰম্ ।
নাস্তি গুৰুং পৰমাকিঞ্চিৎ ত্ৰৈলোক্যত্ৰাণ কাৰকম্ ।
নিৰ্লেপং নিৰ্গুনং শান্তম্ প্ৰণমামি চিদাম্বৰম্ ।
শ্ৰীকৃষ্ণ ৰসতত্ত্বজ্ঞম কৃষ্ণমন্ত্ৰাশ্ৰয় গুৰুম্
গোতমবংশ সম্ভূতম্ বন্দে ক্লেশ বিনাশনম্
তব পদেস্যামে ভক্তিঃ দেহি শিৰসিশ্বাচৰণম্
শ্ৰীশ্ৰীমৎ দামোদৰ স্তোত্ৰং সায়ং প্ৰাতঃ
পঠেৎ যস্তুসোত্তিষ্ট ফলমাপ্নুয়াৎ,
ওঁ তৎসৎ ।

(৩)

প্ৰভু ভট্টদেৱবিৰচিত :—

যন্নাম মুত সিন্ধুতীৰ তৰণে
ৰাভাস মুক্তি প্ৰদোঃ
যস্মিন্ মগ্নমতি নৰোত্তৰটয়ে
ত্ৰৈলোক্য সম্পেৎ সুখম্
যৎ সেবামতিকৃৎ পুনাতি ভুবনং
নিশ্ৰেয সংসংস্তোত্ৰম
তস্মৈ শ্ৰী পুৰুষোত্তমায় গুৰুৱে
কৃষ্ণায ভুভাং নমঃ ।

(৪)

গুৰু ভটিমা

জয় জগদীশ্বৰ প্ৰভো দেব দামোদৰ যাকোৰি সম নাহি কেব
সাধুজনৰঞ্জন ভকতিপৰায়ণ তাহেক কৰো শত সেব ।
দিনকৰ কিৰণ বিকশিত পঙ্কজ নিন্দিত চৰণ দুতয
যাহেক হৃদিগত কৰিয়ে বসিকসব নিৰমল মনে চিন্তয ।
গজভুজা ধিকৃত ৰামকদলী চিত সুকোমল উৰু যুগ থাম
ৰবিজিনি কটিতত সূত্ৰ পাৰিবৃত পীত বসন অনুপাম ।
উদৰ কৃশতৰ নাভিক সৰোবৰ তদুপৰি ঋজু তিনি ৰেখা
কণ্ঠত নবগুণ উত্তৰি পৰিধান ভূষিত তন্তু সুৰেখা
গোৰবৰ্ণ উজ্জ্বল বহল হৃদিস্থল বাসুকি সমভুজ দণ্ড
চম্পক কলিসম অংগুলী নখোপম নিন্দি গগণ শশীখণ্ড ।
তুলসী তৰুবৰ নিৰ্ম্মিত মনোহৰ দশ শত বীজে জাপ্য মালা
গলে গজমুক্তিক সাতসৰী শোভিত সুবিমল উজ্জ্বল গণ্ড
উন্নত তিল ফুল নিন্দি নাসিকাতুল ডাড়িম্ব বীজোপম দন্ত ।
মলয়া চন্দন তিলক বিভোপন ক্ষমাকৰ বদন বিকাশ
গম্ভীৰ জলধৰ ত্ৰিজগত ঈশ্বৰ পতিতক তাৰণ কাম
গোতম মুনিৰাজ প্ৰাৰ্থনা কৰিয়ে ব্যাজ (২) প্ৰচাৰিলা তাৰক নাম
শ্ৰুতিপথ খণ্ডন পাষণ্ড মৰ্দ্দন মতভেদ কৰি মহা সন্তে (২)
পাৰ্ষদ সংগে বসি মহাৰংগে প্ৰচাৰিলা হৰিনাম ৰঙে
হেনয় পৰম গুৰু বাঞ্ছা কল্পতৰু তানপদে ভাবিয়া সদায়
পৰাশৰ কুলে যাত দ্বিজভট্টদেব খ্যাত পৰম আনন্দে ৰসগায় ।

সত্ৰাধিকাৰসকলৰ দ্বাৰা লিখিত কেইটিমান ঘোষা-গীত আৰু পদ।

(১)

১। ঁবনমালীদেৱ কৃত ঃ—

(ক)

কৃষ্ণৰাম হৰি দামোদৰ
গোপাল গোবিন্দ গদাধৰ
পদ্মধৰ শংখচক্রধৰ ধৰাধৰ।

অনন্ত অচ্যুত ভগৱন্ত
দেৱকী নন্দন নন্দসুত
পৰম মঙ্গল বাসুদেৱ ঈশ্বৰ।

যাদৱ মাধৱ জনার্দ্দন
নৰোত্তম নৰ নাৰায়ণ
পুতনা শোষণ শকট ভঞ্জন দেৱ
অর্জ্জুন ভঞ্জন তৃণাবর্ত্ত
নাশন শাসন কালিয়ৰ
প্রলম্ব ঘটন গোপগোপীৰ উৎসৱ।

পৰম পুৰুষ সনাতন
অনাদি নির্দ্ধন পূর্ণব্রহ্ম
পৰমাত্মা জীৱ নিয়ন্তা পৰমেশ্বৰ।

পৰম আনন্দ জ্ঞান মন
ভকত বৎসল দয়াশীল
অগতিৰ গতি ফলদাতা সমেশ্বৰ।

(খ)

গীত। ৰাগ আসোৱাৰী।
তাল-পৰি।

নাৰদ আৱত বীণা বজাৱত
হৰিগুণ গাৱত পাপ বিনাশত
প্রেমৰসে মজত জটা শিৰে ৰাজত
কংস আগু বহত হিতকথা নিবেদত
আতি প্রকাশত নিষ্প্রভ কৰত
বনমালী কহত জয়ৰাম ধ্যায়ত।

—"জন্মযাত্রা" নাটৰ গীত।

(গ)

গীত

ৰাগ সুহাই
তাল ৰূপক

কৃষ্ণক গিলিতে মন অঘাসুৰ কাপ
মায়াবলে ভৈল ঘোৰ অজগৰ সাপ।
দীর্ঘ এক প্রহৰ পর্ব্বত সম স্থূল
প্রকাশিত মুখ গিৰি-গহ্বৰ প্রফুল্ল।
মার্গে স্তুতি বহয় অদভুত কলেৱৰ
মেঘে ঊর্দ্ধ ওষ্ঠ দিয়া ধৰাত অধৰ।

গিৰি ডাঁৰ (গুহা) সদৃশ দেখি মুখপ্ৰান্ত
গিৰিশৃঙ্গ সম দেখি দুই পাৰি দান্ত।
ৰাজমাৰ্গলয় পেখি জিহ্বা দুই খান
মুখমধ্যে শ্বাস কৰে চঞ্চুত প্ৰবাল
দেখি গোপশিশু বোলে কিনো এ ভাল বাপ,
প্ৰাৰ্থে বনমালী কৃষ্ণ কিঙ্কৰ কৰিত
মোক তয়ু পদতলে সদায়ে ৰাখিত॥

(ঘ)

সংস্কৃত ভণিতা
গীত
তাল জিকাৰ

চৰণাৰবিন্দ মুপাস্য কৃষ্ণস্য
যোগীধ্যেয মমল মৰ্দ্দাবস্য।
নিজ জন তাৰকং ভয় নিবাৰকস্য
সৰ্ব্বানন্দ প্ৰপূৰকং পুৰুষোত্তমস্য।
সদগতি সাধকমপবৰ্গ প্ৰদস্য
মঙ্গলমাৰাধয় সুখ নাশকস্য
ভণতীদমু বনমালী গীতস্থ।

২। বাসুদেৱ বিৰচিত ঃ—

"ৰাসোৎসৱ অভিনয়ৰ অন্তৰ্গত"
শ্ৰীকৃষ্ণৰ কদম্বৰ তলত স্থিতি

ক। ৰূপ বৰ্ণন (ধ্ৰুপদ) ঃ—

শুভ সাজে নন্দ কিশোৰে মদন সম্মোহে,
নটবেশ সুবেশকাৰী।
অধৰ সুধাকে সুন্দৰ বাকে হৃত বণিতা মন শ্ৰীমন্ত
নয়ন কটাক্ষে বদন সুহাসে সঞ্চৰতে হৃদিকামম্‌
গোপী পীন পয়োধৰ মৰ্দ্দনে পঙ্কজ কৰ যুগ শোভে
কদম্ব তলায়ে বঙ্কিমকায়ে কৃতবেণু বাদ বিনোদম্।
পশুগণ পক্ষী ৰূপগণ পেখি হৃত মন প্ৰাপিত মুক
জ্ঞানী জ্ঞান মনোৰ্পিত সুন্দৰ শব্দিত নূপুৰ পাদম্।
শুন সদ বসিকে হৰিগুণৰ্কথিকে কৃতবাসুদেৱ সুগানম্

খ। গীত "ব্ৰেতাল"—

ভাই কানাই আহাঁ তুমি সমে থাইবো আমি।
তুমি গৈলা আছো চাই কেৱে কিছু খোবা নাই,
মধ্য বহি ভুঞ্জিযোক তুমি॥

"একতাল"— চৌপাশে বেঢ়িয়া বৈল পদ্ম পত্ৰ সম হৈল,
মধ্যে বহি ভুঞ্জিলন্ত হৰি।
ব্ৰহ্মাহৰি থৈয়া গৈল একবৰ্ষ তাতে হৈল,
নজানিল মায়াছলে পৰি।
সবাৰো মধ্যত বহি ভক্ষ বস্তু দেখাই হাঁহি,
ভুঞ্জিলন্ত দেবনাৰায়ণ।
বাসুদেৱ বোলে বাণী পাপগণ কৰা হানি,
কৃষ্ণনাম কৰিয়া কীৰ্ত্তন—"জনসকলে"॥

"ঠুক একতাল"

২। ধূলাই কৃষ্ণৰ অলকাৱলী ধ্বান্ত কিহে মুখ প্রান্ত।
বাখাল চলয় সময় জানি ৰাম কানাই চলে ক্ষুধাই শান্ত।
ধেনু বৎসগণ কৰিলে জলী বৃষৰ মুখত উঠিল ধ্বনি।
বেণুনাদৰৰ অতি শৃঙ্গম্বৰ বাশী কি শঙ্খ শিঙাই গান্ত
গোধূলি সময়ে প্রদীপ জ্বলয়ে গোপীগণে হৃদি ধৰিয়াই
একান্ত। নন্দ জায়া শুনি চলিল পথে আঘ্রাণ কৰিল
কৃষ্ণৰ মাথে। বদনে চুম্বন কৰি আলিঙ্গন লাড়ু ক্ষীৰ
অগ্র দয়াই দেন্ত। গোপ গোপী যত হৈল সম্ভাষিত
ৰামদেৱে হৃদিভাৱে নিতান্ত ॥

চলে আঢ জোঁতি ঃ

আচম্বিতে যদি অসুৰ ৰৈল তেহো বহুদূৰ
দেখ মহা সৰ্প অজগৰ।
শিশুগণে বোলে দেখি এই কিবা পথ সখি
হয় যেন গিৰিৰ গহ্বৰ ॥
সৰ্প মুখ যেন থান জিহ্বা আলি বলি জান
সামিষৰ গন্ধ যহি আছে।
দাৱাগ্নিৰ যেন তাপ শ্বাস যেন লাগে তাপ
আমাক গ্রাসতে পৰি আছে।
কি কৰিব আমাসাক মৰি গৈল দুষ্ট বক
সংগে আছে প্ৰাণ কৃষ্ণ হৰি।
কৃষ্ণ চন্দ্ৰ মুখ চাই বোলে কিছু ভয় নাই
সোমাই গৈল কৰতাল ধৰি ॥
পাছে ভাবি কৃষ্ণা গৈল গলে বহু বৰ্দ্ধি দেল।
তাৰ শ্বাস নিৰোধন কৰি ॥
অবিলম্বে লোটালুটি প্ৰাণ গৈল তনু ফাটি।
শুনো গৈল জ্যোতিৰ ৰূপ ধৰি
সকল শিশু জীয়াই ৰৈল শিঙা বাঁহ বজাই গৈল।
কৃষ্ণ দেহে তেজ লীন গৈল।
দেখি ব্ৰহ্মা বিস্ময় পাই পুষ্পবৃষ্টি কৰি যাই।
দ্বিজ ৰামদেৱে স্তুতি কৈল

৩। বিষ্ণুদেৱ কৃত ঃ—

(ক)

গীত

বৰ একতালী, ৰাগ বসন্ত।

জয় জয় জয় হৃষিকেশং
জয় জয় জয় বিধুমুখ বিবুধ সম্ভাষণং।
পুৰুষ ধৃত নৱবেশ বিশেষং
ব্ৰজ মধুমোহন নিজজন তোষণ
দৰ্শয় নটবৰ নাগৰ বেশং ॥
নাশয় তে পদ ভজন বিহীন দ্বিজ
বিষ্ণুদেৱ কবি ভৱভয় ক্লেশং।

(খ)

"ক্ৰিয়াযোগসাৰ পুৰাণৰ" ভণিতা :

আত্মপৰিচয়।

"শ্ৰীদামোদৰ হৰি সন্তৰূপে অৱতৰি
জগতকে উদ্ধাৰ কৰিলা,
শ্ৰীচৈতন্য নাৰায়ণ আসি মাধৱৰ থানে
শিচ কৰি ধৰ্ম্মপাল কৈলা।
হেনয পৰম গুৰু ভক্ত বাঞ্ছা কল্পতৰু
তান পদে অলেখ প্ৰণাম,
যাইতে নিজ বৈকুণ্ঠক বল, পৰ্ম্মানন্দ দুইকে
থাপি গৈলা প্ৰৱৰ্ত্তাইতে ধৰ্ম্ম।
তাৰা দুইকো কৰোঁ নতি গৈলা বৈকুণ্ঠক প্ৰতি
ধৰ্ম্মপাল কৰি বনমালী,
উৰুক্ৰম সমকায় সন্তপদ্ম সূৰ্য্য প্ৰায়
শুক সম নপাঢ়িয়া ফলি।
"তিনি নৰ জয় বস" (তিনি নৱ জয় বস ?) গৈল ছাড়ি সিটো দেশ
জনন্নাথ পুৰে আসি ভৈলা,
ধৰ্ম্মৰাজা যাৰ পাই সমৰ্পিয়া ৰাজসুই
চক্ৰবৰ্ত্তী পদক লভিলা।
ওৰেষা দেশৰ চন্দ্ৰ আনি হেন যাদৱেন্দ্ৰ
বেহাৰ দেশত পৰিহৰি,
নানাবিধ লোক সঙ্গে আনিয়া দেৱক ৰঙ্গে
কৈলা ঐতে ব্ৰহ্মসত্ৰ কৰি।
তাহান ভাতিজা হন্তে ৰামদেৱ সন্ত
তাহাঙ্ক কৰিয়া ধৰ্ম্মপাল,
যিটো নৰনাট্য ছাৰি চলি গৈলা বিষ্ণুপুৰী
বন্দো তাৰ চৰণ যুগল।
আজ্ঞা পায়া কেশৱৰ ৰামদেৱ সন্তবৰ
কৃষ্ণদেৱ ভ্ৰাতৃৰ শিৰত;
ধৰ্ম্ম সংস্থাপন কৰি যিটো গৈলা বিষ্ণুপুৰী
প্ৰণামোহো তান চৰণত।
কৃষ্ণদেৱ আৱশেষে পৰমাত্মাতেকেশে
ধৰ্ম্মৰ আচাৰ্য্য কৰিলেক,
তান পদে কৰো নতি আত্মদেৱ ধৰ্ম্মগতি
কৈলা ভ্ৰাতৃ শ্ৰীকামদেৱক।
সিটো দুই মহন্তৰো চৰণে প্ৰণতি কৰোঁ
জিটো জ্যেষ্ঠ পিতাৰ সন্ততি,
তান শিষ্য ভ্ৰাতৃহন্তে শ্ৰীসহদেৱ সন্ত
গৈলা তাক ধৰ্ম্মাচাৰ্য্য পাতি।
হৰিদেব নামে পিতা দেবকী দেবীৰ ভৰ্ত্তা
তান বীৰ্য্যে জন্মবাদ কৰি,
শ্ৰীসহদেব নাম ভক্তিপূৰ্ণ গুণ ধাম
কৃষ্ণদেৱে পুনু অৱতৰি।
তাহান চৰিত্ৰ চাৰু তেহোঁ মোৰ ইষ্ট গুৰু,
তান মুখে যি কিছু পঢ়িলোঁ,
তাহান দাসৰো দাস পায়া তান কৃপা লেশ
জিবা কিছু পদ নিৰ্বন্ধিলোঁ।
তান ভ্ৰাতৃ অল্পমতি ভানুমতি নিজ মাতৃ
তান গৰ্ভে জনম আমাৰ;
নুবুজো শাস্ত্ৰৰ তত্ত্ব কিছু গুণ নাহি মোত
যেন ভৈলোঁ কুসুম মন্দাৰ।

ৰৈবে ঐত যত বিত্ত   ভ্ৰাতৃভাৰ্য্যা পুত্ৰ মিত্ৰ
কিমতে তৰিবা যাতনাত;
বিষ্ণোদেৱে কৰে কাত্ৰ   ভজিও হৰিক মাত্ৰ
ভকতিৰ তেবে হৈবা পাত্ৰ।”

৪। শুভদেৱৰ কৃত :—

যাদৱ বন্দনা

গীত

তাল জ্যোতি—ৰাগ মল্লাৰ।

নবীন নিৰদ শ্যাম   ৰূপে নিন্দি কোটী কা[illegible]
সৰ্বাসজ্জ প্ৰফুল্ল বদন;
অলকা [illegible] কৃত   দেখি মন হৰে হৃত
ভ্ৰূৰ যুগে কামপীড়া মন।
নাসা তিল ফুল সম   নেত্ৰ যুগ নিৰূপম
শ্ৰুতিমূলে ৰত্নৰ কুণ্ডল,
নিৰ্ম্মল কপোল স্থল   কৰে অতি জলমল
বিম্বসম অধৰ ৰাতুল।
তৈৰি জুৰা শিৰোপৰ   তাতে পুষ্প ময়ূৰৰ
মালতী মল্লিকা শোভা পায়,
ত্ৰিভঙ্গ কৰিয়া অঙ্গ কৰে কত কত ৰঙ্গ
বেণু গীতে চমক লগায়।
হেনয় যাদৱ ৰাই   ৰূপে যাৰ সম নাই
ধ্যান কৰ নৰ অধিৰত,
শুভদেৱ দ্বিজভণে
ৰোক মন কৃষ্ণতে সতত।

৫। নৰদেৱৰ কৃত :—

গীত

তালমান জৌতি—ৰাগ কামোজ

শৰত কালৰ নিশি   উদিত পুষ্কল শশী
চন্দ্ৰিকা ৰঞ্জিত বৃন্দাবন,
উলাসী কামিনী মন   তাপিনী তাপস মন
মন্দ মন্দ বহে সমীৰণ।
এনয় শোভিত বন   দেখিয়া নন্দ নন্দন
ৰাস ক্ৰীড়া কৰিবাৰ মনে,
কদম্বৰ তলে গৈয়া   ত্ৰিভঙ্গ ভাঙ্গিয়া হৈয়া
বংশী ৰন্ধ্ৰে চুম্বিলা বদনে।
শৰীৰ নীৰদ শ্যাম   পীতাংশুক অনুপাম
শিখি পুচ্ছ শিৰে বিৰাজিত,
ভুজ ফণীভোগ জিনি   কণ্ঠত কৌস্তুভ মণি
বিজয়ন্তী মালা প্ৰকাশিত।
ধৰি অপৰূপ ৰূপ   প্ৰকাশে মোহন ৰূপ
বেণুৰৱে তান উচ্চাৰিলা;

বেণুগীত ৰৱ শুনি মোহিত গোপৰ মণি
পতিপুত্ৰ শুশ্ৰূষা ছাৰিলা।
ভোজনাদি পৰিহৰি কৃষ্ণৰূপ গুণ স্মৰি
ভজিলন্ত কৃষ্ণ পাশে গৈয়া;
গোপীসৱ সঙ্গে মেলি কৰে নানা খেলাখেলি
ক্ৰীড়িলন্ত বহুৰূপ হৈয়া।
গোপী গোপালৰ ৰূপ দেখি কাম হৰে চূপ
যেন সোণা মৰকত ভায;
ৰাধাকৃষ্ণ পদাম্বুজ ভাবি নৰদেৱ দ্বিজ
ভণে ভক্তি মনে কৰি আশ।

৬। 'হৰিদেৱ কৃত :—

পৰম মঙ্গল যাদৱেশং পৰম পুৰুষমখিলেশম্
নিজকথামৃত পান পৰিতৃপ্ত সাধুগণ
সন্তোষ প্ৰকাশিত লীলা বিশেষং
প্ৰলয উপাগতে সৰোজ ভবামৃতে
নিজোদৰ বেশিত নিখিলমশেষং
সংসাৰ সাগৰ ভয় কৃতাভয় পদাশ্ৰয
ভৱভযভঞ্জক কৃপালুৰলেশং
বিশ্বভীতি খণ্ডন সকৰুণ দৰ্শন
গ্ৰাহ বদনাৰ্দ্দিত ভক্ত গজেশং
বিৰিঞ্চি মহেশ্বৰ ক্ষীৰোদা পুৰন্দৰ
সেৱিত চৰণাৰবিন্দমিৰেশং
দেৱমুখ সম্ভূতি ধৃতবামনাকৃতি
নিজপদ স্থাপিত দেৱ দেৱেশং
নিৰ্জ্জিত সুৰ নৰ ৰাৱণ লঙ্কেশ্বৰ
তাৰণ প্ৰকটিত ৰাঘৱ বেশং
শ্ৰীহৰিদেৱ দ্বিজো ভীষণ কালিন্দিভজো
ভজতি হৃদয়া কঞ্জে'ন্তৰ্মন্দিৰেশং।

বনমালী গোসাঞি-নাম

(গোপিনীসকলে গোৱা)

"ভকতি দুৱাৰত টগৰ ফুল ফুলিলে
মলিয়াই গাঁথিলে মলা
সোণৰ শৰাই লৈ দেৱ গোসাইক আনোঁগৈ
ৰাঙলী বাহৰৰ পৰা।"

বনমালীদেৱে সত্ৰ পাতিলে
দেশে-বিদেশে ফুৰি ৰাম ৰাম।
শুকান পুখুৰীলৈ প্ৰভুদেৱ নামিল গৈ
সাগৰো আহিলে ভাগি ৰাম ৰাম।

সাগৰো ভাগিলে পাৰকো ভাঙিলে
ৰাইজে হৰিধ্বনি দিলে ৰাম ৰাম।
যাদৱৰাইক লগত লৈ আমাৰ প্ৰভুদেৱে
ভক্তিৰসে বোৱাই গল নদী ৰাম ৰাম।

ভভোতাই বাহিকে বুলে প্ৰভুদেৱে
পৃথিবী পেলালে ঢাকি ৰাম ৰাম।
সেই নো বাঁহে কাটি চাঁচে বুৰো কামী
সাজিলে চ'ৰা - ৰাম ৰাম।

এই মণিকূট প্ৰভুদেৱ সজালে
মাৰলত বছালে মণি ৰাম ৰাম।
মন্দিৰৰ ভিতৰত যাদৱৰাই ঠাকুৰে
আছে হৰি কথা শুনি ৰাম ৰাম।

আমাৰ প্ৰভুদেৱে মণিকূট সজালে
বেৰতে বছালে ম'ৰা"
মন্দিৰৰ ভিতৰত যাদৱৰাই ঠাকুৰৰ
সোণতকৈ জেউতিচৰা।"

এই মণিকূট প্ৰভুদেৱ সজালে
কৰটে কটালে বুৰো"
প্ৰভু কুমলীয়া ভকত ধেমেলীয়া
নাম লয় গধূলি পুৱা।"

আহিছে গোপিনী বহিছে আপুনি
হৰি মন্দিৰলৈ চাই ৰাম ৰাম
এইদৰে ঘোষাটি সদায় গোৱা যদি
খুজিলে ভাৰ দান পায়। ৰাম ৰাম।

আহিছে গোপিনী মনৰ আনন্দেৰে
আছে মণিকূটত থান
জনায়-নজনায় গাবলৈ ধৰিছোঁ
প্ৰভু বনমালীৰ নাম।

আহিছে গোপিনী মনত ৰঙেৰে
লগায় মণিকূটত চাকি, ৰাম ৰাম
জনায়-নজনায় গালোঁ নাম এফাঁকি
প্ৰভু ভগৱন্ত সাক্ষী ৰাম ৰাম।

প্ৰভুদেৱ চলি গল চৰাটি এৰি গল
ৰাইজৰ নাম থবলৈ হল ৰাম ৰাম
প্ৰভুদেৱ চলি-গল জগতেই আন্ধাৰ হল
প্ৰজাই পৰি পৰি কান্দে"

নিচিনিলোঁ গুৰু ভকত নিচিনিলোঁ হৰি
নিজক নিজে নিচিনিলোঁ আমি অনাচাৰী ৰাম ৰাম,
ৰাম বোলোঁ হৰি বোলোঁ লোকে বোলা শুনি,
নিজৰ মনে নেভাবিলোঁ ভগৱন্ত বুলি।

এই নামে নাম নহয়
থব যাদৱ নাম
প্ৰভুদেৱ জলাই গৈছে
জগতৰে নাম।*

ৰাসত গোপিনীসকলে গোৱা নাম

কি নো চিকুণ কদম জুৰি
কি নো চিকুণ পাত
চিকুণ কানাই বংশী বজায়
ৰাধাই লগায় মাত।

আনি দিলে নৌকা খনি
আনি দিলে বঠা
মনত ৰঙে গোপীসব
নৌকা খনিত উঠা।

গোপী উঠিল নৌকা খনিত
নিজে উঠিল নাও
মনত ৰঙে গোপী সৰে
বৈকুণ্ঠলৈ যাওঁ।

বৃন্দাবনৰ তৰু লতা হাতে ঢুকি পায়
কদমতে উঠি কানাই মুৰুলী বজায়।
কদমতে উঠে কানাই কদম হালে জালে
কদমৰ চনকা ডাল জানো ভাগি পৰে।

গোসাই গৈছে ফুল ছিঙিবলৈ
ৰাধাই দিছে হাক
নিৰ্ছিঙিবা কদম কলি
নেলাগে আমাক।

ৰাধা আহি বৈ আছে
কৃষ্ণই ঘূৰি চায়
বহুদিনে ৰাধাকৃষ্ণৰ
দেখাদেখি নাই।

ৰাধা তুমি নৰ্বাহিবা
আহাঁ বেগত কৈ
চিকুণ গোসাই বাংশী বজায়
কদম গছত বৈ।

আইস আইস ৰাসেশ্বৰী
প্ৰাণৰ ৰাধিকা
বৃন্দাবনে ৰাসক্ৰীড়া হৈব মহানিশা।

শৰতে কালৰে চন্দ্ৰ অতি বিতোপন
ৰাসক্ৰীড়া কৰিবাৰ কৃষ্ণৰ হৈল মন।
জল আছে দবক মাৰি গঙ্গা আছে বৈ
বৃন্দাবনত কৃষ্ণই মাতে ৰাধাৰাধা কৈ।

হাতো ৰঙা পাও ৰঙা গলে ৰঙা ফুল
কৃষ্ণৰূপ দেখি গোপী ৰঙে বিয়াকুল।
গোপ কান্দে গোপী কান্দে কান্দে তৰুলতা
ৰোহিনী যশোদা কান্দে কান্দে নন্দৰ পিতা।

গোপ কান্দে গোপী কান্দে কান্দে ব্ৰজৰ ধেনু
গোসাই গলে বৈকুঠলৈ কোনে বাব বেণু!
কোন দিশে ঘাট প্ৰভু কোন দিশে বাট
কোন দিশে নামৰ দোকান চিনোৱা আমাক।

কৃষ্ণ কৃষ্ণ বুলি সঘনে ডাকিলা
কৃষ্ণৰ কিহে চিনে
আছে মাথে মৈৰা পাখি হাতে মোহন বাঁহী
বাহুতে বলয়া বাজে।

কৃষ্ণ কৃষ্ণ বুলি যশোদাই ডাকিলে
কৃষ্ণ নাইকিয়া ঘৰে
যমুনাৰ জলতে গোপী চান কৰোঁতে
তাতে হে মিহলি হলে।

ৰাম নামে আগ প্ৰভু যাদ নামে গুৰি
কৃষ্ণ নামে ডালপত্ৰ
আছে জগত জুৰি।*

---

* শ্ৰীমতী জানকী দত্ত, দক্ষিণপাট সত্ৰ।

পৰিশিষ্ট

(খ)

১। সত্ৰত স্বৰ্গদেৱ সকলৰ অভ্যাৰ্থনা
সন্ত সম্প্ৰদণনাং ব্যৱস্থা পটল আৰু অসম-বুৰঞ্জী

২। মণিৰাম বৰভণ্ডাৰ বৰুৱাৰ বিবৃতি ঃ—

(ক) মূৰ্ত্তিসেৱা কাঁবৰলৈ স্বৰ্গদেৱসকল
সত্ৰলৈ আগমন কৰা উপলক্ষে।

(খ) গোসাইসকলে ৰজাক আশীৰ্ব্বাদ দিয়া
আৰু নিৰ্ম্মালি-কাৰণ দিয়াৰ ব্যৱস্থা।

(গ) ৰজাঘৰত গোসাইসকলে হৰিকীৰ্ত্তন কৰা।

১। সত্ৰত সৰ্গদেৱসকলৰ অভ্যৰ্থনা

"নৈ ঘাটলৈকে আলি অ'টাব। ৰজাৰ হুকুমেৰে কঁৰিয়ে বাহৰ সজাব। আগ দিনাই ৰজাৰ আগ দোলা-চৈ আনিব। চাংমাইহতোঁ আহিব। সেই দিনাই ৰাজাৰ সাঁজৰ বস্তু, চাকৰে নি চাংমাই বড়ুআৰ হাততে সোধাব। পৰ দিনা ঘাটৰেপৰা ঢুলীয়াই আগ বঢ়াই আনিব। আলি মুৰেৰে পৰা গায়নবায়নে আনিব। ঈশ্বৰ দেউ গৈ দোলা থলে ভিতৰ—কৰাপাটতে পুষ্পাঞ্জলি কৰি আগ বঢ়াই শিৰত মালা দিব। কপালত তুলসীৰ চাকিৰে চন্দন দিব। ফলহস্ত কৰিব। এখান শৰাইত নৈবেদ্য, এখানত ধুপদীপ নিব, গন্ধ পুষ্প নিব। আগ দিনাই ভিতৰ কৰাপাটৰ পৰা টুপৰ মুৰলৈকে আলিত কঁকালুৱাকৈ চাং পাতিব। থুৱা লগা থাওঁৰে মাহ চাউল উপহাৰ দ্ৰব্য চাঙ্গতে সজাই থব। বুলনি কাপৰ পাৰিব। তাৰ ওপৰে ৰজা যাব। ঈশ্ব দেউ কাখৰে-কাখৰে আগ বাঢি আহি থাকিব। ৰাজাৰ পাচ পৰিলেই ২ খন চাঙ্গৰ দ্ৰব্য কাঁৰিএ নিব। ৰঙালি ঘৰ পালেই পইজাৰ এৰি সুদা বুলনি কাপৰত যাব। ঈশ্বৰ যাদৰৰ আগত সৰু কেপকৰা পাৰি বহিব। যাদৰ সেৱা কৰিলেই বৰ পুজাৰীয়ে অঙ্গমালা মুণ্ড মালা দিব। ঠাই মচাই আগলি কলাপাত দিব। তাৰ ওপৰত চোলাধৰাহঁতে চৰা বানত পাৰিব। ওপৰে বৰ তুলী, কেপকৰা পাৰি গাৰু দিব। চন্দ্ৰাতাপ তৰিব। আগলি কলাপাতৰ ওপৰত বগা থঙ্গা পাৰি ঈশ্বৰদেউ বহিব। ৰাজা আহি নামঘৰত বহিলেহি ঈশ্বৰ দেৱে ভাগৱত কব। গায়ন কীৰ্ত্তনীয়া দুই জোৰা গাব। ঈশ্বৰ দেৱে ভাল বৰুৱা ফুকন জনদিয়েক মতাই আনি জলপান কৰাবৰ নিমিত্তে কৈ দিব। নামঘৰৰ খলাতে পিঠাগুৰি গাখীৰৰ গুৰৰ চৰুৰ ইত্যাদি দ্ৰব্যৰ ভঁৰাল পাতিব। তাকে সকলো প্ৰজাক জলপান দিব। গানিকাৰ অন্ততে মজিন্দাৰে ৰজাক ভেটা দিব, ৰূপ ১০০, কাপৰ এসাজ, তাম পিতল ১ সাজ। ঈশ্বৰ দেৱৰ কোষৰতে দমাই থব কাপৰ সাজে চক দুটাই। মজিন্দাৰে আগ বাঢি লৈ ভেটাব। এইহেলৈ সকলো খিনি বাপুকে দিছোঁ বুলি দিব। কাপৰ সাজে চক দুটাই নিব পায। সেই কাপৰত সোণৰ গুণা নাথাকিব—কপাহী ফুলীয়া জোলাসলিযা হুব। ভঁৰালি লিগিৰাহতে চোকৰধৰা বৰাই ঈশ্বৰ যাদৰ, ঈশ্বৰ গোসাঁই ভকত সকলোকে ৰাজাৰ দক্ষিণা দিবহি। ৰাজা উঠি গলেই তিনি জনা ডাঙৰীয়া বৰবৰুৱা, বৰফুকন সকলোৱে ঈশ্বৰ দেৱক সেৱা কৰিব। ঈশ্বৰ দেৱ নাম ঘৰত থাকিব' তাৰে পৰা ডাঙ্গৰীয়া ভিলাককো সকলো বৰুৱা ফুকনকো বহা ঘৰলৈ পাচি দি জলপান কৰাব। তিনিজনা ডাঙ্গৰীয়াক দিব খনিয়া কাপৰ বৰুবৰুৱা চ'ৰাৰ ফুকনক দিব চেলেং, ঈশ্বৰ যাদৰৰ হালধীয়া পাটৰ গামোচা, ৰাজাক তিনিজনা ডাঙৰীয়া বৰবৰুৱাকে হে দিব। পুনৰায় গায়ন-বায়ন ঢুলীয়া সকলোৱে ৰাজাক আগবঢ়াই থৈ আহিবগৈ।" —ইতি শ্ৰীসন্ত সম্প্ৰদানাং ব্যৱস্থা পটলে একাব ছেদঃ

স্বৰ্গদেৱসকলৰ সভাত চাৰিসত্ৰীয়াৰ আৰু অন্যান্য সত্ৰৰ মান ঃ—

চকৰধৰা বৰাৰ দ্বাৰাই নিমন্ত্ৰণ।

"ৰজাই বৰ সবাহ বা সভা পাতিব খুজিলে, গোসাঁই মহন্তসকলক চপাবৰ নিমিত্তে বৰ-বৰুৱাক আজ্ঞা কৰে। মহন্তসকল আহি সবাহ কৰিবলৈ ঠায়ে-ঠায়ে ঘৰ সজোৱাই দিন নিৰূপণ কৰি বৰবৰুৱাই চকৰধৰা বৰাক আজ্ঞা কৰে - মহন্ত সকলক জনাবলৈ। চকৰধৰা বৰা নিজে গৈ চাৰিসত্ৰীয়াসকলক জনাবগৈ লাগে। ইতৰ মহন্তক মাতিবলৈ টেকেলা পঠিয়াই বাৰ্ত্তা কোৱায়। পাচত, নিয়মিত দিনা সকলো মহন্ত আহি বৰবৰুৱাই সজাই থোৱা ঘৰতে থাকি নিজৰ নিজৰ গায়ন-বায়ন, ওজাপালী হতুৱা গান, ভকতবৰ্গৰ দ্বাৰাই হৰিৰ নাম গাই হৰিনাম সংকীৰ্ত্তন কৰিব লাগে

চাৰিসত্ৰীয়া বহাৰ ক্ৰম।

সকলোৰে আদিতে সেই ঘৰবিলাকৰ পূৰ ফালে আউনীআটীয়া, তাৰ ভাটীতে দক্ষিণপাটীয়া তাৰ ভাটীতে গৰমূৰীয়া আৰু সেই শাৰীৰ ভাটীতে কুৰুৱাবাহীয়া গোসাইসকলৰ বহা ৰজাই যেতিয়া নিৰ্ম্মালি লবলৈ আহে, তেতিয়া বৰচৰাৰ বজাবহা কোঠাৰ অগ্নিকোণৰ খুঁটাত, সৰু খুঁটা এটা বান্ধি তাতে কেপকৰা পাৰি ৰজা বহে। চাৰিসত্ৰীয়াসকলে নিৰ্ম্মালি দিওঁতে পোনে-পোনেই ৰজাৰ মূৰতে দিয়ে।

অন্যান্য সকলে নিৰ্ম্মালি দিয়া নিয়ম।

তেওঁবিলাকতকৈ নৱম মহন্তসকলে নিৰ্ম্মালি ৰজাৰ হাতত দিয়ে। সেই সকলতকৈ সৰু অনুষ্টুপীয়া মহন্তসকলে শৰাইত ভৰাই নিলগত থৈ আশীৰ্ব্বাদ কৰে। ৰজাৰ পাঁচনিহঁতে সেই শৰাই আনি ৰজাৰ আগত দিলে ৰজাই শৰাইৰপৰা নিৰ্ম্মালি লয়।

চাৰিসত্ৰীয়া অধিকাৰসকলে ৰজাৰ আগত কলাপাতৰ ওপৰত বগাঠেঙা পাৰি বহে। ডেকা অধিকাৰ হলে, মূৰীয়া কলপাত পাৰি বহে। বৰ চ'ৰাত হলে উত্তৰৰ টুপৰপৰা এখোঁটালি সোমাই ঢাৰি-কঠতে তলচা ৰৰগাৰু লৈ ৰহে।

ইতৰ মহন্তসকলে থগাত বহিবলৈ ৰজাঘৰৰপৰা মৰ্য্যাদা দি লৈ হে বঙা থগা পাৰি বহিব পাৰে। কোনো-কোনো মহন্তই বহিবলৈ কলাপাত পায়। সৰুবোৰে একো নেপায়।

ৰজাঘৰীয়া সম্বোধন।

ৰজাৰ সাক্ষাৎ কৰাত চাৰিসত্ৰীয়াক বাপু, তেওঁবিলাকতকৈ সৰুক মহন্ত আৰু তেওঁ-বিলাকতকৈ সৰুক মোধি বোলে।

উজনিৰ সকলো মহন্ত বৰবৰুৱাৰ অধীনত চকৰধৰা বৰাৰ দ্বাৰাই চলাচল হয় আৰু গুৱাহাটীত সত্ৰীয়া বৰুৱাৰ দ্বাৰা কাৰ্য্য চলোৱা হয়।

ভট্টাচাৰ্য্য গোসাঁই।

পৰ্ব্বতীয়া গোসাঁই, নাতি গোসাঁই, ন-গোসাঁই, মুকলিমুৰীয়া গোসাঁই, এই চাৰি ঘৰক ভট্টাচাৰ্য্যীয়া বোলে। এওঁবিলাকৰ ৰজা-সবাহত কোনো ভাগ নথকাত যাব লগা নহয়। এওঁবিলাক যদি কোনো কাৰ্য্যত ৰজাৰ সাক্ষাৎ কৰাৰ জন্যে নগৰলৈ অহা প্ৰয়োজন হয় তেতিয়া তেওঁবিলাকৰ খাৰ্টনিয়াৰৰ দ্বাৰাই জনাই পঠালে, ৰজাদুলীয়াই পহিঁ দোলাৰে আনি বাউলি ঘৰৰ দুৱাৰৰবাহিৰে সেই দোলা এৰি ঘোঁৰাত উঠি বানতসিয়া বৰজাপি ওপৰত ধৰাই, চাওডাং চৰাৰ মুখে ঘোৰা এৰি পইজাৰেৰে জখলামুখলৈ গৈ তাতে পইজাৰ, পিক্‌পেলোৱা ডাবৰ এৰি গোসাঁঞৰ ঘৰৰ টুপতে পৰ্ব্বতীয়া, নাতি এই দুজনা বঙা থগা, ন গোসাঁঞ, মুকলিমুৰীয়া বগা থগা পাৰি বহেগৈ। আগত নিৰ্ম্মালি, উপহাৰ এই দুই শৰাই একাষৰীয়াকৈ তাওকিন গামোচা থৈ পাচে ৰজা আহে, বানাতত বহি সেৱা কৰে। গোসাইসকলে মূৰত নিৰ্ম্মালি দি আশীৰ্বাদ কৰে। চোলাধৰা ফুকন বা গোসাঁই ঘৰৰ কাৰবাৰ কৰা কোনো-কোনো ফুকন-বৰুৱা থাকিলে, তেৰেঁই গোসাঁইক ভেটাৰ পায়। পিচে, বিদায় হৈ যায়। অন্য কেইজনতকৈ অধিক বাথৰপতা চুলাৰে পানীজাপি পৰ্ব্বতীয়া গোসাঁইৰ আগত আনিব পায়। আৰু পালকী নামে বঙালী দোলা পায়। আৰু পৰ্ব্বতীয়া, নাতি, ন গোসাঁই এওঁবিলাক আপোন ঘৰত বহাত ওপৰত পাণকটা, চন্দোৱাৰ, বঙা কাম্বলি (কম্বল) তৰিব পাৰে। ন গোসাঁঞ, পৰ্ব্বতীয়া গোসাঁঞ দুজনা যদি একে ঠাইতে বহিব লগা হয়, তেনেহলে মাজত থকুৱা লগা আৰু ঢৰা দি দুফালে দুজনা বহে।" —অসম-বুৰঞ্জী, ১৭৯৪ শকত তোলা।

পৰ্ব্বতীয়া গোসাঁই।

মূৰ্ত্তিসেৱা কৰিবলৈ
স্বৰ্গদেৱসকল সত্ৰলৈ আগমন কৰা-উপলক্ষে,
—ঁমণিৰাম বৰডঙাৰ বৰুৱা

(ক)

"অথ ৰাজা সত্ৰসকললৈ যোৱাৰ ব্যৱস্থাঃ—সত্ৰত অভ্যৰ্থনাৰ আয়োজন

ৰাজা কোনো-কোনো সত্ৰলৈ যাবৰ ইচ্ছা হলে বৰবৰুৱালৈ কোৱায়; তাতে মজিন্দাৰে কয়গৈ। শ্ৰীশ্ৰী দেৱৰ আজ্ঞা দেৱত কব দিছে, অমুক সত্ৰলৈ স্বৰ্গদেৱ যাব খুজিছে—ঈশ্বৰৰ মূৰ্ত্তি সেৱাৰ কাৰণ। তাতে চোকৰধৰা (চকৰ ধৰা) পাচি 'দেৱে মহন্তক কোৱাব দিছে, পলমে দিনো কৰাব দিছে। এই বুলি কলে বৰবৰুৱাই দহ ষোল দিনৰ পৰে শুভ দিন বাৰ কৰাই, চোকৰধৰাক টেকেলা এটা পাচি অমুক তাৰিখে 'দেৱ আহিব বুলি মহন্তত কোৱায়। মহন্তো যথা সম্ভাৰ একত্ৰ কৰে। খাদ্যদ্ৰব্য সন্দেশ, পিঠা, চিৰা, দধি, দুগ্ধ, কলা, টেঙা, মাহ-চাউল তৈয়াৰ কৰি থৈ অনেক সুন্দৰ কাপোৰ, চেলেং চুৰিয়া, গুণাকটা খনিয়া, নিছটি খনিয়া তৈয়াৰ কৰি থৈ গুৰু ঈশ্বৰক চিন্তি মহন্তো সচকিত হুই থাকে। কি ৰূপে জগৰ নেলাগিব, তাকে ৰাতিন্দিৱা চিন্তে। পৰে স্বৰ্গদেৱ যোৱাৰ পূৰ্ব্ব দিৱসতে কাঠবৰুৱাক পাচে। চোকৰধৰা বৰা কাথ-বৰুৱা দুয়ো গৈ সকলো ব্যৱস্থা ভকত মহাজনক দেখাই-শুনাই মহন্তে কৰাপাটৰপৰা ৰাজলৈ দুই শ বেঁওমান মাটিলৈ আলিৰ দুয়ো ফালে চাং পাতি, ভেটি সজাই, চৰুৱে মাহ-প্ৰসাদ, কলা-কুঁহিয়াৰ- গাখীৰ-গুড়, বস্তুৰ বস্তু, আম-কঠাল, টেঙা, কমলা, মৰিচকলা, সৰুমৰ্দ্দক, সফুৰি, লেটেকু, পৰমান্ন; কেতেকী-কঠাল, পানীমৰি, হোলোঙামৰি, বেৰাব, জোঁটামৰি, নেমু, মিঠা নেমু, এৰমাদি দুই শাৰী ভেটি পাতে। তাতপৰ কৰাপাটৰ মধ্যে আম্ৰপল্লৱ আঁৰে। চাৰি-চাৰি পূৰ্ণঘট পাতে। কৰাপাটৰপৰা নামঘৰৰ টুপ পৰ্য্যন্তে, দুয়ো শাৰী কদলী ৰোপণ কৰি তাতে লেজু দি চাকি দিয়ে, আম্ৰপল্লৱ আঁৰে। পাচে, নামঘৰৰ টুপতো দুৱাৰত চাৰিটা পূৰ্ণ-ঘট তাম্ৰৰ ৰূপ খটোৱা পাতে। কৰাপাটতে নামঘৰৰ দুৱাৰ মুখত দুই-দুই ঘৃত প্ৰদীপ লগাই নামঘৰত চন্দ্ৰতাপ আঁৰি অতি ভূষিত কৰে। মণিকূটৰ দুৱাৰ মুখতো ঘৃত প্ৰদীপ মঙ্গল ঘট-পল্লৱ আঁৰে। সত্ৰৰ স্বৰূপ মূৰ্ত্তিজনাক মহা-মহা অমূল্য বস্ত্ৰ, অলঙ্কাৰে পৰিষ্কাৰ ভূষণ কৰাই থৈ, অধিকাৰো গন্ধ, আতৰ, সতু, আগৰ চন্দন, জাতি চন্দন, অংগমালা শিৰোমালা, ধূপ-ঘৃত-প্ৰদীপ, বস্ত্ৰযুগল এইসকল এক বৃহত্তৰ থানলৈ আগবঢ়ানলৈ সম্ভ্ৰম হুই থাকে। ভেটিৰ দুই চাঙত অনেক অনেক বৃহৎ সুদীৰ্ঘ ধূপ থৈ বহু দূৰতে আদৰিবৰ কাৰণ, মধ্য থানতো আদৰিবৰ কাৰণ, তিনি জোৰা গায়ন-বায়ন, নটুৱা, বিয়াহ, কীৰ্ত্তনীয়া, ঢুলিয়া, কালিয়া, তৈয়াৰ কৰি থৈ মহন্তৰ লগতো ভাল এজোৰা গায়ন তৈয়াৰ কৰি থৈ, সেই সময়তে শ্ৰীশ্ৰী দেৱ নগৰৰপৰা ওলায়।

বিভৱ-তামচাৰে সমদল

দুই প্ৰহৰৰ পথ পৰ্য্যন্তে মনুষ্যে জোৰে। প্ৰথমে আগতে বৰহিলৈ, চিপাহী, তাৰ পাচে হাতী, পাচে ঘোৰা, তাৰ পাচে ধেনুকাঁড়, পাচে বৰছা, নগা-যাঠী, তাৰ পাচে দা-ধৰা, তাৰ পাচে বাৰুধৰা, তাৰ পাচ তামুলী-দা-ধৰা, তাৰ পাচ পংখুৱাধৰা, তাৰ পাচ গায়ন, তাৰ পাচ খাটনীয়াৰ, ফুকন-বৰুৱাৰ লৰা, তাৰ পাচ লিগিৰা, তাৰ পাচ 'দেৱৰ ওচৰতে তামুলী লিগিৰা, বৰ তামুলী, পাচনি, চোৰ'ৰ-বিচনী ধৰা, আবোৰান ধৰা—এই দৰেই দুই পাৰ্শ্বতো, পাচতো যায়। গায়নে গাই যায়। দোলাকাষৰীয়া ও বৰা এইসকলে বাটৰ মানুহ বহিব দিয়ে।

সকলোৰে আগতে চিপাহী, বৰহিলৈৰো আগতে চাৰি ছয়খন কোৰ লৈ অনেক হাৰি যায়। তাৰ পাচত শেনচোৱাই শেন চৰাই লৈ যায়। 'দেৱৰ পাচতে, ডাঙৰীয়া তিনিজনা যায়। চাৰিং-তিপামাদি গোহাঁঞিসকল যায়। তাৰ পাচত বৰবৰুৱা ও চ'ৰাৰ ফুকনসকল, ৰাজখোৱা বোৰ যায়। পাচে, চমুৱা ফুকন-বৰুৱা, মেলডগীয়া ফুকন-বৰুৱা যায়। কোনো কোনো ডেকা-ডেকা-বোৰ গায়নৰ আগতেই যায়। এই ক্ৰমে মহা মহা বিভৱ তামচাৰে শ্ৰীশ্ৰীস্বৰ্গদেৱ যায়।

মাজুলীৰ সত্ৰলৈ যাওঁতে

মাজালীৰ সত্ৰ হলে ব্ৰহ্মপুত্ৰৰ চ'বা নোকা ২০।২৪ খনেৰে, হিলৈচ'ৰা ২৪।৩০ খনেৰে পাৰ কৰি থাকে—প্ৰভাতৰেপৰা এই ক্ৰমেঃ -

শ্ৰীশ্ৰীদেৱ সত্ৰৰ বিদুৰ পোৱাতে মহন্তৰ গায়নে নটুৱাই আগ বঢ়ায়, তাৰপৰা ভোটিপতাৰ ওচৰ পালেও পুনৰ এজোৰা গায়নে-বায়নে আগ বঢ়াই, তাতে দুয়ো পাৰ্শ্বে যোৱা মানুহ কিছু পাচ পৰে। সেই আলিৰ ওচৰত পৰা ভোটিবোৰ এক ৰৰুৱা-ফুকনে ভেটায়। পাচে, সৰ্গদেৱ গলে যেয়ে পায় সেয়ে খায়। এই ৰূপে গৈ ৰবাপাটৰ ওচৰ পায় গৈ। চাৰি দিশে অনেক সুগন্ধ ধূপ লগায়, তাৰ ঘ্ৰাণে অতি আমোদ কৰে। ৰাজাক আদৰ, ডেকা থাকিলে, ৰাজ বো-পাটৰপৰা আগবঢ়াই, মহামহোৎসৱ সুমঙ্গলে সসেনে গৈ ভিতৰ কৰাপাট পাই। তাতে শ্ৰীশ্ৰীস্বৰ্গদেৱ চতুৰ্দ্দোলাৰপৰা নামে। তাতে অধিকাৰে আদৰে।

অধিকাৰে আদৰা ক্ৰম

অধিকাৰ মহন্ত আহিবৰ দোখ কিছুমান বুলনি কাপোৰতে সুশোভিত হয়। তাতে মহন্তে শ্ৰীশ্ৰীসৰ্গদেৱক দোখ বোলে,

> 'মনুষ্যানাং ... ধৰ্ম্মৰক্ষণ হেতৱে
> অৱতীৰ্ণোঽসি ... ত্ৰৈলোক্য ভূষিতা ৰক্ষিতং
> ... যথা লাভেম্মহা ...
> ইহা অত্ৰমোদমানঃ সদাবৰ্থী নিৰয়ী ...।
> ... তেজ সাৰা জাপ নায়ে দুৰ্ব্বুদ্ধিং সদা।
> ... সদা লোকে ত্ৰৈলোক্য ৰসতাং নয়েৎ।'

এইৰূপ ঈশ্বৰবাংশ ৰজা আমাৰ অতি শুভ দশাৰ দ্বাৰাই অচিঁ'বলৈ পোৱা হইছে। এই বুলি, ওচৰ চাপি কপালে আতৰ, তিলক দিয়ে। গলে মংগলমালা দিয়ে, শিৰতো মালা দিয়ে যন্ত্ৰযুগ্ম হস্তে লগাই লাগিবাৰ হাতে দিয়ে। সি কয়, মহাৰাজ, আমাৰ পূৰ্ব্বপুৰুষসকল অহাত মুক্তি জনা, তিনি চাৰি উদাসীন একত এইৰূপ আছিছিল। মহাৰাজাসকলে মুক্তিলৈ বাৰী, কুমাৰ, পাইক দি সত্ৰ বৰাই দিলে। তাৰে পৰা ফলনা নাম কোৰ যি সত্ৰ দিলা সৱে। এই বিভূতি-সম্পত্তি দিবৰ কৰিলে। এই কাৰণ সত্ৰ-সভা, সম্পত্তি সকলো মহাৰাজাৰ আমি আতে (ইয়াতে) সত্ৰ চলোৱা মাত্ৰ। সকলো মহাৰাজাৰ পাইক সেৱক। যদি আমি বন্ধ ব্যৱস্থা (বন্দবস্ত) নাজানো, যদি অনেক খতি ৰাজা পায়, তাত মন অসন্তোষ নকৰি পাত্ৰমন্ত্ৰী সহিতে যেন আনন্দে যাব এই নিবেদন।

ৰজাৰ উত্তৰ

এই বুলি কলে, তাতে পাত্ৰমন্ত্ৰী সদলোৰ একৰাকীয়ে শ্ৰীশ্ৰীস্বৰ্গদেৱৰ মতিত কম যথা কাল, যথা লোক, যথা সময়ৰ যথা কথা উক্ত কৰে। আপোনাসকলৰ সত্ৰ সভা ধৰ্ম্ম থাপি দেশৰ ধৰণী কৰি নাম গাই, আশীৰ্ব্বাদ কৰিবলৈ থৈ গৈছে। এই কাৰণ, ধৰ্ম্ম থানলৈ ধৰ্ম্ম বৃদ্ধিৰ নিমিত্তে ঈশ্বৰ সেৱা কৰিবৰ। শ্ৰীশ্ৰীসৰ্গদেৱ আজি আপোনাসকলত কোনো দ্ৰব্যান্তৰ, কাৰ্য্যান্তৰত অসন্তোষ কৰিবৰ। পাত্ৰমন্ত্ৰী গইৰহ দেশস্থ লোকে বা কোনো দ্ৰব্যান্তৰৰ লাগি অসন্তোষ কৰি দুৰ্যশস্য কৰ। ই কথা কভি (কেতিয়াও) নুবুজিব।

স্বৰ্গদেৱৰ মূৰ্ত্তি সেৱা

এই বুলি কথনৰ অন্তত মহন্তে আগে-আগে যায়। মহাৰাজা বুলনী কাপোৰত পয়জাৰেৰে যায়। এই ক্ৰমে গৈ, নামঘৰৰ টুপ পাই তাতে বৰদেউৰীয়ে অৰ্থাৎ পান্ডাই আদৰে। প্ৰথমে তিলক দিয়ে, পাচে শিৰত মালা দিয়ে, ধূপদীপ দিয়ে; দি আদৰে। আদৰিলে নামঘৰৰ মাজে বুলনী কাপৰত যাই মণিকূটৰ ওচৰ পাই অধিকাৰ মহন্ত আগে সোমায়। মহন্ত উত্তৰ পাৰ্শ্বে হয়; বৰ দেউৰী দক্ষিণ পাৰ্শ্বে থাকে। শ্ৰীশ্ৰীসৰ্গদেৱক মূৰ্ত্তিৰ সমুখে বানাত পাৰি দিয়ে; তাতে শ্ৰীশ্ৰীদেৱ বহে। ডাঙৰীয়া তিনি জনা কপাহী কাপৰত বহে। 'দেৱৰ পইজাৰ দুৱাৰ

মুখতে এৰে। ডাঙৰীয়াসকলৰ পইজাব নামঘৰৰ দুৱাৰ মুখতে এৰে। আপোন গুৰুঘৰ হলে ভিতৰ কৰাপাটতে এৰে। এই ক্ৰমে বহি মূৰ্ত্তিৰূপ ঈশ্বৰক সেবা কৰে।

তাতে বৰদেউৰীয়ে অঙ্গমালা দি, পাচে শিৰত মালা দি ডাঙৰীয়াসকলক শিৰত মালা দি, প্ৰধান বৰবৰুৱা হলে বৰবৰুৱাকো শিৰত মালা দিয়ে। দেৱক মালামূৰ্ত্তিৰ গাৰপৰা নমাই ভূমিত লগাই সাক্ষাতে দিয়ে। ডাঙৰীয়াসকলক চৰণ হৈতে (চৰণৰপৰা) উত্তীৰ্ণ (নমাই) কৰি দি বৰবৰুৱাকো দিয়ে।

পাচে শ্ৰীশ্ৰীসৰ্গদেৱে মূৰ্ত্তিসকলৰ নাম সোধে। অধিকাৰ মহন্তে মূৰ্ত্তিৰ নাম কাঢ়ি কয়। তাতে শিশুৰ অবস্থা বড়া হলে, প্ৰধান মূৰ্ত্তিৰ উৎপত্তি আদি কয়। যদি স্বৰ্গদেৱ সাবধানে যায় তবে ভগৱন্তৰ মূৰ্ত্তিৰ পাদোদক খাই শিৰে লয়।

মূৰ্ত্তি সেৱাৰ পাচত

এইৰূপে মূৰ্ত্তি সেৱা কৰি দেৱ ওলাই আহি অধিকাৰ মহন্ত বহা খুটাৰ সেই জোৰৰে দক্ষিণ খুটাৰ ওপৰে, তিনি খলপীয়া চন্দ্ৰতাপ তৰে। তাতে খুটাৰ আগ বৰবহা দিয়ে অৰ্থাৎ দীঘল, ডাঙৰ, ওখ বৰকেপকটা তলচা দিয়ে, বৰ গাৰু দিয়ে। তাতে শ্ৰীশ্ৰীসৰ্গদেৱ বহে। সেই শাৰীতে দেৱৰ নামে ক্ৰমে ডাঙৰীয়া তিনি জনা ওচৰ চাপি-চাপি বহে। বৰবৰুৱা ডাঙৰীয়াসকলৰ নামে মুঠিখেৰ আঁঠুত লৈ বহে। এবং চৰাৰ ফুকন কেই জনাও বৰবৰুৱাৰ নামে বহে। তাৰ নামে ৰাজখোৱাবোৰ বহে। চমুৱা ফুকন বৰুৱাসকল উত্তৰ শাৰীয়ে ডাঙৰীয়াসকলৰ সন্মুখে বহে। তাৰ নামে কটকী কাকতী বহে। তাৰ নামেও, ৰাজখোৱা বোৰৰ নামতো মেলডগীয়া ফুকন বৰুৱা বহে। খাটনিয়াৰৰ প্ৰধান কেইটা ফুকন বৰুৱা দেৱৰ ওচৰতে উত্তানি ভাটীয়ে বহে। পাচে, ভৰালী লিগিৰাই মন্ত্ৰীজনৰ অনুমতি লৈ, মূৰ্ত্তি গোসাইলৈ ৰূপৰ সোণৰ কাপৰৰ এই তিনিখন শৰাই মণিকূট সুমাই দিয়ে। নতুবা শ্ৰীশ্ৰীসৰ্গদেৱে সেৱা কৰাতে আগ বঢ়াই দিয়ে। দুয়ো মতে দিয়ে।

আশীৰ্ব্বাদ—মাৰ্নান

পাচে মহন্তলৈকো সেই প্ৰকাৰে শৰাই তিনিখন আগে দিলে শ্ৰীশ্ৰীসৰ্গদেৱে বহা ঠাইৰপৰা নমস্কাৰ মাত্ৰ কৰে। পাচে ভকতসকললৈকো অধিকাৰৰ সমানে ৰূপ দিয়ে। বৈষ্ণৱ লোকেও, মহন্ত উঠি আশীৰ্ব্বাদ কৰিলে, হৰিধ্বনি কৰে। এই প্ৰকাৰে অনেক বাৰ আশীৰ্ব্বাদান্তে হৰিধ্বনি কৰে। তাৰ পাচত, সত্ৰৰ গায়ন-বায়ন আহে। গান কৰিবৰ আৰম্ভি গুৰুঘাত মাৰি পূৰ্ব্বতো অধিক কৰি গান কৰে। নৰ্ত্তক বালকসকলে নৰ্ত্তন কৰে। তাতে সেই সময়তে গান বাজনা নৰ্ত্তনৰ ৰস পায়। সেই সময়তে স্বৰ্গদেৱৰ মন বুজি ভণ্ডাৰী লিগিৰাই, বহুতৰ ৰূপ পেলাই দিয়ে। পাচে গানৰ অন্তে, বিয়াহ কীৰ্ত্তনীয়াই খুটিতালে পদ গাই, তাতো সেই সময়তে গানৰ ৰস পাই। সেই সময়তে বহু ৰূপ পেলাই দিয়ে।

বিদায় পৰত পুনৰ মূৰ্ত্তিসেৱা আৰু খাজিখোৱাত ভোজন

এই ক্ৰমে গানৰ অন্ত হলে, পুনৰ দেৱ মণিকূট প্ৰৱেশ হুই মূৰ্ত্তিৰূপ ঈশ্বৰক সেৱা কৰি ওলাই আহি মহন্তৰ লোকে সাজিখোৱা খাজিখোৱা প্ৰৱেশ হুই ডাঙৰীয়া বৰবৰুৱা সকলো খাজিখোৱা প্ৰৱেশ হুই, তালৈকে মহন্তে ঈশ্বৰৰ প্ৰসাদ, নানাবিধ ভজা পিষ্টক দিয়ে; পৰমান্ন দিয়ে, আমান্ন নৈবেদ্য দিয়ে, ভোজনৰ সামগ্ৰী দিয়ে। পৰমান্ন পাক কৰিবলৈ ক্ষীৰাদি দিয়ে নানা প্ৰকাৰ ঘন ক্ষীৰ, লৱনু মিঠৈ দিয়ে, চিৰা-দধি-দুগ্ধ-শৰ্ক্কৰাদি দিয়ে। আনো বহুতৰ ফলমূলাদি, পাক যোগ্যক পাক কৰি দিয়ে। ইতৰ কেঞাপকা, অপাকভুক্ত অপাকেই দিয়ে। এই ৰূপে ডাঙৰীয়া, বৰবৰুৱা, চৰাৰ ফুকন, সকললৈকো দিয়ে। তত পৰ চমুৱা ফুকন, বৰুৱা-কটকী-কাকতীক মহন্তে সত্ৰৰ ভিতৰতে পাকভুক্ত যথাযোগ্য খুৱাই, চিৰাপিঠাদিকো খুৱায়। মেলডগীয়া ফুকন বৰুৱাকো সেই দৰেই খুৱায়। তাৰপৰে চিপাহীক চিৰা, গাখীৰ, পিঠা খুৱায়। কুকুৰাচোৱা, চাউডাং, দোলাকাষৰীয়া, হাতীমাউত, ঘোৰাচোৱা, কাঁৰী বাৰুৱতীকো চিৰাদি খুৱায়; লিগিৰা, তামুলী, পাচনি, বাৰুধৰা, তামুলী-দাধৰা গইৰহ লোকক চিৰাপিঠা খুৱায়।

এই ক্ৰমে খলাসৱা অন্ত কৰি জলপান খুৱাই শ্ৰীশ্ৰীস্বৰ্গদেৱে চাংমাইশালত, চাংমাই লোকে উপায় কৰি যথাৰুচি মেল কৰে। ডাঙ্গৰীয়াসকলেও মেল কৰে। বৰবৰুৱাও গৈ বহে, ও এইৰূপে থাকি থায়। ফুকন বৰুৱাই যদি মূৰ্ত্তিৰূপী ভগৱন্তৰ সেৱা কৰিবৰ যদি থাকে, যথাযোগ্য দক্ষিণা দি দেৱ ওলাই আহিলে সেৱা কৰে, পৰে জলপান কৰে।

স্বৰ্গদেৱক দান-দক্ষিণা আৰু বিদায়

এই প্ৰকাৰ সকলোৱে অৱসৰ হৈ শ্ৰীশ্ৰীস্বৰ্গদেৱৰ ওচৰলৈ যায়। তেতে কত বেলা তামচা বং কৰি কোনো ৰাজা পুনৰ গৈ মূৰ্ত্তি সেৱা কৰে বুলিও কয়। পাছে পুনশ্চ নেযায়। তালৈকে কণা, আজলা, ভিক্ষুক লোকে যদি অনেক যাচ্ঞা কৰে সেই সকলকো উৰুলি মঙ্গল কৰা স্ত্ৰীলোককো যথাযোগ্য অৰ্চনা কৰে। দহ বাৰ টকা মানুহ চাই অধিক ভাকৰ দৰে দিয়ে। পাছে কাথবৰুৱাও কৈ শ্ৰীশ্ৰীস্বৰ্গদেৱে মহন্তক বিদায় লৈ পূৰ্ব্বৰং নগৰে যায়।

খাজিখোৱাৰালৈ অহাৰ পূৰ্ব্বেই মহন্তে সাতখনিমা সাজেৰে কাপৰ এক সাজ, তামোল-পাণ সহিতে শৰাই তিনি খন দি আশীৰ্ব্বাদ কৰে। তেতে শ্ৰীশ্ৰীদেৱ খাজিখোৱাৰালৈ যায়। এই পূৰ্ব্ব দস্তুৰ পৰে শ্ৰীশ্ৰীস্বৰ্গদেৱ দোলাত নতুবা পালঙ্গী চতুৰ্দ্দোলে উঠিলে মহন্তৰ গায়নে আগ বঢ়াই থয়। চাৰি পাঁচ জোৱাই তাৰ পাৰ ডাঙ্গৰীয়া সকলকো থাকি খোৱাতে সাজু কাপোৰ দি মৰ্য্যাদা কৰে। ডাঙ্গৰীয়াসকল বৰবৰুৱা ফুকন গইবহু ওলাই পাছতে যায়।

ৰজাৰ নগৰ প্ৰৱেশ

এই ক্ৰমে অহাদৰেই মহা বিভৱ লোৱ সম্পত্তিয়েৰে গৈ নগৰ প্ৰৱেশ হৈ ঈশ্বৰৰ সেৱা মূৰ্ত্তি সেৱা, গান বাজনা বং তামচাৰ কথা, কুৱৰী ৰাজমাওসকলত কৈ ৰাজমন্ত্ৰীসকলেও অনেক প্ৰশংসা কৰি কৈ, মহন্তেও মহাৰাজা আহিলে হে শৰীৰত তন্ত্ৰ হয়। কাথবৰুৱাক অনেক প্ৰশংসা কৰি কটা দিয়ে বোলে, 'আমাৰ জগৰ তোমাৰ পৰা হে সৰুবাই তুষ্ট কৰাই পাছিলা। এই কাৰণ আমি থিৰে। আমাৰ জগৰ নাই বুলি এই ক্ষণ হে জানিলো। পূৰ্ব্বে মনে আছিলে আমাৰ কোনো কাৰ্য্যত জগৰ নালাগি নাথাকে, সকলৰ তুমি হে কাৰণ। এই বুলি আশীৰ্ব্বাদ কৰি, দুই তিনি দিনৰ পৰে বহুতৰ বস্তু দি পাছ দিয়ে। এই প্ৰকাৰ মহাজনৰ সত্ৰলৈ শ্ৰীশ্ৰীস্বৰ্গদেৱ যায়। ইহাৰ অনেক প্ৰপঞ্চ আছে।"

ইতি বুৰঞ্জীবিবেকৰত্নে সকল সত্ৰলৈ মহাৰাজ যোৱা বাবস্থা বিৱৰণং।"

গোসাঁইসকলে ৰজাক আশীৰ্ব্বাদ আৰ নিৰ্ম্মালিকাৰণ দিয়াৰ ব্যৱস্থা

(খ)

[ৰজাঘৰত ৰৰসবাহ পাতিলে চাৰিসত্ৰ প্ৰমুখ্যে সত্ৰৰ গোসাইসকল সবাহলৈ যাবই লাগে। সবাহ ভঙাৰ পিচত, ৰজাক নিৰ্ম্মালি দিযাৰ নিয়ম। সেই দেখি, সবাহৰ তিনি চাৰি দিনৰ মূৰত নিৰ্ম্মালি দিয়া দিন এটা ঠিক কৰা হয়। অভিষেকৰ দিনা অৰ্থাৎ নিৰ্ম্মালি দিবৰ দিনা মৰ্য্যাদাক্ৰমে সকলো সন্ত-মহন্ত ভকতসকলেসৈতে ফাকুৱা দৌলৰ ৰৰ চ'ৰাতে আগত শৰাই-সঁফুৰা লৈ বহেঁহি। শৰাইতে নিৰ্ম্মালি থোৱা হয়।]

নিৰ্ম্মালি-মণ্ডপ

"পাচে নিৰ্ম্মালি দিলে বহি লবৰ কাৰণ শ্ৰীশ্ৰীসৰ্গদেবৰ পূৰ্ব্ব দিশৰ বহা ভেটিৰ অগ্ৰতে ওপৰে বহু চন্দ্ৰতাপ তৰে। সেই চন্দ্ৰতাপৰ তলতে নবাপীবা এখন পাবিবৰ কাৰণ তলে পাটী পাৰে। তাৰ উপবি বানাত পাৰে তাৰ ওপৰত নবাপীবা পাৰে। পীৰাৰ ওপৰত ৰৰবহা, কেপকটা তলচা দিয়ে, তাতে গাৰু দিয়ে, আগফালে সুৰ্বণৰ বটা-শৰাই মাত্ৰ শিতানৰ ফালে থাকে। আগ ফাল উদং কৰি থৈ, ডাঙ্গৰীযাসকল ওচৰ চাপি-চাপি বহে। ৰৰবৰুৱা, ফুকন কেইজনা বাজখোৱা আদি কৰি পূৰ্ব্ব নিৰ্ব্বন্ধে বহে। কটকী, কাকতী আদি পূৰ্ব্বৰ দস্তুৰে বহে। সকলো সাত গোটা পালি পূৰ্ব্বৰ দস্তুৰে থাকে। দোলাকাষৰীয়া, চাওডাঙ্গ, হাতী-ঘোড়া, চিপাহী, কাঁড়ী, পালী পূৰ্ব্বৰ থানে-থানে থাকে। সেই সময়তে শ্ৰীশ্ৰীসৰ্গদেৱ ওলাই আহি নবা পীবাতে বহেহি। পাচে ৰৰবৰুৱা এজন, চমুৱা বৰবৰুৱা ফুকন, বৰ কেইজনা গোসাইক আগবঢ়াবৰ নিমিত্তে, পাচে বৰদুৱাৰৰ মুখৰপৰা আগ বঢ়ায়। পাচে চোকৰধৰা বৰা গৈ নিৰ্ম্মালি দিবলৈ পূৰ্ব্ব দস্তুৰে ক্ৰমে-ক্ৰমে কাকত মাতিলেই যাব লাগে। সম্প্ৰতি চাবিসত্ৰৰ গোসাঁই যাব লাগে।

"প্ৰথমে ঐবাবতসদৃশ আউনীআটি—গোসাইৰ" প্ৰবেশ

"প্ৰথমে আউনীআটিব গোসাঁই যাব লাগে" এই বুলি কহিলে ক্ষীব সমুদ্ৰ মথনত যি প্ৰকাৰ ঐবাবত আদি ওলাল, সেই ক্ৰমে সংসমুদ্ৰ হৈতে আউনীআটি সত্ৰৰ গোসাই ওলাই গৈ, বৰ দুৱাৰৰ মুখতে, খাটলাৰপৰা নামি আহি বৰচ'ৰাব মাজে যাই, লগত পাচত যায় ডেকা মহন্ত, নিৰ্ম্মালি শৰাই লোৱা, কম্বল লোৱা এই তিনি মাত্ৰ। পাচে ৰাজা সাম্নাহিত অগ্ৰ পাই গোসাই জনাই শ্ৰীশ্ৰীসৰ্গদেবৰ কপালে তিলক এটি অগৰ চন্দন দি, গলে অক্ষমালা সুমাই দি মবল মালা দিয়াত এক শ্লোক পঢ়ি দিয়ে। পাচে, সেই কালতে অনেক যুক্তি কয় "মহাবাজ, আপুনি ধৰ্ম্মৰক্ষক, ধৰ্ম্মপালক আপোনাৰ কুশলেহে আমাৰ কুশল। পূৰ্ব্বে গোৰীনাথ সিংহ মহাৰাজাৰ অনবস্থানতে আমাৰ ভেটি উৎসাদ হল। পুনৰ্ব্বাৰ আমি পূৰ্ব্বৰ থানতে নিবাস পালোঁহি। এতেকে, মহাবাজা দেশৰ ৰাজ্য সন্ত মহন্তক প্ৰতিপালন কৰি কুশলে যেন থাকিব। এই বুলি অনেক আশীৰ্বাদ কৰে ভকতসকলে প্ৰতিআশীৰ্বাদাতে হৰিধ্বনি কৰে। দুখনি বস্ত্ৰ নিৰ্ম্মালিব অন্তে ৰাজাৰ হস্তত লগাই অনাৰ হস্তত দিয়ে। এই ক্ৰমে নিৰ্ম্মালি দি কথা বুজাই পুনৰ যায়।

"চন্দ্ৰতুল্য দক্ষিণপাটৰ গোসাঁইৰ" প্ৰবেশ

তাৰ পাচত, দক্ষিণপাটব গোসাঁই গৈ বৰদুৱাৰতে খাটলা এৰি গৈ, বৰচ'ৰাব মাজে তিনি-জন লোকসহিতে যায়। ৰাজাৰ আগত উপগত হই, প্ৰথমে অক্ষমালা দি শিৰোমালা দিয়াত, এক শ্লোক পঢ়ি দি ৰাজাৰ হস্তত কাপোৰ লগাই, অনাৰ হস্তত দি নীতিযুক্ত কয়ঃ "মহাৰাজ, এই হস্ততৰে যাদবৰাইক পূজা কৰা যায়। মহাৰাজক পূজা কৰা যায়। মহা-ৰাজা অষ্টবসুৰ তেজৰ আবিষ্কাৰ বিষ্ণুমূৰ্ত্তি আৰ, সংস্থানতে আমাৰ দেশত প্ৰীতি, মহা-ৰাজাৰ পদচ্যুতেই আমাৰ মৰণ।

"সুখেন জীৱতি ৰাজ্ঞী সৰ্ব্বেষাং সুখ জীৱনং
তস্মিন্ হি বিপ্ৰ সংস্থানে, মৰণং সুপ বৰ্জ্জিতং"

মহাৰাজাৰ মহানন্দেই আমাৰ ধনবস্তু।

> "ৰাজা ধৰ্ম্মৰতে লোকা; ধৰ্ম্মহীনাং কুলক্ষয়ীকাঃ
> স্বধৰ্ম্মস্থে বিশিষ্টো চ তস্মিন্ সৰ্ব্বে সুখান্বিতাঃ"
> প্ৰজাবৃদ্ধিঃ ধৰ্ম্মবৃদ্ধিঃ শস্যবৃদ্ধিঃ ঋপুক্ষয়ঃ
> ৰাজ্ঞো ধৰ্ম্ম প্ৰভাবেন গৱাদি ক্ষীৰ বৰ্দ্ধনঃ।
> অস্মিন্‌দেশস্থিনী লোকাঃ কাপট্য বৰ্জ্জিতা সদা
> অকন্দল যুতাঃ সম্যগ্‌ গুৰু সেৱা পৰায়ণাঃ।

এতেকে, মহাৰাজা স্বধৰ্ম্মস্থ তেজো যুক্ত হুই থকাতে আমাৰ কুশল। শিষ্যেও যেনে আমাক গুৰু বুলি।

> "ত্ৰিনিবন্ধ গুৰু ৰাজা গুৰুবেদস্য মন্ত্ৰকং
> ৰাজদ্ৰোহ গুৰু দ্ৰোহ যেসা নিৰয়ী ভৱেৎ।"

এই কাৰণে মহাৰাজাৰ আমি সংস্থাপিত আশীৰ্ব্বাদীয়া।

> যৎ কৰোতি শুভং লোকঃ ধন ভং কৰ্ম্ম সৰ্ব্বদা
> ষষ্ঠাংশং ফলমশ্নাতি ৰাজা ভূমিপৰ সথা।

এতেকেবাৰা পূৰ্ব্বীয় ৰাজাসকলে অধৰ্ম্মী লোকক উগ্ৰদণ্ড কৰি দেশান্তৰৰে মহাৰাজা পাত্ৰ-মন্ত্ৰীসমে ৰাজনীতিৰে আমাক প্ৰতিপালন কৰি কুশলে থাকিব।

আউনীআটীয়া জনাই আকৌ ওলাই তলপ কৰে।

"কৌস্তুভ মণিৰ তুল্য গড়মূৰৰ অধিকাৰ মহন্তৰ প্ৰৱেশ।"

তাৰ পাছত, কৌস্তুভ মণিৰ তুল্য গড়মূৰৰ অধিকাৰ মহন্ত সত্ৰ সমুদ্ৰ হইতে ওলাই আহি পূৰ্ব্ববৎ বৰদুৱাৰৰ মুখে খাটলা এৰি ৰাজসভাত প্ৰৱেশ হয়। ৰাজাক তিলক দি, গলে অঙ্গমালা দি শিৰে আশীৰ্ব্বাদ কৰি মালা দি বস্ত্ৰযুগ্ম হস্তে লগাই, অন্যাৰ হস্তে দি যুক্তি কয়

> মহাৰাজ ৰাজপদত নীতি হে সৰ্ব্বৰত্ন :—
> ৰাজনীত্যা প্ৰজাবৃদ্ধি ধনবস্তুস্য বৃদ্ধিতা।
> শত্ৰু নাশো যশো বৃদ্ধিৰ্ভৱেদিৰাজবানজনঃ
> নৃপত্বো নীতিমাৰ্গস্থে লোকাধৰ্ম্ম পৰায়ণঃ
> অনীতিস্থে নৃপে দেশ দুৰ্ভিক্ষং মৰকং ভৱেৎ।

আমি সকলো মহাৰাজাৰ প্ৰতিপাল্য নীতিমাৰ্গে প্ৰতিপালিত হলে, সৰ্ব্বসিদ্ধি হব, সকল শত্ৰু ক্ষয় হব; সকলকো পাৰ আয়ুবৃদ্ধি হব।

> "ধৰ্ম্ম অৱতাৰো নৃপতি ধৰ্ম্মস্য ৰক্ষণীয়
> বৈ সবৈ দিগ্বিজয়ী ভৱেৎ।"

এতেকেবাৰা মহাৰাজা নীতিস্থ হুই দেশ ৰাজ্যক প্ৰতিপালন কৰি যেন থাকিব। এই আশংসা। এই প্ৰকাৰ গৰুমূৰৰ অধিকাৰ ডেকা দুয়ো জনাই পূৰ্ব্ববৎ নিৰ্ম্মালি দি ওলাই যায়।

"উচ্চৈশ্ৰৱা তুল্য কুৰুৱাবাহী অধিকাৰৰ প্ৰৱেশ"

তাৰ পৰ কুৰুৱাবাহী অধিকাৰ সত্ৰ সমুদ্ৰ হৈতে উচ্চৈশ্ৰৱাৰ তুল্য ওলাই বৰ দুৱাৰৰ মুখতে খাটলা থৈ ডেকা সহিত ৰাজসভা প্ৰৱেশ হুই, ৰাজাৰ কপালে তিলক, গলে অংগমালা দি শিৰে আশীৰ্ব্বাদ কৰি মালা দি নীতি কহে ঃ

> "মহাৰাজ! নীত্যাহিৰৰ্দ্ধতে ৰাজা নীত্যাঅৰ্দ্ধতে সদা
> তয়া প্ৰজা ভৱেৎ বৃদ্ধি শত্ৰু নাশো যশো ভৱেৎ।
> নীতি হীনেন নৃপতি সম্বথা শত্ৰু পীড়িতঃ।

পাত্ৰমন্ত্ৰীৰ সহিতে নীতিৰে দেশস্থ লোকক প্ৰতিপালন যেন কৰি কুশলে থাকিব। এই আশংসা। এই প্ৰকাৰ কুৰুৱাবাহীৰ অধিকাৰ ডেকা সহিত নিৰ্ম্মালি দি ওলাই যায়।

"পাৰিজাত ওলোৱাদি দিফলুৰ মহন্তৰ প্ৰৱেশ"

পাৰিজাত ওলোৱাদি সন্ত সমুদ্ৰ হইতে দিফলুৰ মহন্ত ওলাই পূৰ্ব্ববৎ ডেকা সহিত ৰাজসভাত প্ৰৱেশ হৈ ৰজাৰ কপালে তিলক, অংগমালা, শিৰোমালা দি আশীৰ্ব্বাদ কৰি নীতি কহে —

"মহাৰাজ ! ধৰ্ম্মপালনৰ নিমিত্তে আপুনি ঈশ্বৰ বিভূতি ৰূপেৰে ৰজা হৈ ৰজা প্ৰতিপালন কৰি দুষ্টক দণ্ডে, সন্তক পালে। দুষ্টক নাশি, সন্ত সাধু গো ব্ৰাহ্মণক যেন প্ৰতিপালন কৰি কুশলে পাত্ৰমন্ত্ৰী সহিতে থাকিব" এই আশীৰ্ব্বাদ এই বুলি দি দিফলুৰ জনা ডেকা সহিত ওলাই যায়।

"স্বৰ্গমন্দাৰৰ তুল্যে আছে সৰু গড়মূৰৰ মহন্ত"

তাৰ পাছে সৰু গড়মূৰৰ মহন্ত সন্ত সমুদ্ৰ হৈতে দেৱতাৰ স্বৰ্গমন্দাৰৰ তুল্যে ওলাই যায়। পূৰ্ব্ববৎ ৰাজসভা প্ৰৱেশ হৈ ডেকাজনা সহিতে ৰজাৰ কপালে তিলক দি অধিকাৰেৰ গলে অংগমালা দি, শিৰোমালা দি আশীৰ্ব্বাদ কৰি বস্ত্ৰ যুগ্ম ৰজাৰ হস্তে লগাই অনাৰ হস্তে দি কিছু নীতি কহে ঃ "মহাৰাজ, আপোনাৰ কুশলেই আমাৰ দেশস্থ জনৰ সৰ্ব্বথা কুশল। কিন্তু সেই কুশলেই নীতিধৰ্ম্ম উভয়ৰপৰা হে হয়। নীতিধৰ্ম্মবিহীনে ৰজাৰ যশ কীৰ্ত্তি দেশ প্ৰজা বিপ্লৱৰ কাৰণ। এতেকেৰে মহাৰাজ নীতি ধৰ্ম্মতে প্ৰবৰ্ত্তি কুশলে থাকিব।" এই আশীৰ্ব্বাদ এই প্ৰকাৰ দি সৰু গৰমুৰ যায়।

"ফুটুকী চাপৰিৰ সমান শলগুৰীয়াজনা" আছে

তাৰ পাছে কমলেশ্বৰ স্বৰ্গদেৱৰ দিনত ফুটুকী চাপৰিৰ ঠাইত শলগুৰীয়া সোমাল। শলগুৰীয়া আতাও এই ক্ৰমে আহি নিৰ্ম্মালি দি যায়।

"দিহিঙৰ বাপ আছে অপেশ্বৰাতুল্যে"

তাৰ পাছে দিহিঙৰ বাপ, অপেশ্বৰা তুল্য সন্ত-সমুদ্ৰ হইতে ওলাই নিৰ্ম্মালি দি কএক গোট নীতি কহি যায়।

"বেঙেনাআটিৰ মহন্ত সন্তান বৃক্ষ সদৃশ ওলায়।"

তাৰ পৰ বেঙেনাআটিৰ মহন্তো সন্তসমুদ্ৰ হৈতে সন্তান বৃক্ষ ওলোৱা সদৃশে ওলাই নিৰ্ম্মালি দি এক নীতি কহি যায়।

"হৰিচন্দনৰ তুল্য ফুটুকী চাপৰিৰ মহন্ত আছে।"

ফুটুকী চাপৰিৰ মহন্ত হৰিচন্দনৰ তুল্য আহি এবং নিৰ্ম্মালি দি ওলাই যায়।

"কল্পদ্ৰুমতুল্য আধাৰ যদুমণি আছে"

তাৰ পাচ, সন্ত সমুদ্ৰ হৈতে কল্পদ্ৰুমতুল্য যদুমণিৰ ডেকা সৈতে মহন্ত ওলাই যায়। সৰ্ব্বথা পূৰ্ব্ববৎ ৰাজসভা প্ৰৱেশ হৈ ৰজাৰ কপালে তিলক দি গলেশিৰে মালা দি, বস্ত্ৰ যুগ্ম দি কয়েক নীতি কহি ওলাই আহে।

ঘাৰমৰা

এবং ঘাৰমৰা আদি ৩ জনে হস্তে দিয়ে।

"লক্ষ্মীৰ গজ সদৃশ বৰবাৰেজনীয়া"।

তাৰ পাচ মহন্ত বাৰেজনীয়া সকলে সন্ত সমুদ্ৰ হইতে লক্ষ্মীৰ গজ সকলৰ তুল্য ওলাই আহি মহাৰাজাৰ হস্তে নিৰ্ম্মালি দি ওলাই আহে।

"ধন্বন্তৰীৰ সদৃশ কমলাবাৰী সত্ৰৰ মহন্ত"ৰ প্ৰৱেশ

তাৰ পৰা কমলাবাৰী সত্ৰৰ মহন্ত সন্ত সমুদ্ৰ হৈতে অমৃতৰ ঘৰ বৈদ্যশাস্ত্ৰ ধৰি যি ৰূপ ধন্বন্তৰি ওলাই আহিল, সেইৰূপে ওলাই আহি ৰাজসভা প্ৰৱেশ হৈ হস্ততে নিৰ্ম্মালি বস্ত্ৰ পূৰ্ব্ববৎ দি কিছুমান নীতি কৈ ওলাই যায়।

"নৰোৱা-কোৱামৰা, দীঘলী-চামগুৰি"ৰ প্ৰবেশ

এবং নৰোৱা-কোৱামৰা দীঘলী চামগুৰি সকলেও হস্তত নিৰ্ম্মালি দি বস্ত্ৰ মস্তকত লগাই আনৰ হাতে দি কিছু নীতি কহি ওলাই আছে।

সৰু বাৰেজনীয়াৰ প্ৰবেশ।

এবং সৰু বাৰেজনীয়া সকলেও হস্তে নিৰ্ম্মালি দি ওলাই আছে।

গোপালৰ বাৰেজনীয়া আদিৰ আগমন।

তাৰ পাশ, গোপালৰ বাৰেজনীয়া, চেঁচাৰ বৰ ঠাইৰ সত্ৰৰ মহন্ত এবং মাজঠাই, গব মৰা, সৰুঠাইৰ গইবহ মহন্তসকল ওলাই হস্তে নিৰ্ম্মালি দি ওলাই আছে।

গজলা—কাটনী আদি সকলৰ প্ৰবেশ।

পশ্চাৎ গজলা কাটনী বোৰ আদি সকলে সেই পথৰ মহন্তসকলেও হস্তে নিৰ্ম্মালি দি ওলাই আছে।

চৈতন্য পন্থীৰ নিৰ্ম্মালিদান।

তাৰ পশ্চাৎ চৈতন্য পন্থৰ মহন্তসকলে নিৰ্ম্মালি দি ওলাই আছে।

দেৱ গোপালৰ বাৰেজনীয়াসকলৰ আগমন।

পাচে দেৱগোপালৰ বাৰেজনীয়াসকলে শৰাইৰে নিৰ্ম্মালি দিয়ে, গোসাইঘৰীয়া ফুকনে ৰাজাক আগবঢ়াই দিয়ে।

কালকূটৰূপ ভয়াদৰ্ত্তা মোঞামৰা ঠাকুৰ বাপৰ প্ৰবেশ

তাৰ পাচ, সংত সমুদ্ৰ হেতে কালকূট বিষ যিৰূপ জগতৰে ভয় দিলে, সেই কালকূট প্ৰায় মোঞামৰা মহন্ত ওলাই আহি শৰাইৰে নিৰ্ম্মালি দিয়ে। গোসাইঘৰীয়া ফুকনে শৰাই আগবঢ়াই দিয়ে। শ্ৰীশ্ৰীস্বৰ্গদেৱে নিৰ্ম্মালি ঘ্ৰাণ কৰি আন একজন ফুকনৰ হাতে দিয়ে। তাতে মহন্তে কৃতাঞ্জলি কৰি নীতি কহে,

"মহাৰাজ ঈশ্বৰ হলে সম্প্ৰতিপালন কৰিব লাগে। কন্দল-বিবাদ এক কাল ঈশ্বৰে যি কালত কৰায়, এক কাল হে। পাচ ঈশ্বৰ বশ হই যিমতে সেই ৰূপেই প্ৰবৰ্ত্তে। ঈশ্বৰৰ ইচ্ছা নহলে কিছু নহয়। যাক মিলালত ঈশ্বৰে মাৰে, সবাই মাৰিব, তাক কোনে খণ্ডাব? কালকৃত গতিত যদি কোনো অকাৰ্য্যাদি প্ৰবৰ্ত্তি আছে, পুনৰ কালচক্ৰৰ দুষ্ট গতি গুচি স্বভাব গতি হল। এতে দুষ্ট গতিৰ ব্যৱস্থা মহাৰাজাৰ মনে নধৰিব আমাক আত্মজন বুলি যেন প্ৰতিপালন কৰিব।

এবঞ্চ, ৰাজা ঈশ্বৰৰ মতিৰ বিষম ভাব হলে স্বৰাষ্ট্ৰীয় লোক নষ্ট হয়। লোক নষ্টে দেশ শূন্য হয়। দেশে শূন্যে স্বল্প কৰ হয়। স্বল্প কৰ হলে প্ৰধান প্ৰধান কাৰ্য্য স্বল্প-ধনে সিদ্ধি নাপায়। অসিদ্ধিত শত্ৰুসকলে আশে পায়। অপৰং

"কৃতো ৰাজদ্ৰোহো যেন স চ বধ্যো ন সংশয়ঃ। অদ্ৰোহী ঘাতনে ৰাজাবক্ষয় বৰ্ত্তবিভবেং নানা বিবেচনং কৃত্বা শত্ৰুং সগ্ৰামসাক্ষিভিঃ। ঘাতোদ্যতং বধং কুৰ্য্যাৎ দণ্ডেন ভূপতিঃ কোন্যথং মনসাক্ষেপং ন কৰোতি চতুৰ্যুগে। স চ কিং বধ্যতা লোকে বধ্যঃ সম্বধ্যতো দুহত কালেন কন্দলং যাতি মিত্ৰং কাল বসাদ্ভবেং সস্তপাণিং নিহত্যাম শত্ৰুমনাগু পালয়েৎ। যাৰ সখা সব্যসাচী। কিং ৰণে সংশয় তস্য সখা যস্য বৃহন্নলা ত্ৰৈলোক্যং বশ্যতাং কৃত্বা দাতুং শক্তোহি বৰ্দ্ধিত। ৰোগ, ভোগ, সুখ-দুখ, জয়-পৰাজয়, জীৱন-মৰণ কন্দল-প্ৰীতি এই সকল ঈশ্বৰৰ ইচ্ছাতে হে হয়। নজনা লোকে ঈশ্বৰৰ গতি নবুজাই হে "মই কৰিছোঁ, সি কৰিছে" বুলি মানি অহঙ্কাৰী হয়। ঈশ্বৰ মূৰ্ত্তি ৰাজাৰ আপোন পৰ নাথাকে। এই কাৰণ মহাৰাজাৰো মনে বিষম যেন নাথাকিব।" এই ৰূপ আশীৰ্বাদ, এই বুলি মোঞামৰা ঠাকুৰ বাপ ওলাই আহি যায়।

"পূৰ্ব্বে জয়ধ্বজ সিংহ স্বৰ্গদেৱে গাল্পু ঘাটত সভাৰ আদ্যন্ত উত্তৰোত্তৰ বহা, নিৰ্ম্মালি দিয়া ব্যৱস্থা কৰি গৈছিল। সেই নিৰ্ব্বন্ধতে শ্ৰীশ্ৰীৰুদ্ৰসিংহ দেৱে পুনৰ নিৰ্ব্বন্ধ কৰিলে। পূৰ্ব্বত ছেৰাই কিছু মহাজন আগ পাচ হল।" **বুৰঞ্জী বিবেক ৰত্ন।**

ৰজাঘৰত গোসাইসকলে হৰিকীৰ্ত্তন কৰা

(গ)

"ৰজাসকল ফৌতি অৰ্থাৎ স্বৰ্গাতি হলে ও দেশত দুৰ্ভিক্ষ, মাৰিমৰক হলেও দেশ সুস্থ অভিৰক্ষণৰ কাৰণ, মহাদ্‌ভুতাদি নিবাৰণৰ নিমিত্তে মহন্তসকলক আনি সভা কৰাৰ নিদানে দ্ৰব্য বস্তু, চাউল পাচলি জমা কৰিবাৰ ৰাজমন্ত্ৰী ও বৰবৰুৱা দুইলৈকো মজিন্দাৰক পাচি কোৱায়। পাচে মন্ত্ৰী বৰবৰুৱা দুয়ো এক মতি হুই খাতসকলৰ চাউল কৰোৱাই আনি ভন্ডাৰে দোল প্ৰায় কৰি সাত আঠ হাজাৰ মোন চাউল, কচু-কোমোৰাদি তৰকাৰী, মাটি কলাই, খাচাৰি, মুগ, মছুৰ এৰমাদি মাহ দোল প্ৰমাণ কৰি অনেক অনেক ভন্ডাৰে-ভন্ডাৰে থৈ অপৰ মহাজন সকল শাৰী শাৰী কৰি তিনি চাৰি শ ঘৰ কৰাই তাতে উত্তৰাদি ক্ৰম, উত্তৰ দুই ঘৰ মৰ্য্যাদাৰ। তাতে আদি সত্ৰ আউনিআটী-দক্ষিণপাট-গৰমুৰ-কুৰুৱাবাহী ক্ৰমে দুহাত-একহাত ঘৰ চোট চোট কৰি সাজে। এই ক্ৰমে অনেক পংক্তি ঘৰ কৰি দ্ৰব্যবস্তু মজুত কৰি মহাজনসকলক অনাবৰ কাৰণ বৰবৰুৱাত কৈ মজিন্দাৰক পাচি মজিন্দাৰে কথা শুনায় :-

শ্ৰীশ্ৰী দেৱৰ আজ্ঞা দেৱত কৰ দিছে বোলে "সভাৰ কাৰণ দ্ৰব্যবস্তু তৈয়াৰ। ঘৰসকল তৈয়াৰ কৰিবৰ কথা শুনিছোঁ। এতিয়া বৰুৱাই মহন্তসকলক অনাবৰ কাৰণ টেকেলা পাচি কোৱাব লাগে। দুৱণী দেশ, নৱগ্ৰাম (নগাঁও), কলিয়াবৰৰ উত্তৰৰ মহন্তসকল তেহে পাৰহি।" এই বুলি কলে বৰবৰুৱা চোকৰধৰা ৰবাক এক মাস তিনি পক্ষৰ পূৰ্ব্বেই আজ্ঞা কৰি দিয়ে। চোকৰধৰাই আজ্ঞা মাত্ৰকে টেকেলা পাচি বাৰ্ত্তা কোৱায়। অমুক মাসৰ অমুক তাৰিখৰপৰা সভা আৰম্ভ। তালৈকে গোসাইসকলক যাব লাগে। এই বুলি আজ্ঞা কলে মহন্তসকলে আপোন-আপোন চহৰৰ ৰাজমেধি, নগৰৰ ওচৰত বাহৰ কৰিবৰ নিমিত্তক পাচি দি বাহৰ সত্ৰ কৰাই মহন্তলৈ কৈ পঠায়। পাচে মহন্তে সভা কৰিবৰ পৰাকৈ সন্তম হুই আছে। এই প্ৰকাৰ সকলো মহন্ত সকল আহিলে বৰবৰুৱা শ্ৰীশ্ৰীস্বৰ্গদেৱলৈ মহাজন সকল আহিল বুলি জনায়। পাচে শ্ৰীশ্ৰীস্বৰ্গদেৱে দলৈ জ্যোতিষীয়াক অনাই পঞ্চাঙ্গক শুদ্ধ দিন কৰাই সভা ঘৰত মূৰ্ত্তিৰ ভেটি তৈয়াৰ কৰাই দুই হাত উশৃত (উচ্চ) ভেটি কৰি চাৰি দিশে কলা পুলি ৰুই, কুহিয়াৰ ৰুই তৈয়াৰ কৰে। মহন্তৰো ৰহা ভেটি উপায় কৰে। পাচে সভাৰ দিনা মহন্তসকলৰ ভকতে মূৰ্ত্তিৰ ওপৰত চন্দ্ৰতাপ তৰে। ঘৰদুৱাৰ ভেটি কুলি লোকে মচি সাৰি দিয়ে। পাচে মহন্তসকলে খাই-বৈ নিত্যকৰ্ম্ম কৰি অৱসৰ হুই কাচিপাৰি ওলাই খাটলাত উঠি যায়। নৰ কাহ বজায়। মহন্তৰ আগত বামতালেৰে বৰাগী নাম গাই যায়। মূৰ্ত্তিৰ আগত দবা ভূৰল, কালি বজাই যায়। ভকত লোকে সঘনে হৰিধ্বনি কৰি যায়।

ৰজাঘৰত মূৰ্ত্তি থাপনা কৰি পূজাসেৱা কৰা

এই ক্ৰমে সভা ঘৰ পাই মূৰ্ত্তি থাপনা কৰি মহন্তো ভেটিতে বহে। পাচে ৰজাঘৰৰ গন্ধপুষ্প, পাদ্যঅৰ্ঘ্য, নৈবেদ্য, ধূপদীপ ভূৰি-ভূৰি কৰি সভাৰ জোখাই দিয়ে। এই দ্ৰব্যেৰেই পজাৰীয়ে পূজা কৰে। মহন্তসকলে শ্ৰীভাগৱত ব্যাখ্যা কৰে। তদন্তে ভকতে ৰৰ-তালেৰে উঠা নাম গাবলৈ অৰম্ভ কৰে। বহুবেলা উঠানাম গাই তাৰ পাচে ব্ৰহ্মসংহতিৰ দিহা ঘোষা গায়, পুৰুষ সংহতিত কীৰ্ত্তন গায়, নিত্য সংহতিত ঘোষা গায়, কাল সংহতিতো নৱীন ঘোষা গায়। এই দৰে গাই নামৰ সামৰণি দি অন্ত কৰি তৰ পাশ গায়নে-বায়নে তালেখোলে গীত গায়। তাৰ অন্তত, বিয়াহ-কীৰ্ত্তন, খুটিতাল অৰ্থাৎ মঞ্জিৰা তালেৰে গাই। তাৰ পাচত, মহন্ত ভকতে শ্ৰীশ্ৰীস্বৰ্গদেৱক আশীৰ্বাদ কৰে। কঠ-ঢাৰিৰপৰা মহন্তসকল চালন হুই বুলনী-চৰাতে থিয় হৈ তাতে মহন্তে আশীৰ্ব্বচন বোলে। বৈষ্ণৱসকলে হৰিধ্বনি কৰে, দবা তালো বজায়। এই ক্ৰমে সকলো মহাজনে নামকীৰ্ত্তন কৰি আশীৰ্ব্বাদ কৰি ঘৰে ঘৰে অৰ্থাৎ সত্ৰলৈ থকা ঠাইলৈ যায়। ব্ৰহ্মসংহতিৰ একে দৰে নাম গায়। পুৰুষ সংহতিৰ এক নিৰ্বন্ধে গায়। নিত্যসংহতিৰ প্ৰেমদৰে গায়। কাল সংহতিৰ বঞ্জনা দৰে গায়।

কোন সত্ৰৰ কি প্ৰশস্ত

এইসকলৰ মধ্যে এই সকল বিশেষ দেখি :- আউনীআটিৰ উঠিলোৱা নাম প্ৰসস্ত, ইয়াকে হৰিনাম বোলে দেশস্থ লোকে। দক্ষিণপাটৰ গানবাজনা প্ৰশস্ত। গড়মুৰৰ নৰ্ত্তন প্ৰশস্ত।

কুৰুৱাবাহীৰ বিয়াহৰ কীৰ্ত্তন প্ৰশস্ততৰ। বেঙেনাআটিৰ পাক ডাক বঢ়া। দিহিং সত্ৰৰ নৰ্ত্তক-নটুৱাসকল স্ত্ৰীকাচে খাৰুমণি পিন্ধাই নচুৱায়; দেখিতে অতি প্ৰশস্ত। মায়ামৰাৰ চন্দ্ৰশৰ্ম্মা মহন্তৰ ভকতৰ ভাওভঙ্গী, উঠানামৰ জাতমাত, বিয়াহৰ বাগ সুৰসঞ্চ প্ৰশস্ত। কমলাবাৰী ভকতৰ উঠা নাম, গান কৰাতো অতি প্ৰেমৰ দ্বাৰা চক্ষুৰ লোতক ঝৰে, প্ৰেমত মুগ্ধ হয়; দেখা শুনাৰো প্ৰেম উপজি মগ্ন হয়, সৰ্ব্ববিদ্যা পাৰগ সকল ভক্ত লোক গান দেখিলে মূৰ্খৰো প্ৰেম ঝৰে। এলেঙী সত্ৰৰ উঠা নামৰ অন্তে দিহাৰূপে ঘোষা গায়, অতি সুশ্ৰাব্য শুনি, শ্ৰৱণতে প্ৰেম জৰি যায়; মূৰ্খজনো মোহিত হৈ চাই থাকে। সৰু গড়মূৰৰ বিয়াহ গোৱাত সাক্ষাত যেন দেখায়, চেঁচাৰ ৰৰঠাইৰ বহুৱাই অতি প্ৰেমৰূপে হৰিকথা গায়। সৰ্ব্বলোক মোহ যুক্ত হয়।..... ..

পাচে শ্ৰীশ্ৰীস্বৰ্গদেৱৰ প্ৰতিনিধি হুই দুই তিনিজন চমুৱা বৰুৱা ফুকন সভাৰ থানে গৈ প্ৰতি সত্ৰতে আশীৰ্ব্বাদ বোলাত সেৱা কৰে। মহন্ত সকলো সভান্তে আশীৰ্ব্বাদ কৰি ঘৰে থকা থানে যায়। এই ক্ৰমে সঙ্কল্পিত তাৰিখ দিন সভা গায়। ভক্ত মহন্তলৈ বড়াঘৰৰ বোজ দিয়ে। চাউল, শৰ্কৰা, লৱণ, তেল, ঘীৰ, মচলা, ডাইল, কেঁচাকল, কলাই মুগ মাহ বাহ প্ৰতি সত্ৰে দোলাদোল কৰি-কৰি দিয়ে। তামোলপাণ, লং গ, জাতিফল যোগ্যানুসাৰে দিয়ে। এই ক্ৰমে সভা কৰে। তাতে তিনি জনা ডাঙৰীয়া বৰবৰুৱা এই সকলেও সভা গোৱাৰ চিত্ত হলে শ্ৰীশ্ৰীস্বৰ্গদেৱলৈ জনাই, আজ্ঞা লৈ যথাশক্তি দুই চাৰি দিন সভা গোৱাই দেশস্থ লোক ডাঙৰীয়াসকল বৰবৰুৱা আদি সকলেও মহন্ত-ভক্তই নামসেৱা কৰেগৈ। তাতে ভাগ্যৱন্ত লোকে ভক্তসকলৰ পদধূলা, নামগোৱা ঘৰ কাপোৰেৰে সাৰি আনি মৃত্তিকা কৰি অনেক দিনলৈ শিৰে ধৰে তিলক লৈ খাই সেৱা কৰে। অনেক শত সত্ৰৰ ভক্ত মহন্ত নামগান একে থানতে গায়। যি যি লোকে সেৱা দৰ্শনাদি কৰে, তাৰ ভাগ্যৰ কথা কহিবৰ কাহাৰ শক্তি আছে। এই প্ৰকাৰ সন্তসকলক আনি সভা কৰায়।

পৰিশিষ্ট

(গ)

স্বৰ্গদেৱসকলে যাদৱৰাইৰ সেৱাপূজাৰ অৰ্থে সত্ৰক দান কৰা দেৱোত্তৰ-ব্ৰহ্মোত্তৰ পুনৰ বাহাল ৰখাৰ সিদ্ধান্ত পত্ৰ

